165
2283/AL

সমন্বয়ৰ ৰূপকাৰ

সমন্বয়ৰ ৰূপকাৰ

ৰংবং তেৰাং অভিনন্দন গ্ৰন্থ

সম্পাদনা

পবিত্ৰ বৰা

খনীন্দ্ৰ কুমাৰ ডেকা

samanwayor rupkār

A felicitation volume consisting of articles on the life and works of the prolific author Rong Bong Terang, edited by Pabitra Bora & Khanindra Kr Deka published by DIHUN 76/Gandhi Basti Path, Natun Saraniya, Guwahati-781 003 Assam
+91 94350 67310 e-mail khaninkd@gmail com

প্ৰথম প্ৰকাশ	ঃ	৮ ফেব্ৰুৱাৰী, ২০০৯
গ্ৰন্থস্বত্ব	ঃ	পবিত্ৰ বৰা
প্ৰকাশক	ঃ	ডিহুন ঘৰ নং- ৭৬, গান্ধীবস্তি পথ, নতুন শৰণীয়া গুৱাহাটী-৭৮১ ০০৩ +৯১ ৯৪৩৫০ ৬৭৩১০
মুখ্য পৰিবেশক	ঃ	আঁক-বাক ঘৰ নং- ৩, ৫নং উপপথ, নতুন শৰণীয়া, গুৱাহাটী-৩ +৯১ ৯৮৬৪১ ২২৬৩১ আংগিক চেঞ্চেলৰ কমাৰ্চিয়েল বিল্ডিং, পাণবজাৰ, গুৱাহাটী-১ ০৩৬১ ২৬০৬৬৯১
অংগসজ্জা	ঃ	পংকজ পৰাগ প্ৰণৱ কুমাৰ বায়ন বুবুল শৰ্মা সুভাষ কাকতী ভূপেন বৰুৱা
ফটো	ঃ	ওমপ্ৰকাশ সন্দিকৈ
মুদ্ৰণ	ঃ	ভবানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্ৰাঃ লিঃ লাচিত লেন, গুৱাহাটী-৭
দাম	ঃ	২০০/-

এই গ্ৰন্থখন আপোনাক এই চৰ্ততহে বিক্ৰী কৰা হৈছে যে প্ৰকাশকৰ অনুমতি অবিহনে গ্ৰন্থখন যিকোনো উপায় বা পদ্ধতিৰে এই প্ৰচ্ছদ বা আকাৰত প্ৰকাশ কৰিব নোৱাৰিব। তদুপৰি গৱেষণা বা লেখা-মেলা কৰোঁতে ইয়াৰ পৰা তথ্য ব্যৱহাৰ কৰিলে সূত্ৰ উল্লেখ কৰাটো বাধ্যতামূলক।

নিবেদন

'ৰংমিলিৰ হাঁহি'ৰ স্রষ্টা। অসমীয়া সাহিত্য আৰু সমাজ জীৱনত এই পৰিচয়েৰেই জাতিষ্কাৰ হ'লেও পদ্মশ্রী ৰংবং তেৰাঙৰ মহানতা তথা বিশিষ্টতা তাতেই সীমাবদ্ধ নহয়। বৰং কেতিয়াবা অনুভৱ হয়— 'ৰংমিলিৰ হাঁহি'ৰ জনপ্রিয়তা তথা চর্চাৰ ব্যাপকতাই তেৰাঙৰ সাধনা আৰু সৃষ্টিৰ বহু দিশক যেন আবুৰ কৰিহে ৰাখিছে। অথচ এইগৰাকী নমস্য শব্দ-সাধক একেধাৰে ঔপন্যাসিক, গল্পকাৰ, প্রাবন্ধিক তথা কবিয়েই নহয়— এগৰাকী অভিধান আৰু ব্যাকৰণ প্রণেতা, গীতিকাৰ, সুৰকাৰ তথা দক্ষ কণ্ঠশিল্পীও। দৰিদ্র কাৰ্বি পৰিয়াল এটাত জন্মি জীৱন-উত্তৰণৰ বিৰল চানেকীৰে এগৰাকী আদর্শ শিক্ষাসদী হিচাপে নিজকে প্রতিষ্ঠা কৰা ৰংবং তেৰাঙে কাৰ্বি ভাষাত বিকাশ তথা প্রসাৰৰ বাবে আত্মোৎসর্গা কৰিছিল আৰু এই উদ্দেশ্যেই প্রণয়ন কৰিছিল কেইবাখনো গ্রন্থ। বহুতৰ বাবেই অজানা— এসময়ত তেৰাং আছিল দক্ষ খেলুৱৈ; লংকা-কাকী আদিত তাহানিৰ প্রশান্ত আৰু আৰণ্যক পৰিৱেশত শৈশৱ-কৈশোৰ লালিত তেৰাঙৰ শিক্ষা জীৱনৰ প্রতিটো ঢাপেই আছিল সংঘাতপূর্ণ, অথচ প্রেৰণাউদ্দীপক আৰু সর্বদা স্মৰণীয়। সেউজ কাৰ্বি পাহাৰৰ বিশাল মহীৰুহ ৰংবং তেৰাং আজি বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰে এক বৰণীয় ব্যক্তিত্ব; আজীৱন অক্লান্ত সাধনাৰে নিজ সৃষ্টিৰে তেওঁ যেন ভৈয়ামৰ মাটিত বিয়পাই দিছে পাহাৰীয়া ফুলৰ অমিয়া সুবাস। যাৰ স্নিগ্ধ, পৰিশীলিত ব্যক্তিত্বত অনুভূত হয় পাহাৰৰ সেউজ প্রশান্তি— কাৰ্বি জীৱন তথা সংস্কৃতিৰ প্রতিটো ঘটনাৰ সজাগ পর্যবেক্ষক এইগৰাকী মৃদুভাষী আৰু বিৰল বিনয়ী সাহিত্যিক যথার্থতেই যেন পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ ৰূপকাৰ।

তেৰাঙৰ বৰ্ণাঢ্য জীৱন আৰু আপুৰুগীয়া সৃষ্টিৰ সামগ্রিক অৱলোকনেৰে এই অভিনন্দন গ্রন্থ সম্পাদনাৰ প্রাথমিক প্রস্তুতি আৰম্ভ কৰিছিলো আজিৰ পৰা আঠ-নমাহ পূৰ্বেই। সেই সময়ৰে পৰা আমি সন্মানীয় লেখকসকলক সাক্ষাৎ কৰি নির্দিষ্ট বিষয়ৰ লেখা বিচাৰি অনুৰোধ জনাইছিলো। এইক্ষেত্রত

প্ৰতিজন লেখকৰ মৌখিক সঁহাৰি আছিল অত্যন্ত উৎসাহজনক; বৰং ভালেকেইজন লেখক আৰু তেৰাঙৰ গুণমুগ্ধ ব্যক্তি প্ৰত্যক্ষ-পৰোক্ষভাৱে আমাৰ এই প্ৰচেষ্টাৰ সৈতে একাত্ম হৈ পৰিছিল। কিন্তু সম্পাদিত গ্ৰন্থৰ অসুবিধা এইটোৱেই যে সময়মতে আটাইবোৰ লেখা সংগ্ৰহ কৰাটো হৈ পৰে এক অত্যন্ত দুঃসাধ্য কৰ্ম। মূলতঃ এইবাবেই আমাৰ পৰিকল্পনাতকৈ বহু পলমকৈহে 'সমন্বয়ৰ ৰূপকাৰ'ৰ প্ৰকাশ সম্ভৱ হৈ উঠিল।

এখন অভিনন্দন গ্ৰন্থৰে তেৰাংদেৱক সম্মানিত কৰাৰ বাবে আমি প্ৰস্তুতি চলাই থকাৰ সময়তে অসম সাহিত্য সভাৰ ধেমাজি অধিৱেশনৰ সভাপতি হিচাপে তেখেতৰ নাম ঘোষণা কৰা হ'ল। একে সময়তে অসম উপত্যকা সাহিত্য বঁটাৰেও সম্মানিত হ'ল বৰেণ্য সাহিত্যিকগৰাকী। এই দুয়োটা সংবাদে তেৰাঙৰ অজস্ৰ গুণগ্ৰাহীৰ লগতে আমাকো যথেষ্ট উদ্বুদ্ধ কৰি তুলিলে। অসমৰ সৰ্বস্তৰৰ মানুহে কিমান আৱেগেৰে কাৰ্বি পাহাৰৰ সু-সন্তানজনক নিজৰ হৃদয়ত স্থান দি ৰাখিছে, সেই কথা আকৌ এবাৰ স্পষ্ট হৈ পৰিল। তেৰাঙৰ এই সম্মানপ্ৰাপ্তিৰ বাতৰিত আনন্দিত হৈ তেখেতৰ বহুকেইজন অনুৰাগী লোকে স্বেচ্ছাই এই গ্ৰন্থৰ বাবে লেখা দিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। তেখেতসকলৰ আগ্ৰহৰ প্ৰতি সন্মান জনাই নিৰ্বাচিত কেইটামান লেখা সম্পাদিত ৰূপত গ্ৰন্থখনত সংকলিত কৰিছোঁ।

ৰংবং তেৰাঙৰ জীৱন আৰু কৰ্মৰ সম্ভৱপৰ প্ৰতিটো দিশকে 'সমন্বয়ৰ ৰূপকাৰ'ত সামৰি লোৱাৰ পৰিকল্পনা কৰিছিলো আৰু সেই উদ্দেশ্যে তেখেতৰ বাল্যবন্ধু, খেলুৱৈ জীৱনৰ লগৰী, বিশ্ববিদ্যালয়ৰ সহপাঠী, ডিফু কলেজৰ সহকৰ্মী আদিৰ কাষ চাপিছিলো। আমাৰেই সৌভাগ্য— তেখেতসকলেও যথেষ্ট উৎসাহেৰে স্মৃতিচাৰণমূলক লেখা লিখি গ্ৰন্থখনক সমৃদ্ধ কৰিছে, যিবোৰে 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টাগৰাকীক নতুন নতুন ৰূপত পাঠকৰ সন্মুখত উন্মোচন কৰিব। আমি গ্ৰহণ কৰা সাক্ষাৎকাৰতো মূলতঃ তেৰাঙৰ শিক্ষাজীৱন, য'ত ঢাপে ঢাপে উত্তৰণ ঘটাই নিৰ্মাণ কৰিছিল নিজৰ সাফল্যৰ ভেটি, সেই কথাকেই পোহৰলৈ অনাৰ চেষ্টা চলাইছোঁ। অসমৰ বাহিৰৰ লোককো যাতে ৰংবং তেৰাঙৰ সৃষ্টি আৰু কাৰ্বি সাহিত্য-সংস্কৃতি সন্দৰ্ভত সম্যক আভাস দিব পাৰি, সেই লক্ষ্যৰে গ্ৰন্থখনত কেইটামান ইংৰাজী লেখাও সন্নিবিষ্ট কৰা হৈছে।

'সমন্বয়ৰ ৰূপকাৰ'ৰ প্ৰস্তুতিৰ সময়ছোৱাত বহুকেইজন লোকৰ পৰা পোৱা অকুণ্ঠ সহযোগিতাই আমাক অনুপ্ৰাণিত কৰিছে। আমাৰ অনুৰোধ ৰক্ষা কৰি মূল্যবান লেখা দিয়া প্ৰতিজন লেখকৰ ওচৰত আমি বিশেষভাৱে কৃতজ্ঞ। গ্ৰন্থখনৰ প্ৰস্তুতিৰ সময়ছোৱাত অশেষ সহায় আগবঢ়োৱা বীৰেন সিংহ, দিগন্ত ওজা, দিব্যৰঞ্জন খাটনিয়াৰ, গণেশ চন্দ্ৰ নাথ আদিৰ কথা আমি সদায়েই মনত ৰাখিম। এখন সৰ্বাংগসুন্দৰ অভিনন্দন গ্ৰন্থ প্ৰকাশৰ বাবে সকলো প্ৰচেষ্টা চলোৱাৰ পাছতো হয়তো ইয়াত বহু ত্ৰুটি-বিচ্যুতিয়েই থাকি গৈছে। তাৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী। ৰংবং তেৰাঙক বুজাত, তেওঁৰ সৃষ্টিৰ যথাযথ মূল্যায়নৰ বাট প্ৰশস্ত কৰাৰ ক্ষেত্ৰত যদি গ্ৰন্থখনে কিছু হ'লেও সহায় কৰে— ভাবিম, আমাৰ শ্ৰম অথলে যোৱা নাই।

পবিত্ৰ বৰা

গুৱাহাটী, ৩০ জানুৱাৰী, ২০০৯ **খনীন্দ্ৰ কুমাৰ ডেকা**

সূচীপত্ৰ

অধ্যায় ১ ঃ অভিনন্দন

ৰংবং তেৰাঙলৈ এখন চিঠি ঃ হোমেন বৰগোহাঞি/১৫
পৰ্বত-ভৈয়ামৰ মাজৰ এক সংযোগী সূতা ঃ মহিম বৰা/১৮
ৰংবং তেৰাঙৰ পৃথিৱী ঃ সমীৰ তাঁতী/২১
কাৰ্বি আংলঙক জগত সভাত প্ৰতিষ্ঠা কৰোঁতা ঃ উপেন্দ্ৰ বৰকটকী/২৩

অধ্যায় ২ ঃ বৰণীয় ব্যক্তিত্ব

সমন্বয়ৰ ৰূপকাৰ ৰংবং তেৰাং ঃ পবিত্ৰ বৰা/৩১
সমকালীন বাস্তৱতাৰ অনুভূতিশীল পৰ্যবেক্ষক ঃ ড° এম কামালুদ্দিন আহমেদ/৩৪
মাজত ব্ৰহ্মপুত্ৰ, সিপাৰে ৰংবং তেৰাং ককাইদেউ ঃ য়েছে দৰজে ঠংচি/৩৭
কাৰ্বি লাম্‌মেত আমেই আৰু ৰংবং তেৰাং ঃ লংকাম টেৰণ/৪১
ৰংমিলিৰ দিগন্তত ঃ বসন্ত দাস/৪৩
সম্প্ৰীতিৰ এক নৈসৰ্গিক পথ ঃ লুট্‌ফা হানুম ছেলিমা বেগম/৪৭
ভালপোৱা আৰু গভীৰ আস্থাৰে ঃ বীৰেন সিংহ/৫০
কাৰ্বি জনজীৱনত তেৰাং ঃ বৰছিং ৰংফাৰ/৫৩
অনুভৱত ব্যক্তিত্বৰ সুৰভি ঃ সঞ্জু বৰা/৫৬
এগৰাকী বৰ অসমীয়া ঃ জিষ্ণু মেধি/৫৮
The Architect of Modern Literature in
Karbi Anglong : Dhaneswar Engti/৬১
The Luminary of Karbi Literature : Deepali Amphechetia/৬৪

অধ্যায় ৩ ঃ সৃষ্টি আৰু দৃষ্টি

ৰংমিলিৰ হাঁহি ঃ সমাজৰ বাবে হৃদয় উছৰ্গাৰ কাহিনী ঃ ড° নগেন শইকীয়া/৬৯

Rongmilir Hanhi : A Human Document of Karbi
Life : Chandra Prasad Saikia/৭৪
অসমীয়া উপন্যাসৰ জনজাতীয় পৰম্পৰাত 'ৰংমিলিৰ হাঁহি' ঃ ড° গোবিন্দপ্ৰসাদ শৰ্মা/৭৭
কল্পকথাৰ আৰম্ভণি, প্ৰাৰম্ভিক সামাজিক সোপান ঃ ড° গৰিমা কলিতা/৮৩
ক্ৰান্তিকালৰ অশ্ৰু ঃ উপন্যাসত ইতিহাসৰ করুণ গাথা ঃ নলিনীধৰ ভট্টাচাৰ্য/৮৯
ৰংবং তেৰাঙৰ 'অচিন গছৰ গুটি' ঃ এটি টোকা ঃ হৰেকৃষ্ণ ডেকা/৯২
অভিধান আৰু ব্যাকৰণ প্ৰণেতা ঃ বিদৰছিং ক্ৰ'/৯৫
ৰংবং তেৰাঙৰ চিন্তাধাৰাত এভুমুকি ঃ প্ৰদীপ খাটনিয়াৰ/৯৯
ৰংবং তেৰাঙৰ গদ্যশৈলী ঃ দিগন্ত ওজা/১০৩
জাক হেৰোৱা পক্ষী ঃ সংঘাতময় পৰিস্থিতিৰ মৰ্মস্পৰ্শী চিত্ৰায়ন ঃ অৰিন্দম বৰকটকী/১০৯
নীলা অৰ্কিড ঃ কাৰ্বি সমাজ সংস্কৃতিৰ প্ৰতিফলন ঃ প্ৰকল্প ৰঞ্জন ভাগৱতী/১১৩
মিৰ্বিন ঃ কাৰ্বি পাহাৰলৈ অহা পৰিবৰ্তনৰ ইংগিত ঃ খনীন্দ্ৰ কুমাৰ ডেকা/১১৬
কথাশিল্পীৰ কাব্য সাধনা ঃ বিদুল বৰুৱা/১১৮
সুৰৰ সাধক গীতৰ খনিকৰ ঃ ভৱপ্ৰসাদ দেউৰী/১২৩

অধ্যায় ৪ ঃ সান্নিধ্য-স্মৰণ

বিশ্ববিদ্যালয়ৰ দিনৰে অন্তৰংগ বন্ধুজন ঃ কেশৱ শইকীয়া/১৩১
সেউজীয়া পাহাৰৰ এটি সেউজ মনৰ সান্নিধ্যত ঃ মঞ্জুদেৱী পেগু/১৩৫
ডিফু কলেজৰ দীৰ্ঘদিনৰ সহকৰ্মীজন ঃ কুমুদেশ্বৰ শৰ্মা/১৩৯
Rong Bong Terang from Close Quarters : Udai Bhanu Pandey/১৪৬
ৰংবং তেৰাঙৰ খেলুৱৈ জীৱন ঃ ড° গোপাল চন্দ্ৰ মেধি/১৫১
গীত শুনিয়েই প্ৰেমত পৰিছিলো ছাৰৰ ঃ বিদ্যাছিং ৰংপি/১৫৪
শৈশৱ কৈশোৰৰ কিছু অম্ল-মধুৰ কথা ঃ মুকুন্দ বড়ো/১৬৩
শৈশৱৰ লংকা, লংকা হাইস্কুল আৰু ৰংবং তেৰাং ঃ জয়গোবিন্দ শইকীয়া/১৬৭
সান্নিধ্য আৰু সাক্ষাতৰ কিছু উজ্জ্বল দিশ ঃ অৰুণ টেৰণ/১৭৩
বুকুত কঢ়িয়াই ফুৰিছোঁ তেওঁৰ ছবি ঃ মঃ আব্দুছ ছাজিদ/১৭৮
পল্টন বজাৰ, এটা কাপোৰৰ বেগ আৰু তেৰাং ঃ মধুমিতা ভট্টাচাৰ্য/১৮৩
সমন্বয়ৰ বাটকটীয়া তেৰাং ছাৰ ঃ জয়ছিং টক্‌বি/১৮৬

অধ্যায় ৫ ঃ কথোপকথন

বিষয় ঃ জীৱন/ সাক্ষাৎ গ্ৰহণ— পবিত্ৰ বৰা, খনীন্দ্ৰ কুমাৰ ডেকা /১৯০
বিষয় ঃ সাহিত্য, সমাজ/ সাক্ষাৎ গ্ৰহণ— প্ৰদীপ খাটনিয়াৰ /২০৭

অধ্যায় ৬ ঃ প্ৰাক্তন ছাত্ৰ, শুভাকাংক্ষীৰ দৃষ্টিত

হাংমিজি হাঞ্চে দেৱেন গগৈ ভৱেন কোচ ছাৰ এৎ হাঞ্চে তোষেশ্বৰ তামুলী ফুকন এম আচাবুৰ ৰহমান কুমুদ চন্দ্ৰ ডেকা যাদব হাজৰিকা পদুমী গগৈ/২১৫-২২৬

অধ্যায় ৭ ঃ পৰিশিষ্ট /২২৭

অভিনন্দন

আপোনাক অসম সাহিত্য সভাৰ সভাপতিৰ পদত অধিষ্ঠিত হোৱা দেখিবলৈ অসমৰ মানুহে যিমান ব্যাকুলভাৱে কামনা কৰিছিল, তেনে ঘটনা অসম সাহিত্য সভাৰ বুৰঞ্জীত ইয়াৰ আগতে কেতিয়াও হোৱা নাছিল।

ৰংবং তেৰাঙলৈ এখন চিঠি

হোমেন বৰগোহাঞি

প্ৰিয় বন্ধু তেৰাং,

জয়জয়তে আপুনি মোৰ নতুন বছৰৰ শুভেচ্ছা আৰু প্ৰীতি সম্ভাষণ গ্ৰহণ কৰিব। অসমবাসীৰ বহুদিনৰ আশা পূৰণ কৰি আপুনি এইবাৰ অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছে। মই নিজে আপোনালৈ টেলিফোন কৰি অভিনন্দন জনাবলৈ সময় আৰু সুযোগ নাপালো, কাৰণ ঠিক সেই সময়তে মই এসপ্তাহৰ কাৰণে ৰাজস্থানলৈ যাবলগা হ'ল। কিন্তু আমাৰ দুয়োৰে বিশেষ স্নেহভাজন পবিত্ৰৰ যোগেদি মই আপোনালৈ মোৰ অভিনন্দন পঠিয়াইছিলো। আমাৰ বহুতৰ কাৰণে আপুনি অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱাটো আছিল বছৰটোৰ আটাইতকৈ ভাল খবৰ। অসমৰ বেছিভাগ মানুহেই আপুনি সভাপতি হোৱাটো কামনা কৰি নীৰবে কিন্তু আকুলভাৱে প্ৰাৰ্থনা কৰি আছিল। এজন সাংবাদিক হিচাপে আৰু অসম সাহিত্য সভাৰ এজন প্ৰাক্তন সভাপতি হিচাপে মই এই কথা জানিবলৈ সুযোগ পাইছিলো যে আপোনাক অসম সাহিত্য সভাৰ সভাপতিৰ পদত অধিষ্ঠিত হোৱা দেখিবলৈ অসমৰ মানুহে যিমান ব্যাকুলভাৱে কামনা কৰিছিল, তেনে ঘটনা অসম সাহিত্য সভাৰ বুৰঞ্জীত ইয়াৰ আগতে কেতিয়াও হোৱা নাছিল। আপোনাৰ প্ৰতি অসমৰ মানুহৰ এই অপৰিসীম প্ৰীতি আৰু শ্ৰদ্ধাৰ কাৰণ কি?

একে আষাৰে ক'বলৈ গ'লে কাৰণটো হ'ল আপোনাৰ বিশাল আৰু বৰ্ণাঢ্য সাহিত্যিক ব্যক্তিত্ব।

প্ৰকৃতিৰ ৰূপকাৰ ৰম্যকানন কাৰ্বি আংলং জিলাত বাস কৰা কাৰ্বি জনজাতি লোকসকলক কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই অভিহিত কৰিছিল এই ভূখণ্ডৰ কলম্বাছ বুলি। অৰ্থাৎ তেওঁৰ মতে এই ভূখণ্ড আৱিষ্কাৰ কৰা আৰু ইয়াত বসতি স্থাপন কৰা প্ৰথম জনগোষ্ঠীটো আছিল কাৰ্বিসকল। মোৰ ইতিহাস আৰু নৃ-তত্ত্বৰ জ্ঞান নিচেই সীমাবদ্ধ। গতিকে কলাগুৰু ৰাভাৰ উক্তিৰ সত্যাসত্য নিৰূপণ কৰাৰ সাধ্য মোৰ নাই। কিন্তু কাৰ্বিসকল যে এই ভূখণ্ডত কেইবা হাজাৰ বছৰ ধৰি বাস কৰি আহিছে, সেই বিষয়ে বোধহয় সন্দেহৰ কোনো অৱকাশ নাই। এটা সীমিত অৰ্থত কাৰ্বিসকলে হয়তো অন্যান্য জাতিৰ লগত সমানে ফেৰ মাৰিব পৰা উন্নত সভ্যতা গঢ়ি তুলিব পৰা নাছিল। কিন্তু বহুযুগ সঞ্চিত সুপ্ৰাচীন প্ৰজ্ঞা আৰু বৰ্ণাঢ্য লোক-সংস্কৃতিৰ অধিকাৰী এই জনগোষ্ঠীটোৰ এনে কিছুমান স্বকীয় বৈশিষ্ট্য আছে— যিবোৰ বৈশিষ্ট্য আনবোৰ জনগোষ্ঠীৰ মাজত দেখিবলৈ পোৱা নাযায়। কাৰ্বিসকলৰ মৌখিক সাহিত্যত এনে কিছুমান অপৰূপ সুন্দৰ প্ৰেমৰ কাহিনী আছে, যিবোৰ কাহিনী বিশ্ব-সাহিত্যৰ অমূল্য সম্পদ বুলি পৰিগণিত হ'ব পাৰে। নিৰক্ষৰ কাৰ্বিসকলে মুখে মুখে ৰচনা কৰিছিল ৰামায়ণৰ কাৰ্বি সংস্কৰণ— যাক আক্ষৰিক অনুবাদ নুবুলি মৌলিক সাহিত্য-কৰ্ম বুলি অভিহিত কৰিব পৰা যায়। কাৰ্বি পাহাৰৰ নৈসৰ্গিক সৌন্দৰ্য আৰু কাৰ্বিসকলৰ স্বাভাৱিক প্ৰতিভা— এই দুয়োটাই মিলি কাৰ্বিসকলৰ জীৱন চৰিত্ৰ, মানসিকতা আৰু জীৱনধাৰাক এক বিশেষ সৌন্দৰ্যৰে মণ্ডিত কৰিছে।

এই কাৰ্বিসকলক নতুনকৈ আৱিষ্কাৰ কৰিবলৈ অসমবাসী তথা ভাৰতবাসীয়ে যিজন মানুহৰ আৱিৰ্ভাৱৰ কাৰণে বাট চাই থাকিবলগা হৈছিল, সেই মানুহজন হ'ল আপুনি— ৰংবং তেৰাং। কাৰ্বিসকলৰ বিশিষ্ট জীৱনধাৰাক আপোনাৰ কবিত্বময় উপন্যাসকেইখনত চিত্ৰিত কৰি আপুনি বিশ্ববাসীৰ লগত তেওঁলোকক চিনাকি কৰাই দিলে। অসমীয়া সাহিত্যয়ো লাভ কৰিলে এনে কেইখনমান অদ্বিতীয় গুণসম্পন্ন উপন্যাস, যিকেইখন উপন্যাসে জনজাতীয় সংস্কৃতি আৰু জীৱনধাৰাক আৰু লগতে ন-পুৰণিৰ সংঘাত আৰু সমন্বয়ক ৰসোত্তীৰ্ণ ৰূপত প্ৰকাশ কৰি অসমীয়া সাহিত্যত এটা নতুন ধাৰাৰ সূচনা কৰিলে। একে আষাৰে ক'বলৈ গ'লে আপুনি অসমীয়া সাহিত্যৰ বুৰঞ্জীত একধৰণৰ অমৰত্ব অৰ্জন কৰিলে। আপোনাৰ প্ৰতি অসমীয়াসকল প্ৰীতি আৰু শ্ৰদ্ধাত বিহ্বল হোৱাৰ ই এটা প্ৰধান কাৰণ।

কিন্তু এইটোৱেই একমাত্ৰ কাৰণ নহয়। কেইখনমান কালজয়ী মনোৰম উপন্যাস লিখাৰ বাহিৰেও আপুনি কাৰ্বি ভাষালৈ গীতৰ অনুবাদ কৰিছে, কাৰ্বি-অসমীয়া-ইংৰাজী অভিধান লিখিছে, বহুতো ৰমণীয় প্ৰবন্ধ লিখিছে। এনেধৰণৰ বিচিত্ৰ সাহিত্যকৰ্মৰ দ্বাৰা আপুনি নিজৰ এক বিশাল সাহিত্যিক ব্যক্তিত্ব গঢ়ি তুলিছে। আপুনি বহু বছৰ ধৰি ডিফু কলেজত অসমীয়া সাহিত্যৰ অধ্যাপনা কৰিছিল। অৱশেষত সেই একেখন কলেজৰে অধ্যক্ষৰ পদ অলংকৃত কৰি তাৰ পৰাই অৱসৰ গ্ৰহণ কৰিছে। যোৱা তিনিটা দশকত কাৰ্বি সমাজত যিমানবোৰ উচ্চশিক্ষিত মানুহ সৃষ্টি হৈছে আৰু যিসকল লোকে কাৰ্বি সমাজৰ বিভিন্ন ক্ষেত্ৰত আজি নেতৃত্বৰ ভূমিকা লৈছে, তেওঁলোকৰ বেছিভাগেই আপোনাৰ হাতৰ সৃষ্টি। আপুনি এহাতে কাৰ্বি সমাজৰ লগত বৃহত্তৰ অসমীয়া সমাজৰ সেতুবন্ধন কৰিছে, আনহাতে কাৰ্বি সমাজত উচ্চ শিক্ষা আৰু আধুনিক চিন্তাৰ মুখ্য প্ৰবক্তাৰ ভূমিকা লৈ আপুনি প্ৰায় একক প্ৰচেষ্টাৰে কাৰ্বি নৱজাগৰণৰ সূচনা কৰিছে। আপোনাৰ মহিমামণ্ডিত সাহিত্য-কৰ্মৰ দ্বাৰা আপুনি কাৰ্বি সমাজৰ প্ৰধান গৌৰৱৰ স্থলীত পৰিণত হৈছে। এইবোৰৰ উপৰি আপোনাৰ

নির্মল চৰিত্ৰ, প্ৰশান্ত ব্যক্তিত্ব আৰু স্বভাৱৰ মাধুৰ্যই সকলো মানুহকে প্ৰবলভাৱে আকৰ্ষণ কৰে। এইবাৰ আপুনি অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছে। কিন্তু ইয়াৰ আগতেও ২০০১ চনত আপুনি অসম সাহিত্য সভাৰ উপ-সভাপতিৰ পদত অধিষ্ঠিত হৈছিল। সেই সময়ত মই আছিলো সভাপতি। অৰ্থাৎ আমি দুয়ো একেলগে অসম সাহিত্য সভাৰ সেৱা কৰিবলৈ সুযোগ পাইছিলো। তাৰ আগতেও এটা সময়ত আমি দুয়ো আছিলো অসম প্ৰকাশন পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য। বিভিন্ন কৰ্মক্ষেত্ৰত আপোনাৰ সহযোগী হৈ কাম কৰিবলৈ পোৱাৰ সৌভাগ্য মোৰ হৈছিল, আৰু আপোনাৰ প্ৰশান্ত মননশীল ব্যক্তিত্বৰ সান্নিধ্যলৈ অহাৰ সুযোগ পোৱাৰ সেই দিনবোৰৰ কথা মই এতিয়াও আনন্দৰে স্মৰণ কৰোঁ।

মই ডিফুলৈ প্ৰথমবাৰৰ কাৰণে গৈছিলো ১৯৭০ চনত। সেইবাৰ মোৰ সহযাত্ৰী আছিল প্ৰয়াত ছত্ৰছিং টেৰণ। সেই তেতিয়াৰে পৰা সৌসিদিনালৈকে মই ডিফুকে ধৰি কাৰ্বি আংলঙৰ বিভিন্ন ঠাইলৈ ত্ৰিছবাৰমান গৈছোঁ। কাৰ্বি আংলঙলৈ ইমানবাৰ যোৱা দ্বিতীয় এজন অসমীয়া নাই বুলিয়েই মই ভাবোঁ। কাৰ্বি সমাজ, সংস্কৃতি, জীৱনধাৰা, খাদ্য আৰু পানীয় আৰু অতিশয় মোহনীয় স্বভাৱৰ কাৰ্বি মানুহৰ লগত মই একেবাৰে আপোনজন হৈ মিলি গৈছোঁ। কাৰ্বিসকলক মই যিমান ভাল পাওঁ আৰু তেওঁলোকৰ প্ৰতি মই যিমান গভীৰ আকৰ্ষণ অনুভৱ কৰোঁ, সেইখিনি কৰা দ্বিতীয়জন অসমীয়াও নাই বুলি মই মনে মনে আত্মপ্ৰসাদ লাভ কৰি থাকোঁ। নতুন প্ৰজন্মৰ কেইবাজনো কাৰ্বি কবি আৰু সাহিত্যিকক পাদপ্ৰদীপ সন্মুখলৈ আনিবলৈ মই অবিৰামভাৱে চেষ্টা কৰি আছোঁ। সেইসকলৰ ভিতৰত মোৰ এজন বিশেষ স্নেহভাজন তৰুণ লেখক হ'ল বিদ্যাছিং ৰংপি। সম্প্ৰতি তেওঁ কাৰ্বি আংলং স্বায়ত্তশাসিত জিলা পৰিষদৰ অন্যতম কাৰ্যবাহী সদস্য। যোৱা দুবছৰত মই যিমানকেইবাৰ ডিফুলৈ যাব লগা হৈছিল, সিমান কেইবাৰেই মই বিদ্যাছিং ৰংপিৰ ঘৰত দুপৰীয়া বা ৰাতিৰ আহাৰ খাবলগীয়া হৈছিল। সেই ভোজ-সভাবোৰলৈ বিদ্যাছিঙে সদায় কাৰ্বি সমাজৰ কেইবাজনো নেতৃস্থানীয় লোকক নিমন্ত্ৰণ কৰে। প্ৰতিবাৰেই নিমন্ত্ৰিত লোকসকলৰ তালিকাৰ কিছু সালসলনি হয়। বিদ্যাছিঙে সেইটো কৰাৰ প্ৰধান উদ্দেশ্য হ'ল কাৰ্বি সমাজৰ বিভিন্ন কৰ্মক্ষেত্ৰৰ নেতৃস্থানীয় লোকসকলৰ লগত পৰিচিত হ'বলৈ মোক সুযোগ দিয়া। কিন্তু সেই তালিকাত কেতিয়াও সলনি নোহোৱা একমাত্ৰ নামটো হ'ল ৰংবং তেৰাং। অৰ্থাৎ আপুনি। বিদ্যাছিঙৰ দ্বাৰা আয়োজিত সেই অবিস্মৰণীয় ভোজসভাবোৰ কাৰ্বি সমাজৰ বিভিন্ন কৰ্মক্ষেত্ৰৰ নেতাসকলক ঘনিষ্ঠভাৱে জানিবলৈ আৰু তেওঁলোকৰ লগত বিভিন্ন বিষয়ে ভাব বিনিময় কৰিবলৈ মোক এটা অপূৰ্ব সুযোগ দিছিল। প্ৰায় এবছৰৰ আগতে তেনে এখন ভোজসভাত আৰু আপোনাৰ উপস্থিতিত মই তৰুণ প্ৰজন্মৰ নেতাসকলক এইবুলি অনুৰোধ কৰিছিলো যে ডিফুৰ কাৰ্বি-অনাকাৰ্বি সকলো জনগোষ্ঠীৰ মানুহে মিলি ৰংবং তেৰাঙক এটা বিৰাট ৰাজহুৱা সম্বৰ্ধনা জনাব লাগে। কাৰণ, তেওঁ আধুনিক কাৰ্বি সমাজৰ পিতৃপুৰুষ আৰু অসমীয়া সাহিত্যৰ এজন সৰ্বজনশ্ৰদ্ধেয় পুৰোধা। মই শুনিবলৈ পাই অতি আনন্দিত হৈছোঁ যে কাৰ্বি আংলঙৰ মানুহে মোৰ সেই প্ৰস্তাৱ কাৰ্যকৰী কৰাৰ ব্যৱস্থা হাতত লৈছে। কোনো সন্দেহ নাই, ৰংবং তেৰাঙক ৰাজহুৱা সম্বৰ্ধনা জনোৱা সেই অবিস্মৰণীয় দিনটোৱে কাৰ্বি জনজীৱনত এটা নতুন প্ৰেৰণাৰ সঞ্চাৰ কৰিব।

আপোনাৰ নেতৃত্বত অসম সাহিত্য সভাই নৱজীৱন লাভ কৰক। আপোনাৰ কাপৰ পৰা ওলোৱা নিত্য-নতুন সাহিত্য-কৰ্মই অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থাকক। এই সকলো মহৎ কৰ্ম সম্পাদন কৰিবৰ কাৰণে ভগৱানে আপোনাক দীৰ্ঘ জীৱন আৰু সুস্বাস্থ্য দান কৰক।

এতিয়াও মই ৰংবঙৰ লেখা আগ্ৰহেৰে পঢ়ো আৰু তেওঁৰ ছাত্ৰাৱস্থাৰ সৰল, প্ৰসন্ন মুখখনৰ ছবি যিকোনো সময়তে মোৰ মনলৈ আহে। তেওঁৰ পৰা আমি বহুত আশা কৰিছো।

পৰ্বত-ভৈয়ামৰ মাজৰ এক সংযোগী সূতা

মহিম বৰা

শ্ৰীমান ৰংবং তেৰাং নগাঁও কলেজৰ ছাত্ৰ আছিল আৰু তেৰেঁই প্ৰথম অসমীয়াত অনাৰ্ছ লৈছিল। স্বাভাৱিকতে তেওঁৰ প্ৰতি শিক্ষকসকলৰ কৌতূহল বৃদ্ধি পাইছিল। তেওঁ আগ্ৰহ কৰি অসমীয়াত অনাৰ্ছ ল'বলৈ অহাত মই বৰ আশান্বিত হৈ উঠিছিলো আৰু ভাবিছিলো যে অসমীয়াৰ বহু গ্ৰন্থ তেওঁৰ যোগেদি ভৱিষ্যতে কাৰ্বি ভাষালৈ অনুবাদ কৰিব পৰা যাব। আন এটা অব্যক্ত আশাও আছিল— কাৰ্বি আৰু অসমীয়া ভাষাৰ এখন অভিধান ৰচনা কৰাৰ পথ ভৱিষ্যতে হয়তো সুগম হ'ব। কিন্তু ছাত্ৰাৱস্থাত তেওঁ মোৰ ঘনিষ্ঠতালৈ অহা নাছিল শিক্ষকৰ প্ৰতি থকা শ্ৰদ্ধাৰ কাৰণেই। যথাসময়ত তেওঁ যোগ্যতাৰে উত্তীৰ্ণ হ'ল আৰু অনাৰ্ছো (এতিয়াৰ মেজৰ) পালে। ইয়াৰ পাচত এম এ পাছ কৰি তেওঁ ডিফু কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক হ'ল। গতিকে তেওঁৰ লগত মোৰ কোনো প্ৰকাৰে যোগাযোগ নঘটা হ'ল। এবাৰ কোনোবা এখন সাহিত্য সভালৈ প্ৰতিনিধি হিচাপে যাওঁতে আমি দুয়োজন একেটা কেম্পতে থাকিবলগীয়া হৈছিল। কেম্পৰ মাটিত খেৰৰ বিছনা তেওঁৰখন মোতকৈ কিছু আঁতৰত আছিল। তেওঁ মোক দেখাৰ লগে লগেই ওচৰ চাপি শ্ৰদ্ধা জনায় আৰু মেয়ো তেওঁৰ ব্যক্তিগত বা-বাতৰি ল'লো। আমাৰ মাজত সাহিত্য সম্পৰ্কীয় দুই-এটা বাক্যও বিনিময় হ'ল। একে কেম্পত থাকিলেও আমাৰ লগালগি কম, বৰ ব্যস্ত। মই মাত্ৰ এদিন ধেমেলীয়াকৈ ক'লো— 'বৰাৰ পো, তুমি আমি একত্ৰে শয়ন কৰা আহা'। কথাগুৰু চৰিতৰ এই উক্তিষাৰ তেওঁ

তৎক্ষণাৎ ধৰি লৈ তেওঁ যে সঁচাকৈয়ে মোৰ শিষ্য হৈ গ'ল, এনে এটা উজ্জ্বল ভাব চকুৱে-মুখে প্ৰকাশ কৰিলে। আচলতে উক্তিটো আছিল শংকৰগুৰুৰ। তেৰাৰ প্ৰিয় শিষ্য মাধৱদেৱক এই কথা কৈছিল। তেওঁৰ কথাগুৰু চৰিতৰ জ্ঞান জনাটোও মোৰ উদ্দেশ্য আছিল।

পৰৱৰ্তী কালত তেওঁৰ বিখ্যাত উপন্যাস 'ৰংমিলিৰ হাঁহি' প্ৰথমে আলোচনীত আৰু পাচত কিতাপ আকাৰে প্ৰকাশিত হ'ল। উপন্যাসখন আলোচনীত, পাচত কিতাপৰ ৰূপত পঢ়ি মই বৰ উল্লসিত হৈ পৰিলো। শ্ৰীমান তেৰাঙে সঁচাকৈয়ে এখন যুগজয়ী উপন্যাস লিখিলে। কোনোবা এটা আলোচনাত মই এই উপন্যাসখনক 'মিৰিজীয়ৰী', 'পদুম কুঁৱৰী', 'পুৱাতে এজাক ধনেশ' (ডাঃ জয়ন্ত ৰংপী)- এই তিনিখন উপন্যাসৰ লগত একেশাৰীতে থৈছিলো। আঞ্চলিক উপন্যাস হিচাপে 'মিৰিজীয়ৰী'ৰ পাচতেই 'ৰংমিলিৰ হাঁহি'ৰ স্থান হ'ব। এই কিতাপখন ইংৰাজীলৈ উপযুক্তভাৱে ভাঙনি কৰিব পাৰিলে, বিশ্বৰ আঞ্চলিক উপন্যাসৰ শাৰীত এক নিৰ্দিষ্ট স্থান পাব বুলি মোৰ গভীৰ বিশ্বাস। এই কথা মই লিখিতভাৱে ক'ৰবাত প্ৰকাশ কৰি আহিছো। ৰংবং তেৰাঙৰ অন্যতম প্ৰধান কীৰ্তি হ'ল কাৰ্বি ভাষাৰ এখন অভিধান। অসমীয়া 'হেমকোষ'ৰ দৰে এই অভিধানখনো তেওঁৰ একক প্ৰচেষ্টাৰ ফল।

ছাত্ৰ হিচাপে ৰংবঙে সদায়ে মোৰ পৰা দূৰত্ব ৰাখি চলি আহিছিল আৰু বাটৰ দূৰত্বৰ কাৰণেও তেওঁৰ লগত মোৰ দেখা-দেখি বৰ কম। মাত্ৰ এদিন ক্ষন্তেকৰ কাৰণে তেওঁৰ ঘৰলৈ গৈছিলো, বোধহয় মই অসম সাহিত্য সভাৰ সভাপতি হোৱাৰ সময়ত ডিফুলৈ যাওঁতে। অতি ক্ষন্তেকীয়া সময়। তেবোঁ বোধহয় এবাৰহে মোৰ ঘৰলৈ এতিয়ালৈকে আহিব পাৰিছে। এতিয়াও মই ৰংবঙৰ লেখা আগ্ৰহেৰে পঢ়ো আৰু তেওঁৰ ছাত্ৰাবস্থাৰ সৰল, প্ৰসন্ন মুখখনৰ ছবি যিকোনো সময়তে মোৰ মনলৈ আহে। তেওঁৰ পৰা আমি বহুত আশা কৰিছো। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত, পৰ্বত-ভৈয়ামৰ মাজত তেওঁৰ ৰচনাই এডাল সংযোগী সূতাৰ কাম কৰিছে আৰু কৰিবও। এই বান্ধ কোনোকালেই নিছিগিব। তেওঁৰ দীৰ্ঘায়ু আৰু সৰ্বমংগল কামনা কৰিলো।

৫

ৰংবং তেৰাং এনে এক পৃথিবীৰ বাসিন্দা হৈও চাই আছে সেইখন পৃথিৱীৰ ফালে— য'ত মানুহে এতিয়াও লগ পালে প্ৰাণখুলি হাঁহে, পানীৰ শব্দ কাণ পাতি শুনে, চৰাইৰ মাত অনুকৰণ কৰিবলৈ চেষ্টা কৰে। কেৱল সিমানেই নহয়, বহুৰঙৰ ছুয়োটা সাজুকে পৰিধান কৰি মাটিত সপোনৰ বীজ ৰোপণ কৰে আৰু আকাশক মাটিৰ গান শুনিবলৈ বাধ্য কৰে।

৬

ৰংবং তেৰাঙৰ পৃথিৱী

সমীৰ তাঁতী

ৰং বং তেৰাং আমাৰ যুগৰ এনে এজন লেখক, যাৰ এই পৃথিৱীৰ স'তে মুখামুখি হ'বলৈ যাওঁতে ক'তো কোনো অনৈক্য আৰু অপ্ৰীতিৰ সুৰ ভাহি নাহে। যাৰ জীৱন এটা জাতি, এটা অঞ্চল আৰু এখন ৰাজ্যৰ সীমা অতিক্ৰমি বিশাল বিশ্বৰ স'তে একাকাৰ হৈ যায় আৰু জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো মানুহৰে হৃদয় স্পৰ্শ কৰে, তেওঁৰ বাবে অতীতৰ অৱহেলা বা বৰ্তমানৰ অস্থিৰতা আৰু জটিলতা কেৱল পাৰ হৈ অহা এক দৃশ্যৰ বাহিৰে আন একো নহয়। দৈনন্দিন জীৱনত কত ঘটনা, পৰিঘটনাইতো ঘটি নাথায়, কিন্তু বাস্তৱিকতে এনে হেজাৰটা দৃশ্যই এজন সংবেদনশীল লেখকৰ মন দিগন্তত কিমানখিনি প্ৰভাৱ পেলাব পাৰে? পাচে এই কথাও সঁচা যে, অহৰ্নিশে চউপাশৰ জীৱন যদি বাৰে বাৰে বিপৰ্যস্ত হৈ পৰে তেনে মুহূৰ্তত মানুহৰ মংগলকামী কোনো লেখকৰ বাবে নীৰৱে সময়ক নীৰিক্ষণ কৰি থকাটো সম্ভৱপৰ নহয়। সেইবাবে একোজন লেখকে কষ্টকৰ এই নিঃসংগতাক অতিক্ৰম কৰিবলৈ যাওঁতে নিজৰ মৌনতা আৰু সৃষ্টিৰ মগ্নতাক আত্মক্ষয়ৰ মাজেৰে সময়ক সঁকীয়াই থৈ যায় যে বাস্তৱৰ সত্য আৰু বাস্তৱৰ সিপাৰৰ সত্য একে নহয়। এনেদৰে বাস্তৱৰ অন্তৰালত থকা সত্যৰ সিপাৰৰ সত্যৰ অৱতাৰণা কৰিবলৈ যাওঁতে যিকেইজন স্বনামধন্য লেখকৰ কথা আমাৰ মনলৈ আহে, তেওঁলোকৰ ভিতৰত ৰং বং তেৰাঙে এখন সুকীয়া আসন দখল কৰি আছে। তেওঁ এইবাবেই সুকীয়া, অনন্য, অসাধাৰণ— কাৰণ ৰংবং তেৰাঙে কাহানিও কোনো

পদমৰ্যাদা, বটা-বাহন বা যুক্তি-তৰ্ক বুদ্ধিৰ বৰলভাত খলকনি তোলা নাছিল; আনকি অসমীয়াৰ মূলসুঁতিত আসন দখল কৰিবলৈকো কাকো খাটনি ধৰা নাছিল। যি আছিল একেন হোজা-সৰল মানুহ হিচাপে নিজৰ সৃষ্টি আৰু জগতত নিজে মগ্ন এক বিশাল মানৱতাৰ বাণকাৰ। আজিও অসম মুলুকত এনে এক পৰম্পৰা চলি আছে যাক চিনি পাবলৈ বহুবছৰ পিচুৱাই যাব লাগে আৰু যেতিয়া উভতি অহা যায় তেতিয়া এনে এক পৰম্পৰাৰ সন্মুখীন হোৱা যায় যাক অসমৰ পৰম্পৰা বুলি ভাবিবলৈ কষ্ট হয়। বোধকৰো ইয়াৰ কাৰণ এটাই যে অতীতমুখিতা আৰু বৰ্তমানৰ নতুনত্বৰ মাজত সমন্বয় ঘটিবলৈ এতিয়াও বহুযোজন বাকী। নহ'লেনো আমাৰ মাতৃভাষা ভিন্ন হোৱা সত্ত্বেও যিসকলে অসমীয়া ভাষা, কৃষ্টিক নিজৰ প্ৰাণতকৈও অধিক আপোন কৰি ল'লে, তাৰ পাছতো তেওঁলোকে অসমীয়া হোৱাৰ পৰিবৰ্তে, কাৰ্বি, মিচিং, চাহ মজদুৰ, বড়ো, তিৱা হৈ থাকিবলগীয়া হয়। আজিও এনে পৰম্পৰা সাহিত্য-সংস্কৃতিৰ মঞ্চত বৰ্তি থকাটোৱে আচলতে কি সূচায়? আমাৰ বৌদ্ধিক জগতত কথাই কথাই উত্তৰ আধুনিকতা, নব্য ঔপনিবেশিকতাৰ ভুৱলুৱা আলোচনা চলা দেখা যায়। পাছে অসম মুলুকৰ পৰা আৰম্ভ কৰি সৰ্বভাৰতীয় মঞ্চতো সেই একেটা পৰম্পৰাকে বৰ্তাই ৰখাৰ বাবে আজিৰ সাহিত্যৰ কাণ্ডাৰীসকলে অহোপুৰুষাৰ্থ চেষ্টা চলাই আছে আৰু এইটো সংক্ৰমিত হৈছে বিশেষকৈ ভোটকেন্দ্ৰিক ৰাজনৈতিক ক্ষেত্ৰৰ পৰা। আমাৰ বাৰবাৰ বহুধাবিভক্ত গণতন্ত্ৰৰো অন্তৰ্যোগ এইটোৱেই।

ৰংবং তেৰাং এনে এক পৃথিৱীৰ বাসিন্দা হৈও চাই আছে সেইখন পৃথিৱীৰ ফালে— য'ত মানুহে এতিয়াও লগ পালে প্ৰাণখুলি হাঁহে, পানীৰ শব্দ কাণ পাতি শুনে, চৰাইৰ মাত অনুকৰণ কৰিবলৈ চেষ্টা কৰে। কেৱল সিমানেই নহয়, বছৰৰ ছয়োটা ঋতুকে পৰিধান কৰি মাটিত সপোনৰ বীজ ৰোপণ কৰে আৰু আকাশক মাটিৰ গান শুনিবলৈ বাধ্য কৰে। ৰংবং তেৰাং এই বিচিত্ৰময় পৃথিৱীৰ এনে এক যাদুকৰ, যিজনে কেৱল শব্দৰ মায়াজালেৰে মানুহক মুহূৰ্তৰ বাবে আচ্ছন্ন কৰিব নোখোজে, বৰং সময়ৰ সকলো আঘাতকে বুকু পাতি লৈ জীৱনৰ মহামেলাৰ আয়োজন কৰিবলৈ শিকায়। এই মহামেলাত যিদৰে গীত আৰু সুৰাৰে জীৱনৰ প্ৰতিটো মৰমিয়াল মুহূৰ্তকে আদৰণি জনোৱা হয়; ঠিক তেনেদৰে প্ৰিয়জনৰ বিচ্ছেদ-বেদনাকো একেধৰণে মানি লোৱা হয়। ৰংবং তেৰাঙৰ পৃথিৱীত নৱজন্মৰ দৰে মৃত্যুৰো উৎসৱ পালন কৰা হয় যাতে ইহজনমত বঞ্চিত, অৱহেলিত জনো মৃতকৰ পৃথিৱীত সন্মানিত হয়।

এজন লেখক কোনো অঞ্চলত বা কোনো দেশত জন্ম গ্ৰহণ কৰিলে সেইটো ডাঙৰ কথা নহয়। আনকি তেওঁ কোন জনগোষ্ঠী বা বিশেষ সম্প্ৰদায়ৰ নামেৰে পৰিচিত হ'ব সেই বুলিও ক'তো কোনো ঈশ্বৰ বা চয়তানে নিয়ম বান্ধি থৈ যোৱা নাই। গতিকে লেখক এজনে কেনে মাটিৰ নিৰ্যাস গ্ৰহণ কৰি কোন ভাষাত লিখি ব্ৰহ্মাণ্ডক স্পৰ্শ কৰিলে সেইটোহে লেখতল'বলগীয়া কথা। জীৱিকাত এজন দস্যু হৈও ৰত্নাকৰে কেৱল সত্যৰ সন্ধানত ব্ৰতী হৈ এদিন সময়ক অতিক্ৰম কৰিলে। তেনেদৰে ৰাজসুখ এৰি সিদ্ধাৰ্থ গৌতমে প্ৰমাণ কৰি দেখুৱালে যে জন্মৰ পৰাই কোনো মানুহে ব্ৰহ্মজ্ঞান লাভ কৰি নাহে, কেৱল কৰ্মৰ মাজেৰেহে সেই জ্ঞান লাভ কৰিব পাৰে—Ajapala Nigrodha tree (Bunyan tree) Lord Buddha spent the fifth week under this tree in meditation after enlightment. Here he replied to Brahmana that only by one's deeds one becomes a Brahmana, not by firth : Bodhgaya Pillar) আমাৰ সাহিত্যৰ

কাজাৰীসকলে অন্ততঃ এটা কথা পাহৰি যোৱাটো উচিত নহ'ব যে কোনো আসনেই চিৰকাল স্থায়ী নহয়; কেৱল কৰি যোৱা মহৎ কৰ্মই লেখকসকলক তেওঁলোকৰ দৃষ্টিভংগী অনুসৰি সময়ৰ অন্তত আসনতকৈও ওখ আসন এখনত এক কিংবদন্তি ৰূপে প্ৰতিষ্ঠা কৰি যাব।

এটা দীৰ্ঘ পথ পৰিক্ৰমা সামৰি আহি আছে ৰংবং তেৰাং। হোজা-সৰল এজন মানুহ। কোনোদিনে কোনো অনুষ্ঠানৰ পদমৰ্যাদাৰ প্ৰতি লালায়িত নোহোৱা সোণতকৈও উজ্জ্বল পুৰুষ। সকলো কপট, কুটিলতা, স্থূল ৰুচিৰ পৰা সহস্ৰ যোজন দূৰৈত জগতক দুহাতেৰে আঁকোৱালি ল'ব পৰা এজন খাঁটি মানুহ; যাৰ পোহৰত সহস্ৰ নাৰী-পুৰুষ-শিশু জাতিষ্কাৰ হৈ পৰে। সেইবাবে তেওঁৰ পৰিচয় কেৱল এটা অঞ্চল বা এটা জনগোষ্ঠীৰ পৰিচয়েৰে সম্পূৰ্ণ হ'ব নোৱাৰে। আমাৰ চিন্তাৰ জগতৰ মাজেৰে সময় আৰু সভ্যতাক ধন্য কৰি যোৱা সেইসকল বিৰল পুৰুষ-নাৰীৰ পৰিচয়ৰ স্বাক্ষৰ তেওঁ বহন কৰিছে আজি। সেইবাবে কোনো ষড়যন্ত্ৰ বা অৱহেলাই যেনেদৰে তেওঁক লঘু কৰি থৈ যাব নোৱাৰে; ঠিক তেনেদৰে কোনো উচ্চ প্ৰশংসা বা সন্মানেও তেওঁৰ মহানুভৱতাক চুবগৈ নোৱাৰে। কাৰণ তেওঁৰ পৃথিৱী সেইখন পৃথিৱী যাক কোনো দুৰ্যোগ বা সফলতায়ো ম্লান কৰিব পৰা নাই।

কাৰ্বি আংলং আজি নানানটা দুৰ্যোগেৰে ক্ষত-বিক্ষত। তাত নাথাকিলে, তাৰ এজন অংশীদাৰ নহ'লে কাৰ্বি আংলঙৰ যন্ত্ৰণা আৰু হাহাকাৰ অনুধাৱন কৰাটো কঠিন। কিন্তু তেওঁতো কেৱল কাৰ্বি আংলঙৰে মানুহ নহয়। তেওঁ হ'ল এজন আধুনিক বিশ্বৰ নাগৰিক। সেইবাবে তেওঁ সপোন দেখিব পাৰে। সহস্ৰ আপোনজনৰ তেজেৰে লুতুৰি-পুতুৰি এয়া এনে এক সপোন য'ত আশা আৰু বিশ্বাস অভাৱ কোনোদিনে ঘটা নাই। এই সপোন কেৱল নিজৰ বাবে নহয়, আমাৰ দৰে সহস্ৰজনৰ বাবে। যিসকলে এই সন্ত্ৰাস, এই ৰাজনৈতিক কুটিলতা আৰু বিকৃত পৰম্পৰাৰ বোজাৰ পৰা মুক্ত হৈ এক নতুন পৰম্পৰাৰ অধিকাৰী হ'ব খোজে। সেই পৰম্পৰা হ'ল অতীতৰ প্ৰতি শ্ৰদ্ধা, নতুনৰ প্ৰতি বিশ্বাস আৰু ভৱিষ্যতৰ প্ৰতি এক গভীৰ আস্থা। আমিও এই পৰম্পৰাক এবাৰ পৰীক্ষা কৰি ক'ম যে কাৰ্বি আংলং ওৰফে অসম হ'ব এটি ভাবনা, এটা স্বচ্ছ, গভীৰ চিন্তা আৰু বাস্তৱৰ ভেটিত গঢ়ি উঠা এক নিৰাপদ দৰ্শন। এই কথা আজি সঁচা যেন নালাগিব পাৰে কিন্তু ই বিফলে নাযায়, অনৰ্থক বাগাড়ম্বৰ যেন লগা এই কথা এইবাবে সত্য যে ই বাস্তৱিকতে হ'বলৈ গৈ আছে।

৫

কল্পনা আৰু বাস্তৱৰ মধুৰ সমন্বয় ঘটাই মনোমোহা ৰচনাশৈলীৰে উপন্যাসৰ কাহিনীভাগ ৰচনা কৰা হয় যদিও সৃষ্টিকৰ্তা জন আৰু তেওঁৰ দৃষ্টি আৰু দৰ্শন তাতে ওলাই পৰে। সেইকালৰ পৰা ক'ব পাৰি ৰংবং তেৰাং আৰু 'ৰংমিলিৰ হাঁহি'ৰ সম্পৰ্ক যেন লগুণ-গাঁঠিৰ দৰে।

৬

কাৰ্বি আংলঙক জগত সভাত প্ৰতিষ্ঠা কৰোঁতা

উপেন্দ্ৰ বৰকটকী

কাৰ্বি আংলঙৰ মাটি আৰু মানুহক সাহিত্যৰ মাধ্যমেদি সাৰ্থকভাৱে ফুটাই তোলা, সেই অঞ্চলৰ জনজীৱনক জগত সভাত প্ৰতিষ্ঠা কৰা, অসম আৰু অসমীয়াৰ শয়নে-সপোনে মংগল কামনা কৰা— ৰংবং তেৰাং সাম্প্ৰতিক কালৰ এটা অতি আদৰৰ নাম। জনপ্ৰিয়তাৰ তুলা- চালনীৰে তেওঁ সমাজজীৱনত প্ৰতিষ্ঠিত হোৱা নাই— প্ৰতিষ্ঠিত হৈছে মানুহ হিচাপে সৎ, আদৰ্শবান, উদাৰ আৰু বহল মনটোৰ কাৰণে। ইয়াৰ প্ৰতিফলন ঘটিছে তেওঁৰ কৰ্মৰাজিত আৰু তেওঁৰ সাহিত্য কৰ্মত।

'ৰংমিলিৰ হাঁহি' উপন্যাসখনেৰে অসমীয়া উপন্যাস সাহিত্যক সমৃদ্ধ কৰা আৰু সেই একেখন উপন্যাসৰে যশ আৰু গৌৰৱ কঢ়িয়াই অনা ৰংবং তেৰাঙৰ বহল চিন্তাধাৰা, তেওঁৰ উদাৰ দৃষ্টিভংগী, শোষিত-নিষ্পেষিতসকলৰ প্ৰতি সমবেদনা আৰু অসমৰ পাহাৰ-ভৈয়ামৰ জনসাধাৰণৰ মাজৰ মধুৰ সম্পৰ্ক উপন্যাসখনৰ পাতে পাতে প্ৰকাশ পাইছে। বিভিন্ন জনগোষ্ঠীৰে গঠিত অসমীয়া জাতিৰ এটি ঘাই অংগ কাৰ্বিসকলৰ আশা-আকাংক্ষা, মনৰ কথা অসমীয়াসকলৰ সৈতে একেই। 'ৰংমিলিৰ হাঁহি'ৰ মাজেৰে ৰংবং তেৰাঙে সেই কথাকে গভীৰ আন্তৰিকতাৰে আৰু সূক্ষ্ম অনুভূতিৰে অংকন কৰিছে। 'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ আলোচনা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। কিন্তু ৰংবং তেৰাঙক জানিবলৈ হ'লে এই উপন্যাসখনক কোনোপধ্যে বাদ দিব নোৱাৰি। কল্পনা আৰু বাস্তৱৰ মধুৰ সমন্বয় ঘটাই মনোমোহা ৰচনাশৈলীৰে উপন্যাসৰ কাহিনীভাগ ৰচনা কৰা হয় যদিও সৃষ্টিকৰ্তাজন আৰু

তেওঁৰ দৃষ্টি আৰু দৰ্শন তাতে ওলাই পৰে। সেইফালৰ পৰা ক'ব পাৰি ৰংবং তেৰাং আৰু 'ৰংমিলিৰ হাঁহি'ৰ সম্পৰ্ক যেন লগুণ-গাঁঠিৰ দৰে।

সময়ৰ সোঁতত সলনি হৈ যোৱা কাৰ্বি সমাজখনৰ আৰ্থ-সামাজিক দিশটোৰ সুন্দৰ প্ৰতিফলন ঘটিছে উপন্যাসখনত। স্বাধীনতাৰ আগৰ কালছোৱাত এহাতে কানি ৰৰবিহে মানুহবোৰক অকামিলা কৰিলে, আনহাতে ক'লাজ্বৰৰ প্ৰকোপে কাৰ্বি গাঁওবোৰ উচ্ছন্ন কৰি পেলালে। এহাতে মিছনেৰী আনহাতে বিদেশী লোকৰো পয়োভৰ ঘটিল কাৰ্বি আংলঙত। কাৰ্বি সমাজখনৰ ওপৰত ইয়াৰ প্ৰভাৱ গভীৰভাৱেই পৰিল। অকল সেয়ে নহয়। ভূতৰ ওপৰত দানহৰ দৰে শোষক শ্ৰেণীৰ প্ৰতিনিধিয়ে এই সহজ-সৰল মানুহখিনিক তেওঁলোকৰ সৰলতাৰ সুযোগ লৈ শোষণ কৰিবলৈ ধৰিলে। প্ৰাচীনতম পন্থীৰ প্ৰবক্তা হাবেছিকিকই সংস্কাৰপন্থী দলৰ ছাৰইক তেৰাঙৰ প্ৰতিটো সৎ কামতে বাধা দিয়ে আৰু ষড়যন্ত্ৰ কৰে। হাবেছিকিকইঁতৰ দৰে অদূৰদৰ্শী অথচ প্ৰভাৱশালী কাৰ্বি লোকক ৰামধনইঁতৰ দৰে শোষকে হাতৰ মুঠিত ৰাখি সহজ-সৰল কাৰ্বিসকলক শোষণ কৰাত ছাৰইক তেৰাঙৰ দৰে সংস্কাৰকামী ব্যক্তি মানসিক দ্বন্দ্বত জৰ্জৰিত হৈ পৰে। 'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ দুখন সমাজৰ দুজন প্ৰতিনিধি ছাৰইক তেৰাং আৰু হাবেছিকি'ৰ কাম-কাজৰ মাজেদিয়েই উপন্যাসখনৰ কাহিনীভাগ আগুৱাই নিয়া হৈছে। ছাৰইক তেৰাঙে শিক্ষা বিস্তাৰৰ কাৰণে চেষ্টা কৰিছিল যদিও প্ৰাচীনপন্থী আৰু কুসংস্কাৰধৰ্মীসকলৰ ওচৰত সেও মানিবলৈ বাধ্য হ'ল। এই উদ্দেশ্যত বিফল হৈ ছাৰইকে তেওঁৰ একমাত্ৰ পুত্ৰ হেমাইক উচ্চ শিক্ষাৰ নিমিত্তে কামপুৰলৈ আনি ধনেশ্বৰ মাষ্টৰৰ ঘৰত থ'লেহি। হেমাইক থৈ ছাৰইক কপিলীপাৰ হৈ ঘৰমুৱা হওঁতে পাণ এখিলা, তামোল এটি কপিলীৰ সোঁতত উটুৱাই হেমাইৰ মন যেন বৰপানী নদীতকৈও বহল কপিলীৰ সোঁতৰ দৰেই প্ৰশান্ত আৰু গতিশীল হয় এই কামনা কৰিলে। এই ছাৰইক তেৰাংজন যেন ৰংবং তেৰাঙৰ দেউতাক আৰু হেমাই যেন ৰংবং তেৰাং নিজে— উপন্যাসখন পঢ়োতে মোৰ তেনে ধাৰণাই হৈছিল। এতিয়াও হয়। এদিন অৱশ্যে কথা প্ৰসংগত তেওঁক মই ছাৰইক তেৰাং— আপুনিয়েই নেকি সুধি পেলাইছিলো। ৰংবং তেৰাঙে সেইদিনা তেওঁৰ মুখমণ্ডলত সদায় বিৰিঙি থকা মিচিকিয়া হাঁহিটিৰ পৰিৱৰ্তে অন্তৰ খোলা হাঁহি এটিহে মাৰিছিল। একো নক'লেও ছাৰইকৰ দৰেই ৰংবং তেৰাঙো সংস্কাৰকামী, কাৰ্বি সমাজখনৰ সৰ্বাংগীণ মংগল কামনা কৰাসকলৰ ভিতৰত অগ্ৰগণ্য। উপন্যাসখনত কাৰ্বি সমাজখনৰ হিতৰ কাৰণে আত্মনিয়োগ কৰা ছাৰইকৰ সপোন ফলিওৱা কথা অৰ্থাৎ, 'কাৰ্বি— আ-দৰবাৰ' গঠিত হোৱা দেখুওৱা হৈছে যদিও কাৰ্বি আংলঙৰ বিস্তীৰ্ণ সমতলৰ পলসুৱা মাটিবোৰ বিদেশী লোকৰ গ্ৰাসত পৰি কেনে সমস্যাৰ সৃষ্টি হৈছে সেই বিষয়েও আলোচনা কৰা হৈছে। ঔপন্যাসিক হিচাপে তেওঁৰ ভাব-অনুভূতি, সংস্কাৰকামী চিন্তাধাৰা সকলো প্ৰতিফলিত হৈছে— 'ৰংমিলিৰ হাঁহি'ত। তেওঁৰ ভাষাত— "...আৰলেংসকলৰ জীৱন সংগ্ৰামক উপন্যাসখনত ৰূপ দিবলৈ যাওঁতে, অসমৰ মাটি আৰু মানুহৰ সমন্বয়ৰ এক জীয়া ইতিহাসৰ কথা সততে মই উপলব্ধি কৰিছিলোঁ। প্ৰাক্ ঐতিহাসিক যুগৰে পৰা গঢ় লোৱা অসমৰ ভাষা-সংস্কৃতিৰ সমন্বয়ৰ ঐতিহাসিক সাক্ষ্য বহনকাৰী, আমিয়েই বুলি মোৰ প্ৰত্যয় হৈছিল। সমন্বয়ৰ এই প্ৰক্ৰিয়া আজিকোপতি সক্ৰিয় হৈ পৰা হেতুকে অসমৰ সমাজ আৰু সংস্কৃতি যিদৰে বিচিত্ৰময়, সেইদৰে অসমীয়া সাহিত্যও বৰ্ণাঢ্য আৰু চিৰ নতুন। অসমীয়া সাহিত্য বিচিত্ৰময় এই কাৰণেই যে ইয়াত সোৱণশিৰিৰ ৰূপ আছে, নগা পাহাৰৰ বিচিত্ৰ জীৱনৰ স্পন্দন আছে, সেইদৰে প্ৰকাশি উঠিছে মেঘালয়ৰ খাছিয়া জনগোষ্ঠীৰ নংক্ৰেম নৃত্যৰ

ছন্দেৰে ছন্দায়িত ৰূপ-কথা। অৰুণাচলৰ মাটিৰ স্পৰ্শই অসমীয়া সাহিত্যক যিদৰে উদ্ভাসিত কৰি তুলিছে, সেইদৰে চিক্ল' আৰণিৰ পোহৰেৰে উজ্জ্বল হৈ ধৰা দিবলৈ, কাৰ্বি জনজীৱনৰ বিচিত্ৰময় ছন্দক অসমীয়া সাহিত্যত গাঁথি থ'বৰ প্ৰয়াস গ্ৰন্থখনত কৰা হৈছে।' তেওঁ সেই 'প্ৰয়াস'ত সিদ্ধি লাভ কৰিছে। সুধিছিলো— আপোনাৰ জীৱনৰ উল্লেখনীয় ঘটনা কি? তেওঁ একেষাৰতে কৈছিল— 'ৰংমিলিৰ হাঁহি প্ৰকাশ পোৱাটোৱেই মোৰ জীৱনৰ আটাইতকৈ উল্লেখনীয় ঘটনা। ইয়াতকৈ আৰু ডাঙৰ সাফল্য মোৰ কাৰণে আৰু আন একো হ'ব নোৱাৰে।' এই সাফল্যৰ স্বীকৃতি স্বৰূপে তেওঁলৈ ১৯৮২ চনত অসম সাহিত্য সভাৰ সন্মানীয় বিষ্ণু ৰাভা বঁটা আৰু ১৯৮৩ চনত অসম প্ৰকাশন পৰিষদৰ বঁটা আগবঢ়োৱা হৈছিল। ১৯৯৬ চনত নেচনেল বুক ট্ৰাষ্টে 'ৰংমিলিৰ হাঁহি' হিন্দীলৈ অনুবাদ কৰি উলিয়াইছিল। তদুপৰি ভাৰতৰ আন তেৰটা ভাষালৈও উপন্যাসখন অনুবাদ কৰাৰ ব্যৱস্থা ট্ৰাষ্টে লৈছে। দূৰদৰ্শনতো 'ৰংমিলিৰ হাঁহি' প্ৰদৰ্শন কৰা হৈছে। এজন লেখকৰ কাৰণে ইয়াতকৈ আৰু ডাঙৰ স্বীকৃতি কি হ'ব পাৰে? ১৯৮৯ চনত তেওঁক 'পদ্মশ্ৰী' উপাধিৰেও সন্মান যচা হৈছে। আপেক্ষিকভাৱে কম বয়সতে এই সন্মানৰ অধিকাৰী হ'ব পৰাটো গৌৰৱৰ কথা।

ৰংবং তেৰাঙৰ দ্বিতীয়খন উপন্যাস— 'ক্ৰান্তি কালৰ অশ্ৰু'— অসম আন্দোলনৰ পটভূমিত ৰচিত আন এখন লেখত ল'বলগীয়া উপন্যাস। চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'প্ৰকাশ'ৰ পাতত ধাৰাবাহিক হিচাপে ওলোৱা এই উপন্যাসখন সম্প্ৰতি প্ৰকাশকৰ হাতত আছে। বন বিভাগৰ কাহিনী লৈ তেওঁ তৃতীয়খন উপন্যাস ৰচনা কৰি আছে। বিশেষ আগুৱাব পৰা নাই। ডিফু চৰকাৰী কলেজৰ অধ্যক্ষৰ দায়িত্ব লোৱাত তেওঁৰ কামৰ হেঁচা বাঢ়িছিল। সৃষ্টিকৰ্মত একাণপতীয়াকৈ লাগিব পৰা নাছিল। তেওঁ মোক কৈছিল— 'কাহিনীৰ নায়ক গোলাঘাটৰ বকুল শইকীয়াক পাহাৰৰ জুৰিটিত বহুৱাই থৈছো, আৰু আগুৱাব পৰা নাই।' উপন্যাসখন তেওঁ সম্পূৰ্ণ কৰাটোকে আমি কামনা কৰিছোঁ। এইকেইখনৰ উপৰি ইতিপূৰ্বে বিশেষ সংখ্যা আলোচনীত প্ৰকাশ পোৱা তেওঁৰ আন দুখন উপন্যাসিকা হ'ল— 'ভগ্ননীড়' আৰু 'বন ফৰিঙৰ গীত'। সৃষ্টিশীল ৰচনাত, খ্যাতি অৰ্জন কৰা ৰংবং তেৰাঙে কাৰ্বি ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কীয় আন কেইখনমান গ্ৰন্থও ৰচনা কৰিছে। এইকেইখনৰ ভিতৰত 'কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি', 'কাৰ্বি লামতাছাম', 'কাৰ্বি সাধু', 'কাৰ্বি লামকুৰু ব্যাকৰণ' আৰু 'কাৰ্বি অসমীয়া পাঠ' উল্লেখযোগ্য। ইয়াৰে 'কাৰ্বি সাধু'ত কাৰ্বি জনজীৱনত বিশেষ সমাদৰ পোৱা বাৰটা সাধু অসমীয়া ভাষাত লিখা হৈছে। অসম সাহিত্য সভাই এইখন আৰু 'কাৰ্বি অসমীয়া পাঠ' কিতাপখন প্ৰকাশ কৰি প্ৰশংসনীয় কাম কৰিছে। কাৰ্বি লামতাছাম (১৯৭৪)— কাৰ্বি ইংৰাজী আৰু অসমীয়া অভিধান। ৰংবং তেৰাঙে 'মহাত্মা গান্ধী'ৰ বিষয়েও পুথি এখন ৰচনা কৰিছে। কাৰ্বি ভাষাৰ এই পুথিখন ১৯৬৯ চনত প্ৰকাশ পাইছিল।

'সমন্বয় প্ৰবাহ' ৰংবং তেৰাঙৰ আন এক সাহিত্য কীৰ্তি। কিতাপখনৰ নামটোৱেই বিষয়বস্তুৰ ইংগিত দিয়ে। কুৰিটা মূল্যৱান চুটি প্ৰবন্ধ থকা 'সমন্বয় প্ৰবাহ'ৰ বেছিভাগ প্ৰবন্ধতে কাৰ্বিসকলৰ ভাষা কৃষ্টি, লোককলা আৰু লোককথা আৰু কাৰ্বি জনজীৱনৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হৈছে। কাৰ্বি জনগোষ্ঠীক জানিবলৈ হ'লে এই গ্ৰন্থখন অধ্যয়ন কৰিলেই যথেষ্ট হয়। 'এই শতিকাৰ চতুৰ্থ দশকৰ পিছৰে পৰা মিকিৰসকলে 'কাৰ্বি' বুলি নিজকে বহিৰ্জগতক পৰিচয় দিবলৈ ধৰিলে" বুলি কাৰ্বিসকল প্ৰবন্ধটোত তেওঁ উল্লেখ কৰিছে। কাৰ্বিসকলৰ বিষয়ে সকলোখিনি কথা কোৱাৰ উপৰি তেওঁ য'তে সুৰুঙা পাইছে তাত সংহতি-সম্প্ৰীতিৰ বাণী বিলাইছে। 'ধনশিৰিয়ে পৰুণা মাটি'

প্ৰবন্ধটোত তেওঁ সাহিত্য-সংস্কৃতিৰ মাহাত্ম্যৰ কথা এইদৰে উল্লেখ কৰিছে— 'উত্তৰণ প্ৰক্ৰিয়াৰ ফলত সৃষ্টি হোৱা... সংঘাতবোৰে দেশৰ বাতাৱৰণ অস্থিৰ কৰি তুলিলেও, আমাৰ সংস্কৃতিৰ ক্ষেত্ৰত ৰাজনৈতিক ভূগোলৰ সীমাৰে আমাক আবদ্ধ কৰি ৰাখিব নোৱাৰে। ৰাজনৈতিক সংঘাতে আমাক জলা-কলা কৰিলেও সাহিত্য-সংস্কৃতিৰ অমোঘ মন্ত্ৰত আমাৰ মাজৰ চিৰদিনীয়া সম্বন্ধৰ বিমুগ্ধ ৰূপটোকে বিচাৰি পাওঁ।' সেইদৰে 'মদাৰ ফুলিলে' নামৰ নিবন্ধটিত তেওঁ— 'অসমৰ লোক-সংস্কৃতিৰ মূল গাঁথনি সকলোবোৰ প্ৰায় একেই বুলি কৈছে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসৰ আলোচনা কৰোতে তেওঁ এইদৰে প্ৰশংসা কৰিছে। কাৰ্বি আৰলেংসকলৰ দেৱ-দেৱতা, লোক-বিশ্বাস, লোক সাধুৰ নিখুঁত তথ্যৰ সমুজ্জ্বল ৰূপ উপন্যাসত অংকন কৰাত লেখক সফল হৈছে। আনহাতে কাৰ্বি কলা-কৃষ্টি সম্পৰ্কে আলোচনা কৰোতে তেওঁ দাঙি ধৰা যুক্তি মন কৰিবলগীয়া। তেওঁ কৈছে— 'নগাপাহাৰ বা অৰুণাচলৰ প্ৰকৃতি জগতখন যিমান দুৰ্গম আৰু ভয়ংকৰ সেইবোৰৰ তুলনাত কাৰ্বিসকলে বসতি কৰা প্ৰকৃতি জগতখন সুগম আৰু শান্ত। প্ৰকৃতিৰ এনে পৰিবেশ হেতুকেই অৰুণাচল আৰু নগাপাহাৰৰ লোক-কলাত ভয়ংকৰ ৰূপৰ চিত্ৰণ যিদৰে পোৱা যায় তাৰ বিপৰীতে কাৰ্বি লোককলাত মধুৰ আৰু প্ৰশান্ত ৰূপহে পৰিস্ফুট হোৱা দেখা যায় (কাৰ্বি লোক-কলা)। এনেদৰে 'সমন্বয় প্ৰবাহ'ৰ দ্বাৰা কাৰ্বি কলাকৃষ্টি আৰু জনজীৱনৰ বৈশিষ্ট্য সম্পৰ্কে বহু কথাই জানিব পৰা যায়।

অসম প্ৰকাশন পৰিষদৰ বঁটা প্ৰদান অনুষ্ঠানত (১৯৮৪) বঁটা গ্ৰহণ কৰোতে তেওঁ কৈছিল— 'সাহিত্য-সংস্কৃতিয়ে আমাৰ আত্মিক সংযোগ ঘটাব পাৰে— এই প্ৰত্যয় 'ৰংমিলিৰ হাঁহি'য়ে মোৰ মনলৈ আজি আনি দিলে।' সেই পথৰে পথিক ৰংবং তেৰাঙে আৰু কৈছে— 'ৰাজনৈতিক-ভূগোলৰ সীমাই আমাৰ সাংস্কৃতিক মিলনক বাধা দি ৰাখিব নোৱাৰে'।— এখন সুন্দৰ, ঐক্যবদ্ধ আৰু সমৃদ্ধিশালী অসমৰ পোষকতা কৰা ৰংবং তেৰাঙক শেহতীয়াকৈ লগ পাওঁতে অসমীয়া সাহিত্য আৰু অসমৰ ভৱিষ্যৎ সম্পৰ্কে সুধিছিলো। আশাবাদী তেৰাঙে উত্তৰত কৈছিল— 'পৰিৱৰ্তন হৈ থকাটো স্বাভাৱিক প্ৰক্ৰিয়া। অসমৰ ভৱিষ্যৎ ভাল হ'বই, পূৰ্বৰ অৱস্থা এদিন ঘূৰি আহিবই, অসমীয়া সাহিত্যৰো উন্নতি হ'ব।' সেই ভাবাদৰ্শকে ৰংবং তেৰাঙে তেওঁৰ সাহিত্যত প্ৰকাশ কৰি আহিছে, অসমত থকা মানুহখিনিক সম্প্ৰীতিৰ সেতু নিৰ্মাণ কৰিবলৈ আৰু মানুহ হ'বলৈ আহ্বান জনাইছে। তেওঁ কেইবাটাও সাক্ষাৎকাৰতো কৈছে— 'মাতৃভাষা অসমীয়া নহ'লেও অসমীয়া হ'ব পাৰি,... অসমীয়া ভাষা-সাহিত্য হ'ল আমাৰ উমৈহতীয়া সম্পত্তি।'— পিছপৰি থকা মানুহখিনিৰ ভাব-অনুভূতি আৰু আশা-আকাংক্ষাক ৰূপ দিয়া ৰংবং তেৰাঙক কাৰ উৎসাহত লিখিবলৈ প্ৰেৰণা পালে বুলি প্ৰশ্ন কৰোতে তেওঁ ব্যক্তি বিশেষৰ নাম উল্লেখ কৰা নাছিল। কৈছিল— 'কাৰ্বি আংলঙৰ মাটি আৰু মানুহেই মোক লিখিবলৈ প্ৰেৰণা যোগালে। তেওঁলোকক বাহিৰলৈ উলিয়াই অনাই আছিল মোৰ উদ্দেশ্য।' তেওঁৰ সেই আশাক প্ৰথমে বাস্তৱত ৰূপ দিলে মানৱ-দৰদী সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই। ড° ভট্টাচাৰ্য সম্পাদিত সাদিনীয়া নৱযুগত ৰংবং তেৰাঙৰ প্ৰথম গল্পটো প্ৰকাশ পাইছিল। গল্পটোৰ নাম আছিল 'প্ৰেতাত্মা'।

সম্ভৱ ১৯৩৭ চনত অবিভক্ত নগাঁও আৰু এতিয়াৰ কাৰ্বি আংলং জিলাৰ বকলীয়াঘাটৰ লাং বুং দিং পি গাঁৱত জন্মগ্ৰহণ কৰা ৰংবং তেৰাঙৰ পিতৃ আৰু মাতৃ আছিল ক্ৰমে ৰূপসিং তেৰাং আৰু বাইক ৰংহাপী। তেওঁৰ প্ৰথমা পত্নী কানাম হাঞ্চেপীৰ ১৯৯১ চনত মৃত্যু ঘটাত পিছত কাচাং

হাঞ্চেপীৰ সৈতে দ্বিতীয়বাৰ বিবাহপাশত আবদ্ধ হ'বলগীয়া হয়। তেওঁলোকৰ দুটি ল'ৰা আৰু দুগৰাকী ছোৱালীৰ সৈতে এটি সুখী পৰিয়াল। শৈশৱৰ পৰা প্ৰাকৃতিক সৌন্দৰ্যই মুগ্ধ কৰা বৰেং তেৰাং তেনে পৰিবেশতে ডাঙৰ-দীঘল হৈছিল। তেওঁ লংকাত প্ৰাথমিক আৰু স্কুলীয়া শিক্ষা লৈছিল। লংকা হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত নগাঁও কলেজত ভৰ্তি হয়। ইয়াত তেওঁ প্ৰখ্যাত সাহিত্যিক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা, মহেশচন্দ্ৰ দেৱগোস্বামী, মহিম বৰা, ড° সৰ্বেশ্বৰ ৰাজগুৰু আদিক 'শিক্ষাগুৰু' হিচাপে পাইছিল। নগাঁও কলেজৰ পৰা স্নাতক হোৱাৰ পিচত ১৯৬৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা তেওঁ অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লয়। তেওঁৰ কৰ্মজীৱন শিক্ষকতাৰেই আৰম্ভ হয়। প্ৰথমে লংকা হাইস্কুলত আৰু তাৰ পাছত কাকী আৰু ডিফু

বিষয় : সংগ [illegible]

৩০ জুলাই, ২০০০ চনৰ দৈনিক অসমৰ [illegible] ব্যক্তিগত সাহিত্য অৱদানৰ বিষয়ে [illegible] ক'বলগীয়া একো নাই। কিয়নো, চিনাকি [illegible] বৰকটকীয়ে বিষয়ে চিনাকি কৰি দিয়ে, মোৰ [illegible] মই নিজকে নিজেই চিনি পাওঁ। [illegible] নিবিয়াকে দে আছেই। মোৰ [illegible] কিবা লিখিছোঁ যদিও মোৰ [illegible] মোৰ মনত কোনোধৰণৰ অহংকাৰ নাই। বন্ধুবৰ বৰকটকীৰ [illegible] আনন্দ দিব। মই জানো, [illegible] মোক বিশাল [illegible] দিছে। তথাপি, [illegible] বাহিৰে মোৰ অন্য পৰিচয় নাই।

বন্ধুবৰ বৰকটকীয়ে বিষয়ে মোৰ ভাল প্ৰচাৰ কৰিছে, তেওঁ ভাল অভিজ্ঞ মই নহওঁ। সাহিত্য সদায়েই বিশ্ব মানৱৰ কল্যাণৰ কাৰণেই সৃষ্টি, কিন্তু মই জানো, মোৰ দ্বাৰা তেনে সাহিত্য সৃষ্টি হোৱা নাই। বৰকটকীয়ে মোৰ বিষয়ে অনুৰোধ [illegible] কৰিছে [illegible]।

বন্ধুবৰ বৰকটকী কেৱল চিনাকিয়েই নহয়, মোৰ তেওঁই 'কামৰ মানুহ'। [illegible] উপত্যকাৰ বাৰ্তাৰে লামডিং ষ্টেচনৰ প্লেটফৰ্মত ইফালে-সিফালে ফিৰাবে— মানুহজনৰ মন পোৱাৰ কাৰণে। লামডিং কেৱল ৰে'লৰ জংচনেই নহয়, মানুহৰো জংচন। এনে এজন বন্ধু বিশাল [illegible] নাক সিঁচি নকৰিব? সংগ আৰু প্ৰসংগৰ শেষ [illegible] লিখা দুৰ্ভাগ্যজনক [illegible] মোকেই [illegible] কৰি তুলিলে। বৰকটকীক এইখিনিকেই কওঁ— এই [illegible] আমাৰ সকলোৱেই মানুহ। আৰু বাপিতো, সেইদৰে মানুহ যেতিয়া, এদিন [illegible] মহৰ্ষি বাল্মীকি হওক আৰু [illegible] মহাকাব্যও ৰচিত হওক। এনে আশাৰেই বৰকটকীৰ মনত সান্ত্বনা দিব বিচাৰিছোঁ। [illegible]।

[illegible], ডিফু

[illegible]

ছোৱালী হাইস্কুলত শিক্ষকতা কৰিছিল। ডিফুত কলেজ স্থাপন হোৱাত প্ৰথমে প্ৰবক্তা, পাছত অসমীয়া বিভাগৰ মুৰব্বী আৰু পিছত তেওঁ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

১৯৭৪-৭৫ চন মানত প্ৰথম পৰিচয় হোৱা ৰংবং তেৰাঙৰ সৈতে মোৰ ঘনিষ্ঠ সম্পৰ্ক নাথাকিলেও মধুৰ সম্পৰ্ক আছে। যেতিয়াই লগ পাওঁ তেতিয়াই তেওঁ আকৰ্ষণীয় মিচিকিয়া হাঁহিটিৰে সাদৰ-সম্ভাষণ জনায় আৰু খা-খবৰ লয়। তেওঁৰ অনুৰোধত পৰীক্ষা সংক্ৰান্তীয় কামত এবাৰ ডিফু কলেজলৈ কেইবাদিনো যাবলগা হৈছিল। অধ্যক্ষৰ ব্যস্ততাৰ কথা উপলব্ধি কৰি তেওঁৰ কোঠালৈ যোৱা নাছিলো। কামত ব্যস্ত হৈ থাকিলে আপোনজনকো আমনি দিয়া উচিত নহয় বুলি মই ভাবো। তেওঁ তেতিয়া নিজেই আমাৰ ওচৰলৈ আহি খা-খবৰ লৈছিল। ৰংবং তেৰাঙৰ এনে শিষ্টাচাৰ আৰু মধুৰ ব্যৱহাৰ মই প্ৰতিবাৰেই পাইছো। সেই কথা কেতিয়াও পাহৰিব নোৱাৰো। শেহতীয়াকৈ তেওঁক লগ পাই অহাৰ পাছত মোৰ জীৱনত যিটো স্মৰণীয় ঘটনা ঘটিল সেইটো ঘটনাৰো তাৎপৰ্য আছে বুলি ভাবিয়েই ইয়াত উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। বিশেষ এটা কাৰণত ২০০০ চনৰ ১১ জুলাইৰ দিনা পুৱা ৯ বজামানত তেওঁক ঘৰত দেখা কৰি আহোতে ডিফু-লামডিং পথত দিন-দুপৰতে এটা ডকাইতৰ দলে অতৰ্কিতে হাবিৰ মাজৰ পৰা ওলাই বাছযাত্ৰীসকলক আগুৰি ধৰিছিল। অস্ত্ৰ-শস্ত্ৰ বন্দুক আদিৰে ভয়-ভীতি দেখুৱাই ডকাইতৰ দলটোৱে সকলোৰে পৰা বয়বস্তু, আ-অলংকাৰ লুটি-পুতি নিছিল। নিস্তাৰ পোৱা নাছিল কোনো যাত্ৰীয়ে, ময়ো। কিন্তু সেইদিনা আহিবৰ সময়ত তেওঁ মোক নিজ হাতেৰে লিখি উপহাৰ দিয়া 'সমন্বয় প্ৰবাহ'— কিতাপখন আৰু লগতে মোৰ কেইখনমান প্ৰয়োজনীয় কাগজ-পত্ৰ বিভক্ত হৈ থকা ডকাইতৰ দুই-তিনিজনীয়া দলকেইটিয়ে বেলেগে বেলেগে তিনিবাৰমান চাই প্ৰত্যেকবাৰেই পৰ্টফলিঅ' বেগটোৰে সৈতে ওভতাই দিছিল। আন বস্তু নিদিলে যদিও সেইকেইটি সম্পদ ঘূৰাই দিছিল। ৰংবং তেৰাঙে নিজ হাতে লিখি দিয়া সেই মূল্যবান কিতাপখন নষ্ট কৰি পেলোৱা হ'লে জীৱনলৈ দুখ এটি থাকি গ'লহেঁতেন। ডকাইতি বৃত্তিত নামিলেও সেইসকলে যে কিতাপক মৰ্যাদা দিব জানে সেইদিনা দেখা পালো। প্ৰতিষ্ঠিত সু-সাহিত্যিক ৰংবং তেৰাঙেও কথাটো জানিলে বোধকৰো বেয়া নাপাব।

বৰণীয় ব্যক্তিত্ব

(

স্ব-প্ৰতিভাৰে দীপ্তিমান এইগৰাকী ব্যক্তি মহান অসমীয়া, যিয়ে অহৰহ অসমীয়া-কাৰ্বি সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ বাবে নিৰলস সাধনাত ব্ৰতী হৈ আছে। ...পাহাৰ-ভৈয়ামৰ সেতু বন্ধনকাৰী তথা সমন্বয়ৰ ৰূপকাৰ।

)

সমন্বয়ৰ ৰূপকাৰ ৰংবং তেৰাং

পবিত্ৰ ৰবা

তিমিৰাচ্ছন্ন এই কাৰ্বি আংলঙত
পোহৰ বিলাওঁ আমি পোহৰ বিলাওঁ,
যুগ যুগলৈ অজ্ঞান ৰাক্ষসীক
জ্ঞান প্ৰদীপেৰে বিনাশ কৰাওঁ।
কাৰ্বি-কছাৰী ডিমাছা ৰেংমাৰে
অসমী আইৰ শিৰ উজলাওঁ,
থই ইংলঙৰ চেনেহ ডোলেৰে
মহান অসমীয়া জাতি গঢ়াওঁ।
ঢোল চেঙেৰে পংছি পেঁপাৰে
মহান কৃষ্টিক বিকাশ কৰাওঁ,
জিৰ্-ইক চেলেঙেৰে প'হ' পাগেৰে
সুন্দৰ পৃথিৱীত সপোন বিলাওঁ।
আমাৰ দৃষ্টিত উদাৰতা
আমাৰ সৃষ্টিত মহানতা,
সেউজী পৃথিৱীত সেউজ মনেৰে
কাৰ্বি আংলঙত পোহৰ বিলাওঁ।

—ৰংবং তেৰাং

সত্তৰৰ দশকত ৰংবং তেৰাঙে ডিফু চৰকাৰী মহাবিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠানৰ গীতৰূপে ৰচনা কৰা এই গীতটোৰ নিহিত অৰ্থই তেৰাঙৰ মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। কাৰ্বি আৰু অসমীয়া

সাহিত্যৰ জগতত যাক এগৰাকী অন্যতম 'আইকন'ৰূপে (Icon) আখ্যায়িত কৰিব পাৰি, সেইজন ব্যক্তি ৰংবং তেৰাঙৰ শান্ত-সৌম্য ব্যক্তিত্ব তথা গুণ-গৰিমাৰ প্ৰভাৱ পাহাৰীয়া জনজীৱনত কেইদশকৰ ধৰি ব্যাপ্ত হৈ আছে বুলিলে নিশ্চয় অতিশয়োক্তি কৰা নহ'ব। বংগত একালত ৰবীন্দ্ৰনাথ ঠাকুৰৰ বাংলা সাহিত্য-সংস্কৃতিত অবাধ দখল আৰু বিশাল ব্যক্তিত্বৰ প্ৰভাৱে সমসাময়িক প্ৰতিভাধৰ ব্যক্তিসকলৰ সৃষ্টিকৰ্মক তুলনামূলকভাৱে নিষ্প্ৰভ কৰি তুলিছিল। আনকি ৰবীন্দ্ৰনাথ ঠাকুৰৰ বিশাল প্ৰতিভাই আমাৰ অসম ৰাজ্যৰ বৌদ্ধিক মহলকো জোকাৰি গৈছিল। আৰু বংগৰ কোনো কোনো পণ্ডিতে ৰবীন্দ্ৰনাথ ঠাকুৰক বংগীয় সাহিত্য-সংস্কৃতিৰ দৈত্যৰূপে আখ্যা দি তেওঁৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰি বুলি অভিব্যক্তিও প্ৰকাশ কৰিছিল। ঠিক একেদৰে পাহাৰীয়া জনজীৱনৰ সাহিত্য-সংস্কৃতিৰ জগততো ৰংবং তেৰাঙে সুদীৰ্ঘ দিন ধৰি প্ৰভাৱ বিস্তাৰ কৰি আছে সংগোপনে। দৰাচলতে তেৰাঙে নিজেই নাজানে তেওঁ কিমান মহান। অনন্য সাহিত্য প্ৰতিভাধৰ এইগৰাকী ব্যক্তি কাৰ্বি পাহাৰৰ ৰকলীয়াঘাটিত ভোগালীৰ উৰুকাৰ নিশা জন্মিছিল। শিক্ষা-দীক্ষা লৈছিল পুৰণি কাকী, লংকো, নগাঁও আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত। সদা নিষ্পাপ শিশুসুলভ হাঁহি মুখত লাগি থকা নিষ্কলুষ হৃদয়ৰ সাহিত্যিক ৰংবং তেৰাঙে স্কুলীয়া দিনতে সৃষ্টিকৰ্মৰ সৈতে জড়িত হৈ এতিয়াও নিমগ্ন হৈ আছে সৃষ্টিকৰ্মতে। তেৰাঙে কেইবাখনো মনোৰম উপন্যাস, চুটিগল্পকে ধৰি নানান প্ৰবন্ধ লিখি অসমীয়া আৰু কাৰ্বি সাহিত্যৰ ভঁৰাল চহকী কৰিছে। গীতাৰ দৰে ধৰ্মীয় গ্ৰন্থ মথি কাৰ্বি ভাষালৈ অনুবাদ কৰি কাৰ্বি জাতিক আধ্যাত্মিক ৰসৰ সোৱাদ প্ৰদান কৰিছে। আনফালে, লোকজীৱন আধাৰিত তেওঁৰ সৃষ্টিসমূহৰ মাজৰ পৰা সৃষ্টি হৈছে 'ৰংমিলিৰ হাঁহি'ৰ দৰে অনুপম উপন্যাসৰ। মূলতঃ তেৰাঙৰ অন্যান্য সৃষ্টিৰ তুলনাত ৰংমিলিৰ হাঁহিক 'মাষ্টাৰপীচ' আখ্যা দিব পাৰি। সাহিত্যৰসিকসকলে ইতিপূৰ্বে কাৰ্বি জীৱনধাৰাৰ এক মূল্যবান দলিল তথা উপন্যাসখনত ব্যৱহৃত উপাদানে 'ৰংমিলিৰ হাঁহি'ৰ সৃষ্টিৰ সমলৰ উৎস হ'ল— কাৰ্বি পাহাৰৰ সহজ-সৰল মানুহ, কিংবদন্তিসমূহ, পাৰিপাৰ্শ্বিক অৱস্থা, ধৰ্মীয় পৰম্পৰা, তথা পাহাৰৰ মাটি-বায়ু-পানী, আকাশ, নৈ-জান-জুৰি ইত্যাদিবোৰ। তেওঁৰ লেখাৰ গতি সুষম আৰু ভাষা প্ৰাঞ্জল হোৱাত লেখা পঠনীয়েই নহয়, অতি আকৰ্ষণীয়ও। প্ৰসংগতঃ উল্লেখ কৰিব পাৰি বিশিষ্ট শিল্পী ভাস্কৰ বীৰেন সিংহৰ ৰংবং তেৰাং সন্দৰ্ভত অভিমত— 'ৰংবং তেৰাং নামটোতেই এনে এক সুকীয়া সৌন্দৰ্য আৰু আকৰ্ষণ আছে যে ই কল্পনাতীত। তেওঁ সৰু সৰু তথা সহজ-সৰল মানুহবোৰৰ মনৰ ছবি আঁকে। প্ৰথমতে হৃদয়ত, পিছত ইয়াক ৰূপ দিয়ে গল্প-উপন্যাসত। আৰু সেয়ে তেৰাঙে মোলৈ আজৰি সময় উলিয়াই ফোন কৰে— ভাল-বেয়াৰ খবৰ লোৱাৰ অছিলাৰে তেওঁৰ হৃদয়ত জুমুৰি দি ধৰা বিভিন্ন প্লট মোক অকপটে জনোৱাৰ অৰ্থে। আচলতে ৰংবং তেৰাং কিমান ঐশ্বৰ্য আৰু প্ৰতিভাৰে মহীয়ান সেই সম্পৰ্কে তেওঁ অৱগত নহয় বুলিয়েই মই অনুভৱ কৰোঁ।' আন এগৰাকী নীৰৱ শিল্পী তথা শিক্ষাবিদ হৃদয়ানন্দ শৰ্মাই সাহিত্যিক তেৰাং সম্পৰ্কে মন্তব্য প্ৰকাশ কৰিছে এনেদৰে— 'নিলগৰ পৰাই মই তেওঁক শ্ৰদ্ধা কৰোঁ, ভাল পাওঁ। তেওঁৰ সৃষ্টিত পৰিস্ফুট হোৱা ৰস-আনন্দই মোক অহৰহ আপ্লুত কৰি ৰাখে।' শিশুসুলভ সপ্ৰতিভ সাহিত্যিকগৰাকীৰ পাহাৰ-ভৈয়ামত সিঁচৰতি হৈ থকা তেওঁৰ অনেক শুভাকাংক্ষীৰ এয়া অকপট স্বীকাৰোক্তিৰ অংশবিশেষ মাত্ৰ।

সহজ-সৰল জীৱন নিৰ্বাহত অভ্যস্ত সাহিত্যিকগৰাকীৰ ব্যক্তিগত জীৱনৰ কেতবোৰ দিশো মন কৰিবলগীয়া। ইলেক্ট্ৰিচিটি, টেলিফোনৰ বিল দিয়াৰ পৰা শাৰী পাতি সমবায় সমিতিয়ে বণ্টন কৰা

কেবাচিনলৈকে নিজে সংগ্ৰহ কৰি সু-নাগৰিকৰ পৰিচয় দাঙি ধৰি তেওঁ আনন্দ লভে। সৰু তকুৰে ডিফুত ইমূৰৰ পৰা সিমূৰলৈ খোজকাঢ়ি ঘূৰি ফুৰে পদ্মশ্ৰী উপাধিৰে বিভূষিত সৰল প্ৰাণৰ সাহিত্যিকগৰাকী। সমৃদ্ধ জাতীয় চেতনাৰে উদ্বুদ্ধ সাহিত্যিকগৰাকীয়ে তেওঁৰে এটি লেখাত অভিব্যক্তি প্ৰকাশ কৰিছে এনেদৰে— ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাও মানৱ-সমুদ্ৰৰ ঢৌবোৰে কাঢ়িয়াই অনা মানৱ-সংস্কৃতিৰ এগৰাকী উজ্জ্বল মানৱ-বত্ন। ক্ষণজন্মা এইগৰাকী শিল্পীৰ বিষয়ে চিন্তা কৰোঁতে, বাৰে বাৰে আমাৰ দেশখনৰ মাটি আৰু মানুহৰ কথাহে বৰকৈ মনলৈ আহিব ধৰে। অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ আজি ইমান অসন্তোষ কিয়? ব্ৰিটিছ সংস্কৃতিয়ে এৰি যোৱা অসমৰ ৰাজনৈতিক মানচিত্ৰক স্বৰাজোত্তৰ জাতি, ভাষা, সংস্কৃতিৰ প্ৰশ্নৰে আমি ডোখৰ ডোখৰ কৰিলোঁ। কিন্তু বিচাৰি ফুৰা সেই অমৃত কুম্ভটিক জানো পাইছোঁ। অসমৰ আলোকসন্ধানী জনজাতীয় যুৱ-সম্প্ৰদায়ে কিয় বাৰু ইমান ক্ষোভ প্ৰকাশ কৰিছে? আজিৰ অসমবাসীয়ে কি বিচাৰিছে? ইত্যাদি প্ৰশ্নবোৰে নিৰ্ভুল প্ৰকৃতিৰ সাহিত্যিকগৰাকীক জুমুৰি দি ধৰে। আনকালে, বুদ্ধ-গান্ধীৰ অহিংস নীতিত অটল বিশ্বাসী কীৰ্তিমান লেখকগৰাকী মাজে মাজে আহত পখীৰ দৰে ছটফটাই উঠে জিলাখনত সঘনে সংঘটিত গোষ্ঠী-সংঘৰ্ষৰ বাবে। তেওঁৰ অন্তৰ-আত্মাই হাহাকাৰ কৰি উঠে সংঘৰ্ষৰ পাশৱিকতাৰ বিষয়ে শুনি-আৰু সেয়ে তেওঁ মোলৈ ফোন কৰে— কি হ'ব? কিয় হৈছে এনেবোৰ? এইবোৰৰ শেষ ক'ত? আমি মানুহবোৰ ক'লৈ গৈ আছোঁ? ইত্যাদি। জিলাখনক বধ্যভূমিলৈ ৰূপান্তৰ কৰা জটিল কথাবোৰ নুবুজি সৰলচিতীয়া তেৰাওঁে সাংবাদিক হিচাপে আমাৰ ওচৰত এনেবোৰ প্ৰশ্নৰ অৱতাৰণা কৰে। সেয়ে বিগত কাৰ্বি-ডিমাছাৰ সংঘৰ্ষৰ সময়ত ব্যথিত হৈ প্ৰচাৰ মাধ্যমক তেৰাওঁে কৈছিল— 'মোৰ কলম থমকি ৰৈছে, বৰ আঘাত পাইছোঁ। জৰ্জৰিত অনুভৱ কৰিছোঁ। সাতামপুৰুষীয়া সম্প্ৰীতিত ঘুণে ধৰিছে। দুষ্কৃতিকাৰীয়ে দুটা গুলীৰে মোক বিদ্ধ কৰক। এটা গুলী কাৰ্বিৰ আৰু আনটো হ'ব ডিমাছাৰ।' অনুভূতিপ্ৰৱণ সাহিত্যিকগৰাকীক বিগত দিনৰ সংঘৰ্ষবোৰ সন্দৰ্ভত অস্থিৰতাই আবৰি ধৰা মুহূৰ্তৰ এয়া আছিল তেওঁৰ সবল প্ৰাণৰ অভিব্যক্তি।

এই সু-সংস্কৃত তথা বিশাল প্ৰজ্ঞাৰ অধিকাৰী সাহিত্যিকগৰাকীৰ সান্নিধ্যই সকলোখৰণৰ সংকীৰ্ণতাৰ উৰ্ধ্বত গৈ অনিৰ্বচনীয় আনন্দৰে ভৰা জগতত থকা যেন অনুভৱ কৰায়। মানুহৰ প্ৰতি থকা তেওঁৰ মমত্ববোধ, মানুহৰ কল্যাণৰ হকে উৎসৰ্গীকৃত তেওঁৰ সৃষ্টিৰাজিয়ে সাহিত্যিকগৰাকীক কৰি তুলিছে মহীয়ান। সৰ্বোপৰি স্ব-প্ৰতিভাৰে দীপ্তিমান এইগৰাকী ব্যক্তি মহান অসমীয়া, যিয়ে অহৰহ অসমীয়া-কাৰ্বি সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ বাবে নিৰলস সাধনাত ব্ৰতী হৈ আছে। স্পষ্টতঃ তেওঁ এগৰাকী পাহাৰ-ভৈয়ামৰ সেতু বন্ধনকাৰী তথা সমন্বয়ৰ ৰূপকাৰ।

(পূৰ্বপ্ৰকাশ : সাক্ষৰী)

“নৈসৰ্গিক স্নিগ্ধতাৰ অভিঘাত পৰিব্যাপ্ত হৈ আছে তেওঁৰ অসাধাৰণ উপন্যাস ৰংমিলিৰ হাঁহিৰ পৃষ্ঠাবোৰত, এয়া সঞ্চাৰিত হৈছে নীলা অৰ্কিডৰ উপন্যাসিকাসমূহলৈ, আনকি বনফৰিঙৰ গীতৰ গল্পসমূহলৈ।”

সমকালীন বাস্তৱতাৰ অনুভূতিশীল পৰ্যবেক্ষক

ড° এম কামালুদ্দিন আহমেদ

ৰংবং তেৰাং বুলিলেই আমাৰ চকুৰ আগত দেখা দিয়ে প্ৰায় সত্তৰ বছৰীয়া এগৰাকী ব্যক্তি- শান্ত-সমাহিত আৰু নিৰহংকাৰী। প্ৰচাৰবিমুখিতা তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য, কিন্তু তেওঁৰ নামটো সঘনে উচ্চাৰিত। কেতিয়াবা এগৰাকী প্ৰখ্যাত ঔপন্যাসিক হিচাপে, কেতিয়াবা আকৌ কাৰ্বি আংলঙৰ সমকালীন বাস্তৱতাৰ অনুষংগ হিচাপে। ৰাজধানী চহৰ গুৱাহাটীৰপৰা আঁতৰি থাকিও আমাৰ বৌদ্ধিক মহলত তেওঁৰ দৰে প্ৰতিষ্ঠা দুই-এক উজ্জ্বল ব্যতিক্ৰমৰহে আছে।

ৰংবং তেৰাঙৰ পিতৃ আছিল এজন সাধাৰণ চাপ্ৰাচী আৰু সেয়ে পৰিয়ালটোৱে সদায়ে দাৰিদ্ৰ্যৰ সৈতে যুঁজিব লগা হৈছিল। তেনে প্ৰতিকূল পৰিবেশৰ মাজেৰে তেওঁৰ শৈক্ষিক জীৱন আৰম্ভ হৈছিল আৰু মাধ্যমিক চূড়ান্ত পৰীক্ষাত বহাৰ সময়ত এই দৰিদ্ৰতাই চূড়ান্ত ৰূপ লৈছিল আৰু তেতিয়াই মিকিৰপাহাৰ জিলা (কাৰবি আংলং নাম তেতিয়া হোৱা নাছিল) ৰ জননেতা খৰছিং তেৰাঙে অৰ্থ সাহায্য আগবঢ়াইছিল। আজিও সেই কথা সোঁৱৰে ৰংবং তেৰাঙে। কাৰবি আংলঙৰ বকলীয়া ঘাটৰ ভিতৰুৱা গাঁও এখনত জন্ম গ্ৰহণ কৰি ৰংবং তেৰাঙে জন্মসূত্ৰেই যেন লাভ কৰিছে এই পাহাৰীয়া জিলাখনৰ প্ৰকৃতিৰ স্নিগ্ধ শোভাৰ প্ৰতি এটি সুগভীৰ আকৰ্ষণ। নৈসৰ্গিক স্নিগ্ধতাৰ এই অভিঘাত পৰিব্যাপ্ত হৈ আছে তেওঁৰ অসাধাৰণ উপন্যাস ৰংমিলিৰ হাঁহিৰ পৃষ্ঠাবোৰত, আচৰিত নহয় এয়া সঞ্চাৰিত হৈছে নীলা অৰ্কিডৰ উপন্যাসিকাসমূহলৈ, আনকি বনফৰিঙৰ গীতৰ গল্পসমূহলৈ। টি এছ এলিয়টৰ কবিতাত ৰোমাণ্টিক কবিতাৰ প্ৰকৃতিৰ গুৰুত্বৰ সলনি সময়ৰে প্ৰাধান্য ঃ ৰংবং তেৰাঙৰ সৃষ্টিশীল কৰ্মৰাজিত প্ৰকৃতিয়ে অন্য মাত্ৰা লাভ কৰিছে সমকালীন বাস্তৱতাৰ স্পৰ্শত। কাৰ্বি

জনজীৱনৰ দলিল স্বৰূপ ৰংমিলিৰ হাঁহিৰ কথা বাদেই ঐতিহাসিক বিদেশী বহিষ্কাৰ আন্দোলনৰ নির্যাস অনুভূত ক্রান্তিকালৰ অশ্রুৰ ক্ষেত্ৰতো এই কথা প্রযোজ্য। আচৰিত নহয় সৃষ্টিশীল এই ব্যক্তিগৰাকীয়ে প্রকৃতিত কেতিয়াবা দার্শনিকতা আৰোপ কৰিছে আৰু তাকে কৰিবলৈ যাওঁতে জীৱিছে কোৱা সাহিত্য আৰু দর্শনৰ পার্থক্য অনুধাৱন কৰিবলৈও তেওঁ পাহৰা নাই। সাহিত্যত দর্শন আৰোপিত হোৱা নাই। দর্শন বৰঞ্চ সাহিত্যত পমি গৈছে।

মহাত্মা গান্ধীৰ জীৱন-দর্শনৰদ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত ৰংবং তেৰাঙে চফল ডেকা বয়সতে কাৰ্বি ভাষাত ভাঙি উলিয়াইছিল মহাত্মা গান্ধী শীর্ষক জীৱনী। গান্ধীৰদ্বাৰা তেওঁ আজীৱন আলোড়িত হৈ আছে— কাৰ্বি আংলঙত অলপতে সংঘটিত ৰক্তাক্ত ভ্রাতৃঘাতী সংঘর্ষত ৰংবং তেৰাঙৰ প্রতিক্রিয়াতো অনুৰণিত হৈ আছে এই দর্শন। তেওঁৰ শেহতীয়া উপন্যাস 'জাক হেৰোৱা পক্ষী'ত ২০০৩ চনত কাৰ্বি আংলং জিলাৰ খনবামন পাহাৰত সংঘটিত মানৱ সংঘাতৰ ছবি মর্মস্পর্শীভাৱে ফুটাই তুলিছে তেওঁৰ স্বভাৱসিদ্ধ অনুভূতিসিক্ত ভাষাত ঃ 'জ্বলি-জ্বলি শেষ হ'ব ধৰা অৱশিষ্ট খুঁটাবোৰ ধোঁৱাই আছিল।... এই জুই জানো নুমুৱাব পাৰিম এবাল্টি পানীৰে?' তেৰাঙৰ অন্যতম শ্রেষ্ঠ উপন্যাস ক্রান্তিকালৰ অশ্রুত জাতীয়তাবাদী আন্দোলনটোৰ ফলস্বৰূপে অসমত স্থায়ীভাৱে বসবাস কৰি থকা বিভিন্ন সম্প্রদায়ৰ মনৰ মাজত বাহ লোৱা সন্দেহ-অবিশ্বাস মচি পেলাবলৈ নৃত্যৰ সমাবোহৰ আয়োজন কৰি আনুভূতিক ঐক্য স্থাপনৰ প্ৰয়াস কৰা হৈছে। সমকালীন বাস্তৱতা আৰু কাব্যিকতাৰ অপূর্ব সমন্বিত ৰূপ এই উপন্যাস ঃ উপন্যাসৰ এটি পাণ্ডুলিপি দুষ্কৃতিকাৰীৰ হাতত ভস্মীভূত হৈছে আৰু তাৰ ছাই ব্ৰহ্মপুত্ৰত নিক্ষেপ কৰাৰ জৰিয়তে এখন নতুন অসম থন ধৰি উঠাৰ চিত্ৰকল্প ৰচিত হৈছে।

জন্মসূত্রে কাৰ্বি জনগোষ্ঠীৰ তেৰাঙে সংশ্লিষ্ট ভাষাটো আৰু জনগোষ্ঠীটোৰ বিকাশ আৰু প্ৰসাৰৰ বাবেও স্বাভাৱিকতে সংবেদনশীল। এই প্রসংগত মনলৈ আহে কাৰ্বি ভাষাত ৰচিত ভাষাৰ পৰিচয়মূলক ব্যাকৰণ কাৰ্বি লামকুৰু, গণনাপুথি কাৰ্বি কালাখা আকিতাপ, অসমীয়া ভাষাত ৰচিত কাৰ্বি সাধু, কাৰ্বি অসমীয়া পাঠ, কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি শীর্ষক গ্রন্থৰ কথা। কিন্তু এই বিষয়ক তেৰাঙৰ উজ্জ্বলতম কীর্তিস্তম্ভ হ'ল 'কাৰ্বি লামতাছাম' (কাৰ্বি-ইংৰাজী-অসমীয়া অভিধান) ঃ বৃহত্তৰ অসমীয়া জনজীৱন আৰু অষ্ট্ৰ'-এছীয় মূলৰ খাছিয়াসকলৰ লগত কাৰ্বিসকলৰ দীৰ্ঘদিনীয়া যোগসূত্ৰৰ বাবে কাৰ্বি ভাষাত ভালেমান অসমীয়া আৰু খাছি শব্দ সোমাই পৰিছে, তাৰে কেতবোৰে পৰিবর্তিত ৰূপ লৈছিল আৰু কেতবোৰ শব্দই স্বকীয়তা অক্ষুণ্ণ ৰাখিছিল আৰু তেনেবোৰ শব্দৰ বিশ্লেষণেৰে এনে বিষয়ক বাটকটীয়া গ্রন্থ। কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি শীর্ষক গ্রন্থৰ প্ৰবন্ধলানিত অধ্যয়নশীলতাৰ ব্যাপক পৰিসৰ নাই যদিও বিশ্লেষণৰ মৌলিক প্ৰতিভা উদ্ভাসিত নোহোৱাকৈ থকা নাই। তেৰাঙে প্ৰবন্ধলানিত বিহংগম দৃষ্টিৰে কাৰ্বি নতুন সাহিত্যত দৃষ্টি পেলাইছে, কাৰ্বি ৰামায়ণ ছাবিন আলুনত আঞ্চলিক বৈশিষ্ট্যৰ অনুধাৱন কৰিছে, কাৰ্বি নিচুকনি গীতৰ স্বৰূপ উন্মোচন কৰিছে।

কাৰ্বি সাহিত্য-সংস্কৃতিৰ চর্চা তেৰাঙৰ বৃহত্তৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ চর্চাৰে অন্তর্গত বুলিব পাৰি। কিয়নো তেওঁ প্রকৃততে বৰ অসমৰ এগৰাকী প্রবক্তা। বৃহত্তৰ অসমীয়া সংস্কৃতিক বৰ লুইতৰ লগত তুলনা কৰি জনগোষ্ঠীবোৰক তাৰ উপনৈৰ লগত বিজাই ৰংবং তেৰাঙে ভাল পাইছিল। সমন্বয় প্ৰৱাহ শীর্ষক গ্রন্থত সেয়ে তেওঁ উপনৈসদৃশ কাৰ্বি জাতি আৰু ভাষা, কাৰ্বি লোককলাৰ ওপৰত আলোকপাত কৰিছে, তেনেদৰে বীৰেন্দ্ৰকুমাৰ ভট্টাচার্যৰ উপন্যাস মৃত্যুঞ্জয়ৰ বিষয়ে চর্চা কৰিছে।

ৰংবং তেৰাং বুলিলেই অসমৰ পঢ়ুৱৈৰ মনলৈ আন এটি নাম স্বতঃস্ফূর্তভাৱে আহে, সেয়া ৰংমিলিৰ হাঁহি। ইতিমধ্যে যোল্লখন গ্ৰন্থ প্ৰকাশ কৰা ৰংবং তেৰাঙৰ ৰংমিলিৰ হাঁহি অসমীয়া উপন্যাস সাহিত্যৰ অবিস্মৰণীয় কৃতি— প্ৰথমখন উপন্যাসৰ জৰিয়তে তেৰাঙে তেওঁৰ দীপ্ত উপস্থিতি ঘোষণা কৰে। মহাকাব্যিকধৰ্মী এই উপন্যাসত কাৰ্বি জনজীৱনৰ সন্ধিক্ষণৰ ছবি উদ্ভাসিত হৈছে ঃ এই সন্ধিক্ষণতে কাৰ্বি জিলা এখনৰ বাবে দৰবাৰ গঠনৰ প্ৰস্তুতি চলিছিল, জিৰছুঙ (ডেকাচাং)ৰ পৰম্পৰাবাদী শিক্ষা-ব্যৱস্থাক বিদায় দি আধুনিক শিক্ষা ব্যৱস্থাক আঁকোৱালি লোৱাৰ যো-জা চলিছিল, এই সময়ছোৱাতে কাৰ্বিসকলৰ মাজলৈ সোমাই অহা খ্ৰীষ্টান ধৰ্মৰ আৰু লগতে পূৰ্বৰেপৰা প্ৰচলিত হিন্দুধৰ্মৰ আধ্যাত্মিক জেউতিৰ যুগপৎ বিচ্ছুৰণ ঘটিছিল। পৰিচিত এই ঘটনাৰাজি ঔপন্যাসিকৰ অসাধাৰণ বৰ্ণনাৰীতিৰ গুণত উৎকৃষ্ট শিল্পলৈ ৰূপান্তৰিত হৈছে। উপন্যাসখনত ছেং আৰু অমফুৰ প্ৰণয়জনিত সম্পৰ্কই বিবাহৰ পৰিণতি লাভ কৰা নাই আৰু বৃহত্তৰ কল্যাণবোধৰ তাড়নাত ঔপন্যাসিকে ইয়াৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰিছে। ৰংমিলি আৰু ৰংমান্দু গাঁৱৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক স্থাপনৰ স্বাৰ্থত ছেং আৰু অমফুৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপন হোৱা নাই। ব্যক্তিগত প্ৰণয়ক এই বহল পৰিপ্ৰেক্ষিতত সংস্থাপন কৰি ঔপন্যাসিকে চৰিত্ৰ দুটিৰ নিয়তিক অভিনৱ মাত্ৰা প্ৰদান কৰিছে। নৰ্মান ফ্ৰীডমেনে চুটি গল্প আৰু উপন্যাসৰ পাৰ্থক্যৰ ক্ষেত্ৰত কোৱা মাত্ৰা (...for the materials and their organization in a short story differ from these in a novel in degree but not in kind)ৰ ব্যাপকতাৰ বাবেই ৰংমিলিৰ হাঁহি কাৰ্বিসকলৰ সাংস্কৃতিক জীৱনৰ দলিলস্বৰূপ।

নম্ৰ এই মানুহগৰাকীৰ স্নিগ্ধ জীৱনপ্ৰবাহত প্ৰিয়জনৰ বিয়োগে ধুমুহাৰ সৃষ্টি কৰিছে। তেৰাঙৰ পত্নী কানাম হাঞ্চেপীয়ে ৪৪ বছৰ বয়সতে চিৰবিদায় লয়। পত্নীলৈ তেৰাঙে লিখা চিঠিয়ে তেওঁলোকৰ মাজৰ গভীৰ আন্তৰিকতাৰ উমান দিয়ে ঃ ‘ভৈয়াম আৰু পাহাৰৰ সংগমস্থল কাৰ্বি লাংপীৰ দলংখনৰ এটা স্বকীয় বৈশিষ্ট্য আৰু নৈসৰ্গিক সৌন্দৰ্য আছে। খুউব ভাল লাগিছিল। জীৱনৰ সৌন্দৰ্যবোধ, জীয়াই থকাৰ উদ্দাম বাসনা কঢ়িয়াই আনিছিল বৈঠালাংছ'ৰ ওখ-চাপৰ সেউজ পাহাৰৰ মৰম মিহলি, মিঠা লগা প্ৰাকৃতিক সৌন্দৰ্যই। মনত পৰি থাকে চেক্‌ছ' পাহাৰৰ আঁৰে আঁৰে সন্ধিয়াৰ ধূসৰ বেলিকাৰ বুকুত পাৰি দি উৰি যোৱা বগা বগলীজাক আৰু ভাটৌ চৰায়ে শিহৰণ দি যোৱা অবিচ্ছিন্ন কাকলি। কি কৰিম; প্ৰকৃতিক মই পাহৰিব নোৱাৰিম।’ প্ৰকৃতিৰ এনেবোৰ অনুষংগই পতি-পত্নীৰ সুখী দাম্পত্য জীৱনৰ ইংগিত বহন কৰিছে। সৰবৰহী, মৰমিয়াল আৰু কাব্য-চৰ্চা কৰা এইগৰাকী নাৰীৰ প্ৰভাৱ তেৰাঙৰ ওপৰত অপৰিসীম আছিল।

শিক্ষকতা যেন তেৰাঙৰ জীৱনৰ এৰাব নোৱৰা অংগ। লংকা হাইস্কুল, কাকী হাইস্কুল, ডিফু বালিকা হাইস্কুলত শিক্ষকতা কৰাৰ উপৰি ডিফু চৰকাৰী মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তাৰূপে কৰ্মজীৱনৰ পাতনি মেলি পিছলৈ বিভাগটোৰ মুৰব্বী আনকি কলেজখনৰ তত্ত্বাৱধায়ক অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ৰংবং তেৰাঙে তেওঁৰ জীৱনকালতে নতুনকৈ মিকিৰ পাহাৰ জিলা স্থাপিত হোৱা দেখিছে, স্বায়ত্ত পৰিষদৰ দ্বাৰা কাৰ্বি আংলং শাসিত হোৱা প্ৰত্যক্ষ কৰিছে, ডিফুৰ সমীপৰ তাৰালাংছ'ত কাৰ্বি যুৱ-মহোৎসৱ অনুষ্ঠিত হোৱা দেখিছে। সত্তৰৰ ওচৰা-উচৰি বয়সৰ ৰংবং তেৰাং আজিও কাৰ্বি আংলংৰ সমকালীন বাস্তৱতাৰ অনুভূতিশীল পৰ্যবেক্ষক— বিনয়ী, প্ৰকৃতাৰ্থত ‘Simple living high thinking’ৰ দৰ্শনত বিশ্বাসী, এটা অনুষ্ঠানত পৰিণত হোৱা তেৰাং কাৰ্বি আংলংবাসীৰে নহয় সমগ্ৰ অসমবাসীৰো শ্ৰদ্ধাৰ পাত্ৰ। (উৎস ঃ কথা বৰেণ্য)

(

'ৰংমিলিৰ হাঁহি' পঢ়ি মোৰ উপলব্ধি হৈছিল অসমীয়া সাহিত্য জগতত অন্য এক লুমেৰ দাইৰ আৰু জন্ম হৈছে। পাহাৰীয়া এই লেখকজনেও নিজ সমাজৰ চিত্ৰ উপন্যাসত অংকন কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিব। কাৰণ খুব কমসংখ্যক মেধাবী লেখকৰ বাহিৰে অন্য সমাজ, অন্য জাতি বা জনজাতিৰ ছবি সেই সমাজ বা জনজাতিৰ লেখকে যথাযথভাৱে ফুটাই তুলিব নোৱাৰে।

)

মাজত ব্ৰহ্মপুত্ৰ, সিপাৰে ৰংবং তেৰাং ককাইদেউ



য়েছে দৰজে ঠংচি

শৈশৱৰ পৰাই কিতাপ পঢ়ি ভাল পাবলৈ আৰম্ভ কৰিছিলো। সেইবাবে লেখক-সাহিত্যিকসকলৰ প্ৰতি তেতিয়াৰ পৰাই মোৰ মনত এক শ্ৰদ্ধাৰ ভাব উপজিছিল। লব্ধপ্ৰতিষ্ঠ কবি, নাট্যকাৰ, ঔপন্যাসিক আদি সাহিত্যিকসকলৰ সান্নিধ্য লাভ কৰিবলৈ স্কুলীয়া জীৱনৰ পৰা মনত এক প্ৰবল আকাংক্ষা জাগৃত হৈছিল। মোৰ সেই আকাংক্ষা প্ৰথমবাৰ পূৰণ হৈছিল উজনি অসমৰ মাকুমত বহা অসম সাহিত্য সভাৰ অধিৱেশনৰ সময়ত। তেতিয়া অসম সাহিত্য সভাই প্ৰত্যেক বছৰে নেফাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আছুতীয়াকৈ এক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছিল আৰু সেই ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পোৱা ছাত্ৰজনক স্বৰ্গীয় হৰিহৰ চৌধুৰী বঁটাৰে সম্মানিত কৰিছিল। ১৯৭০ চনত পতা সেই ৰচনা প্ৰতিযোগিতাত প্ৰথম হোৱা বাবে ১৯৭১ চনৰ এপ্ৰিল মাহত পতা অসম সাহিত্য সভাৰ মাকুম অধিৱেশনত মোক স্বৰ্গীয় হৰিহৰ চৌধুৰী বঁটা গ্ৰহণ কৰিবলৈ মাতি পঠিয়াইছিল। মোৰ বাবে অসম সাহিত্য সভাৰ অধিৱেশনত যোগদান কৰিবলৈ পোৱাটো এক বিৰল অভিজ্ঞতা আৰু সৌভাগ্যৰ কথা আছিল। পণ্ডিত তীৰ্থনাথ শৰ্মাদেৱৰ সভাপতিত্বত বহা সেই অধিৱেশনত মই ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা, চৈয়দ আব্দুল মালিক, সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ

গোস্বামী, হৰিপ্ৰসাদ নেওগ, নন্দ তালুকদাৰ, হেমন্ত কুমাৰ শৰ্মাছাৰ আদি অসমীয়া ভাষা-সাহিত্যৰ দিগ্‌গজসকলৰ সান্নিধ্য লাভৰ উপৰি তেখেতসকলৰ মৰম-চেনেহ আদায় কৰিবলৈ সক্ষম হৈছিলো।

হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা পাছ কৰাৰ পাচত তেনে এক আশাৰে কটন কলেজত অসমীয়াত অনাৰ্ছ বিষয় লৈ নাম লগালো। আমাৰ অসমীয়া বিভাগৰ অধ্যাপক ড° হেমন্ত কুমাৰ শৰ্মা ছাৰ আৰু ড° ৰামচৰণ ঠাকুৰীয়া ছাৰ অসম সাহিত্য সভাৰ উপৰি বিভিন্ন সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানবিলাকৰ স'তে জড়িত আছিল। সময়ে সময়ে তেখেতসকলে পতা সাহিত্যানুষ্ঠানবিলাকত অসমীয়াত অনাৰ্ছ পঢ়ি থকা আমাৰ গ্ৰুপটোৱে ভলণ্টিয়াৰ হিচাপে কাম কৰিবলৈ সুযোগ পাইছিলো। আমাৰ কাৰণে আটাইতকৈ আনন্দৰ দিন আছিল ১৯৭৩ চনত কটন কলেজত অনুষ্ঠিত হোৱা লেখক শিবিৰটো। সেই তিনিদিনীয়া লেখক শিবিৰত ড° অৰুণিমা ভৰালী, ড° সূৰ্য দাস, ড° সুনীল শৰ্মা, শ্ৰীমতী কল্যাণী দেৱী, দীপ্তি বৰদলৈ, সবিতা পাঠক, গিনিমা পাঠক আদিকে ধৰি আমাৰ গ্ৰুপটোৱে ভাত-পানী-চাহ আদি পৰিবেশন কৰাৰ পৰা আৰম্ভ কৰি ইটো-সিটো কাম কৰি ডাঙৰ ডাঙৰ কবি-সাহিত্যিকসকলক আলপৈচান ধৰাৰ সুযোগ পাইছিলো। অসমীয়া সাহিত্যৰ ভালেসংখ্যক সাহিত্যিক সেই লেখক শিবিৰত একলগ হৈছিল। স্বৰ্গীয় চৈয়দ আব্দুল মালিক, স্বৰ্গীয় যোগেশ দাস, ড° নগেন শইকীয়া, ড° লক্ষ্মীনন্দন বড়া আদি দিগগজ সাহিত্যিকৰ মাজত সেই শিবিৰত দুজন ডেকা সাহিত্যিকক প্ৰথমবাৰৰ বাবে লগ পাইছিলো। তেখেতসকল হ'ল শ্ৰদ্ধেয় ৰংবং তেৰাং দেউ আৰু ড° প্ৰহ্লাদ কুমাৰ দেউ। দুয়ো তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহি চাকৰিত যোগদান কৰিছে। বয়সত বেছি প্ৰভেদ নথকা কাৰণতে তেখেতসকল আমাৰ গ্ৰুপৰ স'তে অনায়াসে মিলি গৈছিল আৰু এক প্ৰকাৰ আমাৰ গ্ৰুপ লীডাৰ হৈ পৰিছিল। ৰংবং তেৰাং ককাইদেৱে মই অৰুণাচল প্ৰদেশৰ চেৰদুকপেন জনজাতিৰ বুলি গম পাই এই জনজাতিৰ ভাষা, সংস্কৃতি, ৰীতি-নীতিৰ বিষয়ে নানা কথা সুধি লৈছিল আৰু ময়ো যৎপৰোনাস্তি তাৰ সঠিক উত্তৰ দিবলৈ যত্ন কৰিছিলো। চেৰদুকপেন জনজাতি ভাষাৰ স'তে কাৰ্বি ভাষাৰ বহুত সাদৃশ্য তেখেতে বিচাৰি পোৱাৰ কথাও মোক জনাইছিল আৰু সেই বিষয়ে অধিক গৱেষণা কৰাৰ আগ্ৰহ প্ৰকাশ কৰিছিল। মিঠাবৰণীয়া, ওখ-পাখ, সৰল অমায়িক, তেজোদীপ্ত ডেকা সাহিত্যিকৰ ব্যক্তিত্ব দেখি মোৰ মনত যি সাঁচ বহুৱাইছিল সেই কথা মই এতিয়াও পাহৰিব পৰা নাই।

সেই তেতিয়া ৰংবং তেৰাং ককাইদেউক যি লগ পালো আজি কিছু বছৰ আগলৈকে তেখেতৰ লগত দেখা-সাক্ষাৎ নহ'ল। চাক্ষুষ দেখা নহ'লেও প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত উচ্চমান বিশিষ্ট সাহিত্য আলোচনী প্ৰকাশত তেখেতৰ জনপ্ৰিয় উপন্যাস 'ৰংমিলিৰ হাঁহি' ধাৰাবাহিকভাৱে প্ৰকাশিত হ'বলৈ ধৰাত মই তাৰ নিয়মীয়া পাঠক হ'লো আৰু যেতিয়াই ধাৰাবাহিক উপন্যাসখন পঢ়িবলৈ লওঁ মোৰ চকুৰ সন্মুখত ভাহি উঠিছিল সেই সুঠাম ডেকা সাহিত্যিকজনৰ চেহেৰা, যাক মই কিছুদিনৰ বাবে কটন কলেজৰ লেখক শিবিৰত লগ পাইছিলো। 'ৰংমিলিৰ হাঁহি' পঢ়ি মোৰ উপলব্ধি হৈছিল অসমীয়া সাহিত্য জগতত অন্য এক লুম্মেৰ দাইৰ আৰু জন্ম হৈছে। পাহাৰীয়া এই লেখকজনেও নিজ সমাজৰ চিত্ৰ উপন্যাসত অংকন কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিব। কাৰণ খুব কমসংখ্যক মেধাৱী লেখকৰ বাহিৰে অন্য সমাজ, অন্য জাতি বা জনজাতিৰ ছবি সেই সমাজ বা জনজাতিৰ লেখকে যথাযথভাৱে ফুটাই তুলিব নোৱাৰে। 'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ বাহিৰেও পদ্মশ্ৰী ৰংবং তেৰাং ককাইদেউৰ দুই-এটা গল্প নানা আলোচনীত প্ৰকাশিত হ'বলৈ আৰম্ভ কৰিছিল

আৰু মই সেইবিলাক ভালদৰে অনুধাৱন কৰিছিলো কিয়নো লুম্বেৰ দাই ককাইদেউৰ দৰে তেখেতো হৈ পৰিছিল মোৰ অনুপ্ৰেৰণা। মোৰ মনলৈ ভাব আহিছিল, লুম্বেৰ দাই আৰু ৰংবং তেৰাং, এই দুই পাহাৰীয়া ককাইদেউৰ মই যোগ্য ভাতৃ হ'ব লাগিব, তেখেতসকলৰ দৰে ময়ো লিখিব পাৰিব লাগিব। তেখেতসকলে যেনেদৰে আদি আৰু কাৰ্বি জনজাতিৰ কথা লৈ উপন্যাস লিখিছে ময়ো মনপা, চেৰদুকপেন জনজাতিৰ বিষয় লৈ উপন্যাস লিখিম, তেখেতসকলে লিখিব পাৰিছে যদি মই নোৱাৰিম কিয়? এইটো কথা স্বীকাৰ কৰিবই লাগিব স্বৰ্গীয় লুম্বেৰ দাই আৰু পদ্মশ্ৰী ৰংবং তেৰাং ককাইদেউৰ দৰে অগ্ৰজ জনজাতীয় লেখকৰ জন্ম নোহোৱাহেঁতেন অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰিবলৈ মই কেতিয়াও সাহস গোটাব নোৱাৰিলোহেঁতেন!

শিক্ষাজীৱন শেষ কৰি মই অৰুণাচল প্ৰদেশলৈ উভতি আহিলো। অৰুণাচল প্ৰদেশৰ ভিতৰুৱা দুৰ্গম ঠাইবোৰত চাকৰি কৰি ঘূৰি ফুৰোতে মই বাহিৰৰ পৃথিৱীৰ পৰা বিচ্ছিন্ন হৈ গ'লো। সেইদৰে অসমীয়া লেখক-লেখিকাৰ সান্নিধ্যৰ পৰাও বঞ্চিত হৈ গ'লো।

বহু বছৰৰ মূৰত ২০০১ চনৰ ২২ এপ্ৰিল তাৰিখে পদ্মশ্ৰী ৰংবং তেৰাং ককাইদেউক পুনৰ লগ পোৱাৰ মোৰ সৌভাগ্য হ'ল। গোলাঘাট সাহিত্য সভাই মোক স্বৰ্গীয় ফুলচান্দ খাণ্ডেৱাল সাহিত্য সংহতি বঁটাৰ বাবে উপযুক্ত ব্যক্তি বুলি বিবেচিত কৰিলে আৰু সেইবছৰ এই বঁটাৰ বাবে মোক মনোনীত কৰিলে। বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ল গোলাঘাটৰ বিবেকানন্দ বিদ্যালয় প্ৰেক্ষাগৃহত গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি বিশিষ্ট লেখক ডাঃ অজিত বৰুৱাৰ সভাপতিত্বত। সভাত মুখ্য অতিথি হিচাপে যোগদান কৰিবলৈ সেইদিনাই সুদূৰ ডিফুৰ পৰা গাড়ীৰে ঢাপলি মেলি আহিছিল অসম সাহিত্য সভাৰ সেই সময়ৰ উপ-সভাপতি শ্ৰীযুত ৰংবং তেৰাং ককাইদেউ। সভাৰ আগতে সেইদিনা দুপৰীয়াৰ ভাত সাঁজৰ বাবে আমাক নিমন্ত্ৰণ কৰিছিল ডাঃ অজিত বৰুৱাদেৱে। আমি তেখেতৰ ঘৰত ৰংবং তেৰাং ককাইদেউ অহালৈ বাট চাই আছিলো। প্ৰায় বাৰটামান বজাত এখন এম্বেচেদৰ গাড়ীত আহি তেখেত উপস্থিত হ'ল। ইমান দূৰ বাটৰ পৰা আহিও তেখেতৰ দেহত ক্লান্তিৰ অকণো আভাস নাই, এই যেন সতেজ হৈ বিছনাৰ পৰা উঠি আহিছে। আহিয়েই মোক পৰম চেনেহেৰে সাবটি ধৰিলে। ফুলচান্দ খাণ্ডেৱাল সাহিত্য সংহতি বঁটা পোৱা বাবে অভিনন্দন জনালে আৰু লগতে ইমান বছৰৰ মূৰত লগ পোৱা বাবে আনন্দ প্ৰকাশ কৰিলে। ইটো-সিটো কথাৰ মাজত ডাঃ বৰুৱাদেৱৰ শ্ৰীমতীয়ে ৰন্ধা ভাতৰ জুতিত আমি পেট ভৰাই ভাত খালো। ভাত খায়েই আমি তাৰ পৰা পোনে পোনে বঁটা প্ৰদান অনুষ্ঠানৰ সভাগৃহলৈ গ'লো। মুখ্য অতিথি হিচাপে তেখেতে অসমীয়া ভাষাই কেনেদৰে অসমৰ লগতে ওচৰ-চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, নাগালেণ্ড আদিৰ জনগোষ্ঠীকো সামৰি লৈছে আৰু জনগোষ্ঠীয় লেখকসকলে এই ভাষাৰ মাধ্যমেদি সাহিত্য চৰ্চা কৰি সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখি বৰ অসম গঢ়ি তুলিছে সেই বিষয়ে নিজৰ সাৱলীল ভাষাত এক চমু বক্তৃতা দি সকলোকে আপ্লুত কৰি ৰাখে। সভা শেষ কৰি তেখেত সেইদিনাই যোৰহাটলৈ গুচি যাব লগা হ'ল। তাৰ পাচত তেখেতক দুনাই লগ পোৱাৰ সুযোগ পোৱা নাই।

সৌশৰীৰে তেখেতক লগ নাপালেও মাজে মাজে তেখেতৰ গুৰু-গম্ভীৰ অথচ আনন্দমিশ্ৰিত, মাত টেলিফোনযোগে শুনিবলৈ পাইছো। 'ঠংচি, মই ডিফুৰ পৰা কৈছো। ৰংবং তেৰাং। মনত আছেনে?' ২০০৫ চনৰ ২৪ ডিচেম্বৰৰ গধূলি মোৰ ম'বাইলত ৰংবং তেৰাং ককাইদেউৰ আনন্দ মিশ্ৰিত মাত ভাহি আহিল।

'মনত আছে।'

'কিয় নাথাকিব?' মই কোবাৰ লগে লগে সিফালৰ পৰা আকৌ ভাহি আহিল,

'তুমি সাহিত্য অকাডেমী বঁটা পাইছা। মই বহুত ভাল পাইছো।'

'মই এই বঁটাটো পোৱাৰ আগতে আপুনিহে এই বঁটাটো পাব লাগিছিল?' মই ক'লো।

'নাই নাই, তুমিহে এই বঁটা পোৱাৰ বেছি যোগ্য। তুমি বঁটাটো পোৱাৰ বাবে মোৰ বৰ ভাল লাগিছে। তোমাক কংগ্রেচুলেচন।' আনন্দমিহলি তেখেতৰ মাত শুনি তেখেতৰ প্ৰতি কৃতজ্ঞতাৰে মোৰ মন ভৰি গ'ল।

প্ৰত্যেক নৱবৰ্ষৰ উপলক্ষত মই গ্ৰিটিংচ কাৰ্ড চপাওঁ আৰু শুভাকাংক্ষীসকলক প্ৰেৰণ কৰো। ২০০৭ চনত মোৰ গ্ৰিটিংচ কাৰ্ডৰ প্ৰতি সঁহাৰি জনাই ৰংবং তেৰাং ককাইদেৱে দৈনিক জনসাধাৰণৰ এক জানুৱাৰী সংখ্যাত মোৰ বাবে এক ৰাজহুৱা পত্ৰ প্ৰেৰণ কৰিছিল। তাৰ উত্তৰ ৰাজহুৱাভাৱে ময়ো একেখন কাকতৰ জৰিয়তে দিছিলো। আমাৰ এই পত্ৰৰ ৰাজহুৱা আদান-প্ৰদানৰ ফলস্বৰূপে জনসাধাৰণ কাকতত মই 'অৰুণাচলৰ চিঠি' নামৰ স্তম্ভ এটা লিখিবলৈ আৰম্ভ কৰিছিলো যদিও নানা কাৰণত স্তম্ভটো নিয়মীয়াকৈ লিখাত মই ব্যৰ্থ হ'লো।

অসমৰ সাহিত্য জগতৰ এক উজ্জ্বল নক্ষত্ৰ পদ্মশ্ৰী ৰংবং তেৰাং ককাইদেউৰ স'তে মোৰ দেখা সাক্ষাৎ আজিলৈকে ইমানতে সীমিত যদিও মই অনুভৱ কৰো, তেখেত যেন সদায় মোৰ কাষত আছে। তেখেতৰ সকলো লেখা পঢ়ো, পঢ়ি অকল ভাল লগাই নহয়, তাৰ পৰা লিখাৰ অনুপ্ৰেৰণা পাওঁ। তেখেত দীৰ্ঘায়ু হৈ সদায় মোৰ অনুপ্ৰেৰণাৰ স্ৰোত হৈ থাকক, তাকে মই কামনা কৰোঁ।

১৯৬৬ চনৰ ২৭ মাচ তাৰিখে এখন সভা গঠন কৰা হৈছিল আৰু সৰ্ব সন্মতিক্ৰমে সভাৰ নাম 'কাৰবি লামমেত আমেই' (কাৰবি সাহিত্য সভা) ৰখা হয়। সভাৰ প্ৰথম সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে দ যিং যথাক্ৰমে মোৰ হুন আৰু ৰংবং তেৰাং দেৱক নিযুক্ত কৰা হৈছিল।

কাৰ্‌বি লাম্‌মেত আমেই আৰু ৰংবং তেৰাং

লংকাম টেৰণ

স্বনামধন্য সু-সাহিত্যিক পদ্মশ্ৰী ৰংবং তেৰাং দেৱৰ 'কাৰ্‌বি লামমেত আমেই' (কাৰ্‌বি সাহিত্য সভা)ৰ সৈতে থকা সম্বন্ধৰ বিষয়ে মোৰ স্মৃতিৰ সঁফুৰাৰ পৰা চমুকৈ দুআষাৰমান কথা লিখাৰ প্ৰয়াস কৰিছোঁ।

মই তাহানিৰ ডকমকা মধ্য ইংৰাজী স্কুলৰ প্ৰধান শিক্ষক পদত কাৰ্যনিৰ্বাহ কৰি থকা সময়ত তেৰাং আছিল লংকা উচ্চ ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ। আমাৰ মাজত চিঠি-পত্ৰৰ মাধ্যমেৰে যোগাযোগ স্থাপন হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ছোৱাত তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ডিফু চৰকাৰী মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা পদত যোগদান কৰিছিল। আনপিনে ১৯৬৪ চনত মই তেতিয়াৰ মিকিৰ পাহাৰ জিলা পৰিষদত জন সম্পৰ্কৰক্ষী বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। মোৰ বাসস্থান আছিল 'মেম্বাৰ্চ হোষ্টেল'ৰ ১০ নং কোঠা। পিচলৈ এটা সুকীয়া আবাসৰ ব্যৱস্থা হৈছিল। সেই সময়ত বিয়লিপৰত তেৰাঙে মোৰ কোঠালৈ প্ৰায় নিয়মীয়াকৈ অহা-যোৱা কৰিছিল। আমাৰ মাজত বিভিন্ন বিষয়ৰ উপৰি কাৰ্‌বি ভাষা-সাহিত্যৰ বিকাশ তথা প্ৰসাৰৰ সম্বন্ধে নানা দিশত আলোচনা হৈছিল। উপায় উদ্ভাৱনৰ বাবে কৰা আমাৰ দুয়োজনৰ আলোচনাৰ সময় কেতিয়াবা ৰাতি ১০/১১ বজাপৰ্যন্ত অতিবাহিত হৈছিল। এনেধৰণৰ

আলোচনা বহু দিনলৈ চলিছিল।

এদিন আমাৰ আলোচনাৰ বিষয়-বস্তু সম্পৰ্কে তেতিয়াৰ মিকিৰ পাহাৰ জিলা পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰয়াত জয়ছিং দলৈদেৱে জানিব পাৰি আমাক এটা সু-পৰামৰ্শ দিলে যে আমি অনতি পলমে লুপ্তপ্ৰায় কাৰ্বি ভাষা-সাহিত্যৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি এখন সভা গঠন কৰা উচিত। প্ৰয়াত দলৈদেৱৰ লগত তেখেতৰ সহকৰ্মী আন এগৰাকী কাৰ্যবাহী সদস্য প্ৰয়াত ছাৰ ৰংপিয়েও একে ধৰণৰ মন্তব্য আগবঢ়াইছিল। এই ব্যক্তি দুজনৰ পৰা নতুন প্ৰেৰণা আৰু উদ্দীপনা পোৱাত সভা গঠনৰ বাবে অগ্ৰসৰ হ'লোঁ। সময়বোৰ আমাৰ অজানিতে আগবাঢ়িল। পুনৰ আন এটি সন্মিয়াত আমাৰ আলোচনাৰ সামৰণি মাৰি এখন নতুন সভা গঠন সম্পৰ্কে সিদ্ধান্ত ল'লোঁ। সেইমতে ১৯৬৬ চনৰ ২৭ মাৰ্চ তাৰিখে এখন সভা গঠন কৰা হৈছিল আৰু সৰ্ব-সন্মতিক্ৰমে সভাৰ নাম 'কাৰ্বি লামমেত আমেই' (কাৰ্বি সাহিত্য সভা) ৰখা হয়। সভাৰ প্ৰথম সভাপতি আৰু সাধাৰণ সম্পাদকৰ দায়িত্ব যথাক্ৰমে মোৰ আৰু তেৰাং দেৱৰ ওপৰত ন্যস্ত হৈছিল।

নৱ গঠিত সভাখনৰ কাৰ্য প্ৰণালীবোৰ অসম সাহিত্য সভাৰ আৰ্হিৰে প্ৰস্তুত কৰাৰ মানসেৰে এটি উদ্বোধনী গীত ৰচনা কৰা হ'ল। সভাখনৰ প্ৰথম বাৰ্ষিক আলোচনী এখন প্ৰকাশৰ বাবে প্ৰয়োজনীয় সকলো আয়োজন কৰা হৈছিল যদিও অনিবাৰ্য কাৰণবশতঃ সেয়া কাৰ্যকৰী নহ'ল। স্মৰ্তব্য যে এদিন আমি দুয়ো গুৱাহাটীৰ পল্টন বজাৰস্থিত 'হোটেল এম্বেছাডৰ'ত কেইটিমান প্ৰয়োজনীয় শব্দ, যেনে সাহিত্য, সাহিত্যিক, কবি, কবিতা, উপন্যাস ইত্যাদিৰ কাৰ্বি প্ৰতিশব্দ বিচাৰি, অৰ্থাৎ চিন্তা কৰি উজাগৰে ৰাতি কটাইছিলোঁ। সেইবোৰ অৱশ্যে এতিয়া অতীত যদিও মনৰ মণিকোঠাত মধুৰ স্মৃতি হৈ আছে।

শ্ৰদ্ধাস্পদ তেৰাংদেৱ 'কাৰ্বি লামমেত আমেই'ৰ সাধাৰণ সম্পাদক ৰূপে ১৯৬৬ চনৰ পৰা প্ৰয়াত ধনীৰাম ৰংপি আৰু প্ৰয়াত জয়ছিং দলৈদেৱৰ সভাপতিৰ কাৰ্যকাল অৰ্থাৎ ১৯৮৩ চনলৈকে সুচাৰুৰূপে কাৰ্য সম্পাদন কৰিছিল। এয়া আছিল কাৰ্বি লামমেত আমেইৰ প্ৰতি ৰংবং তেৰাংদেৱৰ অমূল্য অৱদান। তেৰাংদেৱ দীৰ্ঘজীৱী হওক— এয়ে আমাৰ একান্ত কামনা।

“বাল্মীকিয়ে যেনেকৈ ক্ৰৌঞ্চ মিথুন ভংগৰ শোকত বিহ্বল হৈ কলম ধৰিছিল, তেনেকৈ ৰংবং তেৰাং ছাৰেও মানৱতাৰ অৱক্ষয় দেখি মৰ্মাহত হৈ নিজৰ অজানিতেই কলম ধৰিছিল — নিজেই নাজানো, ক্ৰান্তিকালৰ অশ্ৰু কিয় লিখিলে, আৰু লিখিলো কেনেকৈ?”

ৰংমিলিৰ দিগন্তত

বসন্ত দাস

মনৰ ডেউকা কোবাই উমলি ফুৰিছো সেই দিগন্তত, ৰংমিলিৰ দিগন্ত। পদ্মশ্ৰী ৰংবং তেৰাংদেৱৰ মনৰ ৰঙেৰে ৰঙীণ হৈ আছে সেই দিগন্ত, প্ৰাণৰ সৈতে প্ৰাণৰ স্পন্দনৰ ৰং। ৰামধেনুৰ ৰং। সমন্বয় আৰু মানৱতাৰ ৰঙেৰে ভৰি আছে তেৰাঙৰ মনৰ আকাশ। বিখ্যাত বঙালী কবিতা এফাঁকিলৈ মনত পৰিল—

‘তোমাৰ কীৰ্তিৰ চেয়ে তুমি যে মহৎ’

সৃষ্টিতকৈ স্ৰষ্টা মহৎ। সেয়েহে পদ্মশ্ৰী তেৰাং ছাৰৰ সৃষ্টিত— ৰংমিলি গাঁৱৰ ছাৰইকৰ হাঁহি, খনবামনৰ সেই নীলা অৰ্কিড, মাটিৰ মানুহ লদাৰাম (ঋষভ গান্ধাৰ), ভগ্ননীড়ৰ মানৱীয় আবেদন, জাক হেৰোৱা পখীৰ সেই কুকি বোৱাৰীজনী, কাৰ্বি গাঁৱত কুকি গাঁৱৰ দন্দুৰী কুকুৰাৰ মাত, লংনিতৰ পাৰৰ কুমৰ ‘এওঁ এওঁ’ সুৰধ্বনি, ক্ৰান্তিকালৰ সেই ভস্মীভূত উপন্যাসৰ পাণ্ডুলিপি। কতজনৰ মনত দোলা দি মনৰ মণিকোঠাত নান্দনিক জোনাকত তাজমহল হৈয়ে জিলিকি থাকিল।

এনে সৃষ্টিৰ স্ৰষ্টাৰ শিল্প চেতনাৰ আস্বাদনৰ কৌতূহলী মনেৰেই প্ৰবন্ধটি লিখা হ'ল।

ৰংবং ছাৰৰ সৃষ্টিৰ ক্ষেত্ৰত কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়। সেয়া হ'ল সমসাময়িক ঘটনাৰ উপাদানেৰে শিল্প সৃষ্টি। ছাৰৰ ‘ক্ৰান্তিকালৰ অশ্ৰু’ আশী দশকৰ সেই অস্থিৰতাৰ সময়তে পাতনি মেলা। ভালেমান বছৰ প্ৰকাশকৰ মেজত পৰি আছিল। আনহাতে ‘জাক হেৰোৱা পখী’ এনে এটা

সময়ত ওলাল যি সময়ত সমগ্ৰ কাৰ্বি আংলং গোষ্ঠী সংঘৰ্ষত জৰ্জৰিত। ইয়াৰ বাবে তেৰাং ছাৰ আৰু প্ৰকাশক ধন্যবাদৰ পাত্ৰ। আনহাতে নান্দনিক তত্ত্বৰ গৱেষকসকলৰ মতে বৰ্তমানৰ ঘটনাতকৈ দূৰণিৰ ঘটনাই কল্পনাক প্ৰাচুৰ্য দিয়ে বুলি কোৱা হয়।

ব্ৰেকৰ মতে 'The best wine is oldest, the best water is the newest. W.B. Yeats-এ "Discoveries'ত কৈছে, 'so far from the discussion of our interests and the immediate circumstances of our life being the moving to the imagination it is what is old and far off that stires us the most deeply."

এইফালৰ পৰা চাবলৈ গ'লে শ্ৰীযুত তেৰাং ডাঙৰীয়া সম্পূৰ্ণ ব্যতিক্ৰম। ছাৰৰ সৈতে ঘৰুৱা আলোচনাত জানিছোঁ, 'ক্ৰান্তিকালৰ অশ্ৰু' তেওঁৰ আটাইতকৈ মৰমৰ সৃষ্টি। অসমৰ বিদেশী সমস্যাৰ আন্দোলনৰ সময়তে উপন্যাসখনে প্ৰসূতি ঘৰত ৰাউচি জুৰি কান্দিছিল।

বাল্মীকিয়ে যেনেকৈ ক্ৰৌঞ্চ মিথুন ভংগৰ শোকত বিহ্বল হৈ কলম ধৰিছিল, তেনেকৈ ৰংবং তেৰাং ছাৰেও মানৱতাৰ অৱক্ষয় দেখি মৰ্মাহত হৈ নিজৰ অজানিতেই ক'ব ধৰিছিল— নিজেই নাজানো, ক্ৰান্তিকালৰ অশ্ৰু কিয় লেখিলো, আৰু লেখিলো কেনেকৈ?

আনহাতে উপন্যাসখনৰ বিষয়বস্তু সমসাময়িক আছিল বাবেই হয়তো আগৰ প্ৰকাশক গোষ্ঠীয়ে উলিয়াবলৈ ভয় কৰিছিল। ভালেমান দিনৰ পিচত ছাৰে নিজেই পাণ্ডুলিপিখন ঘূৰাই আনিবলৈ গ'ল। প্ৰকাশকে এইখন উপন্যাসৰ শাৰীত নপৰে বুলিয়েই ছপা নহ'ল বুলি ঘূৰাই দিছিল।

পৰোক্ষ ধাৰণাৰে মিছা নহয় কথাষাৰ। কালজয়ী উপন্যাসসমূহ সময়ত নিজে নিজেই ইতিহাস হৈ পাঠকৰ মনত মৌ-বাহ বান্ধেগৈ। বংকিমচন্দ্ৰৰ 'ৰাজসিংহ', 'আনন্দমঠ', ৰজনীকান্ত বৰদলৈৰ 'ৰঙিলী' এইবোৰ উপন্যাসেই আছিল, সময়ত ইতিহাস হৈ মানুহৰ মনত জীয়াই আছে। সিদিনা সাংবাদিক নগেন বৰাই ফোনযোগে সুধিছিল 'ক্ৰান্তিকালৰ অশ্ৰু পঢ়িলা নেকি?' 'অ' 'কেনে লাগিল?' 'আমুঠ চোহা। পদ্মশ্ৰী ৰংবং তেৰাং ছাৰৰ আত্মাৰ প্ৰতিধ্বনিয়েই 'ক্ৰান্তিকালৰ অশ্ৰু'।

বৰাদেৱে শেষত ক'লে 'ভালেই হৈছে দিয়া, উপন্যাসখন ভৱিষ্যতত ইতিহাস হৈ সাক্ষী দিব পাৰিব।'

পদ্মশ্ৰী ৰংবং তেৰাং ডাঙৰীয়া কাৰ্বি পাহাৰৰে মাটিৰ মানুহ। ছাৰৰ পিছফালে আছে এখন বহুৰঙী কাৰ্বি কৃষ্টিৰ পটভূমি। চাৰিওফালে আছে পাহাৰ, নদ-নদী, গিৰি প্ৰান্তৰ। কলং-কপিলীৰ পলসেৰে গঢ়ি উঠা তেৰাং ছাৰৰ মনৰ পৰিসৰ বৈ গৈ গৈ লুইতত পৰিছে, দেখিছে কপিলীৰ গভীৰতা, দেখিছে লুইতৰো গভীৰতা, শেষত গৈ মোহনাত পৰি মানৱতাৰ অসীমতাত হেৰাই গৈছে। সেয়েহে সীমাৰ বেষ্টনীত অসীমক, অসীমৰ বুকুত সসীমক লৈয়ে তেওঁৰ সৃষ্টি।

ৰংবং ছাৰৰ শিল্প চেতনাত আছে— ভিন্নতাৰ মাজত ঐক্য আৰু সমন্বয় গঢ়ি তোলাৰ আকুতি। কাৰ্বি গোষ্ঠীগত গৌৰৱৰ উৎকৰ্ষ সাধন কৰি বৃহত্তৰ অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াত স্বতঃস্ফূৰ্তভাৱে যুক্ত হৈ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংশীদাৰ হোৱাৰ আকুতি ছাৰৰ সৃষ্টিতে মূৰ্তমান। অসমৰ যিকোনো গোষ্ঠীয়েই কোনো বিচ্ছিন্ন অংশ নহয়, তেওঁলোকৰ কলা-কৃষ্টি-ভাষা আৰু স্বকীয়তা অসমীয়া জাতিৰে অংশ।

ক্ৰান্তিকালৰ অশ্ৰুৰ নায়কৰ অনুভৱ— 'কি বিচিত্ৰ অসমৰ ইতিহাস...

কিমান মহান অসমীয়া জাতিৰ উত্তৰণৰ প্ৰক্ৰিয়া... অসমৰ মাটিয়ে বহুতো জাতি-উপজাতি

মাতিছিল আৰু আজিও মাতি আছে। সেইসকলৰ মাজৰে কিছুমান অসমৰ বুকুত মিলি অসমীয়া হ'ল, আৰু আন কিছুমানে অসমৰ বুকুত থাকিও অসমীয়া হ'ব পৰা নাই। মানৱ প্ৰব্ৰজনৰ এই দুটা দ্বন্দ্বক ইমান দিনে মই বুজিব পৰা নাছিলো' *(ক্ৰান্তিকালৰ অশ্ৰু, পৃষ্ঠা- ১২০)*।

অসমৰ সমন্বয়ৰ ধাৰাবাহিক প্ৰক্ৰিয়াবোৰ কেনেকৈ স্বতঃস্ফূৰ্তভাৱে গঢ়ি উঠিছে তেৰাং ছাৱে গভীৰতাৰে উপলব্ধি কৰিছে। 'নগা পৰ্বতৰ ডালিমীয়ে লুইতত সাঁতুৰি ফুৰিছেই। বেজবৰুৱাই সৃষ্টি কৰা এয়া জীয়া প্ৰতিমা... পাহাৰ আৰু ভৈয়ামৰ সাংস্কৃতিক সমন্বয়ৰ বাস্তব ৰূপ দেখোন বৰ লুইতৰ বুকুতে...

ক্ৰান্তিকালৰ অশ্ৰুৰ পৃষ্ঠাই পৃষ্ঠাই আছে মানৱ দৰদী ভাবৰ প্ৰতিবিম্ব। সামান্যৰ মাজেদি অসামান্যক প্ৰকাশ কৰাৰ মানসেৰে স্ৰষ্টাই তাহানিৰ লংকাৰ কিছুমান জীৱন্ত চৰিত্ৰক বাছি লৈ ক্ৰান্তিকালৰ অশ্ৰুৰ সৃষ্টি কৰিলে। ১৯৮৩ চনত যেতিয়া মানুহৰ মূল্যবোধত, সমন্বয়ত মামৰে ধৰিছিল, তেতিয়াই লেখকৰ মানৱতাবোধে কান্দি উঠিছিল, মানসিক দ্বন্দ্বত ভুগিছিল, লেখক অসমীয়া সমাজৰে এজন সমাজৰ প্ৰতি প্ৰবল আবেগময় আকৰ্ষণ, আনফালে মৰম, সমন্বয়, এনে মতবাদৰ সংঘৰ্ষ মানসিকতা প্ৰকাশ কৰিবলৈ লেখকে লংকাৰ পটভূমিকে বাছি লৈছিল। লংকা মাথোন উপলক্ষ্য, বক্তব্য, সমাজৰ অধঃপতনৰ অভিব্যক্তি। লংকাৰ ইতিবৃত্তক তেজ-মঙহৰ চেহেৰা দিবলৈ বাছি লোৱা হৈছে সেই বাস্তব চৰিত্ৰসমূহক— সংমল বৰুৱা, অধ্যাপক শৰ্মা, চলিহা, হোমবাহাদুৰ চেত্ৰী, মিচেচ বৰুৱা, পৰশুৰাম, প্ৰফুল্ল হাতীবৰুৱা, হাজী ৰাখবালী চৌধুৰী, চৰ্দাৰ মোহন সিং, মৌমাৰ বৰ্মন, মণিপুৰী সৰোজিনী দেৱী, শুভেন্দু মালাকাৰ, ৰে'লৰে গেংম্যান ৰামেশ্বৰ, যোৰপুখুৰীৰ চাওতাল, কুৰ্মী, নমঃশূদ্ৰকেইজন, এইসকলৰ মাজেদিয়েই প্ৰকাশ পাইছে আকুল অসহায়তা, আত্মগ্লানিৰ এফালে অস্তিত্ব ৰক্ষা, আনফালে মানৱতাৰ অৱক্ষয়, লেখক আতংকিত। সেয়ে সেই ক্ৰান্তিকালৰ কাল সন্ধিয়াত অশ্ৰু টুকিলে লেখকে।

ছাৰ মানৱ দৰদী-শিল্পী। মানুহৰ সমাৱেশ দেখি তেওঁ বিয়াকুল হৈ পৰে, মনৰ পৰিসৰ ব্যাপক হৈ পৰে। লংকাৰ মঙ্গলবৰীয়া হাটৰ মানুহবোৰৰ মাজত ৰামধেনুৰ ৰং দেখা পাইছে। মানুহৰ লানি নিছিগা সোঁত। সেই সোঁতত ময়ো যেন উটি যাব ধৰিছো। সকলোৱে যেন একেটা চিন্তাৰে মানৱ সমুদ্ৰত অৱগাহন কৰিছেহি হাটবৰীয়া মিলনতীৰ্থত। মাছ বজাৰত বিস্ফোৰিত বোমা বিস্ফোৰণ ঘটনাৰ পৰা উপন্যাসখনৰ মানসিক দ্বন্দ্ব চৰম পৰ্যায়ত। লেখকৰ মন্তব্য 'হিৰোচিমা ধ্বংস কৰা এটম বোমাতকৈ মানুহৰ অন্তৰ যে ভয়াবহ মই আগেয়ে জনা নাছিলো' *(ক্ৰান্তিকালৰ অশ্ৰু, পৃষ্ঠা- ৩৭)*। মানুহবোৰ যেন এতিয়াও আদিম হৈয়ে আছে। জুইৰ আৱিষ্কাৰ হোৱাৰ পিচত আদিম মানুহবোৰে জুইক আগুৰি যিধৰণে জঁপিয়াইছিল, হিৰোচিমা-নাগাচাকিৰ আৰ্ত মানুহৰ লৰা-ঢপৰা যেন তাৰেই পুনৰাবৃত্তি। সমাজ গৱেষকেও তেৰাং ছাৰৰ দৰেই মানৱতাৰ দোহাই দি সভ্য মানুহক সমালোচনা কৰিছিল— The Dance of the primitive man lasted but a few seconds during which an evolutionary period of about 10,000 years had been telescoped primitive man was melamorphosed in to modern man. সেয়েহে পদ্মশ্ৰী তেৰাঙৰ চিন্তাধাৰা বিশ্বজনীন, তেওঁৰ সৃষ্টিও বিশ্বজনীন।

শুভেন্দু চিত্ৰশিল্পী। লংকাৰ কোনো এখন সভাৰ মঞ্চ সজ্জাত আঁৰ কাপোৰত অঁকা বিশাল আকাশ আৰু মাটিৰ চিত্ৰ চাই তেৰাং ছাৰ অভিভূত হৈছিল। কথা প্ৰসংগত ছাৰে কৈছিল— মোৰ

চকুত আজিও ভাঁহি আছে। তেওঁ সুদূৰ চিলেটৰ পৰা আহিছে। মাটি আৰু আকাশৰ মিলনক এটা ৰূপ দিবলৈ শুভেন্দুই চেষ্টা...। সাধাৰণ মানুহবোৰেই সমন্বয়ৰ বুনিয়াদ।... ৰং-তুলিকাৰে ৰাজনৈতিক ভূগোলৰ সীমা অতিক্রম কৰি মানুহক ভাল পায়ে থাকিল।

সেই আদিবাসী বিশ্বনাথ কুৰ্মী, ৰে'লৱে গেং ম্যান ৰামেশ্বৰ, পাঞ্জাব হোটেলৰ কাষৰ বুঢ়ীজনী, ভূমিক গোৱালা আদি কোন কেনি গ'ল ছাবে নাজানে। কিন্তু এই সাধাৰণেই আছিল তেওঁৰ বাবে অসাধাৰণ মানুহ, মনৰ মানুহ, 'মানুহে মানুহৰ বাবে...' হয় জানো? ঝুমুৰৰ ছন্দ পতনৰ ভয় স্রষ্টাৰ ডাৰউইন চাহাবে প্ৰিমিটিভ মানুহৰ মুখত দেখিছিল স্বাধীনতাহীন ভয় আৰু প্ৰকৃতিক নজনাৰ আতংকৰ অভিব্যক্তি। তেনে দৃষ্টিৰেই ৰংবং ছাবে দেখিলে 'এৰা ছামৰুক দেখি ভাব হ'ল সিহঁতৰ জীৱনলৈও মৰুভূমি নামি আহিছে লাহে লাহে... মহাকাশৰ এই অৱক্ষয়ৰ আঁচোৰ কি ভয়াবহ...'

ছাবৰ যিকোনো সৃষ্টিৰ মূলতে আছে জাত্যভিমানৰ সীমাক অতিক্রম কৰি মানুহ সাৰ্বজনীনতা।

পদ্মশ্ৰী ৰংবং তেৰাং ডাঙৰীয়াই ভাবে এই পৃথিৱী, এই চিৰ সেউজীয়া প্ৰকৃতি অতি সুন্দৰ, কিন্তু তেওঁ নিজেই নাজানে যে ইয়াৰ কাৰণ তেওঁ নিজেই। নীটচ (Niezcha)-এ The light of the ldols গ্ৰন্থত লিখিছে Man belives the world itself to be overcharged with beauty, he forgets that he is the cause of it, He alone has endowed it with beauty, In reality man mirrors himself in things. He counts everything beautiful wchich reflects his likeness. Is the world beautiful? It is beacause man things it is. Man has himself it after all.

তেৰাং দেবৰ ভাষাত 'মোৰ মনৰ আকৰ্ষণ কি দৰে সৃষ্টি হ'ল মই নিজেই ধৰিব পৰা নাই। এই আকৰ্ষণ ইয়াৰ মাটি, বৰ্ণাঢ্য ৰূপৰ উদ্ভিদ জগত নে ইয়াৰ সৰল মানুহ...'

তেৰাং ছাবে নিজেই নাজানে এই সুন্দৰৰ আকৰ্ষণৰ কাৰণ ক'ত। কাৰণ তেওঁ নিজেই কাৰণ। তেওঁৰ সুন্দৰ মনৰ ঐশ্বৰ্য, কাৰণ তেওঁ নিজেই সত্যম, শিবম সুন্দৰৰ প্ৰতিভূ।

'কাৰ্বি পাহাৰৰ সেউজ অৰণ্য, নানা ৰঙৰ বনৰীয়া ফুল, পাহাৰৰ পৰা একা-বেঁকাকৈ বৈ অহা নদীৰ মনোৰম দৃশ্য। ... এনে আনন্দৰ হাঁহি আৰু প্ৰকৃতিৰ কোলাতে পালিত হৈছিল আমাৰ শৈশৱ'

'কাৰ্বি পাহাৰৰ সূৰ্যোদয়, সূৰ্যাস্ত মোৰ স্নিগ্ধ'

'পাহাৰৰ মাজেদি বৈ গৈছে ডিলাই জুৰিটো। জুৰিটোৰ গতি একা-বেঁকা ধুনীয়া ধুনীয়া। পাহাৰৰ ৰূপ সুষমাৰে ভৈয়ামলৈ নামি অহা জুৰিটো যেন সাইলাখ গাভৰুহে...' বৰ্ণনা নহয় আখৰেৰে অঁকা দৃশ্যপট। ক্ৰান্তিকালৰ সেই উপন্যাসৰ পাণ্ডুলিপিখন জ্বলি ছাই হৈ গৈছিল। লেখক আশাবাদী, সেয়েহে ক'লে— 'দুখ ৰত্নাকৰৰ ধ্বংসস্তূপৰ পৰা বাল্মীকিৰ জন্ম হোৱাৰ দৰে, ভস্মীভূত উপন্যাসৰ পৰাই নতুন মহৎ সাহিত্যৰ জন্ম হওক...।'

তেৰাং ছাবৰ শ্ৰেষ্ঠ কীৰ্তি হ'ল কাৰ্বি পাহাৰৰ জীৱন চেতনাক অসমীয়া সাহিত্যৰ যোগেদি চিনাকি কৰাই দি পাহাৰ আৰু ভৈয়ামৰ সংস্কৃতিক সনাপিটিকা কৰি এক সমন্বয়ৰ সাঁকো নিৰ্মাণ কৰা।

আদিম জনগোষ্ঠীসকলেই তেওঁলোকৰ পৰিচিত নামেৰেই অসমৰ মাটিক আপোন কৰি লোৱা নাই জানো? অসমৰ মাটি, মানুহ আৰু মনৰ অপূৰ্ব সমন্বয়ে ৰংবং তেৰাঙৰ সৃষ্টিৰ চেতনাক সমুদ্ৰৰ বিশাল পৰিসৰলৈ মাতি নিলে।

(

কেতিয়াবা বিশাল অসমীয়া সংস্কৃতিক খণ্ডিত কৰাৰ অপচেষ্টা দেখি বিষণ্ণতাৰ বাৰাণ্ডাত থিয় হৈ থকা দেখিছোঁ। সবল হাঁহি আৰু অনুচ্চাৰিত শব্দৰে নিজক উন্মোচন কৰাৰ এনে নিৰ্বাক অথচ ব্যঞ্জনাময় পদ্ধতি মই আগেয়ে ক'তো দেখা নাছিলোঁ। যুগ যন্ত্ৰণা, আধুনিক মানুহৰ বিপন্নতাবোধ, নৈৰাশ্য, অনিশ্চয়তা আদিয়ে ছাৰক ভৰাই তুলিছিল।

)

সম্প্ৰীতিৰ এক নৈসৰ্গিক পথ



লুটফা হানুম ছেলিমা বেগম

সততাই মানুহক কেনেকৈ পবিত্ৰ অনুভূতিৰ অধিকাৰী কৰি তোলে - সেই কথা উপলব্ধি কৰিছিলোঁ শ্ৰদ্ধেয় ৰংবং তেৰাং ছাৰক লগ পোৱাৰ পিছৰে পৰা। ডিফু চৰকাৰী মহাবিদ্যালয়ত চাকৰি কৰিবলৈ গৈ নাথাকো নাথাকো বুলিও ন বছৰ থাকিলোঁ। মূলতঃ দুটা কাৰণত মই থাকি গ'লোঁ— এটা হ'ল- পাহাৰীয়া চহৰখনৰ অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্য আৰু আনটো হ'ল- বিভাগীয় মুৰব্বী তেৰাং ছাৰ। ৰংবং তেৰাং— নামটোতেই আছে ধ্বনিময় সুষমাৰ যেন এক ব্যতিক্ৰমী কম্পন। যি কম্পনত প্ৰচ্ছন্ন হৈ আছে উত্তাপ আৰু প্ৰশান্তি, মগ্নতা আৰু স্পৰ্শকাতৰ সচেতনতা। এইবোৰ প্ৰতিফলিত হৈছে— তেখেতৰ সৃষ্টিশীল কৰ্মৰাজিত। ছাৰক লগ পোৱাৰ আগতেই লগ পাইছিলোঁ— ছেং আৰু অমফুক। ৰংমিলি আৰু ৰংমান্দু গাঁৱক। এই সাক্ষাতে পূৰ্ণতা পালে - ছাৰক লগ পোৱাৰ পিচত।

এই জগতখনক আমি যি ধ্যানদৃষ্টিৰে চাওঁ বা চাবলৈ চেষ্টা কৰোঁ - তাৰ অন্তৰালৰ আধাৰ হৈছে জীৱনৰ স'তে, মানুহৰ স'তে ব্যক্তিৰ নিকট আত্মীয়তা। এই কথাৰ প্ৰতিফলন দেখিছিলোঁ— ছাৰৰ কথা আৰু কামত। জীৱনৰ কঠিন অথচ নিৰ্মম সত্যকো কিদৰে সহজে গ্ৰহণ কৰিব লাগে— এই কথা মই ছাৰে নজনাকৈয়ে ছাৰৰ পৰা শিকি পেলালোঁ। শত্ৰু-মিত্ৰ সকলোৰে মংগল কামনা কৰিব

পৰা এখন অন্তৰৰ অধিকাৰী হোৱাটোও কিন্তু এক কঠিন সাধনা। মই তেনেকৈয়ে ভাবো। সেই সাধনাত ছাৰ অনায়াসে উত্তীৰ্ণ হোৱা দেখি মই বিস্ময় মানিছিলোঁ।

কম কথা কয়— ছাৰে। কিন্তু চৌপাশৰ পৰিৱেশ হৈ উঠে- বাঙ্ময়। তেখেতৰ সাত্ত্বিক ব্যক্তিত্বত লুকাই থকা দেখিছিলোঁ— অনেক নোকোৱা কথাৰ হীৰকদ্যুতি। শান্ত-সমাহিত এই ব্যক্তিজনৰ সৈতে অনেক সময়ত বাক্য বিনিময় কৰাৰ প্ৰয়োজনেই নহয়, কাৰণ তেখেতৰ স্নেহসিক্ত সান্নিধ্যতেই লুকাই থাকে শক্তিশালী অন্তৰংগতাবোধ।

কতবাৰ যে ছাৰক দেখিছোঁ কত ভিন্ন ৰূপত! কেতিয়াবা কৰ্মব্যস্ত শিক্ষকৰ ৰূপত, কেতিয়াবা দায়িত্বশীল গৃহস্থৰ ৰূপত, সহমৰ্মী সহকৰ্মীৰ ৰূপত। মানৱতাৰ পতন দেখি মৰ্মাহত হোৱা দেখিছোঁ অনেকবাৰ। আৰু কেতিয়াবা বিশাল অসমীয়া সংস্কৃতিক খণ্ডিত কৰাৰ অপচেষ্টা দেখি বিষণ্ণতাৰ বাৰাণ্ডাত থিয় হৈ থকা দেখিছোঁ। মাজে-সময়ে ছাৰৰ চেতনাজগতত ভুমুকিয়াই চোৱাৰ সুযোগ পাইছিলোঁ। সৰল হাঁহি আৰু অনুচ্চাৰিত শব্দৰে নিজক উন্মোচন কৰাৰ এনে নিৰ্বাক অথচ ব্যঞ্জনাময় পদ্ধতি মই আগেয়ে ক'তো দেখা নাছিলোঁ। যুগ-যন্ত্ৰণা, আধুনিক মানুহৰ বিপন্নতাবোধ, নৈৰাশ্য, অনিশ্চয়তা আদিয়ে ছাৰক ভবাই তুলিছিলে আৰু সেই কথাৰ সম্ভেদ পাইছিলোঁ আমি। এনেধৰণৰ কথা-বতৰা পাতোতে অনুভৱ কৰিছিলোঁ যে ছাৰে ব্যক্তি অস্তিত্বৰ পৰিধি পাৰ হৈ গৈ কেনেকৈ মানৱীয় সমস্যাবোৰৰ সৈতে একাত্ম অনুভৱ কৰিব পাৰে।

স্কুলীয়া অৱস্থাৰ পৰাই হাতত কলম তুলি লোৱা ছাৰে অনেক কথাৰ মাজতে এদিন কৈছিল যে— স্বৰ্গীয় বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশিত 'সাদিনীয়া নৱযুগ'ত প্ৰথম গল্পটো প্ৰকাশ পাইছিল। আলোচনীখন আনিবলৈ ছাৰে বহুদূৰ চাইকেল মাৰি যাব লগা হৈছিল। আলোচনীখন লৈ উভতি আহি নিজৰ সৃষ্টিক ছপা আখৰত চোৱাৰ দুৰন্ত আশাৰে যেতিয়া আলোচনীখন মেলি চাবলৈ বিচাৰিছিল, তেতিয়াহে দেখিলে যে চাইকেলৰ কেৰিয়াৰত লৈ অহা আলোচনীখন নাই। ক'ৰবাত পৰি আহিল। ছাৰৰ গল্পটো ক'ৰবাত পৰি থাকিল....। পৰিণত বয়সত স্মৃতিৰ সেই খণ্ডাংশক আমাৰ আগত প্ৰকাশ কৰোঁতে বুজিছিলো যে - অতীত মানেই বিষাদময় স্মৃতি নহয়। অতীতৰ মধুৰতায়ো আমাক আলোড়িত কৰে।

ছাৰৰ প্ৰতি মোৰ শ্ৰদ্ধাশীল অনুভৱ ঃ

সৰু কালতেই তেওঁ লগ পাইছিল
এখন নদী আৰু এখন আকাশক
নদীৰ বুকুলৈ কেনেকৈ নামিছিল
আকাশ আৰু আকাশী সপোনবোৰ
আকাশক এৰি থৈ কেনেকৈ গুচি আহিছিল
নীলা বৰষুণ আৰু চঞ্চল মেঘবোৰ
তেওঁ দেখিছিল
নীলা বৰষুণত তিতিছিল আকাশী সপোনবোৰ
লৰালৰিকৈ মেলি ধৰিছিল তেওঁ
আকাশ আৰু মেঘৰ ছাতিবোৰ
নিতিতাকৈ থকা চিনাকি মানুহৰ মুখবোৰ

গুলঞ্চ ফুলৰ দৰে গোন্ধাইছিল
মানুহৰ সুগন্ধি মুখবোৰত নদী আৰু আকাশে
ঢৌ তুলি তুলি নাচিছিল গাইছিল
ঢৌবোৰ লাহে লাহে মাৰ গৈছিল তেওঁৰ বুকুত
কেতিয়াবা গণনা কৰি চায় ঢৌবোৰ
কিজানিবা ক'ৰবাত হেৰাই যায় তাৰে এটা-দুটা
হেলনীয়া আকাশ আৰু ক্লান্ত নদীখনে
কাহানিও এৰি নগ'ল তেওঁক পথৰ মাজত
জাক হেৰুৱাই পক্ষী নিঃসংগ হ'ল
ক্ৰান্তিকালেও টুকিলে অশ্ৰু
তেওঁ নেহেৰুৱালে কিন্তু পথ, পথৰ দিগন্ত
আৰু এদিন নিজেই হৈ পৰিল
আকাশ আৰু নদীৰ
পাহাৰ আৰু ভৈয়ামৰ সম্প্ৰীতিৰ এক নৈসৰ্গিক পথ

(–

তেৰাং দেৱৰ সৃষ্টিৰ মাজত সোমাই থকা জনজাতীয় জীৱনধাৰাৰ উপাদানে মোক কাৰবি জাতিটোক নতুনভাৱে চাবলৈ শিকালে। তেওঁৰ সান্নিধ্য আৰু সৃষ্টিৰ গোন্ধ নোপোৱা হ'লে জীৱনটো অসম্পূৰ্ণ হৈ ৰ'লহেঁতেন।

–)

ভালপোৱা আৰু গভীৰ আস্থাৰে

বীৰেন সিংহ

বহু কাল সপোনত বিচাৰি ফুৰা ঠাইখন আছিলা তুমি
বহুদিনৰ ব্যাকুলতা, বহুদিনৰ ব্যঞ্জনা, বহু দিনৰ মায়া
ডিফু ডিফু মোৰ পিতৃ-পিতামহৰ আৰাধ্যভূমি
ইমান দিনে ক'ত আছিলা তুমি, তোমাক বিচাৰি মই হ'লো অঘৰী
ওখ ওখ গছবোৰৰ ছাঁ গচকি আহি তোমাক চালোঁ
তোমাৰ মৌ মিঠা মাত, তোমাৰ বিনন্দীয়া চৰাইবোৰৰ কাকলি
ডিফু ডিফু মোৰ কল্পনাত আহি থিতাপি লোৱা এবাৰ
ডিফু ডিফু মোৰ কত জনমৰ সপোনৰ লীলাভূমি
ডিফু ডিফু মোৰ হৃদয়ত এতিয়া কেৱল তোমাৰেই জয়গান

কবি বন্ধু সমীৰ তাঁতীৰ কবিতাটোৱে মোক মায়াময় কৰি তোলে, গভীৰ, গহীন কৰি তোলে কাৰ্বি আংলঙৰ ভূমিৰ প্ৰতি। কল্পনাত ভাহি উঠে— সৰু সৰু পাহাৰেৰে থূপখাই থকা প্ৰাকৃতিক সৌন্দৰ্যৰে ঐশ্বৰ্যশালী বিশাল আয়তনৰ কাৰ্বি আংলংখন, কাৰ্বি ডেকা-গাভৰুৰ উৎসৱমুখৰ পৰিৱেশত তিতি থকা ডিফু, তাৰালাংছ' তথা সৰু-বৰ গাঁও আৰু চহৰৰ জনপথবোৰ। যাৰ অযুত আশা আৰু সাহসে এটা নতুন যুগক গতি প্ৰদান কৰাৰ আশা পোষণ কৰিব পাৰি। বহুজনৰ লগত হৃদয়ৰ আদান-প্ৰদান আৰু সান্নিধ্যত গঢ় লৈ উঠিছে জীৱনৰ মহত্তম শব্দ বন্ধুত্ব।

সাম্প্ৰতিক সময়ে কঢ়িয়াই অনা সংঘাতত ক্ষত-বিক্ষত জীৱনতো এনেধৰণৰ অনুভৱে জীৱনক প্ৰদান কৰে আশা আৰু প্ৰেৰণা।

ৰংবং তেৰাঙৰ গ্ৰন্থৰ
শিল্পী বীৰেন সিংহই
অংকন কৰা প্ৰচ্ছদ

বন্ধু! যাৰ অনুভৱে একোখন ঠাইক আৰু সৌন্দৰ্যময়, সুগন্ধিত, আকৰ্ষণীয় কৰি গঢ়ি তোলে। মনোজগতত খোল খায় এখন নতুন দুৱাৰ। আৰু সেই বন্ধু যদি হয় সমাজৰ এক ব্যতিক্ৰমী সৃষ্টিশীল ব্যক্তি! কাৰ্বি আংলং তথা অসমৰ এক চিন্তা নায়ক। সেই উজ্জ্বল নক্ষত্ৰ ৰংবং তেৰাঙৰ বাহিৰে কোন হ'ব পাৰে?

১৯৭৮ চনৰ শেষৰ ফালে কোনো এটা দিনত বন্ধু ছামছিং হাঞ্চেই ৰংবং তেৰাঙৰ লগত পৰিচয় কৰাই দিয়াৰ কথা মনত পৰে। ৰংমিলিৰ হাঁহি উপন্যাসখনে তেতিয়া প্ৰকাশৰ পাতত যাত্ৰা আৰম্ভ কৰিছিল ধাৰাবাহিকভাৱে। কাৰ্বি আংলঙৰ ভূমিত এনে গভীৰ মননশীল সাহিত্যিক এজনক এনেদৰে লগ পাই যাম বুলি ভবা নাছিলো।

'ৰংমিলিৰ হাঁহি'য়ে কাৰ্বি আংলঙৰ মানুহ আৰু প্ৰকৃতি ভাবনাৰ নীৰৱতাক ভাঙি বৈ আহিল সমন্বয়ৰ সেতু হৈ। তেৰাংদেৱে 'ৰংমিলিৰ হাঁহি'ক দক্ষশিল্পীৰ দৰে খোদিত কৰিলে অপূৰ্ব নান্দনিক ভাস্কৰ্যৰ ৰূপত। এনে এক অনুপম সৃষ্টিয়ে বৰলুইতৰ ইপাৰৰ পৰা সিপাৰলৈ বহুজনৰ হৃদয় আত্মাক সমৃদ্ধ কৰাই নহয়, অসমবাসী ৰাইজৰ মনত কাৰ্বি জাতিৰ আত্মপৰিচয়ৰ ভেটিও সুদৃঢ় কৰি গঢ়ি তুলিলে। 'ৰংমিলিৰ হাঁহি'ৰ তেওঁৰ সুদীৰ্ঘ কৰ্মময় জীৱনৰ আশা আৰু সৌন্দৰ্যক নান্দনিক ৰূপেৰে সজাই অসমীয়া সাহিত্যৰ ভঁৰালৰ ভেটি গঢ়িলে কাৰ্বি জনগোষ্ঠীৰ প্ৰথমগৰাকী প্ৰতিষ্ঠিত ঔপন্যাসিক হিচাপে। যি সাহিত্য কৰ্মই কাৰ্বি আংলং তথা অসমলৈ গৌৰব কঢ়িয়াই আনিলে পদ্মশ্ৰী তথা

বিভিন্ন বাঁটা-বাহনেৰে। গৌৰবৰ অধিকাৰী হোৱাৰ বাহিৰে তাক ব্যক্ত কৰাৰ সামৰ্থ্য মোৰ নাই। ভাষা সাহিত্যৰ ওপৰত, সাহিত্যৰ তত্ত্ব আৰু ব্যঞ্জনাৰ ওপৰত কিম্বা এযাৰ কোৱাৰ দুঃসাহস মই নকৰো। ব্যক্তিগতভাৱে মাথোঁ এযাৰ কথা ক'ব পাৰো— ৰংবং তেৰাংদেৱৰ বহু সৃষ্টিৰ মাজত সোমাই থকা জনজাতীয় জীৱনধাৰাৰ উপাদানে মোক ব্যক্তিগতভাৱে কাৰ্বি জাতিটোক নতুনভাৱে চাবলৈ শিকালে। জীৱন কালত ৰংবং তেৰাং ব্যক্তিজনৰ সান্নিধ্য আৰু তেওঁৰ সৃষ্টিৰ সোৱাদ আৰু গোন্ধ নোপোৱা হ'লে জীৱনটো অসম্পূৰ্ণ হৈ ৰ'লহেঁতেন।

এতিয়া প্ৰায়েই গভীৰ নিশাত মোৰ মোবাইলটো বাজি উঠে। সিপাৰৰ পৰা ভাহি আহে এটা মিঠা গভীৰ গহীন মাত— সিংহ...। আৰু তেওঁৰ জীৱনৰ তিতা-মিঠা সকলো অনুভৱৰ অংশীদাৰ হৈ পৰো। মাজে মাজে নিষ্পাপ শিশুৰ দৰে হাঁহিৰে বুৰাই দিয়ে সমাজ জীৱন তথা ব্যক্তি জীৱনৰ বহু পোৱা-নোপোৱাৰ বেদনাক। হতাশাক। নিসংগতাক। প্ৰেমিক ৰংবং তেৰাঙক। দুদৰ্শাগ্ৰস্ত দুৰ্গতজনৰ বিষাদক। মই নিয়ৰ ফালি ওলাই আহো পোহৰৰ পিনে। সকলো পৰিষ্কাৰ আৰু প্ৰস্ফুটিত হৈ উঠে—

এয়া যেন এক সৃষ্টিৰ তাগিদাত ছটফটাই থকা ৰূপান্তৰিত এক ৰংবং তেৰাং। অন্য এক ব্যক্তি। অন্য এক আয়তন। প্ৰখ্যাত ভাস্কৰ্য শিল্পী হেনৰী মুৰে কৈছে— 'জীৱনৰ স্পৰ্শত যি আকাৰ তৈয়াৰী হয় তাৰ সোৱাদ সদায় বেলেগ, অনন্য।

ব্যক্তিগতভাৱে তেৰাংদেৱৰ সৃষ্টিতো এনে এক স্পৰ্শক অনুভৱ কৰো। সমাজৰ মৌলিকতাৰ ওপৰত প্ৰতিষ্ঠিত এক জনমুখী ধাৰা। সেয়ে তাৰ সোৱাদ অলপ বেলেগ, অনন্য।

ব্যক্তি হিচাপে ৰংবং তেৰাঙৰ মাজত এক গভীৰ সৌন্দৰ্যক মই প্ৰত্যক্ষ কৰো। সেয়া হ'ল— শিশুসুলভ নিৰ্মল এটা হাঁহি, যি হাঁহিত উদ্ভাসিত হৈ উঠে পাহাৰৰ সহজ-সৰলতা, নিৰ্মল আকাশ আৰু বতাহ। ধূলি-বালিৰে লিপিত খাই থকা প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা চঞ্চল শৈশৱ।

তেৰাংদেৱৰ সুস্থ শৰীৰ আৰু দীৰ্ঘায়ু কামনা কৰিলো। ভালপোৱা আৰু গভীৰ আস্থাৰে—

ৰংবং তেৰাঙে সাহিত্য সভাৰ হৃত মৰ্যদা ঘূৰাই আনিব বুলি ৰাজ্যখনৰ বিদ্বৎ সমাজে আশা কৰিছে। সভাৰ হৃত মৰ্যদা উদ্ধাৰত তেৰাঙেও ৰাজ্যবাসীৰ সহযোগিতা কামনা কৰিছে।

কাৰ্বি জনজীৱনত তেৰাং

বৰছিং ৰংফাৰ

ৰংবং তেৰাং অসম সাহিত্য সভাৰ সভাপতিৰূপে নিৰ্বাচিত হোৱাৰ খবৰে ৰাজ্যখনৰ সৰ্বসাধাৰণ ৰাইজৰ লগতে বিদ্বৎ সমাজকো উৎফুল্লিত কৰি তুলিছে। বিভিন্নজনে তেওঁক মানৱতাৰ প্ৰতীক, স্বল্পভাষী, বিৰল, বিনয়ী, কথাশিল্পী, কথা সাহিত্যিক, অতিশয় সৰল, প্ৰাজ্ঞ, পাহাৰ-ভৈয়ামৰ ৰূপকাৰ, সহজ জীৱন যাত্ৰাৰে সমৃদ্ধ ব্যক্তিত্ব, কাৰ্বি পাহাৰৰ শব্দৰ খনিকৰ, মাটিৰ মানুহ, সমন্বয়ৰ প্ৰতীক, সৰল, নম্ৰ, কোমল অন্তৰৰ মানুহ, বৰেণ্য ব্যক্তি, কাৰ্বি পাহাৰৰ সন্তান, কাৰবি পাহাৰৰ মহীৰূহ, সু-সাহিত্যিক, বিশিষ্ট সাহিত্যিক আদি বিশেষণেৰে বিভূষিত কৰিছে। সভাপতি হিচাপে নিৰ্বাচিত হোৱাত মুখ্যমন্ত্ৰী তৰুণ গগৈ, ৰাজ্যখনৰ বিশিষ্ট ব্যক্তি, সাহিত্যিক-বুদ্ধিজীৱী বিভিন্ন সংগঠনৰ লগতে কাৰ্বি আংলঙৰ বিভিন্ন সংগঠনেও তেৰাঙক অভিনন্দন তথা সম্বৰ্ধনা জনাইছে। সভাপতি হিচাপে তেৰাং নিৰ্বাচিত হোৱাত ব্যক্তিগতভাৱে মই নিজেও অতিশয় আনন্দ অনুভৱ কৰিছোঁ। কিন্তু লক্ষণীয় কথা এয়ে যে তেৰাঙৰ গৃহ জিলাত থকা কাৰ্বি ছাত্ৰ সন্থা (ইংলেং), কাৰ্বি নিমছ' চিংথুৰ আছং (কাৰ্বি প্ৰগতিশীল মহিলা সন্থা), কাৰ্বি লামমেত আমেই (কাৰ্বি সাহিত্য সভা) আদি তিনি-চাৰিটা সংগঠনৰ বাদে আন কাৰ্বি সংগঠনে তেৰাঙক সম্বৰ্ধনা অথবা অভিনন্দন জনোৱা পৰিলক্ষিত নহ'ল। অৰ্থাৎ তেৰাং সভাপতি হিচাপে নিৰ্বাচিত হ'লেও কাৰ্বি সংগঠনসমূহৰ মাজত বিশেষ উৎসাহ তথা আহ্লাদিত হোৱাৰ উমান পোৱা নগ'ল। ইয়াৰ সঠিক কাৰণ বিচাৰি নাপালো।

এইখিনিতে উল্লেখ্য যে ১৯৮৬ চনৰ পৰা এএছডিচি, কাৰ্বি ছাত্ৰ সন্থা, কেএনচিএৰ

যুটীয়া নেতৃত্বত পাৰ্বত্য জিলা দুখনক সামৰি এখন স্বায়ত্তশাসিত ৰাজ্য গঠনৰ বাবে গণ আন্দোলন কৰি আহিছে। ইয়াৰ পৰৱৰ্তী কালছোৱাত ২০০৩ চনত কাৰবি-কুকি, ২০০৫ চনত কাৰবি-ডিমাছা, কাৰ্বি-খাছি, আদিবাসী-বিহাৰী আদি কেইবাটাও ৰক্তাক্ত গোষ্ঠী সংঘৰ্ষ জিলাখনৰ মাজেদি পাৰ হৈ গ'ল। কিন্তু জিলাখনে সম্মুখীন হোৱা এনে বিভিন্ন সমস্যা আৰু গুৰুত্বপূৰ্ণ ইছ্যু আদিৰ ওপৰত তেৰাঙে স্পষ্ট স্থিতি গ্ৰহণ নকৰি নীৰৱ ভূমিকা পালন কৰা বুলিও একাংশ কাৰ্বি লোকে অলিখিত অভিযোগ উত্থাপন কৰি আহিছে। সম্ভৱতঃ এনেবোৰ কাৰণতেই তেৰাং সভাপতি নিৰ্বাচিত হোৱাৰ খবৰে কাৰ্বিসকলৰ মাজত আনন্দৰ বন্যা বোৱাব পৰা নাই। কিন্তু এই কথা অস্বীকাৰ কৰি লাভ নাই যে তেৰাং কেৱল অসমীয়া সাহিত্যলৈহে বৰঙণি আগবঢ়াইছে এনে নহয় বৰং কাৰ্বি সাহিত্যলৈও প্ৰভূত বৰঙণি আগবঢ়াইছে। কাৰ্বি লামকুৰু (কাৰ্বি ভাষাৰ পৰিচয়মূলক ব্যাকৰণ) ১৯৬৭, মহাত্মা গান্ধী (কাৰ্বি ভাষালৈ অনূদিত পুথি) ১৯৬৭, কাৰবি লামতাছাম (কাৰবি অসমীয়া অভিধান) ১৯৭৪, কাৰ্বি কালাখা আকিতাপ (কাৰ্বি ভাষাত লিখা গণনা পুথি) ১৯৭৪ আদি ৰচনা কৰি তেৰাঙে কাৰবি ভাষা-সাহিত্যৰ বিকাশৰ বাবে যিখিনি কৰিছে সেই কথা কাৰ্বিসকলে পাহৰিলে নচলিব। ১৯৬৬ চনৰ ২৭ মাৰ্চত গঠিত কাৰ্বি লামমতে আমেইৰো তেৰাং প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক। সেয়ে কাৰ্বি ভাষা-সাহিত্যৰ উত্তৰণৰ বাবে যোগোৱা তেখেতৰ অৰিহণা অনস্বীকাৰ্য। কাৰ্বি আংলং তথা কাৰ্বি সমাজজীৱনৰ পটভূমিক লৈয়েই ৰংবং তেৰাঙৰ গীত, উপন্যাসসমূহো ৰচিত হৈছে। এইবোৰেই তেৰাঙৰ জাতীয়তাবাদী চিন্তাধাৰাৰ কথা প্ৰতীয়মান কৰে। এনে ক্ষেত্ৰত তেৰাঙৰ জাতীয়তাবাদী চৰিত্ৰক সন্দেহৰ চকুৰে চোৱা উচিত নহয়। কাৰ্বি মানুহে লিখা-মেলা মানুহক সন্মান যাচিব নাজানে বা নাযাচে। এজন বিশিষ্ট কাৰ্বি লেখকে এই লেখকৰ আগতো ক্ষোভ প্ৰকাশ কৰি কৈছিল যে কাৰ্বিসকলে সাহিত্যিক-লেখকসকলক সন্মান নকৰে আৰু সন্মান দিব নাজানে। সেয়ে দুই-তিনিটা সংগঠনৰ বাদে আন কাৰ্বি সংগঠনে সম্বৰ্ধনা তথা অভিনন্দন নজনোৱাত আচৰিত হ'বলগীয়া একো নাই।

তেৰাঙৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল তেওঁ কাকো সমালোচনা নকৰে আৰু কোনো মন্তব্য দি বিতৰ্কৰ মাজত সোমাব নিবিচাৰে। সেয়ে তেওঁ ৰাজনৈতিক বিষয় তথা স্পৰ্শকাতৰ বিষয়ৰ ওপৰত মন্তব্য দিয়াৰ পৰা সদায় বিৰত থাকে। তেৰাং ৰাজনৈতিক নেতা নহয়। তেওঁ এজন লেখকহে। মৌলিক সৃষ্টিৰাজিৰ সৈতে তেৰাং ব্যস্ত হৈ আছে দীৰ্ঘদিন ধৰি। সেয়ে তেৰাঙে ৰাজনৈতিক ইছ্যুত সবল স্থিতি প্ৰকাশ নকৰাৰ বাবে ক্ষোভ উজাৰি লাভ নাই।

কাৰ্বি আংলঙত বিভিন্ন সময়ত গঢ়ি উঠা আন্দোলনৰ কালছোৱাত অসমীয়া চাইন ব'ৰ্ড ভাঙি দিয়া অথবা মচি দিয়া সন্দৰ্ভতো তেওঁ নৰম স্থিতি গ্ৰহণ কৰিছিল। ভৈয়ামৰ এখন সভাত ভাষণ প্ৰসংগত তেওঁ কৈছিল—মই এনে এখন ঠাইৰ পৰা আহিছো য'ত অসমীয়া শব্দটোকে মচি পেলোৱা হৈছে। কিন্তু আন্দোলনকাৰীসকলক তেওঁ সমালোচনা কৰা নাছিল। কাৰবি আংলঙত সংঘটিত গোষ্ঠী সংঘৰ্ষৰ সময়ছোৱাত বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে ৰাইজৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবে চৰকাৰক তীব্ৰ সমালোচনা কৰিছিল। কিন্তু কাকো সমালোচনা নকৰি হত্যা-হিংসাৰ অৱসান ঘটাই শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈহে তেৰাঙে ৰাইজৰ প্ৰতি আহ্বান জনাইছিল। তেওঁ এঠাইত লিখিছিল এনেদৰে—আমি জানো আমাৰ পাহাৰখন, আমাৰ মানুহখিনি শান্তি-সম্প্ৰীতিৰ মহামন্ত্ৰেৰে উদ্বুদ্ধ। এই কথাও আমি পাহৰা নাই যে এই শক্তিৰ মহামন্ত্ৰেৰেই স্বৰ্গীয়

ছেমছনছিং ইংতি, খৰছিং তেৰাং এইসকল নেতাই এখন সুকীয়া জিলা গঠন কৰি গ'ল।

যি সময়ত অসম সাহিত্য সভা বিস্তীয় কেলেংকাৰীৰ মাজত সাঙোৰ খাই পৰিছিল আৰু নিৰ্বাচনী প্ৰক্ৰিয়াক কেন্দ্ৰ কৰি ব্যাপক অভিযোগ-অনাস্থা, বিতৰ্ক অব্যাহত আছিল তেনে সময়তেই প্ৰধানকৈ চৰ্চিত হৈছিল ৰংবং তেৰাঙৰ নাম আৰু প্ৰত্যাশিতভাবেই বিপুলসংখ্যক ভোটৰ ব্যৱধানত সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিকতেই ৰংবং তেৰাঙে সাহিত্য সভাৰ হৃত মৰ্যাদা ঘূৰাই আনিব বুলি ৰাজ্যখনৰ বিদ্বৎ সমাজে আশা কৰিছে। সভাৰ হৃত মৰ্যাদা উদ্ধাৰত তেৰাঙেও ৰাজ্যবাসীৰ সহযোগিতা কামনা কৰিছে। এই কথা ঠিক যে তেৰাঙে কৰিব বিচাৰিলেও একো কৰিব নোৱাৰিব যদিহে ৰাইজে সহযোগিতা আগনবঢ়ায়। দুবছৰীয়া কাৰ্যকালত ৰংবং তেৰাঙে বহুত কিবা-কিবি কৰিব পাৰিব বুলি আশা কৰাটোও উচিত নহয়। কাৰণ তেৰাঙো এজন সাধাৰণ মানুহহে, ভগবান নহয়। তেৰাঙৰ সৰলতাৰ সুযোগ লৈ এচাম ন্যস্ত স্বাৰ্থজড়িত মহলে তেওঁক বিপদত পেলোৱাৰ আশংকাও নথকা নহয়। সেয়ে ৰাইজ আৰু সাহিত্য সভাৰ সদস্যসকল সদা সতৰ্ক থকা প্ৰয়োজন। ইফালে, বিভিন্নজনে বাৰম্বাৰ সৈমান কৰোৱাৰ পাছতহে অৱশেষত তেওঁ নিৰ্বাচনী প্ৰক্ৰিয়াত জড়িত হ'বলৈ সম্মতি প্ৰকাশ কৰে। যিসকলে তেওঁক এই গুৰুদায়িত্ব অৰ্পণ কৰিলে সেইসকলৰ এতিয়া গুৰু দায়িত্ব হ'ল— তেওঁক দেনামুক্ত কৰি ৰখাৰ লগতে স্থায়ীমূল্যৰ কাম কৰাত হাত উজান দিয়া।

কাৰো অন্যায় চিন্তা কৰিব নোৱাৰা ছাৰৰ ব্যক্তিত্বৰ যি সম্মোহনী শক্তি, সেয়া তেখেতক ওচৰৰ পৰা লগ পোৱা প্ৰতিজন ব্যক্তিয়ে অনুভৱ কৰিব। কাৰ্বি আংলঙৰ হত্যা-হিংসা, ভ্ৰাতৃঘাতী সংঘৰ্ষই গভীৰ মনোকষ্ট দিয়া ছাৰক সেই সময়ত মৌন হৈ বহি থকা দৃশ্যই মোকো বহুবাৰ মক কৰি পেলাইছিল।

অনুভৱৰত ব্যক্তিত্বৰ সুৰভি

সঞ্জু বৰা

'ৰংমিলিৰ হাঁহি' নামটোৱে যিদৰে পাঠক মাত্ৰেই মন টানি নিয়ে, সেইদৰে বাৰে বাৰে আকৰ্ষিত কৰে ৰংবং তেৰাং ছাৰৰ শান্ত-সৌম্য সাৰল্যপূৰ্ণ ব্যক্তিত্বই। তেৰাং ছাৰে ১৯৮২ চনত 'ৰংমিলিৰ হাঁহি'ৰ বাবে অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰিছিল। আমি তেতিয়া হাইস্কুলৰ ছাত্ৰ। বাতৰি কাকতত উপন্যাসখনৰ বিষয়ে আৰু ছাৰৰ বিষয়ে পঢ়াৰ পিছত ছাৰক ওচৰৰ পৰা চাবলৈ বৰ হেঁপাহ হৈছিল। সেই বছৰতে অসম সাহিত্য সভাৰ ডিফু অধিৱেশন হৈছিল। তাতে ওচৰৰ পৰা ছাৰক দেখা পাইছিলো। ছাৰৰ শান্ত-সমাহিত আৰু হাঁহিমুখীয়া ৰূপটোৱে তেতিয়াই আমাক মুগ্ধ কৰিছিল। পিছত ডিফু চৰকাৰী মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক শ্ৰেণীত আমি ছাৰৰ ছাত্ৰ হোৱাৰ সৌভাগ্য অৰ্জন কৰিছিলো। ছাৰৰ ক্লাছটো কৰিবলৈ আমি আগ্ৰহেৰে বৈ থাকোঁ। মধুৰ কণ্ঠস্বৰেৰে ধীৰ-স্থিৰভাৱে পাঠদান কৰা ছাৰৰ প্ৰতি ছাত্ৰ হিচাপে মোৰ আকৰ্ষণ বাঢ়িছিল।

পিছৰ পৰ্যায়ত সাহিত্য সভা আৰু অন্যান্য অনুষ্ঠানৰ লগত জড়িত হৈ পৰাত ছাৰৰ নিকট সান্নিধ্যলৈ আহিবলৈ সুবিধা পাইছিলো। মই 'দৈনিক জনসাধাৰণ' কাকতৰ ষ্টাফ ৰিপৰ্টাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা কালত ছাৰক তেখেতৰ এৰি অহা দিনৰ সোঁৱৰণীসমূহ লিখিবলৈ কৰা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই প্ৰতি সপ্তাহে একোটিকৈ লেখা প্ৰদান কৰিছিল। প্ৰত্যেক সপ্তাহে

ছাৰৰ লেখা আনি কাকতৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰাটো মোৰ কৰ্তব্যৰ ভিতৰত আছিল।

ছাৰক অতি কাষৰ পৰা লগ পাই দেখিছিলো যে তেখেতৰ সাহিত্য, শিল্প, চিন্তা-ভাবনা সকলো সুকুমাৰ কলাৰ সুনিৰ্দিষ্ট লক্ষ্যৰ দ্বাৰা পৰিমাৰ্জিত। অৰ্থৰ সৌৰভ নহয়, সৃষ্টিৰ আনন্দ হৈছে তেখেতৰ লক্ষ্য। ছাৰৰ ঘৰৰ পদূলিত থকা নাহৰকেইজোপা, ফুলনি ডৰাই ছাৰৰ ঘৰটোৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। ছাৰৰ ঘৰত কেইবাটাও কুকুৰ আছে, কিন্তু সিহঁত অস্বাভাৱিক ধৰণে শান্ত। ছাৰৰ শান্ত-সৌম্য ব্যক্তিত্বৰ ছাপ যেন ঘৰৰ সকলো সামগ্ৰীতে পৰিছে। অকলশৰে ঘৰৰ ভিতৰত সৃষ্টি কৰ্মত মগ্ন হৈ থকা ছাৰক মাজে মাজে গৈ আমনি কৰোঁ। শাৰীৰিক অসুস্থতাকো ছাৰে ভগৱানৰ দান বুলি গ্ৰহণ কৰে। আপদীয়া ভৰিৰ বিষটোৰ বিষয়ে ছাৰে হাঁহি হাঁহি কয়— 'ভগৱানে এইটো ভালৰ বাবেই দিছে কিজানি'।

সৰলতা ছাৰৰ ব্যক্তিত্বৰ ভূষণ। এই সৰলতাৰ মাজতে লুকাই আছে ছাৰৰ সৌন্দৰ্য। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ছাৰৰ অসংখ্য গুণমুগ্ধ আছে। বিভিন্ন কাকত-আলোচনী, স্মৃতিগ্ৰন্থ, সংগঠনৰ মুখপত্ৰৰ বাবে ছাৰৰ লেখা, শুভেচ্ছা-বাণী বিচাৰি অনেক লোক তেখেতৰ ওচৰলৈ আহে। তেখেতে কাকো বিমুখ কৰিব নোৱাৰে। কাৰো প্ৰতি কঠোৰ ভাষা প্ৰয়োগ কৰিব নোৱাৰা ছাৰে সেয়েহে সকলোকে কিবা এটা লেখা দি সন্তুষ্ট কৰে। ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হোৱা ডিফু গ্ৰন্থমেলাৰ সামৰণী অনুষ্ঠানৰ মুখ্য অতিথি আছিল অসমৰ বৰেণ্য সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞি। তেতিয়াই লেখক তথা ৰাজনৈতিক নেতা বিদ্যাছিং ৰংপিৰ বাসভৱনলৈ হোমেন বৰগোহাঞি, ৰংবং তেৰাং, বিদৰছিং ক্ৰ, অৰুণ টেৰণকে প্ৰমুখ্য কৰি ভালেকেইজন স্বনামধন্য ব্যক্তিক দুপৰীয়া আহাৰৰ বাবে নিমন্ত্ৰণ জনাইছিল। দেশ-বিদেশৰ সাহিত্য-সংস্কৃতি, ৰাজনীতি আদিৰ আলোচনা চলি থকাৰ মাজতে ৰংবং তেৰাং ছাৰৰ শেহতীয়া উপন্যাস আৰু অন্যান্য লেখাৰ বিষয়ে খবৰ লৈ বৰগোহাঞি ছাৰে কৈছিল—"আপুনি প্ৰয়োজনতকৈ বেছি কোমল। সেয়ে লেখা বিচাৰি আহিলে কাকো বিমুখ কৰিব নোৱাৰে। কিন্তু কিছু কঠোৰ হোৱাৰ প্ৰয়োজন আছে। কাৰণ এতিয়া যদি আপুনি স্মৃতিগ্ৰন্থ, মুখপত্ৰ আদিৰ বাবে লিখি সময় খৰচ কৰে, সৃষ্টিকৰ্ম বাধাগ্ৰস্ত হ'ব। বয়স আৰু সময়ৰ দিশলৈ চাই অলপ কঠোৰ হওক।' ক্ষন্তেক পিছতে বৰগোহাঞি ছাৰে আকৌ ক'লে— 'কিন্তু মই জানো, আপুনি কাকো বিমুখ কৰিব নোৱাৰে।' এয়াই হ'ল পদ্মশ্ৰী, মাধৱদেৱ বঁটা, অসম উপত্যকা সাহিত্য বঁটা প্ৰাপক ৰংবং তেৰাং ছাৰৰ সৰলতা আৰু উদাৰতা। কিন্তু স্বল্পভাষী, প্ৰচাৰবিমুখ ছাৰৰ এই উদাৰতাৰ সুযোগ লোৱাৰ চেষ্টা কৰা মানুহো নথকা নহয়।

ডিফুৰ ঘৰটোত অকলশৰে থাকি মাজে মাজে যেন ছাৰ হতাশ হৈ পৰে। পিছে সৃষ্টিশীলতাৰ মাজত নিজক বিলীন কৰি দিয়া ছাৰৰ সংগী হ'ল কাগজ আৰু কলম। কাৰো অন্যায় চিন্তা কৰিব নোৱাৰা ছাৰৰ ব্যক্তিত্বৰ যি সন্মোহনী শক্তি, সেয়া তেখেতক ওচৰৰ পৰা লগ পোৱা প্ৰতিজন ব্যক্তিয়ে অনুভৱ কৰিব। কাৰ্বি আংলঙৰ হত্যা-হিংসা, ভ্ৰাতৃঘাতী সংঘৰ্ষই গভীৰ মনোকষ্ট দিয়া ছাৰক সেই সময়ত মৌন হৈ বহি থকা দৃশ্যই মোকো বহুবাৰ মূক কৰি পেলাইছিল। এইগৰাকী বিৰল ব্যক্তিত্বৰ সাহিত্যিক, আমাৰ শিক্ষাগুৰুৰ ওচৰলৈ মন গ'লেই মই দৌৰি যাওঁ যিকোনো বিষয় আলোচনা কৰিবলৈ। বিমুখ কৰাৰ পৰিবৰ্তে ছাৰে সদায় সদুপদেশেৰে মোক চহকী কৰিছে। ছাৰৰ এই সান্নিধ্য আৰু ব্যক্তিত্বৰ সুৰভিৰে মই আজীৱন সুবাসিত হৈ ৰ'ম।

(

বৈচিত্ৰ্যৰ মাজতো ঐক্য আৰু সমন্বয় গঢ়ি তুলিবলৈ সক্ষম ৰংবং তেৰাং কাৰ্বি পাহাৰৰ সেউজীয়াৰ পৰশত উজ্জীৱিত এজন মাটিৰ মানুহ। 'ৰংমিলিৰ হাঁহি'ৰে অসমৰ সৰ্বস্তৰৰ মানুহৰ হৃদয় জয় কৰা এইজন বৰ অসমীয়া সাহিত্য সভাৰ সভাপতি পদত আসীন হোৱাটো আমাৰ জাতীয় জীৱনৰ বাবেই এক শুভ বাৰ্তা।

)

এগৰাকী বৰ অসমীয়া

জিষ্ণু মেধি

বিশেষকৈ ১৯৭৯ চনত আৰম্ভ হোৱা বিদেশী বহিস্কাৰ আন্দোলনৰ সময়ৰে পৰা অসমত গোষ্ঠীগত বিবাদসমূহে গা কৰি উঠে। তেতিয়াৰ সেই 'অসম আন্দোলন'ৰ নেতৃত্ব এচাম বৰ্ণ অসমীয়াৰ হাতত থকাৰ কথাটো যথেষ্ট নেতিবাচক ৰূপত প্ৰচাৰ কৰিয়েই তেনে বিবাদ-বিদ্বেষবোৰক সাৰ-পানী যোগাই সেইবিলাকৰ বৃহৎ ৰূপ দিয়াৰ চেষ্টা কৰা হৈছিল। নক'লেও হব যে উক্ত সমস্ত অপকৰ্মৰ নেতৃত্ব দিছিল ইংৰাজৰ হাতৰ পৰা দেশক স্বাধীন কৰা তথা শতবৰ্ষ পূৰ্ণ কৰা সৰ্বভাৰতীয় ৰাজনৈতিক দলটোৱে। সেই দলটোৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা নানা গোষ্ঠী-সম্প্ৰদায় ভিত্তিক দল-সংগঠনে আজিও তেনে অপচেষ্টা প্ৰচাৰ অব্যাহত ৰাখিছে। দলটোৱে নিজেও উক্ত প্ৰতিক্ৰিয়াশীল কৰ্ম-কাণ্ডত যতি পৰিবলৈ দিয়া নাই।

পিচে একাংশ প্ৰভূত্ববাদত বিশ্বাসী বৰ্ণ অসমীয়া লোক আমাৰ মাজত থকা সত্ত্বেও অদ্যাপি সংকীৰ্ণ জাত্যাভিমানৰ পৰা মুক্ত অসমীয়া জাতি। সেয়ে আমি গৌৰৱবোধ কৰো গোষ্ঠী-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে বৃহত্তৰ অসমীয়া জাতি বুলি। আমি এই কথাও জানো গোষ্ঠী-সম্প্ৰদায় ভিত্তিক দল-সংগঠনবোৰৰ সুযোগ সন্ধানী, স্বগোষ্ঠীক উচতাই জোল খোৱা 'নেতা'সকলৰ কথাই অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত শেষ কথা নহয়। আমাৰ জাতি গঠন প্ৰক্ৰিয়াত এক উদাৰ চেতনা অহৰহ সক্ৰিয়

হৈ থকা বাবেই অসমৰ একোটা জাতীয় অনুষ্ঠান ৰূপে অভিহিত কোনোটো অনুষ্ঠানৰ নামতেই নাই মাথোন 'অসমীয়া' শব্দটো। সেই সমূহৰ ভিতৰত সাহিত্য সভা, ছাত্র-সন্থা, জাতীয়তাবাদী যুৱ ছাত্র পৰিষদ, শংকৰদেৱ সংঘ, সত্র মহাসভা, লেখিকা সমাৰোহ আদি। অধিক দীঘলীয়া হ'ব পৰা এই তালিকাখনৰ প্রতিটো অনুষ্ঠান-সংগঠনৰে নামত আছে কেৱল 'অসম' শব্দটো। অর্থাৎ সকলো গোষ্ঠী সম্প্রদায়ৰ লোকৰ বাবেই এই অনুষ্ঠান-সংগঠনবোৰত দুৱাৰ মুকলি আছে। এনেদৰে 'অসমীয়া'ৰ সলনি 'অসম' শব্দৰ ব্যৱহাৰ নিশ্চিত ভাবেই তাৎপর্যপূর্ণ।

ঠিক এনে এক পটভূমিৰ পৰাহে অসম সাহিত্য সভাৰ বিচাৰ কৰি চোৱাৰ পক্ষপাতী আমি। সময়ে সময়ে কোনো বর্ণ অসমীয়া 'সাহিত্য নেতা'ৰ হাতত পৰি অসম সাহিত্য সভা সমালোচকৰ দ্বাৰা ধিকৃত হ'লেও অসমৰ জাতীয় জীৱনক নেতৃত্ব দিব পৰা গুণ এতিয়াও অনুষ্ঠানটোৱে সাঁচি ৰাখিব পাৰিছে বুলিয়েই আমি বিশ্বাস কৰো। আৰু আমাৰ সেই বিশ্বাসক ভাগি যাব নোৱাৰা দৃঢ়তা প্রদান কৰিছে সাহিত্য সভাৰ নৱ নির্বাচিত সভাপতিগৰাকীয়ে। বিভিন্ন সময়ত নানা কাৰচাজিৰে সাহিত্য চর্চাৰ নামত কলংক স্বৰূপ কিছুমান ব্যক্তি সাহিত্য সভাৰ মঞ্চত প্রৱেশ কৰি অনুষ্ঠানটোৰ গৰিমা ম্লান কৰাটো নিশ্চিত ভাবেই সঁচা। কিন্তু সেইখন সাহিত্য সভাই আজি ৰংবং তেৰাঙক. সভাপতিৰূপে বৰণ কৰি লোৱাটোও একেদৰেই সত্য। উদাৰ চেতনাৰে সমৃদ্ধ প্ৰতিজন অসমবাসীয়েই আদৰি লৈছে সেই সূর্যসম সত্য। সাহিত্য সভাৰ চোতালত এতিয়াৰ পৰা কোনোধৰণৰ উজনি-নামনি, পাহাৰ-ভৈয়াম তথা জাতি-ধর্ম-বর্ণৰ ভেদাভেদ নাথাকিব। বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ ৰংবং তেৰাঙৰ নেতৃত্বৰ প্ৰতি আমি ঠিক এনেদৰেই ৰাখিব বিচাৰো গভীৰ আস্থা। আমি বিচাৰো মাথোন অসমীয়া সাহিত্যৰেই নহয়, অসমৰ অন্যান্য জনগোষ্ঠীয় ভাষা সাহিত্যৰো বিকাশৰ দায়িত্ব পালন কৰক অসম সাহিত্য সভাই। আৰু সেই শুভকার্যৰ সূচনা হওঁক ৰংবং তেৰাঙৰ নেতৃত্বতেই।

অসমৰ সুধী সমাজে জানে যিকোনো ধৰণৰ অহংকাৰৰ উর্ধত অৱস্থান কৰি অহা এইজন সৰল প্ৰাণৰ ৰংবং তেৰাং বৃহত্তৰ অসমীয়া জাতি গঠনৰো এজন অন্যতম হোতা। নানা ধৰণৰ স্থূল ৰাজনীতিয়ে অসমবাসীক গোষ্ঠী-সম্প্রদায়ৰ ভিত্তিত ভাগ ভাগ কৰি ৰাখিব বিচৰাৰ সময়ত আমাৰ জাতীয় জীৱনত এক গুৰুত্বপূর্ণ ভূমিকাত অৱতীর্ণ হ'বলৈ লোৱা ব্যক্তিৰ ৰূপত কলুষতাহীন ৰংবং তেৰাং দেৱক দেখা পাই আমি পৰম আনন্দিত। এই আনন্দৰ উত্তাপ আমাৰ উত্তৰ পুৰুষেও লাভ কৰক। সেই কামনা ইতিমধ্যে আমাৰ ভিতৰত জাগিছে।

আমি এই কথা দৃঢ়তাৰে বিশ্বাস কৰো যে সাহিত্য সভাই কেতিয়াও সাহিত্য আৰু সাহিত্যিকৰ সৃষ্টি কৰিব নোৱাৰে। কিন্তু এই সাহিত্য সভাৰ কোনো উপযোগিতা নাই— সেই কথাও আমি সমান দৃঢ়তাৰে নাকচ কৰো। যিকোনো সাহিত্য কর্মৰে মূল আধাৰ মানুহ। পৃথিৱীখনৰ বিনন্দীয়া প্ৰকৃতিৰ কোলাত লালিত-পালিত মানুহ। সেয়ে অৱধাৰিতভাৱেই সাহিত্যৰ অন্যতম আধাৰ পৃথিৱী-প্ৰকৃতিও। আকৌ মানুহ মানেই একোটা বিচ্ছিন্ন দ্বীপ নহয়। সমাজ পাতিহে মানুহৰ বাস। সাহিত্য সভাও এখন মানুহৰ সমাজ। সেই সমাজত ইজনে সিজনক লগ পায়, ভাবৰ আদান-প্ৰদান কৰে — চিনাকিবোৰ অধিক দৃঢ় হয়। সাহিত্য চৰ্চা কৰা সকলৰ বাবে সেই চিনাকি, ভাবৰ আদান-প্ৰদানে তৈয়াৰ কৰি দিব পাৰে নতুন কোনো সৃষ্টিৰ পৰিৱেশ। সাহিত্য সভাই সাহিত্য-সাহিত্যিক সৃষ্টি কৰিব নোৱাৰে, কিন্তু কাৰোবাৰ সাহিত্য প্ৰতিভাৰ বিকাশত সহায়ক হ'ব পাৰে। কিন্তু সাহিত্যক সন্মুখত লৈ জাতি-জনগোষ্ঠী নির্বিশেষে সকলো শ্ৰেণীৰ লোক একগোট হোৱাৰ যি সুবিধা সাহিত্য সভাই দি আহিছে

সেইটো নিশ্চিত ভাৱেই যিকোনো বিতৰ্কৰ উৰ্ধত। এইটো দিশৰ পৰা সাহিত্য সভাৰ নেতৃত্ব ৰংবং তেৰাঙৰ হাতত পৰাটো সকলোৰে বাবে আশাব্যঞ্জক। বিগত বছৰবোৰত নানা বিতৰ্কত পতিত হোৱাৰ অচিলাতে সাহিত্য সভাৰ মঞ্চত থিয় হ'বলৈ চৰম অনীহা প্ৰকাশ কৰা একাংশ অতিশয় আত্ম পৰিচয় সচেতন সাহিত্যিকৰ বিপৰীতে সাহিত্য সভাৰ মজিয়াত খোজ থবলৈ কোনো ধৰণৰ শুচিবায়ুগ্ৰস্ততাৰ আশ্ৰয় নোলোৱা ৰংবং তেৰাঙক আমি সশ্ৰদ্ধ নমস্কাৰ জনাইছো। প্ৰকৃততে সততাৰে পূৰ্ণ ৰংবং তেৰাঙৰ দৰে ব্যক্তি এজনৰ অভাৱ আমি দীৰ্ঘ দিনে অনুভৱ কৰি আহিছিলো — সাহিত্য সভাৰ মঞ্চখনক যিজনে সকলো বৰ্ণ-গোষ্ঠীৰ আৱেগ-সমন্বয়ৰ মঞ্চলৈ ৰূপান্তৰ কৰিব পাৰিব। যথেষ্ট ত্ৰুটি-বিচ্যুতি সত্বেও অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অসম সাহিত্য সভাৰ ভূমিকা অনস্বীকাৰ্য। সেয়ে উট চৰাইৰ দৰে বালিত মুখ নুগুজি বিতৰ্কহীন ৰূপত সাহিত্য সভা শক্তিশালী হোৱাটোৱেই আমাৰ কাম্য। সাহিত্য সভা সবল হ'লে জাতি হিচাপেও আমি সবল নিশ্চয় হ'ম। স্বাভাৱিকতে ৰংবং তেৰাঙৰ দৰে সৎ ব্যক্তি এজন সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱাটোৱে আমাৰ সেই আশাৰ ভিত্তি শক্তিশালী কৰিছে। বৈছিত্ৰ্যৰ মাজতো ঐক্য আৰু সমন্বয় গঢ়ি তুলিবলৈ সক্ষম ৰংবং তেৰাং কাৰ্বি পাহাৰৰ সেউজীয়াৰ পৰশত উজ্জীৱিত এজন মাটিৰ মানুহ। 'ৰংমিলিৰ হাঁহি'ৰে অসমৰ সৰ্বস্তৰৰ মানুহৰ হৃদয় জয় কৰা এইজন বৰ অসমীয়া সাহিত্য সভাৰ সভাপতিৰ পদত আসীন হোৱাটো আমাৰ জাতীয় জীৱনৰ বাবেই এক শুভ বাৰ্তা।

“He can touch the sentiments of the common people with great sensitivity and deal with the day-to-day happenings in our society with equal success.”

The Architect of Modern Literature in Karbi Anglong

Dhaneswar Engti

“Timirasanna ei Karbi Anglongot,
Pohor bilao ami puhor bilao
Jugjugoloi ogyana raikhohik
Gyan pradipere bikash korao”

–Prof. Rong Bong Terang

I do not know how to begin with in scripting a panegyric on someone who has been not only a successful writer but also a good human being. His quest for knowledge merges seamlessly into his love and affection for the ordinary masses. The creative writings of Sri Rong Bong Terang are highly impulsive and spontaneous. He can touch the sentiments of the common people with great sensitivity and deal with the day-to-day happenings in our society with equal success. The characters of his novels are the village folk and they are the faithful subjects of the Karbi traditional kings, like Ronghang Lindok, Chinthong Lindok, Amri Lindok including Hima Asar, who are the Karbi traditional heads, the fountain heads of great Karbi customs and traditions, Habes and Pinpos were the real administrators of the Karbi Kingdom in the olden days. So, his love for the age old traditions of the Karbi people, its blue hills, the greenery of the Karbi hills, the rivers, the streams, the plants and trees, the innumerable birds, the wild animals, the stunning butterflies, the pastoral nature of village folk, these have

all gone into the writings of Rongbong Terang, making them so very delightful and alluring to the readers. Rongbong Terang possibly has deeply fallen in love with these natural bits and pieces of Karbi Anglong unknowingly since his childhood.

This great literary genius of Karbi Anglong was born on 13th January 1937 according to his parents, while according to his school certificate the date of birth was 31st December 1944. His father's name was Rup Sing Terang and his mother's name was Ba-ik Ronghangpi of Langbung Dingpi village, an unfamiliar vicinity of the then Mikir Hills of Assam. He started his primary education at Purona Kaki Lalung village in the Nagaon district for the first two years and after that he got admitted in Longka Local Board Primary School in the Nagaon district of Assam. His high school education started in the year 1957 at Longka High School and he completed his college education in between 1958 and 1962 in the Nagaon district of Assam.

He married one pious and intellectual lady, late Kanam Hansepi, and brought up with her two brilliant sons and two fine looking daughters. Prof. Terang started his service life as a school teacher at Longka High School, Kaki High School and Diphu Girls' High School. He ultimately found his appropriate place of working at Diphu Govt. College as a lecturer, in his native land of blue hills with unpretentious resonances of the Karbi Langpi River. He adorned the post of the Principal of Diphu Govt. College and retired as its Principal on 30th November 2002 without blemishes during his entire service life. He proved himself to be one of the most able and proficient administrators of Diphu Govt. College.

In the year 1982, this great literary magnate of Assamese literature was awarded the most prestigious 'Bishnu Rabha Award, 1982' by the Assam Sahitya Sabha in recognition of his relentless efforts for the development of Karbi and Assamese literature. He was awarded 'Prakashan Parishad Award, 1983', by the Assam Prakashan Parishad of Assam. In the year 2008 Sri Rong Bong Terang was honored with the prestigious 'Mahapurush Shri Shri Madhava Deva Award, 2008' and 'Jalan Suwani Award, 2008' by Marawari Sangha in recognition of his resourceful and innovative writings in the Karbi and Assamese languages.

So far Padmashri Rong Bong Terang has authored a good number of novels, short stories and some invaluable books on the Karbi language and literature. Some of the famed novels and most celebrated short stories may be mentioned as follows : (1) Rongmilir Hanhi, 1981, (2) Kranti Kalor Ashru, 2005, (3) Jak Herowa Pokhi, 2005, (4) Neela Orchid, 2001 etc. His other valuable published books are– Karbi Lamkuru, Mahatma Gandhi, Karbi Lamtasam, Karbi Kalakha Akitap, Karbi Sadhu, Karbi Asomiya Path, Karbi Sahitya- Sankritit Ebhumuki, Samonnoyor Probah, Bon Phoringor Geet, Shri Modbhagvot Geeta, Smritir Papori, Dola Alun etc. His other remarkable novels published in the pages of Assamese journals are– Diphu Hol Tomare Nam, Tikik Jurir Sakhina, Jumtolir

Porosh, Kecha Matir Porosh, Aporhnar Geet, Aronyar Prem etc. There are many unedited short stories which are waiting for publication very soon; they are namely– Bokulor diary, Dhuniya Khamor Sithikhon (Rongghor), Sei Pholokkhon, Bishphoron etc.

This great son of Karbi Anglong is a true lover of peace and prosperity. As he loves the sunrise in the eastern horizon of Karbi Anglong, that brings him hopes and aspirations, so also he loves the sunset in the evening, with the dissipated beauty of the Korkanthi and Kopili rivers, the symbol of assimilation of rich hills and plain cultures into the open heart of the great Brahmaputra River of Assam. Rongbong Terang, the creator of Rongmilir Hahi, is the living legend of ethnic culture and literature of modern Karbi Anglong and Assam. He has written many books on varied subjects and will go on to write till his pen stops to write. May the Almighty grant him a very long, happy literary life.

He was Rong Bong Terang, he is Rong Bong Terang and he will remain Rong Bong Terang of Karbi Anglong and Assam forever and he will be remembered always as a novelist, as a poet, as a short story writer, as lyricist and a good singer. Above all, he will be remembered as the author of 'Rongmilir Hahi', a terrific and most outstanding novel of its kind. It is a true and lively depiction the Karbi's socio-political and cultural life. Living in the hills, he has a simple and lethargic life style and it has been beautifully reflected in his novels and short stories. He is not only a mere teacher of an educational institution, but a philosopher and guide for the younger generation, who are sincerely devoted to the art of writing.

And he writes– "This Karbi Anglong is in darkness, let us stretch out our hands and spread light in it, the ignorant souls be touched with the light of knowledge. With the help of Karbi, Kachari, Dimasa, Rengma, let us glorify the zenith of Asomi– Ai. I'm a hill man with love and care; let us built a strong Asomiya nation. With the help of our dream, flute and pipe, let us develop these great traditions of ours. Like the shapes of 'jir-ik', 'seleng' and 'poho', let beautiful dreams be distributed in this world. Because there is kindness and generosity in our outlook, there is greatness in our creations. In this sea green world our minds are olive green. Let us dole out light in Karbi Anglong!"

This picture of mutual love and respect is beautifully portrayed in his famous novel 'Rongmilir Hanhi'. He conceived the plot of this novel when he was lying on his sickbed for six months.

The Luminary of Karbi Literature

Deepali Amphechetia

Situated in the remote north-eastern part of India and nestled amidst rich tropical forests, virgin valleys and winding roads, Karbi Anglong is God's own land. Blessed with rich flora and fauna this land is home to many legendary figures who have laid down their lives at the altar of their motherland. The rich cultural tradition of the people of this land is a symbol of peace and harmony. The numerous rivers and streams of this hill district that flow to the plains take their shelter in the heart of the mighty Brahmaputra. In this beautiful land of hills and rivers is a village called Langbuñgdingpi in Bokolia, where a great literary genius, Padmashree Rong Bong Terang was born on December 31, 1944. This great literary genius took up teaching as a profession with great dedication and passion. He occupies a special place in the hearts and minds of the people. A cultural icon, he towers over the literary world of Karbi Anglong like a Colossus. He was honoured with the prestigious Padmashree Award in 1989, the only Karbi to be conferred with this title. A silent crusader, writing for him is worship and he puts his heart and soul into it with uncompromising zeal.

Prof. Terang started his school life in Kaki in the Nagaon district amidst very adverse ciscumstances. He scribbled his first alphabets on banana leaves as during those days banana leaves were used for writing purposes. Due to financial

hardship a time came in his life when he could not pay his fee for his M.E. school exam. Khorsing Terang, the then Chief Executive Member of KAAC, helped him during this moment of crisis which enabled him to tide over this difficult period and give a shape to his destiny, No obstacle however big could prevent this passionate man from marching forward, no task was too daunting for him and he completed his B.A. in Assamese with Honours from Nagaon College and did his Post Graduation from Gauhati University. He started earning his livelihood by teaching at Lanka L.P. School after passing his matriculation and then went on to teach at Lanka High School. He also worked on part time basis at Diphu Girls' High School and later joined the Assamese department of Diphu Govt. College in 1966 as Lecturer. He became the Principal-in-charge of the college in the year 2000 and worked for the uplift of the college till his retirement in 2002.

As a student in school Prof. Rong Bong Terang read the book 'Mor Satya Anwesanar Kahini' (My Experiments With Truth) by Mahatma Gandhi, the translated version of which was made available by Omio Kumar Das. This book touched his heart so deeply that he translated a biography called 'Mahatma Gandhi' during his student years into Karbi. This book brought him recognition as a writer. Since then he has never looked back and has continued to publish numerous valuable books. In his writing he takes pains to portray the simple annals of the poor, the village life of the Karbi community, their daily struggle for subsistence, their hopes and aspirations. Prof. Terang writes mostly in Assamese which has proved to be a boon for Assamese literature and has led to its enrichment. Through his writings, he has brought together both the peoples of the hills and the plains in a close bond of friendship and mutual understanding. This picture of mutual love and respect is beautifully portrayed in his famous novel 'Rongmilir Hanhi'. This book won him laurels from Axom Xahitya Xabha, the apex literary body of Asom, in the form of the Bishnu Rabha Award in the year 1982. He was also conferred with the 'Prakashan Parishad Bota' from the Axom Prakashan Parishad in the year 1983. He conceived the plot of this novel when he was lying on his sickbed for six months. In his own words quoted from the book he says : "In my efforts to portray the daily struggles of the Karbi people, I realized an inner harmony and a sense of unity underlying the relation between the people of Asom and its land." Prof. Rongbong's other notable works include 'Jak Herowa Pokhi', 'Krantikalor Asru', 'Neela Orchid' etc. 'Jak Herowa Pokhi' was written in the year 2003 against the backdrop of the life of the Karbi people living in Khanbamon of Singhason hill and Dillai. This novel is based on the recent Karbi-Kuki clash which claimed many innocent lives and rendered thousands homeless. Prof. Rong Bong has here touched on many different aspects of human nature and his comprehensive knowledge of the workings of the human heart, his incisive analysis and his deep reflection set this novel apart and it occupies a special place in my heart. These two famous novels, 'Rongmilir Hanhi', 'Jak Herowa Pokhi' have been adapted for screenplay purposes and have

been made in to T.V. serials by Delhi and Guwahati Doordarshan. The scripts have been prepared by another luminary from Karbi Anglong, Basanta Das, a renowned writer and screenplay writer. 'Rongmilir Hanhi' has already been telecast but the other is yet to see the light of day. Some of his other well known novels are 'Bon Phoringor Geet', 'Langcholietor Kakrung'. Prof. Rong Bong has also translated the principal Hindu text the 'ModBhagavat Geeta' into Karbi, thus making a great contribution to Karbi literature. An earnest desire to serve one's own community and enrich its language and literature led Prof. Rong Bong to work in collaboration with Sar Longkam Teron, another pioneer of Karbi literature, to publish the first Karbi Grammar called 'Karbi Lamkuru'. His other notable contributions towards Karbi literature are 'Karbi Lamtasam', 'Karbi Kalakha', 'Karbi Sadhu', 'Karbi Asomiya Path', which have proved to be invaluable contributions to Karbi society as well as Assam as a whole.

Prof. Rong Bong Terang was also associated with Axom Xahitya Xabha. In 1968 when Maheswar Neog was the president, he became an executive member of Axom Xahitya Xabha. After that, during the tenure of Homen Borgohain as president, Prof. Rong Bong served as the vice-president of the body during the Dibrugarh session. On formation of the Karbi Lamnet Amei (Karbi Xahitya Xabha) on March 26, 1966, he served as the general secretary, a post he adorned till 1983. A voracious reader, Prof. Rong Bong likes to read books of Dr. Bani Kanta Kakoti and Hem Baruah. He also likes to read novels of Ernest Hemingway, Russian writers and books of Bengali writers. His personality can be summed up by quoting these words from his child character 'Hemai' (former 'Rongmilir Hanhi'):

"I don't want sweets"

"Then, what do you want?"

"I would like to have a fountain pen."

This innocent expression of the child adequately sums up the personality of its creator, a simple man of simple habits, a man who prefers a fountain pen to sweets, knowledge to material comforts, a man with an undying zeal and dogged determination to serve posterity through his writings, to educate the downtrodden and illiterate Karbi people and to enrich their culture and literature.

I had the rare privilege to meet this distinguished gentleman on many occasions and his profound personality, comprehensive knowledge of Karbi literature and intellectual agility have never failed to impress me. I salute this great intellectual and hope that many more great books will continue to flow from his pen. He is a man who has made this world a better place to live in simply by being alive.

সৃষ্টি আৰু দৃষ্টি

সমগ্ৰ উপন্যাসখনিত কাৰ্বি-জীৱনৰ এটি পূৰ্ণাংগ, নিটোল ৰূপৰেখা জীৱন্ত আৰু সতেজ হৈ ফুটি উঠাৰ লগতে প্ৰকাশিত হৈছে কাৰ্বি আংলংৰ গতিশীল সোঁতৰ এটি অৰ্থবহ ইংগিত, নতুন ভৱিষ্যতৰ উজ্জ্বলময় সম্ভাৱনাৰ বুকুলৈ আগবাঢ়ি যোৱাৰ লক্ষ্য। ৰংবং তেৰাঙে সেই লক্ষ্যক ফুটাই তোলাত ঔপন্যাসিক হিচাপে নিজৰ কৃতিত্ব আৰু দক্ষতা প্ৰতিষ্ঠা কৰিছে।

ৰংমিলিৰ হাঁহি
সমাজৰ বাবে হৃদয় উছৰ্গাৰ কাহিনী

ড° নগেন শইকীয়া

প্ৰাক-স্বাধীনতা কালতে কাৰ্বি পাহাৰৰ নিজৰ বৃত্তৰ পৰিধিৰ মাজত 'আপোনাতে আপুনি বিকশি' থকা জনজীৱনৰ অৰ্থনৈতিক আৰু সামাজিক জীৱনত দুৰাৰোগ্য ব্যাধিৰ বীজাণু সংক্ৰমিত হ'ল— কানি আৰু বিদেশী লোকৰ অনুপ্ৰৱেশৰ লগে লগে। আনহাতে বহিৰ্বিশ্বৰ পৰা বিচ্ছিন্নপ্ৰায় কাৰ্বি জীৱনলৈ নতুন ধৰ্মীয় প্ৰমূল্য আৰু শিক্ষাৰ পোহৰ লৈ ঊনবিংশ শতিকাৰ শেষ দশকতে সোমাই আহিছিল খ্ৰীষ্টান মিছনেৰিসকল। বিংশ শতিকাৰ চতুৰ্থ দশকলৈকে এইছোৱা সময়ত তেওঁলোকে কাৰ্বি পাহাৰত খোপনি পুতিলেও কাৰ্বি জনজীৱনক তেতিয়ালৈকে সামগ্ৰিকভাৱে আকৃষ্ট কৰিব পৰা নাছিল। তথাপি নতুন সামাজিক ৰূপৰ আৱৰণি ঘটোৱাৰ উপক্ৰম কৰিছিল। এহাতে পৰম্পৰাগত পুৰণি মূল্যবোধ, আনহাতে নতুন ধৰ্মীয় শৈক্ষিক, আৰ্থ-সামাজিক আৰু নৈতিক মূল্যবোধ আৰু তাৰ মাজতে সোমোৱা কানি আৰু দুৰ্নীতি — এই তিনিকোণীয়া দ্বন্দ্বৰ মাজত নতুনক [illegible] খোজা কাৰ্বি জীৱনৰ নতুন ভৱিষ্যতৰ সম্ভাৱনাৰ প্ৰতি অবিমিশ্ৰ আনৰণি এয়ে হ'ল [illegible] তেৰাঙৰ প্ৰথম সাৰ্থক উপন্যাস 'ৰংমিলিৰ হাঁহি'ৰ মাই উপজীৱ্য। সামাজিক আৰু সামূহিক প্ৰয়োজনৰ ওচৰত ব্যক্তিগত প্ৰয়োজনক সমৰ্পণ কৰি এখন আদৰ্শবান কাৰ্বি সমাজ গঢ়ি তোলাৰ আকাংক্ষাই হ'ল উপন্যাসখনৰ শেষ পৰ্যন্ত প্ৰকাশিত মূল বাণী। নিজৰ স্বাৰ্থৰ বাবে সমাজজীৱনলৈ নতুন [illegible]

সোমোৱাৰ বাটত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিবলৈ আৰু সামাজিক দুৰ্নীতি সোমোৱাৰ বাট মুকলি কৰি দিবলৈ চেষ্টা কৰা উমলাবং লংবিৰ হাবেছিক' চিকাৰী টেৰণেও উপলব্ধি কৰিবলৈ বাধ্য হৈছে, 'আমাৰ কাৰণে সময় উকলিল। ... নতুন যুগৰ মানুহে গাঁওখন ভাল কৰক। ক্ষমতাই মোক অন্ধ কৰিছিল। এতিয়াহে পৃথিৱীৰ ৰূপ দেখা পাইছোঁ।'

কাৰ্বি আংলঙৰ বৈঠালাংছুৰ (ব্ৰ'থাতলাংছু) 'ৰংমিলি' নামৰ এখনি কাৰ্বি গাঁৱৰ পটভূমিত লেখকে গঢ়ি তোলা উপন্যাসখনৰ পৰিধিয়ে সামগ্ৰিকভাৱে সমস্ত কাৰ্বি সমাজকে সামৰি লৈছে। কাহিনীটোৰ ৰূপৰেখা হ'ল এনেকুৱা ঃ ৰংমিলিৰ ছাৰবাছা (গাঁৱৰ মুখিয়াল—গাঁওবুঢ়া) ছাৰইক তেৰাং গাঁৱৰ সম্মানিত ব্যক্তি। গাঁওখনৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক উন্নতিৰ অস্পষ্ট আকাংক্ষাই তেওঁক জুম খেতিৰ বাবে মাটিৰ অভাৱত পানী খেতি কৰাৰ কথা ভাবিবলৈ, নতুনকৈ সোমোৱা মাৰোৱাৰী ব্যৱসায়ীৰ কানিৰ ব্যৱসায় বন্ধ কৰাৰ চেষ্টা কৰিবলৈ, তেওঁলোকৰ অঞ্চলত হাবেছিক'ই অন্যায়ভাৱে সুমুওৱা পূববংগ আৰু নেপালৰ লোকৰ অনুপ্ৰৱেশৰ বিৰুদ্ধে মাত মাতিবলৈ, কাৰ্বি ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ কথা ভাবি স্কুল খোলাৰ ব্যৱস্থা কৰিবলৈ আৰু এনেকুৱা অনেক সৰু-বৰ কাৰ্যৰ পৰিকল্পনা কৰিবলৈ অনুপ্ৰেৰণা যোগাইছে। কাৰ্বি পৰম্পৰা ৰক্ষা কৰিও যাতে নতুন যুগৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই কাৰ্বি সমাজক আগবঢ়াই লৈ যাব পাৰি সেই চিন্তাই ৰংমিলিৰ ছাৰবাছাৰ এটা প্ৰধান চিন্তা হৈ পৰিল। কিন্তু, হাবেছিক' চিকাৰী তেৰণে ছাৰইক তেৰাঙক এই আকাংক্ষাৰ বাটত প্ৰতিবন্ধক হৈ থিয় দিলে। আনকি বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা ৰংমিলিৰ মানুহৰ খেতি-বাতি ৰক্ষা কৰিবলৈ ছাৰইক তেৰাঙে খজা বন্দুক এটাৰ দৰে নতুন অস্ত্ৰ এপাট কিনি অনাটোও হাবেছিক'ই সহ্য কৰিব নোৱাৰিছিল। ছাৰইক তেৰাঙে স্কুল পাতিব নোৱাৰি নিজৰ ল'ৰা হেমফুক কামপুৰৰ স্কুলত পঢ়িবলৈ পঠোৱাটো হাবেছিক'ই ভাল পোৱা নাছিল। কিন্তু ছাৰইকক ছাৰবাছা পদৰপৰা আঁতৰোৱাৰ কোনো উপায় পোৱা নাছিল। নিজৰ ঈৰ্ষা চৰিতাৰ্থ কৰিবলৈ হাবেছিক'ই আঞ্চলিক হাবেসকলক নিমন্ত্ৰণ কৰি আনি ছাৰইকৰ বিৰুদ্ধে বিধৰ্মী খ্ৰীষ্টিয়ানৰ লগত সম্পৰ্ক ৰখা বুলি অভিযোগ তুলি ছাৰইকক ছাৰবাছা পদৰপৰা আঁতৰোৱাৰ সিদ্ধান্ত ল'লে আৰু তেওঁলৈ কিদ' পঠাই খবৰ দিয়াৰ ব্যৱস্থা কৰিলে। আনহাতে ছাৰইকৰ ভতিজাক 'ছিনতং তেৰাঙ'ক হাত কৰি তেওঁক ৰংমিলিৰ ছাৰবাছা পদৰ দায়িত্ব দিলে। কিন্তু ৰংমিলিৰ ৰাইজে ছিনতঙক ছাৰবাছা বুলি মানি নল'লে; তাৰ পৰিবৰ্তে ছাৰইকৰ পিচত তেওঁলোক সমূহীয়াভাৱে থিয় দিলে। হাবেছিক'ই ছিনতঙৰ হতুৱাই ছাৰইকৰ ঘৰত জুই দিয়ালে। ৰংমিলিৰ মানুহে জুই নুমুৱালেহি; সেই জুয়ে আন একো পুৰিব নোৱাৰিলেও হাবেছিক'ই পঠোৱা কিদ'টো কিন্তু পুৰিলে। আনহাতে ছিনতঙে ধৰা পৰি সকলো কথা কৈ সৈ কাঢ়িলে আৰু ছাৰইকক ভৰিত ধৰি ক্ষমা খুজিলে। ইমানতো হাবেছিক' ক্ষান্ত নহ'ল। উমৰুত পতা 'চমাংকান' উৎসৱত যোগ দিবলৈ যোৱা ৰংমিলিৰ নাচৰ দলটো শ্ৰেষ্ঠ পৰিগণিত হোৱা সত্ত্বেও হাবেছিক'ই শ্ৰেষ্ঠত্বৰ সন্মান দিবলৈ ৰাজী নহ'ল। ছাৰইকে দুঢাল গা ধন দি হাবেছিক'ৰ ভৰিত মূৰ দোঁৱালেহে সেই সন্মান দিব পাৰিব বুলি হাবেছিক'ই জনোৱাত ছাৰইকে ক'লে, 'ছ'লাংদ'ৰ (ৰাইজ) ঘোষণাই মোৰ কাৰণে শ্ৰেষ্ঠ বঁটা। এনে বঁটাৰ মূল্য ক্ষমতাৰ দগা-পাল্লাৰে জুখিব নোৱাৰি।'

কাৰ্বি ৰজা ৰংহালিন্দকপ'ই প্ৰতি বছৰে সমগ্ৰ লংবিৰ মংগলৰ বাবে ৰাজকীয় ৰংকেৰ পূজা কৰে। এই পূজাৰ সময়তে তেওঁক সমগ্ৰ লংবিৰ খা-খবৰো লয়। এনেভাৱে খবৰ লওঁতে ৰজাই হাবেছিক'

চিকাৰী টৈৰণৰ স্বেচ্ছাচাৰিতা, অত্যাচাৰ আৰু দুৰ্নীতিপৰায়ণতাৰ খবৰ পাই তেওঁক ছাবেছিক' পদৰ পৰা আঁতৰাই কিদ' পঠোৱাৰ ব্যৱস্থা কৰিলে। সেই কিদ' পোৱাৰ পিচতহে চিকাৰী টৈৰণে নিজৰ আৰু বিহেনৰু গাঁৱৰ দুৰৱস্থাৰ উমান পাইছে। সি তেতিয়াহে অনুভৱ কৰিছে, 'পাগুৰিৰ পাকবোৰত জমা হৈ থকা মলিবোৰ এতিয়াহে ওলাই পৰিল।'

ইতিমধ্যে লৰেঞ্চইংতৰ যত্নত কাৰ্বিসকলৰ বাবে এখন সুকীয়া জিলা গঠনৰ প্ৰস্তাৱ আগত লৈ 'কাৰ্বি-আ-দৰবাৰ' গঠিত হ'ল। ছাৰইক তেৰাঙে প্ৰথমৰে পৰাই এনে প্ৰস্তাৱৰ প্ৰতি সমৰ্থন দি আহিছিল। কাৰ্বি-আ-দৰবাৰৰ আনুষ্ঠানিক আৰম্ভণিয়ে ছাৰইক'ৰ মনত কাৰ্বি সমাজৰ এটি নতুন ভৱিষ্যতৰ ৰূপৰেখা যেন আঁকি দিলে। ছাৰাইকে অনুভৱ কৰে, 'ছিকুৰেই (স্কুলৰ অপভ্ৰংশ হ'ল ছিকুৰ; খ্ৰীষ্টিয়ানসকলেই প্ৰথমে স্কুল আৰম্ভ কৰা বাবে কাৰ্বিসকলে খ্ৰীষ্টিয়ানক ছিকুৰ বুলি কয়) হওক বা হংহাৰীয়েই (সংসাৰীৰ অপভ্ৰংশ; খ্ৰীষ্টিয়ানৰ বাহিৰে বাকীসকলক বুজাবলৈ ব্যৱহৃত হয়) হওক, একে মুঠিত থাকিলেহে কাৰ্বি আংলংখন হ'ব, দৰবাৰো জীয়াই থাকিব।' ছাৰইকৰ এই উপলব্ধিৰ মাজতে যেন কাৰ্বি সমাজৰ ভৱিষ্যতৰ ৰূপ নিহিত হৈ আছে।

এই মূল কাহিনীটিৰ লগত ছাৰইক'ৰ কনিষ্ঠা জীয়ৰী অমফু আৰু ৰংমিলিৰ জিৰছুঙৰ (ডেকাচাং) ক্লেংছাৰপ'ৰ (ডেকাচাঙৰ প্ৰধান দলপতি) আৰু ক্লেংদুনৰ (সহকাৰী দলপতি) এটি ত্ৰৈভুজিক প্ৰেমৰ আখ্যানো সতেজভাৱে গঢ়ি উঠিছে। ক্লেংদুন আৰু ৰূপহী অমফুৰ মাজত গঢ়ি উঠা গভীৰ প্ৰণয়ৰ মাজত ঈৰ্ষাকাতৰ আৰু কামুক ক্লেংছাৰপ'ই প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে। অমফুৱে ইচ্ছা হ'লে ক্লেংছাৰপ'ক অসন্তুষ্ট কৰিও ক্লেংদুনক বিয়া কৰাব পাৰিলেহেঁতেন, কিন্তু তাই অনুভৱ কৰিছিল ক্লেংদুন আৰু ক্লেংছাৰপ'ৰ মাজত শত্ৰুতা থাকিলে ৰংমিলিৰ জিৰছুং ভাগি যাব আৰু ৰংমিলিৰ বাবে এনে ঘটনা হ'ব আটাইতকৈ দুৰ্ভাগ্যজনক। সেইবাবে ৰংমিলিৰ স্বাৰ্থৰ কথা চকুৰ আগত ৰাখি তাই ব্যক্তিগত গভীৰ প্ৰণয়ৰ সম্পৰ্কও ছিঙি থৈ দেউতাকে নিৰ্বাচন কৰি দিয়া ৰংমাল্লুৰ কোনোবা অচিনাকি ডেকাৰ লগত বিয়া সোমাল। এনেভাৱেই ঔপন্যাসিকে এই প্ৰণয় কাহিনীৰ সামৰণি মাৰিছে।

'ৰংমিলিৰ হাঁহি' কাৰ্বি জনজীৱনৰ জীৱন্ত বাস্তৱৰ ভেটিত গঢ় লৈ উঠিছে। আধুনিক সভ্যতাৰ স্পৰ্শৰ পৰা আঁতৰত নৈসৰ্গিক জীৱনৰ অপৰিমেয় দানেৰে কাৰ্বি 'জনজীৱনে গঢ়ি তুলিছে জুম খেতিৰ অৰ্থনৈতিক ভেটিৰ ওপৰত এটি বিশিষ্ট সামাজিক আৰু সাংস্কৃতিক জীৱন। ডেকাচাঙৰ পৰা আৰম্ভ কৰি লিন্দকপ'ৰ অৰ্থাৎ ৰজাৰ চাঙলৈকে কাৰ্বি সমাজ ব্যৱস্থা এটি গণতান্ত্ৰিক সমবায় পদ্ধতিৰ ওপৰত গঢ় লৈ উঠিছে। চ'জুন পূজা (চৰক পূজা) চমাংকান উৎসৱ ৰল'কেতে (ৰাজকীয় পূজা) ইত্যাদি বিভিন্ন উৎসৱ-পাৰ্বণৰ মাজেদি কাৰ্বি সমাজৰ লোকবিশ্বাস, ধৰ্ম বিশ্বাস, নৈতিক আৰু সামাজিক প্ৰমূল্য, সামাজিক ৰীতি-নীতি, খাদ্য, পোছাক-পৰিচ্ছদ, আচাৰ-ব্যৱহাৰ এই আটাইবোৰেই প্ৰকাশ লাভ কৰিছে। ঔপন্যাসিক ৰংবং তেৰাঙে প্ৰাক্ স্বাধীনতা কালৰ কাৰ্বি জীৱনৰ বৰ্ণাঢ্য আৰু নিৰ্ভৰযোগ্য প্ৰতিচ্ছবি দক্ষতাৰে ৰংমিলিৰ হাঁহিত তুলি ধৰিছে। কাৰ্বি জীৱন সুখ-দুখ, আশা-আকাংক্ষা, প্ৰেম-বিষাদ, এই সকলোবোৰে ৰংমিলিৰ হাঁহিত আত্মপ্ৰকাশ কৰি জুমুৰি পাতিছে। প্ৰেম-প্ৰণয়, সুখ-দুখ, বিশ্বাস-সংস্কাৰ আদিক ভেটি কৰি গঢ়ি উঠা লোকগীতসমূহক স্বাভাৱিক প্ৰয়োগে উপন্যাসৰ সমাজখনক উজ্জ্বল কৰি দাঙি ধৰাত প্ৰচুৰ সহায় কৰিছে। কাথাৰ বুৰাই গোৱা 'হাঁজীৰ

জীৱন গাথা'ৰ অংশ বিশেষে কাৰ্বি লোক-সাহিত্যৰ এই মনোৰম সম্পদটিৰ প্ৰতি অনুসন্ধিৎসা উদ্ৰেক নকৰাকৈ নাথাকে। ইয়াৰ উপৰি কাৰ্বি পাহাৰৰ পৰা বাটকুৰি বাই ভৈয়ামৰ কামপুৰ আৰু নগাঁৱলৈ নামি গৈ লাভ কৰা নতুন আধুনিক জীৱনৰ অভিজ্ঞতাৰ কাহিনীবোৰেও প্ৰকৃতিপ্ৰাণ কাৰ্বি সমাজৰ নিস্তৰংগ জলধাৰাত নতুন তৰংগৰ সৃষ্টি কৰিছে। মূল আখ্যানৰ মাজত মানৱীয় দ্বন্দ্বৰ তাৎপৰ্য গভীৰ হোৱাৰ থল থাকি গ'ল। তদুপৰি অমফুৰ জীৱনতো যি বিষাদ গভীৰতৰ হৈ উঠাৰ অৱকাশ আছিল, সেই বিষাদো অন্য এক আশাৰে ৰূপান্তৰিত হ'ল। হাবেছিক'ই লাভ কৰা শান্তিয়েও ছ্ৰাইক'ৰ দুখ গভীৰ হ'বলৈ নিদিলে। হয়তো এক গভীৰ বিষাদৰ মাজৰপৰা ছ্ৰাইকে নতুন জীৱনৰ সম্ভাৱনাৰ কল্পনা কৰাৰ অৱকাশ থকা হ'লে কাহিনীৰ মূল তাৎপৰ্যই অন্য এক বিশিষ্ট আয়তন লাভ কৰিলেহেঁতেন। তথাপি লেখকে এই উপন্যাসখনৰ মাজেদি যিখিনি দাঙি ধৰিছে তাৰ মাজত কাৰ্বি জীৱনৰ অন্তৰ আৰু বাহিৰৰ প্ৰতিটো দিশৰ লগত লেখকৰ নিবিড়তম আত্মিক সম্পৰ্ক আৰু পৰিচয় জিলিকি উঠিছে। এই বিশিষ্টতাই উপন্যাসখনক কাৰ্বি জীৱনৰ মহাকাব্যধৰ্মী উপন্যাসৰ অনেক লক্ষণ দান কৰিছে।

উপন্যাসখনৰ প্ৰধান বিশিষ্টতাই হ'ল পটভূমিৰ প্ৰশস্ততা। লেখকে সমাজৰ আৰু সময়ৰো নিৰূপিত পৰিধিৰ ৰূপৰেখা চকুৰ আগত ৰাখি জীৱন্ত চৰিত্ৰসমূহ তাৰ মাজত স্বাভাৱিকভাৱে উপস্থাপন কৰিছে। নৈসৰ্গিক প্ৰকৃতি আৰু মানৱ প্ৰকৃতিৰ সূক্ষ্ম আৰু ব্যঞ্জনাধৰ্মী বিৱৰণে উপন্যাসখনক কাব্যগুণেৰে সমৃদ্ধিশালী কৰি তুলিছে। মাজে মাজে ভাষাও হৈ উঠিছে কাব্যিক ঃ 'দিনটোৰ অৱসাদ-ক্লান্তি বৰপানীৰ অমৃত পৰশে যেন আঁতৰ কৰিলে। তাৰ মন প্ৰফুল্লিত হ'ল। কাৰ্বিসকলৰ জীৱনপ্ৰদায়িনী জলস্ৰোত এয়া বৰপানী-কাৰ্বি লাংপি, উমিয়ামৰ চিৰচঞ্চল, অশান্ত গতিছন্দ পাহৰি কাৰ্বি লংৰিত তাই যেন ধীৰ হ'ল। চিৰ প্ৰৱাহিত গতিৰে তাই যেন সকীয়াই দিছে গতিৰ অৰ্থ, সৃষ্টিৰ নতুন ৰহস্য।'

ৰংমিলিৰ নিজম ৰাতিৰ চিত্ৰ আঁকিছে এনেদৰে ঃ 'ছদুৰ মাতত ৰাতিটো ক্ৰমে জয়াল হৈ আহিল। বৈঠালাংছুৰ চাৰিওফালে জোনৰ কোমল পোহৰে ছাটি ধৰিলে। জোনৰ পোহৰত জিলমিলাই উঠা কাৰ্বি লাংপিৰ শান্ত জলস্ৰোতে ৰংমিলিক সাৱটি মৰম জনাই বৈ যাবলৈ ধৰিলে— নীৰৱে। নিশ্চুপ প্ৰকৃতিৰ বুকুত জোনৰ পোহৰ আৰু বৰপানীৰ অবিশ্ৰান্ত সোঁতে প্ৰকাশ কৰি থাকিল গতিৰ কথা, সচেতন গতিৰ কথা।'

পুৱাৰ ৰংমিলিক তুলি ধৰিছে এনেভাৱে ঃ 'টীকা পাহাৰৰ চূড়াৰ পৰা যেন সূৰুযে সোণালী ৰংবোৰহে ছটিয়াইছে আলফুলকৈ। কাৰ্বি লাংপিৰ দুয়োপাৰ পোহৰ হৈ পৰিল। ৰংমিলি গাঁওখনো লগে লগে জাগি উঠিল কিছু ব্যস্ততাৰে। গাঁৱৰ আশে-পাশে থকা মদাৰ-পলাশ বনত বসন্তৰ মধুৰ স্পৰ্শ। পত্ৰবিহীন পলাশত ৰঙৰ আবিৰ।'

এনেকুৱা সংযত অথচ কাব্যধৰ্মী বৰ্ণনাৰ মাজত কাৰ্বি পাহাৰৰ নৈসৰ্গিক জীৱনে নতুন ৰূপত আত্মপ্ৰকাশ কৰিছে। প্ৰকৃতিৰ এনে কাব্যধৰ্মী বিৱৰণৰ মাজত প্ৰয়োজনীয় মুহূৰ্তত মূৰ দাঙি উঠিছে ব্যঞ্জনধৰ্মী একোটি মণ্টাজ ঃ

'বেলি উঠাৰ লগে লগে গাঁৱৰ মুনিহ - তিৰোতাবোৰ নিজৰ নিজৰ কামলৈ দিহা-দিহি ওলাই গ'ল। এজাক ধনেশ পক্ষী ৰংমিলিৰ আকাশেদি উৰি গুচি গ'ল দূৰণিৰ ফালে।'

'বেঠালাংছুৰ আকাশখন ধোঁৱাৰে ধুসৰিত হ'ল। বন-কুকুহাবোৰ চাৰিওফালে ছিটিকি গ'ল। ৰংমিলিৰ ওপৰতো বন-কুকুহাবোৰ বতাহত উৰি ফুৰিবলৈ ধৰিলে।' 'এজাক ভাটো ৰংমিলিৰ ওপৰেদি উৰি গ'ল পশ্চিমৰ পাহাৰবোৰলৈ। ৰংমিলিৰ গাভৰুজাক — অমফু, কাদম, কাছাং, কানাম, বাছাপী আৰু বহুতো। দলে দলে সিহঁত নামি আহিল অমফুহঁতৰ চাংঘৰৰ জখলাৰে।' অমফুৰ প্ৰেম লাভ কৰিবলৈ ব্যগ্ৰ কিন্তু অমফুৰ মন নোপোৱা ক্লেংছাৰপ'ৰ অৱস্থা ছেং টেৰণৰ এষাৰ কথাৰেই ভোজৰ থলীত প্ৰকাশিত হৈছে— 'ক্লেংছাৰপ'ৰ পাটত হাড়বোৰহে দিছ নেকি? মঙহ চাই অলপ দেচোন।' ছাৰইক'ৰ প্ৰতি হাবেছিক'ৰ ঈৰ্ষা প্ৰকাশিত হৈছে এনেভাবে ঃ 'হাবেছিক'ই হাড় থকা মঙহ এডোখৰ চোবাই গুড়ি কৰিলে। গুড়ি হোৱা মঙহডোখৰ অনায়েসে গিলি পেলালে সি। ৰংমিলিৰ ছাৰবাছা ছাৰইক তেৰাং যেন হাবেছিক'ৰ ক্ষমতাৰ দাঁত দুপাৰিত গুড়ি হৈ নিশ্চিহ্ন হৈ গ'ল।' কাৰ্বি সমাজলৈ অহা পৰিবৰ্তনৰ প্ৰতিটো গুৰুত্বপূৰ্ণ অধ্যায়কে ঔপন্যাসিক তেৰাঙে সুদক্ষ শিল্পী ঐতিহাসিকৰ দৃষ্টিৰে চাইছে আৰু ধৰি ৰাখিছে। বৃদ্ধ লংকিৰিয়ে অনুভৱ কৰিছে, আমাৰ আৰু আগৰ সেই দিন নাই। বজাৰো আহিল, পাদুৰী চাহাবো আহিল; যুদ্ধও লাগিল, নিমখৰো হাহাকাৰ হ'ল। দিনবোৰ সলনি হোৱা নাই নেকি?' ছাৰইক, তেৰাঙে অনুভৱ কৰিছে 'সময়ে নিজেই নিয়মবোৰ সলাব।... পুৰণি ৰংমিলিতে আমি নতুন এখন ৰংমিলি গঢ়িব লাগিব।'

সমগ্ৰ উপন্যাসখনিত কাৰ্বি-জীৱনৰ এটি পূৰ্ণাংগ, নিটোল ৰূপৰেখা জীৱন্ত আৰু সতেজ হৈ ফুটি উঠাৰ লগতে প্ৰকাশিত হৈছে কাৰ্বি লাংপিৰ গতিশীল সোঁতৰ এটি অৰ্থবহ ইংগিত, নতুন ভৱিষ্যতৰ উজ্জ্বলময় সম্ভাৱনাৰ বুকুলৈ আগবাঢ়ি যোৱাৰ লক্ষ্য। অধ্যাপক ৰংবং তেৰাঙে সেই লক্ষ্যক ফুটাই তোলাত ঔপন্যাসিক হিচাপে নিজৰ কৃতিত্ব আৰু দক্ষতা প্ৰতিষ্ঠা কৰিছে। তেওঁৰ হাতত প্ৰত্যেকটো চৰিত্ৰই নিজা চাৰিত্ৰিক বৈশিষ্ট্যৰে জীৱন লাভ কৰিছে; তেওঁৰ তুলিকাৰ স্পৰ্শত প্ৰতিটো বৰ্ণিত বিষয় সপ্ৰাণ হৈ উঠিছে। কাহিনী বিন্যাসতো এটি পৰিণত সংযম সহজে অনুমান কৰিব পাৰি। তেওঁ যিখন কেন্‌ভাছ তেওঁৰ কাহিনীৰ বাবে নিৰ্বাচন কৰি লৈছে কোনো মুহূৰ্ততে সেই কেন্‌ভাছখনৰ সীমা আৰু বিশিষ্টতাৰ কথা তেওঁ পাহৰি যোৱা নাই। সেইবাবে ৰংমিলিৰ হাঁহি প্ৰশান্ত উজ্জ্বলতাৰে প্ৰতিভাত হ'ব পাৰিছে। অৱশ্যে কাহিনীৰ তাৎপৰ্যই হাবেছিক'ৰ অনুতাপদগ্ধ উক্তিৰ মাজতে পৰিণতি লাভ কৰিছে। সেইফালৰ পৰা শেহৰ পঁয়ত্ৰিশ নম্বৰ অধ্যায়টোৰ শিল্পগত প্ৰয়োজন অনুভূত নহয়। অৱশ্যে 'ৰংমিলিৰ হাঁহি'ৰ ভেটিয়েই মানৱীয় সমস্যাতকৈও সামাজিক সমস্যাহে।

পুথিখনিৰ আন এটি ডাঙৰ সম্পদ হ'ল— ভাষা। অসমীয়া ভাষাৰ এনে সংযত, জঁতুৱা আৰু পৰিণত ৰূপৰ ব্যৱহাৰ অতি কম সংখ্যক লেখকেই দক্ষতাৰে কৰিব পাৰিছে। প্ৰয়োজনীয় কাৰ্বি শব্দসমূহৰ সুপ্ৰয়োগে বৰ্ণিত বিষয়ৰ চৰিত্ৰ প্ৰকাশত প্ৰভূত বৰঙণি যোগাইছে।

অধ্যাপক ৰংবং তেৰাঙক ঔপন্যাসিক হিচাপে 'ৰংমিলিৰ হাঁহি'য়ে দান কৰিছে এটি বিশিষ্ট পৰিচয়, আৰু অসমীয়া সাহিত্যিক দান কৰিছে এটি মূল্যবান বৰঙণি। 'ৰংমিলিৰ হাঁহি' বিংশ শতিকাৰ নৱম দশকৰ অসমীয়া ভাষাত এটি উল্লেখযোগ্য সাহিত্য-কৃতি।

"In the days to come, when other people will write the social history of the karbi people, they shall not miss this novel, which offers us an authentic vision of karbi life as a karbi writer sees it."

Rongmilir Hanhi
A Human Document of Karbi Life

Chandra Prasad Saikia

It is exhilarating to recall some enquiries made by a number of discerning readers when the novel 'Rongmilir Hanhi' was serialised in the monthly magazine 'Prakash' two years ago. It had aroused so much interest in them that their letters of appreciation continued to pour in. Some of them, with their knowledge of karbi life also did send suggestions which I as editor of the magazine passed over to the writer. One such suggestion was just a warning that the female character in the novel, Amphu who was torn between the love of two desperate lovers in an eternal triangle be Spared of any tragic end, such indepth enquiries about and sympathetic understanding of a character, when a novel was being serialised are perhaps a thing of rarely in our literature.

That the interest was genuine was proved when, within a few months of its publication, the novel received acclaim as one of the most memorable works of fiction in our literature which certainly will survive the onslaught of time because of the fact that it is more than a novel it is a faithful human document superbly based on a panoramic vision of the life and aspirations of Karbi people.

'Rongmilir Hanhi' (The smiles of Rongmili: Rongmili is the name of a village in the Karbi Anglong district) mostly centres round a father, named

Sar-ik Terang, a village head man, Universally respected and loved because of his relentless efforts to preserve the dignity and individuality of his society against tremendous odds. He wants to modernize the method of jhum cultivation because of lack of sufficient land, raises his voice against foreigners that have entered into his land as refugees from the then East Bengal and Nepal, protest against an alien religious invasion lays his hand on opium smugglers and stands against all that aims at the annihilation of the individuality of his people. He welcomes modern ideas for his people's enlightenment against age old superstitious and passively, but refuges to allow his society to be swept away by the swelling tides of the disastrous foreign thoughts and ideas. His thoughts, naturally clash with those of Habe Chiko Teron, his rival in the traditional struggle for supremacy over their land and people who (suprisingly in the name of maintaining old conservative values) lives on Conspiracy, black mailing rancour and recrimination. This long-drawn-out struggle between what is evil brings into remarkable focus the entire Karbi; society with all its sense of morality and immorality, vicissitudes and aspirations humanity and recrimination love and destruction selflessness and crudity. In this terrible war of retribution, the novelist takes the side of what is industructible: Sar-ik Terang comes out victoriouns with the help of those who have a vision of their bright future. Karbi-adorbar has been formed to have a separate district for the karbis (the novel ends just before the country had attained independence) with Sar-ik and his followers efforts, espousing a cause that their great future mostly depends on their unity, as divided they will surely fall. A Karbi will be a real man, but he will remain a Karbi all along regardless of what may come.

A love story difficult and unusual in its delineation has also been brought in. Sar-ik Terang's daughter. Amphu is equally and rather violently loved by kleng sarpo and klengdoon, leader and deputy leader respectively of the Dekachang. This seemingly hackneyed age-old love-triangle has been raised to a height by the author in order to suit his social commitment. The girl's love for klengdoon is deep and devoted, yet she has to sacrifice this bliss of young love for the unity of her society as she knows that her marriage to either of the two leaders of the same Dekachang will bring about its disintegration. She marries an unknown, distant young man arranged by the father.

Far away from the rat-race of modern life, the writer introduces us to a tranquil life against the backdrop of virgin hills which rise undulated one after another like a *crescendo* of a symphony until they are lost beyond the *horizon*. The very first lines in the novel have set the huge canvas of the story with a sweep that is characteristic of a mature artist alone In a gray evening in the month of phagun, when down a hill the cranes fly forming a pattern to their dear nests and when the ageless phagun breeze carries the

burning smell of the fire that gallops on a distant hill : amidst such magnificent abandom, Sar-ik Terang is coming down the hill steadily along with his dog, Bakhar. A few steps ahead a penetrating symbol strikes. Suddenly the dog gets a smell of something irrisistible as it were foreign and dangerous in sharp contrast with the above ageless smell of fire which is as old an the earth. The dog gets the smell and, in a flesh we are cought with an illuminating idea of the entire pattern of the story that swiftly unfolds itself before us.

The novel abounds in anecdotes, alluring folk-songs (sometime in Karbi language itself), small fire side tales of love and loss of chivalry and sacrifice of the days that are no more, absorbing riddles proverbs. Nature's lush beauty has been depicted with a poetic touch. Passages that depict the democratic social life of the Karbis, their religions fears and beliefs, customs food dress rituals are all adequately woren into a pattern that renders vastness to the canvas. The flowing Barapani (Karbi language) reminds the people of the speeding time, and they look to the rising sun on the hills with awe, which reminds them of their future which might be as bright.

'Rongmilir Hanhi' as novel is not, from the artistic point a compact one, because the writer sacrifices, intentionally as thought form for the sake of content : he aims at the great future of his society to which he is inexorably committed and which raises the novel to that rare height of every writer's great dream a human document. In the days to come, when other people will write the social history of the Karbi people, they shall not miss this novel, which offers us an authentic vision of karbi life as a Karbi writer sees it.

(The Assam Tribune, April 24, 1982)

উপন্যাসখনৰ কাল্পনিক কাহিনীৰ মাজেদি যেনেকৈ কাৰ্বিসকলৰ সামাজিক বাস্তৱতা ফুটাই তোলা হৈছে, তেনেকৈ কাল্পনিক কাহিনীৰ সামাজিক বাস্তৱতাক আকৌ সত্য ৰাজনৈতিক, সামাজিক সাংস্কৃতিক ঘটনাৰ বাস্তৱ আৰু ঐতিহাসিক পৰিপ্ৰেক্ষিতত অধিক বিশ্বাসযোগ্য কৰি তোলা হৈছে।

অসমীয়া উপন্যাসৰ জনজাতীয় পৰম্পৰাত 'ৰংমিলিৰ হাঁহি'



ড° গোবিন্দপ্ৰসাদ শৰ্মা

জনজাতীয় সমাজ এখনৰ ৰীতি-নীতি, সভ্যতা-সংস্কৃতি উপন্যাসৰ মাধ্যমত দাঙি ধৰাৰ আদৰ্শ অসমীয়া উপন্যাসত প্ৰথমে প্ৰবৰ্তন কৰে ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ 'মিৰি জীয়ৰী' (১৮৯৫)খনৰ যোগে। ৰজনী বৰদলৈৰ 'মিৰি জীয়ৰী'ৰ আদৰ্শ অনুসৰণ কৰিয়েই লুম্মেৰ দায়ে তেওঁৰ 'পৃথিৱীৰ হাঁহি' (১৯৬৩) উপন্যাসত অৰুণাচলী আদি সমাজ-সংস্কৃতি ফুটাই তুলিছিল। তাৰ পিছত ৰংবং তেৰাঙে এই একেটা আদৰ্শত 'ৰংমিলিৰ হাঁহি' (১৯৮১) ৰচনা কৰি কাৰ্বি সমাজ-সংস্কৃতি অংকন কৰে। 'মিৰি জীয়ৰী'ত বৰদলৈয়ে মিচিং সমাজ-সংস্কৃতিক চিৰন্তন ৰূপত বা অপৰিৱৰ্তিত ৰূপত দেখুৱাই অসমীয়া পাঠকৰ আগত তাৰ পৰিচয় দাঙি ধৰিছিল। সময় যেন তাত অপৰিৱৰ্তনীয় বা স্থবিৰ। লুম্মেৰ দাই আৰু ৰংবং তেৰাঙে ক্ৰমে আদি আৰু কাৰ্বি সমাজ অংকন কৰোঁতে একোছোৱা নিৰ্দিষ্ট কালত তাৰ পৰিৱৰ্তনশীল ৰূপ দাঙি ধৰিছে। সময়ে, অৰ্থনৈতিক প্ৰভাৱে, ৰাজনীতিৰ গতিয়ে সেই সমাজত অনা বা আনিব ধৰা পৰিৱৰ্তনৰ শুভ-অশুভ দিশ এই দুয়োখন উপন্যাসে দাঙি ধৰিছে। নিজৰ নিজৰ সমাজৰ ভিতৰুৱা লোক হিচাপে এওঁলোকে সেই সমাজৰ বাবে শুভাশুভৰ বিচাৰ কৰিছে। এনে কৰি এই দুই জনজাতীয় অসমীয়া লেখকে মিচিং সমাজ অংকন কৰা মিচিং সমাজৰ বাহিৰৰ দ্ৰষ্টা লেখক ৰজনী বৰদলৈক উত্তৰণ কৰিছে। ৰজনীকান্ত বৰদলৈ আছিল জনজাতীয় সমাজৰ মুগ্ধ দ্ৰষ্টা— তেওঁ দৰ্শন কৰা সমাজখনৰ দুই-এক দিশৰ পৰোক্ষ, মৃদু সমালোচক হৈয়ো লুম্মেৰ দাই আৰু ৰংবং তেৰাং নিজৰ নিজৰ সমাজৰ মুগ্ধ হৈয়ো প্ৰত্যক্ষ সমালোচক। 'পৃথিৱীৰ হাঁহি'ত লুম্মেৰ দায়ে যেনেকৈ নিজৰ আদি সমাজখনত পৰম্পৰাৰ ভাঙোন দেখুৱাইছে গাঁৱৰ সকলোৰে মান্য

পঞ্চায়তস্বৰূপ কেবাঙত গাঁৱৰ মানুহৰ আস্থা কমি যোৱা কথাৰে, বা কেবাঙেও পৰিৱৰ্তিত কালত পৰিৱৰ্তিত চৰিত্ৰৰ মানুহৰ নেতৃত্বত তাৰ মান্যতা হেৰুওৱা কথাৰ মাজেদি, ৰংবং তেৰাঙেও তেনেকৈ নিজৰ কাৰ্বি গ্ৰাম্য সমাজখনে বাহিৰৰ পৰা আহিব ধৰা নতুন বাণিজ্যিক সভ্যতাৰ প্ৰভাৱত ভাঙোনমুখী হ'ব পৰাৰ ছবি তুলি ধৰিব। 'ৰংমিলিৰ হাঁহি' শীৰ্ষনামটোতো 'পৃথিৱীৰ হাঁহি'ৰ প্ৰতিধ্বনি আছে, যদিওবা লুম্মেৰ দাইৰ 'পৃথিৱীৰ হাঁহি'য়ে ৰংবং তেৰাঙৰ 'ৰংমিলিৰ হাঁহি'য়ে কৰা অৰ্থ বুজোৱা নাই। লুম্মেৰ দাইৰ উপন্যাসত হাঁহি মৰা পৃথিৱীখন দৰাচলতে আদি অৰুণাচলী সমাজৰ গাঁৱলীয়া বিচাৰ-ব্যৱস্থাৰ অনুষ্ঠান কেবাঙৰ হাঁহি। এই হাঁহি আৰু পূৰ্বৰ সৰল হাঁহি নহয়, এতিয়া বেঁকা হাঁহি। পূৰ্বৰ পাহাৰী গ্ৰাম্য সমাজৰ ইয়াৰ ওপৰত থকা আস্থা আৰু মান্যতা স্বাধীনতাৰ পিছত আৰু অটুট হৈ থকা নাই। সকলোৰে বাবে ই আৰু মান্য নহয়। সৰল আদি সমাজৰ ডেকা এজনে সমসাময়িক বাহিৰৰ সভ্যতাই সৃষ্টি কৰা জটিল পৰিস্থিতিত অন্তৰৰ সৰলতা-সাধুতা হেৰুৱাই ঠগ-প্ৰৱঞ্চনাৰ আশ্ৰয় লৈছে। সি কেবাঙৰ বিচাৰৰ সন্মুখীন হৈছে। কিন্তু কেবাঙে এতিয়া আৰু তাহানিৰ দৰে ন্যায় বিচাৰ দিব— সেই কথাত কাৰো আস্থা নাই। এনেস্থলত কেবাঙৰ হাঁহি হ'ব কেনেকুৱা? বেঁকা? শেঁতা? শেষত অৱশ্যে সেই কেবাঙে ন্যায় দানেই কৰিব পাৰিলে। মানুহ আশ্বস্ত হ'ল কেবাঙক লৈ। আৰু কেবাঙক এতিয়াও হাঁহিব পৰা দেখা গ'ল সৰল হাঁহি। আৰু ৰংবং তেৰাঙৰ ৰংমিলি গাঁওখনে? তাৰ সৰল মানুহবোৰে? তেওঁলোকে মৰা হাঁহিৰ স্বৰূপ কেনে?

ৰংবং তেৰাঙৰ 'ৰংমিলিৰ হাঁহি'ত অৰুণাচলৰ কেবাঙৰ সমলেখীয়া পৰম্পৰাৰ গুণত কৰ্তৃত্বশীল গাঁৱলীয়া অনুষ্ঠান নাই যদিও, ইয়াতো আছে গাঁৱৰ ছাৰবাছা বা গাঁওবুঢ়াৰ কৰ্তৃত্বৰ কথা। কাহিনীৰ মূল পটভূমি ৰংমিলি গাঁওখনৰ সৰ্বজন সন্মানিত এই পদটোত অধিষ্ঠিত হৈ আছে সকলোৰে তেওঁৰ নিজৰ গুণাৱলীৰ বাবেই সন্মানিত ছাৰইক তেৰাং। 'পৃথিৱীৰ হাঁহি'ত কেবাং অনুষ্ঠান পৰিছে আহিব ধৰা নতুন যুগৰ ধনিক সভ্যতাৰ কবলত। আমাৰ আলোচ্য 'ৰংমিলিৰ হাঁহি'তো সেই গাঁৱৰ ছাৰবাছা সাধু, সৰল ছাৰইক তেৰাং সন্মুখীন হৈছে নতুন ধনিক সভ্যতাৰ পৰোক্ষভাৱে হ'লেও প্ৰভাৱত পৰা লোক ছাৰথে চিকাৰী টেৰণৰ। তেওঁ হাবেছিক' বা প্ৰধান বিচাৰপতি। স্বাভাৱিকতে ছাৰইক তেৰাং ছাৰবাছা হিচাপে তেওঁৰ অধীনত। কিন্তু মানুহৰ মনত এতিয়াও শ্ৰদ্ধাৰ্হ আৰু মান্য এই ছাৰবাছা ছাৰইক তেৰাংহে। গতিকে হাবেছিক'ৰ ছাৰইক তেৰাঙৰ ওপৰত ক্ষোভ। এই সৰল, সাধু ছাৰবাছাজনৰ বিপক্ষে অসৎ, অসাধু কিন্তু ক্ষমতাত উচ্চ হাবেছিক'জনৰ যি ষড়যন্ত্ৰৰ সংঘাতময় কাহিনী, সিয়েই উপন্যাসখনৰ কাহিনী। এই কাহিনীত সাধু ছাৰইক তেৰাঙক ক্ষমতাৰ পৰা আঁতৰাই অসাধু উচ্চতন বিচাৰপতি ছাৰথে টেৰণে তেওঁৰ বাধ্য আৰু তেওঁৰ দৰে একে চৰিত্ৰহীন ছিংনত তেৰাং নামৰ এজনক তেওঁৰ পদত ছাৰবাছা পাতিলে। ছাৰইক তেৰাঙৰ ছাৰবাছা পদৰ প্ৰতি বা যিকোনো ক্ষমতাৰ প্ৰতি লোভ নাই। কিন্তু নিজৰ গাঁওখনক তেওঁ ভাল পায় আৰু গাঁওখনৰ সকলোৰে মংগল তেওঁ কামনা কৰে। সেয়েহে তেওঁৰ গাঁৱৰ লোকসকল এজন চৰিত্ৰহীন লোকৰ তললৈ যোৱাত তেওঁ দুখ পালে। ইপিনে, ছাৰবাছা পদতে অধিষ্ঠিত হৈ থাকিবলৈ যদিও তেওঁৰ কোনো লোভ নাই, ৰংমিলি গাঁৱৰ মানুহে কিন্তু তেওঁকহে আগৰ দৰেই মান-সন্মান যাচি থাকিল। খঙত নতুন হাবেছিক' ছিংনত তেৰাঙে ভঙা যোৱা হাবেছিক' ছাৰইক তেৰাঙৰ ঘৰত জুই দিয়ালে। গাঁৱৰ মানুহে কিন্তু ক্ষমতাহীন হৈ পৰা ছাৰইকৰ ঘৰ বচোৱাই নহয়, অপৰাধীকো বিচাৰি উলিয়ালে। ছাৰইকে অৱশ্যে তেওঁৰ ঘৰ পুৰি ছাৰখাৰ কৰিব খোজা শত্ৰুকো ক্ষমা কৰি এৰি দিলে। মুখৰ কথা, ৰাইজৰ সমৰ্থনত আৰু

প্ৰশাসনৰো সমৰ্থনত পৰম্পৰাগত ৰাজমন্ত্ৰী, ৰাজপুৰোহিত আৰু হাবেসকলৰ সন্মুখত চিকাৰী টেৰণেই হাবেছিক' পদৰ পৰা অপসাৰিত হ'ল। ৰংমিলিয়ে হাঁহিলে— খোলা, সৰল হাঁহি।

বৃত্তান্তৰ এইটো দিশৰ পৰা ধাৰণা হ'ব পাৰে যে পৰম্পৰাগত কাৰ্বি সমাজখনৰ প্ৰতিভূ এই ছাৰইক তেৰাং কাৰ্বি সমাজৰ প্ৰগতিৰ বিৰোধী, নতুন সংস্কৃতিক তেওঁ স্বাগতম নজনায়। আৰু এই প্ৰধান চৰিত্ৰটি যিহেতু ঔপন্যাসিকে তেওঁৰ সমমৰ্মিতাৰে সৃষ্টি কৰিছে, গতিকে তেওঁ নিজেও নতুন সভ্যতাই কাৰ্বি সমাজলৈ অনা পৰিবৰ্তনৰ বিৰোধী। কিন্তু সি সত্য নহয়। উপন্যাসখনে দেখুৱাইছে কাৰ্বি সমাজৰ পুৰণি কথাবোৰৰো ভালখিনি, কাৰ্বি লোকৰ সততা, সাধুতা, সৰলতা কাৰ্বি সমাজৰ অমূল্য সম্পদ। নতুন ধনিক সভ্যতাই অনা ধনৰ কুপ্ৰভাৱে অনা দুৰ্নীতি, অনাচাৰ, ক্ষমতালিপ্সাহে কাৰ্বি সমাজৰ অভিশাপ। নতুন যুগৰ শিক্ষাই আনিব ধৰা নতুন সংস্কৃতি, জ্ঞান-বিজ্ঞানৰ পৰিবেশ কাৰ্বি সমাজৰ উন্নতিৰ বাবে অপৰিহাৰ্য। এইবোৰৰ অন্তৰায় হোৱা ক্ষমতাৰ যুঁজ, দুৰ্নীতি-অনাচাৰহে কাৰ্বি সমাজৰ মংগলৰ বাবে পৰিহাৰ কৰিবলগীয়া কথা। সেয়েহে কাৰ্বি পৰম্পৰাৰ, প্ৰতিনিধি, কাৰ্বি সমাজৰ সকলো ভাল কথাৰ প্ৰতিভূ ছাৰবাছা ছাৰইক তেৰাঙো স্কুল-কলেজলৈ গৈ ল'ৰা-ছোৱালীহঁতে নতুন শিক্ষা লাভ কৰাৰ বিৰোধী নহয়। বৰং আধুনিক স্কুল-কলেজীয়া শিক্ষাৰ তেওঁ সপক্ষে। সেই শিক্ষা যিসকল ৰাইজৰ মাজলৈ আনিছে, তেওঁলোক তেওঁৰ আদৰৰ। উপন্যাসখনে দেখুৱাইছে— ১৮৯৬ খ্ৰীঃত মুৰ আৰু কাৰৰেল চাহাবে কাৰ্বি পাহাৰ বা তেতিয়াৰ মিকিৰ পাহাৰত মিছন স্থাপন কৰি শিক্ষা প্ৰসাৰৰ বাবে চেষ্টা চলোৱা কথাটোত বেয়া পাবলগীয়া একো নাই। টীকা পাহাৰৰ সেই খ্ৰীষ্টান মিছনৰ প্ৰতিও তেওঁ শ্ৰদ্ধাশীল। নিজৰ ৰংমিলি গাঁৱৰ পৰা সেই মুৰ আৰু কাৰৰেলৰ টীকা পাহাৰৰ মিছন বহু দূৰ আছিল বাবে, আৰু সেই মিছন স্থাপন হোৱাৰ সময়ত তেওঁ দহ-এঘাৰ বছৰীয়া ল'ৰা এজনহে আছিল বাবে তেওঁৰ অৱশ্যে তাত পঢ়া সম্ভৱ নহৈছিল। একে কাৰণতে তেওঁৰ ডাঙৰ ল'ৰা-ছোৱালীহঁতকো তাত পঢ়োৱা সম্ভৱ নহ'ল যদিও সেই কাৰ্বি পাহাৰৰ মিছনতে শিক্ষা লাভ কৰি খ্ৰীষ্টান ধৰ্মত দীক্ষিত হৈ নতুন কাৰ্বি সমাজৰ শীৰ্ষস্থানীয় লোক হৈ উঠা লৰেঞ্চ হাঞ্চেৰ প্ৰতিও ছাৰইক তেৰাং শ্ৰদ্ধাশীল। লৰেঞ্চ হাঞ্চেৰ ঘৰলৈ গৈ তেওঁৰ লগত ছাৰইকে একেলগে চাহ-জলপান খাই কথা-বতৰা হয়। এনে উদাৰতাৰেই তেওঁ নিজৰ সৰু পুতেককো এতিয়া শিক্ষাৰ বাবে স্কুললৈ পঠিয়ালে। অৱশ্যে খ্ৰীষ্টান মিছন স্কুললৈ নহয়, ভৈয়ামৰ নগাঁও জিলাৰ কামপুৰৰ অসমীয়া স্কুললৈহে। কামপুৰৰ ধনেশ্বৰ মাষ্টৰ তেওঁৰ অন্তৰংগ অসমীয়া বন্ধু। এই অসমীয়া বন্ধুৰ অভিভাৱকত্বতে তেওঁৰ ঘৰতে পুতেকে থাকি স্কুলীয়া শিক্ষা লাভ কৰক বুলি সৰু পুতেকক কামপুৰলৈ পঠিয়াই দিলে। ঔপন্যাসিকে যেন ক'ব খুজিছে— এনে উদাৰতাহে কাৰ্বি সমাজৰ বাবে মংগল। খ্ৰীষ্টান মিছনৰ অৱদানৰ প্ৰতি ঘৃণা, অসমীয়াৰ সৈতে সম্পৰ্কৰ প্ৰতি ঘৃণা কাৰ্বি সমাজৰ মংগলৰ অন্তৰায়। আনহাতে, কাৰ্বিসকলৰ আত্মপ্ৰতিষ্ঠাৰ যি স্বাভাৱিক প্ৰয়াস, তাত অসমীয়াসকলেও আন্তৰিক সহযোগিতা কৰাটো কাৰ্বিসকলৰ কাম্য বুলি উপন্যাসখনে আভাস দিছে। সেয়েহে কাহিনীৰ সামৰণিত এখন কাৰ্বি প্ৰথাগত দৰবাৰ অনুষ্ঠিত হৈছে। '১৯৩৭ চনৰ পৰা কাৰ্বি জনগোষ্ঠীৰ একমাত্ৰ লেজিস্লেটিভ এছেম্বলিৰ সদস্য' (অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮১, পৃ.৭৩, পাদটীকা) খৰছিং তেৰাঙৰ নেতৃত্বত বহা এই দৰবাৰত ভৈয়ামৰ অসমীয়াসকলেও গৈ যোগ দি সমৰ্থন দি উৎসাহ যোগাইছে। আনকি, এই দৰবাৰত সভাপতি আছিল বুলিও দেখুওৱা হৈছে— 'মুৰত পাগুৰি মৰা সুন্দৰ অসমীয়া মানুহ এজন— কিবা গোস্বামীনে কি।' (পৃ.১৮৮) এয়া নিশ্চয় সেই সময়ৰ

বান্ধৱৰ মহেশ চন্দ্ৰ দেৱগোস্বামীকে বুলি বুজোৱা হৈছে। 'কাৰ্বিসকলৰ দুৰ্দশা দেখি তেওঁ বৰকৈ দুখ কৰি ভাষণ দিছিল।' 'তেন্তে অসমীয়া লোকেও আমাৰ দুৰ্দশাবোৰ উপলব্ধি কৰিছে, নহয়নে আংহেই (মোমাইদেউ))?'— 'এৰা।' (পৃ.১৯৯)

কাৰ্বি পাহাৰত ভৈয়ামৰ অসমীয়াসকলৰ উপস্থিতি যদিও শুভ বুলিয়েই দেখুওৱা হৈছে, পূৰ্ববংগৰ পৰা মাটিৰ সন্ধানত অহা লোক, নেপালী, মাৰোৱাৰী আদি লোকৰ ইয়াত জীৱিকা অৰ্জনৰ ভূমিকা শোষণকাৰীৰ বুলিয়ে দেখুওৱা হৈছে বৃত্তান্তত। 'ৰংমিলিৰ হাঁহি'ৰ চাৰি বছৰ আগতে প্ৰকাশিত উপন্যাস জয়ন্ত ৰংপিৰ 'পুৱাতে এজাক ধনেশ' (১৯৭৭) খনতো এই একেই মনোভংগী।

উপন্যাসখনৰ কাল্পনিক কাহিনীৰ মাজেদি যেনেকৈ কাৰ্বিসকলৰ সামাজিক বাস্তৱতা ফুটাই তোলা হৈছে, তেনেকৈ কাল্পনিক কাহিনীৰ সামাজিক বাস্তৱতাক আকৌ সত্য ৰাজনৈতিক, সামাজিক সাংস্কৃতিক ঘটনাৰ বাস্তৱ আৰু ঐতিহাসিক পৰিপ্ৰেক্ষিতৰে অধিক বিশ্বাসযোগ্য কৰি তোলা হৈছে। কাহিনী উপস্থাপিত হৈছে ঊনবিংশ শতাব্দীৰ চল্লিছৰ দশকত। আৰু সেই চল্লিছৰ দশক এপিনে যেনেকৈ স্বাধীনতা আন্দোলনৰ চৰম পৰ্যায়, তেনেকৈ দ্বিতীয় মহাযুদ্ধৰ সংকটময় কাল। কাহিনীত এইবোৰ কথাৰ উল্লেখ আছে, আৰু এই দুই ঐতিহাসিক ঘটনাই কাৰ্বিসকলক কেনেকৈ বা কিমানখিনি স্পৰ্শ কৰিছিল তাকো উপন্যাসখনে আভাস দিছে। কাহিনীত ভৈয়ামৰ লোকৰ প্ৰতি সদ্ভাৱপূৰ্ণ ছাৰইক তেৰাঙে মহাত্মা গান্ধীৰ নাম শুনিছে। কিন্তু তেওঁৰ আন্দোলনৰ দ্বাৰা প্ৰভাৱিত হ'ব পৰা নাই। নগাঁও চহৰলৈ বন্দুক কিনিবলৈ গৈ যেতিয়া তেওঁ বন্দুকৰ দোকানী কৰুণা মিস্ত্ৰীৰ মুখত গান্ধীৰ নাম শুনিলে, তেতিয়াও তেওঁ তাত বিশেষ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাকৈ থাকিল। 'গান্ধীৰ উল্লেখে তাৰ মনত একো কৌতূহলৰেই সৃষ্টি কৰিব নোৱাৰিলে।' (পৃ.৪৯) নগাঁও চহৰত তেওঁৰ অসমীয়া পৰিচিত লোক এই কৰুণা মিস্ত্ৰীৰ লগত হোৱা কথা-বতৰাৰ পৰাও লেখকৰ কাম্য কাৰ্বি-অসমীয়া সম্পৰ্কৰ উমান পোৱা যায়—

'বুজিছে গাঁওবুঢ়া, বন্দুক পাবলৈ আজিকালি বৰ টান হ'ল।

কিয়?— ছাৰইকে নুবুজি আচৰিত হৈ দোকানীৰ মুখলৈ চাই ৰ'ল।

বন্দুক দিয়াটো বৰচাহাবে বন্ধ কৰিছে। বৃটিছ চৰকাৰৰ বিৰুদ্ধে গান্ধীয়ে আন্দোলন চলাইছে নহয়, সেই কাৰণেই।' (পৃ.৪৯)

কিন্তু এনে দিনতো বন্দুকৰ লাইচেঞ্চ পোৱাৰ উপায় দিলে কৰুণা মিস্ত্ৰীয়ে। কৰুণা মিস্ত্ৰীয়ে নিজে তেওঁৰ চিনাকি বন্ধু আৰু সম্ভাব্য গ্ৰাহক ছাৰইকক নগাঁৱৰ খ্ৰীষ্টান মিছনলৈ লৈ গ'ল। খ্ৰীষ্টান মিছনৰ পাদুৰীসকলক জিলাৰ বৰচাহাবেও মানে। তেওঁলোকৰ পৰা এখন চাৰ্টিফিকেট আনিব পাৰিলে লাইচেঞ্চ পোৱা যাব পাৰে। নগাঁও মিছনৰ চাহাব পাদুৰীয়ে ছাৰইক তেৰাং আৰু তেওঁৰ অঞ্চলৰ মানুহবোৰ লয়েল ছাব্‌জেক্ট বুলি লিখি দিলে। ছাৰইকক বন্দুক লাগে বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবৰ বাবে। ভৈয়ামৰ বন্ধু কৰুণা মিস্ত্ৰীৰ মধ্যস্থতাত এনেদৰে পোৱা এই চাৰ্টিফিকেটৰ ভিত্তিতেই কাৰ্বি পাহাৰৰ গাঁওবুঢ়াই বন্দুকৰ লাইচেঞ্চ পাই গ'ল।

কংগ্ৰেছ আন্দোলনে যেনেকৈ ১৯৪২ চনতো কাৰ্বি পাহাৰ জিলা বৰকৈ স্পৰ্শ কৰা নাই, তেনেকৈ দ্বিতীয় মহাযুদ্ধও তাত ইয়াৰ-তাৰ মুখত শুনা কথাহে। আকাশত উৰাজাহাজবোৰতেইহে তেওঁলোকে যুদ্ধৰ চিন দেখা পায়।

ওচৰৰ পাহাৰৰ অনা-অসমীয়াভাষী লোক ভৈয়ামৰ চহৰত বস্তু কিনিবলৈ বা বেচিবলৈ আহোঁতে

চহৰৰ ব্যৱসায়ীৰ আৰু অসমীয়াৰ লগত হোৱা অভিজ্ঞতাৰ ছাৱইক তেৰাং আৰু কৰুণা মিস্ত্ৰীৰ মাজৰ সম্পৰ্কৰ যি কাহিনী, তাৰো আদি ৰূপ লুম্বেৰ দাইৰ 'পৃথিৱীৰ হাঁহি'তে দেখা পোৱা যায়। তাত ডিব্ৰুগড় চহৰলৈ, ভৈয়ামৰ চহৰীয়া আওভাও বুজি পোৱা অৰুণাচলী ব্যৱসায়ীজনৰ লগত আছিছে। কেতিয়াও ভৈয়াম বা চহৰ নেদেখা অৰুণাচলী আদি ডেকা এজন 'ৰংমিলিৰ হাঁহি'ৰ ছাৱইকৰ লগতো তেনে এজন কাৰ্বি ল'ৰাই আছিছে। ইহঁতৰ চকুত ভৈয়ামৰ চহৰৰ প্ৰতিটো কথাই আচৰিত। আনহাতে চহৰলৈ আহি থকা আদি লোকজন বা কাৰ্বি লোকজন ভৈয়ামৰ মানুহৰ লগত ঘনিষ্ঠ।

'পৃথিৱীৰ হাঁহি'ত প্ৰেমৰ কাহিনী এটা উত্থাপন কৰি তাত ভেঁজা দিয়েই যেনেকৈ আদি সমাজৰ ৰীতি-নীতি, বিশ্বাস, সংস্কৃতি আদি সুন্দৰকৈ ফুটাই তোলা হৈছে, 'ৰংমিলিৰ হাঁহি'তো তেনেকৈ প্ৰেমৰ কাহিনী এটাক অৱতাৰণা কৰি তাৰ যোগেদি কাৰ্বি সামাজিক প্ৰথা, ধৰ্মীয় ৰীতি-নীতি আদিৰ বিতং পৰিচয় দাঙি ধৰা হৈছে। এইপিনৰ পৰা এইখন উপন্যাসো 'পৃথিৱীৰ হাঁহি'ৰ দৰে এখন সামাজিক ডক্যুমেণ্টৰি। কেৱল দুয়োখন উপন্যাসতে মানবিক কাহিনী দুটাৰ এনে কুশলী সংযোগ ঘটিছে যে দুয়োখন উপন্যাসেই সাধাৰণ ডক্যুমেণ্টৰি বা দলিলধৰ্মী উপন্যাসৰ ওপৰলৈ গৈ দুখন সুন্দৰ কলাকুশল উপন্যাস হিচাপে চাগে ধৰা দিছে। 'ৰংমিলিৰ হাঁহি'ৰ এই মানবীয় ভুৱত ছাৱইক . গাভৰু জীয়ৰী অম্ফুক ভাল পাইছে কানি খাই খাই যক্ষ্মাক্ৰান্ত হৈ মৃত্যুৰ ওচৰ চপা ছেং টেৰণে। এই ডেকাৰ মনৰ দৃঢ়তা আছিল, চৰিত্ৰ আছিল আৰু দেউতাকৰ মৃত্যুৰ পিছত ঘৰখন পুনৰ গঢ় দি তুলিবলৈ সি চেষ্টাও কৰিছিল। কিন্তু ছাৰইকে জীয়েকক দিবলৈ হ'লে সি কানি এৰিহে ঘৰখন তুলিব লাগিব বুলি তাক বুজাইছিল। সি ফল নধৰাত ছাৰইকে জীয়েকক অন্য এখন গাঁৱৰ এজন ডেকালৈহে যাচিলে। সামাজিক প্ৰথামতে জীয়েক দেউতাকৰে বাধ্য হৈ এই ডেকাজনলৈ যাবলৈ সন্মত হ'ল যদিও তাই আগৰ কানীয়া অসুখীয়া ডেকাজনকে ভাল পাইছিল। তাই পূৰ্বৰ প্ৰেমিক ছেঙৰ পৰা বিদায় লওঁতে প্ৰথমতে ব্যৰ্থ প্ৰেমিক ছেঙে তাইক প্ৰতাৰিকা বুলি ভৰ্ৎসনা কৰিছিল। কিন্তু পিছত অম্ফুৰ যুক্তিপূৰ্ণ কথা শুনি তাইক বিদায় দিলে। কাৰ্বি পাহাৰক যেন ৰোমাণ্টিক প্ৰেমে তেতিয়াও স্পৰ্শ কৰা নাই। তাতো প্ৰেম হয়। কিন্তু প্ৰেমিক-প্ৰেমিকা তাত পৰম্পৰাৰ বশৱৰ্তী, যুক্তিবাদী। ডেকা-গাভৰুৰ মাজত স্বাভাৱিক দৈহিক আকৰ্ষণো হয়, নাচ-গানৰ মাজেদি, ব্যক্তিগত সম্পৰ্কৰ মাজেদি। কিন্তু তেনে আকৰ্ষণে প্ৰেমৰ ৰূপ পালেও ৰোমাণ্টিক প্ৰেমৰ ৰূপ লোৱা দেখা নাযায়।

এয়া স্বাধীনতাৰ আগৰ কালৰ কাৰ্বি সমাজখনৰ নিঃসন্দেহে এটা সুন্দৰ ছবি তাৰ বিভিন্ন দিশত। এনেকৈয়ে অসমীয়া উপন্যাসত প্ৰথমে ৰজনীকান্ত বৰদলৈয়ে জন্ম দিয়া আৰু পিছত লুম্বেৰ দায়ে গঢ় দিয়া জনজাতীয় সমাজৰ ধাৰাটিক ৰংবং তেৰাঙে পুষ্ট কৰিলে। সেই ধাৰাৰেই অকল এইখন উপন্যাস এখন বিশিষ্ট উপন্যাস নহয়। সমগ্ৰ অসমীয়া সাহিত্যৰ এইখন এখন বিশিষ্ট উপন্যাস— এক মূল্যবান সাহিত্যকৰ্ম। ৰজনী বৰদলৈয়ে প্ৰথমতে জনজাতীয় জীৱন আৰু সংস্কৃতিক লৈ উপন্যাস ৰচনা কৰি যিটি ধাৰাৰ সূচনা কৰিছিল, সেই ধাৰাটিক পুষ্ট কৰোঁতে এই দুই ঔপন্যাসিকে ৰজনী বৰদলৈক উত্তৰণ কৰিলে। কাৰণ, এই দুই ঔপন্যাসিকে ৰজনী বৰদলৈৰ দৰে কেৱল জনজাতীয় লোকৰ প্ৰতি ভালপোৱা আৰু তেওঁলোকৰ জীৱন-সমাজ-সংস্কৃতিক বুজিবলৈ চেষ্টা কৰি তাক তুলি ধৰা কথাটোৰ আৰু ওপৰলৈ গৈ নিজৰ নিজৰ জনজাতীয় সমাজ-সংস্কৃতি আৰু তাৰ সংকটকালীন অৱস্থাক পাঠক সমাজৰ আগত দাঙি ধৰিছে। এইদৰে পাঠক সমাজক চিন্তাৰ খোৰাক দিছে তেওঁলোকৰ জীৱন আৰু সমাজ-সংস্কৃতিৰ বিষয়ে। ৰজনী বৰদলৈৰ উপন্যাসত যদি ধৰা পৰিছিল মিছিং লোক

আৰু তেওঁলোকৰ সমাজ-সংস্কৃতিৰ প্ৰতি তেওঁৰ মোহ, এই দুই উপন্যাসতো ধৰা পৰিছে দুই ঔপন্যাসিকৰ নিজৰ নিজৰ লোক আৰু সমাজৰ প্ৰতি ভালপোৱাৰ লগতে নিজৰ নিজৰ সমকালীন সমাজৰ সমালোচনাও। পিছত একে আৰ্হিতে একে উদ্দেশ্যত ৰচনা কৰে য়েছে দৰজে ঠংচিয়ে অৰুণাচলৰ সমাজক লৈ 'চনম'(১৯৮১), 'লিংঝিক'(১৯৮৩), 'মৌন ওঁঠ মুখৰ হৃদয়'(২০০১) আৰু 'শৰ কটা মানুহ'(২০০৪)। বিষ্ণু ৰাভাৰ 'মিচিং কেবাং'(সঠিক প্ৰকাশৰ তাৰিখ জনা নাযায়, প্ৰথম 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনাৱলী'ত ইয়াৰ প্ৰকাশৰ কাল ১৯৮৯) উপন্যাসখনো যদিও একে ধাৰাৰ, ইয়াৰ আৰু এটা ওপৰঞ্চি আয়তন আছে। সি হ'ল এই যে মিচিংসকলৰ সমাজ-সংস্কৃতি দলিলধৰ্মী উপন্যাসৰ ৰূপতে প্ৰকাশ কৰাৰ উপৰি এইখন উপন্যাসে জনজাতীয় লোকসকলৰ অসমীয়াভাষী লোকসকলৰ সৈতে সু-সম্পৰ্কৰ ওপৰত গুৰুত্ব দিওঁতে তাৰ পথত অন্তৰায় হোৱা অসমীয়াভাষী লোকসকলৰ মনোভংগীকো এই উপন্যাসে সমালোচনা কৰিছে এক স্বাস্থ্যকৰ মনোভংগীৰে।

স্মৃতিৰ পাপৰি

সহধৰ্মিণী কানাম হাঞ্চেপীৰ মৃত্যুৰ পাছত ডায়েৰীৰ পাতত তেওঁ লিখি থৈ যোৱা গীত-কবিতা আৰু অন্য দুটিমান লেখা সংকলন কৰি প্ৰকাশ কৰে ৰংবং তেৰাঙে। বীৰেন সিংহৰ সুন্দৰ অলংকৰণেৰে প্ৰকাশ পোৱা এই গ্ৰন্থত কানাম হাঞ্চেপীৰ কাৰ্বি গীত-কবিতাৰ লগতে তেওঁৰ মৃত্যুত বিভিন্নজনে আগবঢ়োৱা শোকবাৰ্তা, কানামৰ চিঠিৰ টুকুৰা অংশ, তেওঁ লাভ কৰা বিভিন্ন মানপত্ৰ আদিও সংকলিত হৈছে। লগতে আছে কানাম হাঞ্চেপীৰ সোঁৱৰণত লিখা দুটি লেখা।

৫

ৰংমিলিৰ হাঁহিত পুৰাতন সমাজ ধাৰা আৰু আধুনিকতাৰ উপাদানৰ মাজত সৃষ্টি হোৱা দ্বন্দই একপ্ৰকাৰ সমান্তৰাল বিষয়বস্তুৰ অৱতাৰণা কৰিছে। পিছে এই দ্বন্দৰ ভাষ্যক এই বিষমতাই তেৰাঙৰ কথাশৈলীক এক চলন শক্তি দান কৰিছে।

৬)

কল্পকথাৰ আৰম্ভণি, প্ৰাৰম্ভিক সামাজিক সোপান

ড° গৰিমা কলিতা

ভিন্ন সামাজিক স্তৰৰ আলোচনাত সমাজতাত্বিকে তত্বৰ সন্ধান কৰে- তাক এক মজবুত সমালোচনামূলক ভেটি দিবৰ বাবে নহয়, বৰঞ্চ বিভিন্ন ৰূপত সিঁচৰতি হৈ থকা সমলসমূহৰ নিৰ্মাণ মূলক গাঁথনিৰ ধাৰণা আয়ত্ত কৰিবৰ বাবেহে। কাৰণ হাজাৰ বছৰৰ পূৰ্বে সমাজ তৈয়াৰ হৈছিল আৰু যিমানে আদিম নহওক কিয় তাৰ যে এক ভেটি (base) আছিল আৰু ই এক superstructure ৰ বিভিন্ন প্ৰকাশক এক প্ৰাথমিক উপাদানৰ সমল দিছিল, তাত কোনো দ্বিমত নাই।

Myth বা কল্পকথাই এক বাস্তৱ তৈয়াৰ কৰে, ই ভাষাৰ দ্বাৰা গঠিত আৰু তাৰ এক অনন্য অস্তিত্ব আছে। সমাজ বা মানুহৰ লগত ই অঙ্গাঙ্গী ৰূপত জড়িত হৈ আছে। ই এনে এক ধৰাতলৰ সৃষ্টি কৰে যে সমাজ বা গোষ্ঠীগত অস্তিত্বৰ (দৈনন্দিন, দাৰ্শনিক, জাগতিক, ইত্যাদি সকলো গঠনগত প্ৰক্ৰিয়া ই প্ৰকাশ কৰে। এই গঠনগত প্ৰক্ৰিয়া চছুৰৰ ভাষাৰ গঠনমূলক আৰু signifying প্ৰক্ৰিয়াৰ লগত জড়িত। যেনেদৰে শব্দ বা ভাষাৰ চিহ্ন ব্যৱহাৰৰ লগে লগে সেই বস্তু বা মানুহৰ ওপৰত signification ৰ কাৰ্য বা প্ৰক্ৰিয়া আৰম্ভ হ'ল। Terrorist বা freedom fighter বুলি এজন মানুহক চিহ্নিত কৰাৰ লগে লগে, এই দুই শব্দৰ সেই মানুহজনৰ ছবিৰ ওপৰত আমাৰ ভাৱগত বা অৰ্থগত মূল্যাংকন আৰম্ভ হ'ল। এই মূল্যাংকনৰো নিজৰ এটা অৰ্থ বা অস্তিত্ব থাকিব লাগিব। গোষ্ঠী বা সমাজেও সেই ধৰণৰ ভাষাগত 'ভাব'ৰ দ্বাৰা বান্ধ খাই এক ইটোৰ লগত সিটো সংলগ্ন, এক গাঁথনিক ভিত্তি তৈয়াৰ কৰে। 'ৰংমিলিৰ হাঁহি'ত ছাৰবাছা বা কাৰ্বি সমাজৰ ভিন্ন গোষ্ঠীৰ পিতাপগত

নামাংকনৰ লগত সামূহিক অস্তিত্বৰ জৰীডাল সাঙোৰ খাই আছে।

লেখকৰ কথাশৈলীয়ে নিৰ্মাণ কৰি উলিয়াইছে 'ৰংমিলি' নামৰ গাঁৱৰ কাৰ্বি জনগোষ্ঠীৰ সৰু বৰ বিভিন্ন সাংস্কৃতিক গোট (unit) ৰ প্ৰতিচ্ছবি। ই কল্পচিত্ৰ বা fantasy ৰ সমপৰ্যায়ৰ কিয়নো জীৱন্ত বাস্তৱৰ এখন ক্ষয়ীভূত সমাজৰ, এক অতীতৰ সম্পূৰ্ণ জীৱন্ত চৰিত্ৰ আৰু লগতে পৰম্পৰাগত সমাজৰ ক্ৰমাৎ পৰিবৰ্তিত ৰূপ।

এই উমৈহতীয়া গোষ্ঠীগত জীৱনৰ চিত্ৰই কোনো বিশেষ ব্যক্তিৰ ব্যক্তিগত সংঘাতৰ ৰূপ ফুটাই নোতোলে- ই Lukács ৰ exterior আৰু interior ৰ উমৈহতীয়া ভাষা। চৰিত্ৰ সৃষ্টিৰ প্ৰাথমিক উদ্দেশ্য এইক্ষেত্ৰত মনোবৈজ্ঞানিক বিশ্লেষণ নহয়— বৰঞ্চ সামাজিক আৰু সাংস্কৃতিক গোটসমূহৰ কৰ্মৰাজিৰ লগত সম্বন্ধিত ব্যক্তিৰ জীৱনৰ বিভিন্ন দিশৰ এক প্ৰকাৰৰ প্ৰকাশ। ব্যক্তিৰ চালিকাশক্তি অঙ্গাঙ্গীভাৱে সাঙোৰ খাই থাকে অনুষ্ঠানসমূহৰ লগত সামাজিক বান্ধোন, ৰীতি-নীতি, ক্ৰিয়া-প্ৰক্ৰিয়া সুকলমে সমাপন হোৱাৰ লগত। এই প্ৰাথমিক প্ৰক্ৰিয়াসমূহৰ উৎসত আছে প্ৰকৃতি আৰু মানুহৰ চিৰন্তন সম্পৰ্ক।

'ৰংমিলিৰ হাঁহি'ত পুৰাতন সমাজধাৰা আৰু আধুনিকতাৰ উপাদানৰ মাজত সৃষ্টি হোৱা দ্বন্দ্বই একপ্ৰকাৰ সমান্তৰাল বিষয়বস্তুৰ অৱতাৰণা কৰিছে। পিচে এই দ্বন্দ্বৰ ভাষ্যক এই বিষমতাই তেৰাঙৰ কথাশৈলীক এক চলনশক্তি দান কৰিছে। dialectics বা সংঘাত এক বিমূৰ্ত ভাষা নহয়, ই এক অৰ্থব্যঞ্জক শক্তিশালী বাহক। ব্যঞ্জনাসুলভ বাক্যৰ সঘন ব্যৱহাৰ ৰংবং তেৰাঙৰ এক বিশিষ্ট কথনভংগী। তেওঁ নিজেই যিহেতু এইখন সমাজৰ এক বিশিষ্ট অংগ, যিহেতু তেওঁ এই সমাজৰ পুৰাতন আৰু নব্য সকলো হাৰাশানীৰ লগত ওৱাকিবহাল পুৰামাত্ৰাই- লেখকে আয়ত্ত কৰিছে তেনে প্ৰাঞ্জল প্ৰকাশৰ কিছু অননুকৰণীয় কৌশল। উপন্যাসৰ কোনো কোনো এনে ধৰণৰ ব্যঞ্জনা বা সচিত্ৰ বৰ্ণনা পোৱা যায় যে ৰংমিলিৰ বিভিন্ন ৰূপ, ৰং, পথাৰ-পাহাৰ, জুমতলী সকলোবোৰ, বিভিন্ন মিনিয়েচাৰৰ দৰে মূৰ্তিমান হৈ থাকে। ইয়াত ভাষাই এক স্বকীয় বাস্তৱতা বা অস্তিত্ব তৈয়াৰ কৰিছে যিটো, গঠনবাদী বা নিৰ্গঠনবাদী দুয়ো খেলৰ সমালোচক বা চিন্তাবিদৰ বাবে চিন্তাৰ সমল। বৰ্ণনাৰ এক condensed বা সামূহিক অৰ্থ প্ৰকাশৰ এক ধাৰা এই উপন্যাসত আছে।

দূৰৰ পুন্জা পাহাৰৰ ওখ চূড়া ৰেখাই পশ্চিম দিগন্তৰ সূৰুযৰ ৰাঙলী আভাক ক্ৰমে ঢাকি ধৰিলে। বৰপানী নৈৰ পাৰে পাৰে জাকৰুৱা ম'হৰ টিলিঙাৰ শব্দবোৰ ভাহি আহিল। বোকাত লেটি লোৱা ম'হৰ গোন্ধৰ সৈতে নৈৰ পাৰৰ ভাং গছৰ গোন্ধ একাকাৰ হৈ ছাৰইকৰ নাকত লাগিলহি। গাঁৱৰ কোনোবা ডেকাই গোৱা প্ৰণয়-গীত এফাকি সি শুনিলে—

ছাৰবাছা বা গাঁওবুঢ়া ৰংমিলিৰ মুখ্য চৰিত্ৰ আৰু প্ৰায় সকলো চৰিত্ৰকে পৰিচয় দান কৰা এক কেন্দ্ৰীয় স্তম্ভস্বৰূপ। যেন ৰংমিলিৰ সামগ্ৰিক দায়িত্ব ছাৰপিক বা ছাৰবাছাই বহন কৰিছে। ৰংমিলিৰ মূৰ্ত ৰূপ (personified form) এই গাঁৱৰ সকলো ঘটনা, উপঘটনা আৰু পৰিঘটনাৰ মুখ্য উপজীব্য। ব্যক্তিগত আৰু সামূহিক অস্তিত্বৰ ব্যঞ্জনা আৰু প্ৰকাশ ব্যক্ত কৰিছে জিৰচং (ডেকাচাং)ৰ বৰ্তমান ৰূপ আৰু পৰম্পৰাগত শৈলী বা ৰূপকৰ সমান্তৰাল চিত্ৰই।

ছাৰইক তেৰাঙৰ বন্দুক কিনা খণ্ডটোৰ ৰোমাঞ্চ কোনোগুণেই পৰৱৰ্তী যুগৰ অতি সভ্য সমাজৰ সুখ-দুখ সমন্বিতে ব্যৱহাৰিক আনন্দতকৈ কম নহয়। এই উপন্যাসৰ এক বিশিষ্ট আকৰ্ষণ হৈছে এই যে- ইয়াত সৰলতা এক মূৰ্ত ৰূপক। ই প্ৰত্যেকটো দৃশ্য বৰ্ণনা, আবহাৱা, চৰিত্ৰ চিত্ৰণ ইত্যাদিৰ লগত

অংগাংগী ৰূপত জড়িত হৈ আছে। ৰংমিলিৰ হাঁহিৰ আবেদন সাৰ্বজনীন। কিয়নো ইয়াত থকা সাৰ্বজনীন মূল্যসমূহ, চাৰিত্ৰিক একৰেখীয় সমতল, ঘটনাপ্ৰবাহৰ ঋজু গতি- ইত্যাদিত জটিলতাৰ ঠাঁই নাই। উপন্যাসত বৰ্ণিত, টীকা পাহাৰৰ চূড়াৰ পৰা, কাৰবি লাংপিৰ দুয়োপাৰে ছটিয়াই দিয়া সূৰ্যৰ বৰ্ণিলছটাৰ দৰেই সপ্ৰতিভ, বৰ্ণাভ আৰু সবল কাৰ্বিসকলৰ জীৱন।

এই ধৰণৰ সামাজিক চিত্ৰত ব্যক্তিগত সুৰ, voice ৰ ঠাই প্ৰায়েই অধিকাৰ কৰে নৈৰ্ব্যক্তিক সামাজিক স্তৰে- ই ব্যক্তিগত খং, আবেগ আৰু অভিমান অতিৰঞ্জিত কৰি প্ৰকাশ নকৰে। সকলোখিনি প্ৰকাশ হয় symbolically, representative ধৰণে as signs of something or as signs themselves. ৰংমিলিৰ হাঁহিত, সচেতন লেখকে ব্যক্তিগত আবেগৰ পৰাকাষ্ঠা দেওখুৱা নাই। ৰংমিলিৰ প্ৰত্যেকটো ৰূপতে— সামাজিক বা নৈসৰ্গিক, লাগি আছে আদিম সমাজৰ সবল মানৱতাৰ মূৰ্ত প্ৰকাশ। ইয়াত খং, ৰাগ, অভিমান স্বতঃস্ফূৰ্ত; ইয়াত প্ৰেম-ভালপোৱা, আদৰ, গ্ৰহণ আৰু সহনশীলতা যিদৰে আছে- নএগ্ৰাৰ্থক আৱেগৰ ভয়ানক প্ৰকাশো নোহোৱা নহয়। কিন্তু বৰ সাৱধানতাৰে লেখকে চৰম আৱেগৰ মুহূৰ্তসমূহ পৰিশীলিত কৰিছে ব্যঞ্জনাৰ বৈচিত্ৰ্যৰে। এইক্ষেত্ৰত ব্যঞ্জনা বা ৰূপকৰ ব্যৱহাৰৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। প্ৰকৃতিয়ে ইয়াত কেৱল এক চাৰিসীমা বা পটভূমিয়েই বান্ধি দিয়া নাই- মানৱ অস্তিত্বৰ সমগ্ৰ ধৰাতলতে ইয়াৰ কাৰ্য-কাৰণ অনুভূত হৈছে আৰু প্ৰকৃততে এই উপন্যাসৰ ইয়ো এক বৈশিষ্ট্য যে নৈসৰ্গ বৰ্ণনাৰ ভিন্ন প্ৰকাশ (ব্যক্তিগত বা সামাজিক)- এক সমান্তৰাল মূল্য নিৰূপক অভিক্ষেপ।

উপন্যাসৰ বিশেষ কেইটামান নাটকীয় মুহূৰ্তত যেতিয়া ব্যক্তিগত আৱেগৰ প্ৰকাশ তথা সামাজিক অনুষ্ঠানৰ এক সংঘাত প্ৰস্ফুটিত হৈছে, লেখকৰ কথাশৈলীত নৈসৰ্গই পৰিগ্ৰহ কৰিছে এক বিশেষ ৰূপ- ই হৈছে এক বিশেষ অতিমানৱীয় শক্তিৰ আধাৰ। সেয়ে প্ৰকৃতি আৰু যাদু বিদ্যাৰ (magic) ঘনিষ্ঠ সম্বন্ধ অতি প্ৰাঞ্জলভাৱে বৰ্ণিত হৈছে। আদিম সামাজিক অস্তিত্বই যেতিয়া প্ৰকৃতিৰ শক্তিৰ এক প্ৰকাৰ সমভাগী হয়; প্ৰকৃতিক শক্তিৰ সমান্তৰালভাৱে এক প্ৰকাৰৰ স্থায়ী উপযোগিতা আশা কৰে— Homeopathic যাদুৰ অনুশীলন কৰে। প্ৰকৃতি বা ঈশ্বৰৰ ওচৰত পদানত মানুহে কিন্তু আকাংক্ষা কৰে ক্ষমতালব্ধ স্থানৰ বাবে। সেয়ে বিশ্ব, মানৱ, জীৱনৰ অৰ্থ, সমাজ আৰু বিশ্বচৰাচৰৰ মাজৰ অন্তৰ্নিহিত সম্পৰ্কৰ বিষয়ে চিন্তা-চৰ্চা আৰম্ভ কৰে। কিন্তু এটা কথা ঠিক যে বুদ্ধি আৰু যুক্তিৰ প্ৰয়োগ সামাজিক উত্থানৰ লগত জড়িত। সেয়ে ব্যক্তিৰ উক্তি ভাব আৰু প্ৰকাশ সমাজৰ নীতি-নিয়ম আৰু ব্যৱস্থাসমূহৰ সৈতে বান্ধি পেলোৱা হৈছিল।

প্ৰখ্যাত নৃতত্ত্ববিদ Claude Levi Strauss এ তেওঁৰ A World on the Wane গ্ৰন্থত আদিম মানৱ সমাজৰ অস্তিত্ব, ৰীতি-নীতি, ব্যৱহাৰ আদিৰ ওপৰত বুদ্ধিদীপ্ত আৰু বিজ্ঞানসন্মত ব্যাখ্যা আগবঢ়াইছে। প্ৰকৃততে এই গ্ৰন্থত তেওঁ বৰ্ণনা কৰা মতে, লেটিন আমেৰিকাৰ ব্ৰাজিলত প্ৰাথমিক মানৱ সমাজৰ সংস্থাপন, গ্ৰাম্যৰ পৰা নগৰ সভ্যতালৈ সম্প্ৰসাৰণেই কেৱল দাঙি ধৰা নাই; মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ই এক জীৱন্ত দলিল হিচাপেও চিহ্নিত হৈছে। মানৱ সভ্যতাৰ উন্নতিৰ প্ৰকৃতি বা ধাৰণাৰ ওপৰত ই এক দাৰ্শনিক আলোকপাত। আদিম সমাজৰ সামাজিক আচাৰ, বিশ্বাস আৰু নিয়মৰ ওপৰত, আৰু তাতোকৈ ডাঙৰ কথা, পুৰাকথা বা কল্পকথাসমূহৰ চলন্তি আৰু প্ৰভাৱৰ ওপৰত তেওঁৰ মতামত হৈছে— 'I see these predilections as a form of wisdom which primitive peoples put spontaneaously into practice; the madness lies rather in our

modern wish to go against them. These primitive peoples attained quickly and easily to a peace of mind which we strive for at the cost of innumerable rebuffs and irritations.' (p. 126, A World on the Wane)

Myth বা কল্পকথাসমূহে এই সমাজক যোগান ধৰে, জীয়াই থকাৰ বাবে সমল- তত্ত্ব আৰু জ্ঞান। ইয়াৰ প্ৰভাৱ বা ভূমিকা শিল্পী, কবি আৰু সঙ্গীতজ্ঞৰ কৰ্মৰ দৰে। (Levi Strauss, p. 127)

প্ৰকৃতিৰ বৰ্ণনাৰ লগত একাকাৰ হৈ আছে মানুহ আৰু সমাজৰ বৰ্ণনা। এই নিৰবচ্ছিন্ন সম্পৰ্কৰ ধ্বজাবাহক ভিন্ন সামাজিক অনুষ্ঠানসমূহে প্ৰকৃতিৰ লগত এৰাব নোৱৰা বান্ধোন সূচাই কিন্তু লগতে বুদ্ধিশীল মানুহে প্ৰকৃতিৰ নিয়মক কাৰচেজিয়াকৈ নিজৰ উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা ক্ষমতা আৰু ইচ্ছা নুই নকৰে। সামাজিক অনুষ্ঠানসমূহ নিখুঁত ৰূপত পৰিচালিত হোৱাৰ ওপৰতে নিৰ্ভৰ কৰিব সামাজিক গাঁথনিৰ শক্তি। লেখকে ছাৰবাছাক এই ঐতিহ্যৰ চলমান বাহক হিচাপে দেখুৱাইছে। সময় আৰু পৰিবৰ্তনৰ কোবাল বতাহে বাৰুকৈয়ে জোকাৰি যোৱা ৰংমিলিৰ এই সামগ্ৰিক ৰূপ কথাশৈলীৰ যোগেদি প্ৰস্ফুটিত হৈছে। ৰংমিলিৰ হাঁহি এক প্ৰকাৰৰ ৰাজনৈতিক উপন্যাস নহয় যেনেদৰে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ইয়াৰুইঙ্গমৰ এক ৰাজনৈতিক বৈশিষ্ট্য আছে। অৱশ্যে সেই উপন্যাসত কথাশৈলীৰ কথক আছিল extradiegetic narrator. তেওঁ আছিল এক প্ৰকাৰৰ বাহিৰৰ চৰিত্ৰ- এক বিশেষ পটভূমিত এক তৃতীয় পুৰুষ (other বা সিজন হিচাপে)। কিন্তু এই উপন্যাসত লেখক এজন কথকেই (narrator) নহয়, তেওঁ এটা চৰিত্ৰও। এনেধৰণৰ বহু ইঙ্গিত লেখাত আছে য'ৰ পৰা অনুধাৱন কৰিব পাৰি যে ছাৰবাছাৰ ল'ৰা হেমাই , যি পৰম্পৰাগত কাৰবি সমাজৰ সাংস্কৃতিক ধ্বজাবাহক কিন্তু লগতে, আধুনিক সমাজত জীণ যাব পৰাকৈ ভৱিষ্যতৰ প্ৰতিভূ আৰু বৰ্তমান উপন্যাসৰ কথক।

উপন্যাসৰ পাঁচ নম্বৰ অধ্যায়ত আছে ছাৰইক তেৰাঙৰ ঘৰৰ চ'জুন পূজাৰ দৃশ্য। এনেধৰণৰ মনোমোহা, জাতীয় জীৱনৰ সমূহীয়া আনন্দৰ মূৰ্ত প্ৰকাশ অসমীয়া সাহিত্যত বিৰল। প্ৰতিটো শাৰীয়ে ব্যক্ত কৰিছে মানৱমনৰ আৱেগৰ থৌকিবাথৌ, নিৰ্মল আনন্দৰ নিৰ্জৰ আৱেগৰ ফোৰাৰা- এই দৃশ্য বা অধ্যায়ৰ গুৰুত্ব আমাৰ মতে, বৃদ্ধি কৰিছে বহুকেইটা বিপৰীত গুণবিশিষ্ট ভাবৰ কৌশলী সংযোজনে। প্ৰত্যেকটো ধৰ্মীয় অনুষ্ঠানৰ আচাৰ, তাৰ বিৱৰণ ইমান জীৱন্ত যে লেখকে অতি অনায়াসে অনেক চিত্ৰকল্প তৈয়াৰ কৰিছে।

'ফংৰং গছৰ ডাল চাৰিটা চাৰি চুকত থিয়কৈ পুতি তাৰ ওপৰত চাং এখন সজাইছে... চাংখনৰ ওপৰলৈকে এটি জখলা ... (পৃষ্ঠা ২৮)

'কাষৰ সৰু চাঙৰ বেদীখনি ছাৰ্ দেৱতাৰ। চাংখনৰ ওপৰত ধানখেৰেৰে সজোৱা প্ৰতিমূৰ্তি এটা থিয় কৰি থোৱা আছে। (পৃঃ ২৮-২৯)

'আদহীয়া পূজাৰীজনে পিঠাগুৰি ছটিয়াই ছটিয়াই পূজাৰ বেদীবোৰ পবিত্ৰ কৰি ল'লে। (পৃঃ ২৯)

'দেৱতাৰ স্তুতি মন্ত্ৰৰ ধ্বনিয়ে এক পবিত্ৰ পৰিবেশ জগাই তুলিলে। (পৃঃ ২৯)

এক আদিম আনন্দ, দুখ, উৎকণ্ঠ আৰু অন্য আৱেগ অনুভূতিৰ পূৰ্ণ প্ৰকাশে এই বিশেষ অধ্যায়টোক কৰি তুলিছে অনন্য।

'পূজাথলীৰ উত্তৰ দিশত দীঘলীয়াকৈ সজোৱা এটি সৰু হাম্‌বেন। সেয়া অংনিহুৰ জিৰণি পঁজা।'

'মহিলাসকলৰ জিবণিঘৰ 'কুন্তিৰী' পূজাথলীৰ পশ্চিম কোণত অৱস্থিত।...'

'লাউপানী আৰু ফটিকাৰ নিচাত বুঢ়ী কিছুমানে ৰগৰ তুলিছে। দুই-এজনীয়ে কন্যা নির্বাচনৰ গোপন মেল পাতি হাঁহিছে।' (পৃঃ ৩১)

— এই বিশেষ অধ্যায়টিত আছে ব্যক্তি আৰু সমাজৰ অংগাংগী সম্বন্ধৰ এক অনির্বচনীয় ৰূপ। ভিন্ন প্রকাৰৰ বিৰোধ বা দ্বন্দ্বৰ (binary)ৰ চিহ্ন হিচাপে দেখা গৈছে ব্যক্তিগত/সামাজিক, আনন্দ/বিষাদ, ভৌতিক/আধিভৌতিক, অন্ধবিশ্বাসযুক্ত/পৰিৱর্তনকামী বা বৈপ্লৱিক উপাদানৰ সমাহাৰ। মানুহ/প্রকৃতি বা প্রকৃতি/সংস্কৃতি আদি দ্বন্দ্বমূলক স্থিতিৰো উপস্থাপন হৈছে, অতি সুচাৰুৰূপত। উপন্যাসৰ কথনভংগী এনে ধীৰ-স্থিৰ আৰু মিতভাষযুক্ত যে পৰিশ্রান্তিৰ অন্তত লাভ কৰা প্রশান্তিৰ এক অনির্বচনীয় ৰূপহে যেন প্রতিভাত হৈছে। কথাৰ ফাঁকে ফাঁকে লেখকে আনিছে কাৰবি সমাজৰ বিশ্বাস, লোককথা, আচাৰ, ধর্মীয় অনুষ্ঠানৰ খুটিনাটিৰ স্পষ্ট বর্ণনা। এই একেটা পাঠতে আছে কাৰবি ইতিহাসৰো বহুখিলা পৃষ্ঠা। 'হ'টন চাহাব' আৰু বেলেং চাহাবৰ শিক্ষা প্রসাৰত ভূমিকা আৰু এই ক্ষেত্রত সাধাৰণ কাৰবি ৰাইজৰ মনত উদয় হোৱা দ্বন্দ্ব বা অবিশ্বাসৰ চিত্র স্পষ্টভাৱে অংকন কৰিছে। 'হাঁবেছিক' ৰক্ষণশীল কাৰ্বি সমাজৰ প্রতিভূ আৰু ছাৰইকে প্রতিফলিত কৰিছে সময়ৰ পৰিৱর্তনৰ লগে লগে সমাজলৈ অহা বৈপ্লৱিক আবহাৱাৰ বতৰা। খ্রীষ্টান মিছনেৰীসকলৰ আগ্রাসী প্রভাৱৰ আগত নাজল-নাথল হোৱা পৰম্পৰাগত কাৰবি সমাজৰ সুলকি পৰা বান্ধোন— এই দুই দ্বন্দ্ব লেখকে বৰ কৌশলেৰে উপস্থাপন কৰিছে। যদিও এই ভাষ্য নঞর্থক চৰিত্র হাবেছিক'ৰ, ইয়াৰ লগত বাস্তৱ সমাজব্যৱস্থা আৰু সত্যৰ সম্বন্ধ নোহোৱা নহয়।

'মিছনেৰী' অহাৰ পৰা টীকা অঞ্চলৰ কাৰ্বিসকলৰ কোনো নিয়মেই জীয়াই থকা নাই। পেং চ'জুনটোৰ নামেই হেৰাল, আনকি গীত-মাতৰ লগতে মৃতকক সংকাৰ কৰা প্রথাও লুপ্ত হ'ল।"

এই দ্বন্দ্বমূলক, দুইধৰণৰ ভাবৰ সংলগ্নকাৰী তথ্যই মানৱ মনৰ সাধাৰণ দৃশ্যকেই উপস্থাপন কৰা নাই; ইয়াৰ লগে লগে আনিছে সময়ৰ সোঁতত পৰিবর্তিত কাৰবিসকলৰ এক বর্ধিত বা (ক্ষয়িষ্ণু?) সমাজৰ ৰেখাচিত্র। প্রকৃততে ৰংমিলিৰ হাঁহিৰ গুৰুত্ব অসমীয়া সাহিত্যত বহুকেইটা কাৰণত চিৰন্তন হৈ থাকিব।

এই উপন্যাসৰ, কথাচিত্র গ্রাম্য সহজ-সৰল পাহাৰীয়া জীৱনৰ ছবি- এই সহজ ৰেখাংকনৰ গুৰিত আছে এক সহজ জীৱনবোধ; জটিল অনাৱশ্যকীয় নাটকীয়তাৰ বাবে ইয়াত সমল দিয়া হোৱা নাই, আনকি অশুভ শক্তিৰ প্রতিভূ আৰু শুভ শক্তিৰ পৰিচায়ক ছাৰবাছা আৰু ছাৰইকৰ মাজৰ দ্বন্দ্বৰো কোনো অতিৰিক্ত মেৰপেঁচ দেখুওৱা হোৱা নাই— সমস্যাৰ সহজ বোধ আৰু নিৰসনো অতি সহজভাৱেই লেখকে দেখুৱাইছে।

Totem and Taboo গ্রন্থত ফ্রয়েডে বংশ বা গোষ্ঠীৰ উৎসস্বৰূপে চিহ্নিত দ্রব্য বা জন্তু আদিৰ লগত সমাজে নির্ণয় কৰি দিয়া নিষেধমূলক কার্যৰ সামাজিক উপযোগিতা আৰু তাৰ লগতে, ইয়াৰ অন্তৰালত থকা মনোবৈজ্ঞানিক কাৰণসমূহ বিশ্লেষণ কৰিছে। ৰংমিলিৰ হাঁহিত পৰিস্ফুট হোৱা কাৰ্বি সমাজৰ ৰীতি-নীতি, আচাৰ, বাধানিষেধ আদিৰ পম খেদি, এই মনস্তত্ত্ববিদজনৰ মতবাদ গ্রহণ কৰিব পাৰি। বিশেষকৈ চ'জুন পূজা উপলক্ষত প্রধান দেৱতা বাৰিথেলৈ উছর্গা কৰি কটা গাহৰিৰ মাংস সকলোৰে একেলগে ভক্ষণ কৰা কার্যত একধৰণৰ সামাজিক বিশ্বাসেই (সচেতন আৰু অচেতন) জড়িত হৈ আছে। ব্যক্তি আৰু সমাজৰ উমৈহতীয়া ধৰাতলত সকলো কার্যকাৰণেই দুয়োটা স্থিতিৰ লগত

সংলগ্ন। ফ্ৰয়েডে যেনেদৰে imitation বা অনুকৰণক মেজিক বা যাদুবিদ্যাৰ এক উপাদান হিচাপে গ্ৰহণ কৰিছে, সেইদৰে James Frazer ও তেওঁৰ The Golden Bough গ্ৰন্থত এইধৰণৰ প্ৰক্ৰিয়াক এক উল্লেখযোগ্য সামাজিক উপকৰণ হিচাপে স্বীকৃতি দিছে।

Totem বা নিষিদ্ধ জন্তু বলি দিয়া বা বধ কৰা কাৰ্যৰ লগত যি কাৰ্যকাৰণ জড়িত হৈ আছে, সেই বিষয়ে ফ্ৰয়েডৰ মতামত এনে ধৰণৰ যে এই বংশ বা কুল চিহ্নিত জন্তু বধ কৰা যায় এক সামাজিক কাৰ্যৰূপে আৰু ইয়াৰ ৰক্ষণাবেক্ষণ যেনেদৰে সামাজিক দায়িত্ব তেনেদৰে তাক ভক্ষণ কৰাও এক ধৰ্মীয় অনুষ্ঠান আৰু সমাজৰ অনুমতি প্ৰদত্ত প্ৰক্ৰিয়া। এই ধৰণৰ সামাজিক ভোজত ভাগ লোৱাটো এক পবিত্ৰ কৰ্তব্য বুলি গণ্য কৰা হয়। এই নিষিদ্ধ জন্তুৰ ভক্ষণৰ লগত, ব্যক্তিৰ গ্লানি আৰু পাপ কাৰ্যৰ সামাজিক নিষ্কাশন হয় আৰু এক প্ৰকাৰ ভক্ত আৰু ভগৱানৰ মাজৰ, ধৰ্মীয় আৰু দাৰ্শনিক যোগাযোগো সম্ভৱ হয়। এনেধৰণৰ জন্তু বলি দিয়া প্ৰক্ৰিয়া, মানৱ সমাজৰ কৃষি কাৰ্য আৰম্ভ হোৱাৰ আগৰে প্ৰথা বুলি বহু পণ্ডিতে মতামত আগবঢ়াইছে। (উইলিয়াম ৰবাৰ্টচন স্মিথ ঃ Religion of the Semites- ফ্ৰয়েডে উল্লেখ কৰা মতে)

" A sacrificial feast was an occasion on which individuals rose joyously above their own interests and stressed the mutual dependance existing between one another and their god."(Totem and Taboo)

একেলগে ভোজভাত খোৱাৰ লগত একে বংশগত বা গোষ্ঠীগত লোকৰ সম্ভাৰ আৰু সমপৰায়ণতা জড়িত হৈ আছে। ইয়াত এজনৰ পাপ কাৰ্যক সকলোৱে ভাগ-বটোৱাৰা কৰি ইয়াক এক সামাজিক কাৰ্যলৈ পৰিবৰ্তিত কৰে। পূজাত ব্যৱহৃত হোৱা মদ একপ্ৰকাৰৰ ধৰ্মীয় উচৰ্গা। আদিম সমাজত ধৰ্মীয় পানীয় হিচাপে প্ৰথমতে ব্যৱহাৰ হৈছিল বধ কৰা জন্তুৰ তেজ; পিছত ইয়াৰ সলনি ব্যৱহাৰ হ'বলৈ ল'লে— মদ বা ফটিকা। উপন্যাসত এনেধৰণৰ বৰ্ণনা আছে— 'প্ৰাৰ্থনাৰ মদ বিলোৱা হ'ল। পূজা-থলীত গোট খোৱা বুঢ়া-মেথাসকলে মাটিৰ ওপৰত মদ ঢালি একেলগে আশীৰ্বাদ মন্ত্ৰ উচ্চাৰণ কৰিলে। পূজা-থলীত মন্ত্ৰৰ গুম্‌গুমনি উঠিল।' (পৃঃ- ৩১)

যদিও জাতিগত বা গোষ্ঠীগত আচাৰ ইত্যাদিৰ মাধ্যমত উপন্যাসৰ কিছু অংশ বিচাৰ কৰা হৈছে, ৰংমিলিৰ হাঁহিৰ আবেদন কোনোপধ্যেই বুদ্ধিগত অনুশীলনৰ পৰিপূৰক নহয়। কিয়নো এই উপন্যাসৰ এক সুকীয়া বৈশিষ্ট্যই হ'ল, ইয়াৰ pastoral আৰু idyllic ৰূপ। ই এক প্ৰকাৰৰ গ্ৰাম্য সমাজৰ সহজ-সৰল দৰ্শনৰ এক অতিলৌকিক গাথা। ৰংমিলি প্ৰকৃততে James Hiltonৰ অমৰ উপন্যাস Lost Horizonত বৰ্ণিত ৰোমাঞ্চকৰ শ্বাংৰিলাৰ দৰে- সতেজ, সচেতন আৰু সপ্ৰতিভ এক ভিন্ন অস্তিত্ব। সেউজীয়া প্ৰকৃতিৰ কোলাত গঢ় লৈ উঠা আদিম সমাজৰ প্ৰাথমিক গুণবিশিষ্ট বিভিন্ন ৰঙৰ বৰ্ণিল সমাহাৰ আজিৰ একৈশ শতিকাৰ নাগৰিক সভ্যতাৰ তীখাৰ দৰে পৰিশীলিত আৰু পৰিমাৰ্জিত যান্ত্ৰিক কুচ-কাৱাজৰ আত্মম্ভৰিতাৰ মাজত সুদূৰ ৪০ ৰ দশকৰ পটভূমিত ৰচিত কাৰবি পাহাৰৰ 'ৰংমিলি' এক স্থিৰ কল্পকথাৰ দৰে স্থিত- ৰংমিলিৰ হাঁহি, বিষাদ, আবেগ, পুৰাকথা- সকলো যেন এক প্ৰতীকী ৰূপত স্থিৰ হৈ আছে। ভালদৰে বিচাৰ কৰিবলৈ গ'লে এই উপন্যাস, এক ক্ষয়িষ্ণু সমাজৰ কথাচিত্ৰমূলক শিল্প কৰ্ম; বহল অৰ্থত এক ব্যঞ্জনাপূৰ্ণ সাংস্কৃতিক পাঠ (cultural text)। পিচে এই পাঠৰ পঠন কাৰ্যৰ লগত জড়িত হৈ আছে এক গভীৰ বিষাদবোধ।

“

এই কাহিনী অশ্ৰুময়, মানবীয় মূল্যবোধৰ অপমৃত্যুৰে সেই কাহিনী বৰ কৰুণ। আন্দোলন আৰু নিৰ্বাচনক কেন্দ্ৰ কৰি বিভিন্ন জাতি জনজাতি অধ্যুষিত লংকা নামৰ ঠাইখনত জীৱন পৰিক্ৰমা কিদৰে বিঘ্নিত হৈছিল তাৰ এখন কৰুণ অথচ আকৰ্ষণীয় ছবি সৰল সহজ ভাষাত দাঙি ধৰিছে উপন্যাসখনত।

”

ক্ৰান্তিকালৰ অশ্ৰু

উপন্যাসত ইতিহাসৰ কৰুণ গাথা

নলিনীধৰ ভট্টাচাৰ্য

খ্যাতনামা ঔপন্যাসিক ৰংবং তেৰাঙৰ ‘ক্ৰান্তিকালৰ অশ্ৰু’ নামৰ উপন্যাসখন অসম আন্দোলনৰ আভাস থকা এটি কৰুণ কাহিনী। দৰাচলতে এই আন্দোলন আৰম্ভ হৈছিল এটা আশাপ্ৰদ স্থিতিৰে, কিন্তু শেহলৈ ই জাতি-জনজাতিৰ মাজত ঘৃণা আৰু বিদ্বেষ এনেকৈ বিয়পাই দিলে যে ধ্বংসৰ নিচাই সকলোকে বিভ্ৰান্ত কৰি তুলিলে। তাৰ পৰিণামত নেলীকাণ্ডৰ দৰে অমানুষিক কাণ্ডও ঘটিল। অসমৰ আকাশ মেঘাচ্ছন্ন হ’ল, অসমৰ মাটিত মানুহ হৈ পৰিল অসহায়। বিপ্লৱ তথা আমূল পৰিবৰ্তনৰ ঠাইত আমি যেন এখন মৃত্যু উপত্যকাত প্ৰৱেশ কৰিলো। সেয়ে, এই কাহিনী অশ্ৰুময়, মানবীয় মূল্যবোধৰ অপমৃত্যুৰে সেই কাহিনী বৰ কৰুণ। ৰংবং তেৰাং ডাঙৰীয়াই আন্দোলন আৰু নিৰ্বাচনক কেন্দ্ৰ কৰি বিভিন্ন জাতি-জনজাতি অধ্যুষিত লংকা নামৰ ঠাইখনত জীৱন পৰিক্ৰমা কিদৰে বিঘ্নিত হৈছিল তাৰ এখন কৰুণ অথচ আকৰ্ষণীয় ছবি সৰল-সহজ ভাষাত দাঙি ধৰিছে ‘ক্ৰান্তিকালৰ অশ্ৰু’ নামৰ উপন্যাসখনত। ক্ৰান্তিৰ ঠাইত উদ্‌ভ্ৰান্তিয়ে দেখা দিলে আৰু তাৰ ফল হ’লগৈ ঘৃণা আৰু বিদ্বেষৰ সংকীৰ্ণ বৃত্তত মানুহৰ আত্মিক অৱক্ষয় আৰু মূল্যবোধৰ সংকট। তাৰেই বলি হ’বলগা হৈছিল নিৰীহ মানুহবোৰ। থূলমূলকৈ এই ছবিখনকে আমি ‘ক্ৰান্তিকালৰ অশ্ৰু’ত পাওঁ। পুথিখনত শব্দৰাজিৰ অন্তৰালত ফল্গুধাৰাৰ দৰে বৈ আছে সংবেদনশীল লেখকৰ মানৱপ্ৰীতিৰ এটি জীৱন্ত প্ৰবাহ।

উপন্যাসখনৰ নায়ক প্ৰদীপ চলিহা, সম্ভৱতঃ তেওঁ লেখকৰে প্ৰতিভূ। তেওঁ বৰ্ণনাকাৰী; আন্দোলনৰ

কাহিনীৰ আভাস তেওঁ দি গৈছে। শেহতীয়াভাৱে চৰকাৰে অনুষ্ঠিত কৰা নিৰ্বাচন বৰ্জন কৰা সিদ্ধান্তই সাধাৰণৰ মাজত সমস্যাৰ সৃষ্টি কৰিছে। কলেজৰ শিক্ষকসকলে নিৰ্বাচনত কাম নকৰাৰ সিদ্ধান্ত লৈছে। চলিহাও কলেজৰে এজন শিক্ষক। তেওঁ সেই পথকে লৈছে। নিৰাপত্তাতো ক'তো নাই। নিৰ্বাচনৰ কামত গ'লে সুৰক্ষা দিব কোনে? নিৰ্বাচনৰ প্ৰসংগৰ লগতে আৰু সংকট আহিছে। এজন অৱসৰপ্ৰাপ্ত শিক্ষকক নিৰ্বাচন সংক্ৰান্ত কথাতে পুলিচে গ্ৰেপ্তাৰ কৰিছে। সেইদৰে, আন এজনকো জে'ললৈ নিছে। অৱসৰপ্ৰাপ্ত শিক্ষকজনক পতাকা জ্বলোৱাৰ দোষত জে'ললৈ নিয়া হ'ল, কিন্তু তেওঁৰ দৰে বিবেকবান সৎ মানুহ এজনে সেই কাম কৰা নাই, গণতন্ত্ৰ দিৱসত কোনোবাই পতাকা জ্বলালে, এই শিক্ষকজনক এনেয়ে দোষী সাব্যস্ত কৰা হ'ল। নতুন প্ৰজন্মই পতাকাখনক সন্মানৰ চকুৰে চাব নোৱাৰে। এই অৱসৰপ্ৰাপ্ত শিক্ষকজনৰ নাম সৎমল বৰুৱা, আনজনৰ নাম বীৰেন শৰ্মা। সৎমল বৰুৱাৰ এবাৰ কথা প্ৰণিধানযোগ্য। তেওঁ কৈছিল— 'স্বাধীনতাৰ পিছত এই দিৱসবোৰ আমি যি উলাহেৰে পালন কৰোঁ, সেই উলাহেৰে দেশৰ গধুৰ দায়িত্ব ল'বলৈ পাহৰি গ'লো। আমি আজি নিজকে নিজেই শোষণকাৰ্যত লিপ্ত হ'লো।' বৰুৱাৰ এনে দৃষ্টিকোণে তেওঁৰ সততাকে প্ৰতিপন্ন কৰে।

আন্দোলনকাৰীসকলে হাটে-বজাৰে বোমাও দিছিল। চলিহাৰ বৰ্ণনাত তেনে এটা বিস্ফোৰণৰ উদাহৰণ আছে। সেইদিনা চলিহাই য'ত মাছ কিনিছিল, তাতেই বিস্ফোৰণ হৈছিল। তেওঁ ঘৰমুৱা হৈ অলপ আঁতৰি যোৱা বাবে কথমপি সাৰিল, কিন্তু তাত আহত-নিহত হ'ল সাধাৰণ দোকানীসকল। বজাৰৰ মানুহ আতংকগ্ৰস্ত হ'ল। চলিহাই নিজৰ চকুৰে দেখি মনত দুখ পালে। তেওঁৰ চিনাকি নৰেশ বোলা ল'ৰাটো বাচিছনে? এই চিন্তাই তেওঁক বিহ্বল কৰি তুলিলে। আৰ্থিকভাৱেই আমি দুখীয়া নহয়, মনবো উৎকৰ্ষ সাধন আমাৰ নহ'ল। চলিহাই মনে মনে ভাবে, তাহানি পাইলট পল টিব্‌টছে হিৰোছিমাৰ ওপৰত এট'ম বোমা নিক্ষেপ কৰোঁতেও এবাৰ অনুশোচনা কৰিছিল 'হে ঈশ্বৰ এয়া মই কি কৰিলো' বুলি। সেইদিনা চিতাগ্নি জ্বলি উঠিছিল লংকাৰ শ্মশানত। শ্মশানৰ পৰা উভতি অহা চলিহাই কৈছে— কেঁচা তেজৰ বৰণেৰে ডুব যাব ধৰা মণ্ডলবৰীয়া সুৰুযটোলৈ চাই মই ভাবিছিলো— এনে দিন যেন আৰু দেখিবলৈ নেপাওঁ। কিন্তু অগ্নি-সংযোগৰ খবৰ পঢ়ি চলিহা চিন্তিত হৈছে। ঘৰ জ্বলিছে, আশ্ৰয় শিবিৰ পতা হৈছে, চলিহাই ভাবিছে, মানুহৰ শত্ৰু মানুহেই। যীচুৱে তাহানি এনেয়ে কোৱা নাছিল। আই ছে টু ইউ ডেট ওৱান অব্ ইউ ইজ এবাউট টু বিট্ৰে মি।

অৱশেষত ছাত্ৰৰ মাজতো বিভাজন হ'ল। ইয়াতকৈও আৰু দুখৰ কথা কি হ'ব পাৰে? চলিহাই এইবোৰ কথাও ফঁহিয়াই চাইছে আৰু তেওঁৰ অন্তৰ্দ্বন্দ্ব ক্ৰমাৎ বৃদ্ধি পাইছে। নৱকান্ত বৰুৱাৰ কবিতাৰ সূত্ৰ ধৰি তেওঁ ভাবিছে, ছাত্ৰ আৰু শিক্ষকৰ মাজলৈকো মৰুভূমি সোঁচাকৈয়ে আহিব ধৰিছে নেকি?

উপন্যাসখনত শুভেন্দু মালাকাৰ, বীৰেন শৰ্মা, সোমনাথ দত্ত, সৎমল বৰুৱা, সূৰ্য লস্কৰ, হেমন্ত বৰুৱা আদি চৰিত্ৰই দেখা দিছে। এই চৰিত্ৰসমূহৰ কাহিনীও চলিহাৰ বৰ্ণনাৰে অংগ। শুভেন্দু চিত্ৰশিল্পী, আহিছিল চিলেটৰ পৰা। তেৰোঁ আন্দোলনৰ নেতিবাচক দিশসমূহ দেখি দুখ কৰিছে আৰু সমন্বয় কেনেকৈ সম্ভৱ হ'ব তাৰ কথা ভাবিছে। সমন্বয়ৰ ইংগিত থকা দৃশ্যপট আঁকিছে। বীৰেন শৰ্মাই আন্দোলন কৰি জে'লত সোমাইছে। ওলাই আহি তেওঁ দুখেৰে অনুভৱ কৰিছে, তেওঁৰ খবৰ লওঁতা কোনো নাই। সৎমল বৰুৱা সাধু লোক, বহু ৰাজহুৱা কৰ্মত জড়িত। তেওঁক পতাকা জ্বলোৱা বুলি পুলিচে গ্ৰেপ্তাৰ কৰিলে। পতাকা জ্বলালে কোনোবাই, তেওঁ এনেয়ে অপমানিত হ'ল। সূৰ্য

লক্ষৰৰ ঘৰত জুই দিলে, তেওঁ ঘৰে-ঘৰোৱাহে নিৰাশ্ৰয় হ'ল। উপন্যাসৰ শেষ পৰ্যন্ত আমি হেমন্ত বৰুৱাক পাওঁ, তেওঁ পুথি প্ৰকাশক। চলিহাই তেওঁক এখন উপন্যাস দিয়াৰ কথা আছিল। কিন্তু অৱশেষত চলিহাৰ ঘৰতো জুই লাগিল, সকলো ভস্মীভূত হ'ল, চলিহাৰ উপন্যাসো পুৰি ছাই হৈ গ'ল। শুভেন্দুৰ চিত্ৰপটো অগ্নিয়ে দাহ কৰিলে। এইবোৰ কথা শুনি বৰুৱাৰ যি প্ৰতিক্ৰিয়া হৈছে, সি মানবীয় আৰু প্ৰাণস্পৰ্শী।

উপন্যাসখনত চলিহাৰ ভূমিকা আদিৰে পৰা অন্তলৈকে বিয়পি আছে। তেওঁ শেষত সামাজিকভাৱে বৰ্জিত হৈছে। থকা ভাৰাঘৰটো জুইত জাহ গৈছে। তেওঁ শিক্ষক, আনহাতে সৃষ্টিশীল সাহিত্যিকো। প্ৰকাশ কৰিবলগীয়া উপন্যাসখন তেওঁৰ সম্পূৰ্ণ হোৱা নাছিল। পৰিকল্পনা আছিল লংকাৰ মাটি-মানুহক লৈ এই উপন্যাস লিখিব। তাৰবাবে তেওঁ লংকাত থকা বিভিন্ন জনগোষ্ঠীৰ মাজলৈ গৈ তেওঁলোকৰ ইতিবৃত্ত-জীৱনচৰ্যাৰ আন্তৰিক অনুসন্ধান কৰিছে। সংমঙ্গল বৰুৱাৰ দৰে পুৰণি বাসিন্দাৰ পৰা লংকা সম্পৰ্কীয় বিভিন্ন তথ্য সংগ্ৰহ কৰিছে। সৃষ্টিৰ বাবে এই তপস্যা অৱশেষত বিফল হৈছে। অসম্পূৰ্ণ উপন্যাসখন ছাইত পৰিণত হৈছে, শুভেন্দুৰ চিত্ৰপট নিশ্চিহ্ন হৈছে। ইয়াৰ প্ৰতীকী-ব্যঞ্জনা হ'ল, সাহিত্য-সংস্কৃতিৰ অপমৃত্যু। চলিহাই নগাঁৱৰ নেহৰুবালিত নেহৰুৰ প্ৰতিমূৰ্তি বোমা দি ভাঙি পেলোৱাৰ ইংগিতো দিছে। ভাস্কৰ্য মানুহে সৃষ্টি কৰা অনুপম সম্পদ। তাক ধ্বংস কৰাটো বৰ্বৰভাৱে লক্ষণ। আন্দোলনে অনা এই আত্মিক অৱক্ষয়ৰ বাতাৱৰণৰ বিৰুদ্ধেই চলিহা আৰু তেওঁৰ বন্ধুবৰ্গই মাত মাতিছিল আৰু তাৰবাবেই তেওঁলোকে চকুলো টুকিবলগীয়া হৈছিল। নিৰীহ মানুহৰতো কথাই নাই, মধ্যবিত্তৰ সচেতন অংশটো যি এক অবিবেকী, হৃদয়হীন, অমানৱীয় পৰিবেশৰ সন্মুখীন হ'বলগীয়া হৈছিল, তাৰেই করুণ ছবি আঁকিছে 'ক্ৰান্তিকালৰ অশ্ৰু'ৰ লেখকে। উপন্যাসখনত নিৰ্বাচন জাপি দি ক্ষমতাচক্ৰই নিৰীহ মানুহক কেনেকৈ বিপন্ন কৰিছিল, তাৰো ইংগিত লেখকে দিছে। প্ৰতিকাৰহীন বেদনাৰে করুণ হৈ পৰা মানুহৰ জীৱনচিত্ৰ হিচাপে এই গ্ৰন্থ সুখপাঠ্য। 'ৰংমিলিৰ হাঁহি'ৰ ঠাইত আমি ইয়াত দেখিছোঁ মানুহৰ চকুলো। তথাপি চলিহাইঁতে বিপথগামী মানুহক অভিশাপ দিয়া নাই, এটা সময়ত লংকা তথা অসমৰ মানুহৰ পৰিৱৰ্তন আশা কৰিছে। এই মনোভাব উপন্যাসত অন্তঃস্ৰোত হৈ বৈ আছে। সেইবাবেই চলিহাইঁতে সমন্বয় দিৱস পতাৰ আয়োজন কৰিছিল। অৱশেষত সিও সম্ভৱ নহ'ল। মানুহৰ ওপৰত আস্থা ৰাখি চলিহাইঁতে ওলাই অহা অশ্ৰু সম্বৰণ কৰিছিল। চলিহাৰ মৌন বেদনাৰ অন্তৰালত ঐক্য-সমন্বয়ৰ ভৱিষ্যৎ গঢ়াৰ সপোনো আছিল। মোৰ বোধেৰে উপন্যাসখনৰ ঘাই বাৰ্তা সেইটোৱেই।

সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতিলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

'ৰংবং তেৰাঙে যিবোৰ সৰু সৰু জীৱনৰ মাত-কথা আমাক শুনাইছে, সেইবোৰ লোকজীৱনৰ পৰিবেশতহে স্পন্দনময়। লোক কাহিনীৰ পৰা প্ৰৱহমান হোৱা ধাৰা এটাই যেন ৰূপান্তৰিত হৈ এই আধুনিক গল্পবোৰত সজীৱ হৈ উঠিছে।

ৰংবং তেৰাঙৰ 'অচিন গছৰ গুটি' ঃ এটি টোকা

হৰেকৃষ্ণ ডেকা

ৰংবং তেৰাং কাৰ্বি লোকজীৱনৰ চিত্ৰকৰ। কিন্তু তেওঁ চিত্ৰ অংকন কৰে শব্দৰে। উপন্যাসেই তেওঁৰ প্ৰধান 'কেনভাচ'। কিন্তু তেৰাঙে ভালেখিনি গল্পও লিখিছে। এখন গল্পৰ সংকলনৰ নাম 'বন ফৰিঙৰ গীত'। নামটোৱে এটা তাৎপৰ্য বহন কৰিছে। বন ফৰিঙৰ মাত চহৰৰ কোলাহলৰ মাজত শুনিব নোৱাৰি। বনৰ নিৰ্জন পৰিবেশত সি কিন্তু এক ধ্বনিময় উপাদান হৈ দেখা দিয়ে। ঠিক সেইদৰেই ৰংবং তেৰাঙে যিবোৰ সৰু সৰু জীৱনৰ মাত-কথা আমাক শুনাইছে, সেইবোৰ লোকজীৱনৰ পৰিবেশতহে স্পন্দনময়। লোক কাহিনীৰ পৰা প্ৰৱহমান হোৱা ধাৰা এটাই যেন ৰূপান্তৰিত হৈ এই আধুনিক গল্পবোৰত সজীৱ হৈ উঠিছে। এইবোৰৰ মাজত যদি কিবা নতুন শিল্পশৈলীৰ উমান কোনোবাই বিচাৰে, তেন্তে ভুল হ'ব। এইবোৰ কাহিনী প্ৰকৃতিৰ লগত বিচ্ছেদ নোহোৱা সৰল জনজাতীয় মানুহৰ সৰল মনবিলাকৰ পৰিচয় বহনকাৰী গাথা। আধুনিকতাৰ ক্ৰমপ্ৰসাৰণে যে এওঁলোকক স্পৰ্শ কৰা নাই, সেইটো নহয়, বৰং আধুনিক জীৱনৰ সৰু সৰু জটিলতাবোৰৰ আঘাতো এই জীৱনবোৰত প্ৰতিক্ৰিয়াময় হৈ পৰা দেখা যায়। সেই প্ৰতিক্ৰিয়া কেতিয়াবা কৰুণ, কেতিয়াবা পৰিহাসময়। কিন্তু লেখকৰ যিটো ভাবাদৰ্শ এইবোৰ কাহিনীৰ কেন্দ্ৰত প্ৰৱেশ কৰে, সেই ভাবাদৰ্শ মানৱতাবোধৰ। এই সৰল জীৱনবোৰৰ মানৱতাবোধ কিন্তু আধুনিক ধাৰণাৰ মানৱতাবাদ নহয়। বৰং কোনো বাদৰ ছাঁ নপৰা আটিল গ্ৰাম্য জীৱনৰ পৰিপূৰ্ণ উপলব্ধিও ব্যাপ্ত হৈ থকা পাৰস্পৰিক সহৃদয়তা, ভাতৃত্ববোধ আৰু সম্প্ৰদায়-চেতনা community consciousnessত থকা কৰি কথা এৰাব নোৱাৰি। এইবোৰতে যেতিয়া আধুনিক চেতনাৰ আৰু তাৰ মাজেদি ভেদভাৱৰ সংক্ৰমণ

হয় তেতিয়াই [illegible] লাগে। এনে [illegible] এবোটা [illegible]
তেওঁৰ [illegible] পৃষ্ঠভূমিৰে তুলি আনিবলৈ চেষ্টা কৰে।

[illegible] পিছতো এটা কথা কৈ থওঁ যে প্ৰায় সকলো গল্পতে [illegible]
আনন্দৰ [illegible] লেখকে [illegible] চমক দিয়া যেনে Twist and [illegible]
স্বাভাৱিকভাৱে কথাভাগ পৰিণতিৰ ফালে আগবাঢ়ে। এই সকল পৰিস্থিতিত [illegible]
অৱকাশ নথকাৰ কাৰণে গল্পবোৰৰ উন্মোচিত তাৎপৰ্যৰ আবেদন কিছু [illegible]
বিশেষ আৰ্থিক কাঠামোতে সীমাবদ্ধ। কিন্তু গল্পবোৰৰ কুলনি teyt[illegible]
আনিছে। প্ৰকৃতিৰ বৰ্ণনাত স্পন্দন পোৱা যায়। সকল চৰিত্ৰবোৰৰ [illegible]
খাই পৰা কাৰণে সিহঁতক লৈ মোহিত হোৱা যায়। এইবোৰতে [illegible]
টোকাৰীৰ একতাঁৰৰ ধ্বনিও আবেদনময়।

এতিয়া তেখেতৰ এটা গল্প 'অচিন গছৰ গুটি'লৈ আহোঁ। [illegible]
পঢ়িলে বুজা যায় ইয়াৰ এটা মূল চৰিত্ৰৰ মুখত দিয়া এইষাৰ [illegible]
সোমাই পৰা কথাষাৰে গল্পৰ নামটোত প্ৰতিধ্বনিত হৈ [illegible]
গল্পটোলৈ টানি নিয়ে অলপ ভাবিলেই অনুভৱ কৰিব [illegible]
হৈছে। এইটো কথাও আঙুলিয়াই দিব খোজো যে মানুহৰ [illegible]
মাত-কথালৈ উঠি আহে আৰু প্ৰবচন হৈ পৰে। কথাৰ পৰম্পৰাত সোমাই [illegible] মানুহৰ
উপলব্ধি প্ৰকাশ কৰাৰ একো একোটা বাগধাৰা হৈ পৰে। অচিন গছৰ গুটিৰ প্ৰবচনীয় তাৎপৰ্য [illegible] গ্ৰাম্য
প্ৰকৃতিৰ মাজত জীৱন-যাপন কৰা সমাজ এখনত অধিক গূঢ় আৰু আবেদনময় [illegible]
অভিজ্ঞতাও 'অচিন গছৰ গুটি' বা 'অচিন কাঠৰ ঠোৰা' আদিৰ উৎপ্ৰেক্ষাৰ তাৎপৰ্য [illegible]
অনুৰণন দূৰৱৰ্তী হোৱাৰে সম্ভাৱনা। যিয়েই নহওক, এই গল্পৰ পৰিবেশত নামটো তাৎপৰ্যপূৰ্ণ হৈছে আৰু
কাহিনীৰ কেন্দ্ৰীয় কথাৰ অংগ হৈছে। মই আগতে কৈছিলো যে আমাৰ পৰম্পৰাগত লোকজীৱনত
আধুনিকতাৰ সৰু সৰু আঘাতবোৰেও কেতিয়াবা কৰুণ বা পৰিহাসময় পৰিস্থিতিৰ সৃষ্টি কৰে। প্ৰকৃতি
উদ্ভৱ সকল বিশ্বাসবোৰ এনে পৰম্পৰাগত জীৱন যাপন কৰা লোকসমাজত অতীত কালত একোটা
ধৰ্মীয় ৰূপ হৈ পৰোতে এইবোৰৰ লগত সংঘাত হোৱা নাছিল। কিন্তু আনুষ্ঠানিক ধৰ্ম আধুনিকতাৰ
লগে লগে আহোঁতে বহুক্ষেত্ৰত এইবোৰ সমাজত পৰম্পৰাগত ধৰ্মীয় ভাৱনা জীৱন-চৰ্চাৰ অচেতন
আৰু স্বাভাৱিক ৰূপ হৈ নাথাকি লোকচেতনাৰ ওপৰৰ স্তৰপলৈ আহি ধৰ্মীয় সংকটৰূপে দেখা দিছিল।
এইবোৰ সংঘাত ডাঙৰ সংঘাত নহ'লেও সৰল মনৰ মানুহবোৰৰ মনত বিমূঢ় ভাৱ, দোধোৰ-মোধোৰ
অৱস্থা আৰু পাৰিবাৰিক ভেদ যে কেতিয়াবা কেতিয়াবা আনিছিল, তাৰ এটা দৃষ্টান্ত এই গল্পটোত পাওঁ।
লংজুত টেৰণৰ পুত্ৰ খ্ৰীষ্টান হওঁতে গাঁৱত কোনো সাম্প্ৰদায়িক সংঘাত বা সংকট হোৱা নাছিল, [illegible]
কথাটো চৰ্চাৰ বিষয় হৈ পৰিল। কিন্তু লংজুত টেৰণৰ মনত ধৰ্মভেদৰ চেতনা সৃষ্টি কৰিছিল। [illegible]
সংকট নিশ্চয় তেওঁৰ মনত সোমাইছিল। এফালে পুত্ৰ, এফালে ধৰ্ম। লংজুতে ইয়াৰ [illegible]
কৰিছিল। কিন্তু গোপনে। খ্ৰীষ্টান ধৰ্ম তেওঁৰ কাৰণে আছিল 'অচিন গছৰ গুটি'। এই [illegible]
তেওঁ সংকল্প লৈছিল। বৰ্দ্ধ কংজুক ইংতিক তেওঁ তেনেকৈয়ে কৈছিল। কিন্তু তেওঁ [illegible]
কৰিলে বৰ্দ্ধ-বাজয়ে নজনাকৈ। বৰ্দ্ধ কংজুক ইংতি আৰু গাঁৱৰ মানুহে কথাটো [illegible]
তেওঁৰ দেহৰ সৎকাৰৰ পিছতহে, যেতিয়া তেওঁৰ হিন্দুমতে নকৰি খ্ৰীষ্টিয়ান-পদ্ধতিৰে [illegible]

[illegible]

লংজুত খ্ৰীষ্টান হৈছিল নে নাই, সেই কথাটো গল্পৰ শেষলৈকে উহ্য কৰি ৰাখি লেখকে গল্পটোৰ আবেদন বঢ়াইছে। পঢ়ুৱৈ শেষ মুহূৰ্তলৈ উৎসুক হৈ ৰ'ব লাগে কথাটো জানিবলৈ। 'অচিন গছৰ গুটি' কথাষাৰৰ উন্মোচনো এই মুহূৰ্তলৈ ৰাখি থোৱা কাৰণে উৎপ্ৰেক্ষাৰ চোক বাঢ়িছে। গল্পৰ মনস্তাত্ত্বিক দিশটো কংজুক ইংতিৰ মনৰ ভাবনা-চিন্তাৰ মাজেদি প্ৰকাশ হোৱা কাৰণে উপলব্ধিৰ আকস্মিক প্ৰকাশ সহজ হৈছে। সৰল মনৰ কংজুকৰ এই উপলব্ধি প্ৰকাশ কৰিবলৈ বৰ্ণনাৰ বাহুল্যৰ প্ৰয়োজন হোৱা নাই। তেওঁৰ ঘৈণীয়েকৰ ইংগিতময় উক্তি এটাৰ মাজেদি তাৰ প্ৰকাশ ঘটাত গল্পটোৰ সংবেদনা বাঢ়িছে।

'কুকুৰাই উমনি লোৱাৰ দৰে ঘৰতে সোমাই থাকিলে কিটোনো জানিবি? সৌই সিদিনা অহা ছাচমেন ককাইদেউ যদি চৰকাৰী গাঁওবুঢ়া হ'ব পাৰে, ইমান বছৰে তইনো হ'ব নোৱাৰিলি কিয়। লোকে চৰকাৰী কোট-চোলা পিন্ধি দেশৰ মান বুটলিছে, আমাৰ সেয়াও নাই। কপাল।

ঘৈণীয়েকৰ কথাখিনিয়ে তাৰ কাণ স্পৰ্শ কৰিলে। লংজুতেও খ্ৰীষ্টিয়ান হোৱা শুনি সি আচৰিত হৈ পৰিল।'

কংজুকৰ মনস্তত্ত্বৰ মাজেদি ধৰ্ম-চেতনাই অনা দ্বন্দ্বও মানসিক স্তৰত প্ৰকাশ পাইছে। 'উস। ধৰ্মই মানুহক ইমান অন্ধ কৰিব পাৰে নে? একেখন চাঙতে থকা পৰিয়ালটো থানবান হৈ গ'ল। বেচেৰা লংজুতটোৱে কমখিনি যন্ত্ৰণা ভোগ কৰিলেনে?' গল্পটোৰ শেষৰ অংশলৈ আহিলে বুজিব পাৰে যে কংজুকৰ এই কথাখিনিত পৰিহাস আছে। লংজুতে জীৱনটোৰ লগত আপোচ কৰিছিল আৰু ধৰ্ম সংকটৰ পৰা পৰিত্ৰাণ পাইছিল। গতিকে কংজুকে যি যন্ত্ৰণাৰ কথা কৈছে, সেইখিনি লংজুতৰ নহয়। সেইখিনি কংজুকৰহে, যাৰ ধৰ্ম চেতনাই আন এটা ধৰ্মৰ লগত আপোচ কৰিব নিদিয়ে। সেয়েই বন্ধুৰ মৃত্যুত পৰম্পৰা অনুসৰি সংকাৰ কৰিব নোৱাৰি তেওঁহে মানসিক দ্বন্দ্বত ভুগিছে।

গল্পটোত আন এটা ওপৰঞ্চি কাহিনী আছে। সেই কাহিনীটো কংজুকৰ পাৰিবাৰিক জীৱনৰ, লেখকৰ ভাষাত 'হংহাৰি' জীৱনৰ। ই এক গ্ৰাম্য, মধুৰ জটিল সম্পৰ্ক। লেটা ভজা আৰু ঘৈণীয়েকে আগবঢ়াই দিয়া লাওপানীয়ে সৰল সমাজৰ জীৱন প্ৰথাৰ এক প্ৰতিচ্ছবি দাঙি ধৰাৰ মাজেদি কংজুক আৰু কংজুকৰ ঘৈণীয়েকৰ মাজৰ ভালপোৱাখিনিও ইংগিতময়তাৰে প্ৰকাশ কৰিছে। জটিল দ্বন্দ্বৰ কাহিনী এটা নোকোৱাকৈয়ে, সৰল বিন্যাসৰ মাজেদি মানবীয় অনুভূতিৰ আখ্যান এটা লেখকে আমাক এইদৰে উপহাৰ দিছে। কাৰ্বি জীৱনৰ আলেখ্য গল্পটোৰ এক ওপৰঞ্চি দান। ধৰ্মক লৈ যে এই সমাজখনত এক মনস্তাত্ত্বিক দ্বন্দ্ব আছে আৰু ৰাজনৈতিক স্তৰত যে ধৰ্মও বিষয় সুখৰ উপায় হৈছে। (তাৰমেন ককাইদেউৰ কথাটোত) তাৰো ইংগিত গল্পটোত পোৱা যায়।



লাংছ'লিএতৰ কাক্ৰুং

ৰংবং তেৰাঙৰ দ্বিতীয়খন গল্প সংকলনৰ নাম 'লাংছ'লিএতৰ কাক্ৰুং'। বনলতাই প্ৰকাশ কৰা এই গ্ৰন্থখন ২০০৭ চনত প্ৰকাশ পাইছে। 'বনফৰিঙৰ গীত'ৰ পাছত প্ৰকাশ পোৱা এই সংকলনত তেৰাঙৰ মুঠ ১৫ টা গল্প সংকলিত হৈছে। গ্ৰন্থখনৰ আৰম্ভণিতে তেৰাঙে নিজৰ গল্প সম্পৰ্কত 'স্বীকাৰোক্তি' দিছে এনেদৰে—'গল্প লিখা মোৰ বাবে সহজ নহয়। ইয়াত সন্নিবিষ্ট গল্পখিনিও প্ৰকৃতাৰ্থত গল্প নহয়; ডুখৰীয়া ছবিহে। তথাপিতো সংকলন কৰিলোঁ, আমাৰ সময়বোৰে আঁচুৰি যোৱা ঘা-ডোখৰৰ চিনবোৰ আমাৰ সাহিত্যত থাকক বুলি।'

কাৰবি ভাষাক জীয়াই ৰখাৰ স্বাৰ্থত একান্ত নিষ্ঠাৰে পদ্মশ্ৰী ৰংবং তেৰাং চাৰে ১৯৭৪ চনত 'কাৰবি লামতাছাম' প্ৰণয়ন কৰিছিল। ১৯২৫ চনত জি ডি বাকাৰৰ দ্বাৰা প্ৰণীত এ ডিক্সনেৰি অব মিকিৰ লেংগুৱেজ খনেই কাৰবি ভাষাৰ সৰ্বপ্ৰথম অভিধান। ইয়াৰ পিছতেই তেৰাং চাৰৰ অভিধানখন দ্বিতীয়। কম শব্দ বিশিষ্ট যদিও বিজ্ঞান ভিত্তিত ৰচনা কৰাৰ বাবে এইখন অতি ভাল অভিধান।

অভিধান আৰু ব্যাকৰণ প্ৰণেতা

বিদৰছিং ক্ৰ'

কাৰ্বি আংলঙৰ সেউজভূমিত 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টা ৰংবং তেৰাং সাহিত্য জগতৰ এক অনন্য নাম। অসমৰ সাহিত্য জগতৰ এক উজ্জ্বল নক্ষত্ৰ।

ড° বীৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ সম্পাদনাত 'সাদিনীয়া নৱযুগ' আলোচনীৰ পাতত 'প্ৰেতাত্মা' নামৰ গল্পৰ যোগেদি পোন প্ৰথমে আত্মপ্ৰকাশ কৰা ৰংবং তেৰাং আছিল দৰিদ্ৰতাৰ প্ৰতিকূল পৰিবেশৰ মাজেৰে ডাঙৰ-দীঘল হোৱা অসাধাৰণ মানুহ। তেখেতৰ শৈক্ষিক জীৱন আৰম্ভ হয় পুৰণা কাকী লালুং গাঁৱৰ প্ৰাইমাৰী স্কুলত, যিখন আছিল ভগা-ছিগা, খেৰী ঘৰ। বাট-পথ নথকা বোকাপানী গচকি, কিতাপ-চিলত বস্তাত মেৰিয়াই ৰ'দে-বৰষুণে তেখেত স্কুললৈ যাব লগা পৰিবেশ। তথাপি তেনে প্ৰতিকূল পৰিবেশৰ মাজেৰে কাকী হাইস্কুলৰ প্ৰবেশিকাৰ ডেওনা পাৰ কৰি বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল।

কাৰ্বি সমাজৰ পৰা কিছুদিন আঁতৰি থাকিও কাৰ্বি আংলঙৰ জলবায়ু, নদ-নদী, পৰ্বত-পাহাৰ আদি প্ৰাকৃতিক পৰিবেশৰ পৰা তেখেত আঁতৰি যাব পৰা নাই। নিজৰ মানুহ, নিজৰ জাতিক পাহৰিব পৰা নাই। তেখেত ডিফু নামৰ সৰু চহৰ (তেতিয়া ডিফুক এখন গাঁও বুলিবহে লাগে) লৈ আহি কাৰ্বি ৰিছ' আদৰবাৰ'ৰ লগত জড়িত হৈ দৰবাৰৰ মুখপত্ৰ 'অৰেকিমি'ত 'কাবেং আমাং'

কাৰ্বি ভাষাৰ সহজপাঠ

কাৰ্বি ভাষাত শিকাত সহায় কৰাৰ বাবে ৰংবং তেৰাঙে যুগুতোৱা এখন ক্ষুদ্ৰ পুস্তিকা 'কাৰ্বি ভাষাৰ সহজ পাঠ'। ২০০৪ চনত এই পুথিখন প্ৰকাশ কৰে ডিফুৰ ত্ৰিবেণী বুক ষ্টলে। কাৰ্বি ভাষাৰ ধ্বনি আৰু বৰ্ণ পৰিচিতি, সংখ্যা নিৰ্ণায়ক পদ্ধতি; পুৰুষ আৰু ইয়াৰ প্ৰয়োগ পদ্ধতি, লিংগ, বিশেষণ; স্থান আৰু সময় বুজোৱা শব্দ, শব্দ বিভক্তি, ক্ৰিয়া, বিশেষণ আৰু ক্ৰিয়া পদত ব্যৱহৃত প্ৰত্যয় আদি সম্পৰ্কে অতি সহজ-সৰলভাৱে আভাষ দিয়াৰ লগতে কিতাপখনত কথোপকথনৰ আৰ্হিসমূহও সন্নিবিষ্ট কৰা হৈছে। এই কিতাপখনত ইমান সৰলভাৱে ভাষা শিক্ষণশৈলী আগবঢ়োৱা হৈছে যে আন কাৰ্বি লোক এজনেও অতি সহজভাৱে ভাষাটো সম্পৰ্কে প্ৰাথমিক আভাস ল'ব পাৰিব। কাৰ্বি ভাষাৰ বিকাশৰ ক্ষেত্ৰত তেৰাঙে লোৱা প্ৰচেষ্টাৰ অন্যতম নিদৰ্শন এইখন কিতাপ।

নামৰ গল্পৰে প্ৰথমবাৰৰ বাবে কাৰ্বি লেখক হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সুবিধা পাইছিল। তেতিয়াৰ পৰা তেখেতে ডিফুৰ আশে-পাশে কণ কণ কাৰ্বি ল'ৰা-ছোৱালীবোৰক দেখি কেনেদৰে তেওঁলোকক শিক্ষিত কৰাব পাৰি, সেই কথা গভীৰভাৱে চিন্তা কৰিছিল। তেতিয়াৰ দিনত শিক্ষিত কাৰ্বি মানুহ বুলিবলৈ নাছিলেই। সেয়ে তেখেতে শিক্ষকতাকে জীৱনৰ এটা অংগ হিচাপে বাছি লৈছিল।

কাৰ্বি আংলং জিলা স্বায়ত্ত পৰিষদৰ তেতিয়াৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰয়াত ধনিৰাম ৰংপি, জয়ছিং দলৈ প্ৰমুখ্যে সাহিত্যিক লংকাম টেৰণ, মোহনছিং টেৰণ, ব্ৰজন ইংতি আদি লোকৰ সহযোগত লংকাম টেৰণক সভাপতি আৰু ৰংবং তেৰাঙক সাধাৰণ সম্পাদক ৰূপে লৈ ১৯৬৬ চনৰ ২৭ মাৰ্চত মুখ্য কাৰ্যবাহী সদস্যৰ নিবাসতে কাৰ্বি সাহিত্য সভা গঠন কৰা হয়। সাহিত্য সভা গঠনৰ লগে লগে তেখেতসকলৰ মনোবল বাঢ়ি অহাত ১৯৬৭ চনতে লংকাম টেৰণৰ লগত যুটীয়াভাৱে তেৰাং ছাৰে 'কাৰ্বি লামকুৰু' নামেৰে এখন কাৰ্বি ভাষাৰ পৰিচয়মূলক ব্যাকৰণ প্ৰণয়ন কৰি প্ৰকাশ কৰে। অৱশ্যে তাৰ পিছৰ পৰা পূৰ্ণাংগৰূপত ব্যাকৰণ ৰচনা কৰা হোৱা নাই। তেনে কোনো আঁচনিৰ কথা সোধাত তেখেতে কৈছিল, 'তেনে কোনো আঁচনি সদ্যহতে নাই।' অৱশ্যে তেখেতে আমাক আশা দি কৈছিল যে সময়ে যদি অনুমতি দিয়ে তেনেহ'লে কাৰ্বি ভাষা সম্পৰ্কে গৱেষণামূলক গ্ৰন্থ ৰচনা কৰাৰ ইচ্ছা আছে।

বৰ্তমান উচ্চ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক কাৰ্বি ভাষাক এটা বিষয় হিচাপে স্বায়ত্ত পৰিষদে বিদ্যালয়ত পাঠদান কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। সেইসকল ছাত্ৰ-ছাত্ৰীৰ বাবেও শুদ্ধ কাৰ্বি বাক্য গঠন শিকিবলৈ কাৰ্বি ব্যাকৰণ অতীব প্ৰয়োজন হৈ পৰিছে। সেই সম্পৰ্কে তেৰাং ছাৰৰ পৰামৰ্শ এনেধৰণৰ 'কাৰ্বি ভাষাক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰাটো ভালেই হৈছে। সেইফালৰ পৰা ব্যাকৰণৰ প্ৰয়োজন নিশ্চয় আছে। কথিত ভাষাক লিখিত ভাষালৈ ৰূপান্তৰ বেলিকা ব্যাকৰণৰ প্ৰয়োজন। অসমীয়া ভাষা চহকী যদিও এই ভাষাৰো বৰ্ণাশুদ্ধিৰ বিষয়ে সমস্যা শেষ হোৱা নাই। শুদ্ধ ৰীতিৰ উচ্চাৰণৰ ওপৰত গুৰুত্ব দি বানান

লিখাহে ভাল। তাকে নকৰিলে ভাষাটোৱে উজুটি খাব।'

কাৰ্বি ভাষাক জীয়াই ৰখাৰ স্বাৰ্থত একান্ত নিষ্ঠাৰে পদ্মশ্ৰী ৰংবং তেৰাং চাৰে ১৯৭৪ চনত 'কাৰ্বি লামতাছাম' নামেৰে এখন কাৰ্বি অভিধান প্ৰণয়ন কৰি প্ৰকাশ কৰিছিল। ১৯২৫ চনত জি ডি ৱাকাৰৰ দ্বাৰা প্ৰণীত এ ডিক্সনেৰি অব্ মিকিৰ লেংগুৱেজখনেই কাৰ্বি ভাষাৰ সৰ্বপ্ৰথম অভিধান। ইয়াৰ পিচতেই তেৰাং ছাৰৰ অভিধানখন দ্বিতীয়। কম শব্দবিশিষ্ট যদিও বিজ্ঞান ভিত্তিত ৰচনা কৰাৰ বাবে এইখন অতি ভাল অভিধান। বৰ্তমান এইখন পুথি দুষ্প্ৰাপ্য। সেয়ে দ্বিতীয় বৰ্ধিত তাঙৰণৰ আঁচনিৰ কথা জানিব বিচৰাত তেখেতে কৈছিল— 'সদ্যহতে তেনে কোনো আঁচনি নাই। তেতিয়া অসমীয়া লিপি আছিল, এতিয়া ৰোমান হ'ল। অভিধানখনক পুনৰায় সজাব লাগিব। সময় নাই। পৰিশ্ৰম কৰিবও পৰা নাই।'

অভিধান ৰচনাত দেখা দিয়া সমস্যা সন্দৰ্ভত তেৰাং ছাৰে কৈছিল যে কাৰ্বি ভাষাৰ 'মনোচিলেবিক' হোৱা হেতুকে যথেষ্ট ভাবি-চিন্তিহে শব্দবোৰ লিখা হৈছিল। ইন্টাৰ্নেচনেল ব্যৱস্থা কৰা হৈছিল। এনে প্ৰতীক থকা ছপাশাল অসমত নাছিল বাবে কলিকতাৰ সাধনা প্ৰেছত ছপোৱা হৈছিল।

কাৰ্বি অভিধান প্ৰণয়ন কৰাৰ উদ্দেশ্যৰ কথা তেখেতে উল্লেখ কৰিছিল যে কাৰ্বিসকলৰ নানা অঞ্চলত বসতি কৰি সিঁচৰতি হৈ আছে যদিও তেওঁলোকৰ ভাষা কিন্তু একে। ডোমৰা কাৰ্বি ভাষা-সংস্কৃতিবোৰ কিছু সাদৃশ্য আছে যদিও প্ৰায়ে একে। অন্যান্য জনগোষ্ঠীবোৰৰ দৰে কাৰ্বি জনগোষ্ঠীৰো নিজস্ব কৃষ্টি-সংস্কৃতি, গীত, সাধু কথা আছে। কিন্তু কাৰ্বি জনগোষ্ঠীৰ ভাষাটোক ভাষা বুলি স্বীকৃতি দিয়া হোৱা নাই। কাৰণ তেওঁলোকৰ ভাষাৰ ব্যাকৰণ আৰু অভিধান পূৰ্ণাংগৰূপত এতিয়ালৈকে প্ৰণয়ন কৰা হোৱা নাই। সেয়ে কাৰ্বি ভাষাটোক ভাষাৰূপত তুলি ধৰিবলৈ এটি পথহে মুকলি কৰিবলৈ তেখেতে অভিধান আৰু ব্যাকৰণ প্ৰণয়ন কৰিছিল। তেখেতে আৰু কৈছিল যে, অভিধানখনত ভাষাটোক চালি-জাৰি চাই ধ্বনি আৰু শব্দৰ গাঁথনিৰ মতে শব্দবোৰ লিপিবদ্ধ কৰা হৈছিল। সেয়ে তেখেতে আশা প্ৰকাশ কৰিছিল যে তেখেতৰ প্ৰচেষ্টাত কাৰ্বি ভাষাও এদিন পূৰ্ণাংগ ভাষাৰূপে প্ৰতিষ্ঠিত হ'লে তেখেতৰ অভিধানখনৰে মূল্য বাঢ়িব।

অভিধান আৰু ব্যাকৰণ প্ৰণয়ন কৰা অভিজ্ঞতাৰ বিষয়ে তেখেতে এইদৰে ব্যক্ত কৰি কৈছিল— 'অভিধান আৰু ব্যাকৰণ লিখিবলৈ যত্ন কৰিছিলোঁ। এই দুয়োটাই অতি জটিল কাম। বহুতো চিন্তা কৰি ভাষাটো যাতে বিকৃতি নঘটে তাৰ প্ৰতি সততে চকু দিবলগীয়াত পৰিছিলো। এই দুয়োটা কামত মোৰ ধ্যান-চিন্তা অতি ধৈৰ্যসহ কৰিছিলো। পৰিশ্ৰমো যথেষ্ট হৈছিল। লিখিলেই নহয়, পুথি ছপোৱা অতি কঠিন। প্ৰতিটো শব্দকে ছপাশালত চকু দিবলগীয়াত পৰিছিলো। বিশেষকৈ অভিধানখন কলিকতাত ছপোৱা বাবে কলিকতাত বাহৰ পাতি ছপাশালত টাকুৰী ঘূৰাদি ঘূৰিবলগীয়াত পৰিছিলোঁ।'

অভিধান প্ৰণয়নৰ ক্ষেত্ৰত সফলতা বা বিফলতাৰ সম্পৰ্কে তেখেতে কৈছিল— অভিধান প্ৰণয়নৰ ক্ষেত্ৰত বিফলতাৰ কথা নাহে। এনে প্ৰচেষ্টা পিচৰ কালত বহুতো অভিধান প্ৰণয়নৰ বাট মুকলি কৰিলে বুলি তেখেতে অনুভৱ কৰে।

পদ্মশ্ৰী ৰংবং তেৰাং ছাৰৰ জীৱনত এৰাব নোৱৰা কৰ্ম হ'ল শিক্ষকতা। তেখেতে প্ৰথমে লংকা হাইস্কুলৰ পৰা আৰম্ভ কৰি কাকী হাইস্কুল, ডিফু বালিকা বিদ্যালয়ত শিক্ষকতা কৰাৰ উপৰি

কাৰ্বি লামকুক

'কাৰ্বি-লামকুক' হ'ল কাৰ্বি ভাষাৰ এখন পৰিচয়মূলক ব্যাকৰণ। কাৰ্বি ভাষা-সাহিত্যৰ প্ৰসাৰৰ হকে অহোপুৰুষাৰ্থ কৰা দুগৰাকী বৰেণ্য ব্যক্তি লংকাম টেৰণ আৰু ৰংবং তেৰাঙে যুটীয়াভাৱে এই ব্যাকৰণখন প্ৰস্তুত কৰিছিল। ১৯৬৭ চনতে প্ৰকাশ পাইছিল এইখন ব্যাকৰণ, মূল্য আছিল ১ টকা।

ডিফু চৰকাৰী মহাবিদ্যালয়ত অসমীয়া বিভাগত প্ৰবক্তাৰূপে যোগদান কৰি পিচলৈ মহাবিদ্যালয়খনৰ তত্বাৱধায়ক অধ্যক্ষৰূপত কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। তেখেতৰ কৰ্মময় জীৱনতে কাৰ্বি সাহিত্য-সংস্কৃতি চৰ্চা কৰি গৈছে। তাৰ ফলস্বৰূপে 'কাৰ্বি কিম্‌লাখা আকিতাপ (কাৰ্বি পাটীগণিত) ফলা আলুন (গান্ধী গীত), মহাত্মা গান্ধী আদি আপুৰুগীয়া গ্ৰন্থ প্ৰকাশ হৈ গৈছিল। তাৰ উপৰি কাৰ্বি জনজীৱনৰ ওপৰত ভিত্তি কৰি লিখা 'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ দ্বাৰা অসমীয়া সাহিত্য জগতত সুপ্ৰতিষ্ঠিত হৈছে। নদীৰ সোঁতৰ দৰে নিৰৱচ্ছিন্নভাৱে প্ৰবাহিত হৈ আছে তেৰাংদেৱৰ সৃষ্টি-ধাৰা।

তেৰাং ছাৰৰ দৰে এজন শান্ত-সমাহিত, নিৰহংকাৰী আৰু প্ৰচাৰবিমুখ অসাধাৰণ ব্যক্তিৰ অনুপ্ৰেৰণাৰে বহুতো লেখক লেখিকা ওলাই আহিছে। কিছুমানে প্ৰবন্ধ লিখিছে, কিছুমানে কবিতা, গল্প, উপন্যাস আদি লিখিবলৈ আৰম্ভ কৰিছে। এই লেখকসকলক তেৰাংদেৱে তেখেতৰ উত্তৰসূৰী হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছে। সেয়ে এই লেখকসকলক, বিশেষকৈ কাৰ্বি নবীন লেখকসকললৈ তেখেতে এটি পৰামৰ্শ আগবঢ়াই কৈছে— ভাষাৰ প্ৰতি ৰাপ থকা নতুন চামে বিজ্ঞানসন্মতভাৱে ব্যাকৰণ আৰু অভিধান লিখাত মনোযোগ দিলে, ভাষাটোৰ বিকাশত সহায়ক হ'ব।

(ৰংবং তেৰাঙৰ দৃষ্টিত কাৰ্বি সংস্কৃতি এটা একক আৰু স্বতন্ত্ৰ গোট নহয়। বহুসময়ত জনগোষ্ঠীয় সংস্কৃতিক এটা একক আৰু বিচ্ছিন্ন গোট হিচাপে ধৰা হয়। কিন্তু সাংস্কৃতিক নৃতত্ত্বৰ ছাত্ৰমাত্ৰই জানে যে এই ধাৰণা সত্য নহয়। তেৰাঙৰ মতে কাৰ্বি সংস্কৃতিৰ ইতিহাস এক সমন্বয়ৰ ইতিহাস।)

ৰংবং তেৰাঙৰ চিন্তাধাৰাত এভুমুকি

প্ৰদীপ খাটনিয়াৰ

ৰংবং তেৰাং কাৰ্বি পৰম্পৰাগত সমাজজীৱনৰ সৈতে গভীৰ সম্পৰ্ক থকা এজন ব্যক্তি। অসমৰ এটা বিশিষ্ট জনগোষ্ঠীয়ে মহান ভাৰতীয় সংস্কৃতিলৈ আগবঢ়োৱা শুভ আৰু স্থায়ী উপাদানসমূহৰ তেওঁ এজন সংৰক্ষক। কাৰ্বি তেওঁৰ প্ৰথম ভাষা, অসমীয়া তেওঁৰ দ্বিতীয় ভাষা। দুয়োটা ভাষাতেই তেওঁৰ দখল অবিসম্বাদী। অসমীয়াক প্ৰথম ভাষা হিচাপে গ্ৰহণ কৰা ব্যক্তিয়ে জানে যে অসমীয়া সমাজজীৱনৰ এটা প্ৰধান ধাৰা বৈ আহিছে মংগোলীয় মূলৰ সাংস্কৃতিক মূলটোৰ পৰা। এই সঞ্জীৱনী ধাৰা বাহক হিচাপেও কিছুদূৰ তেৰাঙৰ চিন্তাক চাব পৰা যায়। আনহাতেদি সাংস্কৃতিক জীৱনৰ বিশ্বজনীন ধাৰাটোৰ সৈতেও তেৰাং সুপৰিচিত। জ্যোতিপ্ৰসাদৰ Cultural balanceৰ ধাৰণাটোক তেওঁ ভাবি-চিন্তি গ্ৰহণ কৰিছে। তেৰাঙৰ চিন্তাৰ পোহৰেৰে আগুৱাই যাব খুজিলে আমাৰ চিন্তা এক বিশ্বমুখী যাত্ৰাৰে পথিক হ'ব।

জ্যোতিপ্ৰসাদৰ বিষয়ে বহুতো লিখা-মেলা প্ৰকাশিত হৈছে। কিন্তু মোৰ চকুত পৰাত একমাত্ৰ ৰংবং তেৰাঙে জ্যোতিপ্ৰসাদৰ বিষয়ে লিখা এখন ৰচনাতেই Cultural Balanceৰ এই ধাৰণাটোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। (দ্ৰষ্টব্য— ৰংবং তেৰাঙৰ 'সমন্বয় প্ৰবাহ' নামৰ গ্ৰন্থত সংকলিত 'জ্যোতি দৰ্শনৰ আলোকেৰে' শীৰ্ষক প্ৰবন্ধ) জ্যোতিপ্ৰসাদৰ ৰচনাৰ এই কথাখিনি

তেৰাঙে উদ্ধৃত কৰিছে— 'এটা জাতিৰ যদি এটা ভাগৰ উৎকৰ্ষ থাকি আন ভাগটোৰ নাথাকে, তেন্তে সি পূৰ্ণ সংস্কৃতি নহয়। পূৰ্ণ সংস্কৃতি নহ'লেই মানুহৰ জীৱনত ভাৰসাম্য নাথাকে। এটা Cultural Balance নথকা ব্যক্তিয়েই হওক বা জাতিয়েও হওক, মানৱ জীৱনৰ পূৰ্ণ আনন্দ লাভ কৰিবলৈ অক্ষম হয় আৰু প্ৰায়েই অধঃপতনলৈ যায়।' সুষম সংস্কৃতিৰ ধাৰণাটোক তেৰাঙে দুটা ধৰণেৰে চাইছে। এটা বৌদ্ধিক আৰু আনটো আৰ্থ-সামাজিক। বৌদ্ধিক দিশত সুষম সংস্কৃতিয়ে বুজায় 'মনৰ সংস্কৃতি'ৰ লগত বস্তু-সংস্কৃতিৰ সামঞ্জস্য। আৰ্থ-সামাজিক দিশৰ পৰা সুষম সংস্কৃতিৰ ধাৰণাটো লক্ষ্য কৰি তেৰাঙে জনজাতীয় জীৱনত সাম্প্ৰতিক কালত উৎপন্ন কেইবাটাও সমস্যাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে। তেৰাঙে লিখিছে— 'দেশৰ স্বাধীনতাৰ পিছত আমাৰ জাতীয় জীৱনৰ ভেটিস্বৰূপ গাঁও অঞ্চলত পৰিকল্পনাৰ প্ৰকৃত ৰূপায়ণ সংঘটিত নহ'ল। গাঁও আৰু নগৰৰ প্ৰভেদ ক্ৰমান্বয়ে বাঢ়িলহে। অসমৰ ভৈয়ামবাসীৰ মনত অসন্তুষ্টিৰ যিবোৰ কাৰণ, পাহাৰৰ জিলাকেইখনতো পৰিবৰ্তন নঘটিল। আমাৰ জনজাতীয় যুৱক-যুৱতীসকল শিক্ষাত আগবাঢ়িল। কিন্তু তেওঁলোক ডাঙৰ হোৱা মাটিৰ পৃথিৱীখনৰ সেই অনুপাতে বিকাশ নঘটিল।' (সমন্বয় প্ৰবাহ পৃঃ ৪৭) জাতীয় জীৱনৰ নানান ভুল বুজাবুজিৰ উৎস তেৰাঙে বিচাৰি পাইছে এই Cultural Balance ৰ অভাৱৰ মাজত। তেৰাঙৰ মতে 'অসমৰ আলোক-সন্ধানী জনজাতীয় যুৱ সম্প্ৰদায়'ৰ ক্ষোভ, এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীক শোষণকাৰী বুলি ভবাৰ মানসিকতা আদিৰ অন্তৰালত আছে সাংস্কৃতিক সামঞ্জস্যৰ এই অভাৱটোৱেই। অধ্যাপক তেৰাঙৰ চিন্তাধাৰা আৰু ৰচনাৰাজিক এই আদৰ্শনিষ্ঠ সাংস্কৃতিক সমন্বয়ৰ অনুধাৱন বুলিও ক'ব পৰা যায়।

কিন্তু সাংস্কৃতিক সমন্বয়ক ঠিক ওপৰৰ পৰা জাপি দিব পৰা এটা বস্তু বুলি ক'ব নোৱাৰি। প্ৰকৃতি আৰু মানৱীয় সৃষ্টিকৰ্মৰ সমন্বয়ৰ এক ধাৰণাও তেৰাঙে এক ধৰণেৰে দাঙি ধৰিব খুজিছে। সৃষ্টিৰ বিশেষকৈ সাহিত্য সৃষ্টিৰ মূল শিপাডাল প্ৰকৃতিৰ বুকুত প্ৰোথিত বুলি তেৰাঙে উল্লেখ কৰিছে। তেওঁৰ দুটামান মন্তব্য এইক্ষেত্ৰত প্ৰণিধানযোগ্য।

(১) মাটিৰ ৰসেৰে উদ্বুদ্ধ মানৱ মনৰ এই সত্তাটিয়ে পৰ্বতৰ গুহাত বাস কৰা আদিম নিৰক্ষৰ মানৱৰ প্ৰাণত যিদৰে শিহৰণ জগাই তুলিব পাৰিছিল, সেই একেটা অনুভূতিয়ে আজিৰ কবি-সাহিত্যিককো অনুপ্ৰাণিত কৰি, মাটি আৰু মানুহৰ বাস্তৱ চিত্ৰক অদেহী শব্দ শক্তিৰে সাহিত্য সৃষ্টি কৰাত সমানেই ইন্ধন যোগাই আহিছে। ইয়াৰ সংবেদনশীল শক্তি ইমানেই গভীৰ আৰু ব্যাপক যে ভাষাৰ আৱৰণ উন্মুক্ত কৰি দিব পাৰিলেই বিশ্বৰ প্ৰতিজন ব্যক্তিৰ অন্তৰতো ই সমানেই জোকাৰণি তুলিবগৈ পাৰে।' (সমন্বয় প্ৰবাহ, পৃঃ ১৭)

(২) 'দৰাচলতে মৌখিক সাহিত্যই হওক অথবা বিশ্বৰ কোনো মহান কবিৰ দ্বাৰা সৃষ্ট অমৰ সাহিত্যই হওক, এই দুয়োবিধ সাহিত্যৰেই সৃষ্টিৰ মূল প্ৰেৰণাৰ স্থল হ'ল— আমাৰ চিনাকী পৃথিৱীৰ কেঁচা মাটিৰ সহজ আকৃতি।' (পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৮)

চিনাকি পৃথিৱীৰ কেঁচা মাটিৰ সহজ আকৃতিৰ সৈতে পৰিশীলিত শিল্পবোধৰ এক সমন্বয়ৰ মাজতেই আছে সকলো মহৎ সাহিত্য কৰ্মৰ সাৰ্থকতা। সাহিত্য তথা শিল্পৰ বিষয়ে নিজা

অভিজ্ঞতাৰ ভিত্তিত তেৰাঙে গঢ়ি তোলা এই তত্ত্বটোৰ ভিত্তিতেই তেওঁৰ নিজৰ গল্প-উপন্যাসসমূহৰ সাৰ্থকতাকো বিচাৰ কৰিব পৰা যায়। 'ৰংমিলিৰ হাঁহি' উপন্যাসত আছে এই সামঞ্জস্যৰ এক নান্দনিক অনুসন্ধান। 'ৰংমিলিৰ হাঁহি'ৰ এছোৱা উদ্ধৃত কৰি আমাৰ বক্তব্য দাঙি ধৰিব খুজিছো।

'আবেলিৰ মিঠা ৰ'দে সৰিয়হ তলীডোখৰ বেছি মিঠা কৰি তুলিলে। নৈৰ পাৰত থিয় দি অমফুৱে চাই পঠিয়ালে ফুলি থকা বিস্তীৰ্ণ সৰিয়হতলীলৈ। উৰিফুৰা বিচিত্ৰ ৰঙৰ পখিলা আৰু গুণ গুণ কৰি ফুলৰ ৰেণু আহৰণ কৰা মৌ মাখিবোৰ দেখি অমফুৱে ভাবিলে কি বিতোপন এই সৰিয়হ তলী। অকাই-পকাই বৈ যোৱা বৰপানীখনো অপৰূপভাৱে অমফুৰ দুচকুত উজলি উঠিল। বতাহত ঢৌ খেলি থকা সৰিয়হ ফুলবোৰ দেখি অমফুইঁত আনন্দত অধীৰ হ'ল। শান্ত হৈ থকা আকাশখনৰ দৰেই বিস্তৃত আৰু সীমাহীন সেই আনন্দ।' (ৰংমিলিৰ হাঁহি, পৃঃ ১৩১-১৩২)

মানৱৰ ক্ষুদ্ৰ আনন্দ ইয়াত ক্ষুদ্ৰ হৈ থকা নাই। স্থান আৰু কালৰ পৰিধি ভাঙি সি বৃহৎ আনন্দলৈ ৰূপান্তৰিত হৈছে। ক্ষুদ্ৰ আনন্দই সাঁহাৰি বিচাৰি পাইছে সৰিয়হতলীৰ বিস্তীৰ্ণতাত, আকাশৰ বিশালতাত। পখিলা, মৌমাখি আৰু নৈখনৰ গতিশীলতাৰ সৈতে হাত মিলাইছে বতাহৰ দ্বাৰা সৃষ্ট সৰিয়হৰ ঢৌখিনিয়ে। তাৰ বিপৰীত স্থিতিত আছে শান্ত, স্থিৰ, সমাহিত বিশাল আকাশখন। পৰিলক্ষিত হয় গতি আৰু স্থিতি, ক্ষুদ্ৰ আৰু বিশালৰ এক অবিস্মৰণীয় সামঞ্জস্য। প্ৰাত্যহিকতাৰ মাজত এনে বিশালতাৰ সন্ধান দিব পৰাৰ বাবেই 'ৰংমিলিৰ হাঁহি' তেৰাঙৰ এক অবিস্মৰণীয় সৃষ্টি।

ৰংবং তেৰাঙৰ দৃষ্টিত কাৰ্বি সংস্কৃতি এটা একক আৰু স্বতন্ত্ৰ গোট নহয়। বহুসময়ত জনগোষ্ঠীয় সংস্কৃতিক এটা একক আৰু বিচ্ছিন্ন গোট হিচাপে ধৰা হয়। কিন্তু সাংস্কৃতিক নৃতত্ত্বৰ ছাত্ৰমাত্ৰই জানে যে এই ধাৰণা সত্য নহয়। তেৰাঙৰ মতে কাৰ্বি সংস্কৃতিৰ ইতিহাস এক সমন্বয়ৰ ইতিহাস। (দ্ৰঃ সমন্বয় প্ৰবাহ, পৃ ঃ ৩) এই সংস্কৃতি ঝুম খেতিকেন্দ্ৰিক জীৱনধাৰাৰ আধাৰত গঢ় লৈ উঠা সংস্কৃতি। ইয়াত আছে, তেৰাঙৰ মতে, আদিম অষ্ট্ৰিক জনগোষ্ঠীয় উপাদান, 'খাছী ছিন্টেং দৰ্শন' আৰু 'ভাৰতীয় হিন্দু দৰ্শন'ৰ পৰা আহৃত উপাদান। এই সংস্কৃতিৰ মূল ধাৰাটোৰ বিষয়ে তেওঁ লিখিছে, 'এই কাৰ্বিসকল মূলতঃ কৃষিজীৱী। ঝুমতলীখনেই তেওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক বিকাশৰ আধাৰস্বৰূপ। কলং, কপিলী আৰু লুইতৰ সান্নিধ্যলৈ আহোঁতে কঢ়িয়াই আনিছিল তেওঁলোকৰ আদিম কৃষি পদ্ধতি আৰু জীৱন দৰ্শন। সৰু সৰু জান-জুৰিৰ কাষত পাহাৰৰ এচলীয়া ঠাইত তেওঁলোকে গাঁওখন পাতি লয়। কুকী-চীন জনগোষ্ঠীৰ আৰ্হিৰে সজোৱা দুচলীয়া চাংঘৰেই কাৰ্বি পৰিয়াল একোটিৰ আদৰ্শ ঘৰ। পিতৃপ্ৰধান এই জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতিৰ পথাৰখন এনে চাংঘৰৰ আৱেষ্টনীৰেই বিকশিত হৈছে।' (সমন্বয় প্ৰবাহ ঃ পৃ ঃ ২)

'কাৰ্বি লোকগীতৰ অন্তৰ্লীন আবেদন'ৰ বিষয়ে আলোচনা কৰোঁতে তেৰাঙে কাৰ্বি লোকগীতৰ এটা উপমাৰ সৈতে তুলনা কৰিছে বিশ্বসাহিত্যত প্ৰাপ্ত দুটা বিখ্যাত উপমাৰ। এটা কালিদাসৰ 'মেঘদূত'ত প্ৰাপ্ত আৰু আনটো ওমৰ খায়মৰ ৰুবায়ৎতপ্ৰাপ্ত। তেৰাঙৰ মন্তব্য এইক্ষেত্ৰত ভাবোদ্দীপক। তেওঁ লিখিছে— 'বিশ্বৰ মহান কবি দুগৰাকীয়ে মাটিৰ তৃষ্ণাৰে যিদৰে আকাশৰ জোনক আঁকোৱালি লৈ প্ৰেয়সীৰ ৰূপ-মাধুৰীক মহীয়ান ৰূপত চিত্ৰিত কৰিবলৈ সক্ষম

হৈছে, সেইদৰে কাৰ্বি পথাৰৰ লৌকিক কবিয়েও জোনৰ মাধুৰীৰে প্ৰেয়সীৰ ৰূপ বৰ্ণাই সাহিত্যৰ বালিচন্দা সিঁচি গৈছে। এই দুয়োবিধ সাহিত্যৰে সৃষ্টিৰ মূল প্ৰেৰণাত নিহিত আছে কেঁচা মাটিৰ গোন্ধ। সেই একেটা গোন্ধতেই কোনোবাজনৰ উত্তৰণ ঘটি ডিভাইন কমেডিৰ সৃষ্টি হৈছে আৰু কোনোবা নিৰক্ষৰ কবিজনৰ উত্তৰণ নঘটি, নিজৰ মাটিতেই বনফুল হৈ উজলি আছে লোক-সাহিত্য ৰূপে।' 'সমন্বয় প্ৰবাহ', পৃঃ ২০) । তেৰাঙৰ মতে লোক-সাহিত্য আৰু শিষ্ট সাহিত্যৰ সৃষ্টিৰ মূল প্ৰেৰণা একেই। সেই প্ৰেৰণাত আছে প্ৰকৃতিৰ সৈতে মানুহৰ মৌলিক সম্পৰ্ক।

তেৰাঙৰ চিন্তা আৰু চৰ্চাত কাৰ্বি লোকজীৱন আৰু লোকদৰ্শনৰ প্ৰকাশ অনস্বীকাৰ্য। কাৰ্বি লোকপৰম্পৰাৰ নানান দিশ সন্দৰ্ভত তেওঁ পোহৰ পেলোৱা মন্তব্য আগবঢ়াইছে। মাত্ৰ তিনিটা বাক্যৰেই তেওঁ চমাংকান উৎসৱৰ তাৎপৰ্য ব্যাখ্যা কৰিছে।— 'চমাংকান' কাৰ্বিসকলৰ শোক আৰু আনন্দ প্ৰকাশ কৰিব পৰা একমাত্ৰ অনুষ্ঠান। মৃতকৰ আত্মাক এই অনুষ্ঠানৰ জৰিয়তে পৰিশুদ্ধ কৰা হয় আৰু তাকে কৰিলে মৃতকৰ আত্মাই যথাস্থানত গৈ পৰম শান্তি লাভ কৰে বুলি কাৰ্বিসকলে বিশ্বাস কৰে। ঢোল, পেঁপা, গগনা আদি বজাই কাৰ্বি ডেকা-গাভৰুৱে আনন্দ কৰি মনৰ ভাব বিনিময় কৰিব পৰা এই চমাংকান উৎসৱ বিশেষভাৱে তাৎপৰ্যপূৰ্ণ।' (কাৰ্বি সাধু, পাতনি, পৃঃ ০৮)

অসমীয়া জাতীয়তাৰ প্ৰশ্ন আৰু কাৰ্বি জাতীয়তাৰ প্ৰশ্ন তেৰাঙৰ লেখাত যথেষ্ট গুৰুত্বপূৰ্ণভাৱে উপস্থাপিত হৈছে। এসময়ত তেৰাঙে ধাৰণা কৰিছিল যে 'আমাৰ বহুধাবিভক্ত জনগোষ্ঠীৰ উত্তৰণৰ একমাত্ৰ প্ৰকাশিকা শক্তি হ'ল 'অসমীয়া'।' কিন্তু তেওঁ লগতে লক্ষ্য কৰিছিল যে ইতিহাসৰ এটা সন্ধিক্ষণত 'অসম' আৰু 'অসমীয়া' এই শব্দ দুটা যেন সংঘাতৰ মূল কাৰণ হৈ আমাৰ সন্মুখত দেখা দিছেহি।' (সমন্বয় প্ৰবাহ, পৃঃ ৪৫)। কিন্তু তেৰাঙৰ মূল বক্তব্য সমন্বয়ৰ। প্ৰত্যেক জনগোষ্ঠীৰ ভাষিক-সাংস্কৃতিক স্বাতন্ত্ৰ্য থাকিবই লাগিব। কিন্তু সেই স্বাতন্ত্ৰ্য সমন্বয়ৰ অন্তৰায় নহয়, বৰং সি সমন্বয়ৰ সহায়কহে। সেইবাবেই তেৰাঙে লিখিছে—'ইতিহাসে লিপিবদ্ধ নকৰিলেও অসমৰ জনগোষ্ঠীৰ সৰল-মনবোৰে সংস্কৃতিৰ উপাদানবোৰক স্বাভাৱিক ৰূপত বিনিময় ঘটাই, সমন্বয়ৰ আদৰ্শৰে লুইতপৰীয়া সংস্কৃতিক বৰ্ণাঢ্য ৰূপত প্ৰতিষ্ঠা কৰিয়েই থাকিব।' (কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি', পৃঃ ৮৭) নিজা বৈশিষ্ট্য অটুট ৰখাৰ মাজেদিয়েই সমন্বিত সংস্কৃতিক চহকী কৰিব পাৰি আৰু বাস্তৱত তাক কৰা হৈছেও— তেৰাঙৰ মূল বক্তব্য এইটোৱেই।

গদ্যৰীতিৰ মাজেৰে আমি যদি এজন লেখকৰ বৈশিষ্ট্য বিচাৰ কৰিবলৈ যাওঁ তেন্তে দেখা পাম, এনে তীৰ্যকতাৰ প্ৰতিকূলেই তেৰাঙৰ অৱস্থান। পাহৰিলে নহ'ব, শিষ্ট অসমীয়া সমাজ বুলিলে যিখন ছবি মনলৈ আহে ৰংবং তেৰাং তেনে সমাজৰে প্ৰতিনিধি। সৰলতা এই সমাজৰ মজ্জাত প্ৰবাহিত হৈ আছে। লেখকেও বাৰে বাৰে এই সমাজৰে ছবি আঁকিছে।

ৰংবং তেৰাঙৰ গদ্যশৈলী

দিগন্ত ওজা

'ফাগুনৰ এটি ধূসৰ সন্ধিয়া।
লানি পাতি বগলীৰ জাকবোৰে পাহাৰৰ নামনিয়েদি উৰা মাৰিছে— সিহঁতৰ পৰিচিত নীড়বোৰলৈ। দূৰণিৰ পাহাৰবোৰত বন-জুই। ফাগুনৰ বতাহজাকে কঢ়িয়াই আনিছে বন-জুইৰ পোৰা পোৰা গোন্ধ। আদিম চিনাকি বৰ মিঠা সেই গোন্ধ। সেই গোন্ধত আৰণ্যক সুবাস মিহলি হৈ আছে নিবিড়ভাৱে। অৰণ্য, আহাৰ আৰু জুই— মানুহৰ আদিমতম পৰিচিত ছবি, মানৱ সভ্যতাৰ বুনিয়াদ। সন্ধিয়া নামি অহাৰ লগে লগে অৰণ্যত খন্তেকৰ ব্যস্ততা। বন-বিহঙ্গৰ বিবিধ কূজনেৰে পাহাৰৰ বুকু মুখৰিত। গছ-বনৰ পাতে পাতে সন্ধিয়াৰ স্বপ্নীল কোমলতা।'

'ৰংমিলিৰ হাঁহি' উপন্যাসৰ আৰম্ভণিতেই বৰ্ণিত এনে পৰিৱেশতে লালিত-পালিত হৈছিল ৰংবং তেৰাং। তেওঁৰ জন্ম পৰাধীন ভাৰতত, অসমীয়াত স্নাতকোত্তৰ সন্মান লোৱা তেৰাং কাৰ্বি সম্প্ৰদায়ৰ প্ৰথমজন ব্যক্তি।— এই পৰিচয়কেইটা ৰংবং তেৰাঙৰ গদ্যশৈলী বিচাৰৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্বপূৰ্ণ; কিয়নো লেখা হৈছে মানুহৰ চিন্তাৰ প্ৰকাশ আৰু চিন্তা গঠনত পৰিৱেশ আৰু সময়ৰ আঁচোৰ স্বাভাৱিক হৈ দেখা দিয়ে। সেইবাবেই কাল তথা ব্যক্তি ভেদে গদ্যৰীতিৰ বিবিধতা এক

অনিবাৰ্য গতিতে ঘটে, বলপূৰ্বকভাৱে গদ্যৰীতিক নিয়ন্ত্ৰণ কৰিবলৈ যোৱাটো বৃথা চেষ্টা মাত্ৰ। ভোগবাদী সমাজ ব্যৱস্থাই জীৱনলৈ অনা দ্বিধা আৰু সংশয়ৰ অৱধাৰিত পৰিণতিত লেখকৰ চিন্তাৰ জগতখনো হৈ উঠিছে অত্যন্ত জটিল— বেজবৰুৱা-গোহাঞিবৰুৱাৰ ভাষাৰ কোমলতা সেইবাবেই আজিৰ লেখকৰ ৰচনাশৈলীত অনুপস্থিত। সামাজিক প্ৰেক্ষাপটৰ সৈতে ৰচনাৰীতিৰ এক যোগসূত্ৰ আছে বাবেই দেখা যায়, সময় সাপেক্ষ উল্লেখনীয় ৰীতিকহে সমসাময়িক কিম্বা অনুজ লেখকে অনুকৰণ কৰে। সময়ৰ বিপৰীতে গৈ ভাষাক বিশুদ্ধ কৰিবলৈ চেষ্টা কৰাৰ বাবেই বেণুধৰ শৰ্মাৰ গদ্যক তেখেতৰ অনুজ লেখকে কিয় বিশেষ অনুসৰণৰ চেষ্টা নকৰিলে বা বৃহত্তৰ পঢুৱৈ সমাজেও সেই ৰীতি গ্ৰহণ কৰিবলৈ অপাৰগ হ'ল সেই কথা এই আলোকতে উপলব্ধি কৰিব পাৰি। গদ্যৰীতিক বলপূৰ্বকভাৱে যে নিয়ন্ত্ৰণ কৰিব নোৱাৰি, 'বেণুধৰী গদ্য' তাৰ এক উজ্জ্বল নিদৰ্শন।

গদ্যৰীতিৰ মাজেৰে লেখকৰ জীৱন-দৰ্শনৰো আভাস পাব পাৰি। জীৱনলৈ নামি অহা দ্বিধা আৰু সংশয়ক কেন্দ্ৰ কৰি উৎকণ্ঠিত, বিব্ৰত লেখক যিদৰে আছে, জীৱনৰ অনেক জটিলতাৰ প্ৰতি হেলাৰঙে পিঠি দিব পৰা অথবা ইবোৰক সহজভাৱে ল'ব পৰা লোকো আমাৰ মাজতে আছে। ই ব্যক্তিৰ জীৱন সম্পৰ্কীয় ভাৱনাৰে প্ৰকাশ। সেইবাবেই জটিল সময়সন্ধিতো কোনো লেখকৰ কলমেদি নিগৰিব পাৰে কোমল ভাৱনা। কিন্তু জীৱন দৰ্শন এটা স্থিৰ, গোটা পদাৰ্থ নহয় যে অপৰিৱৰ্তনীয় হৈ ৰ'ব; বৰং সময় সাপেক্ষে এনে ভাৱনাও সলনি হোৱাটো স্বাভাৱিক পৰিঘটনাই। এনে কেতবোৰ কাৰকৰ প্ৰভাৱতে একোজন নিৰ্দিষ্ট লেখকৰো গদ্যশৈলী সময় সাপেক্ষে সলনি হয় বা হোৱা অস্বাভাৱিক নহয়। তথাপি যি চিন্তা-চেতনাই মূল লেখকজনক গঢ়ি তোলে, কালৰ ব্যৱধান তথা জীৱন সম্পৰ্কীয় ভাৱনাৰ সলনি সাপেক্ষেও তেনে চিন্তা-চেতনাৰ ৰেশ লেখকজনৰ শেষলৈকে ৰৈ যায়।

'ৰংমিলিৰ হাঁহি'ৰ মাজেৰে কোনজন লেখক ওলাই আহিছিল ?— উপন্যাসৰ আৰম্ভণিতে 'দুটিমান কথাৰে' শীৰ্ষকত ঔপন্যাসিকে স্পষ্ট কৰি দিছিল যে 'ৰংমিলিৰ হাঁহি' প্ৰাক্‌স্বাধীনতা কালৰ কাৰ্বি সমাজক ধৰি ৰখাৰ প্ৰয়াস। সেয়ে হ'লেও 'মুঠতে 'ৰংমিলিৰ হাঁহি' এখন উপন্যাসহে, ইতিহাস নহয়'। দেখা যায় 'ৰংমিলিৰ হাঁহি'ৰ পৰা একেবাৰে শেহতীয়া 'মিৰ্বিন'লৈকে তেৰাঙৰ গল্প-উপন্যাসৰ বিষয়বস্তু মূলতঃ কাৰ্বি সমাজ। লেখকৰ উদ্দেশ্যই তেওঁৰ গদ্যৰীতিকো প্ৰভাৱিত কৰে। তেৰাঙো ব্যতিক্ৰম নহয়। কাৰ্বি মানুহৰ লোকাচাৰ, ৰসবোধ আৰু থলুৱা ভাষাৰ প্ৰকাশ কৰিবলৈ যাওঁতে তেৰাঙৰ গদ্যই বিশেষ মান্যতা পাইছে। থাউকতে 'নীলা অৰ্কিড' নামৰ নাতিদীৰ্ঘ উপন্যাসখনৰ পৰা আমি এই উদাহৰণতো দাঙি ধৰিব পাৰোঁ—

> 'অ'। কিলেই জানিব? আপোনাৰটো প্ৰফেছাৰহে আছে।'— কথাখিনি কৈ গাঁওবুঢ়াই হাঁহি দিলে। দুয়োৰে হাঁহিত নিৰ্জন পথটোত যেন প্ৰাণৰ সঞ্চাৰ হ'ল। হাঁহি সামৰি গাঁওবুঢ়াই ক'ব ধৰিলে, 'বুজিছে, প্ৰফেছাৰ বাবু। খনবামন দেৱতাভি আমাৰ নিচিনা দাড়ি আছিল। মেৰক্ মানে হেই হাবি জুই লাগা হময়তে তাৰ দাড়িভি জুইহে খাই দিলে। হেই কাৰণে ল'পেদ মাতা হময়তে খুব লাজ পায়, আহিবলৈ।' (পৃঃ ৮)

জনগোষ্ঠীয় লোকৰ অসমীয়া ভাষাৰ উচ্চাৰণৰ এই ৰূপটোৰ সমাজতাত্ত্বিক আৰু ঐতিহাসিক গুৰুত্বও আছে। মন কৰিলে দেখা যাব— বৃহত্তৰ অসমীয়া সমাজৰ ('জাতি' বুলি ক'ব খোজা নাই)

অন্তৰ্গত বহু জনগোষ্ঠীৰ ক্ষেত্ৰতে অসমীয়া ভাষা উচ্চাৰণৰ ভংগী মান্যৰূপ অনুসৰি নহয়। এই জনগোষ্ঠীয় সমাজবোৰত অসমীয়া ভাষা প্ৰসাৰৰ বাবে— প্ৰকৃত অৰ্থত ক'বলৈ হ'লে জাপি দিয়াৰ হকে— ভাষিক অসমীয়া জাতীয়তাবাদে গঢ় লৈ উঠাৰে পৰা মাত মাতি অহা হৈছে। পিছে তাৰ বাবে আন্তৰিক প্ৰয়াস চলোৱাতো নহ'লেই; বৰং সংস্কৃত তৎসম শব্দৰ অধিক প্ৰয়োগে এই জনগোষ্ঠীয় লোকসকলৰ বাবে অসমীয়া ভাষাক কৰি তুলিলে দুৰ্বোধ্য আৰু সেইবাবেই দূৰৈৰ পৰা পৰি নমস্কাৰ কৰা বিধৰ। লেখকৰ চিন্তা জগতৰ জটিলতাৰ প্ৰকাশ তেওঁৰ ৰচনাৰীতিত পৰিস্ফুট; কিন্তু ভাষাৰ গাঁথনিগত জটিলতা সম্পূৰ্ণ ভিন্ন প্ৰসংগ। সমাজত লেখকৰ গদ্যশৈলীৰ প্ৰভাৱ যিমান হয়, তাতকৈ বেছি ব্যাপক হয় ভাষাৰ এনে গাঁথনিগত প্ৰভাৱ। বৰবং তেৰাঙৰ ক্ষেত্ৰত যিকেইটা পৰিচয় গুৰুত্বপূৰ্ণ বুলি আমি আৰম্ভণিতে উল্লেখ কৰিছো সেই পৰিচয়ৰ বাবেই তেখেতৰ গদ্যৰীতিয়ে ভাষাৰ এই গাঁথনিগত দিশটো বুজাত সহায় কৰিব।

'ৰংমিলিৰ হাঁহি'ৰ পৰা দুটা উদাহৰণ দাঙি ধৰিছোঁ—

> 'ঃ হাড় নাইকিয়া অজলা জিভাই তিলৰ পুৰণি সোৱাদ ক'ত পাহৰিব।—
> এই বুলি কৈ সিও ঢেকঢেকাই হাঁহিলে।' (পৃঃ ৬৬)
> 'অ'। সিটো জোন মৰাৰ আগতেই নহয় জানো?' (পৃঃ ১৯১)

জিভাখনৰ ক্ষেত্ৰত 'হাড় নাইকিয়া' আৰু 'অজলা'— এই দুটা উপমাৰ ব্যৱহাৰে এপিনে ভাষিক সৰলতাৰ যিদৰে নিদৰ্শন দাঙি ধৰিছে, আনপিনে অসমৰ গঞা ৰাইজে উপমা, প্ৰতীকৰ প্ৰয়োগেৰে দৈনন্দিন ঘটনা প্ৰবাহক দাঙি ধৰাৰ বাবে চলোৱা প্ৰয়াসৰো দৃষ্টান্ত দিছে। গ্ৰাম্য সমাজত এতিয়াও জীৱনৰ জটিলতা বুজোৱা অনেক পটন্তৰ আৰু উপমাৰ প্ৰয়োগ ঘটে। গ্ৰাম্য জীৱনৰ সৈতে ঘনিষ্ঠ নহ'লে বিষয়টো উপলব্ধি কৰা সহজ নহয়।

দ্বিতীয় উদাহৰণটো অধিক ব্যঞ্জনাময়। 'জোন মৰা' মানে অমাৱস্যাকে বুজাব খোজা হৈছে। ই আৰু গভীৰ হৈ পৰিছে 'সিটো' শব্দৰ প্ৰয়োগেৰে। 'সিটো জোন মৰা'— অৰ্থাৎ বক্তাৰ বাবে প্ৰত্যেকটো জোন (চান্দ্ৰমাহ) সম্পূৰ্ণ নতুন, ক্ষয় যোৱা জোনটোৱেই যে নতুনকৈ কলা কলাকৈ বাঢ়ে বা পুনৰ ক্ষয় যায় সেই কথা বক্তাৰ অবহিত নহয়। হ'ব পাৰে, ইমান জটিল বিষয় এটা ইয়াত বক্তাৰ বাবে অপ্ৰাসংগিক। বাক্যটোৱে সহজ-সৰল জীৱনধাৰাত বিশ্বাসী বক্তাৰ অৱস্থানকো সূচাইছে। আনহাতে 'সিটো জোন মৰা'— এই বাক্যাংশই পঢ়ুৱৈক (বা শ্ৰোতাক) সময় সম্পৰ্কেও সজাগ কৰে ঃ 'এইটো' অৰ্থাৎ 'চলি থকা' জোনটোও মৰাৰ পথত আগবাঢ়িছে। গ্ৰাম্য জনজীৱনৰ ভাষাৰ এইটোৱেই মাধুৰ্য, এইটোৱেই স্পন্দন।

এই সৰলতা তেৰাঙৰ গদ্যৰ নিভাঁজ অলংকাৰ হ'লেও প্ৰয়োজনত তেখেতৰ গদ্য হৈ উঠিছে যথেষ্ট তীৰ্যক। অসম আন্দোলনৰ পটভূমিত ৰচিত 'ক্ৰান্তিকালৰ অশ্ৰু' উপন্যাসখনত দেখা যায় ছাত্ৰসকল আন্দোলনৰ পথলৈ আগুৱাই যাবলগীয়া হোৱাত তেৰাং উৎকণ্ঠিত। ঔপন্যাসিক বৃত্তিগতভাৱে শিক্ষক; সেয়ে ছাত্ৰৰ ভৱিষ্যতক লৈ তেওঁ শংকিত। কিন্তু এই কেইশাৰী বাক্যৰ মাজেৰে শিক্ষক এগৰাকীৰ সামান্য চিন্তাৰ প্ৰকাশ ঘটা নাই, বৰং এটা সামাজিক সমস্যাকো দাঙি ধৰিছে; যাৰ অৱধাৰিত পৰিণতিত তেৰাঙৰ ভাষাই শাণিত ৰূপ লৈছে—

> 'বিছনাত বাগৰ দিয়াৰ লগে লগে অসম আন্দোলনৰ অনিশ্চিত ৰূপটোৱে
> মোৰ মনক হেঁচি ধৰিলেহি। এশ-এবুৰি প্ৰশ্নই মোৰ মন ভাৰাক্ৰান্ত কৰি

পেলালে। দেশৰ সমস্যা সমাধানত ছাত্ৰসকলক কিয় আগবঢ়াই দিয়া হ'ল? অধ্যয়নত সংঘাত সৃষ্টি নজম্মোৱাকৈ বিদেশী নাগৰিকৰ সমস্যা অসমৰ পিতৃ-মাতৃসকলে সমাধান কৰিব নোৱাৰে নেকি? অসমৰ প্ৰতিটো আন্দোলনতেই ছাত্ৰইহে ত্যাগ স্বীকাৰ কৰিব লাগে। আন্দোলনৰ পৰা ছাত্ৰসকলক মুক্ত কৰি বৌদ্ধিক চিন্তাত আত্মনিয়োগ কৰাব নোৱাৰে কিয়? অসমৰ কোনো এজন পিতৃয়েও এবাৰ কথাও নক'লে, 'তোমালোকৰ আন্দোলনৰ দায়িত্ব আমি কান্ধত লৈছোঁ' বুলি। সন্তানৰ বুকুৰেদি বুলেট সৰকি শ্বহীদ হোৱাতেই আত্মসন্তুষ্টি লভিছে নেকি?' (পৃঃ ৫)

কিন্তু গদ্যৰীতিৰ মাজেৰে আমি যদি এজন লেখকৰ বৈশিষ্ট্য বিচাৰ কৰিবলৈ যাওঁ তেন্তে দেখা পাম, এনে তীৰ্যকতাৰ প্ৰতিকূলেই তেৰাওঁৰ অৱস্থান। পাহৰিলে নহ'ব, শিষ্ট অসমীয়া সমাজ বুলিলে যিখন ছবি মনলৈ আহে ৰংবং তেৰাং তেনে সমাজৰে প্ৰতিনিধি। সৰলতা এই সমাজৰ মজ্জাত প্ৰবাহিত হৈ আছে। লেখকেও বাৰে বাৰে এই সমাজৰে ছবি আঁকিছে; সেয়া ১৯৮১ত প্ৰকাশিত 'ৰংমিলিৰ হাঁহি'তেই হওক বা ২০০৫ চনত প্ৰকাশিত 'জাক হেৰোৱা পক্ষী'তেই হওক—

> 'দশমীৰ জোনটো হালিবলৈ ধৰিলে বেঁকাকৈ। হংকুপৰ জুইশালত বহি পানছালি চোৱাই তিৰোতাসকলে হাবেসকলৰ বিচাৰ শুনি আছিল। চাহাবক বাঘে খাই মৃত্যু ঘটোৱা শুনি তিৰোতাসকলে ভয় খাইছিল। হঠাৎ পখৰা কুকুৰ এটা ঘৰৰ ভিতৰলৈ সোমাই যোৱা দেখি এজনীৰ দৃষ্টিভ্ৰম হ'ল। তাই বাঘ বুলি চিঞৰ মাৰি দিলে। পিছত কুকুৰ বুলি জানিব পাৰি কাষৰ বুঢ়ীকেইজনী হাঁহিত বাগৰি পৰিবলৈ ধৰিলে।' (*ৰংমিলিৰ হাঁহি*, পৃঃ ১৩৫)

আকৌ—

> 'ছেং নাং অ'ইৰি দেই নাং নামৰ গীতটো। গীতটো শুনিলে, মনটো গিৰ্‌গিৰাই পাহাৰৰ পৰা নামি আহিবৰ মন যায়, মোৰ হ'লে।'
>
> 'বৰ ৰোমাণ্টিক গীত, নহয় নেং?'— অমফুৱে শুধিলে।
>
> 'কি ৰোমাণ্টিক অ', বুজিয়েই নাপাওঁ।'— বাছাপীয়ে শব্দটোৰ অৰ্থ বুজিব নোৱাৰি ক'লে।
>
> 'ময়ো বুজি নাপাওঁ দে। ল'ৰাবোৰে কয় বাবেহে ময়ো কৈছোঁ। নেং লীৰ্‌বনে জানিব পাৰে।'
>
> 'ময়ো নাজানো। ৰোমাণ্টিক মানে প্ৰেমৰ গীত চাগৈ।'— অৰ্থপূৰ্ণ দৃষ্টিৰে অমফুলৈ চাই লীৰ্‌বনে ক'লে।
>
> 'ৰবাব টেঙাটো খাবলৈ ভাল নেং। বাৰীত আৰু আছেনে নে?'— অমফুৱে লীৰ্‌বনলৈ চাই সুধিলে।
>
> (*জাক হেৰোৱা পক্ষী*, পৃঃ ৬১)

ইয়াত দুয়োক্ষেত্ৰতে সৰল কাৰ্বি মহিলা সমাজক তুলি ধৰা হৈছে। উপন্যাস দুখনৰ প্ৰকাশৰ মাজত সময়ৰ ব্যৱধানৰ কথা ইতিপূৰ্বে উল্লেখ কৰা হৈছেই (১৯৮১ ৰ বিপৰীতে ২০০৫); পটভূমিৰ বিচাৰো আমি উদ্ধৃত অংশ দুটাৰ আধাৰতে কৰিব পাৰো। এখন উপন্যাসত চাহাবৰ প্ৰসংগ আছে, অৰ্থাৎ

স্বাধীনতাৰ পূৰ্বৰ, সেই চাহাবক বাঘে খোৱা সময়ৰ উপন্যাস 'ৰংমিলিৰ হাঁহি'; আনখন উপন্যাসত ইংৰাজী শব্দ আহি গাঁৱৰ অনাখৰী মহিলাৰ মুখ পাইছেহি, বুজি পাওক নাপাওক তেনে শব্দ ('ৰোমাণ্টিক') উচ্চাৰণ কৰি তৃপ্তি পাইছে গাঁৱৰ তিৰোতাই— তৎসত্ত্বেও সৰল জীৱনধাৰাই তেওঁলোকৰ বৈশিষ্ট্য। সেইবাবেই একালত বাঘৰ কথা শুনি তন্ময় হৈ কুকুৰকে বাঘ বুলি ভ্ৰম কৰা মহিলাই পিছৰ কালত 'ৰোমাণ্টিক' সম্পৰ্কীয় আলোচনাৰ সময়তো অতিৰিক্ত ভাবপ্ৰৱণ হোৱা নাই— নতুন শব্দক কেন্দ্ৰ কৰি মাথাব্যাথাও নাই; বৰং তেনে আলোচনাৰ মাজতো কৈ উঠিব পাৰে : ৰবাব টেঙাটো খাবলৈ ভাল। হ'ব পাৰে— তেখেতৰ চিন্তা-চেতনা গঠনৰ পৃষ্ঠভূমিৰ বাবেই লেখকে এই সৰলতাৰে সন্ধান কৰে।

এইখিনিতেই তেৰাঙৰ গদ্যশৈলীক পঢ়ুৱৈয়ে আৰু এক ধৰণে বিচাৰ কৰি চাব পাৰে। 'হাবেসকলৰ বিচাৰ শুনি' থকা মহিলা সমাজৰ যিখন ছবি অংকন কৰা হৈছে তাৰ এটা বাক্য— 'চাহাবক বাঘে খাই মৃত্যু ঘটোৱা শুনি তিৰোতাসকলে ভয় খাইছিল।' বাক্যটো এনেদৰেও হ'ব পাৰিলেহেঁতেন : 'চাহাবক বাঘে মাৰি খালে বুলি শুনি তিৰোতাসকলে ভয় খাইছিল।' সাধাৰণ গাঁথনিটো এনেধৰণেই হ'লহেঁতেন; কিন্তু সেয়া যে নহ'ল, তাৰ কাৰণ হয়তো লেখকে প্ৰতিনিধিত্ব কৰা সমাজখনতে লুকাই আছে। একেদৰে, 'জাক হেৰোৱা পক্ষী'ৰ উদ্ধৃত অংশত 'গীতটো শুনিলে, মনটো গিৰগিৰাই পাহাৰৰ পৰা নামি আহিবৰ মন যায়, মোৰ হ'লে' বাক্যটো। 'গীতটো শুনিলে মোৰ হ'লে গিৰগিৰাই পাহাৰৰ পৰা নামি আহিবলৈ/ আহিবৰ মন যায়' বুলি নিলিখি 'মোৰ হ'লে' অংশটো ভাঙি বাহিৰ কৰি দিয়া হৈছে। তদুপৰি একেটা বাক্যতে 'মনটো' আৰু 'মন যায়'ৰ উল্লেখ ঘটিছে। এই দুয়োটা কথাই বক্তাৰ ভাবোচ্ছাসৰে তীব্ৰতা সূচাইছে। এই ভাবোচ্ছাসৰ সৈতে অৱশেষত জড়িত হৈ পৰিছে সেই সামাজিক পৰিৱেশৰ সৈতে অচিনাকি কিন্তু ইতিমধ্যে তেওঁলোকৰ সমাজ-সংস্কৃতিত প্ৰৱেশৰ বাবে দুৱাৰত টুকুৰিয়াই থকা 'ৰোমাণ্টিক' শব্দটো। দুৱাৰত টোকৰ মাৰিছেহি, অনুমতি পোৱা নাই— তাৰ প্ৰকাশ ঘটিছে ৰবাব টেঙাৰ সোৱাদসূচক বাক্যটোৰে।

'ৰংমিলিৰ হাঁহি'তে দেখা গৈছিল যে শব্দক লৈ তেৰাং অতিৰিক্ত সচেতন নহয়; বৰং, তেখেতৰ গদ্যত শব্দৰ প্ৰয়োগ যথাযথ। সেইবাবেই তেখেতৰ গদ্যত কিছুমান শব্দত বৰ্তমানৰ প্ৰায়োগিক ৰূপতকৈ পূৰ্বৰ কথ্যৰূপ অধিক পৰিলক্ষিত হয়—

> 'বৰপানীৰ পূব পাৰৰ সমান ঠাইখনৰ ওপৰেদি ৰ'থাত লাংছ' বৈ আহি কাৰবি লাংপিত পৰিছেহি। এই নিজৰাৰ পাৰত উত্তৰমুখী কৰি তিনিটামান টিনৰ ঘৰ। ঘৰবোৰ দীঘল। গুদামঘৰ লেখীয়া। বেৰকেইখনো কাঠৰ তক্তা লগোৱা। টিনঘৰৰ মুখেদি টীকালৈ যোৱা এটি সৰু বাট। এই ঘৰবোৰ ৰামধন কেওঁৰ।' (পৃঃ ১৫৬)

ইয়াত 'উত্তৰমুখী কৰি' (উত্তৰমুৱাভাৱে), 'টিনঘৰৰ মুখেদি' (টিনৰ ঘৰৰ আগেদি), 'গুদামঘৰ লেখীয়া' (গুদামঘৰৰ দৰে) আদি প্ৰয়োগে আমাৰ বক্তব্যক অধিক পৰিষ্কাৰ কৰে। ড° মহেন্দ্ৰ বৰাই 'অসমীয়া ভাষাটো তুলতুলীয়া মিঠা' বুলি যে উল্লেখ কৰিছিল, তাৰ অন্তৰ্নিহিত অৰ্থ এনে প্ৰয়োগৰ আধাৰতে হৃদয়ংগম কৰিব পাৰি। তেৰাঙৰ এনে গদ্যৰীতিৰ বাবেই বৃহৎ অসমীয়া পাঠকে কাৰ্বি সমাজ আৰু সংস্কৃতিৰ মৌ ৰস পান কৰিবলৈ সক্ষম হৈছে, তেৰাঙৰ ৰচনাশৈলীৰ মাজত উপলব্ধি কৰিছে প্ৰাণৰ টান—

> 'গাঁওখন লাহে লাহে নিজম পৰিবলৈ ধৰিলে। ৰাতি বেছি হৈ অহাত

আলোচনাও সিমানতে এৰিলে। ছাৰবাছাৰ ঘৰতে ভাত পানী খাই সকলো ঘৰাঘৰি গ'ল। অলপ আগলৈকে উৰুলি লাগি থকা ছাৰইকৰ ঘৰখনো লাহে লাহে নিজম পৰি আহিল।' (*ৰংমিলিৰ হাঁহি*, পৃঃ ৪৭)

ৰংবং তেৰাঙে প্ৰকৃতাৰ্থত ধৰি ৰাখিছে ভাষাৰ সেই সুৱদি ৰূপ—

'ধুনীয়া মুখখন চাব নালাগে দে, জোনটোৱে বেয়া পাব। মোৰ মুখখন চোৱা বুলি জানিলে তে'য়ে জানো শুদাই এৰিব?' (*জাক হেৰোৱা পক্ষী*, পৃঃ ৭৩)

(বিশেষ দ্ৰষ্টব্য : গল্প-উপন্যাসত লেখকৰ হৃদয়ানুভূতিয়ে ক্ৰিয়া কৰাৰ বিপৰীতে মূল বিষয় উপস্থাপনহে প্ৰবন্ধৰ লক্ষ্য হৈ পৰে। সেয়ে এই আলোচনাত তেৰাঙৰ 'কাৰবি সাহিত্য-সংস্কৃতিত এভুমুকি', 'সমন্বয় প্ৰবাহ' আদি আলোচনা গ্ৰন্থৰ গদ্যশৈলীক সামৰি লোৱা হোৱা নাই।)

সহায়ক গ্ৰন্থ :

১. **ৰংমিলিৰ হাঁহি**, *ৰংবং তেৰাং*, অসম প্ৰকাশন পৰিষদ, দ্বিতীয় প্ৰকাশ : ১৯৯৩ (প্ৰথম প্ৰকাশ ১৯৮১)

২. **কাৰবি লামতাছাম**, *ৰংবং তেৰাং*, প্ৰথম প্ৰকাশ : ১৯৭৪

৩. **ক্ৰান্তিকালৰ অশ্ৰু**, *ৰংবং তেৰাং*, চন্দ্ৰ প্ৰকাশ, প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ২০০৫

৪. **জাক হেৰোৱা পক্ষী**, *ৰংবং তেৰাং*, বনলতা, দ্বিতীয় প্ৰকাশ : ডিচেম্বৰ, ২০০৬ (প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ২০০৫)

৫. **নীলা অৰ্কিড**, ৰংবং তেৰাং, আংগিক প্ৰকাশন, দ্বিতীয় প্ৰকাশ : ২০০৮ (প্ৰথম প্ৰকাশ?)

(—

এই উপন্যাসখনত ৰাইছং তেৰাঙে সন্ত্ৰাস জৰ্জৰিত অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত চলি থকা সংঘাতৰ পৰিৱেশত প্ৰতিটো জনগোষ্ঠীৰে শুভবোধসম্পন্ন চেতনাক প্ৰতিনিধিত্ব কৰিছে। ঔপন্যাসিক ৰংবং তেৰাঙে অননুকৰণীয় সৰল গদ্যৰে এই উপন্যাসখনত ৰাজনীতি নুবুজা মানুহৰ জীৱনৰ প্ৰাণস্পন্দনক ধৰি ৰাখিছে— যি প্ৰাণস্পন্দনেই হঠকাৰী ৰাজনীতিৰ বিৰুদ্ধে হ'ব পৰা আটাইতকৈ ডাঙৰ অস্ত্ৰ।

—)

জাক হেৰোৱা পক্ষী
সংঘাতময় পৰিস্থিতিৰ মৰ্মস্পৰ্শী চিত্ৰায়ন

অৰিন্দম বৰকটকী

অসমীয়া সাহিত্যত মিচিং মূলৰ লেখকসকলে যদিহে কবিতাৰ জৰিয়তে অসমীয়াৰ প্ৰাণস্পন্দনৰ ঐতিহ্যক ধাৰণ কৰিব পাৰিছে কাৰ্বি মূলৰ লেখকসকলে উপন্যাসৰ জৰিয়তে পৰিৱৰ্তিত মানসিকতাত অসমীয়াৰ প্ৰাণস্পন্দনৰ পৰিচয় লৈ অহা বিভ্ৰান্তি বা সংশয়ৰ বেদনাক প্ৰকাশ কৰিব পাৰিছে। কাৰ্বি লোক-সাহিত্যত যিদৰে বিৰহ আছে, সেইদৰে মহাকাব্যিক সম্ভাৱনাও আছে— কাৰ্বি ৰামায়ণ 'চাবিন আলুন'খনেই তাৰ এটা প্ৰমাণ। আধুনিক যুগত সেই চেতনাক অসমীয়া ভাষাত ধৰি ৰাখিছে ৰংবং তেৰাঙে। সাধাৰণতে যি জাতীয় পৰিচয় আৰু সংস্কৃতি আজি অসমীয়া সাহিত্যৰ জৰিয়তে প্ৰকাশ পাইছে সেয়া অসমীয়া মূলৰ নহয়— বজাৰ অৰ্থনীতি আৰু পশ্চিমীয়া বোধৰ সম্প্ৰসাৰণে সৃষ্টি কৰা বিশ্বজনীনতাৰহে অংশ। পৰিচয়ৰ এনে বিকেন্দ্ৰীকৰণক আধুনিকতা বুলিম নে প্ৰভাৱ বুলিম সেয়া প্ৰশ্নৰ বিষয়। আধুনিকতা আৰু পৰিৱৰ্তনৰ আগমনৰ এই সময়ছোৱাত যিগৰাকী অসমীয়া ঔপন্যাসিকে শুভবোধেৰে শেহতীয়াকৈ কাৰ্বি লোকজীৱনলৈ আহি পৰা সংকট আৰু সংঘাতক উদাহৰণ হিচাপে লৈ আমাৰ পৰিচয় (identity)ৰ বিচাৰ কৰিছে, সেই

লেখকগৰাকীয়ে হ'ল ৰংমিলিৰ হাঁহি, ক্ৰান্তিকালৰ অশ্ৰু আৰু জাক হেৰোৱা পক্ষীৰ স্ৰষ্টা ৰংবং তেৰাং।

লেখকে জাক হেৰোৱা পক্ষী নামৰ কিতাপখন উছৰ্গা কৰিছে ২০০৩ খ্ৰীষ্টাব্দত কাৰ্বি আংলঙত সংঘটিত গোষ্ঠী সংঘাতত প্ৰাণ আহুতি দিয়া ব্যক্তিসকলৰ স্মৃতিত আৰু কিতাপখনৰ প্ৰথম পৃষ্ঠাতে উল্লেখ কৰিছে এই বাক্যটো— 'ভাবিছোঁ স্বাধীনতা পালে মানুহবোৰ ভাল হ'বনে নহয়।' কুকি আৰু কাৰ্বি এই দুই জনগোষ্ঠীৰ মাজলৈ হঠাতে আহি পৰা সংঘাতেই উপন্যাসখনৰ সমল। এটা জনগোষ্ঠীৰ পৰিচয় স্থাপনৰ আগ্ৰহ আৰু প্ৰচেষ্টা, আনটো জনগোষ্ঠীৰ বাবে পৰিচয়ৰ সংকট হৈ পৰা বাবেই ২০০৩ চনৰ কাৰ্বি-কুকি সংঘাতৰ সূচনা হৈছিল। কাৰোবাৰ আগ্ৰহ আন কাৰোবাৰ বাবে সংকট হ'ব পাৰে ৰাজনীতিৰ প্ৰশ্ৰয়তহে, সংস্কৃতিৰ প্ৰচ্ছায়াত নহয়। এই শতিকাৰ আৰম্ভণিত কাৰ্বি পাহাৰতো প্ৰৱেশ ঘটিছিল এনে কুটিল ৰাজনীতিৰ । সাংস্কৃতিক ঐতিহ্যৰ পৰিবৰ্তে যেতিয়া ক্ষমতা পৰিচয়ৰ সূচক হয়, সেই ক্ষমতাই লোকজীৱনৰ পৰিচয়লৈও পৰিবৰ্তন আনে। এই উপন্যাসখন হৈছে ৰাইছং তেৰাং নামৰ এজন protagonist ৰ কাহিনী, যি শক্তিকেন্দ্ৰিক ৰাজনীতিয়ে সমাজলৈ আনি দিয়া পৰিবৰ্তনৰ কৰুণ সাক্ষী হৈ ৰৈছে। এই চৰিত্ৰটোৰ জৰিয়তে লেখকে উপস্থাপন কৰিছে সমাজৰ ভূমি সংলগ্ন ইমানদিনে সুখে-শান্তিৰে জীয়াই থকা সেই শ্ৰেণীটোক— যি শ্ৰেণীটোৰ জীৱনলৈও সংঘাত আহি পৰিছে। কিন্তু এই উপন্যাসখনৰ লেখকজন ৰাইছং তেৰাঙৰ দৰেই ৰাজনীতিয়ে আনিব পৰা পৰিবৰ্তনৰ প্ৰতি আগ্ৰহী হোৱাতকৈ লোকজীৱনৰ উৎসসমূহৰ ওচৰতহে ধৰুৱা হোৱাৰ বাবে এই উপন্যাসখনৰ কাহিনীভাগ বিশ্বাসভংগৰ বেদনা নহয়, বৰঞ্চ আত্মবিশ্বাসৰ গাথাহে হৈ ৰৈছে।

কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি



কাৰ্বি সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰি লিখা এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ 'কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি'। ১৯৮২ চনত কিতাপখন প্ৰকাশ কৰিছিল অসম সাহিত্য সভাই। দাম আছিল মাত্ৰ ৪ টকা। ১২টা নিবন্ধ সংকলন কৰি গ্ৰন্থখন প্ৰকাশ কৰা হৈছিল। সংকলিত প্ৰবন্ধৰ বিষয়বস্তু সন্দৰ্ভত ইয়াৰ শিৰোনামাবোৰৰ পৰাই সম্যক আভাস পাব পাৰি। লেখাকেইটা হ'ল ক্ৰমে— বিহংগম দৃষ্টিৰে কাৰ্বি নতুন সাহিত্য, লোক-সাহিত্যৰ স্বৰূপ, কাৰ্বি সাহিত্যত কাহিনী গীত, ছাবিন আলুনত আঞ্চলিক বৈশিষ্ট্য, বন-গীতত কাৰ্বি জীৱনৰ চিত্ৰ, কাৰ্বি নিচুকনি গীতৰ স্বৰূপ, ৰ'ল'কেতেৰঃ কাৰ্বি সমাজ-বুৰঞ্জীৰ এখিলা পাত, চ'মাংকান আৰু ইয়াৰ তাৎপৰ্য, কাৰ্বি কৃষ্টিৰ এখিলা পাত ঃ জাম্বিলী আথন, কাৰ্বি সংস্কৃতিত মাছৰ স্থান, ধান-তত্ত্বত এভুমুকি, অসমীয়া আৰু কাৰ্বি সংস্কৃতিৰ সমন্বয়।

উপন্যাসখনৰ আটাইতকৈ শক্তিশালী দিশটো হৈছে চৰিত্ৰ আৰু পৰিৱেশৰ সমিলমিলত গঢ় লৈ উঠা সবল সংবেদনশীলতা। উপন্যাসখনৰ আৰম্ভণিতে ৰাইছং তেৰাঙৰ এইকেইটা বাক্যত চৰিত্ৰৰ চেতনা সৃষ্টিত পৰিৱেশৰ প্ৰভাৱ চকুত পৰে ঃ 'হিদিপিৰ বজাৰখন পোহৰ হ'ল, কেৱল মোৰ গাঁওখনহে আন্ধাৰ হৈয়েই থাকিল। পোহৰৰ মুখ কেতিয়া দেখিম?... ত্ৰিছ বছৰেই হ'ল, ইলেকট্ৰিক লাইন অহাটো দূৰৰে কথা, অহা-যোৱা ৰাস্তাও আজিলৈকে নহ'ল। ভোট দিয়াৰ সময়ত নিজৰ মানুহ বুলি ভোট দিওঁ, কিন্তু জিকাৰ পিছত সকলো কথা পাহৰি যায়।' এই উপন্যাসখনৰ সামাজিক পৰিৱেশ ৰাজনীতিয়ে সৃষ্টি কৰিছে চৰিত্ৰসমূহ, কিন্তু কাৰ্বি লোকজীৱনৰ সাংস্কৃতিক পৰিচয়ৰ সৈতেই সংলগ্ন হৈ আছে। এটা বাহ্যিক আৰু আনটো আভ্যন্তৰীণ সংঘাতত উপন্যাসখনৰ ঘটনাক্ৰম গঢ় লৈ উঠিছে। এই সংঘাতত ৰাইছং তেৰাঙৰ দৰে চৰিত্ৰই স্বাভাৱিকভাৱেই পৰিবৰ্তনতকৈ স্থিতাৱস্থাৰেই অন্বেষণ কৰিছে, কিন্তু তেওঁৰ পিছৰ প্ৰজন্ম লংকিৰিয়ে অন্বেষণ কৰিছে পৰিৱৰ্তনৰ ঃ 'জিলা গঠন হোৱাৰ পঞ্চাছটা বছৰৰ পিছতো পাহাৰৰ গাঁওবোৰে পৰিৱৰ্তনৰ মুখকে নেদেখিলে। পৰিৱৰ্তন নহ'ল তাৰ ৰংজাংফং গাঁওখনো।'

গাঁৱৰ কাষেদি পাৰ হৈ যোৱা ৰোপ-ৱেটো দেখিলে যে তাৰ আৰু খং উঠে। তাৰ অসহ্য লাগে চুণ শিলৰ টুকুৰাবোৰ বাকচত কঢ়িয়াই লৈ যোৱা দৃশ্যবোৰ দেখিলে। তাৰ চিএঙৰি দিবৰ মন যায়— এয়া শোষণ। কাৰ্বি আংলঙৰ বগা-বগা সোণৰ টুকুৰাবোৰ শোষণ কৰিছে উদ্যোগৰ নামত, বিকাশৰ নামত।' এই সংঘাত আৰু সংকটৰ সময়ত বাপেক-পুতেক দুয়োজনেই নিঃসংগ। সেই নিঃসংগতাই এই উপন্যাসখনৰ বেদনা। কিন্তু এই বেদনাই ৰাইছং তেৰাঙক আৰু বেছি আত্মবিশ্বাসী কৰি তুলি, সৃষ্টি কৰাইছে সামাজিক সংঘটনসমূহৰ পৰা নিজৰ দূৰত্ব ঃ 'এই সংঘাত তহঁতৰ, মোৰ ঘৰখনলৈ বিয়পালি কিয়?' সমাজৰ ভূমি সংলগ্ন চৰিত্ৰসমূহৰ আন্তৰিক সংবেদনশীল স্থিতিয়েই যে এই শ্ৰেণীটোৰ আটাইতকৈ ডাঙৰ নিৰাপদ কৱচ, সেই উপলব্ধি ৰাইছং তেৰাঙৰ চৰিত্ৰটোৰ মাজেৰে আহৰণ কৰিব পাৰি।

জাক হেৰুৱা পক্ষী নামটোৰ প্ৰতীকী তাৎপৰ্য আছে। জাকৰ পৰা বিচ্যুত হোৱা চৰাই এটা কিমান বেছি অসহায় হৈ পৰে সেই অসহায়তাৰ ছবিয়েই এই উপন্যাসখনত ফুটি উঠিছে। এই অসহায়তা হৈছে সমিলমিল আৰু সৌহাৰ্দ্যপূৰ্ণ ভাতৃত্ববোধেৰে বাস কৰা জনগোষ্ঠীয় লোকসকলৰ মাজত বিয়পি পৰা সংঘাতে সৃষ্টি কৰা একাকীত্বৰ অসহায়তা। উপন্যাসখনৰ আৰম্ভণিতে ৰাইছং তেৰাঙৰ পত্নী কাঞ্জিৰে এনে এটা সপোন দেখিছে ঃ 'গোটেই ডিলাই পাহাৰটোকে হেনো জুয়ে আগুৰি পেলালে। পাহাৰৰ জুই বিয়পি আমাৰ গাঁওখনো জ্বলিব ধৰিলে। আমাৰ ঘৰখনো এফাল হেনো জ্বলি গ'ল। কোনোমতে পানী একলহ পাই ছটিয়াই দিয়াতহে আমাৰ মূল ঘৰটো বাচিল। কি হ'ব বাৰু লংকিৰ দেউতা? কিবা বিপদ হ'ব নেকি?' আৰু উপন্যাসখনৰ শেষলৈ দেখিবলৈ পাইছো কুকি উগ্ৰপন্থীসকলে গোটেই গাঁওখন জ্বলাই দিছে আৰু 'খুঁটাবোৰৰ সৈতে জ্বলি শেষ হোৱা ঘৰখনলৈ বিষণ্ণ মনেৰে চাই ৰৈছে ৰাইছং তেৰাঙে। জ্বলি ছাই হোৱা ঘৰখনলৈ মূৰে-কপালে হাত দি অসহায়ভাৱে চাই থাকিল কাঞ্জিৰ ৰংহাংপীয়েও। বাল্টিৰ পানীৰে জুই নুমুৱাবলৈ বৃথা চেষ্টা কৰিব ধৰিলে জিৰছং তেৰাঙে অকলে।' এই বিষাদ আৰু ভীতিগ্ৰস্ততাৰ গুৰি কাৰ্বি লোকজীৱনটোত বাহ্যিক শক্তিয়ে ৰোপণ কৰিছে অবিশ্বাসৰ মানসিকতা সৃষ্টিৰ যোগেদি যাৰ বাবে কাঞ্জিৰে নিজৰ পুতেক জিৰছাঙে কুকি ছোৱালী বিয়া কৰোৱাটোক সহজভাৱে ল'ব পৰা নাই।

প্ৰতিটো চৰিত্ৰৰ মনলৈ' কোনোবা সময়ত আহি পৰা সন্দেহ আৰু অবিশ্বাসৰ ভাব পৰিবেশৰ সৃষ্টি। সেই পৰিবেশৰ বিৰুদ্ধে শুভবোধেৰে প্ৰচণ্ড আত্মবিশ্বাসেৰে থিয় দি বৈছে ৰাইছং তেৰাংঃ

'তোমাৰ জাতিৰ সন্ত্ৰাসবাদীহঁতে আহি ঘৰ জ্বলালে বাবেই তুমি নিজকে কিয় দোষী কৰিবা? তুমিটো আমাৰ ঘৰ জ্বলাবলৈ অহা নাই ঘৰখন বান্ধিবলৈহে আহিছা। আই কি সতেনো মই তোমাক উভতি যাবলৈ কওঁ। এয়া হ'ব নোৱাৰে। ঘৰ জ্বলিল। অকল আমাৰ ঘৰেইতো জ্বলা নাই। তোমালোকৰ বংশ-পৰিয়ালৰ ঘৰবোৰকো জ্বলাইছে আমাৰ কাৰ্বি সন্ত্ৰাসবাদীহঁতে। সন্ত্ৰাসক ভাল পোৱা মানুহবোৰৰ কোনো জাত নাই, ধৰ্ম নাই। এই ঘটনাবোৰ দেশৰ বাবে, জাতিৰ বাবে একো একোটা দুৰ্যোগ। সদায় নাথাকে। তুমি মিছাতে দুখ নকৰিবা। বিপদৰ সময়ত সৌ পাহাৰটোৰ দৰে স্থিৰ হৈ থাকিব লাগিব।'

এই উপন্যাসখনত ৰাইছং তেৰাঙে সন্ত্ৰাস জৰ্জৰিত অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত চলি থকা সংঘাতৰ পৰিবেশত প্ৰতিটো জনগোষ্ঠীৰে শুভবোধসম্পন্ন চেতনাক প্ৰতিনিধিত্ব কৰিছে। ঔপন্যাসিক ৰংবং তেৰাঙে অননুকৰণীয় সৰল গদ্যৰে এই উপন্যাসখনত ৰাজনীতি নুবুজা মানুহৰ জীৱনৰ প্ৰাণস্পন্দনক ধৰি ৰাখিছে— যি প্ৰাণস্পন্দনেই হঠকাৰী ৰাজনীতিৰ বিৰুদ্ধে হ'ব পৰা আটাইতকৈ ডাঙৰ অস্ত্ৰ।

সাহিত্য গুণৰ ফালৰপৰা নীলা অৰ্কিডৰ উপন্যাসিকা তিনিখন হয়তো ৰংমিলিৰ হাঁহিৰ সমপৰ্যায়ৰ নহ'ব। কিন্তু কাৰ্বি জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক উত্তৰাধিকাৰবিলাক হৃদয়ংগম কৰাৰ প্ৰসংগত তেওঁৰ আনবোৰ সৃষ্টিকৰ্মৰ দৰেই নীলা অৰ্কিডও এক গুৰুত্বপূৰ্ণ সৃষ্টি।

নীলা অৰ্কিড
কাৰ্বি সমাজ সংস্কৃতিৰ প্ৰতিফলন

প্ৰকল্প ৰঞ্জন ভাগৱতী

আজিৰপৰা চাৰিটামান দশকৰ আগলৈকে তেওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক উত্তৰাধিকাৰসমূহ লৈ অসমৰ বিভিন্ন জনগোষ্ঠীসমূহ ইমান সজাগ আৰু সচেতন নাছিল। সেয়ে বেজবৰুৱাৰ ডালিমী অথবা ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ মিচিং সমাজখনৰ প্ৰতি অসমীয়া পঢ়ুৱৈৰ সঁহাৰি আৰু কৌতূহল পৰ্যটকসুলভ হ'লেও তাত কোনো ভেজাল নাছিল। কিন্তু আজি ৰাজনৈতিকভাৱে একেখন ভূখণ্ডৰে অধিবাসী হৈও তেওঁলোকে নিজৰ স্বতন্ত্ৰ অস্তিত্ব সম্পৰ্কে সচেতন হোৱাৰ পৰিপ্ৰেক্ষিতত কেৱল পৰ্যটকসুলভ দৃষ্টিভংগীৰে তেওঁলোকক জনা আৰু বুজাটো আমাৰ বাবে সম্ভৱ নহ'ব। তেওঁলোকৰ স্বতন্ত্ৰ অস্তিত্বৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ লগতে তেওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক উত্তৰাধিকাৰসমূহৰ সৌভ্ৰাতৃত্বধৰ্মী অনুশীলনৰ যোগেৰেহে আমি তেওঁলোকক ভালদৰে জানিব আৰু বুজিব পাৰিম। এনেকুৱা কিছুমান কথাৰ কাৰণেই ৰংবং তেৰাঙৰ সাহিত্যকৰ্ম আমাৰ বাবে মূল্যবান আৰু প্ৰাসংগিক। তেৰাঙে বৰ বেছি সাহিত্য সৃষ্টি কৰা নাই, কিন্তু যিখিনি কৰিছে তাৰ যোগেৰেই আমি অসমৰ এটা গুৰুত্বপূৰ্ণ জনগোষ্ঠী কাৰ্বিসকলৰ সামাজিক আৰু সাংস্কৃতিক উত্তৰাধিকাৰসমূহৰ সৈতে একাত্ম অনুভৱ কৰোঁ।

ৰংবং তেৰাঙৰ জীৱনৰ শ্ৰেষ্ঠ কৃতি ৰংমিলিৰ হাঁহি উপন্যাসত আমি পোন প্ৰথমবাৰৰ বাবে কাৰ্বি সমাজ আৰু সংস্কৃতিক ভিতৰৰ পৰা চাক্ষুষ কৰাৰ সুযোগ পাওঁ। উক্ত জনগোষ্ঠীৰ সমূহ

সামাজিক আৰু সাংস্কৃতিক উত্তৰাধিকাৰেৰে সমৃদ্ধ আৰু বৃহত্তৰ অসমীয়া সমাজ-সংস্কৃতিৰ লগতো পৰিচিত তেৰাঙৰ 'ৰংমিলিৰ হাঁহি' পঢ়াৰ সময়ত আমাৰ মুঠেই ভাব নহয় যে কোনো অজ্ঞাতকুলশীল জগত এখনত আমি বিচৰণ কৰি আছোঁ। বৰং উপন্যাসখন পঢ়ি যুগ-যুগান্তৰৰ পৰা চিনাকি যেন লগা জগত এখনহে আমাৰ সমুখত ক্ৰমশঃ উন্মোচিত হয়।

'ৰংমিলিৰ হাঁহি'ৰ পাচত ৰংবং তেৰাঙৰ ভালেকেইখন কিতাপ প্ৰকাশ পাইছে। তাৰ ভিতৰত এখন হ'ল 'নীলা অৰ্কিড'। এইখন কিতাপত তেওঁৰ তিনিখন চুটি উপন্যাসিকা সন্নিবিষ্ট হৈছে। সেয়া হ'ল 'নীলা অৰ্কিড', 'ভগ্ন নীড়' আৰু 'ঋষভ গান্ধাৰ'। সাহিত্যৰ প্ৰচলিত সংজ্ঞাৰ দৃষ্টিৰে চালে এইকেইখনক উপন্যাসিকা বুলিব নোৱাৰি। বৰং ইয়াৰ প্ৰকৃতি চুটি গল্পৰহে ওচৰ চপা। কিন্তু চুটি গল্পৰো সকলো ধৰ্ম প্ৰথম দুটি লেখাত প্ৰতিফলিত হোৱা নাই। শেষৰটো লেখা 'ঋষভ গান্ধাৰ'তহে গল্পৰ সংজ্ঞা ৰক্ষিত হৈছে। সি যি নহওক, তেৰাঙৰ এই কিতাপখনেও আমাক কাৰ্বি আংলঙৰ সমাজ আৰু সংস্কৃতিক ভিতৰৰপৰা চাক্ষুষ কৰাৰ সুযোগ দিয়ে।

'নীলা অৰ্কিড'ত ডিফু কলেজৰ এগৰাকী অনা-কাৰ্বি শিক্ষকৰ অনুভৱ আৰু উপলব্ধিৰ জৰিয়তে লেখকে কাৰ্বি সমাজ আৰু সংস্কৃতিক চাবলৈ বিচাৰিছে। উপন্যাসিকাখন এখন পানীৰঙৰ নিসৰ্গ চিত্ৰৰ দৰে সজীৱ। উদ্ভিদ বিজ্ঞানৰ শিক্ষকৰ অৰ্কিড-প্ৰীতিৰ মাজেৰে লেখকে কাৰ্বি আংলঙৰ মনোৰম নিসৰ্গৰ সৈতে পঢ়ুৱৈক পৰিচয় কৰাই দিছে ঃ

"ইতিমধ্যে মই অনুভৱ কৰিছোঁ এটি শীতল আৰু সেমেকা পৰিবেশ। গছ-গছনি, গছত মেৰিয়াই ধৰা বিভিন্ন শ্ৰেণীৰ লতা আৰু পোহৰ নপৰা চেঁচুক ঠাইবোৰ মোৰ চকুত পৰিব ধৰিলে। ৰাস্তাৰ কাষেৰে বৈ অহা লংনিট নৈখনেও মোক আকৰ্ষণ কৰিব ধৰিলে। নৈৰ বুকুত থকা শিলবোৰত ঠেকা খাই-খাই সৃষ্টি হোৱা পানীৰ অবিৰত শব্দবোৰেও অবুজ শিহৰণ এটা আনি দিব ধৰিলে। নৈখনৰ এই সংগ্ৰামী গতিত মই যেন আজি বিচাৰি পাইছোঁ সাগৰ সন্ধানী এটি মন। খনবামন পাহাৰৰ এই পাদদেশত অৰ্কিডটো বিচাৰি পামনে বাৰু? আমাজনীয়ান জাত নহ'লেও এছিয়াটিক () অৰ্কিড পালেও। সেয়া যে অতি দুষ্প্ৰাপ্য।' (পৃষ্ঠা ঃ ৯)

উপন্যাসিকাখনৰ ঘটনা আৰু পটভূমিৰ লগত সম্পৃক্ত হৈ থকা নিসৰ্গ চিত্ৰৰ এনেধৰণৰ বৰ্ণনাই পঢ়ুৱৈৰ ষষ্ঠ ইন্দ্ৰিয়কে সজীৱ কৰি তোলে।



মহাত্মা গান্ধী

'মহাত্মা গান্ধী' এখন ক্ষুদ্ৰ কলেৱৰৰ জীৱনী কাৰ্বি ভাষালৈ অনুবাদ কৰিছিল ৰংবং তেৰাঙে। গান্ধীৰ আদৰ্শৰে গভীৰভাৱে অনুপ্ৰাণিত তেৰাঙে হয়তো কাৰ্বি সমাজৰ মাজত গান্ধীৰ আদৰ্শৰ প্ৰসাৰ ঘটোৱাৰ প্ৰচেষ্টাতে এই কাম সম্পাদন কৰিছিল। ১৯৬৯ চনতে এই অনূদিত কিতাপখন প্ৰকাশ পাইছিল।

'ভগ্ন নীড়'ত পৰম্পৰাগত কাৰ্বি সমাজখনৰ চিত্ৰ দাঙি ধৰা হৈছে। এইখন উপন্যাসিকাৰো পটভূমি আৰু কাহিনীৰ সৈতে কাৰ্বি আংলঙং প্ৰকৃতি সম্পৃক্ত হৈ আছে। কিন্তু ইয়াত প্ৰকৃতি পানী সৰল নিসৰ্গচিত্ৰা নহয়। ৰহস্যময় আৰু জটিল কাৰুকাৰ্যৰ সৈতে প্ৰকৃতি যেন ইয়াত এখন দুৰ্বোধ্য তৈলচিত্ৰ :

'অঁ, সেয়াই খনবামন। কি বিৰাট ওখ পাহাৰ দেখিছ! তাত বাৰিষাৰ মেঘবোৰেও জিৰণি লয়। মেঘত যে ঢেৰেকনি হয়, বিজুলী মাৰে, সেয়া 'ছিনীং ৰেচ্ছ' (সাগৰৰ দেৱতা)ৰ কাম। বিৰাট আকৃতিৰ হিংক'ন (দীঘল ডিঙিৰ কলহ)খন ঠেলি ঠেলি মেঘত শব্দ কৰে আৰু ভাগৰি পৰিলে খনবামনত জিৰায়হি। এইবোৰ পিৰথাত বাৰিথে (ইন্দ্ৰ দেৱতা) দেৱতাৰ হুকুম। সেই দেৱতাই আটাইতকৈ শক্তিশালী। ইচ্ছা কৰিলে পৃথিৱীখনকো কঁপাই তুলিব পাৰে।......' (পৃষ্ঠা : ২৭)

প্ৰকৃতিৰ এই ৰহস্যময় ৰূপৰ অভিঘাত আমি দেখিবলৈ পাওঁ কুৰি বছৰ বয়সতে এটি সন্তানৰ মাক হৈ বিধবা হোৱা কাৰেঙৰ করুণ জীৱনত।

কিতাপখনৰ তৃতীয়খন উপন্যাসিকা 'ঋষভ গান্ধাৰ'ত সৰল জনজাতীয় সমাজখনৰ চিত আমি দেখিবলৈ পাওঁ। উপন্যাসিকাখন সৰলতাৰ সুযোগ লৈ অজনজাতীয় লোকে জনজাতীয় সাধাৰণ লোকক ঠগোৱাৰ এটি সাধাৰণ ঘটনাক লৈ জড়িত। পৰিহাসময় বিবৰণ আৰু নাটকীয় কথোপকথনৰ মাজেৰে লেখকে ঘটনাটো আমাক শুনাইছে। উপন্যাসিকাখনৰ বিভিন্ন জনজাতীয় লোকৰ ভাতৃত্বমূলক সম্পৰ্কই পঢ়ুৱৈৰ মনত এখন আশাৰ ছবি দাঙি ধৰাৰ বিপৰীতে 'বাহিৰৰপৰা অহা' লোকৰ ঠগ-প্ৰৱঞ্চনাই ঘৃণাৰ উদ্ৰেক ঘটায়।

সাহিত্য গুণৰ ফালৰপৰা নীলা অৰ্কিডৰ উপন্যাসিকা তিনিখন হয়তো 'ৰংমিলিৰ হাঁহি'ৰ সমপৰ্যায়ৰ নহ'ব। কিন্তু সাহিত্যগুণৰ কথা বাদ দিলে, কাৰ্বি জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক উত্তৰাধিকাৰবিলাক হৃদয়ংগম কৰাৰ প্ৰসংগত তেওঁৰ আনবোৰ সৃষ্টিকৰ্মৰ দৰেই নীলা অৰ্কিডো এক গুৰুত্বপূৰ্ণ সৃষ্টি।

শ্ৰীমদ্ভাগৱত গীতা

[illegible]

সন্ত্ৰাসবাদে অস্থিৰ আৰু অনিশ্চিত কৰি তোলা জনজীৱন, গোষ্ঠীগত বিভেদে সাধাৰণ লোকৰ মনতো প্ৰসাৰিত কৰা বিশ্বাসহীনতা, ধৰ্মান্তৰকৰণৰ কৌশলী তৎপৰতা আৰু তাৰ অৱশ্যম্ভাৱী পৰিণতিত ক্ৰমাৎ বিলুপ্তিৰ গ্ৰাসত পৰা নানা লোকাচাৰ, ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ আগ্ৰাসন আৰু অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ দুৰাৱস্থা আদিৰ ইংগিতপূৰ্ণ ছবি তেৰাঙে সীমিত পৰিসৰৰ মাজতে অংকন কৰিছে।

মিৰ্‌বিন

কাৰ্‌বি পাহাৰলৈ অহা পৰিৱৰ্তনৰ ইংগিত

খনীন্দ্ৰ কুমাৰ ডেকা

'মিৰ্‌বিন' ৰংবং তেৰাঙৰ গ্ৰন্থাকাৰে প্ৰকাশিত শেহতীয়া উপন্যাস। ক্ষুদ্ৰ কলেৱৰৰ উপন্যাসখনৰ এটা নাৰী চৰিত্ৰৰ নামেৰেই তেওঁ ইয়াৰ নামকৰণো কৰিছে। কিন্তু অন্যতম গুৰুত্বপূৰ্ণ চৰিত্ৰ হ'লেও মিৰ্‌বিনক কেন্দ্ৰ কৰি উপন্যাসখনৰ কাহিনী আৱৰ্তিত হোৱা নাই। তেৰাঙৰ পূৰ্বৰ উপন্যাসৰ দৰে 'মিৰ্‌বিন'ত এটা নিটোল কাহিনীৰ সুষম গতি অনুপস্থিত; কিছুমান বিক্ষিপ্ত বৰ্ণনাৰ মাজেদি কাৰ্‌বি সমাজৰ নিপুণ ভাষ্যকাৰ তেৰাঙে কাৰ্‌বি-কুকি সংঘৰ্ষৰ এক পৰিহাসময় ছবি আকৰ্ষণীয়কৈ উপস্থাপন কৰিছে। পিছে এয়াই উপন্যাসখনৰ একমাত্ৰ গুৰুত্ব নহয়; সময়ৰ দ্ৰুত সোঁতে কাৰ্‌বি সমাজ আৰু মানসিকতালৈ অনা পৰিৱৰ্তনৰ নানা ৰূপ উদ্বেগেৰে পৰ্যবেক্ষণ কৰা তেৰাঙে এনে কেতবোৰ দিশৰো আভাস দিছে উপন্যাসখনত। সন্ত্ৰাসবাদে অস্থিৰ আৰু অনিশ্চিত কৰি তোলা জনজীৱন, গোষ্ঠীগত বিভেদে সাধাৰণ লোকৰ মনতো প্ৰসাৰিত কৰা বিশ্বাসহীনতা, ধৰ্মান্তৰকৰণৰ কৌশলী তৎপৰতা আৰু তাৰ অৱশ্যম্ভাৱী পৰিণতিত ক্ৰমাৎ বিলুপ্তিৰ গ্ৰাসত পৰা নানা লোকাচাৰ, ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ আগ্ৰাসন আৰু অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ দুৰাৱস্থা আদিৰ ইংগিতপূৰ্ণ ছবি তেৰাঙে সীমিত পৰিসৰৰ মাজতে অংকন কৰিছে। লগতে আছে বন ধ্বংসকাৰীৰ আক্ৰোশী উপস্থিতিও— যিবোৰ গছক কাৰ্‌বি লোকবিশ্বাসত দেৱতাৰ সৈতে তুলনা কৰা হয়, তেনে গছো ধ্বংসকাৰীৰ কবলৰ পৰা ৰক্ষা পৰা নাই। 'মিৰ্‌বিন'ৰ পৃষ্ঠাই

পৃষ্ঠাই ৰংবং তেৰাঙে বিভিন্ন কাৰ্বি লোকাচাৰ, পৰম্পৰাগত গীত-মাত আদিৰ আভাসো দি গৈছে; কাৰ্বি শব্দ আৰু গীতৰ অসমীয়া ভাবাৰ্থৰ সংযোজনেৰে যথাৰ্থতে যেন তেওঁ পাহাৰৰ সুবাস ভৈয়ামলৈ কঢ়িয়াই আনিছে।

'ৰংমিলিৰ হাঁহি'ৰ দৰে 'মিৰ্বিন'তো এজন গাঁওবুঢ়াৰ কথা আছে; 'ৰংমিলিৰ হাঁহি'ৰ ছাৰহাইক তেৰাঙৰ দৰে 'মিৰ্বিন'ৰ ছাৰ্মেন ৰংহাঙো কাৰ্বি সমাজৰ এজন সচেতন পৰ্যবেক্ষক, যি সমাজখনৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰে আৰু সমাজ জীৱনলৈ অহা প্ৰতিটো নেতিবাচক পৰিবৰ্তনৰ উপলব্ধিৰে উদ্বিগ্ন হৈ পৰে। ছাৰমেনৰ মুখেৰেই যেন ঔপন্যাসিকে কৈছে পৰিবৰ্তিত পৰিস্থিতিত অনুভূত হতাশা আৰু উদ্বিগ্নতাৰ কথা—

> 'একেখন পাহাৰতে আছো, অথচ ধৰ্মই আমাক ভাগ-ভাগ কৰিব ধৰিছে। এইটো কোনো ভাল কথা কোৱা নাই, মেহেই। আমাৰ পুৰণি নিয়ম ধৰ্মৰ কথাবোৰ হেৰাই যাবলৈ আৰু বেছিদিন নাই। এদিন চাব, মোৰ নিচিনা মেংথে আৰ্নাম— ৰেক্ আৰ্নাম পালন কৰা মানুহো নহ'ব।' — অতি গভীৰভাৱে ছাৰ্মেন্ ৰংহাঙে সমাজৰ আগত প্ৰকাশ কৰিলে— মনত সোমাই থকা সন্দেহ-আশংকাৰ কথাবোৰ।'

একেদৰে বিদ্ৰোহে কাৰ্বি পাহাৰলৈ অনা অনাহুত পৰিবৰ্তনৰ চিত্ৰ তেৰাঙে আঁকিছে এনেদৰে—

> '...কুকি আৰু ডিমাছা উগ্ৰপন্থীহঁতৰ লগত কাৰ্বি উগ্ৰপন্থীৰ অন্তঃকন্দলে জনজীৱনক স্থবিৰ কৰি পেলালে। অন্তঃকন্দলৰ পৰিণাম ছাৰ্মেনহঁতৰ জীৱনলৈকো আহি পৰিল। জনসাধাৰণৰ মাজত কোনো ধৰণৰ শত্ৰুভাৱ নাই যদিও অঞ্চলৰ জনগোষ্ঠীয় মানুহবোৰ বিশ্বাসহীনতাত আক্ৰান্ত হ'ব ধৰিলে।'

উপন্যাসখনত এটা প্ৰেম কাহিনী আছে, কিন্তু প্ৰেমৰ তীব্ৰতাতকৈ অধিক গুৰুত্ব পাইছে যুৱপ্ৰজন্মৰ বিদ্ৰোহাত্মক স্থিতি আৰু তাৰ কৰুণ পৰিণতিয়েহে। গাঁওবুঢ়া ছাৰমেনৰ কন্যা মিৰ্বিনক প্ৰেমপাশত আবদ্ধ কৰিছিল হেমাৰিয়ে; কিন্তু প্ৰিয়তমাৰ অজ্ঞাতে তেওঁ বিদ্ৰোহী সংগঠনত যোগ দি অটব্য হাবিলৈ গুচি যায়। কুকি উগ্ৰপন্থীৰে হোৱা আক্ৰমণত নিহত হয় হেমাৰি; তাৰ পিছত মিৰ্বিনৰ কি অৱস্থা হ'ব পাৰে তাৰ ইংগিত দিয়া হৈছে তেওঁ দেখা এটা ভয়ংকৰ সপোনৰ মাজেৰে। মিৰ্বিনে প্ৰেমিকৰ মৃত্যু সংবাদ পোৱাৰ পূৰ্বেই হেৰুৱাবলগীয়া হ'ল ভাতৃ আংজকক, উগ্ৰপন্থীয়ে ঘটোৱা বিস্ফোৰণত ক্ষত-বিক্ষত হৈ পৰিল যাৰ শৰীৰ। এফালে বিদ্ৰোহী প্ৰেমিকৰ প্ৰতি উদ্বাউল অপেক্ষা, আনফালে বিদ্ৰোহীৰ আক্ৰমণতে সহোদৰ ভাতৃৰ মৃত্যু— মিৰ্বিনৰ এনে পৰিস্থিতিৰ মাজেৰে উপন্যাসখনৰ সমাপ্তি ঘটাই তেৰাঙে পাঠকৰ সন্মুখত যেন অজস্ৰ প্ৰশ্ন এৰি দিছে। শান্তিৰ প্ৰতি আকুল প্ৰতীক্ষাৰে বোৱা বিপৰ্যস্ত মিৰ্বিনৰ কথাৰে উপন্যাসখনৰ সমাপ্তি ঘটাইছে তেৰাঙে—

> 'জুৰি পানী হৈ যোৱাৰ দৰেই মিৰ্বিনৰ দুচকুৰে অহৰহভাৱে ক্ৰন্দনৰ অশ্ৰু বৈ ৰ'ল— তাইৰ সুকোমল গাল দুখন তিয়াই তিয়াই। এটা সময়ত তাই শোকাশ্ৰু সম্বৰণ কৰি ৰুণ দি থকা কপৌজনীলৈ চালে। কপৌহীন গছজোপা কেৱল মিৰ্বিনৰ দুচকুত ভাহি ৰ'ল— অজস্ৰ প্ৰশ্নৰে।'

এই প্ৰশ্ন কিন্তু মিৰ্বিনৰে নহয়, হিংসাৰ ধোঁৱাই আৱৰা কাৰ্বি পাহাৰ আৰু সামগ্ৰিকভাৱে হিংসাবিধ্বস্ত অসমৰ প্ৰতিজন শান্তিব্যাকুল লোকৰে।

"মূলতঃ কথাশিল্পী ৰংবং তেৰাঙৰ ভিতৰত সন্তৰ্পণে এজন কবি বাস কৰি থকাৰ বাবেই কবিতাৰ ভাষাৰেও তেওঁ মনৰ কথা কোৱাৰ বাট বিচাৰি পায়। তেৰাং ছাৰৰ উপন্যাসবোৰো সেয়েহে কাব্যগুণেৰে ৰসাল আৰু আমোলমোলোৱা। পাহাৰৰ কুলকুল নিজৰাৰ দৰে শীতল তেওঁৰ মন, অথচ গভীৰ তেওঁৰ অন্তদৃষ্টি।"

কথাশিল্পীৰ কাব্য সাধনা

বিদুল বৰুৱা

নবৈ দশকৰ আৰম্ভণি সময়ৰ কথা। আমি তেতিয়া প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বৰ্ষৰ বিজ্ঞানৰ ছাত্ৰ। সেই সময়ৰ ডিফু চৰকাৰী কলেজৰ অসমীয়া বিভাগত তিনিগৰাকী কৃতী শিক্ষকে অধ্যাপনা কৰিছিল। বিভাগীয় মুৰব্বী অধ্যাপক দ্বিজেন্দ্ৰ নাৰায়ণ গোস্বামী ছাৰে গদ্য সাহিত্য, কেশৱ শৰ্মা ছাৰে ঐচ্ছিক পাঠ্য আৰু ৰংবং তেৰাং ছাৰে আমাক কবিতা পঢ়ুৱাইছিল। তিনিওগৰাকীৰে ছাত্ৰ-ছাত্ৰীক পাঠ্যক্ৰমৰ প্ৰতি আকৰ্ষিত কৰাৰ স্বকীয় পদ্ধতি আছিল। ৰংবং তেৰাং ছাৰে তেতিয়া 'ৰংমিলিৰ হাঁহি'ৰ বাবে অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটাৰে সন্মানিত হৈ পঢ়ুৱৈ সমাজত বিখ্যাত হৈ পৰিছে। সেয়েহে ছাৰৰ শ্ৰেণীত উপস্থিতিয়ে এক সুকীয়া আকৰ্ষণ আৰু মৰ্যাদা লাভ কৰিছিল। অসমীয়া বিভাগৰ দ্বাৰা 'সাহিত্য চ'ৰা' নামেৰে এটি অনুষ্ঠানৰ জন্ম দিয়াৰ লগতে 'সমস্বৰ' নামেৰে এখনি মেজ পত্ৰিকাও প্ৰকাশ কৰিছিল। প্ৰতি মাহে প্ৰকাশ কৰা এই মেজ পত্ৰিকাখন ডিফু চৰকাৰী কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহৰ বিষয় আছিল। ১৯৮৩ চনৰ প্ৰথম ভাগত এই মেজ পত্ৰিকাখনতে হঠাতে ৰংবং তেৰাং ছাৰৰ 'লুনাটিক' নামেৰে কবিতাটো দেখি সকলোৱে গুৰুত্বসহকাৰে পঢ়িবলৈ ল'লোঁ—

আৰ্মষ্ট্ৰঙে নমাদি
জোনৰ পৰা নামি আহিলোঁ

এগোছা ধানো গজাব নোবাবিলোঁ
মাটিৰ দেহাৰে জোনৰ মাটিত
ৰাহি নাহে।
আমি যে অমৃত মাটিৰ সন্তান
হে বিজ্ঞান।
ত্ৰিশংকুৰ যন্ত্ৰণা মোক নিদিবা।

কবিতাটোত অত্যন্ত সংবেদনশীল ভাষাৰে নিজৰ মনৰ ভাব এক সুন্দৰ চিত্ৰকল্পৰ দ্বাৰা ব্যক্ত কৰিছে। বিজ্ঞানৰ বলত পৃথিৱীৰ মানুহে চন্দ্ৰ অথবা 'জোন'ৰ দেশত পদাৰ্পণ কৰিলে। অথচ, পৃথিৱীৰ অমৃতময় কেঁচা মাটিৰ পৰশত মানুহৰ মন আচ্ছন্ন। পৰম্পৰা আৰু বিজ্ঞানৰ দ্বন্দ্বই যেন মানুহক সহজে লগ এৰা নিদিব। সেইবাবেই সৰল মাটিৰ মানুহো হৈ পৰে দোদুল্যমান। আৰম্ভণিতে বিজ্ঞানৰ বিজয়ৰ প্ৰতীকী ৰূপ ল'লেও, পুৰাণৰ দিনৰে পৰা 'ত্ৰিশংকুৰ যন্ত্ৰণা'ও যেন মানুহৰ জীৱনলৈ আহিব খোজে। তীব্ৰ মহাকাশ চেতনাৰ চাপ থকা, অসমীয়া কাব্য সাহিত্যত সততে বিৰল, ব্যঞ্জনাময় এই কবিতাটোৱে যেন কাৰ্বি আংলঙলৈ আধুনিকতাৰ বাৰ্তাহে বহন কৰি আনিলে।

জ্যেষ্ঠ সাংবাদিক নগেন বৰাৰ দ্বাৰা সম্পাদিত আৰু ডিফুৰ পৰা প্ৰকাশিত 'থেৰাংকে' নামৰ কাকতখনত 'পূজাৰ কবিতা' নামেৰে তেৰাং ছাৰৰ আন এটি চিন্তা উদ্ৰেককাৰী কবিতা প্ৰকাশ পাইছে—

আযাৰৰ আকাশত সৌবোৰ কি
কাদম?
ধনেশ নহয়নে?।
নহয়, শগুনহে।
ধনেশবোৰ?
গছৰ খোৰোঙত নে বাৰুদৰ ধোঁৱাত
জটায়ুৰ দৰে ভূলুণ্ঠিত হৈ ৰ'ল
ৰামৰ অপেক্ষাত।

ধনেশ চৰায়ে কাৰ্বি সংস্কৃতিত এক বিশেষ স্থান অধিকাৰ কৰি আছে। ধনেশ চৰাইক কাৰ্বি ভাষাত 'ৱ' তেৰাং' বুলি কোৱা হয়। এই চৰাইবিধ তেৰাং ফৈদৰ 'হানজাং' অৰ্থাৎ, কুলৰ দেৱতা। তেৰাংসকলে বন্ধু বুলি মানে। তেৰাংসকলে ধনেশ নামাৰে, নাখায়। কাৰ্বি আংলঙৰ সেউজীয়া ভূমি সেই সময়ত ভাতৃঘাতী সংঘৰ্ষৰে বক্তাক্ত। এসময়ত কাৰ্বি ৰজাই ৰাজধানী স্থাপন কৰা সিংহাসন পাহাৰৰ আকাশত 'ধনেশ' চৰাইৰ সলনি অশুভ সময়ৰ আগজাননী দি যেন 'শগুণ' চৰাইৰ আৱিৰ্ভাব ঘটিছে। জটায়ুৰ দৰে মানৱতাও ভূলুণ্ঠিত, অপসাৰিত। গভীৰ দুখবোধেৰে কবিয়ে পুনৰ কৈছে—

নাজানো, সেয়া দুঃস্বপ্ন
নে মনৰ গোপন কোণত পিঞ্জৰাবদ্ধ
দুখৰ কবিতা।
দেখিছিলোঁ নৰকংকালবোৰ

শুকান খৰিৰ দৰে পৰি আছিল
পাহাৰ তলিত।

সেয়েহে জুমখেতিৰ বতৰত পাহাৰৰ মাটিত ডেকা-গাভৰুৱে নাগায়, 'চেংব্ৰুপ' (ঢোলজাতীয় বাদ্য) নবজায়, কোৰ নামাৰে, ৰিংনংচিন্দিৰ দৰে কৃষি নৃত্যৰ ছন্দত পাহাৰৰ চৌদিশে আনন্দময় শব্দত ঢৌ নোতোলে বাবেই কবিৰ বেদনাও লুকাই নাথাকিল—

চুবক ধান হেনো নগজে,
গজাব কোনে বঁজা মাটিত।
সেউজীয়া পাতবোৰ দেখোন ৰঙা হ'ল
শৰতৰ বতৰত।

'দৈনিক জনসাধাৰণ' কাকতৰ বিশেষ সংখ্যাত তেৰাং ছাৰৰ মাতৃদেৱীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে উৎসৰ্গিত 'অৰণ্যকাণ্ড' নামৰ অন্য এটি অৰ্থবহ কবিতা প্ৰকাশ পাইছে—

ৰূপালী মোৰ দেহ পূৰঠ সুৰুযটোৰ দৰে।
ঠোঁটটিও ধুনীয়া চম্পাফুল হেন।
আৰু কণ্ঠস্বৰ ?
মইনাতকৈও অপূৰ্ব ।
আকাশখনলৈ চালো, ইমান নীলা।
ৰূপালী পাখিত সানিব পৰা হ'লে!!

বিশাল আৰু উদাৰতাৰ প্ৰতীক আকাশৰ নীলাখিনিৰে মইনা চৰাইৰ দৰে কবিৰ কোমল হৃদয়ত বোল দিবলৈ নৌপাওঁতেই যেন অঘটনটো ঘটিলে—

ডেউকা মেলোঁতেই শুনিলোঁ বিস্ফোৰণ
আৰু লগতে
অট্টহাস্যৰ শ্ল'গান।
বাৰুদৰ অসহ্য গোন্ধ মোৰ কেউফালে।
নীড়টোত পৰি ৰ'লোঁ
জটায়ুৰ দৰে অসহায়ভাৱে
ইমান যন্ত্ৰণা!

অন্যায় আৰু অপশক্তিৰ বিৰুদ্ধে যুঁজ কৰোঁতে কৰোঁতে কবিৰ হৃদয়ো আহত জটায়ু পক্ষীৰ দৰে যন্ত্ৰণাকাতৰ আৰু অসহায় হৈ পৰিছে। এক দুখবোধত কবিৰ প্ৰাণে সেয়েহে হাহাকাৰ কৰি উঠিল—

ধোঁৱা আৰু ছাইৰ মাজত আই মোৰ হেৰাই গ'ল।
আৰু নীড়টো
ভীমৰাজ চৰাইতকৈও ক'লা হৈ গ'ল।
কিমান ভয়াবহ কৰুণ এই ক'লা আন্ধাৰবোৰ
নাজানো কোন মুহূৰ্তত মাতৃগৰ্ভত
মোৰ ক্ৰম'জমটোৰ সৃষ্টি হৈছিল।

ৰাৱণে আই সীতাক হৰণ কৰি লৈ যোৱাৰ দৰেই অপশক্তিয়েও ন্যায়, মানৱতাক হৰণ কৰি লৈ


প্ৰথম কবিতা

লুনাটিক

ৰংবং তেৰাং

আৰ্মষ্ট্ৰঙে নমাদি

জোনত পদা নামি আহিলোঁ।

এসোঁচা বালো সজাব নোৱাৰিলোঁ।

মাটিত দেহাতে জোনত মাটিত

ঠাহি নাহে।

আমি যে অদ্ভূত মাটিৰ সন্তান!

হে বিজ্ঞান!

ত্ৰিশঙ্কুৰ যন্ত্ৰণা মোক নিদিবা।

তেৰাঙৰ নিজৰ হস্তাক্ষৰত জীৱনৰ প্ৰথমটো কবিতা

গ'ল। কাৰোৰে জীৱনৰ নিৰাপত্তা নাই। ৰামায়ণৰ অৰণ্যকাণ্ডৰ যেন পুনৰাবৃত্তি হ'ব লাগিছে। সেয়েহে সত্য আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবে শুভশক্তিৰ ৰূপত ত্ৰেতা যুগৰ ৰামৰ দৰে এজন যুগপুৰুষৰ পুনৰ সমাজত অতীব প্ৰয়োজন হৈ পৰিছে। সেয়েহে কবিয়ে কৈছে—

হে ত্ৰেতা যুগৰ ৰাম, তুমি আহা
ৰামায়ণৰ নতুন অধ্যায় আকৌ সৃষ্টি হওক।

কাৰ্বি লোকজীৱনত কাৰ্বি ৰামায়ণ 'ছাবিন আলুন'ৰ বিশেষ প্ৰভাৱ থকা তেওঁৰ কবিতাতো 'ৰামায়ণ'ৰ উল্লেখ সেইবাবেই তাৎপৰ্যপূৰ্ণ।

ডিফু চৰকাৰী কলেজৰ গণিত বিভাগৰ অধ্যাপক তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ ছেলিমউদ্দিন মণ্ডল (ছাৰ)ৰ আকস্মিক বিয়োগত শ্ৰদ্ধাঞ্জলি ৰূপত প্ৰকাশ কৰা 'তেৰাং দা, কেনে আছে?' নামৰ কবিতাটো অসমীয়া কাব্য-সাহিত্যত এটি সাৰ্থক শোক কবিতা বুলিব পাৰি—

সন্ধিয়াৰ আজানৰ শেষত
আকৌ শুনিলোঁ
আন এটি আজান
সেই আজান কিয়?
তিনি জুলাইতচোন কলেজৰ নতুন চেছন্!
নতুন মুখৰ ল'ৰা-ছোৱালীবোৰে
লগ পাম বুলি
ৰৈ আছে যে এবুকু আশাৰে।

কিন্তু??

দ্বিতীয় দিনাৰ সন্ধিয়াই শুনিলোঁ

সেই আজান। আমি নিবিচৰা সূৰ্যাস্তৰ আজান!!

মৃত্যুৰ শীতল কোলাত মানুহ ঢলি পৰাৰ লগে লগেই মানুহৰ কৰ্মময় জীৱনো স্তব্ধ হৈ যায়। লগে লগে ব্যক্তিবিশেষৰ ভৱিষ্যতৰ পৰিকল্পনা, সপোনবোৰ কবিতাত উল্লিখিত 'তিনি জুলাই'ৰ দৰেই মানুহৰ জীৱনৰ পৰাও কোনোদিনে ধৰা নিদিয়াকৈ নীৰৱে আঁতৰি যায়। তেৰাং ছাৰে কবিতাটোত কেৱল মণ্ডল ছাৰকেই স্মৰণ কৰা নাই। সহকৰ্মী ইংৰাজী বিভাগৰ অধ্যাপক আবু হাসান মোল্লা (ছাৰ), উদ্ভিদ বিজ্ঞানৰ অধ্যাপক চৈয়দ নাজিম হুছেইন, গণিত বিভাগৰ অধ্যাপক আৰু লোকগীতৰ অনাতাঁৰ শিল্পী সত্যনাথ পাঠকক স্বকীয় শৈলীৰে স্মৰণ কৰি কবিতাটোক বিশেষ মাত্ৰা প্ৰদান কৰিছে—

সৌ সিদিনাখন মোল্লাও গ'লগৈ
আবু হাসান মোল্লা। নীৰৱে।
অংকত ভুল লাগিল।
সৰল অংক কৰি
মই ভুল কৰাৰ দৰেই
ভুল হ'ল।
তিমিৰাচ্ছন্ন পাহাৰত অংকৰ সাঁথৰ ভাঙি
আঁতৰি গ'লা নীৰৱে।

তেৰাং ছাৰ মানুহজন যেনেদৰে সৰল, তেখেতৰ কবিতাবোৰো সৰল। কাৰ্বি লোকজীৱনৰ সৈতে নিবিড় সম্পৰ্ক থকা ভীমৰাজ চৰাই, ধনেশ পক্ষী, চুবক ধান (আহুধান), মৰমী কাদমজনীয়েও কবিতাত স্থান লাভ কৰাৰ দৰে ক্ৰম'জম, আৰ্মষ্ট্ৰং, নীলা অৰ্কিড, চেছ্‌ন্, ম'বাইল ফোনৰ দৰে অনেক আধুনিক শব্দৰ প্ৰয়োগেৰে কবিতাক ভিন্ন ৰূপ প্ৰদান কৰাত কবি সফল হৈছে।

মূলতঃ কথাশিল্পী, 'ৰংমিলিৰ হাঁহি'ৰ দৰে এখন মননশীল উপন্যাসৰ স্ৰষ্টা ৰংবং তেৰাঙৰ ভিতৰত সন্তৰ্পণে এজন কবি বাস কৰি থকাৰ বাবেই কবিতাৰ ভাষাৰেও তেওঁ মনৰ কথা কোৱাৰ বাট বিচাৰি পায়। তেৰাং ছাৰৰ উপন্যাসবোৰো সেয়েহে কাব্যগুণেৰে ৰসাল আৰু আমোলমোলোৱা। পাহাৰৰ কুলুকুলু নিজৰাৰ দৰে শীতল তেওঁৰ মন, অথচ গভীৰ তেওঁৰ অন্তৰ্দৃষ্টি।

তিমিৰাচ্ছন্ন এই কাৰবি আংলঙত, পোহৰ বিলাওঁ আমি পোহৰ বিলাওঁ।
যুগ যুগলৈ অজ্ঞান ৰাক্ষসীক, জ্ঞান প্ৰদীপেৰ বিকাশ কৰাওঁ, কাৰ্বি কছাৰী
ডিমাছা ৰেংমাৰে, অসমী আইৰ শিৰ উজলাও , আমাৰ দৃষ্টিত উদাৰতা,
আমাৰ সৃষ্টিত মহানতা সেউজী পৃথিৱীত সেউজ মনেৰে
কাৰ্বি আংলঙত পোহৰ বিলাও।

সুৰৰ সাধক গীতৰ খনিকৰ

ভৱপ্ৰসাদ দেউৰী

ৰংবং তেৰাং— আমাৰ প্ৰাণৰ এক অনুৰণন। প্ৰবহমান কলং-কপিলী-যমুনাৰ পলসৰে গঢ় লোৱা কাৰ্বি জনগোষ্ঠীৰ জীৱন চেতনাৰ ইতিহাসক তেখেতে অসমৰ মূলসুঁতিৰ সৈতে পৰিচয় কৰাই দি আমাৰ প্ৰতীতিক অসমীয়া সাহিত্যৰ সহায়ত বিশাল মানৱ আয়তনলৈ উত্তৰণ ঘটাইছে। এই সমন্বয়ৰ সাধকগৰাকীয়ে সাহিত্য-সংস্কৃতিত আজীৱন আত্মনিয়োগ কৰাৰ স্বীকৃতিৰূপে লাভ কৰিছে 'পদ্মশ্ৰী', 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা' আৰু 'মাধৱদেৱ' ইত্যাদি বঁটা। বনফৰিঙৰ গীত, ক্ৰান্তিকালৰ অশ্ৰু, কাৰ্বি সাধু, নীলা অৰ্কিড, কাৰ্বি সংস্কৃতিত এভুমুকি, স্মৃতিৰ পাপৰি, জাক হেৰোৱা পক্ষী আৰু লাংছলিএতৰ কাক্ৰুং আদি অসমীয়া সাহিত্য কাননলৈ তেখেতৰ অনবদ্য উপহাৰ। কাৰ্বি পাহাৰৰ মাটিৰ পৰশেৰে ভাষা-সাহিত্যক তেখেতে যিদৰে উদ্ভাসিত কৰি তুলিছে, সেইদৰে কাৰ্বি আংলঙৰ জোন-বেলিৰ পোহৰেৰে উজ্জ্বল হৈ ধৰা দিছে কাৰ্বি জনজীৱনৰ বিচিত্ৰময় ছন্দ। এই সেউজীয়া পাহাৰৰ লংকি-কাদমৰ নৱ-নৱ সৃষ্টি আৰু চিন্তাধাৰাৰ সোৱাদ লুইতৰ ৰংমন আৰু ৰঙিলীক বিলাই দি নীলা আকাশত এমুঠি তৰা সিঁচি সমন্বয়ৰ বাট কাটিছে তেওঁ। থই ইংলঙৰ চেনেহডোলেৰে এখন বৃহত্তৰ অসম আৰু এটা মহান অসমীয়া জাতি গঢ়িবলৈ এবুকু সাহস আৰু দৃঢ়তাৰ কথা কয় তেখেতৰ কাপৰ পৰা নিগৰি অহা সৃষ্টিবোৰে। ঢোল-চেঙেৰে, পংছী-পেঁপাৰে, জিৰ্-ইক-চেলেঙেৰে, প'হ'-পাগেৰে সুন্দৰ পৃথিৱীত সপোন বিলাব জনা ৰংবং তেৰাংদেৱৰ প্ৰতিভা আৰু সাধনাৰ অৱদান অকল গল্প, উপন্যাস আৰু প্ৰবন্ধতে

সীমাবদ্ধ হৈ থকা নাই। তেখেতৰ সৃজনীপ্ৰতিভা ৰূপান্তৰিত হৈছে গীতসাহিত্যতো। সৃষ্টিশীল গদ্যসাহিত্যত অপৰিসীম যশ আৰু স্বীকৃতিৰ অধিকাৰী হোৱা এইজনা ব্যক্তিৰ গদ্যৰ ভাষাক এক কাব্যিক আৱেগে যেন একেডাল সূঁতাত গাঁথি ৰখাৰ দৰে বাখিছে। তেখেতৰ এই আৱেগিক ভাষাক মোহময়ী ৰূপ দিছে সাংগীতিক ধ্বনিয়ে। তেওঁ এগৰাকী যথাৰ্থতে গীতিকাৰ, সুৰকাৰ।

কাৰ্বি জনজীৱনত গীতৰ প্ৰভাৱ অপৰিসীম। 'কাৰ্বি কেপ্লাং' আদি গীতৰ জৰিয়তে এই সম্পৰ্কে কিছু আভাস পোৱা যায়। গীতফাঁকি এনে ধৰণৰ— নিছ' লাত মাৰাং/কাৰ্বি পু' নাংফি নাং প্লাং/আছেং পিৰবি থাৰিজাং/এৰা ব্ৰহ্মা প' মাৰাং। অৰ্থাৎ ব্ৰহ্মাই পৃথিৱীখনত গছ-গছনি, চৰাই-চিৰিকটি আদি জীৱ-জন্তু সৃষ্টি কৰোঁতে সুন্দৰ পৃথিৱী গঢ়িবলৈ কাৰ্বি অৰ্থাৎ মানুহ সৃষ্টি কৰিলে।

কাৰ্বিসকলৰ সংগীতৰ আদিগুৰু ৰাংছিনা ছাৰপ'ৰে কাৰ্বি সমাজত প্ৰথমে গীত গাবলৈ আৰম্ভ কৰে বুলি জনা যায়। কাৰ্বিসকলৰ মতে, আদিতে স্বৰ্গৰ দেৱদূত ছিং আৰু জেং মিৰজেঙে ৰাংছিনাক এই পৃথিৱীত গীত শিকাবলৈ পঠায়। পিচত ৰাংছিনাই জিৰ'কেদাম (ডেকাচাং)ৰ দলপতি লংবি আৰু চেদুক গীত-মাত শিকায়। কালক্ৰমত এই দুজনে কাৰ্বি সমাজত গীত-মাত প্ৰচাৰ কৰে। কাৰ্বিসকলে গীতৰ মাজেৰে আজিও এইদৰে প্ৰকাশ কৰে— ৰূ-ৰূ আলাম ম'/পিৰ্বিকে থাৰিলাং আক'/কাৰ্বি আৰে লুন-তেম'/ঈৰূ ৰাংছিনা ছাৰপ'/লাৰ্ছিব'চে লুন তেম'। অৰ্থাৎ পৃথিৱীৰ আদিম অৱস্থাত কাৰ্বি সমাজত কোনো গীত-মাত নথকা হেতুকে ফু (ককা) ৰাংছিনাই সংগীতৰ প্ৰথম সৃষ্টি কৰিছিল।

গীতৰ লগত কাৰ্বি জনজীৱন বিষয় সন্দৰ্ভত পদ্মশ্ৰী ৰংবং তেৰাঙৰ মতে কাৰ্বিসকলৰ আখ্যানমূলক কাব্য হাঈ, ৰামায়ণ মহাকাব্যৰ ক্ষুদ্ৰ ৰূপ ছাবিন আলুন, কাহিনীমূলক ৰুকাছেন, কাৰ্বি সমাজৰ নীতি-নিয়মৰ আদাম-আছাৰ আদি গীতবোৰত তেওঁলোকৰ সহজ জীৱনৰ ছবিবোৰ প্ৰকাশ পাইছে। তেখেতৰ মতে কাৰ্বিসকলৰ গীত 'লক্ষ্মী কেপ্লাঙ'ত কুকি-চীন জনগোষ্ঠীৰ মূলসূঁতিৰ পৰা কঢ়িয়াই আনিছে কাৰ্বিসকলৰ ধানখেতিৰ প্ৰথা। 'মোছেৰা কেহিৰ' কাৰ্বিসকলৰ এটা ছন্দময় গীতিমালিতা। ইয়াৰ যোগেদি কাৰ্বি জাতিৰ উৎপত্তি, যাযাবৰী জীৱন, সংগ্ৰামী ইতিহাস, সামাজিক আৰু ৰাজনৈতিক জীৱন আৰু ৰীতি-নীতিৰ আভাস পোৱা যায়। কাৰ্বি গীতবোৰৰ অন্তৰ্ভাগৰ কাহিনী একোটাই বিনোদনৰ মূল ভেটি। ছামছিং হাঞ্চেৰ 'ৰোমীৰ' আৰু বংলং তেৰাঙৰ 'হাঈ' দুখন অনুপম কাৰ্বি কাহিনী গীতৰ পুথি। তদুপৰি কেহাই বে'ৰ 'মিৰ তাহিন' আৰু 'দেং ছামেত' আদি খণ্ডিত ৰূপত সংগৃহীত কাহিনী-গীতৰ কথা উল্লেখ কৰি 'হাঈ'ৰ বিষয়ে 'কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি' গ্ৰন্থত ৰংবং তেৰাংদেৱে এইদৰে লিখিছে— 'হাঈ এখন অনুপম কাহিনী-গীত। এনে মধুৰ কাব্য সৃষ্টি কাৰ্বি ভাষাত অতি বিৰল। সু-সংহত কাহিনী বিন্যাস, বৰ্ণনা প্ৰাঞ্জলতা, বাস্তৱধৰ্মী চৰিত্ৰৰ স্বাভাৱিক প্ৰকাশ, কাৰ্বি সমাজৰ নিখুঁত ছবি, নিষ্কলুষ দাম্পত্য প্ৰেমলৈ নামি অহা ট্ৰেজেডীৰ কাৰুণ্য, নাৰী নিৰ্যাতনৰ নিৰ্লজ্জ চিত্ৰণ, জনবিশ্বাস, লগতে প্ৰকৃতি জগতৰ সৌন্দৰ্যৰ মনোৰম বৰ্ণনা আৰু জীৱন-দৰ্শনৰ গভীৰ দিশবোৰক সমুজ্জ্বল ৰূপত ফুটাই তুলিব পৰা 'হাঈ'ৰ সমকক্ষ কাহিনী-গীত কাৰ্বি ভাষাত পাবলৈ নাই।' ১৯৬৫ চনত কেহাই বে'ৰ সম্পাদনাত 'থই আৰ' মংৰে' গীতৰ পুথি এখন প্ৰকাশ হয়। এইখনে কাৰ্বি সমাজৰ পৰম্পৰাগত গীত আৰু ছন্দৰ এক ব্যতিক্ৰম ধাৰা কঢ়িয়াই আনে। 'আমাৰ প্ৰতিনিধি'ত (ষষ্ঠ বছৰ, প্ৰথম সংখ্যা, ভাদ ১৮৮৭ শক) ভূপেন হাজৰিকাই পুথিখনৰ বিষয়ে এইদৰে লিখিছে— 'কাৰ্বি পাহাৰৰ নিজস্ব লোক-গীত আছে, যেনে— আদাম আছাৰ, ছাবিন আলুন, অ'ৰে আলুন, ৰুকাছেন, হাঈ আলুন আদি। পিচে কাৰ্বি সমাজত এতিয়া বাদ্য-যন্ত্ৰৰ সৈতে সংগত কৰি কাৰ্বি পাহাৰৰ ডেকা-গাভৰুহঁতে যাতে গীত

পৰিৱেশন কৰিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে।' ৰংবং তেৰাংদেৱে উক্ত পুথিখন সন্দৰ্ভত গীতিকাৰ কেহাই বে'ৰ কল্পচিত্ৰ, শব্দ-চয়ন, ভাব-আদৰ্শ আদিত ৰোমাণ্টিচিজমৰ প্ৰতি অতি স্পষ্ট মত প্ৰকাশ কৰে। উক্ত পুথিত ড° ভূপেন হাজৰিকাৰ বিখ্যাত গীত— 'মানুহে মানুহৰ বাবে'ৰ কাৰ্বি ভাষালৈ কৰা অনুবাদ এটি সন্নিবিষ্ট হৈছে। ১৯৭৩ চনত কেহাই বে'ৰ সম্পাদনাত আন এখন কাৰ্বি গীতৰ পুথি 'জৰ্জাং-কাংদিৰ' প্ৰকাশ হয়। পুথিখনত ওৱাৰটন কুমাৰৰ ৪টা, মণিৰাম টেৰণৰ ৩টা, ৰূপছিং তিছ' আৰু ৰংবং তেৰাঙৰ একোটাকৈ মুঠ ৯টা গীত প্ৰকাশ হৈছে। পুথিখনত প্ৰকাশিত ৰংবং তেৰাঙৰ 'ছিনিং কেলিৰ' গীতটি এনেধৰণৰ—

'ছিনিং কেলিৰ আৰং কেমেপি.....

.....আৰণি আতুৰ ৰাং।

অৰ্থাৎ সুন্দৰ নীলা ৰংবোৰ আকাশত বাৰু কোনে বুলালে? এই নীলা ৰং দেখি মন আমাৰ নাচি উঠে। কাৰ্বি আংলংখনকো আমি পোহৰ হৈ থকাই দেখোঁ। আকাশৰ হাজাৰ হাজাৰ তৰাবোৰক বাৰু কোনে পোহৰাই তুলিলে? 'আৰণ আতেং'— এই পুথিখন কাৰ্বি সাহিত্যৰ মূল ভেটিস্বৰূপ। কাৰ্বি সাহিত্য-সংস্কৃতিৰ কাণ্ডাৰী বংলং তেৰাংদেৱে একনিষ্ঠভাৱে কাৰ্বি লোক-সাহিত্যৰ অমূল্য সম্পদবোৰ সংগ্ৰহ কৰি কাৰ্বি সমাজৰ নীতি-নিয়ম আৰু কিছু গীত সংযোজনেৰে এই পুথিখন প্ৰকাশ কৰিছে। পদ্মশ্ৰী ৰংবং তেৰাংদেৱৰ মতে— এতিয়ালৈকে সংগৃহীত লোক-সাহিত্যৰ সমলবোৰ কপিলী-ধনিশিৰি উপত্যকাৰ অৱদান। কাৰ্বি লোক-সাহিত্যত চিত্ৰিত প্ৰাকৃতিক জগতখন, কলং আৰু কপিলীৰ জলপ্ৰবাহেৰে পৰিপুষ্টি লাভ কৰা ভৌগোলিক অৱস্থিতিৰ ছবিবোৰ এই শিল্পী-সাহিত্যিকজনাৰ মানসপটত আজিও উদ্ভাসিত কৰি তোলে। প্ৰকৃতিৰ অনিৰ্বচনীয় ৰূপবোৰে তেখেতক কলং আৰু কপিলীৰ কাষলৈকে টানি আনে। এই ভৌগোলিক আৱেষ্টনীৰ মাজত থকা অন্যান্য জনগোষ্ঠীৰ শব্দ অন্তৰ্ভুক্তিয়ে গীতি-সাহিত্যৰ সুৰ আৰু ছন্দক বৈচিত্ৰ্যময় ৰূপত প্ৰকাশ হোৱাত সহায় কৰিছে। ১৯৬৭ চনত ডিফু চৰকাৰী মহাবিদ্যালয়ত অধ্যাপনা কৰি থকাৰ সময়ত নিজে লিখি, সুৰ দি পৰিৱেশন কৰা এটি গীত ইয়াৰ প্ৰকৃষ্ট নিদৰ্শন। ইতিমধ্যে ডিফুৰ বিভিন্ন সভা-সমিতিবোৰত কেবাবাৰো পৰিৱেশন কৰা উক্ত গীতটিয়ে ৰাইজৰ পৰা অভূতপূৰ্ব সমাদৰ আদায় কৰিবলৈ সক্ষম হৈছে। গীতটি এনেধৰণৰ—

এই কাৰ্বি আংলঙত আমি পোহৰ বিলাওঁ....

....কাৰ্বি আংলঙত পোহৰ বিলাওঁ।

কাৰ্বি গীতিকাৰ, সুৰকাৰ, শিল্পী ৰংবং তেৰাংদেৱক গীত লেখাৰ অনুপ্ৰেৰণা জগায় বিশ্ববিশ্ৰুত কণ্ঠশিল্পী ড° ভূপেন হাজৰিকাই। ভূপেন হাজৰিকাৰ গীতে এই কাৰ্বি শিল্পীজনাক মোহাচ্ছন্ন কৰি তোলে। ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৈ থকা অৱস্থাত শিল্পী ভূপেন হাজৰিকাক উদ্দেশ্য কৰি জীৱনৰ প্ৰথম গীতটি লিখিছে এইদৰে—

হে শিল্পী বন্ধু!
মোৰ হেজাৰ 'কাৰ্দম' তুমি ল'বা।
মোৰ এটি অনুৰোধ তোমালে
তাক হিয়াৰ উমেৰে জীয়াবা।
হে শিল্পী বন্ধু!
আজি কাৰ্বি পাহাৰৰ বুকুলে

তোমাক হেজাৰ 'লংকি'য়ে মাতিছে
লুইতৰ ৰংমনৰ স'তে আকৌ
চিনাকী হোৱাৰ আশাৰে
তোমাৰ কণ্ঠত আছে আছে ভাষা
তোমাৰ সুৰত আছে আছে আশা।
(সেয়েহে) নিৰাশ 'কাদমে'ও বিচাৰে
তোমাৰ মনৰ এটি অনুকম্পা।
হে শিল্পী বন্ধু!
'লংকি' আৰু 'কাদমে' চিঞৰিছে
ৰংমন ৰহদৈয়ে সঁহাৰিছে,
বহু যুগৰ চিনাকি বৰ ঘৰত
আজি যুগৰ এলান্ধু বান্ধিছে।
হে শিল্পী বন্ধু!
মোৰ হেজাৰ 'কাৰ্দম' তুলি ল'বা।
তোমাৰ কণ্ঠ আৰু সুৰেৰে
যুগৰ এলান্ধুক তুমি সাৰিবা।
হে শিল্পী বন্ধু!
মোৰ হেজাৰ 'কাৰ্দম' তোমালে—।

শিল্পীজনাৰ মানসপটৰ প্ৰিয় শিল্পী ভূপেন হাজৰিকা। পুৰণি গীতৰ ক্ষেত্ৰত তেখেতে ধীৰেন্দ্ৰনাথ দত্তৰ শলাগ লয়। তেখেতে ওৱাৰটন কুমাৰৰ 'লাংৰই আছাংতি মিলি, মাছিং আকেং বত দামক্ৰি', 'এনিং দিপ্‌দিপ্ পি আপৎপিনি' আদি কেবাটাও গীতৰ সুৰ দিয়ে। শংকৰী সংস্কৃতিৰ মহান সাধক ড° কেশৱানন্দ দেৱগোস্বামী আছিল তেৰাংদেৱৰ শিক্ষক আৰু সংগীতৰ পথ প্ৰদৰ্শক। প্ৰাইমেৰী স্কুলত পঢ়ি থকা কালত শিক্ষাগুৰু ধনেশ্বৰ শইকীয়াই 'বন্দে মাতৰম, স্বাধীন ভাৰত কি জয় আদি শ্লোগানকে ধৰি বিশ্ব বিজয়ী ন-জোৱান আদি ভালেমান গীত পৰিৱেশন কৰোৱাৰ কথা তেৰাংদেৱে আজিও শলাগ লয়। সংগীতৰ প্ৰতি থকা অনুৰাগে এদিন লংকা, নগাঁও কলেজ আদি ৰাজহুৱা অনুষ্ঠানত তেখেতে গীত পৰিৱেশন কৰি ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। নগাঁও কলেজৰ তদানীন্তন ভাইচ প্ৰিন্সিপাল মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে তেৰাংদেৱৰ কণ্ঠত শংকৰদেৱ বিৰচিত 'সাৰংগপাণি পাহে পামৰমতি হামিৰ নিয়ৰ নিধাৰ, আৱৰি নাহি হেৰছু, বিনে চৰম তয়ু স্বামী' এই বৰগীতটি শুনি প্ৰশংসা কৰিছিল। তেৰাংদেৱৰ গীতৰ সংখ্যা তুলনামূলকভাৱে তাকৰ হ'লেও প্ৰতিটো গীতেই সৰল, সাৱলীল, সুৰৰ লগত খাপখোৱা গীতিধৰ্মী ভাষাই গীতি-সাহিত্যক অনবদ্য ৰূপ দিছে। সহজ-সৰল চিনাকি থলুৱা শব্দৰ যথাৰ্থ প্ৰয়োগেৰে জীৱনৰ অৰ্থপ্ৰকাশ কৰি গীতৰ ভাষা ব্যঞ্জনাধৰ্মী কৰি তুলিছে। তেখেতৰ 'তিমিৰাচ্ছন্ন এই কাৰ্বি আংলঙত, পোহৰ বিলাওঁ আমি পোহৰ বিলাওঁ' এই বিখ্যাত আৰু জনপ্ৰিয় গীতৰ বাক্যবিন্যাসক এক অনন্য সৌন্দৰ্য প্ৰদান কৰিছে। শব্দৰ মাজত নিজৰ অস্তিত্ব অনুভৱ কৰা গীতিকাৰ তেৰাংদেৱে ৰূপক, উপমা আদি অৰ্থালংকাৰেৰে গীতৰ ভাষা ব্যঞ্জনাধৰ্মী কৰি তুলিছে। উক্ত গীতত 'কাৰ্বি আংলং' শব্দটি পোনপ্ৰথমবাৰৰ বাবে উপস্থাপন কৰি তেৰাংদেৱে ১৯৭৬ চনত মিকিৰ পাহাৰৰ পৰিৱৰ্তে গ্ৰহণ

কৰা উক্ত জিলাখনৰ নতুন নামকৰণৰ ক্ষেত্ৰত এক বিচক্ষণতাৰ পৰিচয় দাঙি ধৰা দেখা যায়।

নৃত্য-গীতেৰে পাহাৰীয়া নিজৰাৰ দৰে নাচি-বাগি পাহাৰৰ বুকুত প্ৰতিধ্বনি তোলা সেউজীয়া পাহাৰৰ এক স্বকীয় বৈশিষ্ট্যপূৰ্ণ নাম কাৰ্বি আংলং। ইয়াৰ কাৰ্বি-ডেকা-গাভৰুৱে সংঘবদ্ধ হৈ খেতিপথাৰত দুম-দুম ঢোলৰ মাতত আপোন পাহৰা হৈ নাচি-নাচি কোৰ মাৰে, চিংজৰ চলায়, আশাৰ গীতেৰে উদ্দীপনা ভাষাৰে পাহাৰৰ খলা-বমা সমান কৰি দিয়ে। এইক্ষেত্ৰত 'লিপি সভ্যতাৰ পোহৰলৈ নহা কাৰ্বিসকলে জুমখেতিৰ মাজেৰে পাই অহা জীৱন-অভিজ্ঞতাৰ বিভিন্ন দিশবোৰক গীত-মাত আদিৰে সৃষ্টি কৰি আহিছে' বুলি তেৰাংদেৱে ক'ব খোজে। জুমতলীখনেই কাৰ্বি সমাজ-সংস্কৃতিৰ জীৱনস্বৰূপ। প্ৰিয়জনক কেন্দ্ৰ কৰি অজস্ৰ কাৰ্বি বনগীতৰ সৃষ্টি হৈছে। বনগীতত কাৰ্বি জীৱনৰ চিত্ৰ সম্বন্ধে 'কাৰ্বি প্ৰণয়ী গীত' পুথিখনত ছামছিং হাঞ্চেই কিছু ছবি দাঙি ধৰিছে। সাহিত্যিক লংকাম টেৰণে কাৰ্বি লোকগীত সন্দৰ্ভত এঠাইত লিখিছে— 'অসমীয়া লোকগীতৰ দৰে কাৰ্বি লোকগীতবোৰৰ প্ৰধান বৈশিষ্ট্য হৈছে প্ৰেম।' প্ৰতীকধৰ্মিতা এই গীতবোৰৰ বৈশিষ্ট্য। সাধাৰণতে এই গীতবোৰত কৰুণ আৰু আলোচনাৰ সুৰ পোৱা যায়। এজন কাৰ্বি ডেকাই তেওঁৰ প্ৰেমিকাৰ প্ৰতি অন্তৰৰ বেদনা প্ৰকাশ কৰি গীতেৰে কৈছে— 'হে প্ৰিয়া, ঈশ্বৰে আমাৰ মাজত প্ৰেমৰ সম্বন্ধ পাতি দিলে হয়, কিন্তু ই পৰিপক্কতা লাভ কৰিব নোৱাৰিব। তোমাক জীৱনৰ লগৰীস্বৰূপে পাব নোৱাৰিলোঁ।'

কাৰ্বি লোকগীতবোৰৰ বিভিন্ন ছন্দ আছে। কিম্বদন্তি মতে, 'লুন্‌ে কেপ্লাং' গীতৰ আদিতে কাৰ্বিসকলৰ গীত-মাতৰ কোনো ছন্দ নাছিল, নাছিল কোনো শৈলী। কাৰ্বি লোকগীতবোৰত হুইদহ, তামপে, ল'ৰি, ৰানছান, মাৰেট, ৰাংন', মাৰাং, মাহিন, মানদুং, চিটং, ছেংলং, কুমপাক, আথান, এটলেট, ছেংদক আদি একাধিক 'লুন আজিৰ' (ছন্দ) আছে। প্ৰকৃতিপ্ৰেমী কাৰ্বি জীৱনৰ ওপৰত পৃথিবীয়ে যিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে, সেইদৰে আকাশৰ জোন-বেলি-তৰাবোৰেও প্ৰভাৱ বিস্তাৰ কৰিছে কাৰ্বি লোকগীতত 'ছামফ্ৰি'তকৈ (সূৰ্য), 'মানাই' (চন্দ্ৰ) শব্দৰ প্ৰয়োগ সঘনাই হোৱা দেখা যায়। 'মানাই'ৰ ৰূপেৰে প্ৰেমিকাৰ অনিৰ্বচনীয় ৰূপ-সুষমাৰ ছবিখন কাৰ্বি বনগীতত প্ৰকাশ হৈছে। ৰংবং তেৰাঙৰ কলাসুলভ ঘটনাৰ সংযোজনেৰে সুন্দৰ কাহিনী-কথনৰ লগত ভাবৰ সু-সমন্বয় কাৰ্বি লোকগীতৰ বৈশিষ্ট্য। কাৰ্বিসকলে নিচুকণি গীতবোৰক 'অ'ছ'কেৰেই আলুন' বোলা হয়। কাৰ্বি নিচুকণি গীতবোৰৰ প্ৰায়ভাগে শিশুৰ বয়সৰ লগত সম্বন্ধ ৰাখি ৰচনা কৰা পৰিলক্ষিত হয়। ৰংবং তেৰাংদেৱৰ মতে, গীতবোৰৰ সুৰ সংযোজন, শব্দ-চয়ন, প্ৰাকৃতিক জগতৰ চিত্ৰণ, গল্পাকৃতিৰ নীতিশিক্ষামূলক ৰচনা-ৰীতিয়ে এই কথাকেই প্ৰতীয়মান কৰে। এই গুণবিশিষ্ট গীতবোৰৰ জৰিয়তে নিৰক্ষৰ মাতৃগৰাকীৰ কল্পনাশক্তিৰ গভীৰতা উপলব্ধি কৰিব পাৰি বুলি তেখেতে ভাবে। কাৰ্বি নিচুকনি গীতৰ উৎকৃষ্ট নিদৰ্শন হৈছে 'চিক্ৰু' পী পেন চিক্ৰু'ছ' এই গীতটি। তেৰাংদেৱৰ ভাষাত— জোন আৰু তৰাৰ কাল্পনিক চিত্ৰই শিশুৰ মনত প্ৰভাৱ পেলোৱাৰ উপৰি সন্ধিয়া পৰত কাৰ্বি চাংঘৰৰ ছবিবোৰ সুন্দৰভাৱে এই গীতত প্ৰকাশ পাইছে। অসমীয়া নিচুকণি গীত 'জোনবাই এ, বেজী এটি দিয়া'ৰ দৰে কাৰ্বিসকলেও গায় এইদৰে- - 'অ' চিক্ৰু' পী পেন চিক্ৰু'ছ'/ইংগ্ৰিম ইংগ্ৰিম্ এহং নেপিথা।' অৰ্থাৎ জোনবাই এ, সৰু তৰা এ, বেজী এটি দিয়া। কাৰ্বি লোক-সাহিত্যৰ সংগ্ৰহৰ ক্ষেত্ৰত অৰিহণা যোগাওঁতা লেখকসকলৰ ভিতৰত প্ৰয়াত ছামছিং হাঞ্চে আৰু প্ৰেমকান্ত মহন্তৰ নাম উল্লেখযোগ্য। প্ৰয়াত হাঞ্চেৰ 'ৰোমীৰ' আৰু 'ছাবিন আলুন' যিদৰে উল্লেখযোগ্য সংযোজন, সেইদৰে মহন্তৰ দ্বাৰা সংগৃহীত 'ছাবিন আলুন' এক অনন্যধৰ্মী ৰামকথাৰে পৰিপুষ্ট সংযোজন। আধুনিক গীত-মাতত কাৰ্বিসকল চহকী। অৱশ্যে প্ৰকৃতিৰ জীৱনধাৰাৰ লগত আজিৰ যিটো জীৱনধাৰা, সেইটো কিছু

পৰিবৰ্তন হৈছে। এইক্ষেত্ৰত গীতিকাৰসকলৰ শব্দ-গাঁথনি, ৰচনাৰ পশ্চাৎ পৰিকল্পনা অভিনৱ বুলি ক'ব লাগিব। গীত-মাতবিলাকৰ পুনৰীক্ষণৰ প্ৰয়োজন হৈ পৰিছে। ১৯৪১ চনত অসমৰ কাৰ্বি অধ্যুষিত অঞ্চলৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক 'বন্দে মাতৰম' গীতটিৰ দৰে 'থুৰ নন্ থুৰ নন্ ছ'কাৰবি দ' আন' গীতফাঁকি গাবলৈ শিকোৱা হৈছিল। এই গীতফাঁকিৰ ৰচক আছিল বাৰেলং তেৰাং।

আধুনিক কাৰ্বি গীতৰ কথা সন্দৰ্ভত ৰংবং তেৰাংদেৱে স্বকীয় ভাবধাৰাৰে ৰচনা কৰা ভাবপ্ৰধান গীত আৰু সুৰকাৰৰ সুৰৰ ভিত্তিত বা অন্য সুৰৰ অনুকৰণত ৰচনা কৰা সুৰপ্ৰধান গীতৰ কথা দাঙি ধৰে। তেখেতৰ মতে গীতৰ সুৰ আৰু স্বৰ সম্পৰ্কে ব্যুৎপত্তি নাথাকিলে কেতিয়াও কোনো গীতে গীতি-সাহিত্যত প্ৰসাৰ লভিব নোৱাৰে। এইক্ষেত্ৰত তেখেতে সুৰৰ ন্যায্যতা, কণ্ঠৰ সাৱলীলতা, সাংগীতিক নীতি ৰক্ষা আধুনিক কাৰ্বি গীত আৰু গায়কৰ পক্ষেও গুৰুত্বপূৰ্ণ বুলি মন্তব্য আগবঢ়াই আহিছে। গীতৰ সাংগীতিক আৰু কাব্যিক ৰূপক উপযুক্ত বিচাৰ-বিশ্লেষণেৰে নিঃসৃত কৰি কাৰ্বি সংস্কৃতিৰ ৰূপটো সংগীতৰ মাজত থাকি জনগণৰ বাবে সম্প্ৰতি এক নতুন পৰিমণ্ডল সৃষ্টি কৰিব বুলি তেৰাং আশাবাদী।

সান্নিধ্য-স্মরণ

ৰংবং তেৰাঙে এদিন মোক যেনেকৈ আৱিষ্কাৰ কৰিলে, মযো তেনেকৈ আৱিষ্কাৰ কৰিলো ৰংবং তেৰাঙক। দুয়ো জালুকবাৰীৰ পৰা ওলাই গৈছিলো গুৱাহাটীৰ মহানগৰীলৈ এবং কেতিয়াবা ড বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কেতিয়াবা হোমেন বৰগোহাঞি, কেতিয়াবা চন্দ্ৰপ্ৰসাদ শইকীয়া আদি বৰেণ্য ব্যক্তিসকলৰ কাকত কাৰ্যালয়লৈ।

বিশ্ববিদ্যালয়ৰ দিনৰে অন্তৰংগ বন্ধুজন

কেশৱ শইকীয়া

স্মৃতিয়ে বহুত কথা পাহৰণি গৰ্ভলৈ ঠেলি দিয়ে আৰু বহুত কথা খুব সযতনে ৰাখি থয় মনৰ মণিকোঠাত। কিন্তু স্মৃতি মানৱ জীৱনৰ সচাৰকাঠী। স্মৃতিৰ দুৱাৰ খুলি বহুতে হয়তো পায় সোণালী জীৱনৰ স্বাদ, বহুতে পায় ভাৰাক্ৰান্ত গভীৰ বেদনা। দাৰ্শনিক চাপেনহাৱাৰে হেনো স্মৃতিৰ ৰঙীণ ছবি বিচাৰি বিচাৰি গৈ জীৱন্ত ৰূপত পাইছিল থুপখাই থকা একাঁজলি দুখ। দুখেই যদি সুখৰ আধাৰ হয় - তেনেহ'লে সুখো হ'ব পাৰে দুখৰ এচমকা ক'লীয়া ডাৱৰ।

কাৰ্বি পাহাৰৰ ৰংবং তেৰাঙে বোধকৰো দুখৰ বোজা হেলাৰঙে পৰিত্যাগ কৰি আছিছে—সেই যৌৱনদীপ্ত কালৰ পৰা।

সেই তাহানিৰ কথা।...

তাহানি মানে বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ আৰম্ভণি কালৰ দ্বিতীয় দশকটোৰ কথা। সেই সময়ত আমি আছিলো গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ। তেতিয়া, উত্তৰ-পূৱ ভাৰতৰ একমাত্ৰ বিশ্ববিদ্যালয়খনিয়েই আছিল গুৱাহাটী বিশ্ববিদ্যালয়। অযুত সপোনে ভিৰ পাতিছিল গুৱাহাটী বিশ্ববিদ্যালয়ত। সকলোৰে আছিল ভবিষ্যতৰ ৰঙীণ সপোন। পঢ়া-শুনাৰ মাজতে বহুতে কথা পতা শুনিছিলো— আগলৈ অমুক কৰিম— তমুক কৰিম।...

বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহি কোনে কি কৰিলে, কোন ক'লৈ গ'ল— সেয়াও এতিয়া পাহৰণিৰ গৰ্ভত সোমাই পৰিল।

সময়ৰ দিক্‌চৌ বাট অতিক্ৰম কৰি হেৰাই যোৱা অসংখ্যজনৰ মাজত এতিয়াও সম্পৰ্ক স্থাপিত হয় কাৰ্বি আংলঙৰ ৰংবং তেৰাঙৰ লগত। কাৰণ, বিংশ শতিকাৰ দ্বিতীয়াৰ্ধত ৰংবং তেৰাঙৰ লগত সম্পৰ্ক স্থাপিত হৈছিল এক ফাকু ৰঙীণ মুহূৰ্তত। কেনেকৈ সম্পৰ্ক হৈছিল— ক'ব নোৱাৰো; কিন্তু আমি একেখন বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিলো— ৰংবং তেৰাং অসমীয়া বিভাগৰ ছাত্ৰ আছিল— ময়ো আছিলো অসমীয়া বিভাগৰ।

কেৱল অসমীয়া বিভাগৰ হ'লেই যে সম্পৰ্ক গাঢ় হ'ব - তাৰ কোনো নিশ্চয়তা নাই। কিন্তু, ৰংবং তেৰাঙে এদিন মোক যেনেকৈ আবিষ্কাৰ কৰিলে; ময়ো তেনেকৈ আবিষ্কাৰ কৰিলো ৰংবং তেৰাঙক। দুয়ো জালুকবাৰীৰ পৰা ওলাই গৈছিলো গুৱাহাটীৰ মহানগৰীলৈ আৰু কেতিয়াবা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কেতিয়াবা হোমেন বৰগোহাঞি, কেতিয়াবা চন্দ্ৰপ্ৰসাদ শইকীয়া আদি বৰেণ্য ব্যক্তিসকলৰ কাকতৰ কাৰ্যালয়লৈ, কোনো ব্যক্তিয়েই আমাক সাক্ষাতৰ পৰা বঞ্চিত কৰা নাছিল। আমিও তেখেতসকলৰ বহুমূলীয়া সময় নষ্ট নকৰি সামান্য দুই-চাৰিটা কথা পাতি কোঠাৰ পৰা ওলাই আহিছিলো।

এনেধৰণৰ প্ৰেৰণাতেই ৰংবং তেৰাঙে হয়তো ভৱিষ্যৎ জীৱনৰ সপোনৰ ফুলাম গামোচাখনৰ কথা ভাবিছিল; ভাবিছিল শিক্ষা জীৱনৰ স্বপ্নবোৰে ধুনীয়া মালা গাঁথিব; ছাত্ৰ-ছাত্ৰীৰ মাজত থাকি 'ৰংমিলিৰ হাঁহি'ৰ কথা চিন্তা কৰিব, পৰৱৰ্তী সময়ৰ কথা চিন্তা কৰিব; ক্ৰান্তিকালৰ অশ্ৰুৰে কাৰ্বি পাহাৰ তথা ৰাজ্যখন ধুই নিকা কৰি তুলিব; বনফৰিঙৰ গীতেৰে অসমৰ সুৱদী-সুৰীয়া মাত কাৰ্বি আৰু থলুৱা ভাষাৰে একাকাৰ কৰি সুৰৰ মায়াজাল ৰচিব; 'জাক হেৰুওৱা পক্ষী'ক পুনৰ ঘূৰাই আনিব জাকৰ মাজলৈ।

ৰংবং তেৰাঙৰ সাহিত্য-সংস্কৃতিৰ জীৱন আচলতে উত্তৰ যৌৱনদীপ্ত প্ৰহৰৰ পোহৰৰ গান। ১৯৬৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ অসমৰ বিভিন্ন প্ৰান্তৰ লগতে কাৰ্বি জনসাধাৰণক একেডাল সূতাৰে বান্ধিবলৈ তেৰাঙে উত্তৰ যৌৱন কালৰ পৰাই এতিয়ালৈকে নিৰৱচ্ছিন্নভাৱে কাম কৰিছে। কাৰ্বি পাহাৰৰ সেউজ গছ-গছনি-পৰ্বত-পাহাৰৰ শোভাৰে পৰিবেষ্টিত হৈ তেৰাঙে এতিয়াও সেউজী সপোন দেখে। ৰক্তাক্ত কাৰ্বি পাহাৰৰ ৰূপ দেখি তেৰাঙে ফোনেৰে মোক কৈছিল— 'শইকীয়া, এতিয়া কাৰ আগত মোৰ সেউজীয়া সপোনৰ কথা ক'ম, আমি মানুহ হৈ থাকিবলৈ কিমান ত্যাগ কৰিব লাগিব - সেই কথা কাক ক'ম!'

প্ৰায়ে আমি ফোনত কথা পাতো। তেখেতে কাহানিও ব্যক্তিগত জীৱনৰ কথা নকয় — কয় ৰাজ্যখনৰ কথা, কাৰ্বি পাহাৰৰ কথা, সেই তাহানি দিনৰ কথা, গুৱাহাটী বিশ্ববিদ্যালয়তে ভৱিষ্যৎ গঢ়াৰ স্বপ্নৰ কথা।

ভালকৈ মন কৰিলে দেখা যাব যে ৰংবং তেৰাং 'শব্দ-নিপুণ'ৰ শিল্পী। নিখুঁত অসমীয়া ভাষা লিখিবলৈ, নিখুঁতভাৱে কাৰ্বি ভাষাটো চৰ্চা কৰিবলৈ ৰংবং তেৰাঙে 'কাৰ্বি লামতাছাম' প্ৰকাশ কৰিছে। এইখন অভিধান— কাৰ্বি, ইংৰাজী, অসমীয়া ভাষাৰ অভিধান। তদুপৰি কাৰ্বি সমাজৰ উপকাৰত আহিব বুলিয়েই তেখেতে 'শ্ৰীমদ্ভাগৱত গীতা' কাৰ্বি ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিছে। কাৰ্বি সাধু, কাৰ্বি অসমীয়া পাঠ, কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি আদি গ্ৰন্থ ৰচনাই তেখেতক কাৰ্বি সমাজত সাহিত্যৰথী হিচাপেই বা কাৰ্বি সাহিত্যৰ কাণ্ডাৰী পুৰুষ হিচাপেই চিহ্নিত

কৰিছে। এতিয়া কাৰ্বি আংলং মানেই ৰংবং তেৰাং, ৰংবং তেৰাং মানেই কাৰ্বি পাহাৰৰ আধুনিক যুগৰ ব্যক্তি।

১৯৭৭ চনৰ আগে আগে ৰংবং তেৰাঙে লিখিছিল যে কাৰ্বি ভাষাৰ উৎপত্তি আৰু বিকাশৰ কথা বিশ্লেষণ কৰা কঠিন। 'ড° ব্ৰন্সন চাহাবে অসমীয়া লিপিত 'ধৰম আলাম্ আক্ৰাং ইকিথান' শিবসাগৰৰ অৰুণোদয় প্ৰেছত ছপা কৰিছিল। এইখন পুথিয়েই কাৰ্বি ভাষাৰ প্ৰথম পুথি। ড° ব্ৰন্সনক অনুসৰণ কৰি মিছনেৰী চাহাবে ৰোমান লিপিত পুথি লিখিবলৈ ধৰে। স্বৰ্গীয় ছেমছন সিং ইংতিৰ প্ৰচেষ্টাত অনেক স্কুলীয়া পাঠ্যপুথি অসমীয়া লিপিত প্ৰকাশ কৰিছিল। মিকিৰ পাহাৰ জিলা গঠন হোৱাৰ পিচত জিলা পৰিষদৰ প্ৰচেষ্টাত প্ৰাথমিক পৰ্যায়ৰ কাৰ্বি সাহিত্য পুথি প্ৰকাশ হৈছিল। তাৰ মানে, কাৰ্বি আংলং জিলাত পুথি লিখাৰ প্ৰচেষ্টা অসমীয়া সাহিত্যৰ আধুনিক যুগটোৰ পিচৰ। সেই সময়ত নাঙল, কপাল, মেল, গাঁওবুঢ়া আদি শব্দবোৰ নাৰিকই, নাঙই, কপাই, মেই, কাৰবুঢ়া বুলি কাৰ্বি ভাষাত লিখা হৈছিল। কাৰ্বি ভাষাত খাছি শব্দও সোমাইছে। তথাপি কাৰ্বি ভাষাত শব্দ সম্ভাৰৰ নাটনি। সেইবাবেই ৰংবং তেৰাঙে 'এই ভাষা বিকাশমুখী কৰিবলৈ হ'লে চিনাকি অথচ সহজে হৃদয়ংগম কৰিব পৰা মূল অসমীয়া ভাষাৰ শব্দ গ্ৰহণ কৰা উচিত' বুলি ভাবে।

নিজৰ ভাষাটোৰ প্ৰতি ৰংবং তেৰাঙৰ ঔৎসুক্য কিমান সেই কথা জানিবলৈ তেখেতৰ অধ্যয়ন স্পৃহা মনকৰিবলগীয়া, অসম সাহিত্য সভাৰ আগত তেখেতে অকপটে ব্যক্ত কৰিছিল আৰু কৈছিল যে G. D. walker চাহাবৰ 'A Dictionary of Mikir Language' নামৰ পুথিখনিয়েই কাৰ্বি ভাষাৰ প্ৰথম প্ৰাথমিক অভিধান। এই অভিধানত মুঠ ৫,৫৬৬ টা কাৰ্বি শব্দ আছে। বিংশ শতিকাৰ মাজভাগলৈকে কাৰ্বি ভাষাত প্ৰায় দহ হেজাৰ কাৰ্বি শব্দ আছিল। বৰ্তমান সময়ত শব্দৰ ভঁৰাল নিশ্চয় চহকী হৈছে।

ৰংবং তেৰাঙে 'বহুল পঢ়ুৱৈ সমাজ' বিচাৰি কাৰ্বিৰ লগতে অসমীয়া ভাষাক গুৰুত্ব আৰোপ কৰিছে। কাৰ্বি ভাষাৰ উন্নতিৰ কল্পে তেখেতে অসমীয়া মাধ্যমৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। এই গুৰুত্বই বহল অসমীয়া সমাজখনক 'ৰংমিলিৰ হাঁহি'ৰ কাষলৈ লৈ গৈছে। ১৯৭৭ চনৰ সময়ছোৱাত পদ্মশ্ৰী ৰংবং তেৰাঙৰ সৃষ্টিশীল ৰচনা বিশেষ নাছিল বুলি অসম সাহিত্য সভাৰ 'লেখক শিবিৰত' উল্লেখ কৰিছিল। সেই সময়ত তেখেতে অনুভৱ কৰিছিল যে মানৱীয় সমস্যাৰ চিত্ৰণৰ মাধ্যমেদি সমাজ সংস্কাৰমূলক দৃষ্টিভংগী লেখকৰ থাকিব লাগে। ...বাস্তৱ জীৱনৰ কলাত্মক ৰূপ প্ৰকাশ কৰা এইগৰাকী ব্যক্তিয়ে ১৯৮১ চনত ৰংমিলিৰ হাঁহি প্ৰকাশ কৰাৰ পিচত পিচলৈ উভতি চাবলগীয়া হোৱা নাই। অসমীয়াত অনাৰ্চ লৈ স্নাতক ডিগ্ৰী লোৱা ৰংবং তেৰাঙৰ সাহিত্যপ্ৰীতিয়ে অসমীয়া সাহিত্য জগতখনো মনোৰম ৰূপত উদ্ভাসিত কৰাত সহায় কৰিলে। কাৰ্বি জনজীৱনৰ ছন্দ, সুৰ, লোককলাসমূহ আঁৰ কাপোৰৰ আঁৰতেই থাকি গ'লহেঁতেন; যদি ৰংবং তেৰাঙে সেইসমূহক সুৰাগুৰি তুলি আদৰি ননাহেঁতেন।

শিক্ষক তথা শিক্ষাবিদ হিচাপে ৰংবং তেৰাঙে অসমীয়া ভাষাৰে শিক্ষাদান কৰিছিল আৰু চিৰ চেনেহী ভাষা জননীৰ সেৱাত আত্মোৎসৰ্গ কৰি বহল পাঠক সমাজ এখনৰ সমন্বয়ৰ সাঁকো গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলাই সফলকাম হৈছিল।

১৯৩৭ চনত কাৰ্বি আংলং-লাংবুদিংপিত জন্ম গ্ৰহণ কৰা ৰংবং তেৰাং অসমীয়া ভাষা-সাহিত্যৰ এজন সুদক্ষ শিল্পী, সৃষ্টিশীল সাহিত্যৰ খনিকৰ হিচাপে ৰংবং তেৰাঙে নিজস্ব কথনশৈলীয়ে কাৰ্বি

জনগোষ্ঠীৰ কথাও বঢ়িয়াকৈ ক'ব জানে। অসমীয়া প্ৰতিদিনৰ শৰৎ সমগ্ৰ ২০০৮ত এপিটাফ শীৰ্ষক চুটি গল্পত তেৰাঙে নিজ পত্নীৰ স্মৃতি ৰক্ষাৰ্থে এপিটাফ খোদিত কৰাৰ কথাত কৈছে— 'কাৰ্বিসকলৰ প্ৰধান গোত্ৰ পাঁচটা। ইংতি, ইংহি, তেৰাং, টেৰণ আৰু তিমুং। গাঁও একোখনৰ নিৰ্দিষ্ট শ্মশানত শ দাহ কৰিবৰ বাবে নিগাজিকৈ পাঁচটা চিতা সজাই ৰখা হয়। গোত্ৰ অনুযায়ী সেই নিৰ্দিষ্ট চিতাতহে মৃতকৰ সংকাৰ কৰিব লাগে।'... কাৰ্বিসকলৰ চিতাদাহ কৰা পৰম্পৰাৰ কথাটো তেৰাঙে বৰ প্ৰাঞ্জল তথা চিত্তাকৰ্ষকভাৱে দাঙি ধৰিব পাৰিছে। লেখাটোত কাৰ্বি শব্দৰ প্ৰয়োগ আৰু তাৰ লগে লগে অসমীয়া অভিযোজনা বিশেষভাৱে মনকৰিবলগীয়া কথা। এপিটাফৰ এঠাইত 'ক'পি' হা ফু (কি ক'লে ককা)? চাং চা। কাপনি (চাহ চাহ - দুকাপ।'-ৰ কথা উল্লেখ কৰিছে। সেই একেটা লেখাতে আছে— 'একান্নৰৈ চনৰ অক্টোবৰ মাহৰ পোন্ধৰ তাৰিখৰ দিনাই আবেলিপৰত সহধৰ্মিণীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল, মোৰ নীৰৱ কোঠাটোৰ পৰা। শাৰদীয় দুৰ্গোৎসৱৰ মহাসপ্তমীৰ দিন আছিল— সেই দিনটো। আহিনৰ কুঁৱলী আৰু কঁহুৱাবনৰ সৌন্দৰ্যবোৰ অনুভৱ কৰাৰ আহৰি মোৰ তেতিয়া মুঠেই নাছিল। আনকি, চোতালত থকা শেৱালিজোপাৰ বগা ফুলবোৰ বুটলিবলৈ পাহৰি গৈছিলো। আহিনৰ মাহটো মোৰ বাবে হৈ পৰিছিল জীৱনৰ করুণতম মাহ। এক ক্ৰন্দসী মাহ।' ইয়াত 'আবেলি পৰ', 'আহৰি' আদি শব্দৰ প্ৰয়োগ সম্পূৰ্ণৰূপে থলুৱা অসমীয়া— আনহাতে 'সহধৰ্মিণী', 'মহা-সপ্তমী' আদিৰ প্ৰয়োগ তত্সৱ শব্দ। গতিকে, লেখকৰ সংযত শব্দৰ প্ৰয়োগে লেখাটো অনিন্দ্য-সুন্দৰ ৰূপত উদ্ভাসিত কৰিছে।

অসম সাহিত্য সভাই প্ৰকাশ কৰা 'কাৰ্বি সাধু'ত প্ৰচুৰ কাৰ্বি শব্দৰ প্ৰয়োগ ঘটিছে। এয়া ৰংবং তেৰাঙৰ স্বকীয় শৈলী বুলি ক'ব পাৰি। এই স্বকীয়তাৰ মাজতে ৰংবং তেৰাঙে বিচাৰি পায় 'অসমীয়াত্ব'ৰ সোৱাদ। পাহাৰ ফালি বক্ৰ পথেৰে প্লেটফৰ্মলৈ সোমাই অহা ৰে'লকেইখনৰ মন্থৰ গতিত 'তেওঁ' বিচাৰি পায় উজুটি নোখোৱা কেৰেলুৱা গতিৰ মসৃণতা। সেইদৰে ষ্টেচন এৰি উজনিলৈ গতি কৰা ৰে'লবোৰ পাহাৰৰ বুকুত হেৰাই যোৱাৰ যি অপৰূপ দৃশ্য, সেইবোৰতো বিচাৰি পায় প্ৰত্যাবৰ্তন গতিৰ করুণতা' (টামদিহিৰ অশ্ৰু ঃ দৈনিক বাতৰি 'শাৰদীয়-অনুভূতি ১৯৩০ শক, ২০০৮ চন) ৰংবং তেৰাঙৰ গদ্যত আছে ৰোমাণ্টিক সুৰৰ কোমলতা, মাদকতাময় কাব্যিক ছন্দৰ হেন্দোলনি, ৰাজ্যখনৰ তথা কাৰ্বি আংলঙৰ সেউজ ৰূপৰ সমাহাৰ। বিপ্লৱৰ কঠিন মন্ত্ৰ তেওঁ আওৰাব নোৱাৰে; যৌৱনৰ উদ্‌ভ্ৰান্ত ৰূপত তেওঁ জাহ যাব নোখোজে।

কাৰ্বি সম্প্ৰদায়ৰ এই মহান লেখকগৰাকীৰ স'তে যে মই মধুৰ সময় অতিবাহিত কৰিছিলো, সেই কথা ভাবিলেই মোৰ মন আনন্দত নাচি উঠে। প্ৰায়ে পদ্মশ্ৰী তেৰাঙৰ লগত কথাবতৰা হওঁ। ফোনত ভাহি অহা তেওঁৰ সৰল হাঁহিটো শুনিবলৈ আগ্ৰহেৰে অপেক্ষা কৰো। সোধো— 'কি কৰিছে, কি লিখি আছে, এতিয়া ঘৰত পুত্ৰ-বোৱাৰী আছেনে?'...

কয়— 'অ' শইকীয়া, এতিয়ানো আমাৰ কি কৰিবলগীয়া আছে; সকলোবোৰে চমু চাপি আহিছে। ল'ৰালিকাল বিদায় দিলো, যৌৱন কাল বিদায় দিলো; বাৰ্ধক্যক বিদায় দিবলৈ বাকী...।'

দেৱেন গগৈ সম্পাদিত 'কাৰ্বি আংলঙৰ সাহিত্য-সংস্কৃতিৰ এচেৰেঙা'-ত কাৰ্বি লেখকসকলৰ প্ৰথমেই নাম লৈছে ৰংবং তেৰাঙৰ। এইগৰাকী লেখকৰ লগতে লংকাম তেৰণ, ছামসিং হান্সে, ডাঃ জয়ন্ত ৰংপি, জয়সিং তেৰাঙৰ লগতে স্বৰ্গীয় ছাথী তেৰণপী, ৰোহিণী তেৰণপী, মেবেল তেৰাংপী, তৰুলতা বৰুৱা ৰংপি, পুণ্যলতা ৰংপি আদি মহিলা লেখকৰো নাম উল্লেখ কৰিছে। এই লেখকসকলৰ ভিতৰত ৰংবং তেৰাঙৰ অবদানেই সৰ্বাধিক।

❝ কাৰ্বি পাহাৰৰ গছ-গছনি, নদ-নদী, সেউজ অৰণ্য, বৰ্ণাঢ্য জীৱন গাঁথাই অভিভূত কৰে তেওঁক। কেতিয়াবা সুৰবোৰে তেওঁৰ হৃদয়ত গুঞ্জন তোলে, কেতিয়াবা সুৰবোৰ গান হৈ কণ্ঠত নিগৰে। কিন্তু মূলতঃ তেওঁ শব্দৰ শিল্পী। শব্দেৰেই নিৰ্মাণ কৰে বিচিত্ৰ অনুভৱেৰে প্ৰাণময় এক অনুপম পৃথিৱী। ❞

সেউজীয়া পাহাৰৰ এটি সেউজ মনৰ সান্নিধ্যত

মঞ্জুদেৱী পেগু

ফুলপাহ দেখিলেই তাৰ সৌৰভলৈ, জুইকুৰা দেখিলেই তাৰ তীব্ৰতালৈ মনত পৰাৰ দৰে এগৰাকী ব্যক্তিৰ স'তে সাক্ষাৎ ঘটিলেই মনত পৰে এক স্নিগ্ধ, মনোৰম প্ৰভাতলৈ। সেউজীয়া কাৰ্বি আংলঙৰ ওখ-চাপৰ টিলাৰে আবৰা মনোৰম ডিফু চহৰৰ এটি টিলাত অৱস্থিত 'হিলছ্ ভিউ কটেজ'ত বাস কৰে তেওঁ। চংচিংনোং পাহাৰৰ নামনিত অৱস্থিত, কুৰনা নৈৰ পাৰৰ লাংবুংদিংপি নামৰ এখন অখ্যাত গাঁৱত পৃথিৱীৰ প্ৰথম পোহৰ দেখিছিল তেওঁ। সেউজীয়া পাহাৰৰ সূৰ্যোদয় আৰু সূৰ্যাস্তৰ চাই অনাবিল প্ৰশান্তি লভে তেওঁ। কাৰ্বি পাহাৰৰ গছ-গছনি, নদ-নদী, সেউজ অৰণ্য, বৰ্ণাঢ্য জীৱন গাথাই অভিভূত কৰে তেওঁক। কেতিয়াবা সুৰবোৰে তেওঁৰ হৃদয়ত গুঞ্জন তোলে, কেতিয়াবা সুৰবোৰ গান হৈ কণ্ঠত নিগৰে, কিন্তু মূলতঃ তেওঁ শব্দৰ শিল্পী। শব্দেৰেই নিৰ্মাণ কৰে বিচিত্ৰ অনুভৱেৰে প্ৰাণময় এক অনুপম পৃথিৱী। অসমৰ ভাষা-সাহিত্যৰ নিৰলস সাধক, পাহাৰ-ভৈয়ামৰ সমন্বয় সেতু, শান্ত-সমাহিত ব্যক্তিত্বৰ অধিকাৰী, নিৰহংকাৰী, মৃদুভাষী, প্ৰচাৰবিমুখ অথচ অগণন গুণমুগ্ধৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু পদ্মশ্ৰী ৰংবং তেৰাং তেওঁ।

কেতিয়া বাৰু লগ পাইছিলো তেওঁক। হয়, হয়, আজিৰ পৰা দুটা দশকৰো আগেয়ে সাক্ষাৎ ঘটিছিল তেওঁৰ স'তে। অকল সাক্ষাৎ ঘটাই নহয়, এইগৰাকী প্ৰতিভাধৰ ব্যক্তিৰ স'তে কৰ্মক্ষেত্ৰত

তিনিটা বছৰ অতিবাহিত কৰাৰো সৌভাগ্য ঘটিছিল...

সোঁৱৰণীৰ তালিকটা সুকণ্ডাবে জুমি চালেই হৃদয়জুৰি জাকি মাৰি উৰে স্মৃতিৰ অজস্ৰ পখিলা।... চকুৰ পচাৰতে কেনেকৈ যে পাৰ হৈ গ'ল দিনবোৰ... স্মৃতিৰ ডাঁৰডাল চুবকে নোৱাৰি— অতীত, বৰ্তমান, ভৱিষ্যৎ একাকাৰ কৰি কতনা ক্ষণৰ গুঞ্জন.... বুজাব নোৱাৰি হৃদয়ত কি যে এক অনাস্বাদিত সুখ নে দুখৰ শিহৰণ....

সেয়া আছিল ১৯৮৫ চনৰ মাৰ্চ মাহৰ এটা পুৱা। তেতিয়াও এটি শান্ত শিশুৰ দৰে শুই আছিল পাহাৰী চহৰখন। টিলাই টিলাই লুকাভাকু খেলি যোৱা নিমজ ৰাস্তাটোৰে আগবাঢ়ি যাওঁতে এছাটি শীতল বাই গালে-মুখে চুই গৈছিল। অৱশেষত আপেক্ষিক সমতল ভূমিত অৱস্থিত, দেৱদাৰুৰ সেউজ শোভাৰে সুশোভিত মোৰ লক্ষ্যস্থান ডিফু চৰকাৰী মহাবিদ্যালয় পাইছিলোঁগৈ আৰু মোৰ নতুন কৰ্মক্ষেত্ৰত যোগদানেৰে আৰম্ভ হৈছিল জীৱনৰ এক নতুন অধ্যায়...। অধ্যক্ষ জিতেন নেওগ ছাৰৰ লগতে লগ পাইছিলো আমাৰ (অসমীয়া) বিভাগৰ মুৰব্বী অধ্যাপকৰ আসন শুৱনি কৰা প্ৰখ্যাত সাহিত্যিক ৰংবং তেৰাং ছাৰক। সেয়াই আছিল আৰম্ভণি এক মধুৰ ব্যক্তিত্বৰ স'তে সান্নিধ্যৰ।

চকুৰ পচাৰতে পাৰ হৈ গৈছিল সময়বোৰ।

অচিনাকি ঠাই, অচিনাকি পৰিবেশ লাহে লাহে চিনাকি হৈ পৰিছিল।

আপোন হৈ পৰিছিল সহজ-সৰল, স্বভাৱসুলভ মৃদু হাঁহিৰে উদ্ভাসিত ৰংবং তেৰাং ছাৰ। মনে মনে শংকা আছিল— বিভাগৰ মুৰব্বী বা কেনে হয়! কিন্তু সেই শংকা অমূলক কৰি তেওঁ আত্মীয়তাৰ এনাজৰীৰে আমাক বান্ধ খুৱাইছিল, অভিভাৱকসুলভ স্নেহেৰেও আবৰি ৰাখিছিল।

ছাৰৰ মাজত লক্ষ্য কৰিছিলো— ব্যক্তি সন্মানৰ প্ৰতি থকা সচেতনতা। আমি নতুনকৈ কৰ্মজীৱন আৰম্ভ কৰিছিলো, অনেক দোষ-ত্ৰুটিৰ পৰা আমি মুক্ত নাছিলো। কিন্তু ছাৰে কাহানিও কোনো কথাতে আমাৰ অনুভূতিক আঘাত কৰা নাছিল। আনকি মোৰ প্ৰিয় বিষয় কবিতা অধিকাংশ শ্ৰেণীত পঢ়ুৱাবলৈয়ো সুযোগ দিছিল।

শ্ৰেণীকোঠাৰ বাহিৰেও মহাবিদ্যালয়ৰ সাহিত্য-সংস্কৃতিমূলক কাম-কাজৰ দায়িত্ব লওঁতেও প্ৰয়োজনীয় দিহা-পৰামৰ্শেৰে মোক উপকৃত কৰিছিল। এই সময়ছোৱাতে ১৩, ১৪, ১৫ ছেপ্টেম্বৰ ('৮৬)ত ডিফু মহাবিদ্যালয়তে মহা সমাৰোহেৰে অনুষ্ঠিত হৈছিল সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ সৌজন্যত ৰাজ্যিক ভিত্তিত এখনি আলোচনাচক্ৰ আৰু সাংস্কৃতিক সমাৰোহ। অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সম্পাদকৰূপে ক্ৰমে ঋতুৰাজ বসুমতাৰী আৰু তজবজীয়া যুৱক পবিত্ৰ বৰাই এই সমাৰোহ সাফল্যমণ্ডিত কৰিবলৈ দেহে-কেহে খাটিছিল। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰখ্যাত শিল্পী বীৰেন সিংহৰ তত্ত্বাৱধানত উৎকৃষ্টমানৰ চিত্ৰ প্ৰদৰ্শনী এখনো অনুষ্ঠিত হৈছিল। তদুপৰি অধিৱেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্ব এই লেখিকাৰ ওপৰতে পৰাত স্মৃতিগ্ৰন্থৰ উপদেষ্টাৰূপে তেৰাং ছাৰে প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়াৰ লগতে 'প্ৰবীণৰ দৃষ্টিত নবীন' শীৰ্ষক শিতানত নিজৰ অভিমত দাঙি ধৰি আমাক উৎসাহিত কৰিছিল। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ডিফু শাখাৰ প্ৰতিষ্ঠা কালত সম্পাদিকাৰ দায়িত্ব বহন কৰি প্ৰথম অধিৱেশন অনুষ্ঠিত কৰাৰ সময়তো ছাৰৰ উপস্থিতি আৰু দিহা-পৰামৰ্শই দিছিল আগুৱাই যোৱাৰ অফুৰন্ত প্ৰেৰণা...।

বিভিন্ন সময়ত ছাৰৰ স'তে সাহিত্য-সংস্কৃতিৰ কথা আলোচনা কৰোঁতে ছাৰৰ পৰিশীলিত

মনটোৰ পৰিচয় পাইছিলো। সাহিত্যৰ উপৰি সংগীততো তেওঁৰ ধাপ আছিল যদিও ডিফুত থকা সময়ত আন্তৰিকভাৱে সুৰকাৰ, গীতিকাৰ, গায়কগৰাকীক লগ পোৱাৰ সৌভাগ্য নহ'ল। আমি ডিফুত থকা সময়তে 'প্ৰকাশ'ত ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল 'ক্ৰান্তিকালৰ অশ্ৰু' নামৰ উপন্যাসখন। ছাৰে প্ৰায়ে কৈছিল : উপন্যাস লিখাটো কিছু সহজ যদিও গল্প লিখিবলৈ দেখোন টান পাওঁ। কিন্তু পঢ়ুৱৈ মাত্ৰেই জানে কাৰ্বি জনজীৱনৰ অনবদ্য দলিলস্বৰূপ 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টাজন গল্প ৰচনাতো পটু। কাৰ্বি জনজীৱনৰ বিভিন্ন বৈচিত্ৰ্য, পৰম্পৰাৰ জিলিঙনি তেওঁৰ গল্পৰ মাজতো উদ্ভাসিত। উপন্যাসৰ দৰেই তেওঁৰ গল্পও সাধাৰণ পঢ়ুৱৈৰ মাজত কিমান জনপ্ৰিয় তাক এটা সৰু ঘটনায়েই প্ৰমাণ কৰে। কাল্পনিক কাহিনীৰ ভিত্তিত ৰচিত এটি গল্প পঢ়ি বনবিভাগৰ কৰ্মচাৰীয়ে কোৱাৰ্টাৰ এৰি যোৱাৰ আমোদজনক কাহিনীয়েও সেই কথাকে সকীয়ায়।

তেওঁৰ লেখাত অসমৰ সমাজ-জীৱনত, বিশেষকৈ কাৰ্বি আংলঙত ঘটা বিৱৰ্তনৰ ছবি মূৰ্তিমান। সেউজীয়া পাহাৰত অপ্ৰত্যাশিতভাৱে ঘটা গোষ্ঠী সংঘৰ্ষৰ ছবিখনো মূৰ্ত হৈ উঠিছে তেওঁৰ পৰৱৰ্তী উপন্যাসত। কাৰ্বি পাহাৰত যেতিয়া গোষ্ঠী সংঘৰ্ষই জুই জ্বলাইছিল, সংবেদনশীল এই লেখকগৰাকীৰ অন্তৰে হাহাকাৰ কৰি উঠিছিল। সুদূৰত থকা ছাৰলৈ সেইসময়ত ফোন কৰাত ভাহি আহিছিল এক বিষাদগধুৰ কণ্ঠ। তাৰেই ফলত তেওঁৰ লেখাত ফুটি উঠিছে মানুহৰ সমাজখনত শান্তি প্ৰতিষ্ঠাৰ আকুল আহ্বান।

.... প্ৰথম দৃষ্টিতে ডিফু চহৰে মোক মুগ্ধ কৰিছিল। তেতিয়া বসন্তকাল আৰম্ভ হৈছিল। চৌদিশে, টিলাই টিলাই ডালভৰি ফুলিছিল ৰাধাচূড়া, কৃষ্ণচূড়াবোৰ। মই গৈয়েই ডিফু ছাত্ৰী নিবাসত আছিলো। এটা টিলাত অৱস্থিত ছাত্ৰী নিবাসটোৰ পৰা দেখা গৈছিল নানাৰঙী ফুলেৰে সুশোভিত ওখ-চাপৰ টিলাবোৰ। বিশেষকৈ বৰষুণৰ বতৰত এটা দৃশ্য চাই মই বৰ আমোদ পাইছিলো। বৰষুণ আহিলেই অ'ৰ পৰা ত'লৈ খৰধৰকৈ গতি কৰা অটোবোৰ দেখি এনে লাগিছিল যেন কোনো ভয়াৰ্ত শিশুৱেহে মাকৰ বুকুৰ নিৰাপদ আশ্ৰয় বিচাৰি লৰা-ঢপৰা কৰিছে। তেৰাং ছাৰৰ 'হিলছ ভিউ কটেজ'টো আছিল কলেজৰ পৰা নাতিদূৰৰ এটি টিলাত। বিভিন্ন তৰহৰ ফুলেৰে সুশোভিত 'হিলছ ভিউ কটেজ'লৈ আছিল আমাৰ সঘন অহা-যোৱা। 'হিলছ্ ভিউ কটেজ'ত উপস্থিত হ'লেই অনুভূত হৈছিল সাদৰী, প্ৰাণচঞ্চলা কানাম বাইদেউৰ অকপট আন্তৰিকতা ভৰা মধুৰ সান্নিধ্য। ডিফু এৰি অহাৰ সময়ত বাইদেৱে বৰ সাদৰেৰে ভাত এসাঁজ খুৱাই যাচিছিল নিজহাতে যোৱা বহুৰঙী কাৰ্বি শ্বাল এখন...। ছাৰক নিঃসংগ কৰি, প্ৰাণচঞ্চল 'হিলছ্ ভিউ কটেজ' নিষ্প্ৰাণ কৰি অকালতে বাইদেৱে বিদায় লোৱাৰ পিচত ছাৰৰ জীৱনলৈ আহিছে বহু ঘাত-প্ৰতিঘাত। কিন্তু সেই ঘাত-প্ৰতিঘাত, শাৰীৰিক আহুকাল সকলোকে আওকাণ কৰি ভাষা-সাহিত্যৰ এইগৰাকী নীৰৱ সাধক নিৰলস সৃষ্টিত নিমগ্ন। সুখতো, দুখতো নিস্পৃহ। যেন এক স্থিতপ্ৰজ্ঞ ঋষি। মাথোন অন্তৰৰ নিভৃতত পাতালী গংগাৰ দৰে সৃষ্টিৰ অবিৰত স্ৰোত। শেহতীয়াভাৱে এখন ব্যতিক্ৰমধৰ্মী গ্ৰন্থ ৰচনাত ব্যস্ত এইগৰাকী সৃষ্টিশীল লেখকৰ নতুন সৃষ্টিয়ে নিঃসন্দেহে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিব, নতুন মাত্ৰা দিব। ৰোগশয্যাত পৰি থাকি যিগৰাকী লেখকে 'ৰংমিলিৰ হাঁহি'ৰ দৰে মহৎ উপন্যাসৰ সৃষ্টি কৰিব পাৰে, তেওঁৰ পৰা সমাজে আগত দিনত নিশ্চয় আৰু বহু সৃষ্টি আশা কৰে।

বেছ কিছুদিন আগতে অসমৰ সংবাদ পত্ৰত এটা 'ভুল' সংবাদ পৰিবেশিত হৈছিল, সাহিত্য অকাডেমী বঁটা প্ৰাপকৰূপে তেওঁৰ নাম উল্লেখিত হৈছিল। অসমৰ বাইজে 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টাগৰাকীৰ

এই সম্মানপ্ৰাপ্তি অন্তঃকৰণেৰে কামনা কৰে। বৰঞ্চ এই সন্মান বহুদিন আগতেই প্ৰাপ্য বুলি উপলব্ধি কৰে। বাঁটা, সন্মান আদিয়েই একো একোগৰাকী সৃষ্টিশীল লেখকৰ সৃষ্টি প্ৰতিভাৰ মাপকাঠী নহ'লেও উপযুক্ত সময়ত এনে সন্মানে স্ৰষ্টা আৰু পাঠক উভয়ৰে বাবেই কঢ়িয়াই আনে সৃষ্টিৰ অফুৰন্ত প্ৰেৰণা আৰু অনাবিল আনন্দৰ জোৱাৰ। এনে এক শুভ বাৰ্তাৰ বাবে অসমৰ ৰাইজে আৰু কিমান দিন বাট চাব লাগিব?

ইতিমধ্যে অসম সাহিত্য সভাৰ নতুন সভাপতিৰূপে এইগৰাকী প্ৰখ্যাত লেখক নিৰ্বাচিত হৈছে। নিঃসন্দেহে অসমৰ জাতীয় জীৱনত ই এক গুৰুত্বপূৰ্ণ ঘটনা। এই শুভ সংবাদে অসমৰ পাহাৰে-ভৈয়ামে, সৰ্বত্ৰতে নতুন উছাহৰ ধল বোৱাইছে। অসমৰ অগণন শুভাকাংক্ষীৰ শুভ কামনাৰে মুখৰিত হৈ উঠিছে তেওঁৰ নতুন যাত্ৰাপথ। এতিয়া সকলোৰেই কামনা কৰিছে অসমৰ পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ বাৰ্তাবাহী, নিকা ভাবমূৰ্তিৰ এইগৰাকী ভাষা-সাহিত্যৰ নীৰৱ পূজাৰীৰ বলিষ্ঠ নেতৃত্বই অসম সাহিত্য সভাক নতুন গতি দিব, বাস্তৱৰূপত সাতভনীৰ সমন্বয়ৰ স্বপ্নক প্ৰাণময় কৰি তুলিব; সাহিত্য সভা প্ৰকৃতাৰ্থত ভাষা-সাহিত্যৰ উৎকৰ্ষৰ, জাতীয় জীৱনৰ উত্তৰণৰ ক্ষেত্ৰ হৈ উঠিব।

কাৰ্বি পাহাৰত বাস কৰা অসমৰ এইগৰাকী সৰলমনা, প্ৰতিভাধৰ ব্যক্তিৰ বৰ্ণাঢ্য জীৱন আৰু কৰ্মৰ প্ৰতি আলোকপাত এক সময়োচিত পদক্ষেপ। হোমেন বৰগোহাঞিদেৱৰ সম্পাদনা কালত 'সাতসৰী'ত এইগৰাকী লেখকৰ জীৱন আৰু কৃতি আকৰ্ষণীয় প্ৰচ্ছদসহ উন্মোচিত হৈছিল। পৰৱৰ্তীকালত বিভিন্ন কাকতে-পত্ৰই লেখকগৰাকীৰ জীৱন আৰু সৃষ্টি বিষয়ক বিভিন্ন আলোচনা প্ৰকাশ পাইছে যদিও গ্ৰন্থাকাৰে প্ৰকাশ পোৱা নাই। ভ্ৰাতৃপ্ৰতিম পবিত্ৰ বৰা আৰু খনীন্দ্ৰ কুমাৰ ডেকাই লোৱা এই পদক্ষেপ অতি প্ৰশংসনীয় এই কাৰণেই যে উপযুক্ত সময়ত লোৱা এই প্ৰয়াসে লেখকগৰাকীৰ জীৱনৰ বিভিন্ন দিশ উন্মোচিত কৰাৰ লগতে লেখকগৰাকীৰ সৃষ্টিৰ পথতো সিঁচি দিব অফুৰন্ত প্ৰেৰণাৰ শত শতদল...।

... ডিফু চহৰৰ বৰ্ণিল বসন্ত, বৰ্ষণমুখৰ দিনবোৰ, পাহাৰ বগাই ভাহি অহা বতাহৰ সুহুৰিবোৰ, ছাত্ৰীনিবাসৰ ছাত্ৰীসকলৰ মাজত কটোৱা বৈচিত্ৰ্যময় সময়বোৰ, কলেজ চৌহদৰ বিচিত্ৰ অভিজ্ঞতাবোৰ, ৰাংছিনা ভৱন আৰু ডিফু ক্লাবৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানৰ সেউজীয়া স্মৃতিবোৰ... সকলোৱে আজিও মনলৈ আনে এক অনন্য অনুভূতি, শিঁহৰণ...। ডিফুত কটোৱা সময়খিনি মোৰ জীৱনৰ এছোৱা সোণালী সময়। জীৱনৰ এছোৱা দীঘলীয়া সময় অতিক্ৰম কৰিও হৃদয়ত বৈ ফুৰিছো সেই চুটি সময়ছোৱাৰ (আপেক্ষিকভাৱে) সেউজীয়া স্মৃতিবোৰ...। মোৰ জীৱনত নিঃসন্দেহেই এক উল্লেখনীয় ঘটনা কালজয়ী প্ৰতিভাৰ ঐশ্বৰ্যৰে প্ৰাণময়, 'ৰংমিলিৰ হাঁহি'ৰে মুখৰিত, 'জাক হেৰুওৱা পক্ষী'ৰ আৰ্তস্বৰেৰে সিক্ত, 'ক্ৰান্তিকালৰ অশ্ৰু'ৰে প্লাৱিত, 'বন ফৰিঙৰ গীতে'ৰে কল্লোলিত 'অৰণ্যৰ প্ৰেম' প্ৰত্যাশী সেই নিঃসীম সুষমামণ্ডিত সত্তাৰ সান্নিধ্য, যি ব্যাপ্ত হৈ ৰ'ব জীৱনজুৰি...।

(৮

ৰংবং তেৰাঙে মাজে সময়ে ৰাতি নিদ্ৰামগ্ন অৱস্থাত সুন্দৰ সুন্দৰ সপোন দেখে। দীঘলীয়া সপোনবোৰ অৰ্থপূৰ্ণও। সপোন দেখাৰ পিচদিনা কলেজলৈ আহিয়ে মোক সপোনবোৰৰ কথা কয়। মই সপোনবোৰ বহীত লিপিবদ্ধ কৰি থ'বলৈ কৈছিলো। কৰা বুলি কৈছিল সেইসময়ত।

৮)

ডিফু কলেজৰ দীৰ্ঘদিনৰ সহকৰ্মীজন

কুমুদেশ্বৰ শৰ্মা

১৯৬৫ চনৰ ১৪ ছেপ্টেম্বৰৰ ৰাতিপুৱা ডিফু চৰকাৰী বালক বিদ্যালয়ৰ হলত ডিফু কলেজৰ প্ৰবক্তাৰূপে প্ৰথমটো ক্লাছ আৰম্ভ কৰো। কলেজখন ডিফু চহৰৰ কেইগৰাকীমান বিদ্যানুৰাগী লোক আৰু কাৰবি আংলং স্বায়ত্ত পৰিষদৰ সহযোগত আৰম্ভ হৈছেহে মাথোন। মুঠ ছাত্ৰ-ছাত্ৰী আছিল ৬০ গৰাকী। তাৰে পাঁচ-ছয়জনহে নিয়মীয়া আছিল। বাকীবোৰ চাকৰিয়াল। ছাত্ৰ-ছাত্ৰীসকলৰ লগত আমাৰ সম্পৰ্ক বন্ধুভাবাপন্ন আছিল। শিক্ষক হিচাপে আমি চাৰিজন। বুৰঞ্জী বিভাগৰ জগেন্দ্ৰ নাথ মৰাং, ইংৰাজী বিভাগৰ উদয়ভানু পাণ্ডে, অসমীয়া বিভাগৰ প্ৰফুল্ল চন্দ্ৰ মহন্ত আৰু শিক্ষা বিভাগত মই। অধ্যক্ষ প্ৰফুল্ল কুমাৰ ভূঞা ডাঙৰীয়াই অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান দুয়োটা বিষয় পঢ়াইছিল। তেখেত ডাবোল এম এ আছিল। কেইদিনমান পিছত বুৰঞ্জী বিভাগৰ মৰাং ডাঙৰীয়া ঘৰৰ ওচৰৰ লখিমপুৰ কলেজলৈ যোৱাত অমিয় কুমাৰ দাস আছিল। ক্ৰমে ভবেশ চন্দ্ৰ ভূঞা আৰু ৰংবং তেৰাঙে ১৯৬৬ চনত ডিফু কলেজত যোগদান কৰে। অৰ্থনীতি বিভাগত মিঃ বিক্ৰম থাওচেনক নিযুক্তি দিয়াত দুই-তিনিমাহ থাকি ভাৰতীয় প্ৰশাসনীয় সেৱাৰ (IAS) বাবে নিৰ্বাচিত হৈ কলেজ এৰাত সুনন্দ কুমাৰ চৌধুৰী আহে আৰু ক্ৰমে আহে শোভন চন্দ্ৰ ভূঞা ইংৰাজী বিভাগত।

(বগা হাফ ছাৰ্ট আৰু ধুতী পিন্ধি তেৰাং কলেজত যোগদান কৰিবলৈ অহাৰ দিনা মোৰ এনে এটা কথা মনলৈ আহিছিল যে অসমীয়া বিষয়ৰ শিক্ষক হ'লে বোধকৰো ধুতী পিন্ধিবই লাগে। কিয়নো প্ৰফুল্ল মহন্তয়ো ধুতী পিন্ধিছিল। মই বিদ্যালয়ৰ পৰা আৰম্ভ কৰি কলেজ-বিশ্ববিদ্যালয়ত লগ পোৱা প্ৰায় ৯০ শতাংশ অসমীয়াৰ শিক্ষক বা অধ্যাপকেই ধুতী পৰিধান কৰিছিল। অসমীয়া

ভাষাটো অধ্যয়ন বা অধ্যাপনা কৰাৰ লগে লগে অসমীয়া সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাও বোধকৰো সাজসজ্জাৰ জৰিয়তেই প্ৰকাশ কৰিছিল। ময়ো কিন্তু বিশ্ববিদ্যালয়তহে পেণ্ট পিন্ধিবলৈ ল'লো। বৰ ভাল লাগিছিল ধুতী-ছাৰ্ট পিন্ধি। যিয়ে নহওক বাৰু, ৰংবং তেৰাঙক আমি সহকৰ্মী হিচাপে পাই খুব আনন্দ অনুভৱ কৰিছিলো। যাইকৈ দুটা কাৰণত আনন্দিত হৈছিলো। প্ৰথমটো হ'ল— এজন কাৰ্বি জনগোষ্ঠীৰ যুৱকে অসমীয়া বিষয়ত এম এ পাছ কৰিছে। বোধকৰো অসমীয়া বিষয়ত এম এ পাছ কৰা জনজাতীয় লোকসকলৰ ভিতৰত তেৰাঙেই প্ৰথমজন ব্যক্তি। দ্বিতীয়টো হ'ল তেৰাঙৰ দৰে সৰল অন্তৰৰ এজন স্থানীয় লোকক আমি সহকৰ্মী হিচাপে পাইছোঁ। আমাৰ এটা আশা আছিল ইয়াত বাস কৰা লোকসকল আৰু তেওঁলোকৰ কলা-সংস্কৃতি সম্পৰ্কে তেৰাঙৰ লগত আমি ঘনিষ্ঠভাৱে আলোচনা কৰিব পাৰিম বা তেওঁৰ পৰা জানিব পাৰিম। আমাৰ এই আশা অৱশ্যে সময়ে বহুখিনি পূৰণ কৰিলে। অৰ্থাৎ আমি তেখেতৰ পৰা বহুখিনি কথা জানিবহে পাৰিলোঁ, আলোচনা কৰাৰ যোগ্যতা অৰ্জন কৰা নহ'ল।

আৰম্ভণিতে কলেজৰ শ্ৰেণীবোৰ (পাঠ আলোচনা) ডিফু চৰকাৰী বালক বিদ্যালয়ৰ শ্ৰেণীকোঠাসমূহত ৰাতিপুৱা ৬ বজাৰ পৰা ৯ বজালৈ আছিল। পিচত যেনিবা আবেলি ৪ বজাৰ পৰা কৰা হ'ল চাকৰিয়াল ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ অৰ্থে। এনেদৰেই আমি কলেজখন আৰম্ভ কৰিছিলোঁ আৰু ৰংবং তেৰাঙৰ লগত এটা ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল। কেইটামান কথাত মোৰ লগত তেৰাঙৰ কিছু মিল থকা যেন অনুভৱ কৰিছিলোঁ। বৰ্তমানক লৈয়ে আমি সন্তুষ্ট আছিলোঁ। ভৱিষ্যতৰ কথা ভাবি মনটোক ভাৰাক্ৰান্ত কৰাৰ পক্ষপাতি আমি নাছিলোঁ। কলেজত উপস্থিতি নিয়মীয়া আছিল। অসুখ-বিসুখ নহ'লে ছুটী লোৱাৰ কথা ভবা নাছিলোঁ। কোনো বছৰত আকস্মিক ছুটী থাকিয়েই যায়। বিতৰ্ক এৰি থাকিবলৈ ভাল পাইছিলোঁ, শান্তিৰ পৰিবেশত থাকি ভাল পাইছিলোঁ আৰু এতিয়াও পাওঁ। বহুসময়ত প্ৰাপ্যৰ পৰা বঞ্চিত হোৱাৰ উদাহৰণো আছে। কিন্তু প্ৰতিবাদ কৰা নাছিলোঁ। পৰচৰ্চা বা পৰনিন্দা বৰ বেয়া পাইছিলোঁ। কোনোবাই বিশ্বাসত কোনো ব্যক্তিগত কথা ক'লে, তাক ৰক্ষা কৰাৰ ক্ষেত্ৰত দৃঢ় আছিলোঁ। এইবোৰ আছিল বিশেষকৈ তেৰাঙৰ গুণ। নিজকে তাৰ লগত সাঙুৰি লৈ অলপ শান্তি লাভ কৰিবলৈ চেষ্টাহে কৰিছোঁ।

ৰংবং তেৰাঙে গান গায়। ডিফু চৰকাৰী বালক বিদ্যালয়ৰ শিক্ষকসকলৰ লগত আমাৰ সহৃদয়তা স্থাপন হৈছিল। বিশেষকৈ প্ৰফুল্ল মহন্তই কলেজত যোগ দিয়াৰ আগতে সেইখন বিদ্যালয়ত কাম কৰিছিল। শিক্ষক মাননীয় কালীচৰণ পাটগিৰি দেৱৰ চৰকাৰী বাসভৱনত কেহাই বে নামৰ কটন কলেজত পঢ়া ছাত্ৰ এজন আছিল। তেওঁ কলেজত পঢ়ি থাকোতেই এখন কাৰ্বি আধুনিক গীতৰ পুথি 'য'ই আৰ' মংৰে' প্ৰকাশ কৰিছিল। স্বৰচিত গীতৰ উপৰি ড° ভূপেন হাজৰিকাৰ "মানুহে মানুহৰ বাবে" গীতটো কাৰ্বিলৈ অনুবাদ কৰি (মনিত্ মনিত্ আফান্ লে) তাত অন্তৰ্ভুক্ত কৰিছিল পুথিখন কেনেবাকৈ মোৰ হাতত পৰিল। বোধকৰোঁ পাটগিৰি দেৱৰ বাসভৱনত এদিন কেহাই বেই নিজে দিছিল। পুথিখনৰ শেষৰ ফালে এটা গীত অসমীয়াতে লিখা আছিল। চাই দেখোঁ গীতিকাৰ আমাৰ সহকৰ্মী বন্ধু শ্ৰীৰংবং তেৰাং। গীতটো আছিল 'হে শিল্পী বন্ধু! মোৰ হেজাৰ কাৰ্দ্দম তুমি ল'বা। মোৰ এটি অনুৰোধ তোমালে', তাক হিয়াৰ উমেৰে জীয়াবা।... কেহাই বেৰ পৰাই জানিব পাৰিছিলোঁ যে তেৰাঙে গীত ৰচনা কৰাই নহয় গীত গায়ো। মানুহজন বৰ লাজকুৰীয়া স্বভাৱৰ আৰু প্ৰচাৰবিমুখ আছিল। নিজৰ প্ৰতিভাখিনি ঢাকি ৰাখিব খোজে। কেইদিনমান পিচত কলেজৰ কোনো এটা

ডিফু কলেজৰ তাহানিৰ সহকৰ্মীসকলৰ সৈতে। বাঁওফালৰ পৰা ক্ৰমে শান্তনু ফুকন, ৰংবং তেৰাং, গণেশ কৈশ্য, কুমুদেশ্বৰ শৰ্মা আৰু কেশৱ শৰ্মা

অনুষ্ঠানত তেৰাঙক গান গাবলৈ জোৰ দিলোঁ। অৱশেষত হাৰমনিয়াম লৈ গীতটো আমাক গাই শুনালে। তেৰাঙৰ সুললিত কণ্ঠৰ গীতে আমাক গৌৰৱান্বিত কৰিছিল। ইয়াৰ পিচতে সেই সময়ৰ অধ্যক্ষ মাননীয় প্ৰফুল্ল কুমাৰ ভূঞাদেৱে মহাবিদ্যালয় গীত (College Song) এটিৰ ৰচনা আৰু সুৰ আৰোপণৰ দায়িত্ব তেৰাঙৰ ওপৰত অৰ্পণ কৰিলে। আমাৰ কৌতূহল। তেৰাঙে কেনেধৰণৰ গীত আমাক দিয়ে। দায়িত্ব পোৱাৰ পিচদিনাই এটি গীত ৰচনা কৰি আমাক দেখুৱালে। এটি সুন্দৰ গীত—

'তিমিৰাচ্ছন্ন এই কাৰ্বি আংলঙত
পোহৰ বিলাওঁ আমি পোহৰ বিলাওঁ,
যুগ যুগলৈ অজ্ঞান ৰাক্ষসীক
জ্ঞান প্ৰদীপেৰে বিকাশ কৰাওঁ"......

প্ৰকৃততে ক'বলৈ গ'লে তেৰাঙৰ গীতটিৰ মাজেৰে নিজৰ জীৱনবো এটা দৰ্শন ফুটি উঠিছে। আমি যেতিয়া ডিফুলৈ আহিছিলোঁ, তেতিয়া কাৰবি পাহাৰৰ শিক্ষিতৰ হাৰ আছিল শতকৰা ৯ (ন) ভাগ। সমগ্ৰ জিলাখনত এখন হাইস্কুল আৰু ৫/৬ খন এম. ই. স্কুল। প্ৰাথমিক বিদ্যালয়বোৰৰ অৱস্থাও একেবাৰে দুখ লগা আছিল। ছাত্ৰ-ছাত্ৰী দূৰৈৰ কথা, অভিভাৱকসকলো শিক্ষাৰ প্ৰতি একেবাৰে সচেতন নাছিল। তেৰাঙে সেইবাবে জিলাখন আন্ধাৰ দেখিছিল। অজ্ঞানতাৰ আন্ধাৰ। অজ্ঞানতাক ৰাক্ষসী ৰূপত দেখিছিল। ৰাক্ষসীক বধ কৰিব বিচৰা নাছিল, কেৱল জ্ঞানৰ প্ৰদীপেৰে ৰাক্ষসীৰ ভয়ানক ৰূপটো নাইকিয়া কৰি মানৱী

ৰূপত বিকাশ কৰাৰ বিচাৰিছিল। এই মহান চিন্তাৰ অন্তৰালত ৰংবং তেৰাঙৰ প্ৰগতিশীল মনোভাব আৰু মানব প্ৰেম স্পষ্টভাবে দেখা যায়। কাৰ্বি, কছাৰী, ডিমাছা, ৰেংমা আদি বিভিন্ন জাতি-জনজাতিৰ সমন্বয়ত মহান অসমীয়া জাতি গঢ়াৰ আৰু ঢোল-চেংক্ৰেপ, পংছী-পেঁপা, জিৰইকচেলেং, প'হ'-পাগ (পাগুৰি) আদিৰ সমন্বয়েৰে পাহাৰ আৰু ভৈয়ামৰ কৃষ্টি-সংস্কৃতি একেলগ কৰি অসমৰ মহান সংস্কৃতিৰ বিকাশ কৰাৰ সপোন গীতটিৰ মূল কথা। এতিয়া গীতটোৰ সুৰ দিব লাগে। কলেজত হাৰমনিয়াম-তবলা সেই পৰ্যন্ত কিনা হোৱা নাই। গান গোৱা ল'ৰা-ছোৱালীয়ে ঘৰৰ পৰাই সেইবোৰ লৈ আহে। তেৰাঙে শ্ৰীহৰকান্ত বৰুৱাক (ডিফু কলেজৰ কাৰ্যালয় সহায়ক) উপায় বিচৰাত ক'লে— কলাকেন্দ্ৰলৈ ব'লক। শ্ৰীবৰুৱা (বৰ্তমান প্ৰয়াত) ডিফু কলাকেন্দ্ৰৰ তবলা আৰু নৃত্যৰো শিক্ষক আছিল। তেৰাঙে মোকো লগত ল'লে। সন্ধিয়া ৬ মান বজাত আমি তিনিও কলাকেন্দ্ৰ পালোঁগৈ। তেতিয়া কণ্ঠ সংগীতৰ শিক্ষয়িত্ৰী শ্ৰীপাৰুল দেৱী বিদ্যালয়তে আছিল। পাৰুল দেৱীৰ লগত পৰিচয় হোৱাৰ পিচত তেৰাং আৰু দেৱী লাগি গ'ল সুৰ ৰচনাত। মই শ্ৰোতা। শ্ৰীবৰুৱাই তবলা সংগত কৰিলে। ডেৰ-দুই ঘণ্টাৰ ভিতৰত সুৰ হৈ গ'ল। মোৰো সৰুৰে পৰা সংগীতত অলপ ৰাপ নথকা নহয়। গতিকেময়ো গীতটো সুৰ লগাই গাব পৰা হ'লোঁ। পিচদিনা চাৰি-পাঁচগৰাকী ছাত্ৰ-ছাত্ৰী লৈ গীতৰ আখৰা আৰম্ভ হ'ল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছিল কাৰণে শিক্ষকৰ ফালৰ পৰা মই ভবেশ ভূঞা আৰু অমিয় দাস তিনিওজনে সমবেত সংগীতৰ অংশীদাৰ হৈ গ'লোঁ। কলেজ সংগীত শুনি সকলোৱে ভাল পালে। ধীৰে ধীৰে গান গাব জনা নতুন নতুন ল'ৰা-ছোৱালী কলেজত ভৰ্তি হোৱাত আমি এৰি দিলোঁ। তেৰাঙৰ নেতৃত্বত ডিফু ক্লাবৰ মঞ্চত সমবেত সংগীত গোৱাৰ দিনবোৰ পাঁহৰো কেনেকৈ।

ইয়াৰ পিচতে তেৰাঙে কাৰ্বি ভাষাতে এটা গীত ৰচনা কৰি আৰু সুৰ দি কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীক লগত লৈ কলেজৰ এক অনুষ্ঠানত গোৱালে। ডিফু ক্লাবত পৰিবেশন কৰা দলটোত ময়ো আছিলোঁ। গীতটো মোৰ সম্পূৰ্ণ মনত নাই। গীতটো আছিল এনেধৰণৰ—

'চিনিং কিলিৰ আৰং কেমেপি
চিনিং কিলিৰ আৰং কেমেপি
মাচি কেৰিত মা, মাচি কেৰিত মা, মাচি কেৰিত মা
চিনিং কিলিৰ আৰং কেমেপি।
চিনিং কিলিৰ আৰং আছন্
নেতোম নিং আৰং
ক্লাৰচেন্ছি থেকলং ইতোম্ আৰ্লেং আংলং
চুৰি চুৰি চি আচিক্লছ'
চুৰি চুৰি চি আচিক্লছ'
মাচি পাতোৰ মা, মাচি পাতোৰ মা, মাচি পাতোৰ মা
চিনিং কিলিৰ আৰং কেমেপি। ...

গীতটোত আৰু বহু কথা আছে। সেইবাৰ গৰমৰ বন্ধত ঘৰলৈ যাওঁতে (কৰৰা, কামৰূপ) কৰৰা কেন্দ্ৰীয় ছাত্ৰ সন্মিলনৰ মুকলি অধিবেশনখন পালোঁ। সহকাৰী সাধাৰণ সম্পাদক, সাধাৰণ সম্পাদক আৰু উপসভাপতি হিচাহে প্ৰায় সাত-আঠ বছৰ মই এই সন্মিলনখনৰ কাৰ্যনিৰ্বাহ কৰা কথা মোৰ

মনত আছে। সন্মিলনৰ পুৰণি কৰ্মী কিছুমানে মোক লগ পাই কাৰ্বি ভাষা শিকিছোঁ নে নাই সুধিছিল। মই ক'লো— লাহে লাহে শিকি আছোঁ। কিন্তু মই তোমালোকক এটা মিকিৰ গীত সমবেত সংগীত হিচাপে গোৱাব পাৰোঁ। লগে লগে গীতৰ অনুশীলন আৰম্ভ হৈ গ'ল আৰু মুকলি অধিৱেশনৰ দ্বিতীয় দিনা সাংস্কৃতিক অধিৱেশনৰ দিনা ৰচনা আৰু সুৰ অধ্যাপক ৰংবং তেৰাঙৰ বুলি ঘোষণা কৰি সমবেত সংগীত হিচাপে গীতটো গোৱালোঁ। মই কিন্তু গোৱা নাছিলোঁ। বাহিৰৰ পৰা যোৱা বিশিষ্ট অতিথিবৰ্গৰ লগতে সমগ্ৰ ৰাইজে গীতটো শুনি বৰ আনন্দ পালে। অৰ্থ বুজি নাপালেও সুৰ, তাল আৰু লয়ে যে মানুহৰ অন্তৰ স্পৰ্শ কৰিব পাৰে, তাক বাৰুকৈয়ে বুজি পালোঁ। বন্ধ শেষ কৰি পুনৰ ডিফুলৈ ঘূৰি অহাত তেৰাঙৰ লগত দেখাদেখি হোৱা মাত্ৰেই তেৰাঙে ক'লে— 'আপুনি এটা সাংঘাতিক কাম কৰিলেহে'। ভয় খাই সুধিলোঁ— 'কি সাংঘাতিক কামহে?' 'টিনিং কিলিৰ' গীতটো আপুনি ক'ত গোৱালে? আচৰিত হৈ সুধিলোঁ— আপুনি ক'ত গম পালে? মই কম বুলি ভাবিছিলোহে। দোষী দোষী ভাব হ'ল মোৰ। গীতিকাৰৰ অনুমতি ল'ব লাগিছিল নেকি? সেই সময়ত নিয়মবোৰৰ কথা মনলৈ অহাই নাছিল। বেয়া নাপাব বুলি কোৱাৰ লগে লগে তেৰাঙে স্বাভাৱিক এমোকোৰা হাঁহিৰে কথাটো পাতল কৰি দিলে আৰু ক'লে— 'আপোনালোকৰ সেই সভাৰ কাৰ্যক্ৰমণিকা (Programme) অনাতাঁৰ ৰেডিঅ'যোগে সম্প্ৰচাৰ কৰা হৈছিল। মই সমবেত কণ্ঠত গীতটো শুনি হতবাক হ'লোঁ। ভাবিলোঁ শৰ্মাৰে কাম হ'ব।' গীতটো শুদ্ধকৈ গাব পাৰিছেনে নাই বুলি সোধাত তেওঁ সম্পূৰ্ণ শুদ্ধকৈ গোৱা বুলি ক'লে। মই সফল হৈছোঁ বুলি জানি খুব ভাল লাগিছিল। তেৰাঙৰ প্ৰতি কৃতজ্ঞতা যাচিলোঁ। অৰ্থাৎ কামটো কৰিছিল অনাতাঁৰ সংগীত শিল্পী ভাতৃপ্ৰতিম শ্ৰীকৰুণাধৰ শৰ্মাই। সেই সম্পৰ্কে মই একো জনাই নাছিলোঁ। ৰংবং তেৰাঙৰ জীৱন প্ৰবাহত জটিলতা বোলা শব্দটোৰ স্থান একেবাৰে নাই। আৰম্ভণিৰে পৰা সকলো ক্ষেত্ৰতে তেৰাঙৰ সৰলতা, উদাৰতা আৰু নিস্বাৰ্থতাৰ ছবিটোহে প্ৰতিফলিত হয়।

ৰংবং তেৰাঙে সাংগীতিক জীৱনৰ ওপৰত গুৰুত্ব আৰোপ নকৰি সাহিত্যিক দিশৰ ফালেহে ঢাল খোৱা আমি দেখিছিলোঁ। সেই সম্পৰ্কে কোৱা নিষ্প্ৰয়োজন। ই সৰ্বজনবিদিত। মনত পৰে, এবাৰ অসম চৰকাৰে বিষয়া-কৰ্মচাৰীসকলক স্থানীয় ভাষা এটা শিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰি জাননী দিছিল। সেই সময়তেই অসম সাহিত্য সভাৰ আঁচনিমৰ্মেও ডিফুত 'কাৰ্বি ভাষা শিক্ষাৰ শ্ৰেণী' এটা খুলিছিল ৰংবং তেৰাঙক শিক্ষক হিচাপে লৈ প্ৰতি ৰবিবাৰে আবেলি ৩ বজাৰ পৰা। আমি কাৰ্বি ভাষাৰ ছাত্ৰ হৈছিলোঁ। তেৰাঙে লিখি উলিয়ালে 'কাৰ্বি লামকুৰু" (কাৰ্বি ভাষাৰ পৰিচয়মূলক ব্যাকৰণ) ১৯৬৭ চনত। বহুখিনি আগবাঢ়িছিলোঁ। পিচত বন্ধ হৈ গ'ল। ভাষাটো শিকা নহ'ল।

১৯৭৯ ইং চনৰ ২০ জানুৱাৰী তাৰিখে ডিফু চৰকাৰী কলেজৰ বৰ্তমানৰ ভৱনটো উদ্বোধন কৰা হৈছিল সেই সময়ৰ অসমৰ শিক্ষামন্ত্ৰী মাননীয় শ্ৰীযুত লক্ষ্যধৰ চৌধুৰীদেৱৰ দ্বাৰা। ক্ৰমে ইয়াৰ সম্প্ৰসাৰণ ঘটাই প্ৰতিটো বিভাগকে সুকীয়াকৈ একোটা কোঠা (Departmental room) দিয়া হ'ল। ওপৰ মহলাত শিক্ষা বিভাগ আৰু অসমীয়া বিভাগৰ কোঠা দুটা লগা লগি। দুয়োটা বিভাগৰ মাজৰ এটা সংলগ্ন পথে দুয়োটা বিভাগৰ শিক্ষকসকলৰ মাজত এক ওচৰ সম্বন্ধ গঢ়াৰ পথ সুচল কৰি দিছে। তেৰাং আৰু মই দুয়োজনেই বিভাগীয় প্ৰধান হোৱা হেতুকে কেতিয়াবা কোনো জৰুৰী কথা থাকিলে মই তেৰাঙৰ ওচৰত বহোঁগৈ অথবা তেৰাং মোৰ ওচৰত বহেহি আৰু এইদৰেই তেৰাং মোৰ মাজত এক অন্তৰংগ আলাপ হৈ থাকে।

তেৰাঙে তেওঁৰ লেখাসমূহ প্ৰকাশ হোৱাৰ আগতে পাণ্ডুলিপিসমূহ কলেজলৈ লৈ গৈছিল পুনৰ এবাৰ চকু ফুৰাবলৈ। 'ৰংমিলিৰ হাঁহি'ৰ পৰা আৰম্ভ কৰি, ক্ৰান্তিকালৰ অশ্ৰু, সমন্বয় প্ৰবাহ, বনফৰিঙৰ গীত, টিকক জুৰিৰ চাখিনা, অৰণ্যৰ প্ৰেম' আদিৰ কেবাটাও খণ্ড হাতে লিখা অৱস্থাতে পঢ়ি চোৱাৰ সুযোগ লাভ কৰিছিলোঁ। তেৰাং লিখাত বৰ পৰিপাটি। তেতিয়াই মোৰ মনত এটা ধাৰণা হৈছিল যে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ উপৰি কাৰ্বি জনগোষ্ঠীৰ গীত-মাত, সাহিত্য-সংস্কৃতি, জীৱন-ধাৰণৰ ৰীতি-নীতি, সমাজব্যৱস্থা, ধৰ্মীয় পৰম্পৰা আদি অসমীয়া ভাষাৰ জৰিয়তে অসমৰ পাহাৰ-ভৈয়ামৰ সমূহ পাঠকৰ সন্মুখত সম্পূৰ্ণ শুদ্ধভাৱে উপস্থাপন কৰিব পৰা সাহিত্যিক হিচাপে ৰংবং তেৰাং অদ্বিতীয়। তেৰাঙৰ লেখাত কাৰ্বিভূমিত প্ৰবাহিত হৈ থকা নৈ, জান-জুৰি আদিৰ জলধাৰা বৈ গৈ বৰলুইতৰ মাজেদি মহাসাগৰত বিলীন হৈ যোৱাৰ যিটো দৰ্শন, তাৰ ওপৰত ভিত্তি কৰিয়েই কাৰ্বি জনগণৰ মনৰ বতৰা বিশ্ববাসীক অৱগত কৰাৰ যি সপোন তাক বাস্তৱত ৰূপায়িত কৰাৰ প্ৰয়াস স্পষ্টভাৱে ফুটি উঠিছে। কাৰ্বি ভাষাৰ বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰি, কাৰ্বি ভাষাৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি অসমীয়া ভাষাৰে সাহিত্য চৰ্চা কৰি তেৰাঙে তেওঁৰ উদ্দেশ্য সাধন কৰিব বিচাৰিছিল। ৰংবং তেৰাঙৰ অপূৰ্ব সৃষ্টি 'ৰংমিলিৰ হাঁহি' ভাৰতৰ ১৬টা ভাষালৈ অনুবাদ হৈ আছে N.B.T. (National Book Trust) নামৰ প্ৰকাশন গোষ্ঠীটোৰ দ্বাৰা। তেৰাং সম্পৰ্কে সকলোবোৰ খবৰ ৰাজহুৱা হোৱাৰ আগতে কলেজৰ বিভাগীয় কোঠাতে জানিব পাৰিছিলোঁ তেওঁৰ নিজৰ মুখেৰে।

ৰংবং তেৰাঙে মাজে-সময়ে ৰাতি নিদ্ৰামগ্ন অৱস্থাত সুন্দৰ সুন্দৰ সপোন দেখে। দীঘলীয়া সপোনবোৰ, অৰ্থপূৰ্ণও। সপোন দেখাৰ পিচদিনা কলেজলৈ আহিয়ে মোক সপোনবোৰৰ কথা কয়। মই সপোনবোৰ বহীত লিপিবদ্ধ কৰি থ'বলৈ কৈছিলো। কৰা বুলি কৈছিল সেইসময়ত। এতিয়া খবৰ কৰা নাই। মোৰ মনত পৰে, এবাৰ এটা সপোন এনেধৰণৰ আছিল— তেৰাং এটা সাধাৰণ ঘৰত কিছু সৰু-সুৰা কামত ব্যস্ত আছিল। এনেতে তেওঁৰ ঘৰত উপস্থিত হৈছিল অসমৰ কেইগৰাকীমান খ্যাতনামা সাহিত্যিক আৰু বিশ্ববিদ্যালয়ৰ সেই সময়ৰ অধ্যাপক। ড° মহেশ্বৰ নেওগৰ লগতে আৰু এজন নে দুজন তেওঁৰ চিনাকি আছিল। বাকীসকল অস্পষ্ট। তেখেতসকলৰ কোনো এজনৰ হাতত এটা ফলৰ মোনা। কিছুসময় থাকি মোনাটোৰ পৰা এটা বাকলি গুচোৱা নাৰিকল হাতত দিয়াৰ লগে লগে তেওঁ সাৰ পালে। তেৰাঙৰ লগত আমি দুই-তিনিজন বহি আছিলো। সপোন বিশ্লেষণত লাগি গ'ল সকলো। এজনে ক'লে ৰাজ্যসভাৰ সদস্য হ'ব। আন এজনে ক'লে অসম সাহিত্য সভাৰ সভাপতি হ'ব। শেষত মই এটা ক'লোঁ যে আপুনি সাহিত্য জগতত এখন উচ্চ আসন পাব। কেইদিন পাচতে তেওঁলৈ খবৰ আহিল যে তেওঁ সাহিত্য অকাডেমীৰ সদস্য হিচাপে অসমৰ পৰা নিৰ্বাচিত হৈছে। এইদৰে প্ৰতিটো বঁটা পোৱাৰ আগমুহূৰ্তত অৰ্থব্যঞ্জক সপোন দেখাৰ কথা মই জানিব পাৰিছিলো তেৰাঙৰ পৰা মোৰ চাকৰি থকা কালছোৱাত। অৰ্থাৎ ২০০০ চনৰ ২৯ ফেব্ৰুৱাৰীলৈ।

তেৰাঙৰ জন্ম নগাঁও জিলাৰ কাকীত বুলিয়েই মই ভাবি আছিলো। কাৰণ কাকী প্ৰাথমিক স্কুল লংকা হাইস্কুল, নগাঁও কলেজ আদিত শিক্ষা গ্ৰহণ কৰাৰ কথা প্ৰসংগক্ৰমে ওলায়। সেই বিদ্যালয়সমূহৰ সন্মানীয় শিক্ষকসকলকো তেৰাঙে শ্ৰদ্ধাৰে স্মৰণ কৰে। এদিন 'টিকক জুৰিৰ চাখিনা' উপন্যাসৰ পাণ্ডুলিপিটো পঢ়ি থাকোতে টিকক জুৰি ক'ত মই সুধিলোঁ। তেওঁ ক'লে যে টিকক জুৰিৰ পাৰতে মোৰ জন্ম। বকলিয়াঘাটত। লংবুংদিংপি গাঁৱত। ইমান দিনৰ সান্নিধ্যৰ পিচতো সেইদিনাখনহে জানিব পাৰিলোঁ তেৰাঙৰ জন্মস্থান।

তেৰাঙৰ পাৰিবাৰিক জীৱন বৰ সুখৰ আছিল। পৰিবাৰ প্ৰয়াত কানাম হাঞ্চেপীত হাস্যময়ী আৰু অতিথিপৰায়ণা আছিল। তেখেতেও কবিতা লিখিছিল। অসম সাহিত্য সভাৰ এগৰাকী সক্ৰিয় কৰ্মী আৰু অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত ছামছিং হাঞ্চেৰ বাইদেৱেক আছিল তেখেত। আমি ছবলাং খাবলৈ আহিম বুলি ক'লে তেৰাং আৰু তেৰাং পত্নীয়ে স্বাভাৱিক খোলোচা হাঁহিৰে আমাক নিমন্ত্ৰণ জনাইছিল। ৰংবং তেৰাঙৰ ধৈৰ্য আৰু মনোবল দুয়োটাই অনুসৰণীয়। নিজৰ মূল কৰ্ম (অধ্যাপনা) গাফিলতি নকৰাকৈ সুন্দৰভাৱে নিজৰ ঘৰখনো পৰিপাটি আৰু আনন্দমুখৰকৈ ৰাখিছিল। মই জনাত ৰংবং তেৰাঙৰ সাহিত্য চৰ্চাৰ বাবে কোনো নিৰ্ধাৰিত সময় বা নিৰ্ধাৰিত পৰিবেশ নাছিল। সকলো সময় আৰু সকলো পৰিবেশেই তেওঁৰ আপোন আছিল সাহিত্য চৰ্চাৰ ক্ষেত্ৰত। অসুস্থ হৈ দুমাহ বিছনাৰ ওপৰত থাকিবলগীয়া সময়খিনিতে তেওঁ 'ৰংমিলিৰ হাঁহি' ৰচনা কৰি উলিয়াইছিল। আন কোনোজন হ'লে নিৰাশ মনেৰে অলস জীৱন কটালেহেঁতেন।

বন্ধুবৰ তেৰাং কৃতিমান সাহিত্যিক হৈও মোক কাষতে পালে সদায় কিবা এটা লিখাৰ তাগিদা দি আহিছে। এয়া তেওঁৰ বন্ধুপ্ৰীতিৰ প্ৰকৃষ্ট উদাহৰণ। আৰু সহকৰ্মীৰূপে তেৰাং আৰু মোৰ সম্পৰ্ক অতি নিবিড় তথা আজিও সি সতেজ।

He looked sophisticated, smart and quite urbane except when he entered into a mischievous mood and leg pulled a friend or talked about the good things of life like every young man.

Rong Bong Terang from Close Quarters

Udai Bhanu Pandey

Being a bit of a prig I hardly noticed my first Karbi colleague Rong Bong Terang who joined the College (Diphu College, now Diphu Govt. College) almost one year after me. Little did I realize then that this handsome, but quiet man whom one is prone to mistake for a nondescript person if one lacks in alertness was going to be one of my very close colleagues and dear friends in the long run. The real attraction emanated from the experience from a cultural function when he sang with full-throated ease Bhupen Hazarika's *Asto akasare....* Then followed Talat Mahmood's famous ghazal *jalte hain jiske liye.* This floored me absolutely and I became his *aashiq*, that is, an ardent admirer. I began to think why on earth this talented singer was wasting his life at a place like Diphu. He ought to capture the Bombay market as a singer! Colleaguehood turned into brotherhood and gradually we became as close as real brothers. I began to notice him. He looked sophisticated, smart and quite urbane except when he entered into a mischievous mood and leg pulled a friend or talked about the good things of life like every young man. His observation was acute, his sense of humour sparkling and his self control quite British like. Like all tribals his sense of fun was more remarkable than his wit, satire, humour or aggressiveness. In the mid– sixties of the past century Diphu was just a

sleepy village with a very slow life style. Prafulla Mahanta and Principal Zalil were the only married colleagues and the rest of us, the energetic and idle bachelors, restless and effervescent, used to haunt friends, families and places like spirits whose longings were left ungratified in the past life. All three magistrates of the town were bachelors but for Dinesh Goswami, the Assamese poet. We had a close circle; we were the stars of the town. Except Kumudeswar Sharma and Bhabesh Bhuyan, who were known as modern Krishnas gallivanting at the corridors of charming ladies, we were reserved, taciturn and kept the girls at a distance. It was Principal Abdul Zalil who once remarked to Joysing Doloi that Rong Bong Terang and Pandey, despite their shyness, were the ladies' men– romantic down to their boots. Our entire team used to move together and Professor Terang, the most taciturn of us all, earned the reputation of being the wittiest man of the gang. He was known as Dalai Lama though I called him Talat Mahmud.

It was only Bhabesh who addressed his as *Dost* (friend) and *Tumi* (informal *thou*), but Kumudeswar, others and me continued the formal *Apuni.* I have called him *ekehai* (the Karbi word for Sir) humorously the way late professor Abu Hassan Molla, Professor Prabin Kumar Gogoi and me called each other *Governor.*

Till '79 the Diphu Govt. College had a miserable little thatched room adjacent to one of the classrooms that was called Professors' Common room, the inevitable adda for laughing, talking, leg pulling and merrymaking. While Bhabesh guffawed, Minoti Barthakur burst into silvery peels of laughter, Kumudeswar laughed, Terang only smiled like an aristocrat of U.P. We were young, tricky, naughty, boisterous and effervescent, unable to express our youthful spirits and our unfailing sense of humour. It was in this room where Omio Kumar Das narrated his stories of *Shikar* in which a lion was spotted eating raw potato in the kitchen garden of Sandhi Ram Borman (the peon who prepared *khurma* sweets popularly called mileposts) and Kumudeswar pointed at a sexy model towards me to verify if her credentials were authentic enough. At such moments Professor Terang would ask me, "I trust this beauty is tantalizing!" He would use my favourite phrase *mokkha-mokkha chehra* When I nodded in approval he would cut in, "Don't write to her; she will come running to lift you to Bombay. But, beware Pandey Sahib, she belongs to the category of women who murder their husband without twisting a muscle in their face!!!" While we relished this sort of observation one of the lecturers once remarked, (behind his back of course) "This man is pretty shrewd; he never allows others to read him even partially." And I quipped, "This is the stuff a writer is made of." This was incident belonging to the sixties when I never thought that I would succeed in creating a character like Satwanti, a typical Brahmin girl who murders her sexually inadequate husband and elopes with a milkman and

Terang was yet to write his *Rongmilir Hahi,* his debut novel, that proved to be a major event in the academic world of the Diphu Government College and made his a celebrity in the Assamese literary circle.

As an academic I seldom heard him talk about and admire a book. It may be due to his simple nature that avoids exhibitionism. I am afraid he hasn't read widely, but I am sure he has read very systematically and pretty critically. Endowed with a sharp memory and an acute sense of observation, he could explain literary things in a very simple and lucid manner. That is why he was one of the most successful teachers of us although his learning might not be so prodigious as Pradip Sarma Khataniar's or Dr. Prasanta Kumar Das's. He is capable of conducting a meeting much more confidently and adroitly than dealing with a rowdy student or even delivering lectures in the classes. I never heard him deliver any lectures on criticism and thus I cannot tell what books he prefers to study. But, he has an eye for details and he sees what even Chanakya could have failed to notice. That is why the landscapes painted in *Rongmilir Hanhi* are so vivid and the characters absolutely authentic. He talks less so that he can think deeply and accurately without any bias or confusion.

We all remember those oft quoted lines : "*We are such stuffs as dreams are made of/And our little life is rounded with a sleep.*" But most clever men share their dreams only with the selected few as dreams reveal the hidden facets of the personality. We have been close enough to narrate our dreams to each other. When he was just thinking of the outlines of *Rongmilir Hanhi,* he told me, "Look here Pandey Sahib, the holy sages (he used the phrase *Rishi Munihat*) frequent my house and keep on sitting at my windowsills." I immediately took the dream very seriously and advised his to take up his novel in right earnest and increase the duration of his prayer. I have used this metaphor in one of my stories though the characters and events in my piece are wholly and absolutely imaginary. I shared with him a very absurd dream of mine in the seventies. I dreamed about Vinova Bhave inspecting a class of

Terang was yet to write his *Rongmilir Hanhi,* his debut novel.

Government College and made his a celebrity in the Assamese literary circle.

mine and when I was teaching *Ode to A Nightingale* and Rajat Kanti Chakrborty lay on the bench. Teaching and class control was never a problem in my life. Rajat (younger brother of Mr. S. K. Chakraborty IAS, the then Principal Secretary, District Council) fully appreciated my lectures on Keats. To top it all, I never liked Vinova Bhave. What could be the cause of such a dream? My friend laughed saying, "Vinova Bhave's soul haunts you as you are a romantic guy and he wants to convert you." When Indira Gandhi was assassinated we were all shocked. After the condolence meeting he took me in his confidence and narrated a dream of his that left me stunned. He dreamed about Mrs. Gandhi visiting Diphu and delivering a lecture at the Diphu Club. Terang had ushered her in and sat besides her when one of her bodyguards let loose a fusillade of bullets and killed her. Some of his dreams come out to be true. Sometimes dreams are very symbolic. Before the retirement of Dr. Pabindra Nath Datta I had a dream that Professor Terang and myself were undergoing a journey through a forest. There was a river with a weak bridge over it, both of us were to catch a train after crossing the bridge. All of a sudden Professor Terang says, "Pandey, Moi Aahiasu de!" As he crossed the river, the bridge collapsed but my friend waved me a good-bye with his face wreathed with a smile. Every writer has a streak of mysticism in him, though it is difficult to explain life in the term of science.

Very few know that professor Terang is a connoisseur of essence like Chaucer. Once I saw him cooking chicken curry. He dressed the hen the way Biren Singha draws a painting. While making a cocktail he mixes wines like a globetrotting Rajput prince who is familiar with the taste of Rhenish wine, Claret, Champagne and an infinite variety of daughters of grape. He never drinks like a guzzler and does not utter a single word more than necessary. I have enjoyed his music, but never did I see him dance in my long contact of four decades. He knows what the religious Sikhs call the *Guru-maryada* (the limit set by God) bearing his grief and failures like an *Sthitaprajna*, the pious man who takes the blessings and banes of life

The sight or report of

[illegible]

[illegible] a message, "So long you are capable of weeping, the divine

nonchalantly. That is why he can write despite tensions, hustle and bustle, despite indifferent health and a world that is less than friendly.

If my readers have begun to presume that I am painting a godlike picture of my friend they are mistaken. He has committed some historical mistakes that Gandhi called a Himalayan blunder. If he had no fire to jump into the career of an artist, he should have been a little more assertive as a local academic by giving all principals advice to clip the wings of some members of the staff who were given long ropes– something that damaged the academic air of the Diphu Govt. College. Our college experienced a certain amount of decadence after the retirement of Professor J.N. Neog as Principal. I have no patience to elaborate this, but set it down for posterity to think over this. Whenever I approach him for advice he offers very dignified and wise counsels. I wish he could have used his good offices to influence the authority to be a little more sensitive and original about handling the affairs of this premier institution of the District.

Though this is personal it is essential to set down that at this stage of life he has become very lonely and more sentimental than before. The sight or report of violence or even political strife makes his burst into tears. As I was typing this article I received his call and I replied back by sending a message, "So long you are capable of weeping, the divine element in you is wide awake and there is some hope for recovering from the grief. Think of me! I am rendered incapable of weeping."

At this stage of life when he is at the zenith of success I feel he should have been a singer in order to be more famous. In that case India would have had another Talat Mahmud and a lot of singers from Assam would have got patronage at the national level. But life must go on. Like Munshi Premchand he is always in his element as a writer. He is writing about everything in the world without caring much for mood or inspiration. Maugham's observation that "To an artist life is a tragedy and everything is grist to his mill" fully applies to him. He can eat well and sleep well'; can walk a great distance that keeps him free from pressure and diabetes. May we have in him another Khushwant Singh and Krishna Sobati in our midst!

(

ৰংবং আৰু মই ৰক্ষণ বিভাগত খেলিছিলো। মই মন কৰো তেওঁৰ আঙুলিত বল সদায় কাবু হয়— সৰকি নাযায়। নিজৰ অভিজ্ঞতাৰে এদিন সুধিলো তেওঁ বাৰু গ'লকীপাৰো নেকি? তেওঁ মূৰ দুপিয়ালে, ক'লে লংকা হাইস্কুলৰ কথা।

)

ৰংবং তেৰাঙৰ খেলুৱৈ জীৱন

ড° গোপাল চন্দ্ৰ মেধি

১৯৬৪ চনৰ কথা। অসমৰ একমাত্ৰ উচ্চ শিক্ষাৰ থলী গুৱাহাটী বিশ্ববিদ্যালয়ত উদুলি-মুদুলি পৰিবেশ। প্ৰকৃতিয়ে মেলিছে ফুলৰ পোহাৰ। কুলি-কেতেকীৰ মিঠা মাতত মন উতলা। কৃষ্ণচূড়াৰ ৰঙা ৰঙে হাত বাউলি দিছে— নবাগতসকলক। শ্ৰেণী-শ্ৰেণীয়ে, হোষ্টেলে হোষ্টেলে আখৰা চলিছে নতুনক আদৰিবলৈ। মৰমৰ বেহা চেনেহৰ হাট।

আমিও পাতিছোঁ সভা। 'হল টু'ৰ আবাসীসকলে। নবাগতসকলৰ আশা-আকাংক্ষা, চিন্তা-চৰ্চা, ৰাপ-প্ৰতিভা আদি সকলো কথাৰ উমান ল'বলৈ আৰু বিকশিত কৰিবলৈ। আৰম্ভ হৈছে নাচ-গান, আবৃত্তি। কাৰোবাৰ লাজ-ভয়; কোনোবাই আকৌ নিজকে পাহৰি গৈছে আনন্দত।

আবেলি ভলী ফিল্ডলৈ ওলালো। ১৩ নম্বৰ ৰুমৰ পৰা ওলাই আহিল এখন নতুন মুখ আমন-জিমনকৈ। বল খেলিবলৈ যেন মন; কিন্তু ভয় জানোচা কোনোবাই কিবা কয়। মাতি আনিলো— খেলিলে; খেলিলে মানে বৰ ভাল খেলিলে। এৱেঁই ৰংবং। মিকিৰ পাহাৰৰ (বৰ্তমান কাৰ্বি আংলঙৰ) ৰংবং তেৰাং। আমাৰ হোষ্টেলৰ ভলীবল দলত এজন সুদক্ষ খেলুৱৈ অন্তৰ্ভুক্ত হ'ল। এইবাৰো আমাৰ হোষ্টেলে আন্তঃহোষ্টেল ভলীবল প্ৰতিযোগিতাত বিজয়ীৰ সন্মান অক্ষুণ্ণ ৰাখিলে। (আগৰ বছৰো আমাৰ হোষ্টেলৰ দল বিজয়ী হৈ বিশ্ববিদ্যালয়ৰ মূল দলটোত তিনিজনে স্থান পাই নগাঁৱত হোৱা আন্তঃকলেজ ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলো)।

আন্তঃআবাস ভলীবল প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলটো। থিয় হৈ বাঁওফালে ৰংবং তেৰাং, একেবাৰে সোঁফালে লেখক গোপাল চন্দ্ৰ মেধি

ৰংবং আৰু মই ৰক্ষণ বিভাগত খেলিছিলো। মই মন কৰোঁ তেওঁৰ আঙুলিত বল সদায় কাবু হয়— সৰকি নাযায়। নিজৰ অভিজ্ঞতাৰে এদিন সুধিলো তেওঁ বাৰু গ'লকীপাৰো নেকি? তেওঁ মূৰ দুপিয়ালে— ক'লে লংকা হাইস্কুলৰ কথা। তেতিয়াৰ দিনত বিদ্যালয়বিলাকত গৰমৰ বন্ধৰ আগে আগে শ্ৰেণীবিলাকৰ মাজত প্ৰতিযোগিতা হয়—, ল'ৰাৰ ফুটবল, ভলীবল আৰু ছোৱালীৰ বাবে কেৰমৰ। সেই প্ৰতিযোগিতাত বিভিন্ন শ্ৰেণীৰ পৰা ভাল ভাল খেলুৱৈসকলক চিনাক্ত কৰি বিদ্যালয়ৰ দলটো বাছনি কৰা হয়। তেনেদৰে বাছনিত উঠি ৰংবঙে লংকা হাইস্কুলৰ হৈ ওচৰে-পাঁজৰে হোৱা বহু বিদ্যালয়ত প্ৰীতি খেলবিলাকত গ'লৰক্ষকৰ দায়িত্ব নিয়াৰিকৈ পালন কৰে। অকল সেয়ে নহয়, তেওঁৰ খেল দেখি ওচৰৰ গাঁৱৰ দলেও আন গাঁৱৰ সৈতে হোৱা বন্ধুত্বসুলভ বা প্ৰতিযোগিতামূলক খেলত ভাগ ল'বলৈ 'হায়াৰ' কৰি নিছিল। 'হায়াৰ প্লেয়াৰ' হৈ হোজাই, কামপুৰ, যমুনামুখ, চাপৰমুখ, লাংহিং, হাওৰাঘাটপৰ্যন্ত খেলিবলৈ যাবলগীয়া হৈছিল।

হাইস্কুলীয়া শিক্ষা সাং কৰি ৰংবঙৰ কলেজীয়া শিক্ষা জীৱনৰ ক্ষেত্ৰখন সলনি হ'ল। গাঁৱৰ মুক্ত পৰিবেশ এৰি এক প্ৰণালীবদ্ধ জীৱন আৰম্ভ হ'ল। খেলা-ধূলাৰ প্ৰতি ৰাপ থাকিলেও তেওঁ নিজকে প্ৰকাশ কৰিবলৈ চেষ্টা নকৰিলে। কাৰণ তেওঁ আছিল অন্তৰ্মুখী আৰু প্ৰচাৰবিমুখ। সেয়েহে নগাঁৱত

থকা অৱস্থাত তেওঁৰ খেলুৱৈ হিচাপে থকা প্ৰতিভাৰ বিকাশ নহ'ল। কিন্তু বজ্জত ঘৰলৈ গ'লেই পূৰ্বৰ লগ-সংগবোৰে খেলপথাৰত নমাইছিল আৰু তেনেদৰে খেলৰ চৰ্চা অব্যাহত আছিল।

১৯৬৫ চনত মই হোষ্টেল এৰো। কিছু বছৰ ৰংবঙৰ লগত সংযোগ বিচ্ছিন্ন হয়। ১৯৬৮ চনত কাৰ্বি আংলঙলৈ আহিলো চাকৰি সূত্ৰে। তেতিয়া তেওঁক এক নতুন ৰূপত লগ পাওঁ— চৰকাৰী মহাবিদ্যালয়ৰ শিক্ষক, এজন কৰ্মব্যস্ত ডেকা, গহীন-গম্ভীৰ, ঘোৰ সংসাৰী। তক্তৰজীয়া খেলুৱৈজন হেৰাল। থাকিবলৈ ল'লো কলেজ শিক্ষকসকলৰ বাবে সাজি দিয়া খেৰ-বাঁহৰ আহল-বহল ঘৰটোত— বৰ্তমান যি ঠাইত আইন মহাবিদ্যালয়ৰ ঘৰ হৈছে। তাৰ অলপ ওপৰলৈ ৰংবং তেৰাঙৰ ঘৰ। খেৰ-বাঁহৰ হ'লেও আটোমটোকাৰিকৈ সজা মৰমী হাতৰ পৰশেৰে সাৰি-মচি অধিক পৰিষ্কাৰকৈ ৰখা। মাজে মাজে মই গৈ আড্ডা দিওঁ— চাহ খাওঁ। শীতকালত ৰ'দত বহি প্ৰায়ে কেঁচুৱাটোক এড়ি চাদৰখনৰ দুইমূৰ বান্ধি কৰা জুলনাখনত শুৱাই দি এডাল ৰছীৰে বাওঁহাতেৰে টানি নচুৱাই থাকে— সৌঁহাতত কলম। মাজে মাজে শ্ৰীমতীৰ লগতো পৰামৰ্শ কৰে। ময়ো প্ৰায়ে নতুন নতুন শব্দৰ অৰ্থ বিচাৰি আমনি কৰোঁ— কেতিয়াবা তেওঁৰো কামত আহে। ভিতৰুৱা গাঁৱৰ পৰিবেশত ঘূৰি-ফুৰি মই বুটলি অনা অচিন শব্দ দুই-চাৰিটাই 'কাৰ্বি লামতাছাম'ত ঠাই পায়। তাৰ পিছত দেখিলো 'ৰংমিলিৰ হাঁহি' আৰু কিবাকিবি বহুতো— সেয়া এক অন্য অধ্যায়।

এসময়ৰ খেলৰ সংগী, চাকৰিৰ সহকৰ্মী, বিশ্বস্ত বন্ধু ৰংবং তেৰাঙৰ বিভিন্ন বঁটা-বাহন পোৱা খবৰে মন উৎফুল্লিত কৰে— গৌৰব অনুভৱ কৰোঁ। বৰ্তমানে আমি বহু দূৰত। তথাপি সঘনাই দূৰভাষত ভাবৰ আদান-প্ৰদান চলে। এতিয়া তেখেতৰ পৰা খেলৰ অৱদান নিবিচাৰি সাহিত্য কৰ্মৰাজিৰ অধিক উন্নতি কামনা কৰিলো। ৰংবং তেৰাং সুস্বাস্থ্যৰে দীৰ্ঘায়ু হওক।

(
...ৰেডিঅ'ত গীতটো শুনাৰ লগে লগে য'ৰে পৰাই নহওক আমি লৰ দিওঁ ৰেডিঅ'ৰ কাষলৈ আৰু বৰ মনোযোগেৰে শুনো। সেই গীতটোৰ এফাকি আজিও মোৰ মনত ৰৈ গ'ল।.. এজন গায়করূপেও প্ৰতিষ্ঠিত আছিল ৰংবং তেৰাং ছাৰ। তেখেতক প্ৰকৃততে কাৰ্বি আধুনিক গীতৰ বাটকটীয়া বুলিও অভিহিত কৰিব পাৰি।
)

গীত শুনিয়েই প্ৰেমত পৰিছিলো ছাৰৰ

বিদ্যাছিং ৰংপি

প্ৰফেছাৰ ৰংবং তেৰাং ছাৰক প্ৰথম দেখিছিলো ডিফুৰ তেখেতৰ নিজা বাসভৱনত। সেয়া ১৯৭৮ চন। মই তেতিয়া ডেনগাঁও হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ। সেইটো বছৰত 'কাৰ্বি লাম্‌মেত আমেই'ৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল পশ্চিম কাৰ্বি আংলঙৰ হংক্ৰাম নামৰ ঠাইত আৰু সেই অধিৱেশন উপলক্ষে কাৰ্বি ভাষাত ৰচিত কবিতা আৰু চুটিগল্পৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল কাৰ্বি লাম্‌মেত আমেইৰ উদ্যোক্তাসকলে। প্ৰতিযোগিতাত মোৰ 'মেথেংতম' (ধূমকেতু) নামৰ চুটিগল্পটোৱে তৃতীয় পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। পুৰস্কাৰটি গ্ৰহণ কৰিবলৈ হংক্ৰামৰ সেই অধিৱেশনলৈ যাব নোৱাৰিলো। সেয়ে অধিৱেশনৰ পাছত ছাৰক লগ ধৰিবলৈ বুলি গ'লো তেখেতৰ ডিফুস্থিত হিল ভিউ ক'টেজত। মোৰ লগত আছিল কবি বন্ধু অৰুণ টেৰণ। গৈ পায়ে ছাৰৰ ঘৰৰ কলিংবেল টিপিলো। খন্তেক পাছত ওলাই আহিল এজন শান্ত, সৌম্য, অমায়িক, সুন্দৰ চেহেৰাৰ ব্যক্তি। মুখত এমোকোৰা মিঠা হাঁহি। দেখিয়েই ধৰিব পাৰিলো, তেখেতেই প্ৰফেছাৰ ৰংবং তেৰাং ছাৰ। সঁচাই ছাৰৰ অভিব্যক্তি আৰু সুন্দৰ ব্যক্তিত্ব দেখি গভীৰভাৱে মুগ্ধ হ'লো আৰু আকৃষ্ট হ'লো। আমাৰ পদাৰ্পণৰ উদ্দেশ্য গম পোৱাত তেখেতে তত্‌তৈয়াকৈ মোৰ পুৰস্কাৰ আৰু চাৰ্টিফিকেটখন দি ক'লে— 'বহুত ভাল হৈছে। লিখি থাকিবা।' ছাৰৰ এই প্ৰশংসাসূচক মন্তব্যই মোক উদ্বুদ্ধ আৰু

উল্লসিত কৰিছিল। আৰু মোৰ অন্তৰাত্মাত স্পৰ্শ কৰি মোক গভীৰভাৱে অনুপ্ৰেৰণা আৰু উৎসাহ জগাইছিল। প্ৰকৃতাৰ্থত তেতিয়াৰ পৰাই ময়ো লিখিবলৈ আৰম্ভ কৰিছিলো।

তাৰ পাছত ছাৰক দ্বিতীয়বাৰ দেখা পালো ডিফু চৰকাৰী মহাবিদ্যালয়ত, সেই একেটা বছৰতে। তেখেতে তেতিয়া আমাৰ শ্ৰেণীত পাঠদান কৰিবলৈ আহিছিল। মই তেতিয়া উচ্চতৰ মাধ্যমিক (Higher Secondary, তেতিয়া ইয়াক Pre-University অৰ্থাৎ প্ৰাক্ বিশ্ববিদ্যালয় বুলি কোৱা হৈছিল) পৰ্যায়ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। ছাৰক প্ৰথম দিনাই পালো। তেতিয়াও দেখিলো ছাৰৰ মুখত সেই মিঠা হাঁহিটো। ছাৰ বাস্তৱিকতে হাঁহিমুখীয়া। মিঠা হাঁহিটো ছাৰৰ ওঁঠত অনবৰতে লাগিয়েই থাকে। হাঁহিটোৱেই যেন ছাৰৰ প্ৰথম পৰিচয়। ছাৰৰ হাঁহিটোৱে সকলোৰে অন্তৰত সঁচাই গভীৰ সাঁচ বহুৱাইছিল। সেই তেতিয়াও মুখত এনেকোৱা মিঠা হাঁহিৰে ছাৰে আমাক পাঠদান কৰিছিল। ছাৰৰ পাঠদান আমাৰ বাবে সঁচাই এক অনন্য অভিজ্ঞতা, সঁচাই আকৰ্ষণীয় আৰু উপভোগ্য।

তেৰাং ছাৰক স্বচক্ষে ১৯৭৮ চনতহে দেখিছিলো যদিও তেখেতৰ নামটো সকৰে পৰাই শুনিছিলো— ৰেডিঅ'ত, এজন গায়ক হিচাপে। তেখেতে গীতো গাইছিল, এজন গায়ক হিচাপে জনাজাত আছিল। প্ৰকৃততে তেখেত আছিল একাধাৰে গীতিকাৰ, সুৰকাৰ আৰু গায়ক। কাৰ্বিৰ এমুঠিমান গায়ক-গায়িকাৰ মাজত তেখেত আছিল অন্যতম আৰু তেখেতসকলেই আছিল কাৰ্বিৰ প্ৰথম অনাতাঁৰ শিল্পী। তাৰ পাছতহে ক্ৰমে জনপ্ৰিয় হৈছিল স্বৰ্গীয়া মেবেল তেৰাংপী, কাদম তেৰাংপী (শইকীয়া), শশীকলা হাঞ্চেপী, পখিলা লেকথেপী, চন্দ্ৰকান্ত তেৰাং, বিদ্যাছিং ৰংপি, মংগলছিং ক্ৰ' আদি অন্য শিল্পীসকল। ছাৰৰ কণ্ঠত সঘনাই ৰেডিঅ'ত শুনিবলৈ পোৱা গীতৰ কলিটো আছিল—

'লাংৰই আছাংতিমিলি
মাচিং আকেংৰত দামক্ৰি
লাংৰই আকুং আমিৰ
মিৰজাংছিক কাংথু চিংদাতৰি...।'

(অৰ্থাৎ, নৈৰ পাৰৰ বলুকাৰাশিত, সেয়া কাৰ খোজৰ প্ৰতিচ্ছবি, নৈৰ পাৰৰ সৌ ফুলজোপাত, জাংছিক ফুলেৰে জাতিষ্কাৰ হৈ পৰিছেহি।)

আমি তেতিয়া নিচেই ফুল কুমলীয়া আছিলো। আবেলি ৰেডিঅ'ত গীতটো শুনাৰ লগে লগে য'ৰে পৰাই নহওক আমি লৰ দিওঁ ৰেডিঅ'ৰ কাষলৈ আৰু বৰ মনোযোগেৰে শুনো। সেই গীতটোৰ এফাকি আজিও মোৰ মনত ৰৈ গ'ল। সময় পালে এতিয়াও মাজে মাজে গুণগুণাওঁ। গীতটো অতিকৈ জনপ্ৰিয় আছিল। সৰু ল'ৰা-ছোৱালীৰ মুখত আখৈ ফুটাদি ফুটিছিল। তেনেকৈয়ে এজন গায়কৰূপেও প্ৰতিষ্ঠিত আছিল ৰংবং তেৰাং ছাৰ। তেখেতক প্ৰকৃততে কাৰ্বি আধুনিক গীতৰ বাটকটীয়া বুলিও অভিহিত কৰিব পাৰি।

কলেজলৈ আহি তেৰাং ছাৰে ৰচনা কৰা এটি সমবেত গীত বহুবাৰ গালো, বহুবাৰ পৰিৱেশন কৰিলো— মঞ্চত, বন্ধু-বান্ধৱৰে সৈতে। সেয়া আছিল ডিফু চৰকাৰী মহাবিদ্যালয়ৰ গীত। গীতটো আছিল—

'তিমিৰাচ্ছন্ন এই কাৰ্বি আংলঙত
কাৰ্বি আংলঙত পোহৰ বিলাওঁ।'

ৰংবং তেৰাং যে এজন মহান আৰু বহল দৃষ্টিভংগী থকা মনৰ অধিকাৰী ব্যক্তি তাৰ পৰিচয় পোৱা যায় ছাৰৰ এই গীতৰ জৰিয়তে। তাৰ লগতে পৰিচয় পোৱা যায় এজন সহজ-সৰল মানুহৰ উদাৰ দৃষ্টিভংগী।

তাৰ পাছৰ বছৰবোৰত ৰংবং ছাৰক লগ পাইছিলো বিভিন্ন স্থানত, বিভিন্ন অনুষ্ঠানত— বিশেষকৈ সাহিত্য সভা, কৃষ্টি-সংস্কৃতি অনুষ্ঠান আৰু সাহিত্য সম্পৰ্কীয় বিভিন্ন আলোচনা-বিলোচনাত। তেনেকৈয়ে ছাৰক অহৰহ লগ পাবলৈ ধৰিলো। কিন্তু তেতিয়ালৈকে ছাৰৰ নিকট সান্নিধ্য পোৱা নাছিলো।

কিন্তু এই সুযোগ মোৰ বাবে সোনকালেই আহিল। ১৯৯৪ চনত কাৰ্বি লাম্‌মেত আমেইৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল ডিফুত— ডিফু ক্লাব প্ৰাংগণত। সেই অধিৱেশনত মোক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰে সতীৰ্থবৰ্গই। মোৰ সেই দুবছৰীয়া কাৰ্যকালৰ দ্বিতীয়খন অধিৱেশন অনুষ্ঠিত কৰিছিলো লংনিটৰ বাড়চেন আক্ৰামত। (প্ৰথমখন অধিৱেশন অনুষ্ঠিত হৈছিল ভকছুঙত, ১৯৯৫ চনত)। সেই লংনিট অধিৱেশনতে ৰংবং তেৰাং ছাৰক আমি পৰৱৰ্তী সভাপতি হিচাপে অধিষ্ঠিত কৰিছিলো।

প্ৰথমতে ছাৰে সভাপতি পদ গ্ৰহণ কৰাত অপাৰগতা প্ৰকাশ কৰিছিল। কাৰণ অৱশ্যে বিশেষ একো নাছিল। তেখেত সদাব্যস্ত মানুহ। চাকৰিৰ লগতে লেখা-মেলাত তেখেতে বহু সময় অতিবাহিত কৰে। সাহিত্যচৰ্চাত কিছু বাধা আহি যাব পাৰে বুলি ভাবিয়েই তেখেতে এই গধুৰ দায়িত্ব মূৰ পাতি ল'বলৈ বিচৰা নাছিল।

ছাৰক সৈমান কৰাবলগীয়া হ'ল বহুতো যুক্তি আৰু আলোচনা-বিলোচনাৰে। প্ৰয়াত ছামছিং হাঞ্চে দাদাই যুক্তিৰে ছাৰক সন্মত কৰাবলৈ চেষ্টা কৰিছিল। ছামছিংদাই কৈছিল— 'আপোনাৰ পৰা অনুপ্ৰেৰণা লাভ কৰিয়েই এই ডেকা-ল'ৰাবোৰ ওলাই আহিছে সাহিত্যকৰ্মত নিজকে নিয়োজিত কৰিবলৈ। আপুনি (সভাপতি পদ) গ্ৰহণ নকৰিলে তেওঁলোকৰ মন তেনেই ভাগি যাব, হতাশাত ভুগিব। তেওঁলোকৰ মুখলৈ চাই আৰু জাতিৰ স্বাৰ্থত আপুনি এই পদটি গ্ৰহণ কৰিব লাগে। আপুনি মাথোঁ এবাৰহে সাধাৰণ সম্পাদক হৈছে, এবাৰমান অন্ততঃ সভাপতিও হ'ব লাগে। এয়া পাছত ইতিহাস হ'ব। আপোনাৰ জীৱিত কালত যদি অন্ততঃ এবাৰমান হ'লেও সভাপতি নহয়, তেতিয়া হ'লে তাৰ বাবে পাছৰ প্ৰজন্মহে জগৰীয়া হ'ব। গতিকে আপুনি সভাপতি পদটি গ্ৰহণ কৰিব লাগে।'— ছামছিংদাই বুজাইছিল। ছামছিংদাৰ এই যুক্তিয়ে কিন্তু কামত দিলে। ছাৰ সন্মত হ'ল। তাৰ মাজতে ময়ো কৈছিলো— 'ছাৰ, আপোনাৰ লগত কাম কৰাৰ মোৰ একান্ত ইচ্ছা আছে। আপুনি গ্ৰহণ কৰিলে মই নথৈ আনন্দিত হ'ম।'

ৰংবং তেৰাং ছাৰ সভাপতি পদটি গ্ৰহণ কৰাত সবাতোকৈ বেছি আনন্দিত হৈছিলো ময়ে। কাৰণ, 'ছাৰৰ লগত একেলগে কাম কৰাৰ সুযোগ পাম আৰু ছাৰৰ নিকট সান্নিধ্য পাম'। কোৱা বাহুল্য মাথোঁ যে এই অধিৱেশনতে মোকো পৰৱৰ্তী কাৰ্যকালৰ বাবে সাধাৰণ সম্পাদকৰ পদত পুনৰ নিৰ্বাচিত কৰিলে প্ৰতিনিধিবৰ্গই।

মোৰ তেতিয়াই চিন্তা এটা উদ্ৰেক হৈছিল— 'ছাৰে আমাৰ দৰে সাধাৰণ কমবয়সীয়া ল'ৰাৰ লগত একেখন মঞ্চত থাকি কাম কৰিবলৈ অসুবিধা অনুভৱ নকৰিব নেকি?' কিন্তু মোৰ চিন্তা অমূলক আছিল। ছাৰে বিনাদ্বিধাই, একো কুণ্ঠাবোধ নকৰাকৈ আমাৰ লগত কাম কৰিবলৈ হেলাৰঙে আগুৱাই আহিল। তেতিয়াই মই আন্তৰিকতাৰে অনুভৱ কৰিলো ছাৰৰ মহানতা, সহৃদয়তা আৰু

আন্তৰিকতাৰ কথা। কি সহজ-সৰল আৰু অমায়িক মানুহজন।

ছাৰৰ লগত একেলগে কাম কৰাৰ সৌভাগ্য লাভ কৰিলো। কিন্তু মোৰেই দুৰ্ভাগ্য যে মই বেছিদিন ছাৰৰ লগত সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ নাপালো।

ৰাজনীতিত যোগদান কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ যদিও প্ৰথমাৱস্থাত মোৰ একেবাৰে ইচ্ছা নাছিল, তথাপি পৰৱৰ্তী দিনবোৰত কাৰ্বি আংলঙৰ তথাকথিত 'হেমপ্ৰেক' আন্দোলনে মোৰ জীৱনৰ গতিপথ সলনি কৰি দিলে। চেতন-অৱচেতন মনেৰে এদিন জাতিৰ স্বাৰ্থত জাঁপিয়াই পৰিলো আন্দোলনত— কাছডিকমৰ সদস্য হিচাপে। সেই আন্দোলনৰ সময়তে মই মোৰ একমাত্ৰ চাকৰিটো হেৰুৱাই পেলালো সামান্য এটা কথাত। মই দিশহাৰা হৈ গৈছিলো। তেতিয়া মোৰ আৰু অন্য পথ নাছিল ৰাজনীতিত যোগদান কৰাৰ বাহিৰে। সেয়ে মই কংগ্ৰেছ দলত যোগদান কৰি পেলালো— ১৯৯৪ চনৰ অক্টোবৰ মাহত। তাৰ দুবছৰ পাছত দলে মোক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সুযোগ দিলে। অৱশ্যে মই জয়ী হ'ব নোৱাৰিলো।

সেই বছৰতে, অৰ্থাৎ ১৯৯৬ চনত সাংসদ বীৰেনছিং ইংতি ডাঙৰীয়া কাৰ্বি আংলং-জিলা কংগ্ৰেছ কমিটীৰ সভাপতি পদত অধিষ্ঠিত হয় আৰু লগে লগে মোক সাধাৰণ সম্পাদক হিচাপে নিযুক্তি দিয়ে। ৰাজনীতিত যোগদান কৰি ইতিমধ্যে মই সপোন এটা অহৰহ দেখিবলৈ আৰম্ভ কৰিলো, সেয়া হ'ল— 'যদি মই কাহানিবা নিৰ্বাচিত হওঁ, তেতিয়াহ'লে কাৰ্বি ভাষা বিকাশৰ বাবে কাৰ্যব্যৱস্থা হাতত ল'ম। তাৰ বাবে কাৰ্বি মাধ্যমৰ বিদ্যালয় নিশ্চয় স্থাপন কৰিম।' সেয়ে, দুবাৰকৈ পৰাজিত হোৱাৰ পাছতো ৰাজনীতিৰ পৰা আঁতৰি আহিব নোৱাৰিলো।

এতিয়া প্ৰকৃত কথাটো হ'ল— 'একেটা সময়ত একেলগে দুটা বিপৰীতধৰ্মী অনুষ্ঠানৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিম কেনেকৈ? এয়া নীতিবিৰুদ্ধ কথা আৰু অশোভনীয়। মোৰ বিবেকেও মোক অনুমতি দিয়া নাই। মই দোমোজাত পৰিলো। ইফালে ছাৰৰ সন্মান তথা ইমেজৰ কথাও জড়িত হৈ আছে। ছাৰক বদনামৰ ভাগী হ'বলৈ দিব নোৱাৰো। ছাৰ ৰাজনীতিৰ ক্ষেত্ৰৰ পৰা সদায় আঁতৰত থকা মানুহ। তেখেতে ৰাজনীতি ভাল নাপায়। এইক্ষেত্ৰত তেখেত সম্পূৰ্ণ স্পষ্ট। মই ৰাজনৈতিক দলৰ এজন সাধাৰণ সম্পাদক হৈ তেখেতৰ লগত একেলগে সাহিত্য সভাৰ কাম কৰা মানে তেখেতৰ ব্যক্তিত্বত, তেখেতৰ আদৰ্শ আৰু ভাৱমূৰ্তিত চেকা লগোৱা কথা। তাৰ বাবে ছাৰ সমালোচনাৰ পাত্ৰও হ'ব পাৰে। মই সংযত হ'লো। বন্ধুবৰ্গৰ লগত আলোচনা কৰি মই লামমেত আমেইৰ সাধাৰণ সম্পাদকৰ পদটোৰ পৰা অব্যাহতি বিচাৰিলো।

মই ছাৰৰ সন্মুখলৈ যাবলৈ একপ্ৰকাৰ সাহস হেৰুৱাই পেলাইছিলো। কাৰণ, ছাৰক একেলগে কাম কৰাৰ প্ৰতিশ্ৰুতি দিও তাক ৰক্ষা কৰিব নোৱাৰিলো। মোৰ ভাব হ'ল, মই যেন ছাৰক প্ৰতাৰণা কৰিলো। প্ৰতাৰণা— এইষাৰ কথাই মোক বাৰুকৈয়ে আমনি দিবলৈ ধৰিলে। মই একপ্ৰকাৰ অনুশোচনাত ভুগিলো। মোৰ ভয় হ'ল— 'ছাৰে বা কি ভাবিছে? বেয়া পালে নেকি।' ইত্যাদি আশংকাই মোক আগুৰি ধৰিলে। বহুদিনলৈ ছাৰৰ লগত সহজ হ'ব পৰা নাছিলো। ছাৰ কিন্তু সম্পূৰ্ণ নিৰ্বিকাৰ, বৰ সহজভাৱে ল'লে বিষয়টো। তেখেতে মাথোঁ মিহিকৈ ক'লে— 'তুমি থাকিব পৰা হ'লে ভাল আছিল। একেলগে কাম কৰি ভাল পালোহেঁতেন। কিন্তু তোমাৰ ভৱিষ্যতৰ কথা, তুমি নিজে বিবেচনা কৰা।'

ছাৰৰ এই কথাষাৰে মোক বহু সকাহ দিলে। মই নিশ্চিন্ত হৈ পৰিলো।

ছাৰে ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিলে। অৱসৰৰ পাছত ছাৰ অধিক ব্যস্ত হৈ পৰিল বিভিন্ন গল্প, উপন্যাস আৰু প্ৰবন্ধ লেখাত। তাৰে মাজতো সময় উলিয়াই ছাৰে মাজে-সময়ে মনজিৰ প্ৰেছ, প্ৰিন্টৱেল আদিলৈ আহে আৰু বিভিন্ন সভা-সমিতিত অংশগ্ৰহণ কৰে। মই বিশেষকৈ কাম নাথাকিলে মনজিৰ প্ৰেছ আৰু প্ৰিন্টৱেললৈ গৈ প্ৰায়ে বহোঁ। তেনেকুৱাতে ছাৰক লগ পাওঁ আৰু লগ পালেই নানান কথাৰ লগতে সাহিত্য সম্পৰ্কীয় আলোচনাও আৰম্ভ হয় আৰু তেনেবোৰ আলোচনাৰ পৰাই ছাৰৰ বহু নজনা কথা জানিবলৈ পাওঁ।

তেনে আলোচনা চলি থাকোঁতে কথা প্ৰসংগত ছাৰে এবাৰ কৈছিল— 'তুমি লেখক, লিখাই তোমাৰ কাম। তুমি লিখি থাকিবা। তোমাৰ লেখা ভাল হৈছে নে নাই সেয়া চোৱাৰ দায়িত্ব পাঠকৰহে, তোমাৰ নহয়।' ছাৰৰ এই প্ৰেৰণাদায়ক মন্তব্যই বহুতকে আকৃষ্ট কৰিলে আৰু অনুপ্ৰাণিত কৰিলে। মোৰ কবি বন্ধু এগৰাকীয়ে এই অনুপ্ৰেৰণাতে কম দিনৰ ভিতৰতে অভিলেখ সংখ্যক কবিতা ৰচনাই কৰি পেলালে। বৰ্তমান তেওঁ এগৰাকী কাৰ্বিৰ আগশাৰীৰ কবি। এগৰাকী গল্পকাৰ আৰু ঔপন্যাসিক হিচাপে ৰংবং তেৰাং ছাৰ চিৰ নমস্য। তেখেতে গল্প আৰু উপন্যাস লিখাৰ পূৰ্বে শিৰোনামটো থিৰাং কৰি লয়। তাৰ পাছতহে লেখাত হাত দিয়ে। 'গল্প বা উপন্যাসৰ পটভূমি বিচাৰি মই বেছি হাবাথুৰি খাবলগীয়া হোৱা নাই। ঘৰৰ পৰা এপাক বজাৰলৈ ওলালেই, অথবা ৰে'ল লাইনৰ পাৰে পাৰে কিছুদূৰ খোজকাঢ়ি গ'লেই মই প্লট এটা বিচাৰি পাওঁ। সেইবোৰ স্বতঃস্ফূৰ্তভাৱে ওলাই আহে। তাৰ পাছত শিৰোনাম বিচাৰোঁ। শিৰোনাম বিচাৰোঁতে অৱশ্যে কিছু কষ্ট হয়।'— ডিফু চৰকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এটা চুটিগল্পৰ কৰ্মশালাত যোগদান কৰি ছাৰে কথাষাৰ কৈছিল। এয়া এক স্পষ্টবাদী মনৰ মানুহৰ এক সহজাত স্বীকাৰোক্তি।

কাৰ্বি-কুকি আৰু কাৰ্বি-ডিমাছাৰ মাজত সংঘটিত গোষ্ঠী সংঘৰ্ষত ছাৰে মৰ্মান্তিক আঘাত পাইছিল। ছাৰে আঘাত পাইছিল সমন্বয়, সংহতি আৰু মানৱতা নিঃশেষ হোৱাত। মানুহ হৈ আমাৰ মাজত মানৱতাবোধ নাথাকিলে আমি কিহৰ মানুহ হ'লো? মনৰ বেদনাতে ছাৰে লিখি উলিয়ালে এখন উপন্যাস— 'জাক হেৰোৱা পক্ষী'। ছাৰ শান্তিপ্ৰিয় মানুহ। তেখেতে বিভিন্ন জাতি-জনজাতিৰ মাজত সমন্বয় আৰু একতা বিচাৰে আৰু বিচাৰে প্ৰগতি। ৰংবং তেৰাং ছাৰ যেন সহজ-সৰল কাৰ্বি জাতিৰ প্ৰতিভূ। কাৰণ কাৰ্বিসকল সহজ-সৰল, শান্তিপ্ৰিয় জাতি বুলি জনাজাত। গ্ৰন্থখনত তাৰে বহিঃপ্ৰকাশ ঘটিছে।

ছাৰৰ অনন্য সৃষ্টি হৈছে 'ৰংমিলিৰ হাঁহি'। ছাৰৰ লেখাৰ ওপৰত সমালোচনা কৰা অথবা পৰ্যালোচনা কৰাৰ ধৃষ্টতা মোৰ নাই। তথাপি মোৰ কিছু অনুভৱ প্ৰকাশ কৰিব বিচাৰিছোঁ।

কলেজত পঢ়ি থাকোঁতেই ছাৰৰ 'ৰংমিলিৰ হাঁহি' উপন্যাসখন পঢ়িবলৈ পাইছিলো। ছাৰৰ এই উপন্যাসখন প্ৰথমে প্ৰকাশ পাইছিল 'প্ৰকাশ' নামৰ আলোচনীত— ধাৰাবাহিকভাৱে। তেতিয়া আমি আলোচনীখন নিয়মীয়াকৈ লৈছিলো 'কিৰণ প্ৰকাশ' নামৰ কিতাপৰ দোকানখনৰ পৰা। আলোচনীখন মেলিয়েই প্ৰথমে ছাৰৰ উপন্যাসখন পঢ়োঁ আৰু একে উশাহতে পঢ়ি শেষ কৰোঁ। মন সম্পূৰ্ণ নভৰে, কাৰণ ধাৰাবাহিক, আধাতে শেষ কৰিবলগীয়া হয়। পৰৱৰ্তী সংখ্যাৰ বাবে বৈ থাকিবলগীয়া হয়। উপন্যাসখন পাছতহে কিতাপৰূপে প্ৰকাশ পাইছিল।

কিতাপ, আলোচনী মই খুউব কমেই পঢ়োঁ। কিন্তু 'প্ৰকাশ' নামৰ আলোচনীখনৰ বাবে মই সঁচাই বলিয়া হৈছিলো, মাথোঁ ছাৰৰ 'ৰংমিলিৰ হাঁহি'ৰ বাবে। মই প্ৰত্যেকটো সংখ্যাত প্ৰকাশ পোৱা

অধ্যায়সমূহ পঢ়িছিলো— দুবাৰ-তিনিবাৰকৈ। এবাৰ পঢ়িলেই এৰিব নোৱাৰা হওঁ। কিবা যেন যাদুকৰী শক্তি নিহিত আছে ছাৰৰ সেই লেখাত। পঢ়ি খুউব আমেজ পাওঁ। সহজ-সৰল বাক্য গাঁথনিৰে শব্দৰ যথাযথ প্ৰয়োগ আৰু অতিকৈ সাৱলীল ভাষাৰে হৃদয় পৰশা বৰ্ণনা। উপন্যাসখন পঢ়িলেই চকুৰ আগত ভাহি উঠে তাৰ প্ৰতিচ্ছবি আৰু সেই প্ৰতিচ্ছবিত নিজকে আৱিষ্কাৰ কৰোঁ এজন প্ৰত্যক্ষদৰ্শী হিচাপে— মই যেন ৰংমিলিৰ গাঁৱৰে এজন ডেকা ল'ৰা। কি দুৰ্দান্ত বৰ্ণনা। এয়াই সাহিত্য, কালজয়ী, চিৰ যুগমীয়া সাহিত্য।

ছাৰে আৰু লিখিছিল বহু উপন্যাস। অসম আন্দোলনৰ পটভূমিত তেখেতে লিখি উলিয়াইছিল— 'ক্ৰান্তিকালৰ অশ্ৰু' আৰু কাৰ্বি-কুকি সংঘাতৰ পৰৱৰ্তী পৰিস্থিতিৰ পটভূমিত 'জাক হেৰোৱা পক্ষী' আৰু লিখিছিল— 'অশ্ৰু ভৰা উপত্যকা'। এই উপন্যাসখন পাছত কাৰ্বিলৈ অনুবাদ কৰে জয়ছিং টক্‌বি ডাঙৰীয়াই। উপন্যাসখনৰ নাম ৰাখিছে— 'মেকক্ৰি বুগ্ৰুপ আলাংছোম'। এয়া ছাৰৰ শেহতীয়া এক অনুপম ৰচনা। ছাৰ অতিকৈ আৱেগপ্ৰৱণ আৰু ভাবগধুৰ। এইখন উপন্যাসত হৃদয়বিদাৰক বোমা বিস্ফোৰণৰ মুহূৰ্তৰ বৰ্ণনা আছে, যিয়ে পাঠকক সততে আৱেগিক কৰি তোলে আৰু চকুৰ পানী ওলাবলৈ বাধ্য কৰে। উপন্যাসখন লিখি থাকোঁতে ছাৰো আৱেগিক হৈ পৰিছিল আৰু চকুপানী টুকিছিল। 'উপন্যাসখন পঢ়িলেই মোৰ নিজৰো চকুপানী ওলাই আহে'— ছাৰৰ এয়া অকপট স্বীকাৰুক্তি। এয়াই সাৰ্থক উপন্যাস। কোনোবা এজন পণ্ডিতে কৈছিল— 'যিজনে নিজৰ লেখা পঢ়ি চকুপানী টোকা নাই, সেইজন কেতিয়াও ভাল লেখক হোৱা নাই।' ভাল লেখক সদায় ভাবপ্ৰৱণ আৰু আৱেগপ্ৰৱণ হয়। ছাৰৰ ক্ষেত্ৰত এই লক্ষণ বিদ্যমান।

সম্প্ৰতি ৰংবং তেৰাং ছাৰৰ লেখা, উপন্যাস আদি প্ৰকাশ কৰাত কোনো অসুবিধা নাই। সকলোৱে আগ্ৰহেৰে আগবাঢ়ি আহে। কিন্তু একালত তেৰাং ছাৰো তেনে এটা সমস্যাৰ সন্মুখীন হৈছিল। বিশেষকৈ 'ক্ৰান্তিকালৰ অশ্ৰু' উপন্যাসখন প্ৰকাশ কৰোঁতে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। কোনো এটা প্ৰতিষ্ঠানেই তেতিয়া আগবাঢ়ি অহা নাছিল প্ৰকাশ কৰিবলৈ। এটা বিশেষ প্ৰতিষ্ঠানে প্ৰকাশ কৰাৰ প্ৰতিশ্ৰুতি দিও প্ৰকাশ নকৰিলে। পাছত নিজে গৈ পাণ্ডুলিপিটোও ঘূৰাই আনিবলগীয়া হৈছিল। ভাগ্য ভাল, পাণ্ডুলিপিটো হেৰাই যোৱা নাছিল। ছাৰে বহুবাৰ দুখেৰে কৈছিল এই কথা। আৰম্ভণিতে সম্ভৱ সকলো প্ৰতিষ্ঠিত সাহিত্যিকৰো এনে দশা হয়। এজন প্ৰতিষ্ঠিত সাহিত্যিকৰ বাবে এয়া এক বিড়ম্বনা, এক বেদনাদায়ক অভিজ্ঞতা।

কাৰ্বি লোকগীতি-সাহিত্য অতিশয় চহকী। কিন্তু দুখজনক কথাটো হ'ল— এই গীতি-সাহিত্যবোৰ এতিয়াও মৌখিক ৰূপতহে প্ৰচলিত আছে। তাক লিখিত ৰূপত সংৰক্ষণ কৰিবলৈ সমৰ্থ হোৱা নাই। আমাৰ নমস্য অগ্ৰজ সাহিত্যিকসকলে এই মৌখিক গীতি-সাহিত্যবোৰ উদ্ধাৰ কৰি লিখিত ৰূপত কিতাপ আকাৰত প্ৰকাশ কৰি তাক সংৰক্ষণ কৰা আৰু বিকাশ সাধন কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। এই নমস্য সাহিত্যিকসকলৰ অন্যতম প্ৰফেছাৰ ৰংবং তেৰাং ছাৰ।

কাৰ্বি সমাজত সাহিত্যিক-লেখকৰ সংখ্যা এতিয়াও আঙুলিৰ মূৰত লেখিব পৰাকৈ তাকৰ। পঢ়ুৱৈৰ সংখ্যাও তেনেই নগণ্য। তাৰে মাজত কাৰ্বি ভাষা-সাহিত্যৰ কাণ্ডাৰী হিচাপে মই ব্যক্তিগতভাৱে পাঁচজন ব্যক্তিক অন্তঃকৰণেৰে মানি আহিছোঁ। তেখেতসকল হৈছে ক্ৰমে প্ৰয়াত ৰংলং তেৰাং, শ্ৰীযুত লংকাম টেৰণ, প্ৰফেছাৰ ৰংবং তেৰাং, প্ৰয়াত ছামছিং হাঞ্চে আৰু প্ৰয়াত ড° ফুকন চন্দ্ৰ ফাংচ'। কিন্তু অতি দুৰ্ভাগ্যজনক কথা যে এই পাঁচজন নমস্য ব্যক্তিৰ মাজত সদ্যহতে শ্ৰীযুত লংকাম

টেৰণ আৰু প্ৰফেছাৰ ৰংবং তেৰাং ছাৰহে জীৱিত। এই দুজন ব্যক্তিৰ পাছত কাৰ্বি ভাষা-সাহিত্যৰ যে কি গতি হ'ব, সেয়া চিন্তনীয় বিষয়। অৱশ্যে নতুন চামৰ পৰাও দুই-এক প্ৰতিভাৱান কবি, সাহিত্যিকে আত্মপ্ৰকাশ কৰিছে। তাৰ মাজত সাহিত্য অকাডেমী ভাষা সন্মানেৰে বিভূষিত সাহিত্যিক-সমালোচক বিদৰছিং ক্ৰ', লুণ্ডে তিমুং, কবি অৰুণ টেৰণ, ছাৰএং হাঞ্চে আৰু ধনেশ্বৰ ইংতি অন্যতম।

ৰংবং তেৰাং ছাৰ কাৰ্বি ভাষা-সাহিত্য বিকাশ সাধনত ওতঃপ্ৰোতভাৱে জড়িত। এই ভাষা বিকাশৰ উদ্দেশ্যে গঠন হোৱা 'কাৰ্বি টেক্সট বুক প্ৰডাকছন এণ্ড পাব্লিকেছন বোৰ্ড'ৰ অন্যতম সদস্য আছিল তেৰাং ছাৰ। তাৰ পাছত ২০০৩ চনত এই বোৰ্ডৰ অধ্যক্ষ হিচাপে ছাৰ মনোনীত হয়। সদস্যৰূপে লগত আছিল— লংকাম টেৰণ, লুণ্ডে তিমুং আৰু বিদৰছিং ক্ৰ'। এই বোৰ্ডখনে ভালেসংখ্যক কাৰ্বি পাঠ্যপুথি প্ৰণয়ন কৰি প্ৰকাশ কৰি উলিয়াইছে। সম্প্ৰতি, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে এই বোৰ্ডখন বিলুপ্ত কৰি তাৰ স্থানত 'কাৰ্বি লেংগুৱেজ ডেভেল'পমেণ্ট বোৰ্ড' নামকৰণেৰে এটা নতুন স্থায়ী বিভাগ (Department) খুলিছে। আৰু এই বিভাগৰ তত্ত্বাৱধানত 'কাৰ্বি টেক্সট বুক প্ৰিপ্ৰাৰেছন কমিটী' গঠন কৰি পাঠ্যপুথি প্ৰণয়নৰ কাম পূৰ্ণগতিত অব্যাহত ৰাখিছে। ৰংবং তেৰাং ছাৰ এই কমিটীবোৰত জড়িত হৈ কাৰ্বি পাঠ্যপুথি প্ৰণয়নত সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়াই আহিছে।

তেৰাং ছাৰক তেখেতৰ ভাটি বয়সত বহুখিনি কষ্ট দিয়া হ'ল, বহুখিনি দায়িত্ব অৰ্পণ কৰা হ'ল। তথাপি এই কষ্টক কষ্ট যেন জ্ঞান নকৰি তেখেতে পাঠ্যপুথি প্ৰণয়নৰ কামত পূৰ্ণগতিত পূৰ্ণ উদ্যমেৰে সহযোগ কৰিলে সতীৰ্থ সদস্যসকলৰ সৈতে। স্বায়ত্তশাসিত পৰিষদে একেলগে একেটা সময়তে কাৰ্বি ভাষাক এটা ভাষা বিষয় হিচাপে প্ৰৱৰ্তন কৰাৰ লগতে কাৰ্বি মাধ্যমৰ বিদ্যালয়ো আৰম্ভ কৰি দিয়াত যথাৰ্থতে কাৰ্বি পাঠ্যপুথিৰ চাহিদা বহু পৰিমাণে বৃদ্ধি পাবলৈ ধৰিলে। আৰু এই বৰ্ধিত চাহিদা পূৰণৰ অৰ্থে বোৰ্ডৰ সদস্যবৃন্দই যথেষ্ট কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছে পাঠ্যপুথি প্ৰণয়নত। তেখেতসকলৰ এই কষ্টক আমি শলাগিবই লাগিব।

অসমীয়া সাহিত্যৰ বহুকেইগৰাকী নমস্য ব্যক্তিৰ অন্যতম শ্ৰীযুত হোমেন বৰগোহাঞি ছাৰ আৰু প্ৰফেছাৰ ৰংবং তেৰাং ছাৰ। এয়া মোৰেই সৌভাগ্য যে মই বৰগোহাঞি ছাৰৰো সান্নিধ্য লাভ কৰিছোঁ। তেখেতৰ লগত চা-চিনাকি হৈ কেনেকৈ সান্নিধ্য লাভ কৰিলো, সেয়াও এক অন্য কাহিনী। ছাৰৰ এই সান্নিধ্য লাভ মোৰ বাবে এক পৰম আশিৰ্বাদ আৰু এই সান্নিধ্য মোৰ বাবে এক অনন্য অভিজ্ঞতা।

হোমেন বৰগোহাঞি ছাৰ আৰু প্ৰফেছাৰ ৰংবং তেৰাং ছাৰৰ মাজত ব্যক্তিগত সম্পৰ্ক কেনেকুৱা, মই সঠিকভাৱে নাজানো যদিও তেখেতসকলৰ আন্তৰিকতাৰে কৰা আলাপ-আলোচনা আৰু কথোপকথন দেখি ভাব হয়, তেখেতসকলৰ সম্পৰ্ক অতি মধুৰ আৰু সৌহাৰ্দ্যপূৰ্ণ। এই মহান ব্যক্তি দুগৰাকীক একেলগে একেখন মঞ্চত উপবিষ্ট হোৱা বোধহয় বহুতে বহুবাৰ দেখিছে, কিন্তু একেলগে একেখন টেবুলত বহি এসাঁজ ভাত খোৱাৰ দৃশ্য হয়তো বহুতে প্ৰত্যক্ষ কৰিবলৈ পোৱা নাই। মোৰ কিন্তু এই সৌভাগ্যও হৈছে, ডিফুৰ মোৰ বাসভৱনত, তাকো দুবাৰকৈ। অৰ্থাৎ মই দুবাৰকৈ এই দুগৰাকী মহান ব্যক্তিক এসাঁজ ভাতেৰে আপ্যায়ন কৰিবলৈ সুযোগ পাইছোঁ।

আমি জানো, হোমেন বৰগোহাঞি ছাৰ বিভিন্ন জাতি-জনজাতিৰ লগত সু-সম্পৰ্ক গঢ়াত

অতিকৈ আগ্ৰহী আৰু তেনেদৰে তেওঁলোকৰ মাজলৈ সোমাই গৈ তেওঁলোকৰ পৰম্পৰাগত আহাৰৰ বিভিন্ন ব্যঞ্জনৰ সোৱাদ লোৱাটোও ছাৰৰ বাবে এটা চখ। সেয়ে তেখেতে য'তেই গৈছে ত'তেই বিভিন্ন পৰম্পৰাগত আঞ্জাৰ জুতি ল'বলৈ চেষ্টা কৰিছে। লগতে আমি জানো, সন্ধিয়াপৰত লেখাৰ টেবুলত বহাৰ পূৰ্বে ছাৰে 'এপেগ' লয় আৰু জনজাতীয়ৰ বিশেষভাৱে তৈয়াৰী 'সোমৰস' হ'লেতো কথাই নাই, ছাৰে অলপ হ'লেও জুতি ল'বই।

মোৰো বহুদিনীয়া সপোন এটা আছিল ছাৰক কাৰ্বি পৰম্পৰাগত আঞ্জাৰে এসাঁজ খুউৱাৰ। ছাৰ ডিফুলৈ আহোঁতেই তাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলো মই। প্ৰস্তাৱটো দিয়াৰ লগে লগে ছাৰ সন্মত হৈছিল। তাৰ পাছত তেৰাং ছাৰকো প্ৰস্তাৱটি আগবঢ়ালো। ছাৰেও লগে লগে হয়ভৰ দিলে।

প্ৰথমে মই আশংকা কৰিছিলো— তেৰাং ছাৰে আহিবলৈ টান পাব নেকি? কাৰণ, আমাৰ লগত আমাৰ সচৰাচৰ প্ৰচলিত পৰিবেশ ছাৰৰ বাবে আচহুৱা যেন লাগিব পাৰে। সেইটোত ছাৰ অভ্যস্ত নহ'বও পাৰে।

মোৰ এটা কথালৈ মনত পৰিল— ১৯৯৭ (নে ১৯৯৮) চনত ডিফু ৰংখেআঙত অনুষ্ঠিত কাৰ্বি লাম্‌মেত আমেইৰ বাৰ্ষিক অধিবেশনৰ শেষৰ দিনা লাম্‌মেত আমেইৰ সদস্যসকলৰ সৈতে একেলগে বহি ছাৰে এসাঁজ ভাত খাইছিল। ছাৰে নিজৰ ছাত্ৰৰ লগতো (আমিবোৰ প্ৰায়ে ছাৰৰ ছাত্ৰ আছিলো) কোনো দ্বিধাবোধ নকৰাকৈ একেলগে এসাঁজ ভাতৰ লগতে এপেগ 'আৰাক'ও খাব পাৰে, সঁচাই আমি অভিভূত হৈছিলো। এয়া ছাৰৰ মহানতা। মহান ব্যক্তিৰ অন্তৰত কেতিয়াও কেতিয়াও কোনো ভেম নাথাকে, কোনো অহংকাৰ ভাব লুকাই নাথাকে। তাৰ দৃষ্টান্ত আমাৰ তেৰাং ছাৰ।

পিছত মনত দৃঢ় কৰি লৈছিলো, ছাৰ নিশ্চয় আহিব। সঁচাই আহিল। সেইদিনা সেই আমন্ত্ৰণলৈ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য শ্ৰীযুত মংগলছিং ইংতি, কাৰ্যবাহী সদস্য চুম ৰংহাং, লংকি তিমুং, প্ৰদীপ ছিংনাৰ আৰু সাহিত্যিক বিদৰছিং ক্ৰ', কবি অৰুণ টেৰণ, সাংবাদিক পবিত্ৰ বৰা, উদীয়মান লেখক আব্দুছ ছাজিদ প্ৰমুখ্যে বহুতো সাহিত্যিক, কবি, সাংবাদিকেও আহি অংশগ্ৰহণ কৰিলেহি। মুঠতে ভোজমেলটি বহু গুৰুগম্ভীৰ হৈ উঠিছিল।

মই যিমান পাৰো ছাৰক পৰম্পৰাগত ব্যঞ্জনেৰে আপ্যায়ন কৰিবলৈ চেষ্টা কৰিলো। আমাৰ তালিকাত আছিল চুঙাত সিজোৱা গাহৰি মাংস, মাছ আৰু জহা চাউলৰ ভাত, লগতে তিল দি সিজোৱা গাহৰি মাংস আৰু তিল দিয়া সিদ্ধ মুৰ্গীৰ পেটু আৰু কলিজা। এয়া কাৰ্বিৰ অতিকৈ প্ৰিয় আহাৰ। লগতে দিলো কাৰ্বিৰ 'আফুলি'— এক নম্বৰ 'আৰাক' ফটিকাটো।

বৰগোহাঞিও ছাৰে খুউব ভাল পালে। ছাৰক 'আৰাক'টো যাচোঁতে তেৰাং ছাৰক উদ্দেশ্যি ছাৰে ক'লে— 'আপুনি ল'বনে তেৰাং? আপুনি খালে ময়ো খাম দিয়ক' তেৰাং ছাৰে স্বভাৱগত মিঠা হাঁহিৰে কিছু ৰগৰ কৰি ক'লে— 'কিয় নাখামহে, ময়ো ট্ৰাইবেল কাৰ্বি পোৱালিহে। আগতে কিমান খালো।...' সেইদিনা দুয়ো তিনি-চাৰি পেগকৈ খালে আনন্দেৰে।

সেইদিনা বহু সৰস আলোচনা হ'ল। বৰগোহাঞি ছাৰ বৰ স্ফূৰ্তিবাজ মানুহ। তেখেতে ৰগৰ কৰি, ধেমালি কৰি বহু হঁহুৱালে। আমি সঁচাই বৰ আমোদ পালো। তাৰ মাজতে আমোদ পাইছোঁ ছাৰৰ মাজত বিভিন্ন আলোচনা আৰু কথোপকথন। মাজে মাজে ধেমালিতে বৰগোহাঞি ছাৰে তেৰাং ছাৰক জোকায়। 'তেৰাং আপুনি পাহাৰত থাকি আমাৰ ভৈয়ামৰ পুৰস্কাৰসমূহ সমূলি কাঢ়িলে, আমাৰ বাবে নথ'লেচোন।' তেৰাং ছাৰে সহজাত প্ৰবৃত্তিৰে মিঠা হাঁহিৰে লাজ লাজকৈ কৈছিল— 'নাই,

আপোনাসকলে কি দেখি এইবোৰ দিছে, মই একো নাজানোৱেই।'

মাজে মাজে অৰুণকো জোকাই কয়— 'অৰুণ, তোমাৰ কবিতা আমাৰ অসমত প্ৰকাশ পোৱাৰ বাবে বৰ ভেম হৈছে নহয়? আৰৌ নিলিখা কিয়?' অৰুণে উত্তৰ দিব নোৱাৰে, মাথোঁ কয়— 'নাই ছাৰ। লিখিম ছাৰ।'

এইদৰে আনন্দ, হাঁহি তামাচাৰে ছাৰে এসাঁজ খালে। ছাৰে তৃপ্তি পালে নে নাই নাজানো, মই কিন্তু নথৈ সুখী হ'লো মোৰ আমন্ত্ৰণ ৰক্ষা কৰাত, বিশেষকৈ দুয়োগৰাকী মহান ব্যক্তিক পায়।

তেৰাং ছাৰৰ কথা লিখি শেষ কৰিব নোৱাৰি। তেখেত নিজেই যেন এক ইতিহাস। এক বিস্তৃত ইতিহাস। এই লেখা মাথোঁ এক পাতনিহে।

ছাৰ স্বভাৱগতভাৱে সহজ আৰু সৰলচিতীয়া। ছাৰৰ দৰে সহজ-সৰল জীৱন-যাপন কৰা ব্যক্তি খুউব কমেইহে ওলাব। তেখেতে বিলাসিতাক প্ৰশ্ৰয় দিয়া নাই। এটি সাধাৰণ জীৱন-যাপন কৰি সৃষ্টিশীল কৰ্মত গভীৰভাৱে মনোনিৱেশ কৰিছে তেৰাং ছাৰে। তেখেতে প্ৰতিদিনে খোজকাঢ়ি বজাৰলৈ আহে আৰু ঘৰৰ লাগতীয়াল বয়-বস্তু ক্ৰয় কৰি লৈ যায়। তেখেত তেনেই নম্ৰ আৰু নিৰহংকাৰী মানুহ। তেৰাং ছাৰ কাৰ্বিৰ মাজত (কাৰ্বি আংলঙৰ ভিতৰতো) প্ৰথম সম্মানীয় 'পদ্মশ্ৰী' উপাধিৰে বিভূষিত লোক। এই উপাধিৰ পৰা আৰম্ভ কৰি আজিলৈকে তেখেত বহুতো পুৰস্কাৰ আৰু উপাধিৰে বিভূষিত হৈছে। কিন্তু তেখেতৰ স্বভাৱ অপৰিৱৰ্তিত। সেই একেই সহজ-সৰল, একেই নম্ৰ আৰু একেই মিঠা হাঁহিমুখীয়া স্বভাৱ। তেখেত যিমানেই পুৰস্কৃত হৈছে, সিমানেই অমায়িক আৰু নম্ৰ হৈছে। তেখেতৰ এই আদৰ্শ আদৰণীয় আৰু অনুকৰণীয়।

পদ্মশ্ৰী ৰংবং তেৰাং ছাৰৰ ভৱিষ্যৎ উজ্জ্বলৰ পৰা উজ্জ্বলতৰ হওক আৰু সুদীৰ্ঘ সুস্বাস্থ্য জীৱন লাভ কৰক, একান্ত কামনাৰে আৰু শ্ৰদ্ধাৰে।

বকলীয়াঘাট আৰু পুৰণা কাৰ্বী অঞ্চলৰ অৰণ্যানীৰ মাজত টিমিক-টামাককৈ জ্বলি থকা শিশু ৰংবংৰূপী জোনাকী পৰুবাটি নিজ অধ্যৱসায় আৰু একলব্য সাধনাৰ বলত এতিয়া অসমৰ সাহিত্যাকাশত পূৰ্ণচন্দ্ৰৰূপে বিকশিত হৈ পোহৰ বিলাব পাৰিছে শৈশৱ আৰু কৈশোৰৰ সহপাঠীসকলৰ বাবে ইযাতকৈ অধিক আনন্দ আৰু গৌৰৱৰ বতৰা কি থাকিব পাৰে।

শৈশৱ কৈশোৰৰ কিছু অম্ল-মধুৰ কথা

মুকুন্দ বড়ো

মানৱ জীৱনৰ চাৰিটা অনুক্ৰম শৈশৱ, কৈশোৰ, যৌৱন আৰু বাৰ্দ্ধক্য। এইকেইটা স্তৰৰ ভিতৰত শৈশৱকে আটাইতকৈ মোহনীয় আৰু আকৰ্ষণীয় বুলি সকলোৱে অভিমত প্ৰকাশ কৰি আহিছে। বিশেষকৈ বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে তিতা-কেঁহাৰ সোৱাদ লভি জীৱনৰ অপৰাহ্নত উপনীত হোৱাসকলে শৈশৱ-কৈশোৰ ৰোমন্থন কৰি এক অনাবিল স্বৰ্গীয় সুখ অনুভৱ কৰে। এই তৃপ্তি হৃত সম্পদ পুনৰুদ্ধাৰৰ তৃপ্তি, যদিওবা সাময়িক। কিন্তু সত্তৰ-আশীৰ দেওনা গৰকা বহুতৰে স্মৰণশক্তি নিশকতীয়া হৈ পৰে। শৈশৱ তেওঁলোকৰ বাবে হৈ পৰে মাথোঁ বাষ্পাচ্ছন্ন এক ধূসৰ অতীত। ৰংবং তেৰাঙৰ শৈশৱ-কৈশোৰ সম্পৰ্কে লিখিবলৈ লৈ আমাৰো সেই একেই দুৰৱস্থা। পদ্মশ্ৰী বিভূষিত আৰু 'ৰংমিলিৰ হাঁহি'খ্যাত অসমৰ এগৰাকী বৰণীয় সাহিত্যিক ৰংবঙৰ অন্যতম বাল্যবন্ধুৰ পৰিচয়েৰে আশাৰ চেৰেক লিখিবলৈ পাই আমি গৰ্ব অনুভৱ কৰিছোঁ। শিৰোনামত শৈশৱ শব্দটি ব্যৱহাৰ কৰিলেও ৰংবং তেৰাঙৰ শিশুকালৰ সৈতে মোৰ মাথোন তিনি-চাৰি বছৰৰহে পৰিচয়। তেওঁৰ সান্নিধ্য কিছু দীঘলীয়াকৈ লাভ কৰিছিলো কৈশোৰতহে। গতিকে এই লেখাত তেৰাঙৰ শৈশৱ আৰু কৈশোৰ উভয় কালৰ স্মৃতিকথাই সমানে ঠাই পাব।

ৰংবং তেৰাঙৰ পিতৃদেৱ প্ৰয়াত ৰূপসিং তেৰাং বৰ্তমান কাৰ্বি আংলং জিলাৰ বকলীয়াঘাটৰ

সমীপৱৰ্তী লাংবুং ডিংটি নামৰ গাঁৱৰ পৰা আহি চাকৰিসূত্ৰে কাকী (বৰ্তমানে পুৰণা কাকী) বন বিভাগৰ কাৰ্যালয়ত যোগদান কৰিছিল। পঞ্চভাতৃ আৰু এক ভগ্নীৰ জ্যেষ্ঠ ৰংবঙৰ ১৯৩৭ চনৰ তেৰ জানুৱাৰী তাৰিখে (মাঘ বিহুৰ উৰুকা দিনা) উল্লিখিত লাংবুং ডিংটি গাঁৱতে জন্ম হৈছিল। পুৰণা কাকী চৰকাৰী প্ৰাথমিক বিদ্যালয়ত তেওঁ 'ক' আৰু 'খ' শ্ৰেণীত দুবছৰ পঢ়িছিল। পিছত দেউতাক লংকোলৈ বদলি হৈ যোৱাত তেওঁকো লগতে লৈ যায় আৰু লংকা এল পি স্কুলত নাম লগাই দিয়ে। অৱশ্যে তেওঁৰ মাতৃ আৰু ইতিমধ্যে জন্ম লভা দুই কনিষ্ঠ ভাতৃ কাকীৰ ঘৰতে থাকি গ'ল। ৰংবং বয়সত আমাতকৈ তিনিবছৰমানৰ ডাঙৰ। তেওঁৰ পিছৰজন ভাতৃ প্ৰয়াত লংসিং তেৰাংহে এই লেখকৰ সমবয়সৰ বাল্যসখা আছিল। মাক থকা কাকীৰ ঘৰখনলৈ বছৰত দুই-তিনিবাৰ আহিলে দিন দিয়েকৰ বাবে তেওঁৰ সান্নিধ্য পাইছিলো। সেইকেইটা দিনত উমলি-জামলি ফুৰোঁতে তেওঁ আমাৰ দলপতিৰ ভূমিকা হৈছিল। তেওঁ লংকাত ৰে'লগাড়ী দেখি আহি আমি নেদেখাবোৰক ৰে'লৰ বিষয়ে কৈছিল আৰু নিজে ইঞ্জিন হৈ আমাক ডবা সজাই চলন্ত ৰে'লগাড়ীৰ আভাস দিছিল। চেগুনৰ কোঁহপাত মোহাৰি কাঠ-বাঁহৰ তৰোৱাল আৰু গালে-মুখে ৰঙা বোল সানি ৰংবঙৰ সৈতে যুদ্ধ খেলাও মনত পৰে। অৱশ্যে সৰহখিনি সময় তেওঁ দেউতাকৰ পিছে পিছে কাকীৰ দিগন্ত বিয়পা সংৰক্ষিত বনাঞ্চল আৰু বন বিভাগে নিজাববীয়াকৈ গঢ়ি তোলা গছ-গছনিৰ সু-বিস্তীৰ্ণ বাগিচাত ভ্ৰমি ফুৰিহে তৃপ্তি লভিছিল। সাঁজ লগাৰ আগে আগে দেউতাকৰ সৈতে ঘৰলৈ ওভতোতে পোহনীয়া কৰিবৰ বাবে অনা কেটেলাপছু, ভীমৰাজ, মইনা আৰু ভাটৌ চৰাইৰ পোৱালি ৰংবঙৰ হাতত দেখা পাই আমি ঈৰ্ষাত ভুগিছিলো। মুঠতে, ৰংবঙৰ শৈশৱ প্ৰকৃতিৰ বিশাল বুকুত লালিত-পালিত বুলিলেও অত্যুক্তি কৰা নহ'ব। প্ৰকৃতিদত্ত উদাৰতা, কোমলতা আৰু নিয়মানুবৰ্তিতাই সাহিত্য-সংস্কৃতিৰ উপাসক আজিৰ ৰংবং তেৰাংজনৰ স্ৰষ্টা বুলি আমি অনুভৱ কৰোঁ।

১৯৫০ চনৰ কথা। আমিবোৰ শৈশৱ অতিক্ৰমি কৈশোৰৰ দুৱাৰডলিত। সেই বছৰতে লংকা এম ই স্কুল (এতিয়াৰ লংকা হাইস্কুল) স্থাপন হোৱাত এই লেখককো পুৰণা কাকী চৰকাৰী এল পি স্কুলৰ দ্বিতীয় শ্ৰেণীৰ পৰা নি ক্লাছ থ্ৰিত নাম লগাই দিয়া হয়। তেতিয়াৰ পৰাই ৰংবং তেৰাঙক ১৯৫৮ চনত একেলগে মেট্ৰিক পাছ কৰাৰ সময়লৈকে স্কুলীয়া সহপাঠীৰূপে লগ পাইছিলো। পৰৱৰ্তী সময়ছোৱাতো নগাঁও কলেজত পঢ়া-শুনা কৰি ১৯৬৩ চনত দুয়ো একেলগে স্নাতক ডিগ্ৰী লাভ কৰোঁ। কলেজীয়া জীৱনৰ কথাই অৱশ্যে এই নিবন্ধত ঠাই নাপাব; কিয়নো, তেতিয়ালৈ আমি শৈশৱ-কৈশোৰ পাৰ হৈ যৌৱন গৰকিলো। সেয়ে লংকা এম ই আৰু হাইস্কুলত পঢ়ি থকা কালৰ কিছু ঘটনা-পৰিঘটনাহে ইয়াত উল্লেখ কৰিম।

লংকা এম ই স্কুল আৰম্ভ কৰা হৈছিল লংকা প্ৰাথমিক বিদ্যালয় গৃহত। বিদ্যালয় চৌহদৰ বোৰ্ডিং ঘৰত থাকি আন বহুতৰ লগতে ৰংবং আৰু আমিও পঢ়া-শুনা কৰিছিলো। বিদ্যালয়খনৰ আৰম্ভণিতে প্ৰধান শিক্ষক আছিল পুজনীয় শ্ৰীযুত সূৰ্যকান্ত লস্কৰদেৱ। পৰৱৰ্তী সময়ত প্ৰধান শিক্ষক হৈ আহে সমাজপ্ৰিয় স্বৰ্গীয় সোমনাথ দত্তদেৱ আৰু এম ই স্কুলখন হাইস্কুললৈ উন্নীত হোৱাৰ লগে লগে প্ৰধান শিক্ষক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে প্ৰখৰ মেধাসম্পন্ন, সু-প্ৰশাসক প্ৰয়াত খগেন চন্দ্ৰ শৰ্মাদেৱে। এইসকল প্ৰধান শিক্ষক আৰু অন্যান্য শিক্ষাগুৰুসকলৰ সকলোতকৈ প্ৰিয় ছাত্ৰগৰাকীয়েই আছিল ৰংবং তেৰাং। ইয়াৰ গুৰি কথাই আছিল তেওঁৰ নম্ৰতা, নিয়মানুবৰ্তিতা, কৰ্তব্যনিষ্ঠা আৰু বিশ্বাসযোগ্যতা আদি গুণৰাশি। ভেঙ্গাৰ অৱস্থাত থকা লংকা এম ই স্কুলৰ আৰ্থিক সকাহৰ বাবে শিক্ষাগুৰুসকলৰ

তত্ত্বাৱধানত আমি দাঁতিকাষৰীয়া গাঁওবোৰত হুঁচৰি গাবলৈ যাবলগীয়া হৈছিল; সৰস্বতী পূজা, জন্মাষ্টমী তিথি আৰু অনান্য উৎসৱত খৰি লুৰিবলৈ যাবলগীয়া হৈছিল আৰু বিদ্যালয় প্ৰাংগনৰ ফুলনি-শাকনিত কোৰ মৰা, পানী দিয়া আদি কাম কৰিবলগীয়া হৈছিল। এই সকলোবোৰ কামতে ৰংবং আছিল সদায় আগৰণুৱা। প্ৰচণ্ড শীতকো নেওচি দোকমোকালিতে শোৱাপাটী এৰি শাকনিত পানী দি থকা ৰংবঙক আমি জোকাইছিলো এই বুলি, 'ঐ ছাৰসকলক তেল মাৰিছ, এইবাৰ পৰীক্ষাত তয়েই বেছি নম্বৰ পাবি দে।' তেওঁ কিন্তু এনেবোৰ ঠাট্টা-মস্কৰালৈ ভ্ৰূক্ষেপ নকৰি নিৰ্বিকাৰচিত্তে নিজ কাম কৰি গৈছিল। শিক্ষাগুৰুসকলৰ আস্থাভাজন হোৱা বাবে তেওঁক আমাৰ ইউনিয়ন ছেক্ৰেটাৰী পাতি দিয়া হৈছিল। তেওঁৰ নেতৃত্বতে বিদ্যালয় আৰু শিক্ষা সম্পৰ্কীয় কেইবাটাও সামাজিক অন্যায়ৰ বিৰুদ্ধে আমি সফল প্ৰতিবাদ সাব্যস্ত কৰিছিলো। এনেদৰেই কিশোৰকালতে তেওঁ নেতৃত্বৰ গুণ আহৰণ কৰিছিল।

স্কুলীয়া ছাত্ৰ ৰংবঙৰ বিদ্যায়তনিক আৰু অ-বিদ্যায়তনিক উভয় ক্ষেত্ৰতে সমান দখল আছিল। লংকা এম ই স্কুলত পঢ়ি থকাৰ পৰাই তেওঁৰ সাহিত্যচৰ্চাৰ অভ্যাস গঢ়ি উঠে। হাতে লিখি প্ৰকাশ কৰা বিদ্যালয়খনৰ প্ৰথম সংখ্যাৰ আলোচনীখনতেই তেওঁৰ সাহিত্য সাধনাৰ বীজ অংকুৰিত হয় বুলি ক'ব পাৰি। লংকা উচ্চ ইংৰাজী বিদ্যালয় ফুটবল দলৰ দক্ষ গ'লকীপাৰ আৰু ভলীবল দলৰ শ্ৰেষ্ঠ ফিংগাৰাৰৰূপে তেওঁ খ্যাতি অৰ্জন কৰিছিল। মোৰ বোধেৰে সাহিত্যচৰ্চাৰ পিছতে ৰংবঙৰ প্ৰিয় চখ হ'ল সংগীত। বিশেষকৈ সুৰ সম্ৰাট ডঃ ভূপেন হাজৰিকাৰ গীতৰ প্ৰতি তেওঁৰ অনুৰাগ সৰ্বাধিক। বাল্যবস্থাৰ পৰাই ডঃ হাজৰিকাৰ 'ৰংমন মাছলৈ গ'ল, অস্ত আকাশৰে..., সাগৰ সংগমত, আকাশী গংগা বিচৰা নাই, মানুহ যদিহে নহয় মানুহ' শীৰ্ষক গীতসমূহ বিভিন্ন অনুষ্ঠানত পৰিৱেশন কৰি তেওঁ সমাদৃত হোৱা দেখিছোঁ। সেয়েহে হ'বলা ডঃ হাজৰিকাৰ গীততো ৰংবং নামটো সোমাই পৰিছে। আমি তেতিয়া সপ্তম-অষ্টম মানৰ ছাত্ৰ। সময় গধূলি। বোৰ্ডিঙৰ আবাসীসকলৰ কোনোৱে পঢ়া-শুনা টেবুলত আৰু কোনোবাজন ৰন্ধা-বঢ়াত ব্যস্ত। আমি অভ্যাসবশতঃ কোনে কি কৰিছে চাবলৈ ওলাই গ'লো। ৰংবঙৰ কোঠাৰ দুৱাৰ বন্ধ, কিন্তু ভিতৰত গোপগোপকৈ কিহবাৰ পদধ্বনি। আমি বেৰৰ জলঙাৰে জুমি চাই দেখিলো তেওঁ নানা অংগী-ভংগীৰে নৃত্যৰ আখৰা কৰি আছে। 'হেৰৌ, কি কৰিছ?' বুলি আমি সোধাত তেওঁক কিছু অপ্ৰস্তুত হোৱা দেখা গ'ল আৰু লগে লগে জ্বলি থকা চাকিটো নুমুৱাই দিলে। অৱশ্যে প্ৰয়োজনীয় সাৰ-পানীৰ অভাৱত বালক ৰংবঙৰ নৃত্যৰ প্ৰতি থকা হাবিয়াসে বিকশিত হোৱাৰ সুযোগ নাপালে।

সৰুকালৰ পৰাই বিনয়ী, নিৰ্জু আৰু স্বল্পভাষীৰূপে পৰিচিত ৰংবং তেৰাঙৰ ৰসবোধৰো অভাৱ নাছিল। এবাৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প এটা আমি শ্ৰেণীকোঠাত পঢ়িছিলো। গল্পৰ মূল চৰিত্ৰ ল'ৰাজনে বৰশীৰে এজাক পোনা থকা এজনী গৰৈ মাছ ধৰিছিল। নিশা সপোনত মাতৃহীন পোনাজাকে ল'ৰাজনৰ চাৰিওফালে বেঢ়ি ধৰি ইনাই-বিনাই কন্দাত তেওঁৰ মনলৈ গভীৰ অনুশোচনা আহিছিল। গল্পটো পঢ়াৰ কেইদিনমানৰ পাছত এদিন ৰংবঙে আমাৰ কেইজনমানৰ আগত গহীনাই ক'বলৈ ল'লে, 'বুজিছহঁত। কালি গধূলি ছাগলী মাংসৰে ভাত খাইছিলো। ৰাতি শুই থাকোঁতে সপোনত ছাগলী এটা আহি মোক ক'লে, তহঁতে আমাক কাটি-মাৰি খাব কিয়? আমি কিমান দুখ পাওঁ তহঁতে জানো জান?' কথাখিনি কৈ সি কিছু আঁতৰত বহিলগৈ আৰু সন্তৰ্পণে আমাৰ প্ৰতিক্ৰিয়ালৈ লক্ষ্য কৰি থাকিল। খন্তেক পৰৰ পাছতে তাৰ ফাঁকটি ধৰিব পাৰি 'তই কেতিয়াৰ পৰা

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত ঠাই পালি?’ বুলি তালৈ চোঁচা ল’লে। সিও আমোদ পাই হাঁহি-হাঁহি দৌৰি পলাইছিল। আকৌ, শিক্ষকৰ অবৰ্তমানত আমি কেইজনমান ছাত্ৰই শ্ৰেণীকোঠাত আঁৰি থোৱা কৃষ্ণ ফলকত প্ৰায়ে ইংৰাজীত ‘বৰ্ড-বিল্ডিং’ খেলিছিলো। তেওঁ ৰস সৃষ্টিৰ অভিপ্ৰায়েৰে কেতিয়াবা একোটা নোহোৱা-নোপজা শব্দ সাজি আমাক আহুকালত পেলোৱাৰ প্ৰয়াস কৰে আৰু ধৰা পৰিলে দাঁত নিকতাই হাঁহি খৰখোজে স্থান ত্যাগ কৰে। এবাৰ কিন্তু তেওঁ নিজেও বেয়াকৈ ঠগন খাইছিল। বিদ্যালয়ৰ বিচিত্ৰানুষ্ঠানবোৰত শিক্ষাগুৰুৰ পৰিচালনাত আমি নাটকৰ দুই-এটা দৃশ্য মঞ্চস্থ কৰাৰ সুযোগ পাইছিলো। পিয়লি ফুকন নাটকৰ অৰ্জুনগুৰিৰ মেলাত ৰংবঙে নাম-ভূমিকাত অভিনয় কৰিছিল। পিছৰবাৰতো কুশল কোঁৱৰ নাটকৰ এটা দৃশ্যৰ বাবে শিক্ষকসকলে তেওঁকে মূল চৰিত্ৰত অভিনয়ৰ সুযোগ প্ৰদান কৰাত লগৰীয়া কেইজনমান ছাত্ৰ বিতুষ্ট হৈ মন্ত্ৰণাত বহিল। মন্ত্ৰণাৰ ঘাইনেতা আছিল প্ৰয়াত পৰশুৰাম বৰ্মন (ডিমাছা-কছাৰী)। তেওঁলোকে ৰংবঙক বুজাব ধৰিলে, ‘কুশল কোঁৱৰক ফাঁচি কাঠত ওলমোৱা হৈছিল। আমাৰ ট্ৰাইবেল মানুহৰ বাবে এনে চৰিত্ৰত অভিনয় কৰাতো মহাপাপ। সমাজে বিচাৰ কৰি শাস্তি বিহিব।’ সহজ-সৰল ৰংবং তেৰাং এই কথাত পতিয়ন গ’ল আৰু বিভিন্ন অজুহাত দেখুৱাই চৰিত্ৰটো ৰূপায়ণ কৰিব নোৱাৰে বুলি শিক্ষকক জনাই দিলে। সুযোগৰ অপেক্ষাত বৈ থকা পৰশুৰাম বৰ্মন কুশল কোঁৱৰ হ’ল। এই চক্ৰান্তৰ কথা ৰংবঙে বুজি উঠোঁতে যথেষ্ট পলম হ’ল।

এনেবোৰ অম্ল-মধুৰ সোৱাদ লৈ কৈশোৰ নদীত উটি-ভাহি গৈ থাকি ১৯৫৮ চনত লংকা হাইস্কুলৰ আমি ষোল্ল-সোতৰজন মান ছাত্ৰই প্ৰথমচাম পৰীক্ষাৰ্থীৰূপে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হওঁ। সেই পৰীক্ষাত ৰংবং তেৰাং, জয়গোবিন্দ শইকীয়া আৰু এই লেখক, তিনিজনেহে উত্তীৰ্ণ হ’ব পাৰিছিলো। জয়গোবিন্দ শইকীয়া লংকা হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ পদত থাকি ২০০১ চনৰ ৩১ ডিচেম্বৰৰ দিনা চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। উল্লেখ্য, শইকীয়া পঢ়া-শুনাত আমাতকৈ কিছু আগবঢ়া আছিল। লগৰ বাকীসকলে ইতিমধ্যে লংপেণ্ট-পাইজামা পৰিধান কৰিছিল যদিও আমি তিনিজনে হাফপেণ্ট পিন্ধিয়েই নগাঁও চহৰলৈ গৈ মেট্ৰিক পৰীক্ষাত বহিছিলো।

বকলীয়াঘাট আৰু পুৰণা কাৰ্কী অঞ্চলৰ অৰণ্যানীৰ মাজত টিমিক-ঢামাককৈ জ্বলি থকা শিশু ৰংবংৰূপী জোনাকী পৰুৱাটি নিজ অধ্যৱসায় আৰু একলব্য সাধনাৰ বলত এতিয়া অসমৰ সাহিত্যাকাশত পূৰ্ণচন্দ্ৰৰূপে বিকশিত হৈ পোহৰ বিলাব পাৰিছে, শৈশৱ আৰু কৈশোৰৰ সহপাঠীসকলৰ বাবে ইয়াতকৈ অধিক আনন্দ আৰু গৌৰৱৰ বতৰা কি থাকিব পাৰে! ৰাষ্ট্ৰীয় সন্মান পদ্মশ্ৰী, শ্ৰীশ্ৰী মাধৱদেৱ বঁটা, বিষ্ণুৰাভা বঁটা আৰু বাসুদেৱ জালান বঁটা আদি অনেক সন্মানেৰে বিভূষিত ৰংবং তেৰাং শেহতীয়াকৈ অসম সাহিত্য সভাৰ ৭০তম অধিৱেশনৰ বাবে সভাপতি নিৰ্বাচিত হোৱাত আমাৰ হৰ্ষোল্লাস ভাষাৰে বৰ্ণাব নোৱাৰো। আমাৰ বিশ্বাস, ৰংবঙৰ সুযোগ্য নেতৃত্বত অসমৰ সাহিত্যচৰ্চাৰ ক্ষেত্ৰখনে উৰ্ধ্বগতি লাভ কৰিব, সাম্প্ৰতিক কালৰ অসম আৰু অসমীয়া সমাজৰ জ্বলন্ত সমস্যাৰাজি সমাধানৰ পথ অন্বেষণত সাহিত্য সভাই আগভাগ ল’ব আৰু ক্ৰমাৎ মৰহি যাব ধৰা জাতি-জনগোষ্ঠীৰ মাজৰ সমন্বয় আৰু ঐক্যসূত্ৰডাল পুনৰ সজীৱ হৈ উঠিব। ভাষা জননীক পূজিবলৈ বিভূৱে তেওঁক সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰদান কৰক। এই পূজাৰ বেদীত প্ৰকৃতিপুত্ৰ ৰংবং তেৰাংৰূপী তুলসীৰ লগতে আমি একালৰ সহচৰসকলেও কল পটুৱাৰ ৰূপত মুক্তি লভাৰ আশাৰে আজীৱন ক্ষণ গণি থাকিম।

ফুটবল আৰু ভলীবল খেলত আমাৰ শ্ৰেণীৰ পৰশু বৰ্মন আৰু ৰংবং তেৰাঙে ভাল খেলিছিল। দুয়োজনেই ফুটবলৰ গ'লকিপাৰ আছিল। লংকাৰ ফুটবল টিমে বাহিৰলৈ খেলিবলৈ গ'লে এওঁলোক দুজনক হায়াৰ কৰি লৈ গৈছিল। ভলীবলৰ চাৰ মৰাত পৰশু ভাল আছিল। ৰংবং ফিটাৰ আছিল। ৰংবঙৰ ফিংগাৰিং আছিল শিল্পসুলভ, ক্লাছিক।

শৈশৱৰ লংকা, লংকা হাইস্কুল আৰু ৰংবং তেৰাং

জয়গোবিন্দ শইকীয়া

ৰূপছিং তেৰাং আছিল ৰাজ্য চৰকাৰৰ বন বিভাগৰ নিম্ন পৰ্যায়ৰ চাকৰিয়াল। তেওঁ আছিল আক্ষৰিক অৰ্থত সহজ, সৰল, সৎ আৰু নিষ্ঠাবান কৰ্মচাৰী। তেওঁ কম দৰমহাৰ চাকৰিৰে অভাৱ-অনাটনৰ মাজেদি এটা ডাঙৰ পৰিয়ালৰ ভৰণ-পোষণ দিবলগা হৈছিল। অভাৱ-অনাটনৰ কথা চিন্তা নকৰি একান্তভাৱে নিষ্ঠা আৰু একাগ্ৰতাৰে নিজ কৰ্তব্য কৰি গৈছিল। তেওঁৰ কামত সন্তুষ্ট হৈ তেওঁক প্ৰমোচন দিয়া হৈছিল। নতুন পদত কিছুদিন কাম কৰাৰ পিছত নতুন পদৰ কামৰ লগত নিজকে খাপ খুৱাব নোৱাৰি আগৰ পদত ঘূৰাই নিবলৈ বিভাগীয় বিষয়াক জোৰকৈ ধৰিলেগৈ। বিভাগীয় বিষয়াই উপায় নাপাই পুনৰ আগৰ পদলৈকে ঘূৰাই নিলে। ৰূপছিং তেৰাঙৰ এই কাণ্ড-কাৰখানা দেখি বহুতে আচৰিত হৈছিল আৰু বহুতে বুৰ্বক বুলি তেৰাঙক ককৰ্থনাও কৰিছিল। আমি স্কুলত পঢ়ি থকা সময়ত এই ঘটনাৰ কথা শুনিছিলো।

মেট্ৰিক পাছ কৰি কলেজত পঢ়োঁতে ইংৰাজী পাঠ্যপুথিত থকা ৰুছ গল্পকাৰ নিক'লাই গগলৰ The Clock গল্পটো পঢ়ি কাহিনীৰ নায়ক একাকী একাকিভিচত ৰূপছিং তেৰাঙক পাই আচৰিত হৈছিলো। এতিয়া অনুভৱ হৈছে একাকী একাকিভিচ, ৰূপছিং তেৰাং আদি বিশ্বৰ নিঃস্ব, অৱহেলিত শ্ৰমজীৱী মানুহৰ আভ্যন্তৰত নিহিত নিষ্ঠা, একাগ্ৰতা, সততাৰ মহত্বক দেখিবলৈ পাইছিল কাৰণেই

গগনৰ দৰে সাহিত্যিকসকল কালজয়ী, মহৎ, অমৰ।

এইজন মহৎ ব্যক্তি ৰূপসিং তেৰাঙৰ সুসন্তান ৰংবং তেৰাং সু-সাহিত্যিক, পদ্মশ্রী আৰু আজিৰ অসম সাহিত্য সভাৰ নির্বাচিত সভাপতি। ৰংবঙৰ দেহত পিতাক ৰূপছিং তেৰাঙৰ নিষ্ঠা, একাগ্ৰতা আৰু সততাৰ ৰক্ত প্ৰবাহিত। দৰিদ্ৰ পৰিয়ালৰ দুখ, কষ্ট, বেদনাৰ লগত সংগ্ৰাম কৰি লক্ষ্যত উপনীত হ'বৰ বাবে নিষ্ঠা, একাগ্ৰতা আৰু সততাৰে সংগ্ৰাম কৰি সফলতাৰ হাঁহি মাৰিবলৈ সক্ষম হৈছে।

ৰংবং তেৰাঙৰ জন্ম হৈছিল তেতিয়াৰ অবিভক্ত নগাঁও জিলাৰ, বর্তমানৰ কাৰ্বি আংলং জিলাৰ বকলীয়াঘাটৰ ওচৰৰ উদালী গাঁৱত, ১৯৩৭ চনত। দেউতাক প্ৰয়াত ৰূপছিং তেৰাঙে পুৰণা কাকীৰ লালুং গাঁৱত (নগাঁও জিলাত) বন বিভাগৰ অফিচত চাকৰি কৰি থকা অৱস্থাত অফিচৰ কাষতে মাটি এডোখৰ লৈ ঘৰ-বাৰী সাজি পৰিয়ালটো থকাৰ ব্যৱস্থা কৰে। লালুং গাঁৱৰ কাকী প্ৰাথমিক বিদ্যালয়ত তেৰাঙৰ প্ৰাথমিক শিক্ষা আৰম্ভ হয়। দেউতাক লংকালৈ বদলি হৈ অহাত দেউতাকৰ লগত বন বিভাগৰ কোৱাৰ্টাৰত থাকি লংকা প্ৰাথমিক বিদ্যালয়ত পঢ়িবলৈ লয়। প্ৰাথমিক বিদ্যালয়ৰ পৰীক্ষা পাছ কৰাৰ পিছত দেউতাক বদলি হৈ আন ঠাইলৈ গুচি যাবলগা হোৱাত স্কুল চৌহদত ব'ৰ্ডিং ঘৰ সাজি ৰংবঙৰ থকাৰ ব্যৱস্থা কৰা হয়। সেই সময়ত দূৰ-দূৰণিৰ কাৰ্বি আৰু ডিমাছা ছাত্ৰসকলে প্ৰাথমিক স্কুলত পঢ়োঁতে স্কুল চৌহদত ব'ৰ্ডিং ঘৰ সাজি তাতে থাকি পঢ়া-শুনা কৰিছিল। তেৰাঙেও তেনেকৈয়ে লংকা প্ৰাইমাৰী স্কুলৰ ব'ৰ্ডিঙত মেট্ৰিক পৰীক্ষা দিয়ালৈকে আছিল।

প্ৰাথমিক বিদ্যালয়ত তেৰাং আমাতকৈ এটা শ্ৰেণী ওপৰত আছিল। ১৯৫০ চনত লংকা প্ৰাথমিক বিদ্যালয়তে বৰ্তমানৰ লংকা হাইস্কুলৰ শুভ আৰম্ভণি ঘটে। প্ৰথম বছৰ ক্লাছ থ্ৰি আৰু ক্লাছ ফ'ৰ নাম দি দুটা শ্ৰেণী খোলা হয়। যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক পৰীক্ষা পাছ কৰিছিল আৰু দ্বিতীয় শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ প্ৰামোচন পাইছিল, তেওঁলোকক ক্লাছ থ্ৰীত নামভৰ্তি কৰিবলৈ দিছিল। আন স্কুলত ক্লাছ থ্ৰী পাছ কৰি অহা ছাত্ৰ-ছাত্ৰীসকলক ক্লাছ ফ'ৰত নাম লগাবলৈ দিছিল। ৰংবং তেৰাঙে প্ৰাথমিক স্কুলৰ তৃতীয় শ্ৰেণী পাছ কৰি আৰু আমি দ্বিতীয় শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ প্ৰমোচন পাই ক্লাছ থ্ৰী পাইছিলো। এনেকৈয়ে ৰংবং তেৰাং আমাৰ সহপাঠী, বাল্যবন্ধু হ'ল।

১৯৫০ চনৰ লংকা আছিল নগাঁও জিলাৰ ভিতৰত আটাইতকৈ পিছপৰা অঞ্চলৰ এটা অঞ্চল। দ্বিতীয় বিশ্বযুদ্ধৰ শেষৰফালে স্থাপন কৰা সেনাৰ ঘাটি বিশ্বযুদ্ধ শেষ হোৱাৰ লগে লগে উঠাই লৈ যোৱাত পৰিত্যক্ত ঠাইডোখৰ বন-জংঘলেৰে ঢাক খাই আছিল। তেতিয়াৰ নগাঁও জিলাৰ মেপত লংকাৰ নাম নাছিল। লংকাৰ পৰা পাঁচ কিলোমিটাৰ দূৰৰ তেতিয়াৰ কপিলী নদীৰ ঘাট খাৰিয়ানাৰ নামহে মেপত আছিল। এতিয়াৰ উত্তৰ কাছাৰ, কাৰ্বি অংলং আৰু লংকাৰ কাষৰে-পাঁজৰে ধান, মাহ, সৰিয়হ, তিল, কপাহ, কাঠ, বাঁহ আদি প্ৰচুৰ পৰিমাণে উৎপন্ন হৈছিল। এই উৎপাদিত সামগ্ৰীবোৰ খাৰিখানা ঘাটেদি বাহিৰলৈ সৰবৰাহ হৈছিল। সেয়ে খাৰিখানাৰ গুৰুত্ব আছিল।

লংকাত তেতিয়া সৰুকৈ মঙলবৰীয়া সাপ্তাহিক বজাৰ বহিছিল। দূৰ-দূৰণিৰ পৰা খোজকাঢ়ি অহাৰ উপৰি চাপৰমুখ, কামপুৰ, যমুনামুখ, হোজাই, লামডিং আদি ঠাইৰ পৰা ৰে'লেৰে মানুহ বজাৰলৈ আহিছিল। ইতিমধ্যে কপিলী নদীয়ে গতি সলনি কৰাত খাৰিখানা নদীৰ ঘাট হৈ নাথাকিল। এৰা কপিলীৰ পৰিত্যক্ত পাৰ হৈ পৰিল। স্বাধীনতাৰ অব্যৱহিত পৰত লংকা, নগাঁও পথত বাছ চলাচল হ'বলৈ ধৰাত লংকা ব্যৱসায়ৰ কেন্দ্ৰ হৈ আহিবলৈ ধৰে।

লংকা প্ৰাইমাৰী স্কুলৰ এটা কোঠালিত তেতিয়াৰ পোষ্ট অফিচ আছিল। পোষ্ট মাষ্টৰ আছিল

প্ৰাইমাৰী স্কুলৰ হেডপণ্ডিত প্ৰয়াত সংমল বৰুৱাদেৱ। প্ৰাইমাৰী স্কুলৰ গাত গা লগাকৈ উত্তৰে কলাজ্বৰ চিকিৎসাৰ বাবে স্থাপিত স্বাস্থ্যকেন্দ্ৰ আৰু পশ্চিমে বন বিভাগৰ কাৰ্যালয়, নাতিদূৰত ৰে'ল ষ্টেচন। ইয়াৰ বাহিৰে তেতিয়াৰ লংকাত কোনোধৰণৰ চৰকাৰী কাৰ্যালয় বা অনুষ্ঠান নাছিল।

লংকাৰ ওচৰে-পাঁজৰে ক'তো উচ্চ হাইস্কুলতো নাছিলেই, এম ই স্কুলো নাছিল। লংকাৰ পৰা চৈধ্য কিলোমিটাৰ দূৰত হোজাইত আব্দুল হাচিব হাইস্কুল আছিল। নগাঁৱৰ পৰা লংকালৈকে ৬৬ কিলোমিটাৰ ৰাস্তাৰ দুয়োকাষে ক'তো এখন হাইস্কুল নাছিল। এনে এক পৰিবেশত লংকা প্ৰাইমাৰী স্কুলৰ হেডপণ্ডিত প্ৰয়াত সংমল বৰুৱা আৰু আন কেইগৰাকীমান শিক্ষাপ্ৰেমী ব্যক্তিৰ প্ৰচেষ্টাত ১৯৫০ চনৰ এক শুভ মুহূৰ্তত লংকা প্ৰাইমাৰী স্কুলতে লংকা হাইস্কুলৰ শুভ আৰম্ভণি ঘটে। লংকাত শিক্ষিত মানুহ নাছিলেই। ১৯৫০ চনৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগে লগে কামপুৰৰ সূৰ্যকান্ত লস্কৰদেৱক হাফপেণ্ট পিন্ধি থকা অৱস্থাতেই প্ৰধান শিক্ষক হিচাপে নিযুক্তি দি লংকালৈ লৈ আহিছিল।

১৯৫২ চনত প্ৰয়াত সোমনাথ দত্তদেৱক লংকা এম ই স্কুলৰ প্ৰধান শিক্ষক হিচাপে নিযুক্তি দি অনা হ'ল। তেখেত অহাৰ লগে লগে কেৱল স্কুলৰে নহয় লংকাৰে ৰং সলনি হ'ব ধৰিলে। তেতিয়ালৈকে লংকাত কেৱল ফুটবল খেল আৰু কালিপূজাত কলিকতাৰ যাত্ৰা পাৰ্টিয়ে কৰা যাত্ৰা ভাওনা বছৰত এবাৰকৈ হৈছিল। সোমনাথ দত্ত ছাৰে আহিয়েই স্কুলত ফুটবল, ভলীবল, বেডমিণ্টন, কেৰম আদি খেলৰ প্ৰচলন কৰিলে। সৰস্বতী পূজা, ব'হাগ বিহুত নৃত্য-গীত আদিৰে বিচিত্ৰানুষ্ঠান পাতিবলৈ ল'লে। স্কুলত লাইব্ৰেৰী স্থাপন কৰি জ্ঞানদায়িনী সভা পাতিবলৈ ল'লে। দুখীয়া ছাত্ৰ-ছাত্ৰীৰ সাহায্যৰ বাবে দৰিদ্ৰ পুঁজি এটাও গঠন কৰা হ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ চেতনা বিকাশৰ বাবে ছাত্ৰ একতা সভা আৰু জ্ঞানদায়িনী সভা পাতি দিছিল। ছাত্ৰ একতা সভা আৰু জ্ঞানদায়িনী সভাৰ সম্পাদক বেলেগ বেলেগ আছিল। প্ৰতি শনিবাৰে স্কুল ছুটীৰ পিছত জ্ঞানদায়িনী সভা বহিছিল। তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, আবৃত্তি, গীত আদি হৈছিল। সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ উপস্থিতি আছিল বাধ্যতামূলক। এনেবোৰ বিষয় আমি আগতে দেখাও নাছিলো, শুনাও নাছিলো। যদিও আমাক সভাত কেনেকৈ কথা ক'ব লাগে, কি ক'ব লাগে শিকাই দিছিল, তথাপি আমি সভাত থিয় হৈ ক'বলৈ যাওঁতে আমাৰ হাত-ভৰি কঁপিছিল, নাৰ্ভাছ হৈ একো ক'ব পৰা নাছিলো। ৰংবং তেৰাঙৰো একে অৱস্থা হৈছিল। শেষৰফালে সকলোৱে কিছু কিছু ক'ব পৰা হৈছিল।

প্ৰতিবছৰে একোখন হাতে লিখা আলোচনী ওলাবলৈ লৈছিল। জ্ঞানদায়িনী সভাৰ সম্পাদকজনেই আছিল আলোচনীৰো সম্পাদক। আলোচনীখনৰ নাম দিয়া হৈছিল 'ৰেঙণি'। আলোচনীৰ 'ৰেঙণি' নামটো শিক্ষক কুমুদ ৰায়চৌধুৰীদেৱে দিছিল। আলোচনীৰ প্ৰথম বছৰৰ সম্পাদক আছিল সুবল কৃষ্ণ কুণ্ডু। প্ৰথম বছৰৰ 'ৰেঙণি'ত ৰংবং তেৰাঙৰ 'গুৰি পৰুৱা' নামৰ লেখা এটা প্ৰকাশ পাইছিল। লেখাটো গল্পই আছিল নে প্ৰবন্ধই আছিল পাহৰিলো। কুমুদ ৰায়চৌধুৰী ছাৰে শ্ৰেণীত 'মাউথে উটিলে গুৰি পৰুৱাৰো মৰণ নাই' আমাক তাৰ গুঢ়াৰ্থ ব্যাখ্যা কৰি বুজাই দিছিল। দোৱাতৰ অসমীয়া নাম মৈলাম আৰু কলমৰ নাম কাপ, এনেবোৰ কথাও আমাক শ্ৰেণীত কৈছিল। আৰু কৈছিল কাগজৰ অসমীয়া নাম তুলাপাত।

লেখাটোৰ আঁৰৰ কাহিনী তেৰাঙে কোৰামতে এদিন ৰাতিপুৱা বিছনাত বহি থাকোঁতে মজিয়াত গুৰি পৰুৱাৰ লানি এটা দেখি একান্তমনে চাই থাকোঁতে মনলৈ বোলে ভাব এটা আহিল। ভাবটো

ধৰি ৰাখিবৰ বাবেই বোলে, কাগজ, কলম হাতত লৈ লিখিবলৈ ল'লে। আৰু লেখাটোৰ নাম দিলে 'গুৰি পৰুৱা'। লিখাটোৰ শেষৰ বাক্যটো আছিল— 'মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই।' দোৱাত, কলম হাতত লৈ কাগজত লিখিবলৈ ল'লো নিলিখি 'কাপ মৈলাম হাতত লৈ তুলাপাতত লিখিবলৈ ল'লো' লিখিলে।

ছাত্র-ছাত্রীসকলৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে সাম্ভাব্য সকলোধৰণৰ চেষ্টা চলোৱা হৈছিল। স্কুল চৌহদত ফুলনি আৰু শাকনিবাৰী পাতিছিল। ছাত্রসকলৰ হতুৱাই কোৰ মৰাই, চহাই পুলিবোৰ কৰাইছিল। শীতকালি স্কুল ছুটীৰ পিছত ছাত্রসকলৰ হতুৱাই আৰু ৰাতিপুৱা ব'ৰ্ডিঙৰ ছাত্রসকলৰ হতুৱাই পানী দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ব'ৰ্ডিঙত থকা ৰংবং তেৰাঙে আঘোণ-পুহ মাহৰ ঠাণ্ডাত ৰাতিপুৱাই সকলোতকৈ আগতে শুৱাৰ পৰা উঠি পানী দিবলৈ আৰম্ভ কৰাৰ পিছতহে আন ছাত্র-ছাত্রীসকলে পানী দিবলৈ আহিছিল। তাকে দেখি ব'ৰ্ডিঙৰ দায়িত্বত থকা শিক্ষকজনে ৰংবঙৰ আদৰ্শ ল'বলৈ পৰামৰ্শ দিছিল। শিক্ষকগৰাকীয়ে পিঠি দিয়াৰ লগে লগে বাকী ছাত্রসকলে ৰংবং তেৰাঙক 'একান্ত বাধ্য ছাত্ৰ', 'মহাত্মা গান্ধীৰ শিষ্য' আদি কৈ নানান ঠাট্টা-মস্কৰা কৰিছিল। তেৰাহে সেইবোৰ ঠাট্টা-মস্কৰা মিচিকিয়া হাঁহিৰে সামৰি থৈছিল।

ফুটবল আৰু ভলীবল খেলত আমাৰ শ্ৰেণীৰ পৰশু বৰ্মন আৰু ৰংবং তেৰাঙে ভাল খেলিছিল। দুয়োজনেই ফুটবলৰ গ'লকিপাৰ আছিল। লংকাৰ ফুটবল টিমে বাহিৰলৈ খেলিবলৈ গ'লে এওঁলোক দুজনক হায়াৰ কৰি লৈ গৈছিল। ভলীবলৰ চাব মৰাত পৰশু ভাল আছিল। ৰংবং ফিটাৰ আছিল। ৰংবঙৰ ফিংগাৰিং আছিল শিল্পসুলভ, ক্লাছিক।

এবাৰ বিচিত্ৰানুষ্ঠানত কুশল কোঁৱৰ নাটকৰ শেষ দৃশ্যটো দেখুৱাবৰ বাবে ৰংবং তেৰাঙক কুশল কোঁৱৰৰ ভাওটো দিয়া হ'ল। ভাওটো পৰশু বৰ্মনৰ কৰিবলৈ মন গ'ল। গধূলি ব'ৰ্ডিঙত ৰংবঙক ক'লে বোলে তই যে কুশল কোঁৱৰৰ ভাওটো কৰিবলৈ ওলাইছ, তই জাননে নাজান নাটকত কুশল কোঁৱৰক ফাঁচি দিয়াৰ দৃশ্য আছে। ফাঁচি দিয়াৰ দৃশ্যটো দেখিলে তোক আৰু গাঁৱলৈ যাবলৈ নিদিব। গতিকে তই ভাওটো নকৰিবি। হোলাৰ ভাই মুলা তেৰাঙে পিছদিনা ৰিহাৰ্চেলৰ সময়ত দত্ত ছাৰক ভাওটো কৰিব নোৱাৰিম বুলি কাওবাও কৰিবলৈ ধৰিলে। দত্ত ছাৰ চিন্তাত পৰিল। তেনেতে পৰশু বৰ্মনে বোলে ছাৰ ৰংবঙে যদি নকৰে তেন্তে ময়েই ভাওটো কৰিম। দত্ত ছাৰৰ চিন্তাৰ অন্ত পৰিল। পৰশু বৰ্মনে বিচিত্ৰানুষ্ঠানত কুশল কোঁৱৰৰ ভাওটো কৰি প্ৰশংসা আৰু পুৰস্কাৰো পালে। পিছত শ্ৰেণীত মুকুন্দ বড়োৱে তেৰাঙলৈ চাই টিপ্পনি কাটিলে— 'কছাৰীয়ে (পৰশু) মিকিৰক (ৰংবং) ঠগিলে।' টিপ্পনিটো শুনি সকলোৱে হাঁহি দিয়াত তেৰাঙে মিচিককৈ হাঁহি এটা মাৰি 'হ'বদে' বুলি সামৰি থ'লে।

এদিন মুকুন্দ বড়োৱে তেৰাঙৰ ব'ৰ্ডিঙৰ কাষেদি গৈ থাকোঁতে ভিতৰৰ পৰা ধপ ধপ শব্দ আহি মুকুন্দৰ কাণত পৰাত কিনো হৈছে বুলি বেৰৰ ফাঁকেদি ভিতৰলৈ চোৱাত হিন্দী চিনেমাৰ গীত এটা গাই গাই গানৰ তালে তালে একান্তমনে তন্ময় হৈ তেৰাঙক নাচি থকা দেখিবলৈ পালে। মুকুন্দই বোলে ঐ ক (ককাই), এয়া কি কৰিছ? বাপেৰে তোক ইয়াত নাচিবলৈ থৈছেহিনে? তেৰাঙৰ নাচ সিমানতে অন্ত পৰিল। মুকুন্দই তেৰাঙৰ এই কাণ্ডৰ কথা কোৱাত শ্ৰেণীত হাঁহিৰ ৰোল উঠিল। তেৰাঙে সেমেনা-সেমেনি কৰি হাঁহি হাঁহি ক'লে, 'এই কছাৰীটোৰ আৰু কাম নাই।'

আমি এম ই পৰীক্ষা দিয়াৰ পিছত সৰস্বতী পূজাত শকুনিৰ প্ৰতিশোধ নাটকখন স্কুলৰ সাহায্যাৰ্থে

কৰিছিল। স্কুলৰ শিক্ষক আৰু ছাত্ৰসকলেই ভাওবোৰ কৰিছিল। দৰ্শনী এটকা আৰু তিন টকা আছিল। নাটকখন ভাল হৈছিল। নাটক দুৰাতি হৈছিল। অৰ্জুনৰ ভাৱত ৰংবং তেৰাঙে ভালেই কৰিছিল।

কেৱল খেলা-ধূলা, বিচিত্ৰানুষ্ঠান আদি কৰিয়েই দত্ত ছাৰ ক্ষান্ত থকা নাছিল। স্কুলত শৈক্ষিক পৰিবেশৰ প্ৰতি আটাইতকৈ বেছি গুৰুত্ব দিছিল। শ্ৰেণীত পঢ়া-শুনা নিয়মীয়াকৈ হৈছিল। দহটা বজাৰ পিছত কোনো ছাত্ৰ-ছাত্ৰীকে স্কুলত প্ৰৱেশ কৰিবলৈ দিয়া নাছিল। তিনিমহীয়া, ছমহীয়া, বছৰেকীয়া পৰীক্ষাবোৰ নিয়মীয়াকৈ হৈছিল। ১৯৫২ চনত প্ৰথম চামটোৱে এম ই ফাইনেল পৰীক্ষা দিয়ে। পৰীক্ষাৰ্থী আছিল ছজন। পৰীক্ষাৰ কেন্দ্ৰ আছিল কামপুৰত। আটাইকেইজনেই পাছ কৰে, তাৰে দুজনে প্ৰথম বিভাগ পায়। ১৯৫৩ চনত আমাৰ শ্ৰেণীৰ পৰীক্ষাৰ্থীসকলে এম ই ফাইনেল পৰীক্ষা দিয়ে। এইবাৰৰ পৰীক্ষাৰ্থী সংখ্যা বেছি আছিল। কিমান আছিল মনত নাথাকিলেও এই কথা মনত আছে যে এইবাৰো আটাইকেইজনেই পাছ কৰিছিল আৰু চাৰিজনে প্ৰথম বিভাগ পাইছিল। প্ৰথম বিভাগ পোৱা চাৰিজনৰ ভিতৰত ৰংবং তেৰাঙো আছিল। পৰীক্ষাৰ ফলাফল আবেলি ভাগত পাইছিল। আনন্দতে দত্ত ছাৰে পৰীক্ষাৰ্থী আৰু খবৰ ল'বলৈ যোৱা অভিভাৱকসকলক চাহ আৰু চিঁড়া খুৱাইছিল।

এম ই পৰীক্ষাৰ ফলাফল আশাতীত সফল হ'লেও ধনৰ অভাৱ, বহা ঠাইৰ অভাৱ, শিক্ষকৰ অভাৱৰ বাবে প্ৰথম চামটোৱে পাছ কৰাৰ পাছত হাইস্কুলৰ সপ্তমমান শ্ৰেণীটো খুলিব নোৱাৰিলে। আমাৰ চামটোৱে পাছ কৰাৰ পিছত ১৯৫৪ চনত খেৰ আৰু বাঁহেৰে ঘৰ এটা সাজি সপ্তম শ্ৰেণী খুলিলে। সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতে ৰংবং তেৰাং ছাত্ৰ একতা সভাৰ সম্পাদক হ'ল। ৰংবঙৰ জীৱনৰ এক স্মৰণীয় ঘটনাও ঘটিল।

কিবা কাৰণত মেনেজিং কমিটীৰ শক্তিশালী সদস্য, অভিভাৱকৰ লগত দত্ত ছাৰৰ দ্বন্দ্বৰ সৃষ্টি হ'ল। দত্ত ছাৰৰ স্কুলৰ পৰা যোৱা-থোৱা অৱস্থা। কথাটো গম পাই ছাত্ৰ-ছাত্ৰীসকলে স্কুল ষ্ট্ৰাইক কৰাৰ সিদ্ধান্ত ল'লে। সেইমতে এদিন স্কুল বহাৰ ফাইনেল বেল পৰাৰ লগে লগে ৰংবং তেৰাঙে চুঙা ফুকি ক্লাছৰ পৰা ওলাই আহিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনালে। সম্পাদক ৰংবং তেৰাঙৰ আহ্বান পাই সকলোবোৰ ছাত্ৰ-ছাত্ৰী ওলাই আহি ৰাস্তা পালেহি। দুটা শাৰীত সমদল কৰি দত্ত ছাৰৰ বিৰুদ্ধে তোলা অভিযোগ উঠাই ল'বলৈ আৰু ব্যক্তিগৰাকীৰ বিৰুদ্ধে শ্ল'গান দি গোটেই লংকা পৰিক্ৰমা কৰিলে। তাৰ ফলস্বৰূপে দত্ত ছাৰৰ চাকৰি ৰ'ল, কিন্তু ৰংবং তেৰাঙক ভৱিষ্যতে আৰু এনে কাম নকৰিবলৈ সাৱধান কৰি দিলে। নেতা হোৱাৰ যদি কিবা চিন্তা কৰিছিলেও এই ঘটনাৰ পিছত তেৰাঙে সেই চিন্তা সমূলঞ্চে বাদ দিলে।

১৯৫৬ চনত আমি নৱম শ্ৰেণী পোৱাৰ লগে লগে বৰ্তমান লংকা হাইস্কুল য'ত আছে তালৈ খেৰ-বাঁহৰ অস্থায়ী ঘৰ সাজি লংকা প্ৰাইমাৰী স্কুলৰ চৌহদৰ পৰা গুচি আহিল। ইতিমধ্যে মেনেজিং কমিটীয়ে বৰ্তমান লংকা হাইস্কুল য'ত আছে তাত ২২ বিঘা মাটি স্কুলৰ নামত মঞ্জুৰ কৰি লয়। নৱম শ্ৰেণী খোলাৰ লগে লগে স্কুলৰ Permission আৰু Recognitionৰ কথা আহি পৰিল। তাৰবাবে প্ৰধান শিক্ষকজন স্নাতক হ'ব লাগিব। দত্ত ছাৰ স্নাতক নাছিল। সেয়ে বহু চেষ্টা কৰি তেতিয়াৰ বেবেজীয়া হাইস্কুলৰ সহকাৰী শিক্ষক, বৰ্তমান প্ৰয়াত খগেন্দ্ৰ নাথ শৰ্মাদেৱক লংকা হাইস্কুলৰ প্ৰধান শিক্ষক কৰি অনা হ'ল। তেখেতে মেট্ৰিক পৰীক্ষাত সংস্কৃতত সৰ্বোচ্চ নম্বৰ পাই প্ৰথম বিভাগ পাইছিল। বি এ পৰীক্ষাত সংস্কৃতৰ অনাৰ্ছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা দ্বিতীয়

শ্ৰেণীৰ প্ৰথম হৈছিল। সেইবছৰ বোলে সংস্কৃতত প্ৰথম শ্ৰেণী কোনেও পোৱা নাছিল। স্কুলত শিক্ষকৰ অভাৱ হোৱাত তেখেতে আমাক নৱম আৰু দশম শ্ৰেণীত ইংৰাজী, অংক আৰু সংস্কৃত পঢ়াইছিল। তেখেত আহি পোৱাৰ কিছুদিন পিছতেই লংকা হাইস্কুলে বিভাগীয় Permission আৰু Recognition দুয়োটাই পালে আৰু চৰকাৰৰ পৰা গৃহ নিৰ্মাণৰ বাবে ৩২,০০০ টকা অনুদান পালে। খবৰ পোৱাৰ লগে লগে আনন্দতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে সমদল কৰি গোটেই লংকা পৰিক্ৰমা কৰিছিল।

১৯৫৭ চনত বাছনি পৰীক্ষা আমি স্কুলতে দিছিলো। টেষ্টত এঘাৰজন ছাত্ৰই ফাইনেল পৰীক্ষা দিবৰ বাবে উত্তীৰ্ণ হৈছিল। ১৯৫৮ চনৰ মাৰ্চ মাহত মেট্ৰিকৰ ফাইনেল পৰীক্ষা হৈছিল। পৰীক্ষাৰ কেন্দ্ৰ আছিল নগাঁও। এঘাৰজন পৰীক্ষাৰ্থীৰ তিনিজন উত্তীৰ্ণ হৈছিল। উত্তীৰ্ণ হোৱা এই পৰীক্ষাৰ্থীসকল আছিল ৰংবং তেৰাং, মুকুন্দ বড়ো আৰু জয়গোবিন্দ শইকীয়া। মুকুন্দ বড়োৰ টনটনীয়া মন্তব্যৰ বাবে প্ৰধান শিক্ষক খগেন্দ্ৰ নাথ শৰ্মা ছাৰে বৰ ভাল পাইছিল আৰু মুকুন্দক 'কথাচহকী' উপাধি দিছিল। নিৰ্জু, অমায়িক, সহজ, সৰল স্বভাৱৰ বাবে ৰংবং তেৰাং তেখেতৰ প্ৰিয় আছিল।

লংকা হাইস্কুলৰ প্ৰথমচাম পৰীক্ষাৰ্থীৰ এই ফলাফল তেতিয়াৰ দিনত যথেষ্ট উৎসাহজনক আছিল। ইয়াৰ পিছত লংকা হাইস্কুলে পিছলৈ ঘূৰি চাবলগা হোৱা নাই। ১৯৬২ চনত প্ৰয়াত ভৱতোষ ভট্টাচাৰ্যই প্ৰথম বিভাগ পায়, ১৯৬৬ চনত আব্দুল মান্নানে লেটাৰসহ প্ৰথম বিভাগ পায়, ১৯৭৫ চনত পংকজ বৰুৱাই সংস্কৃতত সৰ্বোচ্চ নম্বৰসহ অষ্টম স্থান লাভ কৰে। ২০০২ চনত আশ্ৰাফুল হক লস্কৰে ১৯তম স্থান আৰু ২০০৬ চনত শংকৰপ্ৰসাদ শইকীয়াই ২০তম স্থান দখল কৰি লংকা হাইস্কুলৰ গৌৰৱৰ এক পৰম্পৰা সৃষ্টি কৰি ৰাখিছে। সোমনাথ দত্ত ছাৰে গঢ় দিয়া দৃঢ় বুনিয়াদৰ ওপৰত ভৰ দি ৰংবং তেৰাঙে লাভ কৰা খ্যাতিয়ে লংকা, কাকী, বকলীয়াৰ নাম যুগমীয়া কৰি ৰাখিব।

তেৰাং ছাৰেও তেওঁৰ কৈশোৰৰ এনে এটি কথা এই লেখকে নোসোধালৈকে গুপুতেই ৰাখিছিল। অৱশ্যে এদিন এই কাকো নোকোৱা কথাকেই এই লেখকৰ আগত প্ৰকাশ কৰিলে, অকণো লুকঢাক নকৰাকৈ, মুখত সেই শিশুসুলভ হাঁহি লৈ, য'ত আজিৰ এই ভোগসৰ্বস্ব, বস্তুবাদী পৃথিৱীৰ কৃত্ৰিমতাৰ লেশমানো স্পৰ্শ নাই।

সান্নিধ্য আৰু সাক্ষাতৰ কিছু উজ্জ্বল দিশ



অৰুণ টৈৰণ

আদিগন্ত বিস্তৃত লানি নিছিগা সেউজীয়া পাহাৰ। তাৰে কোনোবা একোণৰ পৰা উদ্ভাষিত হয় পুৱাৰ প্ৰথম ৰক্তিম সূৰ্যৰ পোহৰ। এনেকৈয়ে অনুদিন কাৰ্বি আংলঙৰ বুকুতো ৰাতি পুৱায়। সূৰ্যাস্তও হয় এইদৰে প্ৰতিদিন।

অনিন্দ্যসুন্দৰ এই দৃশ্যই 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টা ৰংবং তেৰাংদেৱক মোহিত কৰে। সেয়েহে তেওঁ অনুভৱ কৰিছিল— 'সূৰ্যটো তেন্তে মানৱ মনৰ বৰ্ণালী নেকি? কাৰ্বি পাহাৰৰ সূৰ্যৰ যে সাতোটা ৰং!!' ব্যক্তি হিচাপে তেৰাং ছাৰৰ বিশেষত্বটো হ'ল— শান্ত, সমাহিত মুখমণ্ডলত সততে লাগি থকা হাঁহি আৰু শিশুসুলভ সৰলতা, যিটো আজিৰ এই ভোগসৰ্বস্ব পৃথিৱীত খুব কম মানুহৰ মাজতহে দেখা পোৱা যায়। সেয়েহে এদিন 'সাতসৰী' আলোচনীৰ বাবে লোৱা এক সাক্ষাৎকাৰত তেখেতক প্ৰশ্ন কৰিছিলো— 'আপুনি এতিয়ালৈকে যি পালে তাক লৈ সুখীনে? অপ্ৰাপ্তিৰ বেদনাই কেতিয়াবা আপোনাক আমনি কৰে নেকি?

উত্তৰত ছাৰে কৈছিল— 'তুমি বৰ ডাঙৰ কথা ক'লা। সেই কথাবোৰ মই নিজেই নাজানো। যি পাইছোঁ তাতেই মই সন্তুষ্ট। বিচাৰি ফুৰিবলৈকো নাযাওঁ। অপ্ৰাপ্তিৰ বাবে মই কেতিয়াও দুখ নকৰোঁ। মোৰ বেদনাও নাই। ছাৰে আৰু কৈছিল— 'মই থিয় দি থকা মাটিডোখৰ, মোৰ মূৰৰ ওপৰত থকা

বিশাল আকাশখন আৰু মোৰ আশে-পাশে থকা মানুহ আৰু প্ৰকৃতি মোৰ বাবে বৰ মিঠা। এই মিঠা লগা পৰিবেশতে মানুহৰ বৈচিত্ৰ্যময় জীৱনযাত্ৰাৰ দৃশ্যবোৰ দেখি মই অভিভূত হওঁ।'— এৰা ঠিকেই, তেৰাং ছাৰে ঠিকেই কৈছিল। সেয়েহে বোধকৰো সৃষ্টিৰ তাড়নাতে এদিন ৰুগীয়া দেহাৰে লিখিবলৈ আৰম্ভ কৰিছিল কবিতা কবিতা যেন লগা এই বাক্যবোৰ— 'লানি পাতি বগলীৰ জাকবোৰ পাহাৰৰ নামনিয়েদি উৰা মাৰিছে সিহঁতৰ পৰিচিত নীড়বোৰলৈ। দুৰণিৰ পাহাৰবোৰত বনজুই। ফাগুনৰ বতাহজাকে কঢ়িয়াই আনিছে বনজুইৰ পোৰা গোন্ধ। এই গোন্ধত আৰণ্যক সুবাস মিহলি হৈ আছে নিবিড়ভাৱে।

অৰণ্য, পাহাৰ আৰু জুই। মানুহৰ আদিমতম ছবি, মানৱ সভ্যতাৰ বুনিয়াদ...।'

ৰংবং তেৰাংদেৱৰ বিষয়ে লিখাৰ দায়িত্বটো পোৱাৰ পাছতেই প্ৰথমতে কৈশোৰৰ এটা কথা বৰকৈ মনত পৰিছে। মই তেতিয়া ডেনগাঁও হাইস্কুলৰ ছাত্ৰ। এদিন 'দৈনিক অসম' (২৩ জুন, ১৯৭৬) কাকতৰ পৃষ্ঠাত দেখা পালো ৰংবং তেৰাঙৰ 'মিকিৰ পাহাৰ ঃ এখনি ৰঙীণ তথ্যচিত্ৰ'— এই শিৰোনামেৰে এটি লেখা। কাৰ্বি আংলং জিলা পৰিষদৰ তথ্যচিত্ৰ 'প্ৰগতিৰ পথত মিকিৰ পাহাৰ'খনৰ কাম শেষ কৰি ৰচনা কৰা আছিল লেখাটো। সেই লেখাটো পঢ়াৰ পিছত কিয় জানো মোৰ কৈশোৰ মন হাহাকাৰ কৰি উঠিছিল। ময়ো বাৰু কেতিয়াবা এনেদৰে লিখিব পৰা হ'মনে? সেই ৰাতিটোত এই কথাকে ভাবি বহু সময় ধৰি মোৰ টোপনি অহা নাছিল। এতিয়া মনত পেলাবলৈ চেষ্টা কৰিছোঁ— খুব সম্ভৱ সেইটোৱেই আছিল মোৰ লেখাৰ বাবে পোৱা প্ৰথম প্ৰেৰণা। অৱশ্যে তেতিয়া মই সপোনতো ভবা নাছিলো যে এদিন মোৰো তেৰাং ছাৰৰ ছাত্ৰ হোৱাৰ সৌভাগ্য হ'ব। কিন্তু এদিন ময়ো ডিফু চৰকাৰী মহাবিদ্যালয়ত তেৰাং ছাৰৰ ছাত্ৰ হ'লো। তেতিয়াই আবিষ্কাৰ কৰিছিলো আচৰিতভাৱে তেওঁৰ মাজত লুকাই থকা সেই শান্ত-সমাহিত এক ব্যক্তিত্বৰ প্ৰতিচ্ছবি। পদ্মশ্ৰী সন্মানেৰে বিভূষিত তেৰাং ছাৰে এদিন কৈছিল— 'দৰাচলতে মোৰ প্ৰথম হাতে লিখা গঢ়ি 'গুড়ি পৰুৱাৰ' দৰেই ময়ো নিজকে তেনেই সাধাৰণ মানুহ বুলিয়েই ভাবোঁ।'

এৰা ঠিকেই। কিমান 'সাধাৰণ মানুহ' হ'ব পাৰে বাৰু তেওঁ। পবিত্ৰ বৰাই এঠাইত উল্লেখ কৰা এই বাক্যকেইশাৰীৰ পৰা আমি অনুমান কৰিব পাৰোঁ আচলতে তেওঁ কিমান সাধাৰণ মানুহ? 'সহজ-সৰল জীৱন নিৰ্বাহত অভ্যস্ত সাহিত্যিকগৰাকীৰ ব্যক্তিগত জীৱনৰ কেতবোৰ দিশো মন কৰিবলগীয়া। ইলেক্ট্ৰিচিটি, টেলিফোনৰ বিল দিয়াৰ পৰা শাৰী পাতি সমবায় সমিতিয়ে বণ্টন কৰা কেৰাচিন তেললৈকে নিজে সংগ্ৰহ কৰি সু-নাগৰিকৰ পৰিচয় দাঙি ধৰি তেওঁ আনন্দ লভে। সৰু চহৰ ডিফুত ইমূৰৰ পৰা সিমূৰলৈ খোজকাঢ়ি ঘূৰি ফুৰে পদ্মশ্ৰী উপাধিৰে বিভূষিত সৰল প্ৰাণৰ সাহিত্যিকগৰাকী।'

ছাৰক এদিন এটা সাক্ষাৎকাৰত প্ৰশ্ন কৰিছিলো— তেওঁৰ মনত বৈ যোৱা শৈশৱৰ কিছু উল্লেখযোগ্য কথা, যিটোৱে তেওঁৰ ভৱিষ্যৎ জীৱনতো প্ৰভাৱিত কৰিছিল?

উত্তৰত ছাৰে কৈছিল— 'মোৰ শৈশৱৰ উল্লেখযোগ্য বহুতো কথাই আছে।' সেইবোৰে তেওঁৰ জীৱনৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। সেইবোৰৰ ভিতৰৰে জীৱনত বৈ যোৱা স্থায়ী প্ৰভাৱ হ'ল ধূমপান ত্যাগ কৰিব পৰাটো। 'পথাৰত গৰু চৰাওঁতে, স্কুলত পঢ়ি থাকোঁতে, লগৰ লৰাবোৰৰ দৰে ময়ো বিড়ি-চিগাৰেটৰ ধোঁৱা মুখেৰে উলিয়াই আনন্দ পাইছিলো, ঠিক জাৰকালি মুখেৰে ভাপ উলিয়াই ভাল লগাৰ দৰে।' কিন্তু সেই ধেমালীবোৰেযে এজন মানুহৰ কি অনিষ্ট সাধন কৰিব পাৰে তেৰাং ছাৰৰ শিশু মনটোৱে এবাৰৰ বাবেও অনুমান কৰিব পৰা নাছিল। 'আৰু এই অভ্যাসৰ বাবে

অৱশেষত বিড়ি-চিগাৰেট এৰিব নোৱৰা হৈছিলো।'

'গৰু চৰাই থকা কালত এদিন দুপৰীয়া আমগছৰ ছাঁত জিৰণি লৈ পইতু গাঁওবুঢ়া, লছমন, ছুটুৰা, ছামৰা আদি বয়সীয়াল লোকসকলে গাঞ্জা হুপি আড্ডা মাৰি আছিল। সেই আদিবাসী মানুহবোৰৰ লগত আমাৰ ঘৰখনৰ সম্পৰ্ক অতি নিবিড়। প্ৰায় একেখন ঘৰৰ নিচিনা। মই দদাইদেউ বুলি মাতিছিলো। মোক মৰমো কৰিছিল। পইতু খুড়াহতে ব'ম ব'ম ভোলানাথ বুলি চিলিম হুপি থকাৰ দৃশ্যই মোৰ সৰু মনটোক টানি নিছিল আৰু পইতু খুড়াই ছুটুৰা খুড়াক চিলিমটো দিবলৈ কোৱাত চিলিমটো হাতত লৈ ময়ো টান এটা দিছিলো। তাকে দেখি পইতু খুড়াই যি ধম-ধমক দিলে, মই ঠাইতে কান্দি দিছিলো। সেই কান্দোনেই চিলিম হুপাৰ মানসিকতাক চিৰদিনলৈ আঁতৰাই দিলে।

জুৰে এৰিলেও কৰ্পটিয়ে নেৰাৰ দৰে, গৰখীয়া জীৱনত লগ লগা অভ্যাসটো, স্কুলীয়া জীৱনত গহীন হৈ পৰিছিল। কিন্তু সোমনাথ দত্ত ছাৰৰ জেওৰা খৰিৰ কোব খাই ধূমপানৰ অভ্যাসটো জীৱনৰ বাবে এৰি পেলালো।'

আৰু কৈছিল তেওঁৰ শৈশব, কৈশোৰৰ মনত থাকি যোৱা আন এটি ঘটনা— 'স্কুলীয়া জীৱনতেই ঘটিছিল ঘটনাটো। মোৰ শিক্ষা গুৰু সোমনাথ দত্ত ছাৰৰ ঘৰ মাজুলীৰ বনগাঁৱত। দত্ত ছাৰে লগত লৈ গৈছিল। কাষতে দক্ষিণপাট সত্ৰ। সত্ৰলৈ যাবলৈ ছাৰে হাক দিছিল। মোৰ কিন্তু সত্ৰ চাবৰ মন। দত্ত ছাৰৰ ভতিজা কুশৰামে মোক গোপনে দক্ষিণপাট সত্ৰলৈ লৈ গৈছিল আৰু কেৱলীয়া ভকতৰ ওচৰলৈকে তেওঁ মোক লৈ গৈ মোৰ কথাটো ভকতক জনাইছিল। ভকতে মোৰ মুখলৈ চাই থকা দেখি ভয়ো খাইছিলো, ধৰা পৰাৰ ভয়ত। ভয় খাইছিলো এইবাবেই যে মই যে পাহাৰৰ মানুহ, মিকিৰ (তেতিয়া মিকিৰ আছিল) ল'ৰা। ভকতে নামটো সুধিছিল। মই মিছা মাতিলো— ৰমেশ বৰা বুলি। নগাঁৱৰ কোন সত্ৰৰ শিষ্য বুলি ভকতে প্ৰশ্ন কৰাত মই বিপাঙত পৰিছিলো। তৎক্ষণাৎ উত্তৰ দিছিলো নগাঁৱৰ সত্ৰৰ বুলি।

তেতিয়া পুৱা। ভকতে কোমল চাউলৰ জলপান দিছিল, খাবলৈ। অলপ পিছতে ভকতে আমাক কৈ গৈছিল সত্ৰ দেখুৱালৈ। সত্ৰৰ নামঘৰ চাই ভকতসকলৰ বহা আলনাবোৰ চাই আচৰিত লাগিছিল। ভকতজনে আমাক সত্ৰাধিকাৰ প্ৰভুৰ দৰ্শনৰো সুবিধা কৰি দিছিল। সত্ৰাধিকাৰ প্ৰভুক মোৰ পৰিচয় কৰাই স্কুলত পঢ়ি থকা বুলি কৈছিল। প্ৰভুৱে মোলৈ নিৰ্মালি দিবলৈ ধৰোঁতে মই হাত দুখন মেলি দিছিলো। ভকতে তৎক্ষণাৎ সত্ৰাধিকাৰ প্ৰভুক বুজাইছিল। সৰু ল'ৰা নাজানে বুলি। শেষত, পিন্ধি থকা চোলাটোৰ আগেৰে প্ৰভুৰ নিৰ্মালি গ্ৰহণ কৰিছিলো। সত্ৰৰ পৰা ওলাই আহি বনগাঁৱলৈ ঘূৰি আহোঁতে তেতিয়া ভাবিছিলো— মোৰ পাপ হ'ল নেকি মিছা পৰিচয় দিয়াত। আজিও সেই কথাবোৰ মাজে-সময়ে ভাবোঁ। আজিও ভাবোঁ সেই মানসিক সংঘাতৰ কথা। মিছা পৰিচয়েৰে সত্ৰাধিকাৰ প্ৰভুৰ পৰা গ্ৰহণ কৰা নিৰ্মালি জীৱনৰ বাবে ভুল হ'ল নেকি?'

আচলতে সেই তেতিয়াৰ পৰাই মাজুলীত ধৰ্মান্তৰৰ বীজটো এনেকৈয়ে ৰূপিত হৈছিল বোধকৰো। আৰু কালৰ গতিত এই বীজটোৱে এতিয়া ফুলে-ফলে ঠন ধৰি উঠিছে।

ইতিমধ্যে তেৰাং ছাৰৰ কাপেৰে বহু কালজয়ী লেখা সৃষ্টি হৈছে। অথচ তেৰাং ছাৰে আজিও নিজকে লেখক বুলি নাভাবে। অন্য মানুহৰ দৰেই সময়বোৰ অতিবাহিত কৰাৰ কথাহে ভাবে। তেনেহ'লে ছাৰে এদিন লিখাৰ বিষয়ে কিয় ভাবিলে?

'কিয় ভাবিলো, সেয়া মই নাজানো, অৰুণ। সম্ভৱতঃ মোৰ অন্তৰত লুকাই থকা চিত্ৰময় ৰূপ

দিয়া প্ৰাণৰ স্বাভাৱিক প্ৰৱণতাই মূল কাৰণ।'

কবিতাই তেৰাং ছাৰক এদিন সংসাৰৰ বান্ধোনেৰে বান্ধি পেলাইছিল। তেওঁৰ সহধৰ্মিনী কানাম হাঞ্চেপীক লগ পাইছিল কবিতাৰ মাধ্যমেদি। সেয়েহে তেওঁৰ পিছৰ জীৱনলৈকো কবিতাৰ প্ৰভাৱ থাকি গ'ল নেকি তেওঁৰ সমস্ত সত্তাত, আত্মাত। তেওঁ উচ্চাৰণ কৰা প্ৰতিটো শব্দ, কথাবোৰতো কবিতাৰ দৰে কোমল শব্দবোৰহে যেন নিগৰিত হয়, এনেহেন অনুভৱ হয়। এই কথা উপলব্ধি কৰিব পাৰি তেওঁৰ সৈতে হোৱা প্ৰথম সান্নিধ্যতে।

'পদ্মশ্ৰী' বঁটা পোৱাৰ খবৰে তেৰাং ছাৰক অলপো আমনি কৰা নাছিল। তেওঁ অনুভৱ কৰিছিল এই সন্মান কাৰ্বি ৰাইজৰ। কাৰ্বি ৰাইজৰ হৈ যেনিবা বঁটাটো ল'বলৈ ভাৰতৰ ৰাষ্ট্ৰপতিয়ে তেৰাং ছাৰক মাতি পঠিয়াইছিল। এই ভাবহে তেওঁৰ মনলৈ আহিছিল। আৰু এইটোৱেই আছিল তেৰাং ছাৰৰ মহানুভৱতা।

বঁটা প্ৰাপ্তিৰ আনন্দৰ ভাগ প্ৰথমতে তেৰাং ছাৰে তেওঁৰ পৰিয়ালৰ মাজতেই বিলাইছিল নেকি। যিটো সাধাৰণতে হয়।

'আনন্দৰ ভাগ পৰিয়ালৰ মাজতেই বুলি ক'লে ভুল হ'ব। আৰু এটা কথা, কিবা পালেই কিন্তু আনন্দ প্ৰকাশ কৰি মোৰ ভাল নালাগে। জীৱনৰ স্বাভাৱিক ঘটনা বুলি আজিও ভাবোঁ। সেয়েহে মোৰ আনন্দও নাই, নিৰানন্দও নাই।'

এইটো অনস্বীকাৰ্য যে, প্ৰত্যেকজন ব্যক্তিৰ জীৱনতো এনেকুৱা কিছুমান কথা থাকে, যিটো কথা প্ৰকৃততে প্ৰত্যেকেই ওৰেটো জীৱন কাকো নোকোৱাকৈ গুপুতে ৰাখি থ'ব বিচাৰে।

তেৰাং ছাৰেও তেওঁৰ কৈশোৰৰ এনে এটি কথা এই লেখকে নোসোধালৈকে গুপুতেই ৰাখিছিল। তেওঁ এই কথা আনকি মাক-দেউতাককো কোৱা নাছিল। অৱশ্যে এদিন এই কাকো নোকোৱা কথাকেই এই লেখকৰ আগত প্ৰকাশ কৰিলে, অকণো লুকঢাক নকৰাকৈ, মুখত সেই শিশুসুলভ হাঁহি লৈ, য'ত আজিৰ এই ভোগসৰ্বস্ব, বস্তুবাদী পৃথিৱীৰ কৃত্ৰিমতাৰ লেশমানো স্পৰ্শ নাই।

এদিন নিশা প্ৰায় আঠমান বজাত হঠাতে তেৰাং ছাৰৰ পৰা ফোন পাইছিলো— 'অৰুণ, তোমাৰ... প্ৰশ্নটোৱে মোক কিছু বিমোৰত পেলালে।'

কি আছিল বাৰু তেৰাং ছাৰক বিমোৰত পেলোৱা মই কৰা প্ৰশ্নটো?

তেওঁক বিমোৰত পেলোৱা প্ৰশ্নটো মোৰ আচলতে হঠাতে উদয় হৈছিল— হোমেন বৰগোহাঞি ছাৰে (ছাৰ, তেতিয়া 'সাতসৰী' আলোচনীৰ সম্পাদক আছিল) যেতিয়া তেওঁৰ বিষয়ে লিখাৰ দায়িত্ব মোক দিছিল, তেৰাং ছাৰৰ জীৱনৰ ওপৰত আলোকপাত কৰি ইতিমধ্যে বিভিন্ন কাকত-আলোচনীত লেখা প্ৰকাশ হৈ গৈছে। কিন্তু এই লেখাসমূহৰ মাজত এই কথাটো অৰ্থাৎ তেওঁ বিমোৰত পৰা প্ৰশ্নটো ক'তো উল্লেখ হোৱা নাই বা কোনো এজন লেখকেও তেৰাঙক সোধা নাই। প্ৰশ্নটো আছিল এনেধৰণৰ— তেওঁৰ জীৱনৰ সৈতে জড়িত এনে এটি কথা বা ঘটনা যিটো কথা তেৰাঙে ক'তো প্ৰকাশ কৰা নাই বা কোৱা হোৱা নাই কাকো।

হয়, ৰংবং তেৰাং ছাৰেও হেনো এদিন চুৰ কৰিছিল। তেওঁনো কি চুৰ কৰিছিল, যাৰ বিষয়ে তেওঁ কাকো কোৱা নাছিল! ক'বলৈ সাহস কৰা নাছিল?

'অৰুণ, তুমি অতি ভাল প্ৰশ্ন সুধিলা। কথাটো কাকো কোৱা নাছিলো। মা-দেউতাকো কোৱা নাছিলো। আনৰ গৰু চৰাই থাকোঁতে ধান এমুঠি চুৰ কৰিছিলো, বুটলি থকা লেছেৰিটোৰ মুঠি ডাঙৰ

হওক বুলি। আমাৰ ফৰেষ্ট বাংলোৰ কাষেৰে কমলছিঙে পথাৰত কাটি থোৱা ধানৰ মুঠি ভৰিত বান্ধি চুৰ কৰিবলৈ শিকাইছিল। কিন্তু গৃহস্থৰ চকুত মই ধৰা পৰিছিলো। পথাৰখন লালুং গাঁৱৰ। তুৱাৰামৰ পথাৰ। মই দদাই বুলি মাতোঁ। চোঁচোৰাই অনা ধানমুঠি দেখি তুৱাৰাম দদায়ে কৈছিল—'ল'ৰা, কি কৰিছ? নাপায় নহয়।' মই ভয়তে মৰি যোৱা যেন হৈছিলো। ধানমুঠি দদাইদেৱে লৈ আঁতৰি গৈছিল। ভয়ত মই সেপ ঢুকিছিলো, মা-দেউতাই ঘটনাটোৰ কথা গম পায় যদি! ল'ৰালি কালৰ সেই প্ৰথম ঘটনাই মোৰ জীৱনৰ শেষ চৌৰ্যবৃত্তি আছিল।

ৰাজনীতিৰ পৰা সম্পূৰ্ণ নিলগত অৱস্থান কৰা তেৰাং ছাৰৰ ৰাজনীতিৰ বিষয়ে জ্ঞান নাই। তেওঁৰ মতে প্ৰথমতে মানুহক ভাল পাব লাগিব, তেতিয়াহে দেশখনৰ সেৱা কৰিব পাৰিব।

আজিৰ কাৰ্বি আংলঙৰ পৰিস্থিতিৰ বাবে অহৰহ মনৰ ভিতৰত কঢ়িয়াই ফুৰা গধুৰ বেদনাৰ পৰা নিজকে মুক্ত কৰিবৰ বাবেই তেওঁ ৰাইছুং তেৰাঙৰ মুখত এই বাক্যশাৰী তুলি দিয়া যেন অনুভৱ হয়। আজিৰ পাহাৰীয়া যুৱকৰ দৰে 'ৰংমিলিৰ হাঁহি'ৰ নায়ক ছাৰইক তেৰাঙেও এদিন তুলি লৈছিল বন্দুক। কিন্তু সেই বন্দুক মানুহ মাৰিবলৈ নহয়, হাতীৰ পৰা দুখীয়া কৃষক ৰাইজৰ ধানমুঠি ৰক্ষাৰ বাবেহে। কিন্তু আজি মাৰণাস্ত্ৰ হাতে হাতে লৈ সন্ত্ৰাসত নামি পৰিছে আজিৰ যুৱচাম।

সেয়েহে 'জাক হেৰুৱা পক্ষী'ত ৰাইছুং তেৰাঙেও হাহাকাৰ কৰি উঠিছিল— 'এই সংঘাত তইঁতৰ, মোৰ ঘৰখনলৈ বিয়পালি কিয়?'

প্ৰতিদিনৰ দৰে আজিও সূৰ্যাস্ত হ'ব। কাইলৈ আকৌ সেই নীলাভ পাহাৰৰ সিটো পাৰেদিয়েই ৰাতি পুৱাব। আৰু এই দৃশ্যকে উপভোগ কৰিয়েই তেৰাং ছাৰৰ কলমৰ পৰা সৃষ্টি হওক এক কালজয়ী ৰচনা, তাকে কামনা কৰিছোঁ।

> ...কাৰ্বি আংলঙৰ মাটি আৰু মানুহক বহিৰ্জগতৰ সৈতে পৰিচয় কৰোৱাৰ স্বপ্ন অন্তৰত সদায়ে সজীৱ কৰি ৰখা ৰংবং তেৰাং উক্ত ঘটনাত কিমান মৰ্মাহত হৈছিল, থোকাথুকি হৈ পৰা তেখেতৰ কণ্ঠস্বৰৰ পৰাই মই অনুমান কৰিব পাৰিছিলো।

বুকুত কঢ়িয়াই ফুৰিছোঁ তেওঁৰ ছবি

মঃ আব্দুছ ছাজিদ

বৈচিত্ৰ্যময় অসমীয়া সাহিত্যৰ নিজকে এজন সাধাৰণ সেৱক বুলি গণ্য কৰা সৰলচিতীয়া, প্ৰচাৰবিমুখ ৰংবং তেৰাং নামৰ ব্যক্তিগৰাকীৰ নিকট-সান্নিধ্য কেতিয়াৰে পৰা পাইছোঁ বুলি সুধিলে মোৰ কৰ্মস্থল 'প্ৰিণ্টৱেল'ৰ কথাই উল্লেখ কৰিব লাগিব। সেয়ে হ'লেও, নামে-মানুহে তেখেতক বহু আগৰে পৰাই জানিছিলো, দেখিছিলো। ১৯৭৪ চনতে মিকিৰ পাহাৰ জিলা পৰিষদৰ অৰ্থ সাহায্যত ৰংবং তেৰাং প্ৰণিত ৫০০ টকা মূল্যৰ 'কাৰ্বি লামতাছাম'খন প্ৰথম ওলাওঁতেই আমাৰ দেউতাই কিনি থৈছিল। মই তেতিয়া প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ। মাজে-সময়ে অভিধানখনৰ পাতত কাৰ্বি শব্দৰ অৰ্থ বিচাৰিছিলো। আনহাতে চন্দ্ৰ তেৰাং নামৰ তেখেতৰ ভায়েক এজন মোৰ হাইস্কুলীয়া সহপাঠী আছিল। তদুপৰি, অসমৰ জাতীয় জীৱনৰ সমন্বয় সাধনৰ উচ্চ আদৰ্শ প্ৰতিফলন কৰা শ্ৰেষ্ঠ মৌলিক গ্ৰন্থ 'ৰংমিলিৰ হাঁহি'ৰ বাবে ৰংবং তেৰাঙে ১৯৮২ চনত অসম সাহিত্য সভাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা, ১৯৮৩ চনত অসম প্ৰকাশন পৰিষদ বঁটা লাভ কৰা বুলি গম পাইছিলো।

১৯৮২-৮৪ বৰ্ষত ডিফু চৰকাৰী মহাবিদ্যালয়ত প্ৰাক্-বিশ্ববিদ্যালয় (বিজ্ঞান) পৰ্যায়ৰ ছাত্ৰ হৈ থাকোঁতে ৰংবং তেৰাং মোৰ শিক্ষাগুৰু আছিল। তেখেতে অসমীয়া (এম আই এল) পঢ়ুৱাইছিল। সুন্দৰ-সাৱলীল পাঠদানৰ মাজেৰে এইগৰাকী শিক্ষকে আমাক শ্ৰেণীকক্ষত মন্ত্ৰমুগ্ধ কৰি ৰাখিবলৈ

সক্ষম হৈছিল। ছাৰৰ ভাষণবোৰেও আমাক আকৰ্ষণ কৰিছিল। সাজ-পোছাকত পৰিপাটি আৰু সহজ-সৰল স্বভাৱৰ তেৰাং ছাৰ অসমীয়া বিভাগটোৰেই নহয়, কলেজখনৰে গৌৰৱৰ পাত্ৰ আছিল।

ডিফু কলেজত তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম (বিজ্ঞান)ৰ এটা বছৰ পঢ়াৰ পিছত ক্ৰমে যোৰহাট আৰু অৰুণাচল প্ৰদেশত অভিযান্ত্ৰিক শিক্ষা গ্ৰহণ কৰি ঘৰৰ ল'ৰা ঘৰলৈ উভতি আহোঁ। মাজৰ এই সময়ছোৱাত বজাৰে-সমাৰে, সভাই-সমিতিয়ে তেৰাং ছাৰক পোৱা মনত পৰে। আনহাতে ১৯৯৯-২০০০ চনত ডিফু সাহিত্য সভাৰ পত্ৰিকা 'মিৰজাংছিক'ত 'ৰংমিলিৰ হাঁহি : কেইটামান প্ৰকাশিত মূল্যায়ন' শীৰ্ষক তিনি পৃষ্ঠাজোৰা প্ৰবন্ধ এটা লিখিছিলো।

'কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি' নামৰ ১৯৮২ চনতে অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত ছাৰৰ সংস্কৃতিধৰ্মী প্ৰবন্ধৰ সংকলনখন এবাৰ কেনেবাকৈ হাতত পৰিছিল। সমস্ত কিতাপখনেই তৎক্ষণাৎ ফটোকপি কৰোৱাই বন্ধাই লৈছিলো। সেয়া আছিল ৬-৩-১৯৯৯ তাৰিখৰ কথা। কিতাপখনৰ এটা দৰকাৰী প্ৰবন্ধ আছিল 'কাৰ্বি কৃষ্টিৰ এখিলা পাত : জাম্বিলী আথন'। ইতিপূৰ্বে মই 'মিৰজাংছিক' (ত্ৰয়োদশ বৰ্ষ ১৯৯৭-৯৮)ত 'কাৰ্বি সংস্কৃতিৰ স্বপ্ৰকাশক প্ৰতীক : জাম্বিলী আথন' নামে এটা দীঘলীয়া প্ৰবন্ধ লিখিছিলো। লেখাটোৰ প্ৰস্তুতি কালত বিভিন্নজনৰ ওচৰ চাপিবলগীয়া হৈছিল। ব্যস্ততাৰ মাজতো কেঁচা অৱস্থাতে প্ৰবন্ধটো মনোযোগেৰে চাই দি ছাৰে মোক উপকৃত কৰিছিল। ছাৰে যে বহু আগতেই উক্ত বিষয়ত লিখি গৈছে কিতাপখন হাতত পৰাতহে জানিব পাৰিছিলো। আনহাতে মোৰ লেখাটো কাৰ্বি ভাষালৈ অনুবাদ কৰোৱাই ১৯৯৭ চনত বিদ্যাছিং ৰংপিৰ সম্পাদনাত কাৰ্বি লাম্‌মেত আমেই (কাৰ্বি সাহিত্য সভা)এ প্ৰকাশ কৰা 'খেই আহাৰ্চি' গ্ৰন্থত অন্তৰ্ভুক্ত কৰা হৈছিল। 'ৰ'ল'কেতেৰ : কাৰ্বি সমাজ-বুৰঞ্জীৰ এখিলা পাত' শীৰ্ষক ছাৰৰ পূৰ্বোক্ত গ্ৰন্থখনৰে অন্য এটা প্ৰবন্ধয়ো ৰ'ল'কেতেৰৰ বিষয়ে অধ্যয়ন কৰাৰ উপৰি লিখিবলৈ মোক সমল যোগাইছিল। তদুপৰি ডিফু গড়কাপ্তানি ক'লনি ব'হাগী উৎসৱ উদ্‌যাপন সমিতিয়ে ২০০৩ চনত স্মৰণিকা সম্পাদনাৰ ভাৰ মোৰ গাত পেলোৱাত নতুন আংগিকেৰে বিহু আলোচনী হিচাপে 'বৰ্হমথুৰি'ক সজাবলৈ মন কৰি 'অসমীয়া আৰু কাৰ্বি সংস্কৃতিৰ সমন্বয়' শীৰ্ষক প্ৰবন্ধটিৰ প্ৰাসংগিকতালৈ চাই উক্ত কিতাপৰ পৰা পুনৰ্মুদ্ৰণৰ বাবে অনুমতি বিচাৰি কথাটো উলিওৱা মাত্ৰকে ছাৰে যোগাত্মক সঁহাৰি দিছিল। আনহাতে, ছাৰে সম্পাদনা কৰা অসম সাহিত্য সভাৰ উনপঞ্চাশতম অধিবেশনৰ স্মৃতিগ্ৰন্থ 'ৰ'জাৰু আহিৰ'খনে আজিও এক পথপ্ৰদৰ্শক দলিল হিচাপে মান্যতা পাই আছে।

১৯৯৮ চনৰ ছেপ্টেম্বৰ মাহৰ কোনোবা তাৰিখত তেৰাং ছাৰ ডিফু গড়কাপ্তানি ক'লনিস্থিত আমাৰ ঘৰলৈ প্ৰথমবাৰৰ বাবে আহিছিল। ছাৰক দেখি আচৰিত হোৱা আমাৰ দেউতাৰ কি কৰোঁ কি নকৰো অৱস্থা হ'ল। মোৰ ওচৰলৈ গৈ লাহেকৈ ক'লে— ঐ, তেৰাং ছাৰ আহিছে। মই ভিতৰৰ পৰা ওলাই আহি দেখোঁ, দেউতাৰ সৈতে ছাৰ ইতিমধ্যে ড্ৰয়িংৰুমতে বহিছে। আগমনৰ উদ্দেশ্য ব্যাখ্যা কৰি ছাৰে জনালে যে মই কম্পিউটাৰ কিনি ছপা কাম আৰম্ভ কৰা বুলি তেখেতে কাৰোবাৰ মুখেদি জানিব পাৰিছে। সেয়েহে নিজেই আহিল। কিতাপ এখনৰ কাম কৰি দিব লাগে। ছাৰ আৰু ছাৰৰ প্ৰয়াত পত্নী কানাম হাঞ্চেপীৰ লেখাৰ সংযোজনেৰে 'নে লুন নে লামথে : স্মৃতিৰ পাপৰি' নাম কিতাপখনৰ। চিত্ৰশিল্পী বীৰেনদা (সিংহ)ৰ কলা নিৰ্দেশনাৰে মোৰ সীমিত জ্ঞানেৰে কিতাপখন উলিয়াওঁতে যথেষ্ট অভিজ্ঞতা পুঞ্জীভূত হৈছিল। 'ডিফুৰ উদীয়মান উদ্যোগী যুৱক মঃ আব্দুছ ছাজিদলৈ প্ৰীতিৰে' বুলি তেৰাং ছাৰে স্বহস্তাক্ষৰ সম্বলিত কপি এটা মোলৈ আগবঢ়াইছিল ১৫

অক্টোবৰ, ১৯৯৮ তাৰিখত। একেদিনাই ডিফুৰ থানা ৰ'ডত অৱস্থিত ছাৰৰ বাসগৃহ 'হিল্ছ ভিউ ক'টেজ'ত অনুষ্ঠিত আড়ম্বৰপূৰ্ণ পুথি উন্মোচনী সভাখনত উপস্থিত থকাৰো সুযোগ লভিছিলো। ইয়াৰ পিছত ২০০২ চনৰ মাৰ্চ মাহত 'দলা আলুন' নামে কানাম হাঞ্চেপীৰ সহযোগত লিখা ছাৰৰ আন এখন কিতাপ ছপোৱাৰ সৌভাগ্য হৈছিল। কম্‌প্লিমেণ্টেৰী কপিটোত নিজৰ হাতৰ আখৰেৰে ছাৰে লিখিছিল— মঃ ছাজিদলৈ পাহাৰৰ মৰমেৰে আৰু লগতে শুভেচ্ছাৰে, ৰংবং তেৰাং, ১৫-৫-০২। উত্তাপময় আন্তৰিক অনুৰাগেৰে ৰংবং তেৰাং ছাৰে এনেকৈয়ে মোক সামৰি থৈছে যাৰ পৰা উৎপন্ন হোৱা সুখানুভূতি প্ৰকাশৰ ভাষা প্ৰকৃতাৰ্থত মোৰ বাবে সীমিত।

'লাংছ'লিয়েটৰ কাক্ৰুং' নামে ২০০৭ চনৰ ডিচেম্বৰত প্ৰকাশিত তেৰাং ছাৰৰ গল্প সংকলনখনৰ প্ৰথমাবস্থাত নাম আছিল 'এবেলাৰ ডায়েৰী'। পাণ্ডুলিপিৰ ফাইলটো হাতত লৈ ছাৰ এদিন মোৰ ওচৰ পালেহি। ফটোকপি কৰি দিব লাগে। মই সেইখিনি চমজি লৈ পৰিষ্কাৰকৈ কপি কৰাৰ লগতে পৃষ্ঠাৰ খেলিমেলি যাতে নহয় সেয়ে বাইণ্ডিং কৰি ছাৰৰ হাতত তুলি দিলো প্ৰকাশকক চমজাই দিবলৈ। প্ৰুফটো নিজে চাবলৈকো অনুৰোধ জনালো। কিয়নো, কিতাপখনত তেখেতে কাৰ্বি ভাষাৰ অনেক শব্দ আৰু বাক্যৰ লগতে কাৰ্বি আংলঙৰ মানুহ আৰু ঠাইৰ নাম অন্তৰ্ভুক্ত কৰিছে। সেয়েহে এইসমূহৰ পৰিচয় নথকা লোকে কৰা ডিটিপিত ভুল-ভ্ৰান্তি ৰোৱাটো অতি স্বাভাৱিক। ছাৰে বিষয়টো গুৰুত্বসহকাৰে লৈছিল। পিছত দেখিলো, 'স্বীকাৰোক্তি' পৃষ্ঠাত পাণ্ডুলিপি-বাইণ্ডিং আৰু প্ৰয়োজনীয় পৰামৰ্শৰ বাবে শলাগজ্ঞাপক বাক্য এটিৰে গল্পকাৰে মোকো সাঙুৰিছে। অন্য এটা উল্লেখযোগ্য কথা হ'ল, 'উন্মুক্ত খিৰিকী' নামৰ উক্ত সংকলনটিৰে গল্পটোত '... ইতিমধ্যে ডিটিপিৰ কাম আৰম্ভ কৰাইছোঁ, প্ৰিণ্টৰেলত...' বুলি ছাৰে মোৰ মুদ্ৰণ প্ৰতিষ্ঠানটিৰো জীৱন্ত ৰূপ অংকন কৰি থ'লে।

'বনলতা'ৰ স্বত্বাধিকাৰী অনন্ত হাজৰিকাই পঠিওৱা কিতাপখনৰ ছপা কপিকেইটা পাই তেৰাং ছাৰ উৎফুল্লিত। গধুলি মোলৈ ফোন আহিল— লাংছ'লিয়েটৰ কাক্ৰুংজনী ঘৰ সোমালহি নহয়, ছাজিদ... তোমালৈ কপি এটা থৈছোঁ। কথামতেই নতুন বছৰৰ শুভেচ্ছাৰে ছাৰে মোৰ হাতত তুলি দিলে গল্প সংকলনখনৰ এটা কপি। আশীৰ্বাদ আৰু নিভাঁজ মৰমৰ সাক্ষী ছাৰৰ কিতাপকেইখন মোৰ ব্যক্তিগত পুথিভঁৰালত সযতনে সাঁচি-সামৰি ৰাখিছোঁ যাতে তেখেতৰ ব্যক্তিত্বৰ সুৰভি স্বপ্ৰতিভাত হৈ ৰয়, চিৰদিন-চিৰকাল।

ডিফুৰ ক'-অপাৰেটিভ বিল্ডিঙৰ গ্ৰাউণ্ড ফ্ল'ৰত থকা মোৰ 'প্ৰিণ্টৰেল' নামৰ কক্ষটো দীৰ্ঘদিন ধৰি বন্ধ হৈ থকাত যিসকল লোকৰ সাহচৰ্য বা উষ্ণ সংস্পৰ্শৰ পৰা মই বঞ্চিত হৈছোঁ বুলি মনে মনে ভাব হয়, তাৰ ভিতৰত ৰংবং তেৰাং ছাৰৰ নামটো স্বাভাৱিকতেই এক নম্বৰতে আহিব। কিয়নো সেইফালেদি পাৰ গৈ গ'লেই ছাৰে ভুমুকি মাৰে, বহে; মনৰ কথা আদান-প্ৰদান কৰে— স্থানীয় প্ৰসংগৰ পৰা হোমিও চিকিৎসা চলি থকা আঁঠুৰ বিষটোলৈকে। আবেলি পৰত তেৰাং ছাৰে প্ৰায়ে অকলে খোজকাঢ়ি ডিফু ৰে'ল ষ্টেচনৰ ফালে পাক মাৰে। গল্পৰ প্লট্‌ চিন্তা কৰে। ঘূৰি গৈ 'প্ৰিণ্টৰেল'ত সোমায়। জনশতাব্দী এক্সপ্ৰেছত গল্পৰ নায়কক বিদায় দিয়াৰ প্ৰসংগ উলিয়ায়। কেতিয়াবা আকৌ 'অসমীয়া প্ৰতিদিন' কাকতৰ মুখ্য সম্পাদক হাইদৰ হুছেইনে বিশেষ সংখ্যাৰ বাবে লেখা বিচৰা; 'দৈনিক বাতৰি', 'দৈনিক জনসাধাৰণ'ৰ পৰা অহা টেলিফোনিক প্ৰেছাৰ; এইমাত্ৰ আৰম্ভ কৰি থৈ অহা নতুন উপন্যাসিকাখনৰ প্ৰথম বাক্যটো— হাঁহিমুখেৰেই সদৰি কৰে ছাৰে। ইফালে ছাৰক সৰহপৰ জব্দ কৰি ৰখাৰ মতলবেৰে মই চাহৰ প্ৰস্তাৱ আগবঢ়াওঁ। এ টি এম কাৰ্ডৰ প্ৰয়োগ কেনেকৈ কৰিব

লাগে, ম'বাইল ফোনত কিদৰে নম্বৰ সুমুৱাব লাগে, কুৰিয়াৰ ছাৰ্ভিচৰ ঠিকনা, স্পীড পোষ্টৰ বিষয়েও ছাৰে খোলাখুলিকৈয়ে সোধে। গুৱাহাটীৰ পৰা প্ৰকাশিতব্য বাতৰি কাকত এখনৰ সম্পাদক পাতিবলৈ মালিকপক্ষই তেখেতৰ পিছত লাগি থকাৰ কথাও উলিয়ায়। মুঠতে 'প্ৰিন্টৰেল'ত বহিলে ছাৰে যেন কথা পাতি হৃদয় জুৰায়। আনহাতে বন্ধ থাকিলে আপত্তি দৰ্শায়। ছাৰৰ দৰে লোকৰ প্ৰশান্ত ব্যক্তিত্ব আৰু স্নেহৰ উষ্ণতাত অভিভূত আমি গুণমুগ্ধবোৰে আসন এৰি ছাৰ ওলাই যোৱাৰ পিছত বুজাব নোৱৰা শূন্যতাত ডুবি মৰোঁ।

বিভিন্ন স্থানলৈ পঠিওৱা লেখাসমূহ ফটোকপি কৰোৱাবলৈ ছাৰে মই যথাস্থানত আছোনে নাই সদায় আগতীয়াকৈ ফোনেৰে উমান লয়। আনহাতে কামটো কৰি থাকোঁতেই সুযোগ বুজি সেইবোৰ মই পঢ়ি পেলাওঁ। গতিকে এক কথাত শীৰ্ষস্থানীয় এই ঔপন্যাসিকগৰাকীৰ একাংশ ৰচনাৰ প্ৰথম পাঠক ক'বলৈ গ'লে ময়েই। সেয়া মোৰ বাবে আনন্দ আৰু সৌভাগ্যৰ সমাহাৰ বুলি আনৰ আগত অৱশ্যে গৰ্বও নকৰা নহওঁ।

তেৰাং ছাৰে কেতিয়াবা অকস্মাতে ফোন কৰে— ছাজিদ...

— ছাৰ...

— এই যে 'ডিফু হ'ল তোমাৰে নাম...' ভূপেন হাজৰিকাৰ এই গীতটো ক'ত পাম? লাগিছিল নহয়। 'ৰংঘৰ'ৰ পৰা ডক্টৰ হাজৰিকাৰ বিষয়ে লিখিবলৈ কৈ আছে।

— ছাৰ আপোনাৰ হাতত 'ৰাংছিনাৰ সুৰ'খন আছেনে? অসম সাহিত্য সভাৰ ডিফু অধিৱেশনৰ ভাষণ, প্ৰতিবেদন আদিৰ সংকলনখন যে...

— নাই নহয় ছাজিদ, কোনোবাই নিলে, ঘূৰাই নিদিলেহে।

— হ'ব ছাৰ; মোৰ আছে। মই আপোনাক দি আহিমগৈ।

— হ'ব তেতিয়াহ'লে, কেতিয়াকৈ আহিবা?

— ছাৰ মই যোৱাৰ আগতে ফোন কৰিম। আপুনি বাহিৰতে ৰৈ থাকিব।

— বাহিৰত কিয়?

— কুকুৰকেইজনীলৈ ভয় লাগে ছাৰ।

— হ'ব, হ'ব (হাঁহে); মই ৰৈ থাকিম বাৰু...

২০০৫ চনৰ শেষাৰ্ধত ছাৰচিমত অচিনাক্ত দুৰ্বৃত্তৰ দ্বাৰা বাছযাত্ৰীৰ হত্যাকাণ্ড সংঘটিত হোৱাৰ কেইঘণ্টামানৰ পিছতে ছাৰে মোলৈ ফোন কৰিলে। কথাটো শুনি ময়ো সমানেই হতভম্ব হ'লো— এইবোৰ মিছা নেকি ছাৰ, মিছা হ'লেই ভাল।

— ছাজিদ... ঘটনাটো মিছা নহয়, সঁচা...

কিছু সময়ৰ পিছত ছাৰে আকৌ এবাৰ ৰিং কৰি খবৰটোৱে সত্য তাক দোহাৰিলে। কাৰ্বি আংলঙৰ মাটি আৰু মানুহক বহিৰ্জগতৰ সৈতে পৰিচয় কৰোৱাৰ স্বপ্ন অন্তৰত সদায়ে সজীৱ কৰি ৰখা ৰংবং তেৰাং উক্ত ঘটনাত কিমান মৰ্মাহত হৈছিল, থোকাথুকি হৈ পৰা তেখেতৰ কণ্ঠস্বৰৰ পৰাই মই অনুমান কৰিব পাৰিছিলো।

বিহপুৰীয়াৰ সমাজসেৱী সংগঠন 'সদিচ্ছা'ই প্ৰদান কৰা ২০০৮ চনৰ মাধৱদেৱ বঁটাৰ বাবে ৰংবং তেৰাং নিৰ্বাচিত হৈছে। বিহপুৰীয়াতে বঁটা প্ৰদান কৰা হ'ব যদিও দিনটো নিৰ্দিষ্ট হোৱা নাই। এদিন পুৱাই ছাৰ আমাৰ ঘৰত উপস্থিত। ক'লে— বঁটা ল'বলৈ যাওঁতে ভাষণ নিশ্চয় দিব লাগিব।

কিবা এটা লিখি লৈ আহিছোঁ। ঠিক-ঠাক কৰি কম্পিউটাৰত টাইপ কৰি দিব লাগে। কপিকেইটামানো লাগিব। মনে মনে ভাবিলো— ছাৰৰ লেখা ঠিক-ঠাক কৰিবলৈ মই কোন? সোনকালেই কামটো সমাধা কৰি তেখেতৰ ঘৰত দিলোঁগৈ। অৱশ্যে পিছত খাটাংকৈ দিন আৰু স্থান ঘোষণা কৰাত কথাংশৰ কিছু সালসলনি কৰিবলগা হ'ল। ছাৰে পিছত ফোন কৰিলে— ছাজিদ... বানান এটা ভুল হ'ল নহয়।

বুকুখন চিৰিংকৈ উঠিল।

— কি ছাৰ?

— কৰ্দৈশিৰীয়া...

দাঁতে লগে লগে জিভা কামুৰি ধৰিলে।

—ছাৰ, শুদ্ধ কৰি উলিয়াই দিওঁ।

—নালাগে হ'ব, মই কলমেৰেই ঠিক কৰি পেলালো...

৬ মে', ২০০৮ তাৰিখে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শংকৰদেৱ কলাক্ষেত্ৰত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ হাতৰ পৰা তেৰাং ছাৰে বঁটা গ্ৰহণ কৰিলে। যাম বুলি আশা এটা পুহিছিলো যদিও সেয়া বাস্তৱ হৈ নুঠিল। ঘটনাক্ৰমে পিছদিনা জৰুৰীভাৱে গুৱাহাটীলৈ যাবলগীয়া হ'ল। ডাউন টাউন হাস্পতালৰ ওচৰত নিৰ্মাণ কৰা বৃহৎ তোৰণ এখনত বৰ বৰ হৰফেৰে লিখা ছাৰৰ নামটো হঠাৎ দেখা পাই গ'লো। সেই মুহূৰ্তত মোৰ অন্তৰ্ভাগত এনেকুৱা এক গৌৰৱৰ হেন্দোলনি উঠিছিল যিটো শব্দৰে বুজাবলৈ মই তেনেই অপাৰগ। শ্ৰদ্ধা আৰু মৰম স্বাৰ্থৰহিত আৰু নিৰ্ভেজাল হ'লেহে তেনে ভাবৰ উদ্‌গীৰণ সম্ভৱ। বিষ্ণুপ্ৰসাদ ৰাভাদেৱক অসমে যেনেকৈ বুকুত থাপিছিল ৰংবং তেৰাং ছাৰেও মোৰ মানসপটত অনুৰূপ আসন এখনেই অধিকাৰ কৰি আছে যেন অনুভৱ হয়।

গুণী, জ্ঞানী, পূজ্য ব্যক্তি এজনক সুপৰিকল্পিতভাৱে লগ পোৱাৰ উপলব্ধ
অনুভূতিতকৈ আচম্বিতে হোৱা খন্তেক মুখামুখিত সেইদিনা এজন সৎ,
সৰলচিত্তীয়া, নিৰহংকাৰী মানুহৰ প্ৰতি মোৰ মন শ্ৰদ্ধাৰে উপচি পৰিল।
অন্ধকাৰৰ বুকু ফালি যাত্ৰীবাহী বাছখন ডিব্ৰু অভিমুখে যাত্ৰা কৰিলে।
আশান্বিত মনে পুনি প্ৰভাতত ডিব্ৰু পোৱাৰ প্ৰতীক্ষাত আমি ক্ষণ গণিলো।

পল্টন বজাৰ, এটা কাপোৰৰ বেগ আৰু তেৰাং

মধুমিতা ভট্টাচাৰ্য

পথৰ দাঁতিত ৰৈ থকা যাত্ৰীবাহী গাড়ী-মটৰবোৰৰ ওচৰে-পাঁজৰে থুপ খাই থকা যাত্ৰীবোৰ নিমিষতে ছেদেলি-ভেদেলি হৈ পৰিল। হঠাতে অহা দবাপিটা বৰষুণজাকে পল্টন বজাৰৰ ব্যস্ত দোকানীহঁতৰ থৰকাছুটি হেৰুৱালে। আমি পতি-পত্নী দুয়ো ৰিক্সাৱালাই ঢাকি দিয়া পানীকাপোৰখনৰ তলৰ পৰা কোনোমতে ওলাই লৰালৰিকৈ পৰিবহণ নিগমৰ বাছ আস্থানৰ বাৰাণ্ডাখনত উঠিলোহি। বৰষুণৰ পৰা পৰিত্ৰাণ পাবলৈ ৰুমাল, পেপাৰ যিয়ে যি পাইছে মূৰটো ঢাকি বেগাই খোজ লৈছে। টিকট দিবলৈ তেতিয়াও বহু সময় বাকী। পকাৰ দীঘলীয়া বেঞ্চখনৰ একাষে বহি লৈ মানুহবোৰৰ গতিবিধি চোৱাত লাগিলো। তেনেতে, ৰঙা-ক'লাকৈ আঁক থকা কাপোৰৰ বেগ এটা বুকুত সাবটি লৈ অহা মানুহ এজন এখন্তেক ৰৈ পুনৰ ততাতৈয়াকৈ বৰষুণতে গুচি যোৱা চকুত পৰিল।

এতিয়াৰ পৰা ওঠৰ-বিশ বছৰ আগতে গুৱাহাটীৰ পৰা ডিব্ৰুলৈ যোৱা বাছৰ সংখ্যা তেনেই সীমিত। তাতে সময়সূচী ভালদৰে নজনাৰ দোষত আগবেলাৰ পৰিৱৰ্তে নৈশবাছত যাবলৈহে খোপনি পুতিছিলো। ইতিমধ্যে বৰষুণজাক লাহে লাহে শাম কাটিলে। গাৰ সেমেকা কাপোৰবোৰে মনটো অশুচি কৰি তুলিছিল যদিও গত্যন্তৰ নথকাত বিৰক্তিৰে বহি ৰ'লো।

কিছু সময়ৰ পিছত টিকট কাউণ্টাৰৰ সমুখত পুৰুষ-মহিলাৰ শাৰী দুটাই গঢ় ল'লে। মহিলাৰ

সংখ্যা নিচেই তাকৰ, কিন্তু পুৰুষৰ শাৰীটো গুড়ি পৰুৱাই লানি পতাৰ দৰে চকুৰ পচাৰতে একা-বেঁকাকৈ দীঘলীয়া হৈ পৰিল। মযো শাৰী পূৰাই থিয় হ'লো। আশে-পাশে টিকট সংগ্ৰহৰ বুধি পাঙি ঘূৰি ফুৰা ডেকা ল'ৰাকেইটাৰ চাল-চলনে সকলোকে বিতুষ্ট কৰি তুলিলে। পুৰুষৰ শাৰীটোৰ অন্তিম স্থানত চিন্তাক্লিষ্ট মনেৰে বুকুত ৰঙা-ক'লা বেগটো বুকুত সাবটি লোৱা মানুহজনক দেখি মোৰ সহানুভূতি জাগিছিল। তেওঁ যে টিকট নাপায়, ই ধুৰুপ। তথাপি যথোচিত নিয়মেৰে আশাৰে বাট চাইছে। টিকট দিয়া অকণমানি খিৰিকীখন খোল খোৱাৰ লগে লগে মানুহবোৰ সচকিত হ'ল। একেখন খিৰিকীৰেই দুয়োটা শাৰীকে টিকট দিয়া ৰীতিটোৱে অস্বস্তি লগাইছিল। টিকট ঘৰৰ ভিতৰ সোমাই দুজনমানে কেৰামতালি প্ৰদৰ্শনেৰে টিকট কৰাত শাৰী পাতি থকা এজনে গুজৰিছিল যদিও পিছত নিতাল মাৰিলে। কাৰণ সকলোৰে কাম্য আছিল মাথোঁ এটা টিকট।

টিকট পোৱাটো নিশ্চিত বুলি ভাবিয়েই ইমানপৰে মোৰ স্বামীয়ে নিশ্চিন্তমনে অলপ আঁতৰত বৈ সগৌৰৱে পেপাৰ পঢ়াত ব্যস্ত। মই তাৰ পৰা ওলাই অহাত শাৰী নপতা ডেকা দুজনে কাবৌ-কোকালিকৈ দুটা টিকট কৰি দিবলৈ কোৱাত মোৰ পেটে পেটে খং উঠিল। বুজিলো, আৰম্ভণিৰে পৰা পৰৰ ওপৰত ভৰসা কৰা ল'ৰাকেইটাই এই বুধিটোকে চাগে পাঙি আছিল। মোৰ নেতিবাচক উত্তৰত দুয়ো অসন্তুষ্ট হ'ল। পিছফালৰ পৰা বিনম্ৰ সম্বোধন শুনি ঘূৰি চাই দেখিলো বেগ লৈ থকা সেই ব্যক্তিজন। ভদ্ৰলোকজনৰ সজ আচৰণ আৰু ব্যক্তিত্বই মোৰ মনত অজানিতে ভক্তি ভাব জগাই তুলিলে। নিৰ্বিবাদে টিকট এটা কৰি দিয়াত হাতযোৰ কৰি অশেষ ধন্যবাদ জনাই বিদায় ল'লে। চকুৰ আগতে এজনৰ প্ৰতি নিৰ্দয় আৰু আনজনৰ প্ৰতি কৰা সদয় ব্যৱহাৰৰ যথাৰ্থতা ওচৰত বৈ থকাসকলেও বুজি পালে।

বাছত উঠি আদ্যোপান্ত বিৱৰি মই টিকট কৰি দিয়া মানুহজনক দেখুৱাই দিয়াত মোৰ স্বামীয়ে ওচৰ চাপি গৈ কথা পতাত বুজিলো দুয়োৰে পৰিচিতি পুৰণি। মোৰ স'তে চিনাকি কৰোৱাত আশ্চৰ্যান্বিত হ'লো। ভাবনাৰ জলধি তৰংগত মনৰ ডিঙৰাখনি মেলি দিলো। বৰেণ্য কথাশিল্পৰে সমন্বয়ৰ সাঁকো গঢ়া সেইজন 'ৰংমিলিৰ হাঁহি' উপন্যাসৰ স্ৰষ্টা ৰংবং তেৰাং। গুণী, জ্ঞানী, পূজ্য ব্যক্তি এজনক সুপৰিকল্পিতভাৱে লগ পোৱাৰ উপলব্ধ অনুভূতিতকৈ আচম্বিতে হোৱা খন্তেক মুখামুখিত সেইদিনা এজন সৎ, সৰলচিতীয়া, নিৰহংকাৰী মানুহৰ প্ৰতি মোৰ মন শ্ৰদ্ধাৰে উপচি পৰিল। অন্ধকাৰৰ বুকু ফালি যাত্ৰীবাহী বাছখন ডিফু অভিমুখে যাত্ৰা কৰিলে। আশান্বিত মনে ঘূৰি প্ৰভাতত ডিফু পোৱাৰ প্ৰতিক্ষাত আমি ক্ষণ গণিলো।

নৈশবাছত অকস্মাৎ লগ পোৱা বিশিষ্ট সাহিত্যিক ৰংবং তেৰাং ছাৰক কালক্ৰমত গুৰুৰূপে সান্নিধ্য লাভৰো সুযোগ পালো। হাতত পাঠ্যপুথি লৈ ধীৰ-স্থিৰ গতিৰে শ্ৰেণী কোঠালৈ সোমাই অহা শান্ত-মৃদুভাষী ছাৰৰ সাম্য ব্যৱহাৰ আৰু সৰ্বদা মুখত থকা মিচিকিয়া হাঁহিটিয়ে আমাৰ মনত সদায় উৎসাহ আৰু আনন্দ যোগায়। সেইদিনা গুৰুজনাৰ 'পাৰিজাত হৰণ' নাট বিশ্লেষণত অনায়াসে মুখত ওলোৱা অসমীয়া থলুৱা শব্দ প্ৰয়োগেৰে পাঠদানৰ পটুতাত আচৰিত হৈছিলো। মোৰ মন পাৰিজাত হৰণৰ পৰা উৰি গৈ বহুৰঙী পাহাৰীয়া জনগোষ্ঠীৰ জীৱনশৈলীৰ স'তে ডেকা-গাভৰুৰ প্ৰাণোচ্ছল হাঁহি-কান্দোনত কেঁচা মাটিৰ সুবাস সনা তেৰাং ছাৰৰ 'ৰংমিলিৰ হাঁহি' উপন্যাসত বিচৰণ কৰিলেগৈ।

এদিন বি এ পৰীক্ষাৰ ফলাফলত সন্তুষ্টি লভি ডিফু কলেজৰ অসমীয়া বিভাগৰ ছাৰ-বাইদেউসকলে

মোক আহি অভিনন্দন জনালেহি। ঘৰুৱা ব্যস্ততাৰ মাজত অধ্যৱসায়েৰে পঢ়া-শুনা কৰি সকলোৰে পৰা সফলতা লাভৰ আশীস আৰু প্ৰশংসা বুটলিলো। কিছু পলমকৈ অসুখীয়া গাৰেই অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ৰংবং তেৰাং ছাৰ আহি উপস্থিত হোৱাতহে যেন আধৰুৱা সৰু ভোজমেলখনে পূৰ্ণতা লভিলে। খোৱাৰ টেবুলত কামালুদ্দিন আহমেদ ছাৰে তেৰাং ছাৰক 'সৰিয়হে অপকাৰ কৰিব নেকি' বুলি ক'বলৈহে পালে, উদগ্ৰীৱ হৈ তেৰাং ছাৰে নাই নাই তেলত ভজা নাই নহয়, ভাপতহে দিছে বুলি কৈ আওকাণ কৰিছে। বৈশ্য ছাৰে হাঁহি উঠাকৈ টপৰাই ক'লে— 'ছাৰ, সৰিয়হ মানেইতো তেল।' আটাইৰে হাঁহিৰ খলকনিত আমাৰ ঘৰখন উৰুলিকৃত হৈ পৰিল। মই সযতনে বনোৱা মুৰ্গীৰ মাংস আৰু সৰিয়হেৰে বনোৱা ভাপত দিয়া মাছৰ জুতিৰে সকলোৱে তৃপ্তিৰে এসাঁজ খাই পৰম আনন্দ প্ৰকাশিলে। তেৰাং ছাৰে ক'লে— 'আজি ভগবানৰ কৃপাত মিলিজুলি ভাতমুঠি খোৱাৰ যি সৌভাগ্য ঘটিল সেয়া...' বুলি মোলৈ আঙুলি টোৱালে। মই তামোলৰ বটাখন আগবঢ়োৱাত সকলোৱে মুখদি কৰি যথা সময়ত বিদায় মাগিলে। সৰ্বশেষত তেৰাং ছাৰে সেইদিনা দি যোৱা মূল্যবান উপদেশ আৰু উদ্‌গনিয়ে মোৰ জীৱনত গভীৰ সাঁচ বহুৱালে। এদিন ছাৰে কৈছিল— একমাত্ৰ চাকৰি কৰিবৰ বাবেই যে স্নাতকোত্তৰ ডিগ্ৰীৰ প্ৰয়োজন, তেনে কোনো কথা নাই। ছাৰৰ উৎসাহতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা মোৰ স্নাতকোত্তৰ ডিগ্ৰীও লোৱা হ'ল।

ৰাষ্ট্ৰীয় সন্মানৰ গৰাকী পদ্মশ্ৰী ৰংবং তেৰাঙে এসময়ত কাৰ্বি আংলঙত জ্ঞানৰ প্ৰদীপ জ্বলোৱাৰ মানসেৰে লিখিছিল—

'তিমিৰাচ্ছন্ন এই কাৰ্বি আংলঙত
পোহৰ বিলাওঁ আমি পোহৰ বিলাওঁ
যুগ যুগলৈ' অজ্ঞান ৰাক্ষসীক
জ্ঞান প্ৰদীপেৰে বিনাশ কৰাওঁ।'

আজি পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ এনাজৰীডাল সুদৃঢ় কৰাৰ গুৰুভাৰ গ্ৰহণ কৰা তেৰাং অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ নতুন সভাপতিৰূপে নিৰ্বাচিত হোৱাৰ বতৰাই আমাৰ মনলৈ অনাবিল আনন্দ আনিলে। যোৱা কেইবছৰমানৰ পৰা অসম সাহিত্য সভাৰ নিম্নগামী হোৱা ভাবমূৰ্তিৰ কথা কাগজে-পত্ৰে পঢ়ি ভাবিছোঁ, হেৰোৱা গৌৰৱ পুনৰ প্ৰতিষ্ঠাৰে উজ্জীৱিত কৰিবলৈ তেৰাং ছাৰৰ দৰে এজন সৎ, নিকা লোকক অসম সাহিত্য সভাই নিৰ্বাচন কৰি সমগ্ৰ অসমবাসীৰ মনত আশাৰ প্ৰদীপ জ্বলালে।

(

যিজনে আপোন মহিমাৰে গৰিমামণ্ডিত হৈ কাৰ্বি আংলং তথা অসমৰ প্ৰতিজন সাহিত্যপ্ৰেমীৰ মণিকূটত স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা তেৰাং ছাৰ একাধাৰে গীতিকাৰ, সুৰকাৰ, দৰদী কণ্ঠৰ গায়ক তথা স্বনামধন্য সাহিত্যিক।

)

সমন্বয়ৰ বাটকটীয়া তেৰাং ছাৰ

জয়ছিং টক্‌বি

স্বকীয় প্ৰতিভা আৰু অনন্য ব্যক্তিত্বৰে কাৰ্বি জাতিক মহীয়ান কৰি সমগ্ৰ কাৰ্বি জনগণকে গৌৰবান্বিত কৰা ব্যক্তিজনেই হৈছে প্ৰথিতযশা সাহিত্যিক ৰংবং তেৰাং ছাৰ। কাৰ্বি জাতি, কাৰ্বি পাহাৰৰ মাটি আৰু অসমীয়া-কাৰ্বি ভাষা-সাহিত্যক সীমাহীন ভাল পোৱা এইগৰাকী ব্যক্তিয়ে সাহিত্য-সংস্কৃতিৰ নিৰলস সাধনাৰে কাৰ্বি জাতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ নিৰলস প্ৰচেষ্টা অব্যাহত ৰাখিছে। কাৰ্বি জনগোষ্ঠীৰ সকলো মানুহৰ মাজত এজন আদৰ্শবান, গুণী-জ্ঞানী ব্যক্তিৰূপে পৰিচিত হৈ পৰা তেৰাং ছাৰৰ নামটো সৰুৰে পৰাই শুনিছিলো। ষাঠি দশকৰ মাজভাগ আৰু সত্তৰ দশকত আমাৰ দুজন অগ্ৰজ ভাতৃ পানীৰাম টক্‌বি আৰু ফুলছিং (ৰমেশ) টক্‌বিয়ে নগাঁও জিলাৰ লংকা হাইস্কুলত পঢ়িছিল। য'ত এসময়ত ৰংবং তেৰাং ছাৰেও শিক্ষা গ্ৰহণ কৰিছিল। তেওঁলোকৰ মুখেদি গম পাইছিলো আমাৰ শিশু মনকো আলোড়িত কৰা সেই স্বনামধন্য মানুহজনৰ নাম। নিজ সন্তানৰ প্ৰতি প্ৰত্যেকজন পিতৃৰে থকা স্বাভাৱিক আশাবোধেৰে আমাৰ নিৰক্ষৰ দেউতায়ো প্ৰায়েই কৈছিল, 'কাকীৰ বিনহম ছাপ্ৰাছী (ৰূপছিং তেৰাং)ৰ ল'ৰা ৰংবং তেৰাং, অশেষ দুখ-কষ্ট স্বীকাৰ কৰি পঢ়ি-শুনি এতিয়া তেওঁ ডাঙৰ মানুহ হৈছে। তয়ো এদিন ৰংবঙৰ দৰে ডাঙৰ মানুহ হ'ব লাগিব।' ১৯৮৩ চনত ডিফু চৰকাৰী মহাবিদ্যালয়ত যেতিয়া ভৰ্তি হৈছিলো, তেতিয়াই স্বচক্ষে দৰ্শন কৰিছিলো সেই শান্ত, সৌম্য, প্ৰোজ্জ্বল ৰূপেৰে দীপ্তিমান প্ৰজ্ঞাৰ অধিকাৰী মানুহজনক। কাৰ্বি পাহাৰৰ সেউজীয়া বিনন্দীয়া প্ৰকৃতিৰ দৰেই তেখেত শান্ত, সমাহিত।

কাৰ্বি ভাষাত ৰংবং মানে গাঁও এখনৰ মাজবুকুৰ ঠাই টুকুৰা। কাৰ্বি তথা অসমী আইৰ সুযোগ্য সন্তান অধ্যাপক ৰংবং তেৰাং ছাৰ। যিজনে আপোন মহিমাৰে গৰিমামণ্ডিত হৈ কাৰ্বি আংলং তথা অসমৰ প্ৰতিজন সাহিত্যপ্ৰেমীৰ মাজবুকুতে স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা অধ্যাপক ৰংবং তেৰাং ছাৰ একাধাৰে গীতিকাৰ, সুৰকাৰ, দৰদী কণ্ঠৰ গায়ক আৰু স্বনামধন্য সাহিত্যিক। ছিলং আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ তেতিয়াৰ জনপ্ৰিয় গায়ক ৰংবং তেৰাং ছাৰে গাইছিল 'লাংবই আছাংতি মিলি/মাচিং আকেংবত দামক্ৰি/ইনিং দিপদিপ পি/পি আপত পিনি? নদীৰ বালিচৰত/সেয়া কাৰ খোজ/মন দুৰু দুৰু কঁপে/কিয়নো আজি?' সেইদৰে সমন্বয়ৰ এনাজৰীৰে মন-প্ৰাণ সম্পৃক্ত তেৰাং ছাৰে তেতিয়াৰ অনগ্ৰসৰ পিছপৰা কাৰ্বি পাহাৰক লৈ লিখিছিল— তিমিৰাচ্ছন্ন এই কাৰ্বি আংলঙত/পোহৰ বিলাওঁ আমি পোহৰ বিলাওঁ/যুগ যুগলৈ অজ্ঞান ৰাক্ষসীক/জ্ঞানৰ প্ৰদীপেৰে বিকাশ কৰাওঁ/কাৰ্বি, কছাৰী, ডিমাছা, ৰেংমাৰে/অসমী আইৰে শিৰ উজ্জলাওঁ/আমি ইংলঙৰ চেনেহৰ ডোলেৰে মহান অসমীয়া জাতি গঢ়াওঁ।

কাৰ্বি ভাষা-সাহিত্যৰ উন্নতিকল্পে ১৯৬৭ চনত কাৰ্বি ভাষাৰ অন্যতম কাণ্ডাৰী লংকাম-টেৰণ ছাৰক সভাপতিৰূপে লৈ ৰংবং তেৰাং ছাৰে সাধাৰণ সম্পাদকৰ গুৰুদায়িত্ব বহন কৰি কাৰ্বি লাম্‌মেত আমেই (কাৰ্বি সাহিত্য সভা) গঠন কৰিছিল। ১৯৬৭ চনৰ জন্মলগ্নৰ পৰা ১৯৮২ চনলৈকে সদীৰ্ঘ যোল্লটা বছৰে ৰংবং তেৰাং ছাৰে কাৰ্বি লাম্‌মেত আমেইৰ সাধাৰণ সম্পাদকৰ এই গুৰুদায়িত্ব বহন কৰি কাৰ্বি গ্ৰাম্য সমাজ জীৱনৰ কৃষ্টিৰ সাৰুৱা পথাৰত সিঁচৰতি হৈ থকা মৌখিক সাহিত্যৰ অসংখ্য মণি-মুকুতা বুটলি সংগ্ৰহ কৰি সিবোৰক নব্য আলোক দৰ্শনেৰে আধুনিক সাহিত্যৰ ৰূপ দিছে। কাৰ্বি সমাজ আৰু সংস্কৃতিৰ প্ৰাঞ্জল বৰ্ণনাৰে কাৰ্বি গ্ৰাম্য জীৱনগাথাৰ বৰ্ণময় ৰূপ সাহিত্যৰ পাতত প্ৰাণৱন্ত কৰি কাৰ্বি জাতিৰ কৃষ্টি-সংস্কৃতিক বিশ্ব দৰবাৰত সবলভাৱে উপস্থাপন কৰাই দিছে।

তেৰাং ছাৰৰ জন্ম ঠাই বকলীয়াৰ লাংবুংদিংপী, পাছত কংজুক পাহাৰৰ নামনিত এৰাগাঁৱত থিতাপি লোৱা তেৰাং ছাৰে ল'ৰালিতে জন্মদাত্ৰী মাতৃ বা-ইক ৰংহাংপীৰ মুখেদি শুনা কাৰ্বি লোকগীত, লোকসাধু, পুৰা কাহিনী, আখ্যান-উপাখ্যান, কিম্বদন্তিসমূহ অন্তৰত জীপাল কৰি ৰাখি পৰ্যায়ক্ৰমে সৃষ্টি কৰি গৈছে আধুনিক সাহিত্যৰ অনুপম গল্প, প্ৰবন্ধ আৰু উপন্যাস। কাৰ্বি আৰু অসমীয়া ভাষাক সীমাহীন ভালপোৱাৰ আন্তৰিক তাগিদাত তেৰাং ছাৰে আজি সুদীৰ্ঘ বছৰৰ পৰা সাহিত্যৰ নিৰলস সাধনাত ব্যস্ত হৈ কাৰ্বি আৰু অসমীয়া দুয়োটা ভাষাতে সমান্তৰালভাৱে সৃষ্টি কৰি গৈছে মৌলিক সাহিত্যসম্ভাৰ। গীত, কবিতা, গল্প, উপন্যাস আৰু গৱেষণালব্ধ অসংখ্য প্ৰবন্ধ-পাতিৰে কাৰ্বি আৰু অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। কাৰ্বি লামতাছাম (কাৰ্বি, অসমীয়া, ইংৰাজী ত্ৰিভাষিক অভিধান), নেলুন নেলামথে, দলা আলুন, সমন্বয় প্ৰবাহ, ৰংমিলিৰ হাঁহি, ক্ৰান্তিকালৰ অশ্ৰু, বন ফৰিঙৰ গীত, নীলা অৰ্কিড, টীকক জুৰিৰ ছাখিনা, জাক হেৰুৱা পক্ষী, লাংছ'লিএতৰ কাক্ৰুং ইত্যাদি।

কাৰ্বি জাতি আৰু কাৰ্বি আংলঙৰ মহীৰূহ ৰংবং তেৰাং ছাৰ স্বল্পভাষী, প্ৰচাৰবিমুখ, নিৰহংকাৰী আৰু বিনয়ী। পাহাৰ-ভৈয়ামৰ সমন্বয়-সম্প্ৰীতিৰ জীৱন্ত প্ৰতিমূৰ্তি তেৰাং ছাৰৰ দৰ্শন হ'ল— চমনা (যমুনা নদী), কল্পী (কপিলী) আৰু কাৰ্বি লাংপি নদীৰ বোৱঁতী সুঁতিয়ে অনন্তকাল ধৰি মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল বুকুৰেদিয়েই স্বকীয় গৰিমা প্ৰকাশি সাগৰ-মহাসাগৰৰ বুকুলৈ গতি কৰাৰ দৰেই

কাৰ্বি ভাষা-সাহিত্য, কলা-সংস্কৃতিয়ে বিশ্ব দৰবাৰলৈ বাট বুলিব লাগিব। সেয়েহে ১৯৭৩ চনত কাৰ্বি ছাত্ৰসমাজৰ নেতৃত্বত কাৰ্বি নতুন পুৰুষে অসমৰ এচাম ৰাজনৈতিক আৰু বৌদ্ধিক নেতৃত্বৰ উগ্ৰ অসমীয়া জাত্যাভিমানী মনোভাবৰ প্ৰতিবাদত গঢ়ি উঠা প্ৰবল ৰোমান লিপি আন্দোলনৰ সময়তো তেৰাং ছাৰে কাৰ্বি সমাজৰ বহুতৰে পৰা নানা অবাঞ্ছিত সমালোচনা, ইতিকিঙৰ সন্মুখীন হৈয়ো নিজ সিদ্ধান্তত অটল হৈ থাকি নিৰ্ভীকচিত্তে ৰোমান লিপিৰ পৰিবৰ্তে অসমীয়া লিপিতে কাৰ্বি ভাষাৰ উপৰি অসমীয়া ভাষাতো সমান্তৰালভাৱে সৃষ্টি কৰি গৈছিল তেওঁৰ অনন্য মৌলিক সাহিত্যসম্ভাৰ। ১৯৭৮ চনত কাৰ্বি আংলং জিলা পৰিষদত তদানীন্তন জনতা চৰকাৰৰ আমোলত চৰকাৰী কাৰ্যালয়বোৰত ইংৰাজী ভাষা প্ৰয়োগ আৰু কাৰ্বি ভাষাত ৰোমান লিপি গ্ৰহণৰ সপক্ষে প্ৰস্তাৱ গৃহীত কৰে। কাৰ্বি ৰাইজৰ ইচ্ছাক সন্মান জনাই ১৯৮৫ চনত অৱশেষত কাৰ্বি লাম্‌মেত আমেইয়ো ৰোমান লিপি গ্ৰহণৰ সপক্ষে সৰ্বসন্মত প্ৰস্তাৱ গৃহীত কৰাৰ পাছৰে পৰা ৰংবং তেৰাং ছাৰেও কাৰ্বি ৰাইজৰ ইচ্ছাক সন্মান জনাই কাৰ্বি ভাষা-সাহিত্য সৃষ্টি কৰোঁতে ৰোমান লিপি ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে।

কাৰ্বি ভাষা আৰু অসমীয়া ভাষা-সাহিত্যক সমানেই ভাল পোৱা পাহাৰ-ভৈয়ামক সীমাহীন ভাল পোৱা তেৰাং ছাৰে অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ উপ-সভাপতি পদত পূৰ্বতে কাৰ্যনিৰ্বাহ কৰিছিল যদিও এইবাৰ মহৎ অনুষ্ঠানটোৰ সভাপতিৰ দায়িত্বত উপবিষ্ট হৈ কাৰ্বি পাহাৰলৈ বিৰল সন্মান কঢ়িয়াই আনিছে।

সহজ-সৰল গ্ৰাম্য উদাৰতাৰ প্ৰাচুৰ্যৰে ভৰা কাৰ্বি পাহাৰত তেৰাং ছাৰ এক ব্যতিক্ৰমী অনন্য চৰিত্ৰ। সময়ৰ তাগিদাত বিগত সময়ত কাৰ্বি যুৱসমাজে বিভিন্ন সময়ত তেৰাং ছাৰক সন্মুখত ৰাখি ৰাজনীতিৰ মজিয়ালৈ আনিবলৈ চেষ্টা চলায়ো বিফল হ'বলগা হৈছে। কেতিয়াবা পৃথক ৰাজ্য আৰু কেতিয়াবা স্বায়ত্তশাসিত ৰাজ্য দাবীৰ আন্দোলনতো তেৰাং ছাৰক বিভিন্ন সময়ত বিভিন্ন সংগঠনে জড়িত কৰিবলৈ অনেকবাৰ চেষ্টা কৰিছিল, কিন্তু ছাৰে নিজৰ স্বাধীনচিতীয়া সাংস্কৃতিক মন আৰু সত্তাক শৃংখলাবদ্ধ কৰি ৰখাৰ সিদ্ধান্তত অটল হৈ থাকি আজীৱন শিক্ষকতা আৰু সাহিত্যৰ নিৰলস সাধনাতহে ব্যস্ত হৈ আছিছে। সহজ-সৰল এজন সাধাৰণ নাগৰিকৰ জীৱন-যাপন কৰা তেৰাং ছাৰৰ কোনো ৰাজনৈতিক স্বাৰ্থ কিম্বা কোনো উচ্চকাংক্ষাও অৱশ্যে নাই।

স্বকীয় প্ৰতিভাৰে দীপ্তিমান স্বনামধন্য সাহিত্যিক ৰংবং তেৰাং ছাৰক সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ভাৰত চৰকাৰে ১৯৮৯ চনত পদ্মশ্ৰী, ১৯৮২ চনত অসম সাহিত্য সভাই সন্মানীয় বিষ্ণু ৰাভা বঁটা, ১৯৮৩ চনত অসম প্ৰকাশন পৰিষদ বঁটা, ২০০৮ চনত অসম সাহিত্য সভাৰ বাসুদেৱ জালান বঁটা, ২০০৮ লখিমপুৰৰ 'সদিচ্ছা' নামৰ বেচৰকাৰী সংগঠনৰ দ্বাৰা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, জীৱনজোৰা সাহিত্য সাধনাৰ স্বীকৃতিৰূপে ২০০৮ চনৰ অসম উপত্যকা সাহিত্য বঁটাৰে সন্মানীত কৰিছে। কাৰ্বি নৱ-প্ৰজন্মৰ দিক্‌দৰ্শক স্বনামধন্য সাহিত্যিক, সংস্কৃতিৰ পূজাৰী ৰংবং তেৰাং ছাৰ আমাৰ সকলোৰে প্ৰেৰণাৰ অমল উৎস। আমাৰ শিক্ষাগুৰু তেৰাং ছাৰৰ সৃষ্টিযজ্ঞ বাধাহীন ছন্দেৰে আগুৱাই যোৱাৰ কামনা কৰিলো।

কথোপকথন



বিষয় ঃ জীৱন

সাক্ষাৎগ্ৰহণ ঃ পবিত্ৰ বৰা, খনীন্দ্ৰ কুমাৰ ডেকা

ছাৰ, আপোনাৰ বৰ্ণময় আৰু ঘটনাবহুল জীৱন সম্পৰ্কে কিছু কথা পাতিব বিচাৰিছোঁ। কিদৰে পাৰ হৈছিল আপোনাৰ শৈশৱ, কৈশোৰ...

বৰ্ণময় নহয় মোৰ জীৱন। অতি সাধাৰণভাৱে পাৰ কৰি আহিছোঁ সময়বোৰ। দুবছৰমান আগতে 'দৈনিক জনসাধাৰণ' কাকতৰ পৰা মোক 'বৰ্ণময় জীৱনৰ আধাৰত এলানি লেখা' লিখিবলৈ অনুৰোধ জনাইছিল। তেতিয়াই মই থতমত খাইছিলো— মোৰ

জীৱন জানো বৰ্ণময়? বহুদিন একো লিখিব পৰা নাছিলো। সেয়া মোৰ বাবে আছিল যন্ত্ৰণা, বৰ্ণময় জীৱনক বিচাৰি নোপোৱাৰ যন্ত্ৰণা।

এয়া আপোনাৰ বিনয়হে প্ৰকাশ। বাৰু আপোনাৰ জন্মৰ কথাই কওকচোন— ক'ত, কেতিয়া জন্ম হৈছিল আপোনাৰ?

জন্মৰ কথাই মোক প্ৰায়ে বিমোৰত পেলাইছিল। মোৰ জন্মৰ চন-তাৰিখ মা-দেউতাই ক'ব পৰা নাছিল। কাৰ্বি সমাজত জন্মৰ কোষ্ঠী ৰখাৰ নিয়ম নাই বাবেই মোৰ জন্মৰ দিন-তাৰিখ লিখি থোৱা নাছিল। পাছত মা-দেউতাক সুধি সুধি নিজেই এটা সিদ্ধান্তত উপনীত হৈছিলো। মোৰ জন্মৰ সঠিক দিন-তাৰিখ সম্পৰ্কে জনাৰ আগ্ৰহ হোৱাত এদিন আইক সুধিছিলো। কিছুপৰ নীৰৱে থাকি আয়ে কৈছিল— 'বকলীয়াৰ মহং গাঁৱত বিহু হৈছিল। বিহুৰ আগদিনা পুৱতি পৰত তোৰ জন্ম হৈছিল।' আয়ে লগতে কৈছিল যে সেয়া আছিল... বিহু। তেতিয়া মই মনতে ঠিৰাং কৰিছিলো যে দিনটো আছিল মাঘ বিহুৰ উৰুকাৰ দিন। গতিকে মোৰ জন্মৰ তাৰিখটো নিশ্চয় আছিল ১৩ জানুৱাৰী। কিন্তু চনটো মোৰ বাবে ধূসৰ হৈ ৰৈছিল। এদিন আজৰি পৰত এই সম্পৰ্কে সোধাত দেউতাই কৈছিল যে সেয়া ১৯৩৭ চন আছিল; কিন্তু তাৰিখৰ কথা দেউতাই ক'ব নোৱাৰিলে। আই আৰু দেউতাৰ স্মৃতিৰ পৰা জন্মৰ খবৰটো বুটলি মই নিজেই বে-চৰকাৰীভাৱে এটা তাৰিখ ঠিক কৰি পেলালো। নথি-পত্ৰ নোহোৱা মোৰ জন্মৰ তাৰিখটো হ'ল ১৩ জানুৱাৰী, ১৯৩৭। প্ৰভাতী পৰত। কাৰ্বি ভাষাৰে তিচ্ছ' ৰংবাং পৰত।

কিন্তু আপোনাৰ জন্মৰ দুটা তাৰিখ আমি পাওঁ...

হয়। আই আৰু দেউতাৰ স্মৃতিৰে বোটলা জন্মৰ চন-তাৰিখ স্কুলত নৰজিল। কাকী প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষক মলাৰাম বৰা ছাৰৰ ওচৰত নামভৰ্তিৰ সময়ত মোৰ জন্মৰ চন-তাৰিখ নিশ্চয় সলনি হৈছিল। কাকীৰ পৰা লংকা প্ৰাইমাৰী লোকেল ব'ৰ্ড স্কুলত মোৰ নামটো পঞ্জীয়ন কৰোঁতেও আমাৰ প্ৰধান শিক্ষক সৎমল বৰুৱা ছাৰৰ হাতত সম্ভৱ কিছু অদল-বদল হৈছিল। মেট্ৰিক পৰীক্ষাৰ ফৰ্ম দিয়াৰ সময়ত হাইস্কুলৰ প্ৰধান শিক্ষক খগেন্দ্ৰ নাথ শৰ্মা ছাৰে কৈছিল— 'তোমাৰ ডেট অব্ বাৰ্থটো সলাই দিলো, আগলৈ চাকৰি কৰোঁতে কামত লাগিব।' মেট্ৰিকৰ চাৰ্টিফিকেট মতে, ১৯৫৮

জোকাৰি গৈছিল। আগষ্ট মাহ-- গতিকে ভৰ বাৰিষা। পাৰ্বত্য অহা অঞ্চলটোৰ বাট-পথ। আমি হাতে হাতে মাজে মাজে শ্ল'গান দি আনন্দ প্ৰকাশ কৰিছিলো।

চনৰ ১ মাৰ্চত মোৰ বয়স হ'লগৈ ১৪ বছৰ ৩ মাহ। সেয়েহে মোৰ জন্মৰ প্ৰকৃত চন-তাৰিখ কি, সেই কথা ভাবি প্ৰায়ে মই বিমূঢ়ত পৰোঁ। সত্য আৰু অসত্যৰ দোদুল্যমান অৱস্থাৰে মোৰ বিবেকক কেতিয়াবা বুজাব নোৱৰাত পৰোঁ।

ছাৰ, বকলীয়াঘাটত হৈছিল আপোনাৰ জন্ম?

মই পৃথিৱীৰ পোহৰ দেখিছিলো বকলীয়াঘাটৰ ঈশান কোণত অৱস্থিত লাংবুং দিংপি নামৰ ঠাইডোখৰত। দেউতাইঁতে হেনো তাৰ আগতে 'বেংৰই' নামৰ পাহাৰৰ মাজত কাম কৰিছিল। মোৰ জন্মৰ পাছতেই লাংবুং দিংপি গাঁওখন এৰি বৰ্তমানৰ এৰাগাঁও নামৰ ঠাইত বৰদেউতা প্ৰয়াত লংনিত তেৰাঙে স্থায়ীভাৱে গাঁও স্থাপন কৰিছিল। লংনিত হৈছে এখন পাহাৰীয়া খৰস্ৰোতা নৈৰ নাম। নৈখনৰ পাৰতেই মোৰ মাতৃৰ ফালৰ ককাদেউতা ছাম ৰংহাংহঁতৰ গাঁওখন। তেখেতৰ জীয়ৰী বা-ইক ৰংহাংপী আছিল মোৰ মাতৃ। অনাখৰী আছিল মোৰ আই, পিতৃ ৰূপছিং তেৰাঙেও প্ৰাইমাৰী স্কুলতে শিক্ষা সামৰিছিল। দেউতাৰ প্ৰকৃত নাম আছিল বিন্দ্ৰম তেৰাং, স্কুলত নাম দিয়া হৈছিল ৰূপছিং। ব্ৰিটিছ চৰকাৰৰ নিম্নবৰ্গৰ পদ 'ছাপ্ৰাছী'ৰ কাম কৰিছিল দেউতাই।

বোধকৰো আপোনাৰ স্কুলীয়া জীৱন আৰম্ভ হৈছিল কাকীত—

হয়, দেউতাই চাকৰি সূত্ৰে কাকীত থকাত তাতেই মোৰ শিক্ষাৰম্ভ হৈছিল। কাকী লালুং গাঁও প্ৰাইমাৰী স্কুলত কলপাতত অ-আ, ক-খ লিখিবলৈ শিকিছিলো। স্কুলৰ প্ৰধান শিক্ষক আছিল মলাৰাম বৰা, সহকাৰী শিক্ষকজন আছিল উমাচৰণ কোচ। বৰা ছাৰ গুচি যোৱাত নন্দেশ্বৰ বৰা ছাৰে প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিছিল। এৰা-ধৰাকৈ পঢ়ি থকা অৱস্থাতে দেউতা লংকালৈ বদলি হৈছিল। দেউতাৰ লগতে আমিও লংকালৈকে গুচি আহিছিলো। চাকৰি সংক্ৰান্তত দেউতা গুচি আহিবলগীয়া হোৱাত কাকীত মোৰ শিক্ষা জীৱনৰো ওৰ পৰিছিল।

কাকীত কটোৱা সেই শৈশৱৰ কোনো উল্লেখযোগ্য ঘটনা মনত পৰে নেকি?

মই কাকীত পঢ়ি থকা সময়তে দেশ স্বাধীন হৈছিল। আমাৰ কোমল মনক স্বাধীনতাৰ আনন্দই জোকাৰি গৈছিল। আগষ্ট মাহ— গতিকে ভৰ বাৰিষা। পাৰ বাগৰি অহা কাকী লালুং জানৰ পানীয়ে

গান্ধীজীৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ আমি
মৌনতা অবলম্বন কৰিছিলো।
পৃথিৱীখনেও
চাগে কান্দি উঠিছে— সেই মুহূৰ্তত মই
সোনাই
ৰকা সেই ভাৱটোক আজিলৈকে

ববং তেৰাঙৰ পিতৃ ৰূপছিং তেৰাং আৰু মাতৃ ৰা-ইক বংহাংপী

ঘূৰাই পেলাইছিল অঞ্চলটোৰ বাট-পথ। আমি হাতে হাতে কাগজৰ পতাকা লৈ বোকা-পানী গচকি বিৰিণাৰ মাজে মাজে শ্ল'গান দি আনন্দ প্ৰকাশ কৰিছিলো। স্বাধীন ভাৰত কি জয়, ভাৰত মাতা কি জয়, মহাত্মা গান্ধী কি জয়, বন্দে মাতৰম— ইত্যাদি আছিল আমাৰ শ্ল'গান। মূৰত উজ্জ্বল ৰ'দ আৰু একাঁঠু বোকা-পানীৰ মাজতো আমিবোৰে হাবিতলীয়া কাকীত আনন্দ প্ৰকাশ কৰিছিলো।

স্বাধীনতাই অনা আনন্দৰ কথা আপুনি ক'লে। গান্ধী হত্যাৰ কথা মনত পৰেনে?

বৰ ডাঙৰ কথা এটা মনত পেলাই দিলা। তেতিয়া মই লংকা লোকেল ব'ৰ্ড প্ৰাইমেৰী স্কুলৰ ছাত্ৰ। এদিনাখন সন্ধিয়া পৰত ব'ৰ্ডিঙৰ ছাত্ৰসকল স্কুলৰ সমুখৰ ঘাঁহনিত গোট খাইছিল। কিন্তু ইয়াৰ কাৰণ কি আছিল মই একো গম পোৱা নাছিলো। এনেতে স্কুলৰ প্ৰধান শিক্ষক সংমল বৰুৱা ছাৰে গহীন হৈ ঘোষণা কৰিলে— 'ল'ৰাহঁত, জাতিৰ পিতা মহাত্মা গান্ধী আৰু নাই। নাথুৰাম গড়ছে নামৰ এজন লোকে গান্ধীক গুলীয়াই হত্যা কৰিলে।' মোৰ মনত আছে, বৰুৱা ছাৰৰ কাষতে থকা ধনেশ্বৰ শইকীয়া ছাৰে শোকত কান্দি উঠিছিল।

কণ্ঠস্বৰ শুনি মযো জিকাৰ খাই উঠিছিলো, গান্ধীজীক কোনোবাই হত্যা কৰিব পাৰে বুলি কল্পনাই কৰিব পৰা নাছিলো। গান্ধীজীৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ আমি মৌনতা অৱলম্বন কৰিছিলো। সেই সময়তে পৃথিৱীখনত মৃদু কঁপনি এটা অনুভূত হৈছিল। তেতিয়াই অনুভৱ কৰো এটা শোক মনত সোমাই পৰিছিল। গান্ধীজীৰ মৃত্যুত পৃথিৱীখনেও চাগে কান্দি উঠিছে— সেই মুহূৰ্তত মই তেনেদৰেই ভাবিছিলো। প্ৰাইমাৰী স্কুলত পঢ়ি থাকোঁতে মোৰ মনত সোমাই পৰা সেই আবেগটোক আজিলৈকে মনৰ পৰা আঁতৰাব পৰা নাই। বৰ্তমানৰ পৰিস্থিতিত সেয়েহে মই নিজকে এেতিয়াও প্ৰশ্ন কৰো— হিংসাতকৈ অহিংসা পৰম সত্য বুলি জানিও আজিৰ মানুহে হিংসা পথৰ পৰা আঁতৰি আহিব পৰা নাই কিয়?

যেতিয়া চকুৰ সমুখতে সঘনে জ্বলি উঠে হিংসাৰ দাবানল, তেতিয়া শৈশৱৰ সেই উপলব্ধিৰ কথাও মনলৈ আহেনে?

সঁচাকৈয়ে মনলৈ আহে। হিংসা আৰু প্ৰতিহিংসাৰ দ্বাৰা আমাৰ যুৱসমাজ মাজত গঢ়ি উঠা পৰিস্থিতিৰ প্ৰসংগৰে, অসমৰ পাহাৰীয়া জিলা দুখনত মাজে মাজে ঘটি থকা গোষ্ঠী সংঘৰ্ষৰ দুখজনক ঘটনাবোৰ দেখি মই সাধাৰণতে মনত পেলাওঁ লংকাত পাৰ কৰা সময়খিনিৰ কথা। বিভিন্ন ভাষা-গোষ্ঠীৰ লোকৰ বাসভূমি লংকা। সেই সময়ত আমি পঢ়া স্কুলখনেই সম্ভৱতঃ একমাত্ৰ মেট্ৰিকুলেচন বৰ্ড স্কুল। দূৰ-দূৰণিৰ অভিভাৱকসকলে ব'ৰ্ডিং ঘৰ সজাই ল'ৰাবোৰক পঢ়ুৱাইছিল। ব'ৰ্ডিঙত থকা আমি সকলোৱেই সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খাই শিক্ষা আহৰণ কৰিছিলো। একেলগে থকা ডিমাছা, মণিপুৰী, কাৰ্বি, বঙালী ল'ৰাবোৰৰ ভাতৃত্ববোধৰ দ্বাৰা মই মনলৈ অহা নিঃসংগতাৰ ভাব আঁতৰাইছিলো। ডিমাছা ল'ৰাবোৰৰ লগত মোৰ আন্তৰিকতা গভীৰ আছিল। আলিছিঙাৰ পৰশুৰাম বৰ্মন, পাঁচভাগাৰ অঞ্চলৰ বিলেশ্বৰ বৰ্মন, হৰি বৰ্মন আৰু লগতে ৰংমাই ভাও, এই ডিমাছা ল'ৰাবোৰৰ লগত ব'ৰ্ডিঙত পঢ়ি থকা কালত বন্ধুত্ব আছিল। দ-গাঁও বৰ্মন গাঁৱৰ ভাগ্য বৰ্মন নিজে লংকা মৌজাৰ মৌজাদাৰ পৰিয়ালৰ হৈয়ো কাৰ্বি আৰু অন্যান্য সম্প্ৰদায়ৰ ল'ৰাবোৰৰ লগত

কপাহিং তেৰাং, বা-ইক বংহাংপী সমন্বিতে তেওঁলোকৰ পৰিয়ালবৰ্গৰ একাংশ। ফটোখন তুলিছিল কিশোৰ বৰুৱা তেৰাঙে

মিলিজুলি আছিল। বৰ্ডিঙত থাকোঁতে হৰি বৰ্মন, পৰত বৰ্মনৰ সৈতে অন্যান্য ডিমাছা গাঁওবোৰলৈ গৈছিলো। এতিয়া ভাবোঁ— আমি পঢ়ি থকা কালৰ মনবোৰ আজিৰ যুৱচামৰ মাজত নোহোৱা হ'ব ধৰিছে কিয়? আমাৰ সময়তকৈ আজিৰ যুৱচামে বহুতো সুবিধা পাইছে, অথচ আজি তেওঁলোক অসন্তুষ্ট, বিদ্ৰোহী মনোভাবাপন্ন, ভাতৃত্ববোধৰ পৰা যেন বিচ্ছিন্ন। নিজকে প্ৰশ্ন কৰোঁ— ইয়াৰ উৎস কি? গোষ্ঠীপ্ৰেম, দেশপ্ৰেম নে ক্ৰান্তিকালৰ এটা মেণ্টেল ডিজিজ?

লংকাত আপুনি অকলে থাকিবলগীয়া হৈছিল?

দেউতা পুনৰ কাকীলৈ বদলি হোৱাত মোক লংকাতে থৈ দেউতাৰ লগতে মাইঁতো কাকীলৈ গুচি গৈছিল। হঠাৎ লংকাত মই অকলশৰীয়া হৈ পৰিছিলো। পঢ়া-শুনাত বিঘিনি হ'ব পাৰে বুলি মোক ব'ৰ্ডিং ঘৰতে থৈ দেউতা গুচি গৈছিল। মোৰ তত্ত্বাৱধান কৰিছিল ৰামছিং বে' নামৰ চিনাকি ল'ৰা এজনে। মা-দেউতাৰ পৰা আঁতৰি থাকিবলগীয়া হোৱাত মোৰ মনটোৱে কান্দি উঠিছিল, কিন্তু ৰামছিং ককাইদেউ আৰু স্কুলৰ প্ৰধান শিক্ষকৰ মৰমে ধীৰে ধীৰে মোৰ বিষণ্ণতা আঁতৰাইছিল। নিজৰ ভৰিত থিয় দিয়াৰ প্ৰথম শিক্ষা লাভ কৰিছিলো লংকাৰ ব'ৰ্ডিং স্কুলতে। শিক্ষাৰ লগতে জীৱন বিকাশৰ মৌলিক উপাদানবোৰো লংকাতে লাভ কৰিছিলো। লংকাৰ মাটিত যেন বিচাৰি পাইছিলো জীৱনৰ নতুন অৰ্থ।

আৰু কাকী? কাকীত কটোৱা শৈশৱে আপোনাৰ মনত কেনে প্ৰভাৱ পেলাইছিল?

কাকীত বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত গঢ় লৈ উঠা সমাজখনক সৰুকালৰে পৰা মই দেখিছিলো আৰু কাকীৰ মাটিয়ে মোক শিকাইছিল প্ৰেম আৰু ভাতৃত্বৰ মন্ত্ৰ। প্ৰকৃতিৰ ৰূপবোৰে শিশুৰ মনত মচিব নোৱৰা সাঁচ বহুৱাব পাৰে। এইক্ষেত্ৰত নৈ-জান-জুৰিৰ কিবা সম্পৰ্ক আছে নেকি মই নাজানো, মোৰ শৈশৱত কাকীজানখনে কিন্তু যথেষ্ট প্ৰভাৱ পেলাইছিল। শৈশৱকালৰ কাকীজানে মোক বহুতো কথাই শিকাইছিল। ফেনে-ফোটোকাৰে ওফন্দি উঠা কাকীজানত সাঁতুৰি-নাদুৰি মই অন্তৰত সাহস গোটাইছিলো। ল'ৰালি কালতেই দেখিছিলো— কাকীজানৰ দুয়োপাৰৰ মানুহৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ মিলনৰ সহজ ৰূপ। কাকীজানৰ উজনিত থকা কছাৰী গাঁওখনে মেজি জ্বলাই ভোগালী বিহু পাতিছিল। কাকীজানৰ মাজডোখৰত জ্বলিছিল খাচপুৰীয়া মহং গাঁৱৰ মেজি আৰু লালুংঘাটত নটাকৈ মেজি সাজি লালুং গাঁওখনে ভোগালী বিহু পাতিছিল। আমি থকা ফ'ৰেষ্ট বাংলোৰ উত্তৰ পাৰতেই আছিল লালুং গাঁৱৰ কৃষ্টিৰ বৰপথাৰখন।

কাকী অঞ্চলৰ প্ৰতিখন গাঁৱৰ মানুহেই আমাক মৰম কৰিছিল। মোৰ আই পাহাৰৰ জীয়াৰী হৈয়ো সকলো জনগোষ্ঠীৰ লগত মিলিব জানিছিল। কাকী ফ'ৰেষ্ট বাংলোলৈ ব্ৰিটিছ অফিচাৰসকলো আহিছিল আৰু ডিপাৰ্টমেণ্টৰ অন্যান্য বিষয়াও আহিছিল। আমি থকা ফ'ৰেষ্ট কম্পাউণ্ডটোৰ পৰিৱেশেও হয়তো আইৰ মনটোক বহল কৰি তুলিছিল। বৈচিত্ৰ্যময় মানৱ সংযোগৰ ফলত, আমাৰ এঘৰীয়া পৰিয়ালটোৰ অন্য একো নহ'লেও, সকলো মানুহৰ লগত মিলিব পৰা ভাব এটা আনি দিছিল, কাকীৰ মাটিয়ে।

লংকাত আপুনি হাইস্কুলপৰ্যন্ত শিক্ষা গ্ৰহণ কৰিছিল। পাঠ্যপুথিৰ উপৰি তেতিয়া অন্য গ্ৰন্থাদি অধ্যয়ন কৰিছিলনে?

হাইস্কুলত থাকোঁতে ছমাহৰ বাবে মই 'অসমবাণী' কাকতৰ গ্ৰাহক হৈছিলো। কাকতখনৰ দাম

আছিল চাৰিঅনা, অৰ্থাৎ আজিৰ পইচাৰে পঁচিশ পইচা। সেই কাকতখনৰ পৰাই বিভিন্ন অঞ্চলৰ কবি-সাহিত্যিক-শিল্পীসকলৰ অমৃত-সংবাদ লাভ কৰিছিলো। সেই আশুকলীয়া অমৃত সংবাদৰ কাগজকেইখিলা কাটি বতনাই থৈছিলো। কাকতখনে সাহিত্য অধ্যয়নৰ কাজে মোৰ মনটোক আকৰ্ষণ কৰি নিছিল। পাঠ্যপুথিৰ উপৰি বাহিৰা কিতাপ পঢ়াৰ মন এটা তেতিয়াই গঢ় লবলৈ ধৰিছিল। স্কুলৰ সৰু লাইব্ৰেৰীৰ পৰা দুই-এখন কিতাপ আনি পঢ়িছিলো। মই পঢ়ি ভাল পোৱা গ্ৰন্থৰ ভিতৰত 'মোৰ সত্য অন্বেষণৰ কাহিনী' আছিল অন্যতম। পুথি অধ্যয়নৰ লগতে পুথি সংগ্ৰহৰ মন এটাও আহিবলৈ ধৰিছিল। মই সংগ্ৰহ কৰা প্ৰথম গ্ৰন্থখন আছিল হেম বৰুৱাৰ 'সাগৰ দেখিছা'। এখন পোষ্টকাৰ্ডেৰে ছিলঙত থকা চপলা বুক ষ্টলৰ পৰা কিতাপখন বিচাৰিছিলো। কিতাপখনৰ দাম তিনি টকা। অৰ্ডাৰ পঠোৱা কাৰ্ডখনত মোৰ নামটো 'বাণীকান্ত তেৰাং' বুলি লিখিছিলো। পাৰ্চেলৰ টোপোলাটো সেই নামেৰেই স্কুলৰ ঠিকনাত আহিছিল। আমাৰ শিক্ষাগুৰু পূৰ্ণকান্ত [illegible] প্ৰথমতে 'বাণীকান্ত তেৰাং' কোন বুলি খবৰ কৰিছিল। মই লাজ লাজ ভাবেৰে থিয় দিছিলো। বাদে মোৰ মুখলৈ চাই 'নামটো কিয় সলাইছ' বুলি কৈ কিতাপৰ পাৰ্চেল আনু বুলি জনাইছিল। আচলতে ড° বাণীকান্ত কাকতিৰ প্ৰভাৱত বংবঙৰ ঠাইত বাণীকান্ত কৰিছিলো। 'সাগৰ দেখিছা'ত 'বাণীকান্ত তেৰাং' বুলিয়েই লিখা আছে এতিয়াও।

সৃষ্টিৰ অংকুৰণো ঘটিছিল তেতিয়াই?

গ্ৰন্থ আৰু বাতৰি কাকতৰ সৈতে হোৱা সংস্পৰ্শৰ পিছত মোৰ কিবাকিবি লিখাৰ ইচ্ছা জাগিছিল। বিশেষকৈ প্ৰকৃতিৰ বৰ্ণাঢ্য ৰূপবোৰে মোৰ ছাত্ৰ জীৱনটোক মোহিত কৰি ৰাখিছিল। পশ্চিম দিগন্তত সূৰ্যাস্তৰ দৃশ্য চাই ভাল পাইছিলো। কিয় নাজানো, সূৰ্যোদয়তকৈ সূৰ্যাস্তৰ দৃশ্য মোৰ ভাল লাগিছিল বেছি। লংকা বৰ্ডিঙতো গধূলি পৰত, বিশেষকৈ ফৰকাল বতৰত সূৰ্যাস্তৰ দৃশ্য মই উপভোগ কৰিছিলো। সেই ভাববোৰ প্ৰকাশৰ সুবিধা পোৱা নাছিলো আৰু কেতিয়াবা কিতাপ-বহীৰ পাতত আঁক-বাঁক কৰি সান্ত্বনা লাভ কৰিছিলো। লংকাত যে ৰং-তুলিকাৰ উঁহ বিচৰাই কঠিন আছিল। ভূগোলৰ মেপ আঁকিবলৈ ৰঙা-নীলা পেঞ্চিলডালৰ বাহিৰে আমাৰ হাতত একোৱেই নাছিল, ৰং-

[illegible]



পত্নী প্ৰয়াত কানাম হাকেপীৰ সৈতে তেৰাং

তুলিকাৰ সঁজুলি। লংকা হাইস্কুলৰ হাতেলিখা আলোচনী 'ৰেঙণি'ত মোৰ প্ৰথম লেখাটো প্ৰকাশ পাইছিল। নাম আছিল 'গুডিপৰুৱা'।

কি আছিল জীৱনৰ সেই প্ৰথম লেখাটোৰ মূল কথা?

'গুড়িপৰুৱা'ৰ মূল শিক্ষাটো আছিল— মাউথে উটি গ'লে মৰণ নাই। বৰ্ণনাৰ পটভূমি আছিল কাকী। বাৰিষা কালত কাকী লালুংজান পানীৰে ওফন্দি উঠিছিল। ফেনে-ফোটোকাৰে বাঢ়ি অহা পানীৰ সোঁতত গুড়িপৰুৱা ওপঙি যোৱা দেখিছিলো— এটা এটা সৰু বলৰ দৰে। ৰৱালি-পাভ আৰু অন্যান্য পুঠি-খলিহনাবোৰে মাউথে উটি যোৱা গুড়িপৰুৱাবোৰক একো কৰিব পৰা নাছিল। নৈৰ পাৰত বৰশী বাই থাকোঁতে সেই দৃশ্য প্ৰত্যক্ষ কৰিছিলো। লগতে লক্ষ্য কৰিছিলো— মাৰ যাব ধৰা সুৰুযটোৰ নৈৰ বুকুত প্ৰতিফলিত হোৱা মনোৰম দৃশ্যটো। সেই দৃশ্যকে বৰ্ণনা কৰোঁতে বেলি ডুব যোৱা ঘটনাটোক বাস্তৱায়িত কৰিবৰ বাবে 'টুপুং' শব্দটো ব্যৱহাৰ কৰি লিখিছিলো— 'টুপুং' কৰি বেলিটো ডুব গ'ল'— দলিচপৰা পানীত পৰি সৃষ্টি হোৱা শব্দৰ ইমেজেৰে।

তেতিয়া স্কুলত সাহিত্য সম্পৰ্কীয় কোনো অনুষ্ঠান আছিল নেকি?

'ৰেঙণি'য়ে আত্মপ্ৰকাশ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে 'জ্ঞানদায়িনী' নামৰ সভা এখন সোমনাথ দত্ত ছাৰে আৰম্ভ কৰিছিল। প্ৰতি শনিবাৰে সভাখন অনুষ্ঠিত কৰাইছিল। এই সভাৰ সাধাৰণ সম্পাদক আছিল স্কুলৰ কাষতে থকা ছাত্ৰ-বন্ধু সুবল কৃষ্ণ কুণ্ডু। 'জ্ঞানদায়িনী'য়ে আমাৰ অবিকশিত মনবোৰৰ বিকাশ সাধনত সহায় কৰিছিল। লংকা এম ই স্কুল হাইস্কুললৈ ৰূপান্তৰিত হোৱাৰ লগে লগে 'ৰেঙণি' আলোচনীয়ে ভুমুকি মাৰিছিল।

লংকা হাইস্কুলৰ পৰা আপুনি মেট্ৰিক পাছ কৰিছিল। আমি জনাত আপুনি আছিল স্কুলখনৰ পৰা মেট্ৰিক দিয়া প্ৰথমটো বেচ্‌ৰ ছাত্ৰ। আপোনালোকৰ ফলাফলৰ ওপৰত স্কুলখনৰ ভৱিষ্যতো নিৰ্ভৰ কৰিছিল—

হয়, আমি পঢ়ি থকা স্কুলখন ভেনচাৰ আছিল। আমাৰ ফলাফলৰ ওপৰত লংকা হাইস্কুলখনৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছিল। প্ৰাথমিক শিক্ষা সামৰি পুনৰ ক্লাছ থ্ৰীত নাম লগাই লংকাত আমাকে লৈ এম ই স্কুল আৰম্ভ কৰিছিল। লংকা এম ইখন প্ৰাইভেট হেতুকে কামপুৰ হাইস্কুলত গৈ এম ই ফাইনেল পৰীক্ষা দিবলগীয়া হৈছিল। আমিয়েই প্ৰথম বেচ্‌ৰ ছাত্ৰ। আমাৰ পৰীক্ষাৰ ফলাফলৰ ওপৰতেই এম ই স্কুলখনৰ ৰিকগ্‌নিশ্যনৰ প্ৰশ্নটো ওলমি আছিল। এম ই ফাইনেলত আমি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিলো। মোৰ লগতে জয়গোবিন্দ শইকীয়া, ৰোহিণী বৰা আৰু আমাৰ বৰ্ণিত মণিটৰ ৰংবং ফাংচ'। আমাৰ ফলাফল দেখি বাইজৰ লগতে ছাত্ৰসকলেও আনন্দ পাইছিল। লংকা এম ই স্কুলে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। এম ই পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলকে লৈ লংকাত হাইস্কুল পতাৰ কথা লংকাৰ ৰাইজে চিন্তা কৰিছিল আৰু কাৰ্যতঃ আমাকে লৈ ক্লাছ ছেভেন আৰম্ভ কৰিছিল। এম ই পাছ কৰি মই বৃত্তি লাভ কৰা সত্ত্বেও আৰ্থিক দুৰৱস্থাৰ কথা ভাবি লংকা হাইস্কুলকে নিৰ্ভৰ কৰি ৰৈ গৈছিলো। ক্লাছ টেনৰ বছৰটো আছিল মোৰ বাবে জীৱনৰ টাৰ্নিং পইণ্ট। স্কুলীয়া জীৱনৰ সমস্ত দুখ-কষ্টৰ শেষ পৰিণতি আছিল মেট্ৰিক। মেট্ৰিক পৰীক্ষাত বহিম— সেয়াই আছিল দেউতাৰ বাবে পৰম আনন্দৰ, গৌৰৱৰ খবৰ। ময়ো ভাবিছিলো মা-দেউতাৰ কথা, এসাঁজ ভাতৰ বাবে লালুং গাঁৱৰ ঘৰে ঘৰে ধান-চাউল বিচাৰি ঘূৰি ফুৰা আইৰ কথা আৰু লগতে ভাবিছিলো বকলীয়া-এৰাগাঁৱত থকা বৰদেউতাহঁতৰ কথা, আনকি সুদূৰ লংনীত-লাংপাৰপানত থকা ককাদেউতা, মামাহঁতৰ কথাবোৰ মনত পেলাইছিলো। বিস্তৃতভাৱে থকা পৰিয়ালৰ ভিতৰত ময়েই যে প্ৰথম মেট্ৰিক পৰীক্ষাত বহিম, সেই চিন্তাই মোক আনন্দও দিছিল, লগতে গধুৰ দায়িত্বৰ উপলব্ধিৰে পঢ়া-শুনাত গুৰুত্ব দিবলৈ মনত প্ৰেৰণা পাইছিলো সেই বছৰটোতেই। অৱশেষত মই প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিলো— সেই সময়ত বহুতে মোক চাবলৈ আহিছিল।

তাৰ পাছত আহিছিল নগাঁও কলেজলৈ?

জীৱনৰ প্ৰস্তুতিৰ কঠীয়াতলী লংকা এৰিবলৈ মন নগৈছিল। মোৰ পৰিচিত মাটি আৰু মানুহৰ উমাল মৰমবোৰৰ পৰা আঁতৰি যাবলৈ মোৰ কষ্ট হৈছিল। কিন্তু এদিন অশ্ৰুসিক্ত চকুৰে লংকা এৰি 'নিৰ্মালী' নামৰ বাছখনেৰে নগাঁবলৈ বুলি ওলাই আহিছিলো। সেয়া আছিল ১৯৫৮ চনৰ কোনোবা এটা দিন। নগাঁও কলেজত আই এ শ্ৰেণীৰ প্ৰথম বাৰ্ষিকত নাম লগাইছিলো। নগাঁও চাঁদমাৰীত থকা অসমীয়া মানুহ এঘৰৰ কোঠা এটাত ভাৰাত থাকি কলেজৰ ক্লাছবোৰ কৰিছিলো। কলেজত পঢ়িবলৈ পোৱাটোৱেই আছিল মোৰ বাবে পৰম সৌভাগ্যৰ কথা। কলেজখনৰ আও-ভাও একোকে বুজিব পৰা নাছিলো। কলেজৰ অধ্যাপক ছাৰসকলৰ ভিতৰত মহেশ চন্দ্ৰ দেৱগোস্বামী ছাৰক চিনি পাইছিলো। তেতিয়া তেখেত আছিল উপাধ্যক্ষ। মোৰ ল'জিক বিষয়টো নাছিল বাবে গোস্বামী ছাৰৰ সান্নিধ্য পোৱা নাছিলো। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা ছাৰ, 'কাঠনীবাৰী ঘাট'ৰ স্ৰষ্টা মহিম বৰা আৰু আন বহুকেইজন ছাৰ আছিল মোৰ বাবে দূৰ নক্ষত্ৰসদৃশ। কলেজৰ নবীন চন্দ্ৰ বৰদলৈ হলত অনুষ্ঠিত হোৱা নৱাগত আদৰণী সভাত মুখ্য অতিথিৰূপে উপস্থিত আছিল বিশিষ্ট সাহিত্যিক চৈয়দ আব্দুল

মালিক। স্কুলীয়া অৱস্থাৰ পৰা আমাৰ মন মোহিত কৰি ৰখা সেইগৰাকী সাহিত্যিকক ওচৰৰ পৰা দেখিবলৈ পোৱাটো আছিল মোৰ বাবে পৰম সৌভাগ্য। সেই বাবে হলটোতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক স্বচক্ষে দেখাৰ সৌভাগ্য ঘটিছিল। মই লংকা হাইস্কুলত পঢ়ি থকা সময়ত নগাঁৱত অনুষ্ঠিত হৈছিল অসম ছাত্ৰ ফেডাৰেশ্যনৰ অধিৱেশন। ৰে'লেৰে আহি আমি নগাঁৱত উপস্থিত হৈছিলো, কিন্তু পলম হোৱা বাবে মূল সভাত উপস্থিত হ'ব পৰা নাছিলো। বৰদলৈ হলত আমি সাংস্কৃতিক অনুষ্ঠান চাইছিলো। হলটোৰ মঞ্চত বিষ্ণু ৰাভাই কথাৰে বুজাই বুজাই কাৰ্বিসকলৰ 'চ'মাংকান' উৎসৱৰ ঢোলৰ ছেও বজাই আছিল। মুখেৰেই তেওঁ ঢোলৰ ছেও বজাই শুনাইছিল, ঢোলবাদ্যৰ সহায়ত নহয়। মই অভিভূত হৈ পৰিছিলো, পাহৰি গৈছিলো ভোক-ভাগৰৰ কথা।

নগাঁৱৰ বৌদ্ধিক আৰু সাংস্কৃতিক পৰিমণ্ডলে আপোনাৰ মনত কেনে প্ৰভাৱ পেলাইছিল?

নগাঁৱলৈ আহি কলেজতে পাইছিলো বহুকেইজন বৰেণ্য ব্যক্তিক। নগাঁৱত কলং নৈ দেখি মই ৰোমাঞ্চিত অনুভৱ কৰিছিলো। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কিতাপখন বিচাৰি মই চলাথ কৰিছিলো। শিল্পী তাৰিকুদ্দিন আহমেদ, পাৰবীন চুলতানাৰ ঘৰলৈ দুবৈৰ পৰাই চাই ৰৈছিলো পুলকিত মনেৰে। পঢ়াৰ বাবে মিকিৰ পাহাৰ জিলা পৰিষদৰ পৰা মোক এককালীন সাহায্য দিছিল। সেই ধনেৰে মই এদিন কিনিছিলো মহেন্দ্ৰ বৰা সম্পাদিত 'নতুন কবিতা'। দাম আছিল ৩.৫০ টকা। সূচীপত্ৰত দেৱকান্ত বৰুৱাৰ নামটো দেখিয়েই তৎক্ষণাৎ কিতাপখন কিনি পেলাইছিলো। ভাৰাঘৰলৈ আহি কিতাপখনৰ প্ৰথমখিলা পাততে লিখি থৈছিলো— 'মিকিৰ পাহাৰ জিলা পৰিষদৰ পৰা পঢ়াত সহায় কৰাৰ স্মৃতিৰ্তে কিতাপখন কিনা হ'ল। শ্ৰী ৰংবং তেৰাং, নগাঁও কলেজ, ২/১০/৫৯ ইংৰাজী'। ৰুদ্ৰপ্ৰসাদ কাকতি ফৌজদাৰী পট্টিত থাকোঁতে মোৰ পৰা কিতাপখন নি পঢ়িছিল। চিনস্বৰূপে কাকতিয়ে কিতাপখনৰ শেষ পৃষ্ঠাত নিজৰ নামটো লিখি তাৰিখ উল্লেখ কৰি থোৱা আছে, এইদৰে ২.৩.৬২ Friday। পুথিখন আজিও যতনাই থৈছোঁ, কলেজীয়া জীৱনত কিনা প্ৰথম গ্ৰন্থ বুলি।

কলেজত আপুনি বোধকৰো এন চি চিৰ সদস্যও আছিল—

হয়, কলেজত মোৰ এন চি চি আছিল। স্বাধীন দেশ এখনৰ ছাত্ৰ হিচাপে এন চি চিৰ প্ৰশিক্ষণ লোৱাটো বাধ্যতামূলক নহ'লেও ই অতি গুৰুত্বপূৰ্ণ শিক্ষণীয় বিষয় বুলি প্ৰফেছাৰ ইনচাৰ্জ অধ্যাপক বৰদলৈ আৰু ভূঞা ছাৰে পেৰেডগ্ৰাউণ্ডত আমাক বুজাই দিছিল আৰু মই এন চি চি আছিল সামৰিক শিক্ষাৰ আদিপাঠ। ৰাইফল্‌ছকে আদি কৰি সমৰক্ষেত্ৰত প্ৰয়োজন হ'লে নিজকে প্ৰস্তুত হৈ থাকিব পৰা প্ৰায়বোৰ শিক্ষাই আমাক দিয়া হৈছিল। শিৱসাগৰ জিলাৰ ডিমৌত অনুষ্ঠিত এন চি চি কেম্পত অংশ লৈ মই অভিভূত হৈ পৰিছিলো। কামৰূপ জিলাৰ ডিগাৰুত কলেজীয়া জীৱনৰ শেষ কেম্পটোত অংশ লৈছিলো। শেষ কেম্পটো তাৎপৰ্যপূৰ্ণ আছিল এইবাবেই যে সেই কেম্প পৰিদৰ্শন কৰিবলৈ স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু উপস্থিত হৈছিল। লগতে অন্য এটি তাৎপৰ্যপূৰ্ণ দিশো আছিল, সেয়া হ'ল— এখন ভুৱা যুদ্ধৰ আখৰা অনুষ্ঠিত কৰা। সেই দুয়োটা কাৰণতে ডিগাৰু কেম্প আছিল মোৰ কলেজীয়া জীৱনৰ এক স্মৰণীয় অধ্যায়। সেই সময়ত এন চি চি, এ চি চিৰ প্ৰশিক্ষণক চৰকাৰে অতি গুৰুত্বসহকাৰে বিবেচনা কৰিছিল। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণসূচীয়ে আমাক উৎসাহৰ লগতে আনন্দও প্ৰদান কৰিছিল। প্ৰধানমন্ত্ৰীক গাৰ্ড অৱ অনাৰ দিবৰ বাবে কেম্পসমূহৰ পৰা কেডেট নিৰ্বাচন কৰিছিল। মোকো আমাৰ কেম্পৰ পৰা নিৰ্বাচন কৰাত অতি

বাওঁফালৰ পৰা ৰহি কানাম হাঞ্চেপী, কন্যা ইণ্ডিকা আৰু ৰংবং তেৰাং।
থিয় হৈ বাওঁফালৰ পৰা কনিষ্ঠ পুত্ৰ মুক্ৰাং তেৰাং, কন্যা অস্মি আৰু জ্যেষ্ঠপুত্ৰ লংনিত তেৰাং

সুখী হৈছিলো। পণ্ডিত নেহৰুক স্বচক্ষে দেখা পোৱা আৰু গাৰ্ড অব অনাৰ হেন অতি সন্মানজনক সেৱা আগবঢাবলৈ পোৱাটো মোৰ জীৱনৰ বাবে স্মৰণীয আৰু গৌৰৱৰো কথা।

আমি জনাত নগাঁও কলেজৰ পৰা অসমীয়াত অনাৰ্ছ লৈ স্নাতক ডিগ্ৰী অৰ্জন কৰা প্ৰথম দুজন ছাত্ৰৰ ভিতৰত আছিল আপুনিও। স্নাতক ডিগ্ৰী অৰ্জন কৰা মুহূৰ্তটোৰ স্মৃতি এবাৰ ৰোমন্থন কৰিবনে?

হয়, ১৯৪৪ চনতে প্ৰতিষ্ঠা কৰা নগাঁও কলেজত আমাৰ সময়তে অনাৰ্ছ বিষয় আৰম্ভ কৰা হৈছিল। প্ৰথম অৱস্থাত ইংৰাজী, অসমীয়া আৰু সম্ভৱতঃ অৰ্থনীতি বিষযত অনাৰ্ছ কোৰ্ছ খোলা হৈছিল। মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামী ছাৰে মোক এদিন মাতি নি কৈছিল— 'ৰংবং তুমি অসমীয়াত অনাৰ্ছ ল'ব লাগিব।' ছাৰৰ কথা শুনি মই আচৰিত হৈছিলো, কিয়নো আই এ শ্ৰেণীত মোৰ ছেকেণ্ড লেংগুৱেজ নাছিল। কিন্তু ছাৰে কৈছিল— 'তুমি পাৰিবা, তুমি অসমীয়াত ৬৩ নম্বৰ পাইছা। তোমাক লৈয়েই আমাৰ কলেজত অনাৰ্ছ কোৰ্ছ আৰম্ভ কৰিব বিচাৰিছোঁ।'

ছাৰৰ আগ্ৰহৰ প্ৰতি সম্মান জনাই মই সম্মতি জনাইছিলো। কিন্তু পাছলৈ পাঠ্যপুথি বিচাৰি যথেষ্ট সমস্যাত পৰিছিলো। কিন্তু যজ্ঞেশ্বৰ শৰ্মা, ড° সৰ্বেশ্বৰ ৰাজগুৰু, ড° কেশৱানন্দ দেৱগোস্বামী, মহিম বৰা আদি ছাৰৰ সহায়ত আগবাঢ়ি গৈছিলো। ১৯৬৩ চনৰ কোনোবা এটা দিনত মোৰ বাবে পৰম আকাংক্ষিত খবৰটো আহিছিল। বি এ পৰীক্ষাৰ ফলাফল ওলোৱা দিনটোত সন্ধিয়া উজনিমুৱা পেছেঞ্জাৰখনে কঢ়িয়াই অনা বাতৰি কাকতত মোৰ নামটো দেখি যথেষ্ট আনন্দিত হৈছিলো। মোৰ লগতে সহপাঠী টংকেশ্বৰ ডেকাৰ নামটোও আছিল। নগাঁও কলেজৰ পৰা অসমীয়াত অনাৰ্ছ লৈ পাছ কৰা প্ৰথম দুগৰাকী ছাত্ৰ হ'লে বুলি মনলৈ কিছু গৌৰৱ ভাব এটাও আহিছিল। ছাৰসকলৰ মনৰ হেঁপাহ পূৰণ কৰিব পৰাত ছাত্ৰ হিচাপে সঁচাকৈয়ে মই গৌৰৱ অনুভৱ কৰিছিলো।

কলঙৰ পাৰৰ পৰা তাৰ পিছত গৈছিল ব্ৰহ্মপুত্ৰৰ পাৰলৈ, গুৱাহাটী বিশ্ববিদ্যালয়লৈ?

হয়, স্নাতক ডিগ্ৰী লোৱাৰ পাছত মই পদাৰ্পণ কৰিছিলো গুৱাহাটী বিশ্ববিদ্যালয়ত। কিন্তু আৰ্থিক দুৰৱস্থাৰ কাৰণে ১৯৬৩ চনত মই এড্‌মিছন ল'ব পৰা নাছিলো। আনকি, স্নাতকোত্তৰ ডিগ্ৰী লোৱা কথাটোক মনৰ পৰা আঁতৰাই কাৰ্বি আংলং জিলাৰ বাদং গৱৰ্ণমেণ্ট এম ই স্কুলৰ প্ৰধান শিক্ষকৰূপে যাবলৈকো থিৰাং কৰিছিলো। কিন্তু চৰকাৰৰ নিযুক্তিপত্ৰ গ্ৰহণ নকৰি অৱশেষত এম এ পঢ়াৰ সিদ্ধান্ত লৈছিলো। এইক্ষেত্ৰত মোৰ একমাত্ৰ আশাৰ থলী আছিল শ্ৰদ্ধেয় ছত্ৰছিং টেৰণ। মই ছিলঙলৈ গৈ মন্ত্ৰী ছত্ৰছিং টেৰণক মোৰ পঢ়াৰ হেঁপাহৰ কথা কোৱাত তেওঁ কিছু টকা দি সহায় কৰিছিল। পুৰণি কাকীৰ মুকলি পথাৰত গৰখীয়া জীৱনপথেৰে যাত্ৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ জ্ঞানসাগৰ স্পৰ্শ কৰিব পৰাটো মোৰ বাবে আছিল এক বিস্ময়কৰ কথা। কিয়নো, কাকী লালুংজানৰ হৰদিয়াল ঘাট, দুৰ্গা ঘাট, কামাখ্যা ঘাটত বৰশী বাই পাভ-শিঙৰা মাছ ধৰি পোৱা পৰম তৃপ্তি আৰু আনন্দ ত্যাগ কৰি লুইতৰ সান্নিধ্য লাভ কৰিব পাৰিম বুলি মই ভাবিবই পৰা নাছিলো। কিন্তু জীৱনৰ গতিয়ে অৱশেষত তেনেদৰেই মোক স্পৰ্শ কৰাইছিলগৈ দেশৰ উচ্চতম জ্ঞান আলোকৰ মহামন্দিৰ, গুৱাহাটী বিশ্ববিদ্যালয়।

বংবং তেৰাঙৰ সৈতে পবিত্ৰ বৰা আৰু খনীন্দ্ৰ কুমাৰ ডেকা

বিশ্ববিদ্যালয়ততো বহু বৰেণ্য ব্যক্তিৰ সান্নিধ্য পাইছিল। ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা আদিৰ—

হয়, গুৱাহাটী বিশ্ববিদ্যালয়ত ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° গোলোক চন্দ্ৰ গোস্বামী, ড° উপেন্দ্ৰ নাথ গোস্বামী আদিৰ দৰে বৰেণ্য শিক্ষাবিদৰ সান্নিধ্য লাভৰ সৌভাগ্য ঘটিছিল। স্কুল-কলেজৰ জীৱনৰ পৰাই নাম শুনি অহা এইসকল ব্যক্তিক স্নাতকোত্তৰ কালৰ শিক্ষাগুৰুৰূপে পোৱাটো জীৱন সাধনাৰ যেন সাৰ্থক ফল আছিল। সেইসকল পণ্ডিতৰ লগতে ড° সুকুমাৰ বিশ্বাস ছাৰৰ পাণ্ডিত্যপূৰ্ণ ভাষা বিশ্লেষণৰ কথাবোৰো চিৰস্মৰণীয় হৈ আছে।

বিশ্ববিদ্যালয়তে নিশ্চয় আপোনাৰ সৃষ্টিশীল সাধনায়ো বিকাশ লাভ কৰিছিল—

বিশ্ববিদ্যালয়ত থকা দিনবোৰতেই উজ্জীৱিত হ'বলৈ ধৰিছিল ইমান বছৰে সুপ্ত হৈ থকা লিখা-মেলা কৰাৰ হেঁপাহটো। আব্দুল মালিকৰ গল্প এটা বাতৰি কাকতত ক'ৰবাত পঢ়িছিলো। গল্পটিত 'মিকিৰ পাহাৰ'ৰ ৰূপৰেখা এটা বৰ্ণাইছিল, কাজিৰঙাইদি অতিক্ৰম কৰি যোৱাৰ পৰত। গল্পটো পঢ়ি মোৰ শৈশৱ কালৰে পৰা পৰিচিত 'শিলভেটা জলপ্ৰপাত'ৰ কিংবদন্তিৰ পটভূমিত গল্প এটা লিখিছিলো।· গল্পটোৰ নাম আছিল 'অতৃপ্ত প্ৰেতাত্মা'। সেইটোৱেই আছিল মই লিখা প্ৰথম আধুনিক চুটিগল্প। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'সাদিনীয়া নৱযুগ'ত গল্পটো 'প্ৰেতাত্মা' নামেৰে প্ৰকাশ হৈছিল। ছপা আখৰত গল্পটো দেখা পাই মই আত্মহাৰা হৈ পৰিছিলো। এদিনাখন ৰে'লেৰে আহি লংকাত নামিছিলো আৰু গল্পটো আইক দেখুৱাবলৈ বুলি দহ মাইল বাট চাইকেল চলাই কাৰ্বীলৈ আহিছিলো। চাইকেলৰ বেক কেৰীয়াৰত 'সাদিনীয়া নৱযুগ'খন লৈ আহিছিলো। ঘৰৰ পদূলিত 'নৱযুগ'খন নাপাই মনলৈ ধিক্কাৰ আহিছিল। বাটৰ ক'ৰবাত কাকতখন পৰি গৈছিল। গৃহমুখী মন, তাতে গল্প প্ৰকাশৰ আনন্দ; দুয়োটাই মিলি মই আচলতে আপোনপাহৰা হৈ পৰিছিলো। আইক মই লিখা গল্পটো দেখুৱাবলৈ নাপাই মনতে ভাবিছিলো— গল্পটো দেখুৱালে কি হ'ব, আয়ে যে পঢ়িবই নাজানে। সেইবাবেই চাগে আলোচনীখন মাজবাটতে হেৰাই গৈছিল। 'প্ৰেতাত্মা' গল্পৰ পিছতেই মোৰ পৰৱৰ্তী লেখা আছিল এটি প্ৰবন্ধ। প্ৰবন্ধটি বিশ্ববিদ্যালয়ৰ মুখপত্ৰত প্ৰকাশ পাইছিল। শিৰোনাম আছিল 'চ'মাংকান আৰু ইয়াৰ তাৎপৰ্য'। প্ৰবন্ধটো 'কাৰ্বি সাহিত্য-সংস্কৃতিত এভুমুকি' নামৰ প্ৰবন্ধ সংকলনত সন্নিবিষ্ট কৰা হৈছে। এটি গল্প আৰু এটি প্ৰবন্ধৰ যোগেদি মোৰ সৃষ্টিশীল মনটোৱে সাৰ পাই উঠিছিল আৰু দুই-এজন বন্ধুৰ সহৃদয়তাও লাভ কৰিবলৈ সক্ষম হৈছিলো। সেইসকলৰ ভিতৰত আছিল গোলাঘাটৰ (অধ্যাপক) কেশৱ শইকীয়া আৰু কাৰ্বি আংলঙৰ কটনীয়ান প্ৰয়াত কেহাই বে'। কেশৱ শইকীয়াৰ সৈতেই পৰৱৰ্তী কালত 'সাদিনীয়া নৱযুগ'ৰ সম্পাদক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু 'নীলাচল'ৰ সম্পাদক হোমেন বৰগোহাঞিক সাক্ষাৎ কৰিছিলো। সেয়া আছিল মোৰ জীৱনৰ বাবে দুটা পাহৰিব নোৱৰা অভিজ্ঞতা। এদিন বন্ধু কেহাই বে'ই কটনৰ হোষ্টেলৰ ক'ৰিডৰত য়েছে দৰজে ঠংচি নামৰ ছাত্ৰ এজনৰ সৈতে চিনাকি কৰাই দিছিল। সেই নিৰ্জু অৰুণাচলী ছাত্ৰজনে এতিয়া অনন্য সৃষ্টিৰে সাহিত্য অকাডেমী বঁটাও লাভ কৰিছে। জীৱনৰ বিয়লি পৰত কথাবোৰ ভাবি মোৰ সঁচায়ে ভাল লাগে। কিযে মধুৰ সময় আছিল সেয়া।

বিশ্ববিদ্যালয়ত থকা সময়ত আপুনি হেনো খুব ভাল ভলীবল খেলিছিল?

স্কুলীয়া জীৱনৰ পৰাই মই ফুটবল আৰু ভলীবল খেলিছিলো। ফুটবলত মই গ'লকীপাৰ হৈছিলো।

ভলীবলত মোৰ পজিছন আছিল সদায় নেটত। নেটত থাকি বল বনাই দিছিলো, স্পেছ্ কৰাৰ সুবিধাৰে। হোষ্টেলৰ সন্মুখৰ ভলীবল ক'ৰ্টত আমি প্ৰায়েই খেলিছিলো। আমাৰ সময়ত আন্তঃআবাস ভলীবল প্ৰতিযোগিতা হৈছিল। বিশ্ববিদ্যালয়ৰ দুটা বছৰ মই আছিলো তেতিয়াৰ গোপীনাথ বৰদলৈ হোষ্টেলত। প্ৰিভিয়াছ ইয়েৰত তেৰ নম্বৰ ৰুমত সোমাই ৪৭ নম্বৰ ৰুমৰ পৰা ফাইনেল পৰীক্ষা দিছিলো। আমাৰ হোষ্টেলৰ ভলীবল কেপ্টেইন আৰু ছেক্ৰেটাৰী আছিল বি দাস। তেওঁৰ দ্বাৰা নিৰ্বাচিত খেলুৱৈসকল আছিল গিৰীশ শৰ্মা, এ সিং, বি দাস, অৰুণ মেধি, গোপাল চন্দ্ৰ মেধি আৰু মই। আমি ছজনে ১৯৬৪-৬৫ চনত ভলীবল খেলি ইউনিভাৰছিটি হোষ্টেলৰ ভিতৰত বিজয়ী হৈছিলো।

সেই সময়ত আপুনি বোধকৰো গীতৰো চৰ্চা কৰিছিল—

হয়, বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়তে ছিলঙত থকা আকাশবাণী কেন্দ্ৰত গীত গোৱাৰ সুযোগ পাইছিলো। তেতিয়াৰ সংসদীয় সচিব ছয় ছয় তেৰাঙে মোক ৰেডিঅ'ত গীত গাবৰ বাবে লৈ গৈছিল। তেওঁ এজন ৰসিক মানুহ আছিল। পাহাৰৰ মাজত লুকাই থকা প্ৰতিভাবোৰ বাহিৰলৈ

কেতিয়া খং উঠে, দুখ লাগে কেতিয়া ?

খং নামেই চণ্ডাল। পৰাপক্ষত যিমান পাৰো এই ৰিপুৰ পৰা মই আঁতৰত থাকিবলৈ যত্ন কৰোঁ। হ'লেও মানুহে যেতিয়া অনৈতিক আৰু সমাজবিৰোধী কাম কৰা দৃষ্টিগোচৰ হয়, তেতিয়াই অকণমান খং উঠে, দুখো লাগে। বিশেষকৈ মানুহৰ সৰলতাখিনিক কোনোবাই সুযোগ হিচাপে ল'লে, অথবা দুৰ্বলীজনৰ ওপৰত প্ৰভুত্ব খটুৱাবলৈ গ'লে মই দুখ পাওঁ আৰু মনৰ এই ক্ষোভবোৰ দ্বিতীয়জনৰ আগত ব্যক্ত কৰিবলৈ পালেই অলপ শান্তি অনুভৱ কৰোঁ।

শৈশৱৰ পৰা আমি যিখন সমাজত বাস কৰি আহিছোঁ সেইখন সমাজৰ পৰিৱৰ্তনৰ গতিধাৰাবোৰ দেখি কেতিয়াবা নিজৰ ওপৰতে খং উঠে, দুখো লাগে। ভাব হয়, আমি যেন বৰ্তমানৰ সমাজলৈ কিবা এটা বিশেষ অৱদান আগবঢ়াব পৰা নাই। এই দুখ ভাবে মোক জুলুম কৰি মাৰে। যিখন সমাজক এদিন আমি বিভিন্ন জনগোষ্ঠীৰ লোক ঃ বড়ো, কছাৰী, মিচিং, কাৰ্বি, লালুং, ডিমাছা, বঙালী, সকলোৱে মিলাপ্ৰীতিৰে বসবাস কৰিছিলো, আজি সেইখন সমাজক যেন বিচ্ছিন্নতাবাদী শক্তিয়ে থান-বান কৰি থৈ গ'ল। শৈশৱৰ দিনবোৰলৈ ঘূৰি গ'লে মোৰ মনত পৰে— আমি এমখা ল'ৰাই প্ৰত্যেকেই একোখনকৈ পতাকা লৈ ৰাস্তাই ৰাস্তাই চিএঞৰি ফুৰিছিলো— 'বন্দে মাতৰম'। তেতিয়া আমাৰ মাজত কোনো ভেদভাব নাছিল। কেৱল এটা ভাবধাৰাৰে পৰিচয় আছিল আমি ভাৰতীয়। কিন্তু এতিয়া মানুহৰ মনৰ পৰিৱৰ্তনবোৰে দেখোন আমাক বেলেগভাৱেহে কথাবোৰ চিন্তা কৰিবলৈ সুৰুঙা দিছে। কিয়নো, অলপ দিনৰ আগলৈকে 'অসমীয়া কোন?' তাৰ সংজ্ঞা বিচাৰি হাবাথুৰি খোৱা বিষয়তকৈ দুখৰ বিষয় মোৰ বাবে আন একো নাই। মই অসমীয়া। মোৰ আকৌ সংজ্ঞা কিহৰ? কিহৰ ভিত্তিত এই সংজ্ঞা, ধৰ্মৰ ভিত্তিত নে ভাষাৰ ভিত্তিত নে জাতিগত ভিত্তিত? কেৱল এচাম লোকৰ স্বাৰ্থজড়িত বিষয়ত সমগ্ৰ ৰাইজৰ মনত আঘাত দিয়াটোত মই তিলমাত্ৰও পক্ষপাতি নহওঁ। এনেবোৰ কথাত বৰকৈ দুখ লাগে। এফালে ৰাজনৈতিক পাশাখেল

উলিয়াই দিয়াৰ এক দুৰন্ত হেঁপাহ আছিল তেওঁৰ। সম্ভৱ, তেওঁৰ যত্নতেই কাৰ্বি আংলঙৰ প্ৰথম কাৰ্বি আধুনিক গীতৰ ৰেকৰ্ডিং কৰা হৈছিল ছিলং চহৰতেই। গীতটিৰ প্ৰথম কলিটি এনেধৰণৰ—

'নাংমেন মা উৰনপি

নে নাংফান কাচ'ৰি...

গীতটিত কণ্ঠদান কৰিছিল মোৰ অতি শ্ৰদ্ধাৰ বাইদেউ প্ৰয়াত মেবেল তেৰাংপীয়ে। পাহাৰৰ মাটিত বাজি উঠা ৰেডিঅ'ৰ সুৰে বহুতৰ লগতে মোক মুগ্ধ কৰি তুলিছিল। লংকাত পঢ়ি থকা সময়ৰে পৰাই মোৰ ৰেডিঅ'ৰ প্ৰতি অতি আগ্ৰহ জন্মিছিল। শব্দবোৰ বতাহত কিদৰে আহে ইত্যাদি ধৰণৰ প্ৰশ্নই মোক কৌতূহলী কৰি তুলিছিল।

শ্ৰদ্ধেয় ছয় ছয় তেৰাঙৰ আমন্ত্ৰণত মই ছিলঙত থকা ৰেডিঅ' ষ্টেচনত গীত ৰেকৰ্ডিং কৰাইছিলো। কাৰ্বি বিভাগৰ দায়িত্বত আছিল হাৰবামন ইংতি কাথাৰ। কেহাই বে'ৰ দ্বাৰা ৰচিত কাৰ্বি আধুনিক গীত এটি আৰু ড' ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' গীতটিৰ কাৰবি ভাষালৈ অনুবাদ কৰা গীতটি মই গাইছিলো। হাৰমনিয়াম আৰু তবলা কোনে সংগত কৰিছিল মোৰ মনত নাই। ৰেকৰ্ডিং

আনফালে এনেবোৰ বিষয়ত এচাম খেলুৱৈ।

বৰ্তমান ৰাজনীতিৰ কথাবোৰ মই ভালকৈ বুজি নাপাওঁ আৰু বুজিবলৈ যত্নও নকৰো। এতিয়া সকলোকে কেৱল ক্ষমতা লাগে। আমাৰ নেতাসকলে গান্ধীজীৰ কথা কয় আৰু আনফালে দুৰ্নীতিৰ পাহাৰ সাজে। সাধাৰণ মানুহৰ সমস্যা-দুৰ্দশা সদায়ে সাধাৰণ হৈয়ে থাকে। প্ৰশাসনযন্ত্ৰৰ বেলিকাও সেই একেই কথা। সকলোবোৰ ক্ষমতা নেতাসকলৰ হাতত যিহেতু বন্দী, সেইকাৰণে আজিকালি এনেবোৰ বিষয়ৰ পৰা মই আঁতৰত থাকিব বিচাৰোঁ।

মোৰ দুখৰ অনুভৱত সাংস্কৃতিক জগতখনৰ কিছু কথাও সোমাই আছে— যেতিয়া মনলৈ আহে এসময়ৰ সাতভনীৰ ৰূপটো আৰু বৰ্তমানৰ জনগোষ্ঠীয় সংঘাতৰ বিষয়বোৰ। এটা কথা সকলোৱে কয়, প্ৰতিটো জনগোষ্ঠীয়ে তেওঁলোকৰ নিজ নিজ ভাষা-সংস্কৃতি ৰক্ষণাবেক্ষণৰ বাবে বদ্ধপৰিকৰ, কিন্তু কিমান সম্ভৱ? বিচিত্ৰ ভাষা-ভাষীৰ সংমিশ্ৰণত গঢ় লৈ উঠা এক মূলৰ ভাৰতীয় সংস্কৃতি কোনো জনগোষ্ঠীৰ একক প্ৰচেষ্টাত বিকাশ হোৱা নাই। মই ভাবোঁ, যদিহে জনগোষ্ঠী বিশেষ আত্মকেন্দ্ৰিক এনে মনোভাব গঢ়ি উঠে আমি খোপনি হেৰুৱাই পেলাম আৰু এক বিজাতীয়া বাতাৱৰণৰ মাজত সোমাই পৰিম।

খং আৰু দুখৰ কথাবোৰৰ মাজত মোৰ জীৱনৰ এটা দুখলগা ঘটনা এইখিনিতে কৈ থওঁ। ১৯৫৬-৫৭ চন মানৰ কথা। মাজুলীলৈ যোৱাৰ মোৰ বৰ হেঁপাহ। মনতে পুহি ৰাখিছোঁ সত্ৰ চাবলৈ যাম। গাঁৱৰ সকলোৱে মোক বাধা দিছে। পৰিয়ালৰ ফালৰ পৰাও বাধা। কথাটো হ'ল মই হ'লো কাৰ্বি জনগোষ্ঠীৰ লোক। সেয়ে সত্ৰৰ ভিতৰত মোক সোমাবলৈ নিদিয়ে, বাধা আছে। মনতে পাং পাতিলো— সত্ৰও চাম, গোসাঁইৰ আশীৰ্বাদো ল'ম। সেই বুলি গ'লো দক্ষিণপাট সত্ৰলৈ। কি সুন্দৰ পৰিবেশ দক্ষিণপাট সত্ৰৰ। সাউতকৈ এটা ফাঁকি দি সত্ৰ চোৱাৰ উপৰি গোসাঁইৰ আশীৰ্বাদো ল'লো। কিন্তু সেই যে ফাঁকিটো দিলো, আজিও কেতিয়াবা মনত বৰ দুখ লাগে।

(পূৰ্ব প্ৰকাশ ঃ অসমবাণী)

হোৱাৰ পিছত গীতটি বজোৱাৰ লগে লগে মোৰ মনটো কি হৈছিল মই নাজানো। সম্ভৱতঃ পাইন গছেৰে ভৰা ছিলং চহৰৰ ৰোমাঞ্চৰ দৰেই, মোৰো মনটো নাচি উঠিছিল, প্ৰথমবাৰৰ বাবে জীৱনত ৰেডিঅ' আৰ্টিষ্ট হ'লো বুলি।

এম এ পাছ কৰাৰ পাছতে নিশ্চয় ডিফু কলেজত যোগদান কৰিছিল। কৰ্মজীৱনৰ পাতনি মেলা সময়খিনিৰ কথা অলপ কওকচোন—

কিছুদিনৰ বাবে মই মোৰ জীৱন প্ৰস্তুতিৰ কঠীয়াতলী লংকা হাইস্কুল আৰু কাকী হাইস্কুলত শিক্ষকতা কৰিছিলো। পাছত ডিফু ছোৱালী হাইস্কুলৰ শিক্ষকৰূপে যোগদান কৰোঁ। এম এৰ ৰিজাল্ট তেতিয়াও ওলোৱা নাছিল। অসমীয়াত এম এ পৰীক্ষা দি অহা বুলি জানি কলেজ কৰ্তৃপক্ষই সাময়িকভাবে কলেজত ক্লাছ ল'বলৈ মোক নিযুক্তি দিছিল। অসমীয়া বিভাগত তেতিয়া প্ৰফুল্ল চন্দ্ৰ মহন্ত আছিল। পাছলৈ তেওঁ এবিলাকৰ সঞ্চালক পদ অলংকৃত কৰিছিল। সেই সময়ত ডিফু কলেজৰ অধ্যক্ষ আছিল প্ৰফুল্ল কুমাৰ ভূঞা। দুয়োখন শিক্ষানুষ্ঠানতে একেলগে কাম কৰিবলৈ অসুবিধা পোৱা নাছিলো। কলেজখন তেতিয়া নৈশ কলেজ আছিল। গতিকে স্কুলৰ পাঠদানত বিশেষ বাধা পোৱা নাছিলো। এম এ পাছ কৰাৰ পাছত মোৰ কৰ্মস্থান পুনৰ পৰিবৰ্তিত হৈছিল। ছোৱালী হাইস্কুলৰ পৰা অব্যাহতি লৈ কলেজৰ প্ৰবক্তাৰূপে মোৰ পৰবৰ্তী জীৱনৰ উত্তৰণৰ সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰিছিলো। ডিফু কলেজখন তেতিয়াও প্ৰাইভেট হৈ আছিল। প্ৰবক্তাৰূপে সম্পূৰ্ণকৈ যোগদান কৰা বছৰটো আছিল ১৯৬৬ চন। ১৯৬৭ চনৰ জুলাই মাহৰ পৰাই ডিফু কলেজখনক চৰকাৰীকৰণ কৰা হৈছিল। চৰকাৰী কলেজখনৰ Regulation 3(1) ৰ অধীনত মোৰ লগতে প্ৰফুল্ল চন্দ্ৰ মহন্ত, কুমুদেশ্বৰ শৰ্মা, অমিয় কুমাৰ দাস, ভবেশ চন্দ্ৰ ভূঞা, উদয়ভানু পাণ্ডে সুনন্দ কুমাৰ চৌধুৰী আৰু শোভন চন্দ্ৰ ভূঞা— এই আঠজনক অসম চৰকাৰে নিযুক্তি দিছিল। অসম চৰকাৰৰ নিযুক্তি লাভ কৰি মোৰ কৰ্মজীবনৰ কৰ্মস্থানৰ যেন স্থিৰ বিন্দুত উপৰিষ্ট হৈছিলো আৰু মোৰ সৃষ্টিশীল মনটো বিভিন্ন দিশৰ ফালে গতি কৰিবলৈ ধৰিছিল।

ডিফু কলেজত অধ্যাপনা কৰা সময়তে আপোনাৰ সৃষ্টিশীল সাধনাই অন্য ৰূপ লাভ কৰে। আপোনাৰ গ্ৰন্থ পঢ়িলে অনুভৱ হয়— আপোনাৰ সাহিত্য সাধনা যেন লক্ষ্যমুখী। কি এই লক্ষ্য?

নৈ নিজৰাৰ নিজস্ব গতি থাকে আৰু সেই গতিৰ অন্তৰালত নিহিত থাকে একোটা লক্ষ্য। এই লক্ষ্য হ'ল – সাগৰৰ সান্নিধ্যৰে মহাসাগৰত একত্ৰিত হোৱা। সাহিত্যৰো স্বকীয় গতি আৰু লক্ষ্য আছে। লক্ষ্যহীন সাহিত্য গতিৰ অভাৱত, আদবাটতে শুকাই যোৱা পথাৰৰ জানবোৰৰ দৰেই হয়। যুগসত্যৰ আধাৰত জীবন আৰু জগতখনক সুন্দৰ ৰূপেৰে সজাই মানুহক আনন্দ প্ৰদান কৰাই সাহিত্যৰ লক্ষ্য সাহিত্যৰ এই গতি এই লক্ষ্যপ্ৰাপ্তি সিমান সহজ নহয়। এইখিনিতে ৰচকজনৰ অন্তৰ্দৃষ্টি আৰু সাধনাৰ কথা উপলব্ধি কৰিব পাৰি। সাহিত্য সাধনা সঁচাকৈয়ে এক দুৰূহ কায, অথচ অতি মহৎ। এই দুৰূহ কায সম্পাদনৰ সময়ত সেই মহত্ত্বৰ উপলব্ধিয়ে ৰচকজনক অপৰিসীম আনন্দ প্ৰদান কৰিব পাৰে বুলি মই ভাবোঁ। কিন্তু মোৰ সাহিত্যত তেনে প্ৰতিফলন ঘটিছে বুলি মই নাভাবো। মোৰ সাহিত্য স্ৰোতহীন অগভীৰ জানৰ নিচিনা। মোৰ জীৱনো তেনেই সাধাৰণ জীবন। মোৰ অনুভূতিয়ে বিচৰণ কৰিব পৰা জগতখনো পৃথিবীৰ বলয়ৰেখাৰ পৰিসীমাতেই সীমাবদ্ধ। এনেবোৰ কাৰণতে সম্ভৱ মোৰ সাহিত্যও সীমাবদ্ধ। এনে সীমাবদ্ধতাৰ পৰিৱেশত লগ পোৱা মানুহবোৰক প্ৰকৃত জগতখনক মোৰ অন্তৰ্দৃষ্টিৰে যি উপলব্ধি কৰি সত্য বুলি ভাবোঁ, সেইবোৰকেই শব্দৰ আশ্ৰয়ত লিপিবদ্ধ কৰি আনন্দ লভোঁ।



ৰংবং তেৰাঙৰ সৈতে হোৱা এই সাক্ষাৎকাৰটি প্ৰকাশ পাইছিল আজিৰ পৰা প্ৰায় পঁচিশ বছৰ আগতেই, ১৯৮৩ চনৰ নৱেম্বৰ মাহৰ 'প্ৰতীতি' আলোচনীত। নবীন বৰুৱা আৰু ড° প্ৰদীপজ্যোতি মহন্ত সম্পাদিত 'প্ৰতীতি'ত প্ৰকাশিত সাক্ষাৎকাৰটি বিষয়ৰ গুৰুত্বলৈ চাই পুনৰ মুদ্ৰণ কৰা হৈছে।

—সম্পাদকদ্বয়

বিষয় ঃ সাহিত্য, সমাজ

সাক্ষাৎগ্ৰহণ ঃ প্ৰদীপ খাটনিয়াৰ



সেই অনুপাতে পূৰণি ৰীতি-নীতিৰে প্ৰোথিত সমাজখন আওঁৰাই,
যোৱাত ... নতুন পুৰুষসকলৰ মনত পূৰণি
সমাজৰ প্ৰতি এটা অনীহাৰ ভাব ক্ৰমে ...
সাহিত্য,
অৰ্থনৈতিক, ৰাজনৈতিক সকলো দিশতে বিকাশৰ উদ্বেগ ...

আপোনাৰ প্ৰথম উপন্যাসখনেই আপোনালৈ যি দুটা সন্মানীয় পৰিস্কাৰ কঢ়িয়াই আনিছে, তাৰবাবে আপোনাৰ কিতাপৰ প্ৰতিজন অনুৰাগী পাঠকেই নথৈ আনন্দিত আৰু গৌৰবান্বিত। আপোনালৈ আমাৰ অভিনন্দন। আৰু নতুন কোনো কিতাপ ৰচনা কৰাৰ আঁচনি আপোনাৰ হাতত আছে নেকি?

পাঠক সমাজে কিতাপখনক আদৰ জনোৱা বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ।

বৰ্তমানে পুথি ৰচনা কৰাৰ কোনো আঁচনি মোৰ হাতত নাই।

কাৰ্বি জাতিৰ ইতিহাসৰ এক বিশেষ কালক আপুনি 'ৰংমিলিৰ হাঁহি'ৰ পটভূমি হিচাপে বাচি লৈছিল। কাৰ্বি জাতিৰ ইতিহাসৰ এটা ছেদ তথা কাৰ্বি সমাজ জীৱনৰ বিশিষ্ট দিশবোৰৰ এটা সামগ্ৰিক ৰূপ ফুটাই তোলাটোৱেই আপোনাৰ উদ্দেশ্য আছিল নেকি?

উপন্যাসৰ পটভূমিৰূপে এক বিশেষ কালক বাচি লোৱাটো সঁচা।

কাৰ্বি জাতিৰ সামাজিক জীৱনৰ সামগ্ৰিক ৰূপ প্ৰকাশ কৰাৰ উদ্দেশ্য নথকা নহয়। এইক্ষেত্ৰত কিমানদূৰ কৃতকাৰ্য হৈছোঁ, মই ক'ব নোৱাৰো। উপন্যাসৰ কাহিনী-প্ৰৱাহৰ লগত বিৰোধ নঘটাকৈহে এই চিত্ৰবোৰক স্থান দিছোঁ। ক্ৰমে ক্ৰমে অৱক্ষয়ৰ সূচনা হোৱা কাৰ্বি সমাজৰ সাম্প্ৰতিক কালৰ ছবিবোৰৰ সৈতে কিছু বিৰোধ ঘটাটো অস্বাভাৱিক নহয়।

সাম্প্ৰতিক কালৰ কাৰ্বি জাতিৰ ইতিহাসৰ কোনকেইটা ধাৰা বা ঘটনাৰ গুৰুত্ব আটাইতকৈ বেছি?

এইটো এটা বিতৰ্কমূলক প্ৰশ্ন। জাতিটোৰ সাম্প্ৰতিক কালৰ ঐতিহাসিক ধাৰা বা গুৰুত্বপূৰ্ণ ঘটনা



হয়তো একাধিক হ'বও পাৰে। সেইবোৰলৈ নগৈ এটা গুৰুত্বপূৰ্ণ ঐতিহাসিক পৰিৱৰ্তনৰ ধাৰাৰ প্ৰতি মই লক্ষ্য কৰিছোঁ। সেইটো হ'ল— কাৰ্বি জাতিৰ অস্তিত্বক জীয়াই ৰখাৰ প্ৰবল চেতনাবোধ। স্বায়ত্তশাসনৰ ক্ষমতাৰে সুকীয়া জিলা গঠনৰ পৰৱৰ্তী যুগৰ কাৰ্বি যুৱক-যুৱতীৰ মনত এই চেতনাই এক ভয়ংকৰ ৰূপত আত্মপ্ৰকাশ কৰিছে আৰু তাৰ পৰিণতিস্বৰূপে স্ববিৰোধাত্মক সংঘাতৰ সৃষ্টি হৈছে বুলি মই ভাবোঁ। এই নতুন পুৰুষসকলৰ মনবোৰ নানা কাৰণত দ্ৰুতগতিৰে আগবাঢ়িছে; সেই অনুপাতে পুৰণি ৰীতি-নীতিৰে প্ৰোথিত সমাজখন আগুৱাই যোৱাত বাধাপ্ৰাপ্ত হৈছে। ফলত, নতুন পুৰুষসকলৰ মনত পুৰণি সমাজৰ প্ৰতি এটা অনীহাৰ ভাব ক্ৰমে ক্ৰমে অংকুৰিত হৈছে আৰু তেওঁলোকৰ জীৱন কালতেই সমাজ, সংস্কৃতি, ভাষা, সাহিত্য, অৰ্থনৈতিক, ৰাজনৈতিক, সকলো দিশৰে বিকাশৰ উত্তুংগ শিখৰলৈ নিয়াৰ এক দুৰ্বাৰ বাসনা জাগৃত হৈছে। বাস্তৱত ইয়াৰ প্ৰতিফলন নঘটাত, তেওঁলোক কিছু পৰিমাণে বিদ্ৰোহী মনোভাবাপন্ন হৈছে। তেওঁলোকৰ মনত জাতীয় অস্তিত্ব বিলুপ্তিৰ ভয়, নিষ্পেষিত হোৱাৰ সন্দেহ আদিয়ে গা কৰি উঠিছে বুলি ভাবোঁ। জাতিটোৰ কাৰণে ই এটা যুগসন্ধিৰ কাল। সেই কাৰণে এই ঐতিহাসিক পৰিৱৰ্তনক মই গুৰুত্বপূৰ্ণ বুলি ভাবোঁ।

আপুনি আপোনাৰ উপন্যাসখনত কাৰ্বি জাতিৰ অৰ্থনৈতিক জীৱনৰ ওপৰতো আলোকপাত কৰিছে। আদিম অৰ্থনৈতিক ব্যৱস্থাৰ পৰা খুব কম সময়ৰ ভিতৰতে কাৰ্বি জাতি আহি পৰিছে ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত। কাৰ্বি জনমানসত এই পৰিৱৰ্তনে কেনেকুৱা ব্যাপক ছাপ পেলাইছে বুলি আপুনি ভাবে?

উপন্যাসৰ পটভূমি আৰু কাহিনীপ্ৰবাহে হয়তো কাৰ্বিসকলৰ অৰ্থনৈতিক জীৱনক চুই গৈছে। উপন্যাসত ইয়াৰ কিমানদূৰ আলোকপাত ঘটিছে, সেয়া অনুসন্ধিৎসু পাঠকেহে ভালদৰে ক'ব পাৰিব।

আদিম ঝুমীয় অৰ্থনৈতিক ব্যৱস্থাৰ হঠাৎ পৰিবৰ্তনে কাৰ্বি সমাজ ব্যৱস্থাত কিছু আউল লগোৱা স্বাভাৱিক। এই পৰিবৰ্তনে স্থিতিশীল সমাজ ব্যৱস্থালৈ উন্নীত কৰাত এক সুদূৰপ্ৰসাৰী ছাপ পেলাব বুলি মই ভাবোঁ।

পৰিবৰ্তনৰ এই প্ৰক্ৰিয়াই এই সমাজখনক ভালৰ ফালে নিছে নে তাক নতুন নতুন শিকলিৰ মাজতহে সুমুৱাই পেলাইছে?

এইটো এটা জটিল প্ৰশ্ন। অৰ্থনীতিজ্ঞসকলেহে ইয়াৰ শুদ্ধ উত্তৰ দিব পাৰিব। মোৰ সাধাৰণ বুদ্ধিৰে ভাবোঁ— এই পৰিবৰ্তনৰ প্ৰক্ৰিয়াত গভীৰ আস্থাৰ প্ৰতিফলন নঘটালে কাৰ্বি কৃষকসকলৰ মনত কৃষি-কৰ্মৰ প্ৰতি অনীহাৰ ভাব আহি পৰিব। ফলত, তেওঁলোক ঋণগ্ৰস্ত হৈ, সমাজ জীৱনত বিশৃংখলতা হিচাপে দেখা দিবহি পাৰে।

সাংস্কৃতিক দিশত চুবুৰীয়া অসমীয়াসকলৰ সৈতে কাৰ্বিসকলৰ সম্পৰ্ক এতিয়া কেনেকুৱা আৰু ই কেনেকুৱা হোৱা উচিত?

জন-সংমিশ্ৰণৰ লগে লগে সংস্কৃতিৰো সংমিশ্ৰন ঘটে। সম্ভৱ অবিসংমিশ্ৰিত সংস্কৃতিৰ ৰূপ উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীৰ মাজত নথকাই স্বাভাৱিক। সেই অৰ্থত অসমীয়াৰ সৈতে কাৰ্বিসকলৰ সাংস্কৃতিক বিৰোধ নাই বুলি ভাবোঁ। সহনশীল মনোভাবেৰে সমন্বয়ৰ ভিত্তিত স্বকীয় সাংস্কৃতিক বিকাশ ঘটাটো মই বিচাৰোঁ।

'কাৰ্বি সাহিত্য সংস্কৃতিত এভুমুকি' নামৰ আপোনাৰ শেহতীয়া এখন কিতাপত আপুনি মন্তব্য কৰিছে যে কপিলি-যমুনা উপত্যকাত কেইশমান বছৰৰ আগতে ভৈয়ামৰ সংস্কৃতি আৰু কাৰ্বি সংস্কৃতিৰ মাজত পাৰস্পৰিক সংযোগ ঘটি এক চহকী কাৰ্বি সংস্কৃতিৰ ধাৰাৰ ভেটি স্থাপিত হৈছিল। এই বিষয়ে আপুনি অনুগ্ৰহ কৰি অলপ বহলাই আমাক কিছু ক'বনে?

কপিলী-যমুনা বোলাতকৈ কলং-কপিলী বোলাহে সঠিক হ'ব। কলং-কপিলী উপত্যকাই যি অৰ্থত অসমীয়া সংস্কৃতিক ধ্ৰুপদী স্তৰলৈ উত্তৰণ ঘটাইছিল, সেই অৰ্থত কাৰ্বি সংস্কৃতিকো ৰামায়ণ মহাকাব্যৰ অমৃতস্পৰ্শৰে এটি চহকী সাংস্কৃতিক ধাৰালৈ উন্নীত কৰাইছিল। এই সাংস্কৃতিক সংযোগৰ বিষয়ে কিতাপখনত প্ৰয়োজনীয় দিশবোৰৰ আলোচনা কৰা হৈছে।

এই সাংস্কৃতিক আদান-প্ৰদানৰ ভেটি টনকিয়াল কৰাত আমাৰ লব্ধপ্ৰতিষ্ঠ পণ্ডিত আৰু সাহিত্যিক শ্ৰেণীক লৈ গঠিত অনুষ্ঠানসমূহে (যেনে— অসম প্ৰকাশন পৰিষদ, অসম সাহিত্য সভা আদিয়ে) কৰিব পৰা কি কি কাম আছে বুলি আপুনি ভাবে?

এই জাতীয় অনুষ্ঠান দুটিয়ে লোক-সাহিত্য, লোক-কলা আদি সংগ্ৰহ কৰি মূল পাঠৰ লগতে অসমীয়া আৰু ইংৰাজীৰ অনুবাদসহ প্ৰকাশৰ ব্যৱস্থা হাতত ল'লে পৰম উপকাৰ কৰা হ'ব বুলি মই ভাবোঁ। এইক্ষেত্ৰত অসম সাহিত্য সভাই কিছুদূৰ আগবাঢ়িছে। অসম প্ৰকাশন পৰিষদেও এই দিশৰ প্ৰতি নিশ্চয় মনোযোগ দিব।

দুই-এজন চিন্তাশীল মানুহে মন্তব্য কৰিছে যে মধ্যবিত্ত অসমীয়াৰ 'বৃহৎ জাতিসুলভ দম্ভ'ৰ বাবেই জনজাতীয়সকল লাহে লাহে আঁতৰি গৈ আছে। এই বিষয়ে আপোনাৰ মতামত কি?

মই অৱশ্যে এনেদৰে নাভাবো। 'জাতিসুলভ দম্ভ' সকলোৰে আছে বুলিহে মোৰ ধাৰণা। মোৰ

শিক্ষা আহৰণৰ প্ৰতি দুৰ্বাৰ ইচ্ছা নথকা
হ'লে কাৰ্বি আংলঙৰ বাদং এম ই স্কুলৰ
শিক্ষক হৈয়েই থাকিলোহেঁতেন। নগাঁও
জিলাৰ স্কুল পৰিদৰ্শকৰ নিযুক্তিপত্ৰ গ্ৰহণ
নকৰি, বিশ্ববিদ্যালয়ত নামভৰ্তি কৰি
অনিশ্চয় ভৱিষ্যতৰ পিনে খোজ দিছিলো।

সাধাৰণ অভিজ্ঞতাৰে ক'বলৈ হ'লে— এই আঁতৰি যোৱাৰ প্ৰবৃত্তিটো প্ৰকৃততে জনজাতীয় চৰিত্ৰৰেই এৰাব নোৱৰা প্ৰধান বৈশিষ্ট্য।

কাৰ্বি লোক-সাহিত্যৰ এটা শক্তিশালী ধাৰা আছে। কাৰ্বি লিখিত সাহিত্যৰ এটা ক্ষীণ ধাৰাও প্ৰতিষ্ঠিত হৈছে। এই ধাৰাটোক এখন বোৱঁতী নৈলৈ ৰূপান্তৰিত কৰাৰ উপায় কি হ'ব পাৰে?— বিশেষকৈ এই পৰিস্থিতিত যে কাৰ্বি সাহিত্যৰ পাঠক অতি কম। কাৰ্বি কিতাপৰ বজাৰ নাই। কাৰ্বি ভাষাও শিকিছে খুব কমেইহে।

লোক-সাহিত্যৰ তুলনাত লিখিত সাহিত্যৰ ধাৰাটো তেনেই ক্ষীণ। কাৰ্বি সাহিত্যক বোৱঁতী ৰূপত নিবলৈ প্ৰকাশক, পাঠক আৰু লেখক— এই ত্ৰিবেণী সংগমৰ প্ৰয়োজন। পুথি প্ৰকাশনৰ ক্ষেত্ৰত জিলা পৰিষদে গভীৰ আগ্ৰহেৰে আগভাগ ল'ব পাৰে।

শিক্ষিতৰ হাৰ অসমৰ ভিতৰতে এইখন জিলাতেই আটাইতকৈ কম; গতিকে পাঠক আৰু বজাৰৰ আশা নকৰাই ভাল। ভাষা শিকা আৰু সাহিত্য পঢ়া দুটা সুকীয়া কথা বুলিহে মই বিবেচনা কৰোঁ। ভাষা শিকিলেও ভাষাৰ সাহিত্য বিকাশ নঘটিবও পাৰে।

কাৰ্বি ভাষা শিক্ষাৰ এটা ভাল অনুষ্ঠান গঢ়ি তুলিব পৰা যায় নেকি?

ভাষা শিক্ষাৰ অনুষ্ঠান গঢ়িব পাৰি যদিও এইক্ষেত্ৰত মই বিফল হৈছোঁ।

আপুনি কাৰ্বি ভাষা শিক্ষাৰ কিতাপ আৰু অভিধান আদি কেতিয়া ৰচনা কৰে?

কাৰ্বি অভিধান 'কাৰ্বি লামতাছাম'খন ১৯৬৯ চনৰ পৰাই লেখা আৰম্ভ কৰিছিলো। অৱশ্যে, কিতাপখন ১৯৭৪ চনতহে ছপা হৈ আহে। অসম সাহিত্য সভাৰ অনুৰোধক্ৰমে কাৰ্বি ভাষা শিক্ষাৰ কিতাপখন ১৯৮০ চনত লিখোঁ আৰু সেই বছৰতে কিতাপখন প্ৰকাশিত হয়।

ইয়াৰ আগতে কাৰ্বি ভাষাৰ অভিধান কি কি আছিল?

কাৰ্বি ভাষাৰ অন্যান্য অভিধানৰ ভিতৰত G. D Walker-ৰ A Dictionary of the Mikir Languageখন উল্লেখযোগ্য। এই অভিধানখন ১৯২৫ চনত অসম চৰকাৰে ছিলং চহৰৰ পৰা প্ৰকাশ কৰিছিল। এই অভিধানখনৰ বাহিৰে মই আন পুথি দেখা নাই।

আপোনাৰ শিক্ষা জীৱন আৰু চাকৰি জীৱনৰ বিষয়ে কিছু কথা জানিব খুজিছোঁ। টুকুৰা-টুকুৰ প্ৰশ্ন কৰি আপোনাৰ সময় নলওঁ। এইবিষয়ে অনুগ্ৰহ কৰি থূলমূলকৈ আমাক কিছু ক'ব নেকি?

মোৰ শিক্ষা জীৱন বৰ মধুৰ নহয়। সংঘাতপূৰ্ণ জীৱনৰ মাজেদি মোৰ শিক্ষাকাল সম্পূৰ্ণ কৰিছিলো। শিক্ষা জীৱনৰ দৰেই মোৰ কৰ্ম জীৱনো এক সংঘাতপূৰ্ণ জীৱন। শিক্ষা আহৰণৰ প্ৰতি দুৰ্বাৰ ইচ্ছা নথকা হ'লে কাৰ্বি আংলঙৰ বাদং এম ই স্কুলৰ শিক্ষক হৈয়েই থাকিলোহেঁতেন। নগাঁও জিলাৰ স্কুল পৰিদৰ্শকৰ নিযুক্তিপত্ৰ গ্ৰহণ নকৰি, বিশ্ববিদ্যালয়ত নামভৰ্তি কৰি অনিশ্চয় ভৱিষ্যতৰ পিনে খোজ দিছিলো। মোৰ কৰ্মজীৱনৰ এইটো আছিল এক প্ৰত্যাহ্বানস্বৰূপ।

আপোনাক ভাৰতীয় আৰু বিদেশী কোন কোন লেখকৰ কি কি কিতাপে গভীৰভাৱে আকৃষ্ট কৰিছে?

উপন্যাস, চুটিগল্প আদি খুব কম পঢ়োঁ। বিদেশী কিতাপ পঢ়িছোঁ বুলি মই ক'ব নোৱাৰো। বি এ মহলাৰ ইংৰাজী পাঠ্যপুথিয়েই ক'বলৈ হ'লে বিদেশী সাহিত্য পঢ়া। টমাছ হাৰ্ডিৰ The Mayor of Caster bridgeখনে মোক আকৃষ্ট কৰিছিল। হেনছাৰ্ডৰ জীৱন সংগ্ৰাম আৰু বিফল মানৱ ভাগ্যৰ সকৰুণ ছবিখনে মোক আন্দোলিত কৰিছিল। ভাৰতীয় সাহিত্যও খুব কম পঢ়িছোঁ। মুঠতে মোৰ অধ্যয়ন সীমিত।

ডিফুৰ দৰে সৰু চহৰ এখনত আপুনি মাজে মাজে কিতাপপত্ৰৰ অভাৱ অনুভৱ নকৰেনে? বা বৌদ্ধিক সান্নিধ্যৰ? তথাপি, নিজৰ ঠাইখন অতি আপোন; আৰু নিজৰ ঠাইৰ বতাহ-পানীতে সৃষ্টিৰ প্ৰেৰণা লুকাই আছে। এই কথাৰ সৈতে আপুনি নিশ্চয় দ্বিমত নহ'ব।

কেতিয়াবা বিচৰা কিতাপ নাপালে মনলৈ বিৰক্তি আহে। বাহিৰৰ পৰিৱৰ্তনবোৰে মোক সাহিত্য পাঠৰ আনন্দ দান কৰে বাবেই কিতাপৰ অভাৱ মই বৰকৈ অনুভৱ নকৰো। বৌদ্ধিক সান্নিধ্যৰ কাৰণে কলেজখনেই সহায় কৰি আহিছে।

ডিফুখন বেয়া নালাগে। পৃথিৱীখন চাবলৈ, বিশ্ব মানৱৰ সত্তাক উপলব্ধি কৰিবলৈ, মোৰ মতেৰে, বেছি দূৰলৈ যাব নালাগে। নিজৰ ঠাইখনৰ মাজেদিয়েই বিশ্বক চাব পাৰিচোন।

প্ৰাক্তন ছাত্ৰ, শুভাকাংক্ষীৰ দৃষ্টিত

তেৰাং ছাৰৰ সান্নিধ্যৰ উপলব্ধি

হাংমিজি হাঞ্চে

মননশীলতাৰ পূৰ্বচৰ্ত অনুভূতিপ্ৰৱণতা। সৃষ্টিশীল লেখক, কলা-সাধকসকলৰ ক্ষেত্ৰত ই বেছি প্ৰযোজ্য হৈ পৰে। সৰ্বজনগ্ৰাহ্য আৰু গ্ৰহণযোগ্য সৃষ্টিকৰ্মৰ জন্মথলী বাস্তৱ জগতখনেই। একমাত্ৰ কল্পনাৰ ওপৰত কোনো সৃষ্টিকৰ্ম ৰসোত্তীৰ্ণ হ'ব নোৱাৰে। বাস্তৱ পৃথিৱীখনৰ লগত তাৰ ওতঃপ্ৰোত সম্পৰ্ক থাকিবই লাগিব। বাস্তৱৰ সুখ-দুখ, হাঁহি-কান্দোন, মিলন-বিচ্ছেদ, হৰিষ-বিষাদৰ সাবলীল আৰু কলাত্মক বৰ্ণন হ'ল সৃষ্টিশীল লেখকৰ হাতিয়াৰ। এই হাতিয়াৰৰ আধাৰতেই সৃষ্টিকৰ্মৰ সাৰ্থকতাৰ মাপকাঠী। এনে সূক্ষ্ম অনুভূতিৰ সমষ্টিয়ে এই যুগান্তকাৰী সৃষ্টিকৰ্মৰ জন্মদাতা। অৱশ্যে সৃষ্টিকৰ্মত অভিজ্ঞতাৰ প্ৰভাৱো কম বুলি ক'ব নোৱাৰি। তথাপি এজন ব্যক্তিৰ অভিজ্ঞতাই সৃষ্টিকৰ্মৰ সকলো প্ৰয়োজন পূৰণ কৰিব নোৱাৰে। তাতেই আছে অনুভূতিৰে সিক্ত কল্পনা। তেনে বহু উপাদানৰ সমষ্টি হ'ল এক সৃষ্টিশীল লেখা। গতিকে অতি সহজ অৰ্থত সৃষ্টিশীলতা অনুভূতিপ্ৰৱণতাৰেই নামান্তৰ বুলিব পাৰি।

পাৰ্বত্য অসমৰ সফলতম কথাশিল্পী ছাৰ ৰংবং তেৰাং যে এজন অনুভূতিপ্ৰৱণ ব্যক্তি, এই কথা তেখেতৰ ব্যক্তিগত সান্নিধ্য লাভ কৰাসকলে স্বীকাৰ কৰিব। লোকচক্ষুত সামান্য যেন লগা ঘটনায়ো তেখেতৰ চকুত অসাধাৰণ মাত্ৰা লাভ কৰে। হংক্ৰামৰ সামান্য হজুৱা এজনৰ গতানুগতিক জীৱনশৈলীয়ে তেখেতৰ চকুত এক আলোকসন্ধানী ছাৰইকৰ দৰে চৰিত্ৰৰ জন্ম দিব পাৰে (ৰংমিলিৰ হাঁহি)। গোষ্ঠী সংঘৰ্ষৰ দৰে মৰ্মন্তুদ আৰু হতাশজনক পৰিস্থিতিৰ পৰাও মানৱতাৰ জয়গান গাব পাৰে, সেই দাবানলৰ ধ্বংসস্তূপৰ ওপৰত এখন সমাজৰ পুনৰ্নিৰ্মাণ কৰিব পাৰে (জাক হেৰোৱা পখী)।

তেখেতৰ মানসপটত সদায়েই মানৱতাই সৰ্বোচ্চ স্থান পাই আহিছে। ইয়াৰ উমান তেখেতৰ নিকট আত্মীয় হোৱাৰ সুবাদতে মই বাল্যকালতেই পাইছিলো। কিবা এটা ঘটনা বা বিশেষ চৰিত্ৰ এটা অতি মনোযোগেৰে লক্ষ্য কৰা আমি সদায়েই প্ৰত্যক্ষ কৰিছিলো। কিন্তু তেখেতৰ স্বল্পভাষিতাই আমাক তেখেতৰ সেই বিশেষ বিশেষ ক্ষণবোৰৰ পৰ্যবেক্ষণ আৰু অনুভূতিৰ সম্পৰ্কে কোনো ধাৰণা কৰাৰ পৰা বঞ্চিত কৰিছিল। তেখেতৰ স্বল্পভাষিতাৰ উপৰি বয়সৰ ব্যৱধান আৰু তেখেতৰ শৈক্ষিক অৰ্হতাৰ বাবেই সাধাৰণতে আমি তেখেতৰ পৰা এটা ব্যৱধান ৰাখি চলিবলৈ বাধ্য হৈছিলো। তথাপি আমি গম পাইছিলো তেখেতৰ টুকুৰা-টুকুৰ কথাৰ পৰা। তেখেতৰ কিছুমান সৰু-সুৰা লেখাৰ পৰা।

হংক্ৰাম আৰু ব'মাত লাংছু'ৰ মাজত পাহাৰৰ তলিয়েদি কাৰ্বি লাংপিৰ পাৰে পাৰে শিল দিয়া

গড়কাপ্টানী পথ আছিল পুবা-পশ্চিমাকৈ। এফালে সুউচ্চ পাহাৰ, আনফালে কাৰ্বি লাংপি। মাজেদিয়েই আছিল পথটো। হংক্রাম-ৰ'থাত লাংছ'ৰ মাজমানতে আছে 'ইংহিন আধি' নামৰ ঐতিহাসিক ঘুলি। তাতেই নদীখনৰ সোঁমাজত আছে তিনিটা ওলাই থকা শিল। নদীখনৰ সিটো পাৰে সৰু কাৰ্বি গাঁও। এই সকলোখিনিয়েই আজি কত যুগ ধৰি আছে। হাজাৰ হাজাৰজনে এই দৃশ্য অহর্নিশে দেখিছে। এই শিলখিনি, এই ডুবিটো, পাহাৰলানি, পথটো, ৰ'মাতলাংছ'খন, হংক্রামখন দেখিয়েই আছে। (ছাৰমং বাছিক ৰ'মাভলাংছ' হাটখনৰ কথা প্রায়বোৰ মানুহেই জানে। 'ইংহিন আবি' উমলাৰু লংৰিৰ ৰুব' বুলি সকলোৱেই জানে) কিন্তু হংক্রাম-ৰ'মাত লাংছ'ৰ মানুহৰ সুখ-দুখ, উক্ত ঠাইখিনিৰ লগত যি আত্মীয়তা তাক ৰংবং ছাৰৰ বাহিৰে কোনেও অনুভৱ কৰিব নোৱাৰিলে। ৰংবং ছাৰৰ এই অনুভূতিয়েই অনন্য। এই অনুভূতিৰ সৌৰভেই 'ৰংমিলিৰ হাঁহি'। যিখন গ্রন্থৰ কথা আৰু পাঠ কৰি পোৱা সুখৰ কথা আজি সমগ্র অসমেই অকপটে স্বীকাৰ কৰিছে। হংক্রাম-ৰ'মাত লাংছ'ৰ বিশেষ বিশেষ ব্যক্তিৰ জীৱন সংগ্রামৰ সমষ্টিয়েই 'ৰংমিলিৰ হাঁহি'। তেৰাং ছাৰে এদিন ভাষণ প্রসংগত কৈছিল— '...মোক নিমন্ত্রণ কৰিবলৈ আহোঁতে উদ্যোক্তাসকলে কৈছিল— 'ছাৰ আপুনি সঁচাকৈয়ে আহিবনে?' তেতিয়া মই কৈছিলো— মই ৰ'থাতলাংছ'লৈ নোযোৱাকৈ থাকিব নোৱাৰো। কাৰণটো আজি কৈছোঁ বাৰু। এইখন ৰ'থাতলাংছ'ৰ বজাৰতে মোৰ ছাৰইকে কিনা-বেচা কৰে। এইখন উপত্যকাতে মোৰ অম্ফু-কাদমইঁতে ঘুৰি ফুৰে। এই ৰাস্তাৰেই লুজ্জং, ছাৰসেনইঁতে অহা-যোৱা কৰে। এই পদূলিৰ ধূলিতে লংকি, ছাৰহন, কাৰেংইঁতে ঘিলা-লাটুম খেলে। সিইঁতক মই এতিয়াও দেখোঁ...' ইত্যাদি।

গোষ্ঠী সংঘৰ্ষৰ সময়ছোৱাত তেৰাং ছাৰ অস্থিৰ আৰু বিচলিত হোৱা দেখা গৈছিল। সংঘৰ্ষৰ বলি হোৱা লোকক আশ্রয় শিবিৰত লগ ধৰিছিল, কিন্তু মুখেৰে এটাও কথা কোৱা নাছিল। বোধহয় ক'ব পৰা নাছিল। তাৰ কেইটামান মাহৰ ভিতৰতে তেৰাং ছাৰৰ অন্য এক মানসপুত্রই পৃথিৱীত পদার্পণ কৰিলে। যাৰ নাম 'জাক হেৰোৱা পক্ষী'। সেই দুর্যোগৰ সময়তে এদিন ঘৰুৱা পৰিৱেশত আমাক কৈছিল— '... ধর্মক লৈ, ভাষাক লৈ, গোষ্ঠীক লৈ এনে মৰা-কটাৰ কথা বহুত পঢ়িছোঁ। কিন্তু কাৰ্বিৰ দৰে শান্তিপ্রিয়, adaptable, unwarlike জনগোষ্ঠীৰ কাৰোবাৰ স'তে শত্রুতা থাকিব পাৰে বুলি ভাবিবই নোৱাৰি। ইয়াৰ কোনো বুৰঞ্জী আমাৰ নাই। ৰাজনৈতিক মুনাফাৰ বাবে কিছুমান মানুহ ইমান তললৈ নামিব পাৰে ভাবিবই নোৱাৰি।... এইসকল সহজ-সৰল মানুহে বাৰু দুবেলা-দুমুঠিৰ বাহিৰে কি জানে? সিহঁতক এনেদৰে বলিশালত কিয় তোলা হ'ল?...' তাৰ উত্তৰ আজিও কিজানি ছাৰে বিচাৰি আছে।

বিগত দুই-তিনি বছৰে গোটেই অসমতে বিতর্কৰ ঢৌ তোলা 'অসমীয়াৰ সংজ্ঞা'ৰ সন্দৰ্ভত এদিন আমি কেইজনমানে ছাৰৰ ঘৰলৈ গৈছিলো। তেতিয়া ছাৰে আমাক কৈছিল— '...এইবোৰ মিছামিছি কথা। মানুহৰ চেতনাক বিলুপ্ত কৰাৰ এক যড়যন্ত্রৰ অংশ হোৱাৰ আশংকা বেছি। যিটো কথা আজি হাজাৰ হাজাৰ বছৰ ধৰি কাৰোৰেই দৰকাৰ নাছিল, এতিয়া কিয় দৰকাৰ হ'ল। এই প্রশ্নই কাৰোবাৰ উপকাৰ কৰাটো দূৰৈৰ কথা, অপকাৰহে কৰিব। এইবোৰ কথাত মাত নমতাই ভাল...'।

ছাৰৰ অনুভূতিৰ জগতৰ মূল উপাদান পশ্চিম কাৰ্বি আংলঙৰ সৰলচিতীয়া ঝুমতলীৰ কাৰ্বিসকল। সিহঁতৰ হাঁহি-কান্দোন, আশা-আকাংক্ষা, মিলন-বিচ্ছেদ আদিৰ মাজেৰেই মানৱতাৰ চিৰন্তন ধর্মৰ জয়গান গোৱাটোৱেই তেখেতৰ উদ্দেশ্য। নৱজাগৰণ, আধুনিকতা আদি কাৰকক

স্বীকাৰ কৰিও স্বকীয়তা বৰ্তাই ৰখাৰ তেওঁ পক্ষপাতী। তেখেতৰ প্ৰত্যেক সৃষ্টিতে এই সুৰ বিদ্যমান। সি লাগিলে ৰংমিলিৰ হাঁহি, বন ফৰিঙৰ গীত, ক্ৰান্তিকালৰ অশ্ৰু, জাক হেৰোৱা পক্ষী, লাংছ'লিএতৰ কাক্ৰুং নতুবা বিভিন্ন আলোচনী, বাতৰি কাকত, স্মৃতিগ্ৰন্থ আদিত প্ৰকাশিত লেখাত স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত সচেতনতা প্ৰকাশি আহিছে। ছাৰৰ প্ৰতিটো লেখা গল্প, কবিতা (অতি সীমিত), উপন্যাস, প্ৰবন্ধ য'তেই নহওক, পশ্চিম কাৰ্বি আংলঙৰ জনজীৱনৰ ছবি অতি উজ্জ্বলভাৱে প্ৰতিফলিত হয়। সেই সমাজখনক ৰংবং ছাৰে মৰ্মে মৰ্মে, ৰন্ধ্ৰে ৰন্ধ্ৰে চিনি পায়। সেই সমাজৰ প্ৰত্যেকটো অনুভূতিয়েই ছাৰৰ মনৰ দাপোণত অংকিত হৈ আছে আৰু সেই অনুভূতিক গভীৰভাৱে লালন কৰি ৰাখিছে মনোজগতত।

মানুহৰ মনোজগতখন অনুভূতিৰেই পূৰ্ণ হৈ থাকে। মানুহ মাত্ৰেই মানৱীয় অনুভূতিৰে পৰিপূৰ্ণ। কিন্তু সেই অনুভূতিৰ সুৰভি নিজৰ বাহিৰে আইনে উপভোগ কৰিব নোৱাৰে, যদিহে তেওঁ নিজেই সেয়া বিতৰণ নকৰে। অনুভূতিৰ এই সৌৰভ যিজনে বিলাব পাৰে সেয়াই শিল্পী। এই দৃষ্টিৰে তেৰাং ছাৰ এজন মহান শিল্পী। তেখেতৰ অনুভূতিৰ বিশাল সাগৰৰ বহু মণি-মুকুতাৰ কিছু অংশ আমি সকলোৱেই উপভোগ কৰিবলৈ পাইছোঁ। ছাৰে আমাক এইটো পতিয়ন নিয়াইছে যে ক্লিওপেট্ৰাৰ প্ৰেম আৰু অম্ফুৰ প্ৰেমৰ মাজত কোনো পাৰ্থক্য নাই। মহাত্মা গান্ধীৰ স্বদেশপ্ৰেমৰ লগত ছাৰছিং টেৰণ (লাংকুং হাবে)ৰ স্বদেশপ্ৰেমৰ কোনো পাৰ্থক্য নাই। এই অনুভূতি এক অনন্য অনুভূতি। এই আস্থা এক অনন্য আস্থা। এই আত্মবিশ্বাস জাতীয় নৱজাগৰণৰ আধাৰশিলা। তেৰাং ছাৰ অনুভূতিপ্ৰৱণ মানুহ। কিন্তু তেখেতৰ অনুভূতিৰ লগত একাত্ম হোৱাৰ, তাৰ কাৰণে অনুপ্ৰাণিত হোৱাৰ যি সৌভাগ্য আমি উত্তৰ পুৰুষে লাভ কৰিলো, আমি নিজকে ধন্য মনা উচিত। ৰংবং ছাৰৰ দৰে কাৰ্যাৱলীৰ মাজেদি তেখেতৰ মনোজগতত ভুমুকি মাৰিবলৈ কৰা ধৃষ্টতা কৰাতেই আমি আমাৰ সাফল্য বুলি গণ্য কৰিছোঁ। তেৰাং ছাৰৰ সৃষ্টিকৰ্মই আৰু গতি লাভ কৰক। সৃষ্টি হওক নতুন নতুন কৃতি। যাৰ সৌৰভে লাভ কৰিব অমৰত্ব। তাৰেই কামনাৰে।

এজন মুকলি মনৰ মানুহ

দেৱেন গগৈ

ৰংবং তেৰাং নামটো মনলৈ আহিলেই চকুৰ সন্মুখত ভাহি উঠে আমাৰ শিক্ষক কল'নিৰ মাজেদি যোৱা পথটোৰেদি কান্ধত মোনা এখন লৈ খোজকাঢ়ি গৈ থকা মানুহজনৰ ছবি। মই আমাৰ ঘৰৰ পৰাই মাত লগাওঁ— 'কোন ফালে যায় তেৰাং ছাৰ?' তেওঁ মোৰফালে চাই মিচিকিয়া হাঁহিটোৰে কয়— 'হাতত একোৰে নাই, অকণমান ওলাই যাওঁচোন; বাটে-পথে, গছ-গছনিয়ে ক'ৰবাত কিবা এটা পাওঁ নেকি?' পিচদিনা 'সংবাদ প্ৰতিদিন' কাকতত তেওঁৰ এটি সুন্দৰ প্ৰবন্ধ পঢ়িবলৈ পাওঁ।

তেৰাংদেৱৰ ঘৰৰ সন্মুখেদি মই প্ৰায়ে আবেলি ডিফু শংকৰী কৃষ্টি বিকাশ সংঘৰফালে যাওঁ। কোনোবা দিনা তেওঁ চোতালত বহি থকা দেখো। তেনে অৱস্থাত মই 'হিলছ ভিউ কটেজ'লৈ

সোমাই যাওঁ অথবা তেওঁ ‘গঁগে আহক’ বুলি মাতি নিয়ে। দুয়ো চোতালত ব’দত বহোঁ। আমাৰ মাজত বহু সময় ধৰি ঘৰুৱা আলাপ চলে। তেৰাঙৰ লগত কথা পতাৰ আমেজ সুকীয়া। কেতিয়াবা একো একোটা কথা কৈ তেৰাঙে নিজেই ঢেক্‌ঢেক্‌কৈ হাঁহে। সেই আন্তৰিক ভাবটো মই লিখিত ৰূপত প্ৰকাশ কৰিব নোৱাৰো; এয়া উপলব্ধিৰহে কথা।

জীৱনজোৰা সাধনাৰে ৰংবং তেৰাঙে কাৰ্বি আৰু অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। তেওঁ কাৰ্বি ভাষা-সাহিত্য-সংস্কৃতিৰ ভেটি স্থাপন কৰোতাই নহয়, তেওঁৰ যত্নতে কাৰ্বি ভাষা-সাহিত্যৰ শ্ৰীবৃদ্ধি ঘটিছে। তেৰাঙৰ সাহিত্যকৃতিৰ মূল্যায়ন যোগ্যজনে কৰিছে আৰু ভবিষ্যতলৈও কৰিব। এজন গুণমুগ্ধ আৰু অনুৰাগী পাঠক হিচাপে তেৰাঙক লৈ আমি সদায়েই গৌৰৱবোধ কৰো। কাৰ্বি জনজীৱনত এক সুস্পষ্ট ছবি তেওঁ ‘ৰংমিলিৰ হাঁহি’ উপন্যাসত অসামান্য দক্ষতাৰে ফুটাই তুলিছে। তেওঁ লিখা ‘জাক হেৰোৱা পক্ষী’ও মোৰ এখন প্ৰিয় উপন্যাস। তেৰাঙৰ উপন্যাসৰ বিষয়বৈচিত্ৰ্য আৰু ভাষাৰ সাবলীল গতিয়ে যিকোনো পাঠককে আকৃষ্ট কৰে। কথাশিল্পী হিচাপে তেৰাং যিদৰে অনন্য, সেইদৰে নিজৰ সম্মোহিনী ব্যক্তিত্বৰেও তেওঁ অজস্ৰ লোকৰ প্ৰিয়পাত্ৰ হ’ব পাৰিছে। এখন বহল অন্তৰৰ, সঁচা অৰ্থতে সবল আৰু বিনয়ী ব্যক্তি ৰংবং তেৰাং। আজৰি পৰত যিসকলে তেৰাঙৰ সৈতে দীঘলীয়া আলাপ কৰাৰ সুযোগ পাইছে, সেইসকলেহে বুজি পাব তেওঁ কিমান মুকলি মনৰ মানুহ। কথাৰ মাজে মাজে ৰসৰ খোৰাক দিয়া তেৰাঙৰ প্ৰাণখোলা হাঁহিটোৰ কথা কোনেও পাহৰিব নোৱাৰে। তেৰাঙৰ সুস্বাস্থ্য আৰু সুদীৰ্ঘ সৃষ্টিশীল জীৱন আমাৰ একান্তই কাম্য।

পৰিবৰ্তনৰ আশাত বন্দী মানুহজন

ভবেন কোচ

শিক্ষাগুৰু ৰংবং তেৰাং ছাৰৰ আশিস শিৰত লৈ ১৯৮১ত গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় পালোঁগৈ। মহাবিদ্যালয়ত নলিনীধৰ ভট্টাচাৰ্য, দুৰ্গেশ্বৰ শৰ্মা আৰু বিশ্ববিদ্যালয়ত ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° শৈলেন ভৰালী, ড° পৰীক্ষিত হাজৰিকা, ড° উমেশ ডেকা, ভবপ্ৰসাদ চলিহা প্ৰমুখ্যে মাননীয় শিক্ষাগুৰুসকলৰ সান্নিধ্য লাভ কৰাৰ পাছতো মোৰ অন্তৰৰ নিভৃত কোণত যেন অনবৰতে জীপাল হৈ ৰৈ গৈছিল ৰংবং তেৰাং ছাৰৰ স্মৃতি।

মোৰ জন্মস্থান কাৰ্বি আংলং তথা ৰাজ্যখনৰ সাম্প্ৰতিক পটভূমিত সংঘটিত বহুতো বাক্‌ৰুদ্ধ তথা লোমহৰ্ষক ঘটনাই হৃদয়ত হাহাকাৰ সৃষ্টি কৰাৰ সময়ত মই তেৰাং ছাৰৰ সান্নিধ্য বিচাৰিছিলো। ছাৰৰ জীৱনদৰ্শন তথা হৃদয়ৰ বাণীয়েহে মোক বিশাল শান্তি প্ৰদান কৰিব পাৰিছিল।

মনত পৰে সেই দিনটোৰ কথা। ২০০৫ চনৰ ১৭ অক্টোবৰ। পাৰ্বত্য জিলা কাৰ্বি আংলঙৰ সেই সৰ্বনাশী নৃগোষ্ঠীয় সংঘৰ্ষৰ ভৰপক সময়। ভয়, শংকা, আৰ্তনাদ আৰু হাহাকাৰ ভৰা এটা দিন।

পশ্চিম কাৰ্বি আংলঙৰ চাৰছিম প্ৰিচ্ছেকত যাত্ৰীবাহী গাড়ীৰ ভিতৰতে কেবাজনো নিৰীহ যাত্ৰীক আততায়ীয়ে নৃশংসভাৱে হত্যা কৰি থৈ যোৱা ঘটনাই মোক আত্মবিস্মৃত কৰি তুলিছিল। মোৰ হৃদয়খন যেন থানবান হৈ গৈছিল। মোৰ অশান্ত মনটোক বুজনি দিব নোৱাৰি লগে লগে ছাৰৰ স'তে যোগাযোগ কৰিছিলো। হৃদয়ৰ নিভৃত কোণৰ পৰা এটি হুমুনিয়াহ এৰি ছাৰে মাত দিছিল— 'মই আজি নিঃসংগ হৈ পৰিছোঁ। মোৰ মৰমৰ কাৰ্বি আংলংখনত আজি এইবোৰ কি ঘটিব ধৰিছে? মই মৰ্মাহত হৈছোঁ। মানুহ ইমানেই হিংস্ৰ হ'ব পাৰে বুলি মই ভাবিবকে নোৱাৰো।' খন্তেক বৈ ছাৰে পুনৰ মাত দিছিল— 'জীৱনত বহু বছৰ শিক্ষকতা কৰিলো। কিন্তু এতিয়া ভাব হৈছে, তেওঁলোকক ভাল শিক্ষা দিব নোৱাৰিলো নেকি? ভাল শিক্ষা পোৱা হ'লে তেওঁলোকে নিশ্চয় হাতত অস্ত্ৰ তুলি নল'লেহেঁতেন।' ছাৰে কৈ গৈছিল— 'মানুহৰ শান্তি বিচৰা মোৰ এই মনটোৱে আজি কেনেদৰে নৰহত্যাৰ দৰে জঘন্য কাণ্ডবোৰ সহ্য কৰিবলগা হৈছে। মই আৰু সহ্য কৰিব নোৱৰা হৈছোঁ। তাতকৈ মোক দুটা গুলী দিয়ক, মাথোঁ দুটা গুলী। এটা দিয়ক ইউ পি ডি এছে আৰু আনটো ডি এইচ্ ডিয়ে। আৰু যদি প্ৰয়োজন হয় তেন্তে মোৰ ঠিক কপালতে তৃতীয় গুলীটো দিয়ক কে এল এন এল এফে।'

ছাৰৰ পৰা এনে হৃদয়বিদাৰক উক্তি শুনিব নোৱাৰি মই ফোনৰ লাইনটো কাটি দিছিলো।

সুকোমল অনুভূতিৰে পূৰ্ণ ছাৰৰ সুবিশাল মানৱ দৰদী হৃদয়খন সাম্প্ৰতিক পটভূমিত বহু সময়ত স্তব্ধপ্ৰায় হৈ পৰিছে। যোৱা ৩০ অক্টোবৰ ২০০৮ ত সংঘটিত এলানি বোমা বিস্ফোৰণৰ ভয়াবহতা আৰু আৰ্তজনৰ কৰুণ চিংকাৰত উদ্বিগ্ন আৰু ব্যথিত হৈ পৰা ৰংবং তেৰাং ছাৰৰ স'তে ফোনেৰে যোগাযোগ কৰাত কৈছিল— 'আজিৰ হিংসাত্মক পৰিস্থিতিয়ে মোৰ অন্তৰ শুকুৱাই পেলাইছে। অন্তৰৰ অনুভৱ প্ৰকাশ কৰাৰ ক্ষেত্ৰত শব্দকেই বিচাৰি পোৱা নাই। যিসকলে এনে দুষ্কাৰ্য সংঘটিত কৰিলে, সেইসকল গৰিহণাৰ যোগ্য। কিন্তু ৰাইজৰ গৰিহণাত আত্মশুদ্ধি লাভ কৰিবলৈ সেইসকলৰ হৃদয় আছে জানো? তেওঁলোকৰ হৃদয় থকা হ'লে কেতিয়াও এনে কাৰ্য সংঘটিত নকৰিলেহেঁতেন।

অৱশেষে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰংবং তেৰাং ছাৰে গভীৰ প্ৰত্যয়েৰে মন্তব্য কৰে— 'দস্যু ৰত্নাকৰো এদিন বাল্মীকি হিচাপে পৰিচিতি লাভ কৰি আদিকাব্য ৰামায়ণ ৰচনা কৰিছিল। মোৰো বিশ্বাস, সময়ে নিশ্চয় এদিন মানৱীয় প্ৰমূল্যবোধক পুনৰ ওভতাই আনিব। বৰ্তমান পৰিস্থিতিত আমি সময়লৈ অপেক্ষা কৰিবই লাগিব। সময়ৰ সোঁতত সকলো এদিন পৰিৱৰ্তন হ'বই।'

ছাৰৰ ছাত্ৰ হিচাপে ময়ো আশাৰে বৈছোঁ সেই পৰিৱৰ্তনলৈ।

পদুম

ছাৰএং হাঞ্চে

জানাইচোন মোৰ জীৱন পংকিল পৰিক্ৰমা ঃ ৰংবং তেৰাং

বোকা, ছাৰ

ছাঁবোৰ দীঘল হ'ল মানে বেলি হালে
হালে জালে
হালে জালে, হাড় জমি সোণালী সোণাৰু ফুলে

(বসন্ত দাসে জানে
লুঙীবোৰ পোন্ মাৰি মেলেং নেমেলিলে
সপোন উটে, ভাহে)

আপুনিতো সপোন মোৰ-আমাৰ
বোকা-পদুম।

ছাৰৰ কাম্য এখন বিশ্বাসৰ, আস্থাৰ বৰ অসম

তোষেশ্বৰ তামুলী ফুকন

আজিৰ পৰা ঠিক দুকুৰি আঠ বছৰমানৰ আগৰ কথা। লংকা প্ৰাথমিক বিদ্যালয়ৰ ডেওনা পাৰ হৈ লংকা হাইস্কুলত চতুৰ্থ শ্ৰেণীত নাম লগাই লৈ কুঁৱাৰ পৰা আহি সাগৰত পৰা যেন অনুভৱ হৈছিল। নতুন বিদ্যালয়, ইংৰাজী স্কুল, ডাঙৰ ঘৰ, এইবোৰৰ মাজত নিজকে উশাহ বন্ধ হৈ যোৱা যেন অনুমান হৈছিল। শ্ৰেণীবোৰ ভালকৈ বহিছিল। আমাক চতুৰ্থ শ্ৰেণীত বুৰঞ্জী পঢ়াবলৈ এজন নতুন ছাৰ আহিল। চকুত আয়তাকাৰ চছমা, সাধাৰণভাৱে লংপেন্ট-ছাৰ্ট পৰিহিত যুৱক এজন আমাৰ বুৰঞ্জীৰ ছাৰ। নাম জানিবলৈ ইচ্ছা হ'লেও সুধিবলৈ সাহস গোটাব পৰা নাছিলো। নতুন ছাৰে বুৰঞ্জীৰ পিৰিয়ডত মোকে নহয়, আমাৰ শ্ৰেণীৰ সকলো নৱাগত ছাত্ৰ-ছাত্ৰীকে ইমানেই আপোন কৰি ল'ব পাৰিলে যে আমাৰ মনৰ আগৰ নতুন স্কুলৰ ভয়-সংশয় আঁতৰি গ'ল। বুৰঞ্জীৰ পাঠৰ মাজেৰে আমাক চুটি চুটি আমোদজনক কাহিনী কৈ বুৰঞ্জীৰ প্ৰতিটো পাঠৰ মাজলৈ আমাক সুমুৱাই লৈ যাব পাৰিছিল। ফলত মোৰ আজিও বুৰঞ্জী বিষয়টো অতি প্ৰিয়। এতিয়াও বিভিন্ন সময়ৰ বুৰঞ্জীৰ জনা কথাবোৰো মাজে মাজে লুটিয়াই চালেই সেইজন ছাৰৰ ছবিখন ভাহি উঠে। বহু দিনৰ মূৰত গম পালো মোৰ কুমলীয়া মন আকৰ্ষণ কৰিব পৰা ছাৰজনৰ নামটো ৰংবং তেৰাং।

ৰংবং তেৰাং নামৰ মোৰ সেই শৈশৱৰ মন মুহিব পৰা যুব শিক্ষকজনৰ ভালেমান বৈশিষ্ট্য আমাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষণ কৰিব পাৰিছিল। তেৰাং ছাৰে শিক্ষকতাৰ আৰম্ভণিতে বুৰঞ্জীৰ পাঠবোৰ সাধুকথাৰ মাধ্যমেৰে সুন্দৰকৈ বুজাই দিব পাৰিছিল। তদুপৰি ছাৰে আমাৰ কৈশোৰ মন আকৰ্ষণ কৰিবৰ বাবে পৰ্বতীয়া ঠাইত তেখেতৰ বাল্যকালৰ বিষয়ে মাজে মাজে আমাক কৈছিল। বিশেষকৈ দ্বিতীয় মহাসমৰৰ শেষাৰ্ধত জাপানী যুদ্ধৰ উৰাজাহাজবোৰ আকাশেদি উৰি যোৱা দেখিলে তেওঁ বাল্যকালৰ লগৰীয়াৰ সৈতে কেনেকৈ ভয়ত পেঁপুৰা লাগি জোপোহাৰ আঁৰত লুকাইছিল, সেইবোৰ কথা আমাক সাধুৰ দৰে শুনাই এক অনাবিল আনন্দ দিছিল। অৱশ্যে পিছত ছাৰ উচ্চ শিক্ষাৰ বাবে বিদ্যালয় এৰি গুচি গ'ল। বহু দিনৰ বিৰতিত ডিফু কলেজৰ অধ্যাপক হোৱাত ডিফুলৈ যাওঁতে প্ৰায়ে ছাৰক লগ পাওঁ আৰু খা-খবৰ লওঁ। অসম আন্দোলনৰ কালত, কাৰ্বি আংলঙৰ স্বায়ত্তশাসন প্ৰৱৰ্তনৰ দাবী আন্দোলন জোৰদাৰ হৈ তুংগত থকা কালতো ছাৰক ডিফুত বহুবাৰ লগ ধৰিছোঁ। ছাৰ স্থিতপ্ৰজ্ঞ। অসমীয়া জাতিৰ মুলসুঁতিৰ পৰা চুলি এডালমানো ছাৰ আঁতৰি অহা নাই।

তেৰাং ছাৰ প্ৰচাৰবিমুখ, নিৰহংকাৰী, সহজ-সৰল, চহা, উদাৰ হৃদয়ৰ লোক। অসমত বিদ্ৰোহী সংগঠনৰ উত্থান, বিচ্ছিন্নতাবাদ, অসমক খণ্ডিতকৰণ, সন্ত্ৰাসবাদৰ দ্বাৰা ভূ-লুণ্ঠিত সাধাৰণ মানুহৰ জীৱন, গোষ্ঠীগত সংঘৰ্ষ ইত্যাদি বিষয়ত মাজে মাজে ছাৰৰ লগত মত বিনিময় কৰিছোঁ। সাম্প্ৰতিক অসমৰ এনেবোৰ সংঘাতে ছাৰৰ কোমল মনক ভাৰাক্ৰান্ত কৰি তোলে। অৱশ্যে ছাৰ নিৰাশ নহয় সততে। এক নতুন প্ৰভাতৰ আশাৰে ছাৰে যিকোনো পৰিস্থিতিতে শান্তি আৰু সংহতি বিচাৰে, বিশেষকৈ অসমৰ জাতি-জনগোষ্ঠীৰ মাজত। ছাৰৰ কাম্য এখন বিশ্বাসৰ, আস্থাৰ বৰ অসম।

শেষত তেৰাং ছাৰৰ নেতৃত্বত অসমত অনাগত দিনবোৰৰ নৃগোষ্ঠীয় সম্ভাৱ-সম্প্ৰীতি বৃদ্ধি পোৱাৰ আশা পোষণ কৰিলো।

ডিফু মানে? ৰংবং তেৰাং...

এম আচাবুৰ ৰহমান

ৰংবং তেৰাং নামটো উচ্চাৰণ কৰোঁতেই এটা পুৰণি স্মৃতি মনলৈ আহে। ১০-১২ বছৰৰ আগৰ কথা। যোৰহাটৰ পৰা ফৰকাটিং ষ্টেচনলৈ দৈনিক এখন পেছেঞ্জাৰ ৰে'ল চলে। বহু যাত্ৰীয়ে ভিৰ কৰা ৰে'লখনত বহি ফৰকাটিঙলৈ আহি থাকোঁতে প্ৰত্যক্ষ কৰিলো এজন আদহীয়া টি টি ইৰ অভিনৱ কাৰ্য। বহু যাত্ৰীক মাথোঁ হাঁহিৰে সম্ভাষণ জনাই টি টি ইগৰাকীয়ে কাষত বহি লৈ মোৰ টিকটটো পৰীক্ষা কৰিছিল। অন্য যাত্ৰীক ৰেহাই দি মোক বিশেষভাৱে টিকটটোৰ লগতে ব্যক্তিগত পৰিচয় কিয় সুধিলে বুলি প্ৰশ্ন কৰাত টি টি ইগৰাকীয়ে এমোকোৰা হাঁহিৰে সহজভাৱে ক'লে— বিগত দহবছৰে এইখন গাড়ীত অহা-যোৱা কৰি আছোঁ। প্ৰতিজন যাত্ৰীয়েই চিনাকি। পিছে নতুন মুখ দেখিলে পৰিচয় হওঁ, দুষাৰ কথা পাতোঁ। ব্যক্তিজনৰ সৈতে হোৱা কথোপকথনত মোৰ জন্মস্থান ডিফু বুলি উল্লেখ কৰাৰ লগে লগেই তেওঁ স্বতঃস্ফূৰ্তভাৱে চিঞৰি উঠিল— ডিফু মানে, ৰংবং তেৰাং। বহু পূৰ্বে 'ৰংমিলিৰ হাঁহি' পঢ়ি আপ্লুত হোৱা টি টি ইগৰাকীয়ে স্বচক্ষে দেখা নাই ৰংবং তেৰাঙক। এনে সন্ধিক্ষণত ছাৰৰ বিষয়ে ক'বলৈ পালে ময়ো আনন্দ লভোঁ। কিয়নো, মই ছাৰৰ পোনপটীয়া ছাত্ৰ আছিলো। ছাৰে মেজৰৰ ক্লাছত মোক অকলে বহুবাৰ পঢ়ুৱাইছিল। ৰংবং তেৰাং দেখাত কেনেকুৱা, ওখ নে চাপৰ, ৰং বগা নে ক'লা ইত্যাদি প্ৰশ্ন টি টি ইগৰাকীৰ দৰে বহুতৰ মুখত শুনিছোঁ। কি আশ্চৰ্য! শব্দৰ মায়াজালেৰে ছাৰে বহুজন পাঠকক এনেদৰে সম্মোহিত কৰি ৰাখিছে।

বিৰল, ঋজু-শান্ত ব্যক্তিত্বৰ অধিকাৰী ৰংবং তেৰাং ছাৰৰ সান্নিধ্য ১৯৯১ চনত ডিফু মহাবিদ্যালয়ৰ চৌহদত ভৰি দিয়া দিনাখনৰ পৰাই লাভ কৰিছিলো। অৱশ্যে মেট্ৰিক পৰীক্ষা দিয়াৰ পাছতেই ডিফু ক্লাবত অনুষ্ঠিত হোৱা নাটক, কবিতা আবৃত্তি আদিত জড়িত হোৱাৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়খনৰ অধ্যাপক বিনীতা বৰুৱা, লুটফা হানুম ছেলিমা বেগম, এম কামালুদ্দিন আহমেদ, চিত্ৰা শৰ্মা, আফ্‌ছানা বেগম বৰভূঞা আদি শিক্ষাগুৰুসকলৰ সৈতে সু-সম্পৰ্ক গঢ়ি উঠিছিল। সেই সূত্ৰে কলেজত ভৰি দিয়েই অসমীয়া বিভাগৰ ছাৰ-বাইদেউসকলৰ বিভিন্ন আলোচনাত অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰাৰ সময়তে তেৰাং ছাৰৰ ব্যক্তিত্বই মুগ্ধ কৰিছিল। অসমীয়া বিভাগৰ পৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'সমস্বৰ'ৰ দায়িত্ব মোক অৰ্পণ কৰিছিল। সমস্বৰৰ জৰিয়তে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুপ্ত হৈ থকা অনুভূতিসমূহ আবিষ্কাৰৰ বাবে যত্ন অব্যাহত ৰাখিবলৈ ছাৰে আমাক পৰামৰ্শ দিছিল। আনফালে, অসমীয়া বিভাগৰ সাহিত্য চ'ৰা আৰু ডিফু চৰকাৰী মহাবিদ্যালয়ৰ 'আৰ্টছ ছ'চাইটি'ৰ সম্পাদকৰ দায়িত্বও গ্ৰহণ কৰিছিলো। স্বচ্ছ আৰু স্পষ্ট দৃষ্টিভংগীৰে ছাৰে আমাক কৈছিল— ঠেক গণ্ডীৰ মাজত ছাত্ৰ-ছাত্ৰীৰ পূৰ্ণ বিকাশ অসম্ভৱ। সেয়ে অসমৰ চিন্তাশীল তথা সৃষ্টিশীল লেখক, সাংস্কৃতিক ব্যক্তিত্বক নিমন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ দুৱাৰ মুকলি কৰিবলৈ ছাৰে পৰামৰ্শ দিছিল। সাহিত্য চ'ৰা আৰু আৰ্টছ ছ'চাইটিৰ জৰিয়তে আমি চুটিগল্পৰ সম্ৰাট চৈয়দ আব্দুল মালিক, বিশিষ্ট কবি নীলমণি ফুকন, নৱকান্ত বৰুৱা, নাট্যকাৰ অৰুণ শৰ্মা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° বীৰেন্দ্ৰ নাথ দত্ত, আমেৰিকাত

ফেল'শ্বিপ লাভ কৰা প্ৰশান্ত কুমাৰ দাসৰ বিভিন্ন অভিজ্ঞতাৰ ভিত্তিত এনেনি কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। তদুপৰি মহাবিদ্যালয়খনত কেইবাখনো মনোগ্ৰাহী আলোচনাচক্ৰ, অসমভিত্তিত নাটক প্ৰতিযোগিতা আয়োজন কৰি ছাত্ৰৰ ইচ্ছাক ৰূপায়ন কৰাৰ আমি প্ৰয়াস কৰিছিলো। কিয়নো, বিশিষ্ট লোকৰ সমাৱেশে সমন্বয় আৰু বৌদ্ধিক দিশৰ বিকাশৰ পথ সুচল কৰে। ছাত্ৰৰ সান্নিধ্যই আমাক অনাবিল আনন্দ প্ৰদান কৰি আহিছে।

আংতং আৰু তেৰাঙৰ লুনাটিক

কুমুদ চন্দ্ৰ ডেকা

ৰংবং তেৰাং, ৰংমিলিৰ হাঁহি আৰু কাৰ্বি আংলং— এই তিনিওটা নামৰ মাজত যেন এক অভিন্ন সম্বন্ধ। ৰংমিলিৰ জৰিয়তে পাহাৰ-ভৈয়ামৰ গাঁওবোৰক সকলো ফালৰ পৰা সমৃদ্ধিশালী কৰি তোলাৰ সপোন দেখা, পাহাৰ-ভৈয়ামক একতাৰ ডোলেৰে বান্ধি ৰাখিব বিচৰা, জাত-পাত, ধৰ্ম-বৰ্ণৰ উৰ্ধ্বত থকা ব্যক্তিগৰাকী হ'ল ৰংবং তেৰাং। মাতৃভাষা অসমীয়া নহ'লেও অসমীয়া হ'ব পাৰি বুলি সগৌৰৱে ঘোষণা কৰি অসমীয়া মহাজাতি গঠন কৰিবলৈ প্ৰয়াস কৰা কাৰ্বি আৰু অসমীয়া ভাষাৰ জনপ্ৰিয় আৰু স্বনামধন্য সাহিত্যিক ৰংবং তেৰাঙৰ শান্ত-সৌম্য-নিৰ্জু প্ৰতিচ্ছবি প্ৰায়েই মনলৈ আহে।

১৯৮৫ চনৰ কোনো এটা দিনত পোনপ্ৰথমতে এইগৰাকী ব্যক্তিৰ লগত মোৰ প্ৰথম পৰিচয় ঘটে ডিফুত অনুষ্ঠিত হোৱা এখন সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানত। তেতিয়া তেখেতৰ সহধৰ্মিনী কানাম হাঞ্চেপী বাইদেউ প্ৰায়েই লগতে আছিল। বাইদেউৰ চিৰলগৰী হাঁহিটো আজিও মোৰ স্মৃতিপটত ভাহি থাকে। কাৰ্বি সাজেৰে সজ্জিত তামোলেৰে মুখ ৰঙাই থকা কানাম বাইদেউ ৰংবং তেৰাঙৰ সহধৰ্মিনীয়েই নহয়, তেওঁ আছিল এগৰাকী প্ৰকৃত বন্ধুসদৃশ। যিসকলে কানাম বাইদেউক লগ পাইছিল তেখেতসকলে নিশ্চয় বাইদেউৰ আপোনভোলা হাঁহি, সহজে সকলোকে নিজৰ কৰি ল'ব পৰা গুণৰ কথা পাহৰিব নোৱাৰে। অৱশ্যে, অকালতে কানাম বাইদেউ ইহলোকৰ পৰা গুচি গ'ল। সেই দিনটোতো মই ডিফুতেই আছিলো। শেষকৃত্য সমাপন কৰিহে মই মোৰ চৰকাৰী বাসভৱনলৈ উভতিছিলো। সেইদিনটোৰ কথা মনত পৰিলে আজিও মোৰ দেহ-মন যেন জিকাৰ খাই উঠে।

১৯৮৯ চনৰ আগষ্ট মাহত ডিফু চহৰৰ পৰা জন্ম হৈছিল কাৰ্বি আংলং জিলাৰ সৰ্বপ্ৰথম কাব্যালোচনী 'আংতং'। নামটো দিছিল ৰংবং তেৰাঙেই। আংতঙৰ অৰ্থ প্ৰতিধ্বনি। আংতঙৰ জৰিয়তেই পাহাৰ-ভৈয়ামক একত্ৰিত কৰাৰ প্ৰচেষ্টা কৰা হৈছিল। সম্পাদনা উপদেষ্টাৰূপে তেৰাঙে দায়িত্ব লৈছিল আৰু সম্পাদনাৰ দায়িত্ব পৰিছিল মোৰ ওপৰত। নেপথ্যত আছিল কবি বন্ধু হাৰ্ডে


প্ৰথম কবিতা
লুনাটিক
— ৰংবং তেৰাং
আমন্ত্ৰিওঁ নমাদি
জোনৰ পৰা নামি আহিলোঁ।
এগোছা ধানো গজাব নোৱাৰিলোঁ।
মাটিৰ দেহাৰে জোনৰ মাটিত
ৰাহি নাহে।
আমি যে অমৃত মাটিৰ সন্তান!
হে বিজ্ঞান।
ত্ৰিশংকুৰ যন্ত্ৰণা মোক নিদিবা।

কাথাৰ, মনজিৎ সিং, ভৱপ্ৰসাদ দেউৰী, পদুমী গগৈ, প্ৰয়াত মহেন্দ্ৰ বৰদলৈ আদি। এই 'আংতং'খনতেই জীৱনৰ প্ৰথম কবিতাটো লিখিছিল ৰংবং তেৰাঙে— কবিতাটোৰ নাম আছিল 'লুনাটিক'।

আমন্ত্ৰিঙে নমাদি
জোনটিৰ পৰা নামি আহিলো
এগোছা ধানো গজাব নোৱাৰিলো
মাটিৰ দেহাৰে জোনৰ মাটিত
ৰাহি নাহে
আমি যে অমৃত মাটিৰ
হে বিজ্ঞান
ত্ৰিশংকুৰ যন্ত্ৰণা মোক নিদিবা।

নৱকান্ত বৰুৱা ছাৰক তেখেতৰ শিলপুখুৰীৰ বাসভৱনত 'আংতং'খন দিবলৈ যাওঁতে প্ৰথম পৃষ্ঠাত থকা এই কবিতাটি পঢ়ি তাৎক্ষণিকভাৱে কৈছিল— 'ৰংবং তেৰাং যে এগৰাকী প্ৰতিভাশালী কবি এই কবিতাটোৱে প্ৰমাণ কৰিছে।' পিছলৈ তেখেতে কবিতা চৰ্চাৰ ধাৰাবাহিকতা অব্যাহত নাৰাখিলে।

লুইতক প্ৰাণতকৈও ভাল পোৱা এইগৰাকী লেখকে প্ৰায়ে কৈছিল— ' কিয় জানো লুইতে সদায় মোক টানি লৈ যায়। বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে মই কাছাৰী ঘাটৰ সেই শিলচটা প্ৰায়েই চাবলৈ যাওঁ আৰু কাৰ্বি পাহাৰৰ সূৰ্যাস্তৰ দৃশ্য মনত ৰাখিও লুইতৰ বুকুত সেই একে দৃশ্যকে চাই কিয় জানো মই আপোনপাহৰা হওঁ।' তেতিয়াই তেওঁৰ মনত হেনো কবিতা, গীতে হেন্দোলনি তুলিছিল। তেখেতৰ প্ৰিয় বন্ধু কেশৱ শইকীয়াই তেখেতৰ গীতত সুৰ দিছিল। ডিফু চৰকাৰী মহাবিদ্যালয়ৰ

শীৰ্ষ গীতটো ৰংবং তেৰাঙৰ দ্বাৰাই ৰচিত।

সহজ-সৰল জীৱন অতিবাহিত কৰা ৰংবং তেৰাং আজি অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱাত অসমৰ সকলো শ্ৰেণীৰ লোক আনন্দিত হৈছে। ৰংবং তেৰাং এগৰাকী যথাৰ্থতে খ্যাতনামা সাহিত্যিকেই নহয়, ব্যক্তি হিচাপেও এক মোহনীয় আৰু বৰ্ণাঢ্য ব্যক্তিত্বৰ লোক।

ছাৰৰ সান্নিধ্যৰ প্ৰভাৱ

যাদৱ হাজৰিকা

উতনুৱা দিনৰ কথা। চহৰ দেখি নোপোৱা আমি খাঁচ গাঁৱলীয়া ল'ৰা আছিলো ১৯৭৯ চনলৈকে। ১৯৮০ চনত হাইস্কুলৰ শিক্ষা সাং কৰি ডিফু মহাবিদ্যালয়ত নাম ভৰ্তি কৰাৰ পাছতহে চহৰ দেখাৰ সৌভাগ্য হৈছিল। বহু পূৰ্বৰে পৰা নাম শুনি থকা একে ঠাইতে জন্ম গ্ৰহণ কৰা শ্ৰদ্ধেয় ৰংবং তেৰাং ছাৰক ওচৰৰ পৰা দেখিলো ডিফু কলেজত পঢ়িবলৈ গৈ। ছাৰৰ জন্ম কাৰ্বি আংলঙৰ ভিতৰুৱা পাহাৰীয়া অঞ্চলৰ বকলীয়াঘাটৰ এৰাগাঁৱৰ লাংবুংদিংপিত। এৰাগাঁও আমাৰো পূৰ্বজৰ ঠাই। ককা-আজুককাইঁতে সেইখন গাঁৱতেই তেৰাং ছাৰৰ পূৰ্বজসকলৰ লগত ভাই-ককাইৰ দৰে বাস কৰিছিল। আমাৰ এগৰাকী বৰপিতা তেৰাং ছাৰৰ সহপাঠী আছিল।

আমি কলেজত পঢ়ি থকা সময়খিনিয়েই আছিল তেৰাং ছাৰৰ সাহিত্যিক জীৱনৰ উল্লেখযোগ্য সময়। সেই সময়খিনিতেই ছাৰৰ সৃষ্টি আৰু কৃতিত্বৰ বিষয়ে জানিব পাৰিছিলো। সেয়ে একেখন ঠাইৰ মানুহ হিচাপে আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছিলো। এদিনৰ এক কথোপকথনৰ পিছৰ পৰাহে ছাৰৰ সৈতে সম্পৰ্ক গাঢ় হৈ উঠে। মোক যে পুত্ৰৰ দৰে জ্ঞান কৰে এবাৰ কথা প্ৰসংগতে ছাৰে উল্লেখো কৰিছিল। অৱধাৰিতভাৱেই ময়ো পুত্ৰৰ দায়বদ্ধতাত সোমাই পৰিছিলো। ছাৰে পাৰিবাৰিক জীৱনৰ সকলো কথা কৈ সুখ-দুখৰ ভাগ মোকো মাজে-সময়ে দিয়ে। সৰলতাৰ জীৱন্ত ছবি, পাহাৰৰ দৰে স্থিতপ্ৰজ্ঞ, পানীৰ দৰে স্বচ্ছ তেৰাং ছাৰৰ সান্নিধ্যই মোৰ জীৱনতো প্ৰভাৱ পেলালে সংগোপনে। ময়ো ভাল পাবলৈ শিকিলো মানুহ, পাহাৰ, নৈ, জুৰি, আকাশ, চৰাই, হাবি-জংঘল।

জীৱনত যি পাইছে সিমানতে সন্তুষ্টি প্ৰকাশ কৰা তেৰাং ছাৰ উচ্চাকাংক্ষাহীন লোক। মহামানৱ মহাত্মা গান্ধীৰ অহিংস নীতি আৰু সৰল জীৱনৰ প্ৰতি উদ্বুদ্ধ হৈ জীৱন নিৰ্বাহ কৰা শ্ৰদ্ধেয় তেৰাং ছাৰে শিক্ষা গ্ৰহণৰ অন্তত চিন্তাৰ স্খলন আৰু চৰিত্ৰ নষ্ট হোৱাৰ ভয়ত জিলা শিক্ষা বিষয়াৰ চাকৰি প্ৰত্যাখ্যান কৰিছিল। সাহিত্য সৃষ্টিকেই জীৱনৰ ব্ৰত হিচাপে লোৱা ছাৰে বকলীয়াঘাটত সাহিত্য সৃষ্টিৰ বাবে এটি সৰু জুপুৰী ঘৰ সাজি থকাৰ ইচ্ছা মাজতে প্ৰকাশ কৰি মোক জনাইছিল। জন্ম, শিক্ষা আৰু কৰ্মসূত্ৰে বহুকেইখন ঠাইত বিচৰণ কৰা ছাৰ সম্প্ৰতি সমন্বয়ৰ প্ৰতীকৰূপে অসমৰ চৌপাশে জনপ্ৰিয় হৈ পৰিছে।

ছাৰৰ এটি বিশেষ দিশ মই গভীৰভাৱে উপলব্ধি কৰোঁ। সেয়া হ'ল— সাহিত্যত যিদৰে কথাশিল্প কৰে, সেইদৰে কথা-বতৰাতো সহজ-সৰল ৰূপৰ পৰিচয় দাঙি ধৰে। সহজ কথাৰে বেছি গভীৰ কথা ক'বলৈ ছাৰে প্ৰয়াস কৰে। তদুপৰি তেখেতৰ আত্মমৰ্যাদাও সাংঘাতিক। তেখেতে পোৱা

ৰাষ্ট্ৰীয় সন্মান 'পদ্মশ্ৰী' তেখেতৰ নহয় বুলি সৰলভাৱে উল্লেখ কৰি এই সন্মান সমগ্ৰ কাৰ্বি জাতিৰ বুলি কৈছে গৌৰৱবোধ কৰে। তেখেতৰ অজ্ঞতা আৰু অক্ষমতা স্বীকাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰা গুণটো বহুতৰে পালনীয়।

অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱাৰ পাছত ছাৰে ৰাইজৰ পৰা সম্বৰ্ধনাতকৈ সহযোগিতাহে কামনা কৰিছে। ছাৰ সভাপতি নিৰ্বাচিত হোৱাৰ পাছত অসমৰ মানুহৰ উলাহে প্ৰতিপন্ন কৰিছে এয়া যেন অসম সাহিত্য সভাৰ অদ্বিতীয় পৰিক্ৰমা। এক নতুন অধ্যায়ৰ পাতনি।

শৈশৱৰ কাৰ্বি পাহাৰ আৰু তেৰাঙ ছাৰ

পদুমী গগৈ

পাহাৰীয়া জিলা কাৰ্বি আংলঙৰ সদৰ চহৰ ডিফুত আমি ধূলি-বালি খেলি শৈশৱ-কৈশোৰ অতিবাহিত কৰিছিলো। জনা-বুজা হোৱাৰ পৰা সাহিত্য-সংস্কৃতিৰ প্ৰতি একধৰণৰ আকৰ্ষণ অনুভৱ কৰিবলৈ লওঁ। ইয়াৰ আঁৰৰ কাৰণ আছিল ৰংবং তেৰাঙৰ দৰে সাহিত্য প্ৰতিভা, জংছুনখ্যাত বসন্ত দাস আৰু প্ৰয়াত ছামছিং হাঞ্চে আদিৰ কাৰ্বি-অসমীয়া সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ বাবে গ্ৰহণ কৰা সদৰ্থক পদক্ষেপসমূহ।

ৰংবং তেৰাঙৰ সাহিত্য প্ৰতিভাই কাৰ্বি পাহাৰৰ চৌপাশ জীপাল কৰাৰ উপৰি অসমীয়া সাহিত্যৰ ভৰাঁলো চহকী কৰিছে। কাৰ্বি পাহাৰৰ বকলীয়াঘাটৰ লাংবুংদিংপিত জন্মগ্ৰহণ কৰি পুৰণি কাকী, লাংকা, নগাঁও, গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা তেৰাঙৰ সৃষ্টিশীল সাহিত্যৰ অংকুৰণ ঘটিছিল শৈশৱতে। ইয়াৰ উমান পোৱা যায় লংকা হাইস্কুলত পঢ়ি থকা অৱস্থাত হাতে লিখা আলোচনী ৰেঙণিত প্ৰকাশিত 'গুড়িপৰুৱা' নামৰ গল্পটোৰ জড়িয়তে। পিছলৈ 'ৰংমিলিৰ হাঁহি' উপন্যাসৰ বাবে তেৰাঙৰ খ্যাতি উচ্চ শিখৰ পোৱা বুলিব পাৰি। অৱশ্যে গল্প সংকলন 'বন ফৰিঙৰ গীত' 'লাংছুলিএতৰ কাত্ৰুং', উপন্যাস 'নীলা অৰ্কিড', 'জাক হেৰোৱা পক্ষী', 'ক্ৰান্তিকালৰ অশ্ৰু', কাৰ্বি ভাষাৰ পৰিচয়মূলক ব্যাকৰণ, কাৰ্বি অসমীয়া অভিধান, 'শ্ৰীমদ্‌ভগৱদ্‌ গীতা' কাৰ্বিলৈ অনুবাদো তেখেতৰ অতি মূল্যবান সৃষ্টি। সৰ্বজন শ্ৰদ্ধেয় তথা বিশাল প্ৰতিভাৰ অধিকাৰী এইগৰাকী সহজ-সৰল সাহিত্যিক আজি অসম সাহিত্য সভাৰ সভাপতিৰ দৰে উচ্চ আসনত উপবিষ্ট হৈ পাহাৰৰ ৰাইজক গৌৰৱান্বিত কৰাৰ লগতে সমগ্ৰ অসমবাসীক উৎফুল্লিত কৰি তুলিছে। প্ৰতিগৰাকী ব্যক্তিয়েই আজি আশা প্ৰকাশ কৰিছে, ৰংবং তেৰাঙৰ নেতৃত্বত সাহিত্য সভাই বৌদ্ধিক বাতাৱৰণ সৃষ্টি কৰি পাহাৰ-ভৈয়ামৰ মিলনৰ দিশত ধাৱমান হোৱাৰ। সেয়ে আমিও প্ৰাক্তন ছাত্ৰী তথা গুণগ্ৰাহীৰ দৃষ্টিৰে আশা কৰো, তেৰাঙ ছাৰৰ দৰে পৰিচ্ছন্ন ব্যক্তিৰ পৰা এক নতুন চিন্তাৰ উন্মেষ।

পৰিশিষ্ট

জীৱনপঞ্জী

জন্ম : ১৯৩৭ চনৰ ১৩ জানুৱাৰী (পিতৃ-মাতৃৰ মতে)।
(১৯৪৪ চনৰ ৩১ ডিচেম্বৰ : স্কুল চাৰ্টিফিকেট মতে)

জন্মস্থান : লাংবুং দিংণি (বকলীয়াঘাট), কাৰ্বি আংলং।

পিতৃ : স্বৰ্গীয় ৰূপছিং তেৰাং

মাতৃ : স্বৰ্গীয় বা-ইক বংহাংপী

শিক্ষা জীৱন

প্ৰাথমিক শিক্ষা : পুৰণা কাকী লালুং গাঁও (প্ৰথম দুবছৰ), নগাঁও জিলা
লংকা লোকেল বৰ্ড প্ৰাইমাৰী স্কুল, নগাঁও জিলা

হাইস্কুলীয়া শিক্ষা : লংকা হাইস্কুল (১৯৫৮ চনলৈ)। স্কুলখনৰ পৰা মেট্ৰিক পৰীক্ষা দিয়া প্ৰথমটো শ্ৰেণীৰ ছাত্ৰ।

কলেজীয়া শিক্ষা : নগাঁও কলেজ (১৯৫৮-৬২ চনলৈ)। নগাঁও কলেজৰ পৰা অসমীয়া বিষয়ত অনাৰ্ছসহ বি এ পাছ কৰা প্ৰথম দুজন ছাত্ৰৰ ভিতৰত এজন।

স্নাতকোত্তৰ শিক্ষা : গুৱাহাটী বিশ্ববিদ্যালয় (১৯৬৪-৬৬)ৰ পৰা অসমীয়া বিষয়ত এম এ।

কৰ্ম জীৱন : শিক্ষকৰূপে এবা-এবাকৈ লংকা হাইস্কুল, কাকী হাইস্কুল, ডিফু [illegible] হাইস্কুলত শিক্ষকতা। অৱশেষত, ডিফু চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকৰূপে কৰ্ম জীৱন পাতনি। এই মহাবিদ্যালয়ৰ [illegible] অধ্যক্ষৰূপে ২০০২ চনৰ ৩০ নৱেম্বৰত অৱসৰ [illegible]।

সাহিত্যিক জীৱন : ১৯৫৭ চনত [illegible] লিখি [illegible]।



প্ৰকাশিত পুথি আৰু ৰচনা

১। কাৰ্বি লামকুৰু (কাৰ্বি ভাষাৰ পৰিচয়মূলক ব্যাকৰণ, ১৯৬৭)

২। মহাত্মা গান্ধী (কাৰ্বি ভাষালৈ অনূদিত পুথি, ১৯৬৯)

৩। কাৰ্বি লামতাছাম (কাৰ্বি-ইংৰাজী-অসমীয়া অভিধান, ১৯৭৪)

৪। কাৰ্বি কালাখা আকিতাপ (গণনা পুথি, ১৯৭৪)

৫। কাৰ্বি সাধু (প্ৰকাশক ঃ অসম সাহিত্য সভা, ১৯৭৭)

৬। কাৰ্বি অসমীয়া পাঠ (প্ৰকাশক ঃ অসম সাহিত্য সভা, ১৯৮১)

৭। কাৰ্বি সাহিত্য সংস্কৃতিত এভুমুকি (প্ৰকাশক ঃ অসম সাহিত্য সভা, ১৯৮২)

৮। ৰংমিলিৰ হাঁহি (উপন্যাস, প্ৰকাশক ঃ অসম প্ৰকাশন পৰিষদ, ১৯৮১)

৯। ক্ৰান্তিকালৰ অশ্ৰু (উপন্যাস, প্ৰকাশক ঃ চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০০৫)

১০। সমন্বয় প্ৰৱাহ (প্ৰবন্ধ সংকলন, প্ৰকাশক ঃ বংএ পাব্লিকেছন, ডিফু, ১৯৮৯)

১১। বন ফৰিঙৰ গীত (গল্প সংকলন, প্ৰকাশক ঃ শান্তি প্ৰকাশন, গুৱাহাটী, ১৯৯০)

১২। শ্ৰীমদভগৱদ্ গীতা (কাৰ্বি ভাষালৈ অনুবাদ, প্ৰকাশক ঃ গীতা মহোৎসৱ সমিতি, ডিফু, ১৯৮৬

১৩। স্মৃতিৰ পাপৰি (পত্নীৰ স্মৃতিত প্ৰকাশিত, ১৯৯৮)

১৪। নীলা অৰ্কিড (উপন্যাসিকাৰ সংকলন,'প্ৰকাশক ঃ আংগিক প্ৰকাশন, গুৱাহাটী, ২০০১)

১৫। দলা আলুন (সম্পাদনা, ২০০২)

১৬। জাক হেৰোৱা পক্ষী (উপন্যাস, প্ৰকাশক ঃ বনলতা, গুৱাহাটী, ২০০৫)

১৭। লাংছ'লিএতৰ কাক্ৰুং (গল্প সংকলন, প্ৰকাশক ঃ বনলতা, গুৱাহাটী, ২০০৭)

১৮। মিৰ্বিন (উপন্যাস, প্ৰকাশক ঃ বনলতা, গুৱাহাটী, ২০০৯)

১৯। ৰংবং তেৰাঙৰ নিৰ্বাচিত উপন্যাস সংকলন (প্ৰকাশক ঃ ডিফু সাহিত্য সভা, ২০০৯)

২০। মোৰ জন্ম হোৱাটো অন্ততঃ সঁচা (আত্মকথা, প্ৰকাশক ঃ আঁক-বাক, গুৱাহাটী, ২০০৯)

আলোচনীৰ পাতত থকা উপন্যাস ঃ

১। ডিফু হ'ল তোমাৰে নাম

২। টিকক জুৰিৰ ছাখিনা

৩। জুমতলীৰ পৰশ

৪। কেঁচা মাটিৰ পৰশ

৫। অপৰাহ্নৰ গীত

৬। অৰণ্যৰ প্ৰেম



বঁটা আৰু সন্মান

১। ১৯৮২ চনত 'ৰংমিলিৰ হাঁহি' উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা।

২। ১৯৮৩ চনত 'ৰংমিলিৰ হাঁহি' উপন্যাসৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা।

৩। ১৯৮৯ চনত ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান।

৪। ২০০১ চনত অসম সাহিত্য সভাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত।

৫। ২০০৮ চনত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা।

৬। ২০০৮ চনত অসম সাহিত্য সভাৰ বাসুদেৱ জালান বঁটা।

৭। ২০০৮ চনত অসম সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত। ২০০৯ চনৰ ফেব্ৰুৱাৰী মাহত সাহিত্য সভাৰ ধেমাজি অধিৱেশনত সভাপতিত্ব।

৮। ২০০৮ চনত জীৱনজোৰা সাহিত্য সাধনাৰ বাবে অসম উপত্যকা সাহিত্য বঁটা।

ভাষণ- ১

১৯৮২ চনৰ অসম প্ৰকাশন পৰিষদৰ বঁটা গ্ৰহণ কৰি দিয়া ভাষণ

দিনাংক ঃ ৮ জানুৱাৰী, ১৯৮৪

স্থান ঃ ডিফু চৰকাৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহ

অসম প্ৰকাশন পৰিষদৰ সাহিত্য বঁটা প্ৰদান অনুষ্ঠানৰ পৰম শ্ৰদ্ধেয় সভাপতিদেৱ, শ্ৰদ্ধেয় উদ্বোধক মহোদয়, অনুষ্ঠানৰ মুখ্য অতিথিসহ সন্মানিত বিশিষ্ট অতিথিসকল, অসমৰ সাহিত্য-সংস্কৃতিৰ মহান সাধকসকল, শ্ৰদ্ধাভাজন ডিফু চহৰৰ নাগৰিকসকল, পৰম শ্ৰদ্ধেয়া আইমাতৃসকল আৰু ছাত্ৰ-ছাত্ৰীসকল। জয় জয়তে নতুন বছৰৰ সুবাসেৰে আপোনাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কাৰ্দম আগবঢ়াইছোঁ।

যি মহৎ আয়োজনেৰে আজি অসম প্ৰকাশন পৰিষদৰ সাহিত্য বঁটা প্ৰদান কৰিছেহি, এনে মহৎ সাহিত্য বঁটা পোৱাৰ যোগ্যতা মোৰ মুঠেই নাই। কিয়নো, মই এজন অসমীয়া ভাষা-সাহিত্যৰ সাধাৰণ সেৱকৰ বাহিৰে, অসমীয়া সাহিত্যলৈ মোৰ অৰিহণা অতি নগণ্য। সেইবাবেই, এনে দুৰ্লভ সাহিত্য বঁটা মোলৈ আগবঢ়োৱাত মই সঁচাকৈয়ে কিছু লজ্জিত।

'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ বাবে অসম সাহিত্য সভাৰ সৰ্বোত্তম সাহিত্য বঁটা 'কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা বঁটা' মোলৈ আগবঢ়োৱাৰ পাছত, সেই একেখনি গ্ৰন্থৰ বাবে অসম প্ৰকাশন পৰিষদৰ বছৰৰ শ্ৰেষ্ঠ সাহিত্য বঁটা আগবঢ়াইছে। এনে ঘটনাপ্ৰৱাহৰ বাবে মই অতিকৈ অপ্ৰস্তুত আৰু সেইবাবেই মোৰ জীৱনকালৰ এক অবিশ্বাস্য ঘটনাৰূপে মোৰ মানসপটত অংকিত হৈ ৰ'ব।

প্ৰবহমান কলং-কপিলীৰ পলসেৰে গঢ় লোৱা কাৰ্বি জনগোষ্ঠীৰ জীৱন-চেতনাৰ ইতিহাসক, অসমৰ মূলসুঁতিৰে সৈতে পৰিচয় ঘটাবলৈ মোৰ সীমিত সাহিত্য জ্ঞানেৰে 'ৰংমিলিৰ হাঁহি'ত প্ৰকাশ কৰিবলৈ যত্ন কৰিছিলো। কাৰ্বি আংলঙৰ বিস্তীৰ্ণ পাহাৰৰ ঝুমতলী আৰু কলং-কপিলী-যমুনা-বৰাপানীৰ দুয়োপাৰৰ পলসভৰা মাটিত মই বিচাৰি পাইছিলো আইতা আৰু ককাদেউতাহঁতৰ মাটিৰ গোন্ধ। ইয়াৰ মাটি, পানী, আকাশ-বতাহত অনুভৱ কৰিছিলো— হাঙৰ বেদনা-মধুৰ কৰুণ নিৰ্যাস, ৰাংছিনা ছাৰ্প'ৰ ধ্ৰুপদী সুৰীয়া গীতৰ মূৰ্চ্ছনা, কাছেন ককাৰ অমৃতস্পৰ্শী কাৰ্বি জীৱনৰ ধ্যান-ধাৰণা আৰু অনুভৱ কৰিছিলো বাল্মীকিৰ মহাকাব্যিক ভাৰতীয় ৰাম-সীতাক কাৰ্বি-ছাবিনৰ দৃষ্টিৰে সৃষ্ট নতুন ৰাম আৰু সীতাৰ কাহিনীক। মধ্য অসমৰ প্ৰকৃতিৰ বিভিন্ন সত্তাত উদ্ভাসিত হৈ দেখা দিছিল— আৰলেংসকলৰ মানবীয় সংগ্ৰামৰ দৰদ আৰু প্ৰভাতী দিনৰ নতুন স্বপ্ন। এইবোৰে মোৰ অনুভূতিক

ভাৱাক্রান্ত কৰি তুলিছিল আৰু 'ৰংমিলিৰ হাঁহি'ৰ পাতত ৰূপ দিবলৈ যাওঁতে, মোৰ দুচকুক সেমেকাই তুলিছিল, হাতৰ কলমৰ গতি ৰুদ্ধ হৈ পৰিছিল— অজানিত বেদনা আৰু আনন্দত।

অনুক্ত আৰ্‌লেংসকলৰ জীৱন-সংগ্রামক উপন্যাসখনত ৰূপ দিবলৈ যাওঁতে, অসমৰ মাটি আৰু মানুহৰ সমন্বয়ৰ এক জীয়া ইতিহাসৰ কথা সততে মই উপলব্ধি কৰিছিলো। প্রাগ্-ঐতিহাসিক যুগৰে পৰা গঢ় লোৱা অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সমন্বয়ৰ ঐতিহাসিক সাক্ষ্য বহনকাৰী, আমিয়েই বুলি মোৰ প্রত্যয় হৈছিল। সমন্বয়ৰ এই প্রক্রিয়া আজিকোপতি সক্রিয় হৈ পৰা হেতুকে, অসমৰ সমাজ আৰু সংস্কৃতি যিদৰে বৈচিত্র্যময়, সেইদৰে অসমীয়া সাহিত্যও বৰ্ণাঢ্য আৰু চিৰনতুন। অসমীয়া সাহিত্য বৈচিত্র্যময় এই কাৰণেই যে ইয়াত সোৱণশিৰিৰ ৰূপ আছে, নগা পাহাৰৰ বিচিত্র জীৱনৰ স্পন্দন আছে; সেইদৰে প্রকাশি উঠিছে মেঘালয়ৰ খাছিয়া জনগোষ্ঠীৰ নংক্রেম নৃত্যৰ ছন্দেৰে ছন্দায়িত ৰূপকথা। অৰুণাচলৰ মাটিৰ স্পৰ্শই অসমীয়া সাহিত্যক যিদৰে উদ্ভাসিত কৰি তুলিছে, সেইদৰে চিক্ল'-আৰ্‌নিৰ পোহৰেৰে উজ্জ্বল হৈ ধৰা দিবলৈ, কাৰ্বি জনজীৱনৰ বৈচিত্র্যময় ছন্দক অসমীয়া সাহিত্যত গাঁথি থ'বৰ প্রয়াস গ্রন্থখনত কৰা হৈছে। সমন্বয়ৰ ইতিহাসক উপন্যাসৰ মাজেৰে ৰূপ দিছিল ৰজনীকান্ত বৰদলৈয়ে 'মিৰি জীয়ৰী'ত আৰু আমাৰ জীৱনকালতেই অসমীয়া সাহিত্যক মহীয়ান ৰূপত উত্তৰণ ঘটালে বীৰেন্দ্র কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'-এ। এইখিনিতে সুঁৱৰিছোঁ কথা-সাহিত্যিক মেদিনী চৌধুৰী, অৰুণাচলৰ আদি জনগোষ্ঠীৰ লেখক লুম্মেৰ দাই, ছেৰ্‌দুক্‌পেনৰ উদীয়মান লেখক য়েছে দৰ্‌জে ঠংচি আৰু বহু শিল্পী-সাহিত্যিকক। লগে লগে সুঁৱৰিছোঁ, অসম প্রকাশন পৰিষদৰ প্রথম বঁটা বিজয়ী 'সেন্দূৰ'ৰ লেখক ড° ভবেন্দ্রনাথ শইকীয়াকে প্রমুখ্য কৰি পৰিষদৰ সপ্তম বঁটা বিজয়ী কথা-সাহিত্যিক অধ্যাপক মহিম বৰাদেৱক।

অসমীয়া সাহিত্যৰ কথা ভবাৰ লগে লগে মনলৈ আহে অসম দেশখনৰ কথা, ইয়াৰ মাটি আৰু মানুহৰ কথা। বৃহৎ অসমখন এতিয়া সাতভনীলৈ ৰূপান্তৰিত হৈ উত্তৰ-পূৰ্বাঞ্চল নামটোৰেই আমাৰ বিশাল ভাবমূৰ্তিক পৰিচয় দিবলৈ ধৰিছোঁ। বহু ভাষা আৰু উপ-ভাষাৰে পৰিপূৰ্ণ এই অঞ্চলৰ সৃজনীশীল সাহিত্যিকসকলে বিভিন্ন কাৰণত সংঘাতৰ সন্মুখীন হোৱাও দেখিছোঁ। জনজাতীয় লেখকসকলৰ বেলিকা এনে সংঘাত কিছু তীব্রধৰণৰ। এইক্ষেত্রত চন্দ্রকুমাৰ আগৰৱালা, জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভা— এই মহান সাধক-স্রষ্টাসকলে আমাৰ বাবে শাৰদীয় পথৰ নিৰ্দেশ দি গৈছে। জনজাতীয় ভাষা-সাহিত্যৰ প্রতি শ্রদ্ধা ৰাখিও আমাৰ প্রতীতিক অসমীয়া সাহিত্যৰ সহায়ত বিশাল বিশ্বৰ মানৱ আয়তনলৈ উত্তৰণ ঘটাব পাৰি। মোৰ বিশ্বাস, লুইতৰ মাজেদিহে আমি মহাসাগৰৰ সান্নিধ্য লাভ কৰিব পাৰিম। এই বাস্তৱ সত্যক ইচ্ছাকৃতভাৱে অস্বীকাৰ কৰিলে, উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত আমাৰ প্রতীতিক উদ্বুদ্ধ কৰাত সহায়ক নহ'ব বুলিয়েই মোৰ ধাৰণা।

গভীৰ দুখেৰে সৈতে লক্ষ্য কৰিছোঁ— অসমৰ এই সাংস্কৃতিক সমন্বয়ৰ মহীয়ান ৰূপক দেখিও নেদেখা, বুজিও নুবুজাৰ কাৰণেই আজিৰ অসমখন ভাগি-ছিগি যাবলৈ ধৰিছে। ৰাজনৈতিক স্বাৰ্থৰ মোহত পৰি, অসমৰ মাটি আৰু মানুহক পৃথক কৰিবলৈ অস্ত্রোপচাৰ কৰিছোঁ, কিন্তু মানৱ সংমিশ্রণৰ শাশ্বত গতিক ৰুদ্ধ কৰিব পাৰিম জানো? সাহিত্য-সংস্কৃতিৰ এই অদেহী সত্তাক গিৰিৰাজ হিমালয়, পাটকাই পৰ্বতৰ দুৰ্গম অৰণ্যাঞ্চল, আনকি সাগৰৰ সীমাহীন জলৰাশিয়েও ৰুদ্ধ কৰিবলৈ সক্ষম নহ'ল আৰু আগলৈকো সম্ভৱ নহ'ব বুলিয়েই মোৰ বিশ্বাস। মই অনুভৱ কৰোঁ, সমগ্র উত্তৰ-পূৰ্বাঞ্চলৰ

এই সহজ মানুহৰ জীৱন-সংঘাতৰ কাহিনীক শিল্পী-সাহিত্যিকসকলে সৃজনীশীল দৃষ্টিৰে বিশ্বমানৱৰ কাষলৈ নিয়াৰ মহৎ দায়িত্ব গ্ৰহণ কৰিব পাৰে। এনে দৃষ্টিৰে আগবাঢ়িব পাৰিলে অসমীয়া সাহিত্য বিশাল আৰু মহত্ত্বপূৰ্ণ হৈ বিশ্ব সাহিত্যত ভাস্বৰ ৰূপত উজলি উঠিব।

আমাৰ অতি চেনেহৰ লুইতখন উত্তৰ-পূৰ্বাঞ্চলৰ মানৱ সংস্কৃতিৰ উত্তৰণৰ প্ৰতীকস্বৰূপ। এই মহানদৰ দুয়োপাৰৰ হেজাৰ বছৰীয়া সংস্কৃতিৰে উদ্বুদ্ধ মানৱৰ হিয়াত জ্বলি উঠা হিংসা আৰু ঘৃণাৰ জুইকুৰাই যি ধ্বংসস্তূপৰ সৃষ্টি কৰিলে, অসমৰ বুৰঞ্জীত এই কৰুণ মানৱ ট্ৰেজেদি অতি বেদনাদায়ক হৈ প্ৰকাশি উঠিছে। আশা ৰাখিছোঁ, এই ভুলে বিবেকশীল অসম সন্তানক নতুন আলোকৰ সন্ধান দিব আৰু সাহিত্য-সংস্কৃতিৰ গাঁথনিৰে সমন্বয়ৰ সাঁকোক গাঁথি মানৱ উত্তৰণৰ পথ সুগম কৰি তুলিব।

সাহিত্য-সংস্কৃতিয়ে আমাৰ আত্মিক সংযোগ ঘটাব পাৰে— এই প্ৰত্যয় 'ৰংমিলিৰ হাঁহি'য়ে মোৰ মনলৈ আজি আনি দিলে। এইখিনিতে এজন সহৃদয় পাঠকৰ আক্ষেপৰ কথা স্মৰণ কৰিলো— 'মই কিন্তু হেমাইক ডাঙৰ নকৰাকৈ উপন্যাসখন শেষ হ'ব বুলি ভবা নাছিলো।' 'প্ৰকাশ' আলোচনীৰ পাঠকৰ মনলৈ এনে আক্ষেপ আহিবলৈ বাধ্য হোৱাত মই দুঃখিত। আজি পৰিষদৰ বঁটা গ্ৰহণ কৰি সেই অচিনাকি পাঠকজনৰ মৰম আৰু আৱেগভৰা সাৱধানবাণীলৈ মনত পৰি ময়ো কিছু অনুশোচনা কৰিবলৈ বাধ্য হৈছোঁ, এখন উপন্যাস লিখি 'গো-বেচেৰা' হৈ বহি থাকিলে নহ'ব' বোলা কথাষাৰ কিছু হ'লেও সত্যত পৰিণত হোৱা দেখি।

যি কি নহওক, আঁজি মই আনন্দত অভিভূত হৈছোঁ এই বাবেই যে 'ৰংমিলিৰ হাঁহি'ৰ ছাৰইক, হেমাই, অম্ফু আৰু বহুতো চৰিত্ৰই বহল অসমীয়া সমাজৰ হৃদয়ত আপোন চিনাকি দিবগৈ পাৰিছে। সেইদৰে— 'একটি ৰসোত্তীৰ্ণ নিটোল উপন্যাস লিখেছেন কাৰ্বি আংলং জেলার রংমিলি গ্রামকে কেন্দ্র করে। এখানে আসামের পার্বত্য জেলাটির প্রাক্‌স্বাধীনতা যুগের জনজীৱনে সুখ-দুখ, আশা-আকাংক্ষা, প্রেম-বিষণ্ণতা এখানে মূর্ত হয়ে উঠেছে।' বুলি 'দেশ' আলোচনীৰ পাঠকৰ হৃদয়তো স্পৰ্শ কৰা বাবে। আৰ্‌লেংসকলৰ প্ৰাণৰ সুৰক উপন্যাসখনে কঢ়িয়াই নিবলৈ পোৱাৰ মূলতে অসম প্ৰকাশন পৰিষদ। কাৰ্বি জনজীৱনৰ পটভূমিত লেখা এই কাহিনীক পৰিষদে গ্ৰহণ কৰি এক মহৎ জাতীয় দায়িত্ব নিশ্চয় পালন কৰিলে। 'জন্মান্তৰ'ৰ লেখক, পৰিষদৰ সচিব শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াই, অসমৰ মূলসুঁতিৰ লগত কাৰ্বি জনগোষ্ঠীৰ আত্মিক সংযোগ ঘটোৱাৰ মহৎ প্ৰচেষ্টাক সফল কৰি তোলাত, তেখেতলৈ মোৰ আন্তৰিক 'কাৰ্দম' জনাইছোঁ। 'অসম প্ৰকাশন পৰিষদৰ সাহিত্য বঁটা গ্ৰহণ কৰি ভাবিবলৈ বাধ্য হৈছোঁ— এই বঁটাৰ প্ৰাপ্য মোৰ জানো? 'ৰংমিলিৰ হাঁহি'ৰ ছবিবোৰ কাৰ্বি আংলংবাসী কাৰ্বি ৰাইজৰ ছবিহে। সেইবাবেই এই সন্মান আচলতে কাৰ্বি ৰাইজৰহে। এনে মহৎ সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান ডিফু চহৰত অনুষ্ঠিত কৰাৰ তাৎপৰ্যও সেইখিনিতেই বুলি মই ভাবোঁ। কাৰ্বি আংলঙৰ ৰাইজৰ আশীৰ্বাদসহ পৰিষদৰ বঁটা গ্ৰহণ কৰি অসম প্ৰকাশন পৰিষদলৈ আগবঢ়াইছোঁ অজস্ৰ কাৰ্দম, লগতে জনাইছোঁ অসমৰ ৰাইজলৈ মোৰ ভক্তিপূৰ্ণ শ্ৰদ্ধা।

ভাষণ- ২

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ বঁটা গ্ৰহণ কৰি দিয়া ভাষণ

দিনাংক ঃ ৬ মে', ২০০৮

স্থান ঃ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, পাঞ্জাবাৰী, গুৱাহাটী

সমাজসেৱী সংগঠন 'সদিচ্ছা'ৰ দ্বাৰা আয়োজিত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ বঁটা প্ৰদান অনুষ্ঠানৰ পৰম শ্ৰদ্ধেয় সভাপতিদেৱ, বঁটা প্ৰদানৰ মুখ্য অতিথি অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়, সন্মানিত বিশিষ্ট অতিথিসকল, বিহপুৰীয়াৰ সাহিত্য-সংস্কৃতিৰ মহান সাধকসকল, সমৱেত ভক্তপ্ৰাণ বাপসকল, পৰম শ্ৰদ্ধেয়া আইসকল, গুৱাহাটী চহৰৰ বিশিষ্ট ব্যক্তিসকল আৰু অসমৰ নৱচেতনাৰে জাগ্ৰত ছাত্ৰ-ছাত্ৰীসকল। জয়জয়তে কাৰ্বি আংলঙৰ কৰ্দৈসিৰীয়া পাহাৰৰ মাটিৰ সুবাসেৰে আপোনাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কাৰ্দম আগবঢ়াইছোঁ।

যি মহৎ আয়োজনেৰে আজি 'সদিচ্ছা'ই মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ বঁটা প্ৰদান কৰিলে, এনে মহৎ বঁটাপ্ৰাপ্তিৰ যোগ্যতা মোৰ মুঠেই নাই। কিয়নো, মই অসমীয়া ভাষা-সাহিত্যৰ এজন সাধাৰণ সেৱকহে। অসমীয়া সাহিত্যলৈ মোৰ অৰিহণা অতি নগণ্য। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ যি মহান গুণ, সেই গুণবোৰৰ এধানিও মোৰ দ্বাৰা সৃষ্ট সাহিত্য আৰু চিন্তাধাৰাত প্ৰকাশ ঘটিছে বুলি মই নাভাবো। অথচ 'সদিচ্ছা'ৰ বৌদ্ধিক-আধ্যাত্মিক সমাজে ২০০৮ চনৰ বাবে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ বঁটা মোলৈ আগবঢ়োৱাত মই অভিভূত।

প্ৰৱহমান কলং-কপিলীৰ পলসেৰে গঢ় লোৱা কাৰ্বি জনগোষ্ঠীৰ জীৱন চেতনাৰ ইতিহাসক অসমৰ মূলসুঁতিৰে সৈতে পৰিচয় ঘটাবলৈ মোৰ সীমিত সাহিত্যজ্ঞানেৰে লিখি প্ৰকাশ কৰিবলৈ যত্ন কৰি আহিছোঁ। কাৰ্বি আংলঙৰ বিস্তীৰ্ণ পাহাৰৰ আৰু কলং-কপিলী-যমুনা-বৰপানীৰ দুয়ো পাৰৰ পলসভৰা মাটিত মই বিচাৰি পাইছোঁ, অসমৰ মানুহৰ সমন্বয়ৰ ৰূপটোক। মাধৱ কন্দলিৰ মহাকাব্যিক ৰাম-সীতাক 'ছাবিন আলুন'ৰ সুৰেৰে, ছন্দেৰে কাৰ্বি জীৱনধাৰাত উদ্ভাসিত কৰি তোলাৰ লগতে ভাৰতীয় জীৱনপ্ৰৱাহৰ সৈতেও একীভূত কৰি তুলিছিল কলং-কপিলীৰ স্পৰ্শই।

কলং-কপিলীত প্ৰৱাহিত অসমৰ এই ভূখণ্ড অসমৰ হৃদ্‌পিণ্ডস্বৰূপ। সেই ভূখণ্ডতেই অসমৰ জাতীয় জীৱনৰ আধ্যাত্মিক-সাংস্কৃতিক বুনিয়াদ ৰচিত হৈছিল বুলি ক'লে নিশ্চয় ভুল কোৱা নহ'ব। বাল্মিকী ৰামায়ণৰ অনুবাদেৰে আধুনিক অসমীয়া সাহিত্য সেই মাটিতেই অংকুৰিত হৈছিল। সেই মাটিতেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ ঘটি অসমীয়া জাতিৰ ধৰ্মীয় ঐক্য, সমাজৰ

সমন্বয়-সম্প্ৰীতিৰ ভেটি তেৰাই ৰচনা কৰি থৈ গৈছিল। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দৃষ্টিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টিৰ আকৰ আৰু লগতে অসমৰ গুৰু আৰু অসমীয়াৰো প্ৰাণ। সেইজনা মহান গুৰুৰ প্ৰধান শিষ্য মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱেও বগুকাৰ পৰা বেহাৰলৈ সমানেই জাতীয় ঐক্য সাধনত অৰিহণা দি থৈ গৈছিল।

সেইজনা মহান শিষ্য মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ নামেৰে প্ৰদান কৰা বঁটা গ্ৰহণ কৰি অনুভৱ কৰিছোঁ, অসমৰ সাংস্কৃতিক সমন্বয়ৰ কথা। সমন্বয়ৰ এই মহীয়ান ৰূপক দেখিও নেদেখা, বুজিও নুবুজাৰ কাৰণে আজি অসমখন ভাগি-ছিগি যাব ধৰিছে। অসমৰ মাটি আৰু মানুহক পৃথক কৰিবলৈ আজি আমি উঠি-পৰি লাগিছোঁ, কিন্তু মানৱ সংমিশ্ৰণৰ শাশ্বত গতিক ৰুদ্ধ কৰিব পাৰিম জানো? গুৰু-শিষ্যৰ মানৱ প্ৰেমৰ মহান আদৰ্শৰ কথাবোৰ পাহৰি, হিংসা আৰু ঘৃণাৰ জুইকুৰাৰে মোৱামৰীয়া মানৰ সময়ৰ দৰে অসমক ধ্বংসস্তূপলৈ পৰিণত কৰিব বিচাৰিছোঁ। স্বৰাজোত্তৰ কালৰ আমাৰ ইতিহাসত এই মানৱ ট্ৰেজেডি অতি বেদনাদায়ক। আশা কৰিছোঁ, বিবেকশীল অসম সন্তানে গুৰু-শিষ্যৰ মহামিলনৰ আলোকৰ পথেৰে সমন্বয়ৰ সাঁকো গঢ়ি আমাৰ দেশখনৰ উত্তৰণৰ পথ সুগম কৰি তুলিব।

'সদিচ্ছা'ৰ দ্বাৰা প্ৰদান কৰা মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ বঁটা গ্ৰহণ কৰি মনলৈ প্ৰশ্ন আহিছে— এই বঁটা মোৰ প্ৰাপ্য জানো? আচলতে এই বঁটা কাৰ্বি আংলঙৰ ৰাইজৰহে। কিয়নো, কাৰ্বি আলংঙৰ মাটিত সমন্বয়ৰ জীয়া ছবি আগতেও আছিল, আজিও দেখিছোঁ। অসমৰ ৰাইজৰ আশীৰ্বাদৰূপে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ বঁটা গ্ৰহণ কৰি, সমূহ ৰাইজলৈ অজস্ৰ কাৰ্দম আগবঢ়ালো মহাপুৰুষজনাৰ অমৰ 'নামঘোষা'ৰ এফাঁকি পদেৰে—

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।

নমস্কাৰ।
অসমৰ ৰাইজলৈ নমস্কাৰ।
বিহপুৰীয়াৰ সমাজসেৱী সংগঠন 'সদিচ্ছা'লৈ কাৰ্দম।

‘ৰংমিলিৰ হাঁহি’ আৰু শ্ৰীৰংবং তেৰাং

অসম সাহিত্য সভাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা
প্ৰদান অনুষ্ঠানত প্ৰকাশ কৰা প্ৰশংসনপত্ৰ

দিনাংক ঃ ২০ জুন, ১৯৮৩
বঁটা প্ৰদানৰ স্থান ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী

‘ৰংমিলিৰ হাঁহি’ অধ্যাপক শ্ৰীৰংবং তেৰাঙৰ প্ৰথম আৰু সাৰ্থক উপন্যাস। কাৰ্বি আংলঙৰ এখনি সৰু গাঁও ‘ৰংমিলি’ৰ জীৱনৰ আধাৰত ঔপন্যাসিকে কাৰ্বি জনজীৱনৰ সুখ-দুখ আৰু আশা-আকাংক্ষাৰ বৰ্ণাঢ্য ছবি দক্ষ হাতেৰে আঁকি উলিয়াইছে। কাৰ্বি আংলঙৰ নৈসৰ্গিক প্ৰকৃতিৰ প্ৰাণময় পটভূমিত প্ৰতিটো চৰিত্ৰ জীৱন্ত হৈ যেন ৰংমিলিৰ পৰিধি ভাঙি বিচৰণ কৰিছে। কাৰ্বি-অসমীয়া জনজীৱনে ‘ৰংমিলিৰ হাঁহি’ত লাভ কৰিছে মহাকাব্যিক স্পৰ্শ। এই উপন্যাসখনিয়ে অসমীয়া উপন্যাস সাহিত্যৰ আয়তন বৃদ্ধি কৰিছে আৰু অসমীয়া শ্ৰেষ্ঠ উপন্যাসকেইখনৰ লগত নিজৰ স্থান উলিয়াই ল'বলৈ সক্ষম হৈছে।

শ্ৰীতেৰাঙে অসমীয়া সাহিত্যৰ ভঁৰালত অসমৰ কাৰ্বি সমাজ-সম্বলিত কাহিনীমূলক সাহিত্যৰ অভাৱ অনুভৱ কৰি আহিছিল আৰু তাৰবাবে বেদনাও অনুভৱ কৰিছিল। তেখেতে লিখিছে, ‘বেদনাৰ তীব্ৰতাই মোক উপন্যাসখন লেখাৰ প্ৰেৰণা দিছিল আৰু ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ‘ইয়াৰুইংগম’ আৰু লুম্মেৰ দাইৰ ‘পৃথিৱীৰ হাঁহি’ত প্ৰকাশিত জনজীৱনৰ কাহিনীয়ে বেদনাৰ বাস্তৱ ৰূপায়ণত মোক অভূতপূৰ্ব প্ৰেৰণা যোগাইছিল।’

উপন্যাসখনৰ প্ৰসংগত শ্ৰীতেৰাঙে কৈছে, ‘অসমৰ সমসাময়িক পৰিস্থিতিয়েও উপন্যাসখন লেখাৰ প্ৰেৰণা দিছিল। ক্ৰমান্বয়ে ফাট মেলিব ধৰা অসমৰ পাহাৰ আৰু ভৈয়ামৰ সম্প্ৰীতিক সাহিত্য-সংস্কৃতিয়ে ব্ৰহ্মপুত্ৰৰ জলধাৰাৰ দৰেই একেটি ৰূপত প্ৰবাহিত কৰি ৰাখিব পাৰে— এই শাশ্বত সত্যৰ উপলব্ধিয়ে ‘ৰংমিলিৰ হাঁহি’ৰ সৃষ্টিত গভীৰ প্ৰেৰণাৰ সঞ্চাৰ কৰিছিল।’ শ্ৰীৰংবং তেৰাঙৰ মাজৰ সৃষ্টিশীল মনটোৱে নগাঁৱৰ লংকা হাইস্কুলত পঢ়ি থকা অৱস্থাতেই হাইস্কুলৰ হাতেলিখা আলোচনীৰ মাজেদি আত্মপ্ৰকাশ কৰিছিল। সেই প্ৰথম ৰচনাৰ নাম আছিল ‘গুড়িপৰুৱা’। লেখক তেৰাঙে ৰাজহুৱাভাৱে আত্মপ্ৰকাশ কৰিলে ১৯৬৫ চনত, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত ‘সাদিনীয়া নৱযুগ’ৰ পাতত। তেখেতৰ সেই ৰচনা আছিল ‘প্ৰেতাত্মা’ নামৰ এটি চুটিগল্প।

অসমীয়া ভাষা-সাহিত্যৰ অধ্যাপক শ্ৰীতেৰাঙে এহাতে অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধি সাধনত

আৰু আনহাতে কাৰ্বি ভাষাৰ ভেটি সুদৃঢ় কৰি তোলাত সমান গুৰুত্বৰে তেখেতৰ বৰঙণি যোগাই আহিছে। শ্ৰীলংকাম টেৰণৰ সহযোগত ৰচনা কৰা কাৰ্বি ভাষাৰ ব্যাকৰণ, 'কাৰ্বি লামকুৰু' আৰু শ্ৰীতেৰাঙে অকলশৰীয়া প্ৰচেষ্টাৰে প্ৰণয়ন কৰা কাৰ্বি ভাষাৰ প্ৰথম অভিধান 'কাৰ্বি লাম তাছাম' এই দুয়োখন গ্ৰন্থই কাৰ্বি ভাষাৰ প্ৰতিষ্ঠাত বিশেষ অৰিহণা যোগাইছে। ইয়াৰ উপৰিও 'কাৰ্বি কালাখা আকিতাপ' নামৰ কাৰ্বি ধাৰাপাঠ আৰু কাৰ্বি ভাষাত ৰচিত মহাত্মা গান্ধীৰ জীৱনীৰ নামো উল্লেখযোগ্য। অসমীয়া ভাষাত লিখি উলিওৱা 'কাৰ্বি সাধু' আৰু 'কাৰ্বি সাহিত্য সংস্কৃতিৰ এভুমুকি' অসম সাহিত্য সভাই ইতিপূৰ্বে প্ৰকাশ কৰি উলিয়াইছে। ইয়াৰ উপৰি অনা-কাৰ্বিসকলৰ নিমিত্তে কাৰ্বি ভাষা শিকিবলৈ অসম সাহিত্য সভাৰ অনুৰোধ অনুসৰি তেখেতে প্ৰণয়ন কৰা 'কাৰ্বি অসমীয়া পাঠ' সভাই প্ৰকাশ কৰি উলিয়াইছে। শ্ৰীতেৰাঙে 'কিদ'ৰ গাঁথি' নামৰ এটি চুটি গল্প সংকলনো প্ৰকাশৰ বাবে সম্পূৰ্ণ কৰি তুলিছে।

শ্ৰীৰংবং তেৰাঙে জন্ম গ্ৰহণ কৰে ১৯৩৭ চনৰ মাঘ বিহুৰ উৰুকাৰ পুৱতি নিশা কাৰ্বি আংলং জিলাৰ বকলীয়া ঘাটৰ এৰাগাঁও অঞ্চলৰ 'লাংবুং দিংপি'ত। তেখেতৰ পিতৃ শ্ৰীৰূপছিং তেৰাং (বিন্হুম) আৰু তেখেতৰ মাতৃ আছিল লংনিত নৈৰ পাৰৰ ছাম ৰংহাঙৰ জীয়ৰী স্বৰ্গীয় বা-ইক ৰংহাংপী। বন বিভাগৰ কৰ্মচাৰী দেউতাকৰ লগত ভৈয়ামৰ বিভিন্ন ঠাইত ঘূৰি-ফুৰা শ্ৰীৰংবং তেৰাঙৰ প্ৰথম শিক্ষা আৰম্ভ হয় নগাঁও জিলাৰ কাকী লালুং গাঁৱৰ প্ৰাইমাৰী স্কুলত। দেউতাক লংকালৈ বদলি হোৱাত শ্ৰীতেৰাঙো ১৯৪৫ চনত লংকা নিম্ন প্ৰাইমেৰী স্কুলত ভৰ্তি হয়। হাইস্কুলীয়া জীৱনো লংকাতেই পাৰ কৰি ১৯৫৮ চনত লংকা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ নগাঁও মহাবিদ্যালয়ত ভৰ্তি হয় আৰু ১৯৬৩ চনত অসমীয়া বিভাগত সন্মানসহ তেখেতে গুবাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক উপাধি লাভ কৰে। শ্ৰীতেৰাঙে ১৯৬৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতকোত্তৰ উপাধি লাভ কৰে।

প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাদিনৰে পৰা এবা-ধৰাকৈ কাকী হাইস্কুলত শিক্ষকতা কৰা শ্ৰীতেৰাঙে স্নাতকোত্তৰ উপাধি লাভ কৰাৰ পিচত ডিফু ছোৱালী হাইস্কুলত কিছুদিন শিক্ষকতা কৰে। পিচত ১৯৬৭ চনৰ পৰা ডিফু চৰকাৰী মহাবিদ্যালয়ত অসমীয়া ভাষা-সাহিত্যৰ অধ্যাপনা কৰি আহিছে।

অধ্যাপক শ্ৰীৰংবং তেৰাং ডিফুৰ স্থানীয় আৰু সমগ্ৰ অসমৰো সাহিত্য-সংস্কৃতিৰ অনুষ্ঠানৰ লগত গভীৰভাৱে জড়িত। অসম সাহিত্য সভাৰ ডিফু শাখাৰ লগত জড়িত হৈ থকাৰ উপৰিও সভাৰ মূল কাৰ্যনিৰ্বাহক সমিতিৰ লগতো তেখেত ঘনিষ্ঠভাৱে জড়িত।

তেখেত 'কাৰ্বি লামেত আমেই'ৰো প্ৰতিষ্ঠাপক সম্পাদক। অসম সাহিত্য সভাৰ উনপঞ্চাশৎ ডিফু অধিৱেশনৰ এগৰাকী সক্ৰিয় উদ্যোক্তা শ্ৰীতেৰাং আছিল 'ৰজাৰু আহিৰ' নামৰ মূল্যৱান স্মৃতি গ্ৰন্থখনিৰো সম্পাদক। এইগৰাকী ভাষা-সাহিত্যৰ একনিষ্ঠ সাধক শ্ৰীৰংবং তেৰাঙক তেখেতৰ 'ৰংমিলিৰ হঁহি'ৰ বাবে অসম সাহিত্য সভাই সভাৰ সৰ্বোত্তম সাহিত্য-বঁটা 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা' প্ৰদান কৰিবলৈ পাই অনুভৱ কৰিছে গভীৰ আনন্দ। অসম সাহিত্য সভাই শ্ৰীৰংবং তেৰাঙৰ প্ৰতি জ্ঞাপন কৰিছে আন্তৰিক শুভেচ্ছা আৰু সম্বৰ্ধনা। সাহিত্য সভাই বাঞ্ছা কৰিছে— সুন্দৰ স্বাস্থ্য আৰু সুদীৰ্ঘ জীৱনৰ অধিকাৰী হৈ শ্ৰীতেৰাঙে অসমীয়া আৰু কাৰ্বি-অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধি সাধনত মূল্যৱান অৰিহণা যোগাই যাওক।

প্ৰসংগ ঃ ৰংমিলিৰ হাঁহি

ভবেন্দ্ৰ নাথ শইকীয়া

কাৰ্বি আংলং ঠাইখন আৰু কাৰ্বিসকলৰ জীৱনযাত্ৰাক আধাৰ হিচাপে লৈ ৰচনা কৰা অধ্যাপক ৰংবং তেৰাঙৰ ৰংমিলিৰ হাঁহি নামৰ উপন্যাস এখন উল্লেখযোগ্য গ্ৰন্থ। অধ্যাপক তেৰাঙৰ মতে 'ৰংমিলিৰ হাঁহি' এখন উপন্যাসহে, ইতিহাস নহয়। কিন্তু কাৰ্বিসকলৰ চিন্তা, কৰ্ম, জীৱনযাত্ৰা, সামাজিক ৰীতি-নীতি আদি গ্ৰন্থখনত যিদৰে লিপিবদ্ধ কৰা হৈছে, তাৰে চাই পাঠকে গ্ৰন্থখনৰ ওপৰত ঐতিহাসিক আৰু সাংস্কৃতিক মূল্যও আৰোপ কৰিব পাৰে। বিশেষকৈ, এখন অসমীয়া ভাষাৰ উপন্যাস পঢ়ি থাকোঁতে পাঠকে কাৰ্বি ভাষাটো, সেই ভাষাৰ থলুৱা গীত-মাত, বিভিন্ন নাম-ধাম আদিৰ যি সান্নিধ্য লাভ কৰে, সেই সান্নিধ্য অসমৰ নিচিনা এখন বিচিত্ৰ ৰাজ্যৰ কাৰণে বৰ প্ৰয়োজনীয়। অধ্যাপক তেৰাঙে ঠায়ে-ঠায়ে পাদটীকাত গুৰুত্বপূৰ্ণ কাৰ্বি শব্দ আৰু গীত কিছুমানক অসমীয়া অৰ্থ দিয়াতো এইক্ষেত্ৰত উপকাৰী হৈছে। উপন্যাস পঠনৰ সাৱলীল গতিত বাধা পৰিলেও অনুসন্ধিৎসু আৰু আগ্ৰহী পাঠকে এই পাদটীকাসমূহৰ দ্বাৰা উপকৃত হ'ব। আনকি এনেধৰণৰ লিখন-পঠন প্ৰক্ৰিয়াৰ জৰিয়তে অসমীয়া ভাষালৈ কিছুমান নতুন শব্দৰ আগমনৰ সম্ভাৱনা আছে। কুন্তিৰী মানে চাৰিওকাষে বেৰ থকা দুচলীয়া ঘৰ,— ইয়াত তিৰোতাসকলে জিৰণি লয়; বান্ধৱীক সম্বোধন কৰা শব্দটো হ'ল— ছাং; লাইছেনেম মানে অবৈধ প্ৰণয়; বিভিন্ন কাৰণত এনেবোৰ শব্দ অসমীয়া ভাষাত সোমাই যাব পাৰে।

প্ৰান্তিক, প্ৰথম বছৰ ৮ম সংখ্যা, ১৬-৩১মাৰ্চ, ১৯৮২

প্রতিবেশি সাহিত্য ঃ সাম্প্রতিক অসমীয়া সাহিত্য

প্রীতি বরুয়া

..'৮১ সালে ছোট-বড় প্রায় ত্রিশখানা উপন্যাস প্রকাশ হয়েসে। এর মধ্যে প্রথিতযশা কয়েকজন লেখক-লেকিকার সংগে নতুন লেখকেরও কয়েকখানা উল্লেখযোগ্য উপন্যাস আছে। 'রংমিলির হাঁহি'র মতন একটি সার্থক উপন্যাস লিখেছেন অধ্যাপক রংবং। তিনি একজন কাববি লেখক। নতুন উপন্যাসিক। কিন্তু একটি রসোত্তীর্ণ নিটোল উপন্যাস লিখেছেন কারবি আংলং জেলাব রংমিলি গ্রামকে কেন্দ্র করে। এখানে আসামের পার্বত্য জেলাটির প্রাক্ স্বাধীনতা যুগের জনজীৱনে সুখ-দুখ, আশা-আকাংখা, প্রেম-বিষন্নতা এখানে মূর্ত হয়ে উঠেছে। পরম্পরাগত প্রাচীন মূল্যবোধ, আর্থ-সামাজিক জীবন ধারার সংগে সংগে খ্রীষ্টান মিশনারীর প্রভাবে নতুন ধর্মীয়, আর্থিক, নৈতিক এবং শৈক্ষিক প্রমূল্য, এবং ক্ষমতালোভীর সাহায্যে আফিং ও অন্যান্য আনুষংগিক সামাজিক দুর্নীতির সংঘাতের চিত্র তুলে ধরে তার মধ্যে দিয়েই উজ্জ্বলতর ভৱিষ্যতের পথে অগ্রসর হওয়ার কথা ব্যক্ত হয়েছে। কাহিনী-বিন্যাসে এই নবীন লেখক যে দক্ষতা দেখিয়েছেন সেই দক্ষতা তাঁর ভাষাতেও প্রকাশ পেয়েছে। অসমীয়া ভাষার এখন সুবিন্যস্ত ৰূপ আধুনিক লেখকের হাতে খুব বেশি দেখা যায় না। উপন্যাসটির আর একটি বিশিষ্ট অৱদান কারবি জন-জীৱনের জীৱন্ত ৰূপ, যা এতদিন সমতলের লোকের চোখে প্রতিভাত হয়নি। জনজীৱনের নিবিড় সান্নিধ্যের অভিজ্ঞতা থেকে অধ্যাপক তেরাং অসমীয়া সাহিত্যকে এক মূল্যবান সম্পদ দান করেছেন।

দেশ, ২৯ মে' ১৯৮২

ৰংবং তেৰাঙৰ ছাত্ৰাৱস্থাৰ লেখা

লংকা হাইস্কুলৰ হাতেলিখা আলোচনীত ৰংবং তেৰাঙৰ এই লেখাটো প্ৰকাশ পাইছিল। তেতিয়া তেওঁ আছিল দশম শ্ৰেণীৰ ছাত্ৰ।

লংকিৰ জীৱন

এশাৰী সৰু চাপৰ পাহাৰ। পাহাৰৰ বুকু ফালি টেকীঁয়া বনৰ আঁৰে আঁৰে আঁকাই-পকাই বৈ আছে চিকচিকীয়া নিজৰাটি। তাৰ পাৰতে আছে লংকিহঁতৰ গাঁওখন। গাঁৱৰ মানুহবোৰ সহজ সৰল প্ৰকৃতিৰ। শিক্ষা-দীক্ষাত পিছপৰা। বৰ্তমান সভ্যতাৰ লগত সিহঁতৰ চিনাকি নাই। গাঁওখনৰ এমূৰত লংকিহঁতৰ ঘৰ। গাঁওখন তাৰ অতি চেনেহৰ। তাৰ কৰ্মপটুতা, তাৰ সৰলতাই গাঁৱৰ সকলোকে আপোন কৰি ল'ব পাৰিছে।

তাৰ চিনাকি পাহাৰখনলৈ আগবাঢ়ি যায়। হাতত ভগা দা আৰু কান্ধত এখন ফটা মলিযন জোলোঙা। সি সেই পাহাৰতে আৰ (ঝুম খেতি কৰা ঠাই) ল'ব। অটব্য হাবি-বন কাটি তাৰ ভাতমুঠি মোকলাব। সি হাবি-বন লতা কাটি দিলে। ৰ'দত হাবিবোৰ শুকাই গ'ল। জুই জ্বলাই দিলে। দমদমকৈ জুই জ্বলি উঠিল। বগা ক'লা বৰণৰ ধোঁৱাবোৰে আকাশ ঢাকি ধৰিলে। গাঁৱৰ মানুহবোৰে লংকিৰ আৰত জুই জ্বলা দেখি সেই পাহাৰখনলৈ চাই থাকিল। দূৰৰ পৰা পাহাৰৰ জুই চাই ভাল লাগে। ইফালে প্ৰখৰ ৰ'দ, তাতে জুইৰ তাপ। তাৰ শৰীৰৰ পৰা ঘামৰ টোপালবোৰ সৰি পৰিছে। মাজে মাজে সুহুৰি মাৰে, গানৰ সুৰ টানে। দাখনেৰে গছৰ ডাল কাটি জুইত পেলাই দিয়ে।

গাঁৱৰ পৰা তাৰ আৰখন দেখি। পাহাৰখনিৰ আগৰ সেউজীয়া ৰূপ নাই। বিৰাট আকাৰৰ ক'লা ক'লা শিলবোৰ দেখা যায়। খেতিৰ দিন পালেহি। কেতেকী চৰায়ে খেতিৰ সময় সূচাই দিয়ে। গাঁৱৰ মানুহবোৰে কামে কামে লাগি যায়। সিও মামৰে ধৰা কোৰখন উলিয়াই লয়। থিয় পাহাৰৰ বুকুত কোৰৰ ঘাপ বহুৱাই দিয়ে। ধান, কপাহ, তিল, মাকৈ সানমিহলি কৰি সিঁচি দিয়ে। তাৰ জিৰণি ল'বৰ সময় নাই। ডেই-পুৰি যোৱা ৰ'দ তাৰ নঙঠা পিঠিত পৰি জিলমিলায়। গাৰ পৰা তপত ঘামৰ টোপালবোৰ সৰি মাটিত মিলি যায়। সবিতাই পশ্চিম দিগন্তৰেখা অতিক্ৰম কৰে। নীলিমাৰ বক্ষত ৰাঙলী ৰঙৰ হেন্দোলনি উঠে। গছৰ ফাঁকে ফাঁকে ৰাঙলী ৰং ভাহি আহে। সি শিল এচটাৰ ওপৰত ক্লান্ত দেহেৰে বহি পৰে। সি আকাশলৈ আৰু আৰখনলৈ চাই ভাবে। অজান পক্ষীটোৱে উৰি যায় দূৰ-দিগন্তৰ ফালে। অৱশেষত নীলিমাৰ বুকুত হেৰাই যায়। তাৰ ক্লান্ত দেহটোক অৱসৰ দিবলৈ ধীৰে ধীৰে আগবাঢ়ে তাৰ গাঁওখনলৈ।

শস্য পেলাই হ'ল। সি সন্ধ্যাপৰৰ পাহাৰটোৰ পৰা নামি আহে। মনত তাৰ বৰ আনন্দ। অজানিতে পাহাৰীয়া সুৰ টানে। লুংলুঙীয়া বাটেৰে সি গাঁৱৰ পিনে আগুৱায়। গছৰ শিপাবোৰত

উজুটি খাই তাৰ সুৰ হেৰাই যায়। গীতৰ অন্তৰালত লুকাই থাকে তাৰ প্ৰিয়াৰ অফুৰন্ত কাহিনী...।

ধানৰ আগবোৰে বতাহত ঢৌ খেলি যায়। সিও শিল এচটাৰ ওপৰত বহি কল্পনাৰ ঢৌত নিজকে উটাই দিয়ে। পাহাৰীয়া চৰাইৰ সানমিহলি মাত, জিলীৰ মাত তাৰ কাণত পৰে। কাষৰ পাহাৰটোৰ পৰা বান্দৰৰ কোলাহলে তাৰ কল্পনাৰ সপোন ভাঙি দিয়ে। দিগন্ত ৰেখাক চুই থকা মেঘৰ দ'মবোৰলৈ চাই চাই কল্পনা কৰে তাৰ ভৱিষ্যতৰ সোণালী দিনবোৰলৈ।

ধানে সোণালী বৰণ ল'লে। সোণালী ধানৰ থোকবোৰ মাটিৰ ফালে দোঁ খাই পৰে। হাতত ধনু আৰু বাটলুগুটি লৈ পকাধান খাবলৈ অহা টোকোৰাবোৰক খেদি থাকে। সি ৰাইজৰ সহায় লৈ ধান দাই শেষ কৰে। মাকৈ, পকা বাঙি, ৰঙা কোমোৰা আনি গাঁৱৰ মানুহক ভগাই দিয়ে। দূৰৰ পৰা পাহাৰখনিৰ বুকুৰ কপাহবোৰক বগা মেঘৰ দ'ম যেন দেখি। সি কপাহ তোলে।...

কপাহ খাঙত ভৰাই গাঁৱৰ মানুহৰ লগত ডিফুলৈ যায়। তাৰ মনত অপাৰ আনন্দ। একা-বেঁকা বাটেৰে আগুৱাই যায়। দূৰত ৰে'লগাড়ীৰ উকি শুনি তাৰ মনটো নাচি উঠে দেখা পোৱাৰ আশাত। সি কপাহ বেচি পঞ্চাশ টকা পালে। নোট কিখনলৈ চাই আনন্দত হাঁহে। তাৰ দুখ-ভাগৰ খন্তেকলৈ পাহৰি যায়। ডিফুৰ পৰাই সি অহা বছৰৰ কাৰণে নতুন দা আৰু কোৰ এখন কিনি আনে।

সিহঁত ঘৰ পালেহি। গাঁৱৰ মানুহে সিহঁতক আগুৰি নানা কথা সোধে। তিৰোতাবোৰে ৰে'লগাড়ী আৰু তাৰ মানুহবোৰৰ কথা সোধে। সি কৈ যোৱাৰ লগে লগে সিহঁত আচৰিত হয়। আৰু বুজিব নোৱাৰি হাঁহে। বহুতে অহা বছৰ চহৰলৈ গৈ ৰে'লগাড়ী চাবলৈ মত প্ৰকাশ কৰে। সিও সিহঁতক নিবলৈ মত দিয়ে। ৰাইজৰ পৰা মেলানি মাগি ঘৰলৈ আহে। সি ঘৰলৈ আহি ভাবে 'কপালৰ ঘামৰ সলনি পালে ধন আৰু ধান'। তাৰ মনটো আনন্দেৰে ফুলি উঠে। বাধা দিব নোৱৰা মনটোৰে আগুৱাই যায় ভৱিষ্যতৰ বুকুলৈ কিহবাৰ আশাত...।

প্ৰতি,

ৰংবং তেৰাং, ডিফু

বিশিষ্ট ব্যক্তিৰ কেইখনমান গুৰুত্বপূৰ্ণ চিঠি

বৈজয়ন্তী, উত্তৰ শৰণীয়া
গুৱাহাটী- ৩
২৬ জানুৱাৰী ১৯৮৯

মৰমৰ ৰংবং,

তুমি পদ্মশ্ৰী সন্মান পোৱা বতৰা পাই আনন্দ লাভ কৰিলো। ই যেন তোমাক নতুন সৃষ্টিলৈ উদ্‌গণি যোগায। এতিয়া কিবা লেখি আছানে?

স্নেহাশীৰ্বাদ জানিবাঁ।

তোমাৰ ছাৰ
মহেশ্বৰ নেওগ



মৰমৰ তেৰাং,

তোমাৰ কৃতিত্বৰ বাতৰি পোৱাৰ লগে লগে ভাব হ'ল ময়ে যেন দ্বিতীয়বাৰৰ কাৰণে এই বঁটা পালোঁ।

মই তাহানি শ্ৰীযুত চন্দ্ৰপ্ৰসাদ শইকীয়াক কৈছিলোঁ যে প্ৰকাশে দুখন ক্লাছিকৰ সৃষ্টি কৰিলে— এখন মামনি গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' আৰু আনখন 'ৰং মিলিৰ হাঁহি'। আন ঠাইতো প্ৰসংগক্ৰমে এই কথা কৈ আহিছোঁ যে 'মিৰিজীয়ৰী'ৰ পিছতেই 'ৰংমিলিৰ হাঁহি' আঞ্চলিক উপন্যাস হিচাপে আমাৰ সাহিত্যত ক্লাছিক হৈ ৰ'ব।

তোমাৰ পৰা যে আমি আৰু বহু আশা কৰিছোঁ সেই কথা তোমাক লগ পোৱা প্ৰত্যেকবাৰেই কৈ আহিছোঁ— চিঠিতো দোহাৰিছোঁ।

নগাঁৱলৈ আহিলে আহিবা। শ্ৰীমতীসহ ল'ৰা-ছোৱালী সকলোটিকে আমাৰ মৰম আশীৰ্বাদ দিবা।

বৰ্তমান ভগবানৰ কৃপাত আমাৰ ভাল।

ইতি

শুভাকাংক্ষী

মহিম বৰা

৫ ৯ ৮৩

নগাঁও কলেজ, নগাঁও ঃ অসম



প্ৰিয় তেৰাং,

মই বহুদিন ইয়াত নাছিলোঁ, দিল্লী আহমেদাবাদ আদি ঠাইলৈ যাবলগীয়া হৈছিল। সম্প্ৰতি হাতত বহুত কাম, প্ৰবন্ধ লিখিবলৈ সময় নাই। প্ৰবন্ধ পঠিয়াব নোৱাৰি মই বেজাৰ পাইছোঁ। মিকিৰ পাহাৰত স্থানীয় ৰাইজৰ মাজত পুৰণি গীত পদ, সাধুকথা আদি বহুতো থাকিব লাগে। এইবিলাক সংগ্ৰহ কৰিব পাৰিলে ভাল। আধুনিক শিক্ষা আৰু প্ৰগতিৰ নামত আমি নিজৰ সংস্কৃতিৰ মূল্যবান সম্পদবোৰ আওহেলা কৰিবলৈ ধৰিছোঁ। এনে হোৱা যুগুত নহয়।

আপোনালোকৰ প্ৰচেষ্টাৰ শলাগ লৈছোঁ আৰু শুভেচ্ছা জনাইছোঁ।

ইতি আপোনাৰ

শ্ৰীপ্ৰফুল্ল দত্ত গোস্বামী



শ্ৰদ্ধেয় তেৰাং দেৱ,

আপোনাক ৰাষ্ট্ৰই সন্মান জনোৱাত মই অতিশয় আনন্দ আৰু গৰ্ববোধ কৰিছোঁ। আপোনাৰ সুদীৰ্ঘ, কৰ্মময় জীৱন হওক, মই শুভেচ্ছা জনাইছোঁ।

আপুনি, মই এনে সমাজৰ পৰা আহিছোঁ, য'ত এনেধৰণৰ সন্মান লাভ এক দুৰ্লভ অভিজ্ঞতাৰ দৰে। আনহাতে আন আগবঢ়া সমাজে ভাবে এনে সন্মানৰ কাৰণে আমাৰ মাজত যেন যথাযোগ্য ব্যক্তি নায়েই। এই সন্মান যেন পুতৌ কৰিহে আমাক প্ৰদান কৰে। আপুনি জনসাধাৰণৰ কাৰণে আপোনাৰ জীৱনজোৰা সাধনাৰে যি কৰিলে তাৰ প্ৰকৃত মূল্যায়ন কৰাৰ ক্ষেত্ৰতো সেই সমাজৰ অগ্ৰগামীসকলে যথোচিত গুৰুত্ব দিবলৈ কুণ্ঠবোধ কৰে।

মই পিছে তেনেবোৰ কথালৈ পৰোৱা নকৰোঁ। এই পদ্মশ্ৰী সন্মান এইবাৰহে যথাযোগ্য ব্যক্তিগৰাকীক দিছে বুলি মই অনুভৱ কৰিছোঁ। আজিকালি এনেবোৰ সন্মান বিলোৱা হয় ৰাজনৈতিক দৃষ্টিভংগীৰে, যেনে— যোৱাবাৰৰ অসমৰ এগৰাকীক প্ৰদান কৰা সন্মানৰ ঘটনাটো। মই সঁচাকে আচৰিত হৈছিলোঁ।

এইবাৰ আপুনি পোৱা দেখি মই সন্তুষ্টি লাভ কৰিছোঁ। অসমৰ এগৰাকী অগ্ৰগামী সাহিত্যকাৰক এনেদৰে সন্মান দিয়াত মইও এজন নিঃকিন সাহিত্যকৰ্মী হিচাপে সেই সন্মানৰ অংশীদাৰ হোৱা যেন অনুভৱ কৰিছোঁ।

মই আন এটা কথালৈ আহোঁ। 'নান্দনিক' ব'হাগত প্ৰথম প্ৰকাশ হ'ব। তাৰ কাৰণে আপোনাৰ পৰা গল্প এটা পামনে? মাননিৰ ব্যৱস্থা আছে। ফেব্ৰুৱাৰীৰ ২৮ তাৰিখৰ আগতে পোৱাকৈ এটা পঠাবচোন অনুগ্ৰহ কৰি। মই অনুগৃহীত হ'ম।

আপোনাৰ অসুখটো লৈ মোৰ প্ৰায়ে চিন্তা হয়। আকৌ এবাৰ দেখুৱাব নেকি বাৰু? প্ৰকাশ কৰিবলগীয়া কিবা কিতাপ আছে যদি তাকো লৈ আহিব। মই কৈছিলো নহয়? আপোনাক আগধন দিয়াৰ ব্যৱস্থা কৰাই দিম। মাৰ্চত মোৰ আলোচনীৰ কাৰণে আপোনাৰ এটা বিশদ সাক্ষাৎকাৰ লোৱা হ'ব। অনুগ্ৰহ কৰি দিয়ে যেন। এতিয়াই জনাই থ'লোঁ।

শ্ৰদ্ধা আৰু বহুত শুভেচ্ছাৰে—

মেদিনী চৌধুৰী

৩০/১/৮৯

Sri. M. M. Choudhury D.O.No. DIPR 1\31\11
Director of Information & Public
Relation, Assam
Dispur, Gauhati- 781006 Date- 11-9-81

My Dear Shri Terang.

Rongmilir Hanhi is just out. I Snatiled are before it come out Finally. The cover had still to hove the last Colour stop.

This is by all standards on outstanding cvation although I am sure some of our Assamese Sophisticated reader, Who pose to know, but in reality handly they do, about Assam's life and Culture, will brond it as outlandsh.

My heartiest kardom to you. Go ahead.

With warm regards to you and Mrs. Terang. Hope this would reach you guite hale and hearty.

Your's Sincerely.
Medini Choudhury.
11/9

স্নেহাস্পদেষু,

আশাকৰোঁ সপৰিবাৰে কুশলে আছা।

এটা কথা তোমাক ক'বলগীয়া হ'ল। ছাবিন আলুন সম্পৰ্কে বিভিন্নজনৰ আৰু তোমাৰ নিজৰ যি আলোচনা হৈছে, সেইবিলাক একেলগে যদি তোমাৰ হাতত আছে, তেন্তে সেইখিনি কেইদিনমানৰ কাৰণে মই চাব পৰা হ'লে ভাল পালোহেঁতেন। সেই প্ৰবন্ধবিলাকৰ (সংখ্যা আৰু কালসহ) তালিকা এটাও তোমাৰ হাতত নিশ্চয় আছে।

শ্ৰীমান কেশৱক মোৰ আন্তৰিক স্নেহ আশীৰ্বাদ জনাবা।

পুনঃ আশীৰ্বাদসহ

তোমাৰ শুভাকাংক্ষী

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

৭ ১১ ৮১



মৰমৰ শ্ৰীমান তেৰাং,

ভাৰত চৰকাৰে তোমালৈ পদ্মশ্ৰী উপাধি প্ৰদান কৰাৰ বাতৰিটো পাই আমি সকলোৱেই অতিশয় সুখ আৰু আনন্দ পাইছোঁ, আৰু এই পত্ৰযোগে তোমালৈ আমাৰ আন্তৰিক ওলগ, শুভইচ্ছা আৰু অভিনন্দন জনাইছোঁ। সাহিত্য-সাধনা আৰু দেশসেৱা কৰিবলৈ ভগৱানে তোমাক দীৰ্ঘায়ু কৰক, সহায় হওক, তাকো কামনা কৰিছোঁ।

আশাকৰোঁ ভালে আছা। গুৱাহাটীলৈ আহিলে কেতিয়াবা লগ পালে বৰ ভাল পাম। তুমি বোধকৰোঁ মোৰ নিজা ঘৰলৈ অহা নাই। দিছপুৰৰ পৰা তেনেই ওচৰ ঃ গণেশগুৰি চাৰিআলিৰ পৰা চিৰিযাখানা পথৰে মাত্ৰ পাঁচ মিনিটৰ বাট— চিঠী বাছেৰে আহিলে, বাছ ষ্টপ AIDC, বৰ বিখ্যাত ঠাই। তাতে নামি অম্বিকাগিৰি নগৰলৈ সোমোৱা প্ৰধান বাটটোৰে ডেৰশ মিটাৰমান আহিলেই মোৰ ঘৰ পোৱা যায়।

মৰম, প্ৰীতি আৰু শুভ ইচ্ছাৰে—

ইতি,

তোমাৰ

শ্ৰীগোলোক চন্দ্ৰ গোস্বামী

২ ২ ১৯৮৯



অধ্যাপক মহেন্দ্ৰ পাদুন
অসমীয়া বিভাগ
শিৱসাগৰ কলেজ
জয়সাগৰ-৭৮৫ ৬৬৫

বাসস্থান
পুৰণা আমোলাপট্টি
শিৱসাগৰ-৭৮৫ ৬৪০

দিনাংক ২৬/১/৮৯

প্ৰতি
শ্ৰীঃ ৰং বং তেৰাং,
ডিফু মহাবিদ্যালয়,
ডিফু।

প্ৰিয় তেৰাং,

॥ আজিৰ বাতৰি কাকতত আপুনি ভাৰত চৰকাৰৰ দ্বাৰা "পদ্মশ্ৰী" উপাধিৰে সন্মানিত হ'ব বুলি পঢ়িবলৈ পাই অত্যন্ত আনন্দিত হলোঁ, যে যেন মইহে পদ্মশ্ৰী পালোঁ। উক্ত সন্মানৰ অধিকাৰীৰ বাবে আপোনাক অভিনন্দন জনাবলৈ মোৰ ভাষা নাই॥

আপোনাৰ কৃতিয়ে অধিক সন্মানৰ অধিকাৰী হওক তাৰেই কামনাৰে॥

ইতি
আপোনাৰ
॥ মহেন্দ্ৰ পাদুন ॥

পুনশ্চ:
ইংৰাজী নতুন বছৰৰ ওলগ আৰু শুভকামনা জনালোঁ। সপৰিয়ালে গ্ৰহণ কৰিব।

মা.পা.

অজিত কুমাৰ শৰ্মা
Member of Parliament
(Rajya Sabha)

সুৰাগপুৰ, গুৱাহাটী—৮
২৬.১.৮২
(দিল্লীৰ ঠিকনা
৫৩. ছাউথ এভিনিউ
নতুন দিল্লী- ১১)

মৰমৰ ৰংবং,

'ৰংমিলিৰ হাঁহি' পঢ়ি উঠিয়েই চিঠিখন লিখিবলৈ ল'লো।

তোমাৰ 'ৰংমিলিৰ হাঁহি'ৰ বাবে তোমালৈ আন্তৰিক অভিনন্দন জনালো। অসমীয়া সাহিত্য তথা ভাৰতীয় সাহিত্যলৈ আৰু আনহাতে বহল অসমীয়া সমাজলৈ তোমাৰ এইটো হ'ল সুন্দৰ অৱদান। কাৰ্‌বি চৰিত্ৰৰ যোগেদি সমগ্ৰ অসমীয়া সমাজখনৰ থাই সমস্যাবোৰ উত্থাপন কৰিবলৈ যি চেষ্টা কৰিছা তাত সম্পূৰ্ণ কৃতকাৰ্য হৈছা। অৰ্থাৎ, অসমত থকা মানুহখিনিৰ বাবে মানুহ হ'বলৈ যি শক্তিমন্ত দৃষ্টিভঙ্গীৰ দৰ্কাৰ তাক তোমাৰ উপন্যাসে বঢ়িয়াকৈ দেখুৱাইছে। এইখন যিহেতু তোমাৰ প্ৰথম প্ৰকাশিত উপন্যাসহে, আশাকৰোঁ ইয়াৰ পাছত তোমাৰ পৰা অধিক সাৰ্থক অৱিহণা আমি পাম।

মৰম সম্ভাষণ জানিবা।

ইতি
তোমাৰ
অজিত কুমাৰ শৰ্মা

'লুইতৰ মাজেদিহে...'

অসম প্ৰকাশন পৰিষদৰ বঁটা প্ৰদান কৰা উপলক্ষে এই বঁটা লাভ কৰা শ্ৰীৰংবং তেৰাঙে কৰা মন্তব্যাই উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিভাজন সৃষ্টিৰ প্ৰয়াস কৰাসকলক চকু মুকলি কৰি দিব বুলি আমি আশা কৰিছোঁ। 'লুইতৰ মাজেদিহে আমি মহাসাগৰৰ সান্নিধ্য লাভ কৰিব পাৰিম' বুলি অতিশয় আন্তৰিকতা আৰু আস্থাসহকাৰে তেওঁ যি কথা কৈছে, সেই বাস্তৱ সত্য এতিয়াও যদি কোনোবাই কপট নিদ্ৰাৰে বুজিও নুবুজাৰ ভাও ধৰে, ব্যক্তিগত বা ক্ষুদ্ৰ স্বাৰ্থৰ বাবে সেই বাস্তৱ সত্য ইচ্ছাকৃতভাৱেই অস্বীকাৰ কৰে, তেতিয়াহ'লে শ্ৰীতেৰাঙৰ ভাষাত ক'বলৈ হ'লে 'উত্তৰ-পূৰ্বাঞ্চলত বিভিন্ন জনগোষ্ঠীৰ মাজত আমাৰ প্ৰতীতিক উদ্বুদ্ধ কৰাত সহায়ক নহ'ব।' শ্ৰীতেৰাঙে তেওঁৰ ভাষণত মন্তব্য কৰিছে— 'গভীৰ দুখেৰে লক্ষ্য কৰিছোঁ অসমৰ এই সাংস্কৃতিক সমন্বয়ৰ মহীয়ান ৰূপক দেখিও নেদেখা বুজিও নুবুজাৰ কাৰণেই আজিৰ অসম খন ভাগি-ছিগি যাবলৈ ধৰিছে।' শ্ৰীতেৰাঙৰ এই ক্ষোভ আৰু দুখ উপলব্ধি কৰা প্ৰয়োজন। এতিয়াও যদি বিশেষকৈ অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ নেতৃবৰ্গ আৰু চিন্তাশীল ব্যক্তিসকলে বাস্তৱ সত্যক স্বীকাৰ কৰি লৈ শ্ৰীতেৰাঙৰ ভাষাত 'ইচ্ছাকৃতভাৱে অস্বীকাৰ কৰিলে', অসমৰ বহু সমস্যা, বহু ভুল চিন্তা আৰু বহু ভুল বুজাবুজিৰ অৱসান ঘটাই অসমীয়া সাহিত্যই কেৱল নহয় বৃহত্তৰ অসমীয়া জাতি এটা গঢ়ি তোলাত সফলকাম হ'ব পৰা যাব।

অপ্ৰিয় সত্য যে অসমীয়া সমাজ বুলি কওঁতে সাধাৰণতে যি ঠেক আৰু সীমিত অৰ্থৰ দ্বাৰা বহু সময়ত চালিত হোৱা যায়, তাৰ পৰিণামতেই ইতিমধ্যে বহুতো ভুল বুজাবুজি হৈছে আৰু অপ্ৰিয় সত্য যে তেনে পৰিস্থিতিৰ সুবিধা স্বাৰ্থজড়িত মহলে গ্ৰহণ কৰি, বিভিন্নতাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অংশবোৰ অতিৰঞ্জিত কৰি নিজস্ব ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ পথ মুকলি কৰিবলৈ যত্ন কৰি আহিছে। তেনে প্ৰচেষ্টা এতিয়াও ৰাজ্যখনত ঠাই বিশেষে চলি থকাটোও অপ্ৰিয় সত্য। 'বৃহত্তৰ অসমীয়া জাতিৰ সংস্কৃতিৰ ৰংঘৰ সম্পূৰ্ণৰূপে উৰলি যোৱাৰ পূৰ্বেই পুনৰ নিৰ্মাণৰ প্ৰয়োজন' বুলি উপলব্ধি কৰি এইক্ষেত্ৰত সদৌ অসম ছাত্ৰ সন্থাইহে যে এক ইতিবাচক ভূমিকা ল'বলৈ আগবাঢ়িছে আৰু বিদেশী নাগৰিক সমস্যাটোৱে যে ছাত্ৰ সন্থাক এই সুবিধা দিলে সেইকথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু ছাত্ৰ সন্থাৰ সেই প্ৰচেষ্টাক যি কোনো প্ৰকাৰে ধুলিস্যাৎ কৰিবলৈ চলোৱা স্বাৰ্থজড়িত মহলৰ প্ৰচেষ্টাৰ অন্ত নাই।

শ্ৰীৰংবং তেৰাঙে অসমৰ সাংস্কৃতিক সমন্বয়ৰ যি মহীয়ান ৰূপৰ কথা কৈছে, সেয়া প্ৰকৃততে বৃহত্তৰ অসমীয়া জাতিৰ প্ৰতিজনৰে প্ৰতি আহ্বান। মনত ৰখা প্ৰয়োজন যে জনজাতীয় আৰু অ-জনজাতীয় উভয়ৰ শ্ৰেণীৰ ৰাইজ যে এই ৰাজ্যখনৰ প্ৰতিক্ষেত্ৰতে সম অংশীদাৰ আৰু এই বৰলুইতখনত যে কোনো শ্ৰেণীৰে একচেটিয়া অধিকাৰ নাই, তাক অনুভূত কৰাবলৈ হ'লে পৰস্পৰে স্বকীয়তা আৰু ঐতিহ্যমণ্ডিত পৰম্পৰাক সন্মান জনাবই লাগিব। কাৰোবাৰ আধিপত্য বা একচেটিয়া অধিকাৰৰ প্ৰশ্ন উঠিব নোৱাৰে। পাৰস্পৰিক সন্মানৰ এই দৃষ্টিভংগীৰ অভাৱ ঘটিলে স্বাভাৱিক ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু পৰিণতিয়ে আৰু নিজস্ব গতি লোৱাৰ পৰা কোনেও বাধা দিব নোৱাৰে।

(দৈনিক জনমভূমি কাকতৰ ১৯৮৪ চনৰ ১১ জানুৱাৰীৰ সম্পাদকীয়)



ৰংবং তেৰাঙলৈ ১৯৮৯ চনৰ ২৫ মাৰ্চত পদ্মশ্ৰী সন্মান আগবঢ়াই প্ৰদান কৰা স্মৃতিফলকখন

ৰংবং তেৰাঙলৈ বিষ্ণু ৰাভা বঁটা

কলাগুৰু বিষ্ণু ৰাভা দিৱসৰ লগত খাপ খুৱাই বিশ জুন তাৰিখে অসম সাহিত্য সভাই অধ্যাপক শ্ৰীৰংবং টেৰাঙক তেওঁৰ উপন্যাস 'ৰংমিলিৰ হাঁহি'ৰ বাবে ১৯৮২ চনৰ শ্ৰেষ্ঠ অসমীয়া গ্ৰন্থৰ স্বীকৃতিৰে প্ৰমাণপত্ৰ; সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ কিছুমান আৰু পাঁচ হেজাৰ টকাৰ ড্ৰাফট এখন ৰাজহুৱাভাৱে দান কৰে। গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অধ্যাপক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীৰ সভাপতিত্বত বহা সভাখনত নব নিৰ্বাচিত সভাপতি ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই উক্ত বঁটা আনুষ্ঠানিকভাৱে অধ্যাপক টেৰাঙলৈ আগবঢ়ায়।

ড° সত্যেন্দ্ৰ নাথ শৰ্মাই পুৰস্কাৰপ্ৰাপ্ত উপন্যাসখনিৰ বিষয়ে বিশ্লেষণ কৰি কয় যে এই উপন্যাসত কাৰ্বি জীৱনৰ ঘাতে-প্ৰতিঘাতৰ ছবি নিমজ ভাষাৰে দাঙি ধৰাত লেখক কৃতকাৰ্য হৈছে। আন এগৰাকী বক্তা শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়াই উপন্যাসখনৰ চৰিত্ৰসমূহৰ আৰু প্ৰকাশভংগীৰ বৈশিষ্টৰ কথা উনুকিয়ায়।

সম্বৰ্ধনাৰ উত্তৰত অধ্যাপক তেৰাঙে অসমৰ জনজাতীয়সকলৰ লগতে আন থলুৱা অসমীয়া ৰাইজৰ বুজাবুজিৰ আৱশ্যকতা আৰু ৰাজনৈতিক কাৰণত ঘটা বিভ্ৰান্তিৰ অৱসানৰ আৱশ্যকতাৰ কথা কৈ লুইতৰ সোঁতেৰে মহাসাগৰলৈ গতি... উপমাৰে অসমৰ সকলো ভাষা উপ-ভাষাৰ লেখকসকলক অসমীয়া ভাষাৰ জৰিয়তে বৃহত্তৰ ক্ষেত্ৰত আত্মপ্ৰকাশ কৰিবলৈ আহ্বান জনায়। তেওঁৰ পত্নী শ্ৰীমতী তেৰাঙেও দুষাৰ কয়।

সভাপতিয়ে অসমৰ যাউতিযুগীয়া সংহতি সমন্বয়ৰ ক্ষেত্ৰত এনেধৰণৰ অৱদানৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। আৰম্ভণিতে অসম সাহিত্য সভাৰ সম্পাদক শ্ৰীনগেন শইকীয়াই কয় যে স্বৰ্গীয় সীতানাথ ব্ৰহ্ম চৌধুৰীৰ উদ্যোগত সৃষ্টি হোৱা বিষ্ণুৰাভা সোঁৱৰণী বঁটা আজি তিনি বছৰৰ মূৰকত প্ৰথমবাৰলৈ এখন উচ্চমান বিশিষ্ট উপন্যাসৰ লেখকলৈ আগবঢ়াবলৈ পাই অসম সাহিত্য সভাই সন্তোষ লাভ কৰিছে।

সভাত শ্ৰীমতী এলি আহমেদৰ নেতৃত্বত সমবেত সংগীত আৰু কুমাৰী সুচন্দা মহন্তৰ আবৃত্তি নিবেদন কৰা হয়।

(ৰংবং তেৰাঙলৈ অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা প্ৰদান কৰাৰ সময়ত দৈনিক অসম কাকতত প্ৰকাশিত বাতৰি)

ৰংবং তেৰাঙলৈ প্ৰকাশন পৰিষদৰ বঁটা দান

ডিফু ৯ জানুৱাৰী ঃ অসম প্ৰকাষণ পৰিষদৰ ১৯৮২ চনৰ সাহিত্য বঁটা বিজয়ী অধ্যাপক শ্ৰীৰংবং তেৰাঙক পৰিষদৰ ফালৰ পৰা ১০ হাজাৰ টকাৰ লগতে এখন মানপত্ৰ আৰু এটা ৰূপৰ পদক প্ৰদান কৰা হয়। ইয়াৰ উপৰিও পৰিষদে প্ৰকাশ কৰা কিছুমান গ্ৰন্থও তেওঁক উপহাৰ দিয়া হয়। 'ৰংমিলিৰ হাঁহি' নামৰ উপন্যাস খনৰ বাবে শ্ৰীতেৰাঙক এই বঁটা দিয়া হৈছে।

ইয়াৰ চৰকাৰী কলেজৰ প্ৰেক্ষাগৃহত বঁটা প্ৰদান উপলক্ষে পৰিষদে আয়োজন কৰা এখন সভাত পৰিষদৰ সভাপতি শিক্ষা মন্ত্ৰী শ্ৰীমুকুট শৰ্মাই সভাপতি কৰে আৰু মুখ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই সভা উদ্বোধন কৰে।

কাৰ্বি আংলঙৰ দুটা ব্লক মেঘালয়লৈ হস্তান্তৰিত কৰাৰ প্ৰতিবাদত কাৰ্বি ছাত্ৰ সন্থা কাৰ্বি ৰিচো আদৰাৰ কাৰ্বি আংলং ছাত্ৰ সন্থা আৰু ডিফু চৰকাৰী কলেজ ছাত্ৰ সন্থাই সভা বৰ্জন কৰিবলৈ যুটীয়াভাৱে ৰাইজলৈ আহ্বান জনায়। সভাত লোক উপস্থিতি নহ'ব বুলি আশাংকা. কৰি জিলা কতৃপক্ষই ১১খন বেচৰকাৰী বাছেৰে লামডিঙৰ ওচৰৰ বৰলাংফেৰৰ ফালৰ পৰা মানুহক সভালৈ আনে। শক্তিশালী নিৰাপত্তা ব্যৱস্থাৰ মাজত সভা অনুষ্ঠিত হয়।

মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত কাৰ্বি তথা অসমৰ পাহাৰ-ভৈয়াম বিয়পি থকা সমাজখনৰ কথা উল্লেখ কৰি কয়— এই সমাজখনত বৰ্তমানে এক জটিল সময়ৰ মাজেদি আগবাঢ়িছে। মাত্ৰ কিছুদিন আগতে সুন্দৰ ৰাজ্যখন হিংসা আৰু বিভেদৰ ক'লা মেঘে ঢাকি ৰাখিছিল। এতিয়া ৰাজ্যখন পুনৰ স্বাভাৱিক অৱস্থালৈ উলটি আহিছে। এতিয়া প্ৰয়োজন অগ্ৰগতিৰ গতি দুগুণে বঢ়োৱাৰ মিলন আৰু সমন্বয়ৰ আদৰ্শ উজ্জ্বলতৰ কৰাৰ।

পাহাৰ অঞ্চলৰ জনজাতীয় লিখক হিচাপে পৰিষদৰ পৰা প্ৰথম বঁটা লাভ কৰা ডিফু কলেজৰ অধ্যাপক শ্ৰীতেৰাঙে বঁটা গ্ৰহণ কৰি দিয়া ভাষণত কয়— জনজাতীয় ভাষা সাহিত্যৰ প্ৰতি শ্ৰদ্ধা ৰাখিও আমাৰ প্ৰতীতিক অসমীয়া সাহিত্যৰ সহায়ত বিশাল বিশ্বৰ মানৱ আয়তনলৈ উত্তৰণ ঘটাব পাৰি। লুইতৰ মাজেদিহে আমি মহাসাগৰৰ সান্নিধ্য লাভ কৰিব পাৰিম। এই বাস্তৱ সত্যক ইচ্ছাকৃতভাৱে অস্বীকাৰ কৰিলে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত আমাৰ প্ৰতীতিক উদ্বুদ্ধ কৰাত সহায়ক নহব। তেওঁ কয়— অসমৰ এই সাংস্কৃতিক সমন্বয়ৰ মহীয়ান ৰূপক দেখিও নেদেখা, বুজিও নুবুজাৰ কাৰণেই আজিৰ অসমখন ভাগি-ছিগি যাবলৈ ধৰিছে। ৰাজনৈতিক স্বাৰ্থৰ মোহত পৰি অসমৰ মাটি আৰু মানুহক পৃথক কৰিবলৈ অস্ত্ৰোপচাৰ কৰিছোঁ। কিন্তু মানৱ সংমিশ্ৰণৰ শাশ্বত গতিক ৰুদ্ধ কৰিব পাৰিম জানো শ্ৰীতেৰাঙৰ মতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সহজ-সৰল মানুহৰ জীৱন সংঘাতৰ কাহিনীক শিল্পী-সাহিত্যিকসকলে সৃজনীশীল দৃষ্টিৰে বিশ্বমানৱৰ ওচৰলৈ নিয়াৰ দায়িত্ব ল'ব পাৰিলে অসমীয়া সাহিত্য বিশাল আৰু মহত্বপূৰ্ণ হৈ উঠিব। সভাপতি শ্ৰীশৰ্মাই তেওঁ ভাষণত অসনৰ বিভিন্ন জনগোষ্ঠীৰ মাজত হেৰাই যাব খোজা বিশ্বাস-সম্প্ৰীতি অটুট ৰখাৰ ওপৰত গুৰুত্ব দিয়ে। সভাৰ আৰম্ভণিতে প্ৰকাশন পৰিষদৰ সচিব শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াই দিয়া আদৰণি ভাষণতে 'ৰংমিলিৰ হাঁহি' উপন্যাসখনিৰ বিষয়ে এটি চমু ব্যাখ্যা দাঙি ধৰে। সভাৰ শেষত পৰিষদৰ উপ-সভাপতি শ্ৰীসতীশ চন্দ্ৰ কাকতীয়ে শলাগৰ শৰাই আগবঢ়ায়। সভাৰ লগতে কলেজ প্ৰাংগণত পৰিষদৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ এখন প্ৰদৰ্শনীও পতা হয়।

ৰংবঙে সোঁৱৰাই কাৰ্বিৰে দান
'ৰংমিলিৰ হাঁহি' হৈলা চিৰজ্যোতিষ্মান!
আজি ৰাংছিনা নগৰ, হৈলা জাতিষ্কাৰ
গীতিকাৰ ভূপেন্দ্ৰই যাচে নমস্কাৰ।।

ডিফুত অনুষ্ঠিত অসম সাহিত্য সভাৰ ঊনপঞ্চাশতম্ অধিৱেশনৰ
মুখ্য অতিথি হিচাপে দিয়া ভাষণত ড° ভূপেন হাজৰিকা

২৪ এপ্ৰিল ১৯৮২

জীৱনজোৰা সাধনাৰে ৰংবং তেৰাঙে অৰ্জন কৰা বিভিন্ন বঁটা-সন্মান, সম্বৰ্ধনাপত্ৰ আদিৰ একাংশ



তিমিৰাচ্ছন্ন এই কাৰবি আংলঙত
পোহৰ বিলাওঁ আমি পোহৰ বিলাওঁ,
যুগ যুগলৈ অজ্ঞান বাহ্যিক
জ্ঞান প্ৰদীপেৰে বিনাশ কৰাওঁ।
কাৰবি-কছাৰী ডিমাচা-ৰেংমাৰে
অসমী আইৰ শিৰ উজলাওঁ,
মই-ইংলঙৰ চেনেহ ডোলেৰে
মহান অসমীয়া জাতি গঢ়াওঁ।
ঢোল-চেৰেঙেৰে পাংচি পেঁপাৰে
মহান কৃষ্টিক বিকাশ কৰাওঁ,
কিৰ্-ইক চেলেঙেৰে পা'হ' পাগেৰে
সুন্দৰ পৃথিৱীত সপোন বিলাওঁ।
আমাৰ দৃষ্টিত উদাৰতা
আমাৰ সৃষ্টিত মহানতা,
সেউজী পৃথিৱীত সেউজ মনেৰে
কাৰবি আংলঙত পোহৰ বিলাওঁ।